চৰ্য্যাপদ

ড° পৰীক্ষিত হাজৰিকা,
ৰীডাৰ, অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়,
গুৱাহাটী-১৪
অসম।

ডালিমী প্ৰকাশন
ফটাশিল-আমবাৰী
গুৱাহাটী-২৫।

CARYYAPADA : A critical edition of some Buddhist Songs of Sahajiya cult by Dr. Parikshit Hazarika, Reader in Assamese Department, Gauhati University, Guwahati-14, Assam. Third Edition, 14 July 1992.

প্ৰথম তাঙৰণ, মাৰ্চ, ১৯৭৩

দ্বিতীয় তাঙৰণ, আগষ্ট, ১৯৮৭

তৃতীয় তাঙৰণ, জুলাই, ১৯৯২

প্ৰকাশিকা : শ্ৰীমতী তৃপ্তি হাজৰিকা, বি-এ,
ডালিমী প্ৰকাশন, ফটাশিল-আমবাৰী,
গুৱাহাটী-২৫।

বেটুপাতৰ শিল্পী : শ্ৰীধনঞ্জয় শৰ্মা।

মূল্য : পকা বন্ধা ৫০.০০ টকা
কেঁচা বন্ধা ৪৫.০০ টকা

ছপাশাল : নিবেদন প্ৰিণ্টাৰ্ছ,
ফটাশিল-আমবাৰী,
গুৱাহাটী-২৫।

উৎসৰ্গা

প্ৰকৃতিৰ দৰে উদাৰ আৰু সৰলা, পৃথিৱীৰ দৰে
প্ৰশান্ত আৰু সহনশীলা মোৰ মাতৃদেৱী
স্বৰ্গীয়া ডালিমীপ্ৰিয়া হাজৰিকাৰ
পদ-যুগলত

—ৰাজা বাপা—

॥ প্ৰথম তাঙৰণৰ নিবেদন ॥

অসমীয়া ভাষাত আজিকোপতি 'চৰ্য্যাপদ' সম্পৰ্কে গ্ৰন্থ ওলোৱা নাই; অথচ অসমীয়া ভাষাৰ ধাৰাবাহিক বিকাশৰ বুৰঞ্জীত ইয়াৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আনহাতে এই বিষয়টি অতি জটিল। পাঠ্য-পুথি ভুক্ত হোৱা বাবে অসমীয়া বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে চৰ্য্যাপদবোৰ তেনেই দৰ্কাৰী। ছাত্ৰসমাজৰ প্ৰয়োজনীয়তা বুজি অসমীয়া ভাষাত চৰ্য্যাপদৰ বিষয়ে আগলৈ বহল আলোচনা হব বুলি আশা কৰি আমি ইয়াক পঢ়ুৱৈ সমাজলৈ আগ বঢ়ালোঁ।

ধৰ্মৰ দিশৰ পৰা চৰ্য্যাপদসমূহৰ এটি স্বকীয়া মূল্য আছে; হলেও অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সম্যক আলোচনাৰ ক্ষেত্ৰত এইবোৰৰ মূল্য অধিক। এই গ্ৰন্থৰ বিভিন্ন অধ্যায়ত আমি সেইবোৰৰ আভাষ দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ। উল্লেখযোগ্য কথা যে বঙলা ভাষাত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী, ডঃ মোহম্মদ শহীদুল্লা, ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়, ডঃ সুকুমাৰ সেন, ডঃ তাৰাপদ মুখোপাধ্যায়, অধ্যাপক মণীন্দ্ৰমোহন বসু প্ৰভৃতি পণ্ডিতসকলে চৰ্য্যাপদৰ ভাষা সম্পৰ্কেহে অধিক গুৰুত্ব আৰোপ কৰিছে, আৰু চৰ্য্যাৰ ভাষাক বঙলা ভাষাৰ প্ৰাচীন নিদৰ্শন বুলি কৈছে। কিন্তু আমি প্ৰত্যয়মান প্ৰমাণেৰে কওঁ যে বেছি ভাগ চৰ্য্যাপদৰ ভাষাই পুৰণি অসমীয়া ভাষাৰ চানেকিতো দাঙি ধৰিছেই, আনকি পুৰণি অসমৰ পশ্চিমাঞ্চলৰ ধৰ্ম, গীত-পদ আৰু লোক-সংস্কৃতিৰ নিদৰ্শনো এইবোৰে বহন কৰিছে।

আমি সশ্ৰদ্ধভাৱেই কওঁ যে মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে তেওঁৰ সম্পাদিত 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা' গ্ৰন্থত সাঁচিপতীয়া পুথিৰ পৰা চৰ্য্যাগীতসমূহ হুবহু-ভাৱে তুলি দিবলৈ যত্ন কৰিছে। কিছুমান অস্পষ্ট শব্দ আগ-গুৰিৰ ভাৱৰ লগত সঙ্গতি ৰাখি নিজাকৈ দিলেও তাৰ কাৰণো দৰ্শাইছে। শাস্ত্ৰীয়ে প্ৰকাশ কৰা চৰ্য্যাগীতৰ পুথিখনত মূলৰ দৰেই গানৰ

সংখ্যা দিয়া আছে। পুথিৰ শেষ গীতটিৰ সংখ্যা পঞ্চাশ। পৰবৰ্তী চৰ্য্যা-বিশেষজ্ঞসকলেও গীতৰ ক্ৰমিক সংখ্যা একেদৰেই ৰাখিছে। কিন্তু অনেকে শাস্ত্ৰীৰ পাঠ সংশোধন কৰি লৈছে। ডঃ শহীত্বল্লাই লিপিতত্বৰ সহায়ত পাঠ শুধৰাবলৈ চেষ্টা কৰিছে, পিছে, তেওঁৰ শুধৰণিকো আন পণ্ডিতে শুধৰাইছে। চৰ্য্যাৰ পাঠ-শুধৰণিৰ উপাদান থাইকৈ পাঁচটা -ছন্দ-ব্যাকৰণ, সংস্কৃত টীকা, টীকাৰ পাঠান্তৰ, তীব্বতী অনুবাদ আৰু পুথিৰ লিপি। পাঠ-সংশোধনত ডঃ শহীত্বল্লাই ব্যাকৰণ আৰু ধ্বনি পৰিবৰ্ত্তনৰ ওপৰত, ডঃ সেনে সংস্কৃত টীকাৰ ওপৰত আৰু ডঃ প্ৰবোধ চন্দ্ৰ বাগচীয়ে তীব্বতী অনুবাদৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বহুতে অৱশ্যে শাস্ত্ৰীৰ পাঠকে ৰাখিবলৈ যত্ন কৰিছে। আমি অৱশ্যে শাস্ত্ৰীৰ পাঠৰ উপৰিও ডঃ সেন আৰু অধ্যাপক বসুৰ পাঠান্তৰলৈও লক্ষ্য ৰাখিছো। এইটো মন কৰিব লগীয়া কথা যে শাস্ত্ৰীৰ লিপি-অনুগত পাঠহে কামৰূপী অপভ্ৰংশ ভাষাৰ বেছি ওচৰ চপা। কাৰণ এইবোৰত প্ৰভু অসমীয়া ভাষাৰ শব্দ, ব্যাকৰণ আৰু ধ্বনি-বৈশিষ্ট্য বহু পৰিমাণে ৰক্ষিত হৈছে, আনৰ দৰে শব্দৰ ৰূপ পৰিবৰ্ত্তন কৰি নিজৰ ভাষাগন্ধী কৰিব লগীয়া হোৱা নাই। চৰ্য্যাৰ লিপিও সংমিশ্ৰিত প্ৰাচীন কামৰূপী লিপি।

আমাৰ এই চৰ্য্যাপদ গ্ৰন্থ এৰা-ধৰাকৈ প্ৰায় বাৰ বছৰ অধ্যয়নৰ ফল। তথাপি ইয়াৰ তত্ত্ব-মন্দিৰত প্ৰৱেশ কৰিব পাৰিছো বুলি কোৱাটো আমাৰ পক্ষে ধৃষ্টতা, কেৱল আমি এটি সাধু আৰু সৰল প্ৰচেষ্টা চলাইছো মাথোন। চৰ্য্যাপদ সম্পৰ্কে আমি অসমৰ কেবাজনো ভাষা-তাত্ত্বিক আৰু সংস্কৃতি-সেৱীৰ লগত আলোচনা কৰিছো, আৰু বহুতেই এই উদ্দেশ্যত আমাক প্ৰেৰণা যোগাইছে। 'ৰামধেনু' আলোচনীত (পঞ্চদশ বছৰ, ৫ম সংখ্যা) আমাৰ 'চৰ্য্যাপদ আৰু অসমীয়া ভাষা' শীৰ্ষক এটি প্ৰবন্ধ ওলাইছিল। তাৰে পৰিপ্ৰেক্ষিতত শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্ব-ভূষণ ডাঙৰীয়াই ৰামধেনুৰ ১৫শ বছৰ ৭ম সংখ্যাত (কাতি, ১৮৮৪ শক) 'অসমীয়া চৰ্য্যাপদ-ৰচয়িতা' শীৰ্ষক প্ৰবন্ধ লিখি আমাৰ প্ৰবন্ধ সম্পৰ্কে মন্তব্য কৰিছিল —'হাজৰিকা

ডাঙৰীয়াৰ প্ৰবন্ধৰ মূল উদ্দেশ্য চৰ্য্যাপদৰ দোহাৰ ভাষাত প্ৰাচীন কামৰূপীয় ভাষাৰ অন্তঃস্ৰোতৰ অস্তিত্ব প্ৰমাণ কৰা, এই সম্পৰ্কে তেওঁৰ ভাষাতাত্ত্বিক যুক্তি-প্ৰমাণ নিৰ্ভৰযোগ্য। ই অৱশ্যে বুৰঞ্জীমূলক অকাট্য সত্য যে প্ৰাচীন কামৰূপীয় বৰ্মণ, শালস্তম্ভ আৰু ভৌমপাল বংশৰ ৰাজত্ব কালত আধুনিক বঙ্গদেশৰ ভালেমান অংশ কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল, আৰু সেই সময়ৰ প্ৰাচীনতম কৃষ্টি সম্পন্ন কামৰূপ ৰাজ্যৰ ভাষা-সংস্কৃতিয়ে ওচৰ-চুবুৰীয়া ৰাজ্যবোৰত কিছু পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিছিল। প্ৰাচীনতম কালৰে পৰা কামৰূপত তন্ত্ৰৰ আলোচনা আছিল। ... অসমৰ গাওঁত চৰ্য্যাপদত উল্লেখ কৰা সাধনাৰ সংকেত আৰু পদত ব্যৱহাৰ কৰা অনেক শব্দৰ প্ৰকৃত অৰ্থ জনা সাধু-ভকত আজিলৈকে আছে। গতিকে শ্ৰীপৰীক্ষিত হাজৰিকাই যি কামটো হাতত লৈছে - ইয়াৰ সামৰণি এখন আলোচনীৰ প্ৰবন্ধ এটাতেই সীমাবদ্ধ যেন নাথাকে—এই শুভেচ্ছা পোষণ কৰোঁ।' পিছে আমাৰ পক্ষে দুৰ্ভাগ্যজনক কথা যে, তত্ত্ব-জিজ্ঞাসু নাথ ডাঙৰীয়াৰ লগত ব্যক্তিগতভাৱে পৰিচিত হ'বলৈ সুযোগ নঘটিল, তেখেতে স্বৰ্গ-ধামলৈ গতি কৰিলে। এই গ্ৰন্থ-ৰচনাৰ সন্দৰ্ভত তেখেতৰ নাম শ্ৰদ্ধাৰে সোঁৱৰোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰধান অধ্যাপক ডঃ যোগীৰাজ বসুদেৱে সঘনে খবৰ লৈ আৰু গ্ৰন্থৰ পাতনিখন লিখি আমাক কৃতজ্ঞতাৰ পাশত আবদ্ধ কৰিছে। আমাৰ সহধৰ্মিণী শ্ৰীমতী তৃপ্তি হাজৰিকাই ঘৰুৱা জঞ্জালৰ বোজা নিজে বৈ গ্ৰন্থ-ৰচনাত আমাক ভালেখিনি সহায় কৰিছে; তেওঁৰ সহনশীলতাৰ শলাগ লৈছো। আৰু শলাগ লৈছো মোৰ ভাই-বন্ধু কৃতী অনুবাদক শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাৰ, তেখেতে চৰ্য্যাপদ গ্ৰন্থ ছপাই আমাক প্ৰোৎসাহিত কৰিছে। পুথিখন বিশেষ আন্তৰিকতাৰে ছপাই দিয়া কাৰণে নৱজীৱন প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীকালীচৰণ পাল ডাঙৰীয়াক অশেষ ধন্যবাদ জনাইছো। গ্ৰন্থ সম্পূৰ্ণ হোৱাত অনেক পলম হলেও যে পঢ়ুৱৈ সমাজলৈ ইয়াক আগবঢ়াব পাৰিছো, সেয়ে আমাৰ আনন্দ।

মাৰ্চ্চ, ১৯৭৩ **পৰীক্ষিত হাজৰিকা**

পাতনি

অধ্যাপক পৰীক্ষিত হাজৰিকা অসমৰ পাঠক সমাজৰ এজন সুপৰিচিত ব্যক্তি। আৱাহন, ৰামধেনু, মণিদীপ, প্ৰান্তিক, নীলাচল, অসম বাণী, অসম বাতৰি প্ৰভৃতি বিবিধ আলোচনী-কাকতত প্ৰকাশিত তেওঁৰ চুটি-গল্প, ব্যঙ্গ-ৰচনা, প্ৰবন্ধ আৰু সমালোচনাই পঢ়ুৱৈ সমাজক চিন্তামূলী আমোদ দিব পাৰিছে। কেবা বছৰো আগতে প্ৰকাশিত তেওঁৰ 'অসমীয়া প্ৰবন্ধ মঞ্জৰী' আৰু 'আলোচনা সাহিত্য' নামৰ পুথি দুখনে চিন্তাশীল পঢ়ুৱৈ আৰু অধ্যয়নশীল ছাত্ৰবৃন্দৰ দৃষ্টি আকৰ্ষণ কৰিছে।

বৰ্ত্তমানে ছপা হৈ ওলোৱা অধ্যাপক হাজৰিকাৰ 'চৰ্য্যাপদ' নামক গ্ৰন্থখন পঢ়ি আমি বিশেষ সন্তোষ লাভ কৰিছোঁ। গ্ৰন্থখন নটা অধ্যায়ত বিভক্ত, আৰু প্ৰতিটো অধ্যায়ত একোটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হৈছে। এইবোৰ আলোচনাত বহলভাৱে চৰ্য্যাৰ পৰিচয়, প্ৰাচীন অসমৰ ভৌগোলিক পটভূমি আৰু ধৰ্ম্ম-চৰ্চ্চাৰ পৰিপ্ৰেক্ষিতত চৰ্য্যাৰ বিচাৰ, ভাষা-বিশ্লেষণ, ধৰ্ম্ম-তত্ত্ব, ছন্দ-বিন্যাস, অলঙ্কাৰ-ব্যঞ্জনা, হাস্যৰস-নিস্ৰৱন, কাব্যিক মূল্যায়ন ইত্যাদি প্ৰয়োজনীয় সকলো প্ৰকাৰৰ তত্ত্ব আৰু তথ্যই ঠাই পাইছে। কেৱল মাত্ৰ এটা দিশৰ পৰা বিচাৰ নকৰি এইভাৱে নানা দিশৰ পৰা চৰ্য্যাপদৰ তত্ত্ব আৰু তথ্য আলোচনা কৰা বাবে গ্ৰন্থখনে অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত বিশেষ স্থান অধিকাৰ কৰিব বুলি আমাৰ বিশ্বাস।

চৰ্য্যাপদৰ সৈতে পৰিচিত পণ্ডিত মাত্ৰেই জানে যে চৰ্য্যাপদৰ ভাষা যেনে ইঙ্গিতময় কুহেলিকাচ্ছন্ন, সেইদৰে ইয়াৰ নিগূঢ় ধৰ্মতত্ত্ব হৃদয়ঙ্গম কৰাও এক প্ৰকাৰ দুঃসাধ্য। কেৱল মাত্ৰ ভাষাৰ মাধ্যমত সহজযান সাধন-মাৰ্গৰ গভীৰ ধৰ্মতত্ত্বত প্ৰৱেশ কৰাটো অসম্ভৱ। চৰ্য্যাৰ ভাষা যেনেকুৱা ইঙ্গিতময়, ধৰ্মতত্ত্বৰ প্ৰতীক আৰু চিত্ৰকল্প

তাতকৈও দুৰ্বোধ্য। এইবোৰ গূহ্য তত্ত্ব বুজিবলৈ হলে ধৰ্ম-সাধনাৰ প্ৰয়োজন। প্ৰাচীন কামৰূপী অপভ্ৰংশ, প্ৰাচীন বঙ্গভাষা, মৈথিলী ভাষা, নেপালী ভাষা, তীব্বতী ভাষা প্ৰভৃতি বহু ৰাজ্যৰ বহু ভাষা নানা নদ-নদীৰ সমুদ্ৰমিলনৰ দৰে চৰ্য্যাৰ ভাষাত মিলি পৰিছে। যোৱা ১৯৬৯ ইং চনৰ জুলাই মাহত ৰোম নগৰত তিব্বতী ভাষাৰ বিদগ্ধ পণ্ডিত ইটালীৰ ডঃ জুচেপ্পে তুচিৰ (Dr. Gueseppe Tucci) সৈতে আমাৰ দীঘলীয়া আলোচনা হৈছিল। তেখেতে চৰ্য্যাপদ সম্বন্ধে কৈছিল—'তীব্বতী ভাষাৰ কিছু জ্ঞান, বিশেষকৈ তীব্বতৰ প্ৰাচীন ধৰ্ম্মৰ বিষয়ে গভীৰ জ্ঞান নাথাকিলে চৰ্য্যাপদ বুজা সুকঠিন। প্ৰাচীন তীব্বতী সহজযান ধৰ্মৰ বহু প্ৰতীক চৰ্য্যা-পদত ব্যঞ্জিত হৈ আছে, আৰু যিসকল প্ৰাচীন সহজমাৰ্গী সাধক জীৱিত আছে তেওঁলোকে নিজৰ দীক্ষিত শিষ্যৰ বাহিৰে আনৰ ওচৰত সেইবোৰ গূহ্যতত্ত্ব প্ৰকাশ নকৰে। চৰ্য্যাৰ তত্ত্ব বুজিবলৈ মই এজন তীব্বতী তান্ত্ৰিক গুৰুৰ শৰণ লৈছিলোঁ আৰু তেওঁৰ ওচৰত বহু ধৰ্মতত্ত্ব শুনাৰ পাছত চৰ্য্যাৰ বহুতো দুৰ্বোধ্য তত্ত্ব-কথা পানীৰ দৰে সহজভাৱে বুজিব পাৰিলো।' সাহিত্য-ভূষণ ৺ৰাজমোহন নাথেও চৰ্য্যাপদৰ গূঢ়তত্ত্ব বুজিবলৈ এজন তীব্বতী গুৰুৰ ওচৰত দীক্ষা লৈছিল।

চৰ্য্যাৰ প্ৰতীক বা চিত্ৰকল্পই প্ৰত্যক্ষ বা পৰোক্ষভাৱে অন্য ধৰ্ম আৰু সাহিত্যক প্ৰভাৱিত কৰিছে। যেনে, ভক্তৰ চিৰকাম্য ভগবানৰ প্ৰতীক বা চিত্ৰকল্প হৈছে ডোম্বী বা ডোম যুৱতী। ৰবীন্দ্ৰনাথৰ জীৱন-দেৱতাক বিদেশিনী স্ত্ৰী-মূৰ্ত্তিৰূপে কৰা কল্পনা, আৰু প্ৰাচীন ইৰাণৰ মৰমিয়া চুফী সাধকসকলৰ ভগবানক প্ৰকৃতি বা প্ৰিয়াৰূপে আৰু ভক্তক পুৰুষৰূপে কৰা কল্পনাৰ মাজত অদ্ভুত সাদৃশ্য পৰিলক্ষিত হয়। যি যোগীয়ে ডোম্বীৰ স্পৰ্শ কামনা কৰে তেওঁ সগুণ ঈশ্বৰৰ পূজাৰী; যি যোগী ডোম্বীৰ স্পৰ্শত তুষ্ট নহৈ গভীৰ তত্ত্ব জানিবলৈ বিচাৰে তেওঁ নিৰ্গুণ ব্ৰহ্মৰ অভিলাষী। ইন্দ্ৰিয়জ কামনাত্মক ভাষাৰ মাধ্যমত অতীন্দ্ৰিয় বাক্য-মনৰ গভীৰ

বৰ্ণনা-ৰীতি ইংৰাজী সাহিত্যৰ সপ্তদশ শতাব্দীৰ ভক্ত কবি Donne, Crashaw প্ৰভৃতিৰ কাব্যতো ৰূপায়িত হৈছে। এনে দেহতত্ত্বমূলক গীত ভাৰতৰ প্ৰায়বোৰ প্ৰদেশিক সাহিত্যতে পোৱা যায়। প্ৰাচীন অসমীয়া লোক-গীতৰ ক্ষেত্ৰতো দেহ-বিচাৰৰ গীতসমূহে বিশেষ স্থান অধিকাৰ কৰি আছে।

অসমীয়া ভাষাত চৰ্য্যাপদ সম্বন্ধে দুই-চাৰিজনে প্ৰবন্ধাকাৰে বা আনুষঙ্গিকভাৱে সংক্ষেপে আলোচনা কৰিছে; কিন্তু আমি জনাত বৰ্ত্তমানলৈ গ্ৰন্থৰূপে প্ৰকাশ পোৱা নাই; অধ্যাপক হাজৰিকাৰ এইখনেই এই বিষয়ত প্ৰথম গ্ৰন্থ হব। বিষয়টি পাঠ্য-ভুক্ত থকা বাবে অসমীয়া ভাষাৰ স্নাতক, সম্মান আৰু স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু লগতে অনুসন্ধিৎসু পাঠক সমাজো এই গ্ৰন্থৰ দ্বাৰা উপকৃত হব। চৰ্য্যাপদ' গ্ৰন্থত লিখকৰ অধ্যয়নশীলতা, নিৰপেক্ষ তুলনামূলক বিচাৰবোধ, প্ৰাচীন বুৰঞ্জী-প্ৰীতি, তথ্য-উদ্ঘাটন-স্পৃহা, ভাষানুসন্ধিৎসা আৰু তত্ত্ব-জিজ্ঞাসাৰ স্বাক্ষৰ বিদ্যমান। ইয়াৰ বাবে শিক্ষাব্ৰতী অধ্যাপক হাজৰিকাক আমি আন্তৰিক অভিনন্দন আৰু শলাগ জনাইছো।

যোগীৰাজ বসু,
প্ৰধান অধ্যাপক, সংস্কৃত বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়।

গুৱাহাটী : অসম।
২৯।১২।৭২

॥ তৃতীয় তাঙৰণৰ নিবেদন ॥

বৌদ্ধ সহজযান ধৰ্ম-আধাৰিত চৰ্য্যাপদবোৰ প্ৰাচীন অসম আৰু অসমীয়া জাতিৰ ঐতিহ্য-বাহক অমূল্য সম্পদ। কিয়নো, এই গীত-পদবোৰে প্ৰাচীন অসমৰ লিপি, ভাষা, সাহিত্য, সঙ্গীত-কলা, ধৰ্ম, সমাজ আৰু বাৰেবৰণীয়া থলুৱা সংস্কৃতিৰ বিবিধ উপাদান সম্পৰ্কীয় তত্ত্ব আৰু তথ্য বহন কৰিছে। গতিকে 'চৰ্য্যাপদ' বিষয়টোৰ লগত সংমিশ্ৰিত অসমীয়া সমাজৰ এক প্ৰকাৰ জাতীয় গুৰুত্ব নিহিত হৈ আছে।

আগৰ দুবাৰতকৈ 'চৰ্য্যাপদ'ৰ তৃতীয় বাৰৰ তাঙৰণত আমি বিষয়টোৰ ভিতৰ সোমাবলৈ পাৰ্য্যমানে চেষ্টা কৰিছোঁ। পিছে, চৰ্য্যাপদ কেন্দ্ৰিক বিষযটি কামধেনুৰ নিচিনা দুগ্ধস্ৰোতা; ইয়াক কেন্দ্ৰ কৰি প্ৰাচ্য ভাৰত আৰু নেপাল-তিব্বতৰ ধৰ্মীয় সমাজ আৰু সংস্কৃতিৰ নানা দিশত অনেক কথা আলোচনা কৰাৰ থল আছে। তথ্য আৰু তত্ত্ব-জিজ্ঞাসু-সকলে এই বিষয়ে চিন্তা কৰিব বুলি আশা কৰিলোঁ।

মূলৰ লিপি অনুসৰি চৰ্য্যাপদৰ শব্দবোৰ গ্ৰহণ কৰিছোঁ; কেৱল কেতিয়াবা পুথি-নকলকাৰকৰ অসাৱধানতা উপলব্ধি কৰি যুক্তিনিষ্ঠভাৱে দুই-এটি শব্দৰ পাঠান্তৰ দিছোঁ। সেইবুলি অনেকৰ দৰে অসংখ্য শব্দ সলোৱা নাই আৰু বাননো শুধৰোৱা নাই। চৰ্য্যাপদৰ সঠিক পাঠ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ড' নীলৰতন সেনৰ 'চৰ্যাগীতি-কোষ' আৰু ইয়াৰ ফটোমুদ্ৰণে আমাক বিশেষভাৱে সহায় কৰিছে।

বৰ্ত্তমানৰ তাঙৰণত পূৰ্বৰ আনুসঙ্গিক বিষয়-বস্তুৰ আলোচনাবোৰ ভালেখিনি সংশোধন আৰু পৰিবৰ্দ্ধন কৰা হৈছে। আগৰ আলোচনাৰ পুনৰুক্তি আৰু অপ্ৰয়োজনীয় অংশবোৰ বাদ দি প্ৰণালীবদ্ধভাৱে আৰু ধাৰাবাহিকভাৱে উপস্থাপন কৰিবলৈ যত্ন কৰা হৈছে। দ্বিতীয় তাঙৰণত তিনিটা নতুন বিষয় সংযোজন কৰা হৈছিল; এইবেলি আকৌ চাৰিটা নতুন বিষয় সংযোগ কৰা হৈছে; সেইকেইটা হ'ল—চৰ্য্যাপদৰ কামৰূপ-কেন্দ্ৰিক পটভূমি, সন্ধ্যা ভাষা, চৰ্য্যাপদ আৰু বিবিধ বিষয়ৰ সাদৃশ্য-বিচাৰ, আৰু চৰ্য্যাপদত প্ৰতিফলিত সমাজখন। তথাপি প্ৰয়োজনীয় বিষয়-বস্তুৰ ফালৰ পৰা পুথিখন পূৰ্ণাঙ্গ হোৱা বুলি আমি সন্তুষ্টি লাভ কৰা নাই।

তৃতীয় তাঙৰণ প্ৰস্তুত কৰোঁতে আমি পাৰিবাৰিক প্ৰেৰণা যথেষ্ট পাইছোঁ, প্ৰশংসা নিষ্প্ৰয়োজন। নিবেদন প্ৰিণ্টাৰ্ছৰ অমায়িক স্বত্বাধিকাৰী শ্ৰীখৰ্গেশ্বৰ তালুকদাৰ প্ৰমুখ্যে ছপাশালৰ উৎসাহী কৰ্মীবৃন্দৰ নথৈ শলাগ ললোঁ।

ফটাশিল-আমবাৰী, **পৰীক্ষিত হাজৰিকা**
গুৱাহাটী-২৫ ১৪।৭।৯২

চৰ্য্যাপদ

বিষয়-সূচী

প্ৰথম অধ্যায়	:	চৰ্য্যাপদৰ গুৰি-কথা	
		(ক) মূলৰ সন্ধান	১—৭
		(খ) কামৰূপ কেন্দ্ৰিক পটভূমি	৮—১৫
দ্বিতীয় অধ্যায়	:	চৰ্য্যাপদৰ ভাষা-বিচাৰ	
		(ক) সন্ধ্যা ভাষা	১৬—২৪
		(খ) চৰ্য্যাপদ আৰু অসমীয়া ভাষা	২৪—৩৯
		(গ) চৰ্য্যাপদ আৰু বিবিধ বিষয়ৰ সাদৃশ্য-বিচাৰ	৩৯—৫১
তৃতীয় অধ্যায়	:	চৰ্য্যাপদৰ পাঠ আৰু কবি-পৰিচয়	
		(ক) চৰ্য্যাপদৰ পাঠ-নিৰূপণ	৫২—৬০
		(খ) চৰ্য্যাপদৰ কবি-পৰিচয়	৬১—৭৫
চতুৰ্থ অধ্যায়	:	চৰ্য্যাপদত প্ৰতিফলিত সমাজখন	৭৬—৯০
পঞ্চম অধ্যায়	:	চৰ্য্যাপদৰ ধৰ্ম-তত্ত্ব	৯১—১০২
ষষ্ঠ অধ্যায	:	নাথ-ধৰ্ম আৰু সহজযান ধৰ্মৰ সম্পৰ্ক	১০৩—১২১
সপ্তম অধ্যায়	:	দেহ-বিচাৰৰ গীত আৰু চৰ্য্যাপদ	১২২—১৩৫
অষ্টম অধ্যায়	:	চৰ্য্যাপদ আৰু বৰগীত	১৩৬—১৫৪
নৱম অধ্যায়	:	চৰ্য্যাপদত হাস্যৰস	১৫৫—১৬২
দশম অধ্যায়	:	চৰ্য্যাপদৰ ছন্দ	১৬৩—১৭০
একাদশ অধ্যায়	:	চৰ্য্যাপদৰ কাব্যিক মূল্য	১৭১—১৮৭
দ্বাদশ অধ্যায়	:	চৰ্য্যাপদৰ মূল পাঠ	১৮৮—৩৩৯
পৰিশিষ্ট	:		৩৪০—৩৪৮

প্ৰথম অধ্যায়

চৰ্য্যাপদৰ গুৰি-কথা

[ক] মূলৰ সন্ধান

মহাযান বৌদ্ধধৰ্ম্মৰ ভিত্তিত মগধ, বঙ্গ, কলিঙ্গ, কামৰূপ আৰু নেপাল-তীব্বতত তান্ত্ৰিক বৌদ্ধধৰ্ম্ম নামে এক বিৰাট ধৰ্ম্ম-সম্প্ৰদায় গঢ়ি উঠিছিল। ভাৰতীয় বৈষ্ণৱ ধৰ্ম্মৰ মতবাদ প্ৰকাশৰ অৰ্থে যেনেকৈ বেছি সংখ্যক গুৰুৱে গীত-পদ-নাট আৰু তত্ত্ব-কথা লিখিছিল, সেইদৰে তান্ত্ৰিক বৌদ্ধধৰ্ম্মৰ বেছিভাগ সিদ্ধাচাৰ্য্যই তত্ত্ব-কথা আৰু গীত-পদৰ পুথি লিখিছিল। আমাৰ অসমৰ মহাপুৰুষ শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা বৰগীত, ভটিমা, কীৰ্ত্তন, দশম, গুণমালা আদি সাহিত্য-সম্ভাৰ ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। অষ্টম শতিকাৰ পৰা ত্ৰয়োদশ-চতুৰ্দশ শতিকা পৰ্য্যন্ত পৰিব্যপ্ত কালছোৱাত তান্ত্ৰিক বৌদ্ধ-ধৰ্ম্মৰ বিষয়ে ভালেমান গ্ৰন্থ ৰচিত হৈছিল আৰু সেইবোৰ বেছিভাগ তীব্বতী ভাষালৈ অনূদিত হৈছিল। এই গ্ৰন্থসমূহ কামৰূপ নেপাল, নালন্দা, বিক্ৰমশীলা প্ৰভৃতি ঠাই সমূহৰ পৰা সংগ্ৰহ কৰা হৈছিল। তীব্বতী ভাষাত অনূদিত সাহিত্য দুইভাগে বিভক্ত—কাঞ্জুৰ আৰু তাঞ্জুৰ। কাঞ্জুৰ হৈছে 'বুদ্ধ-বচন', আৰু তাঞ্জুৰ হৈছে বুদ্ধৰ পৰবৰ্ত্তী পণ্ডিতসকলৰ ৰচিত প্ৰামাণিক গ্ৰন্থ বা 'শাস্ত্ৰ'। কাঞ্জুৰ বা বুদ্ধ বচন ন ভাগত বিভক্ত—বিনয়, প্ৰজ্ঞাপাৰমিতা, অবতংসক, ৰত্নকূট, সূত্ৰবৰ্গ শতসহস্ৰতন্ত্ৰ, প্ৰাচীন তন্ত্ৰ, কালচক্ৰ আৰু ধাৰণী-সংগ্ৰহ। তাঞ্জুৰ সোতৰ ভাগত বিভক্ত—স্তোত্ৰ, তন্ত্ৰ, প্ৰজ্ঞাপাৰমিতা, মাধ্যমিক, সূত্ৰবৃত্তি, বিজ্ঞানবাদ, অভিধৰ্ম্ম, বিনয়, জাতক, লেখমালা, ন্যায়শাস্ত্ৰ-প্ৰমাণসমুচ্চয় প্ৰভৃতি বৌদ্ধন্যায়ৰ গ্ৰন্থ, শব্দশাস্ত্ৰ, চিকিৎসাবিদ্যা, শিল্প-শাস্ত্ৰ, সাধাৰণ, নানাৰ্থ আৰু দীপঙ্কৰ শ্ৰীজ্ঞান প্ৰণীত নানা গ্ৰন্থ।[১]

১। ড° প্ৰবোধচন্দ্ৰ বাগচী, বৌদ্ধধৰ্ম ও সাহিত্য, ১৯৫৩, পৃঃ ৮৬-৯০

তান্ত্রিক বৌদ্ধধর্ম্মৰ অন্তৰালত সাধন বিষয়ৰ কিছুমান ইঙ্গিত আছে; সেইবোৰ সেই ধৰ্ম্মৰ গুৰু-শিষ্যত বাহিৰে আন লোকে বুজা অতি কঠিন। বৌদ্ধ তন্ত্রযানৰ মাজত প্ৰধানকৈ তিনিটা মত পোৱা যায়, সেইয়া হৈছে—কালচক্রযান, বজ্রযান আৰু সহজযান।

বজ্রযানৰ শেষৰ ভাগেই সহজযান; এই উভয় মতবাদৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। কালচক্রযান, বজ্রযান, সহজযান—এই সকলো পন্থাৰে স্বকীয়া ধৰ্মগ্ৰন্থ আছে। সেইবোৰৰ তীব্বতী অনুবাদ সংৰক্ষিত হৈছে। সহজযান পন্থাৰো প্ৰাচীন শাস্ত্ৰৰ বেছি ভাগেই তীব্বতী ভাষাত অনূদিত হৈছে। তাৰে কেইখনমান মূল গ্ৰন্থ নেপালৰ পৰা আৱিস্কৃত হৈছে আৰু ছপোৱাও হৈছে।[২]

তান্ত্রিক বৌদ্ধধৰ্ম্মৰ কেবাখনো শাস্ত্র Brian Hodgson নামে এজন ইংৰাজে পোনপ্ৰথম নেপালৰ পৰা উদ্ধাৰ কৰে। সেইবোৰৰ ভিত্তিত বৌদ্ধধৰ্ম্মৰ পৰবৰ্ত্তীকালৰ বুৰঞ্জী ৰচনা কৰিবলৈ সহজ হৈ পৰে। Eugene Burnouf-এ প্ৰথমতে এই বিষয়ত ব্যাপকভাৱে মনোনিবেশ কৰে। Hodgson-ৰ পাছত Daniel Wright নামে আন এজন ইংৰাজে নেপালৰ পৰা আৰু কিছুমান মূল্যবান পুথি সংগ্ৰহ কৰি আনে। এওঁলোকৰ পাছত আধুনিক কাল পৰ্য্যন্ত কেবাজনো পণ্ডিত নেপাললৈ গৈ অনেক দুৰ্লভ পুথি উদ্ধাৰ কৰে। আমাৰ আলোচ বিষয়ত তাৰে দুজনৰ নাম উল্লেখযোগ্য—চিচিল বেণ্ডাল (Cecil Bendall) আৰু মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী।

হৰপ্ৰসাদ শাস্ত্ৰী কলিকতাৰ এচিয়াটিক চোছাইটিৰ পুথি-সংগ্ৰহৰ কামত ১৮৯৭-৯৮ চনত দুবাৰ আৰু ১৯০৭ চনত এবাৰ নেপাললৈ যায়। তৃতীয়বাৰত তেওঁ নেপাল-দৰবাৰ গ্ৰন্থাগাৰত সংৰক্ষিত কেইখনমান নতুন পুথি আৱিস্কাৰ কৰে; সেইবোৰ হ'ল চৰ্য্যাচৰ্য্য বিনিশ্চয়, সৰোজবজ্ৰৰ (সৰোকহবজ্ৰ) দোহাকোষ আৰু কৃষ্ণাচাৰ্য্যৰ দোহাকোষ। শাস্ত্ৰীয়ে এই তিনিখন আৰু আগৰ ৰাখত অনা ডাকাৰ্ণৱ পুথিখন একেলগ কৰি সম্পাদন কৰে আৰু 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা

২ বৌদ্ধধৰ্ম্ম ও সাহিত্য, পৃঃ ৭১

তাবায় 'বৌদ্ধগান ও দোহা' বুলি নামকৰণ কৰে। ১৯১৬ খৃঃত কলি-কতাৰ বঙ্গীয় সাহিত্য পৰিষদে ইয়াক গোনতে ছপা কৰি উলিয়ায়।[৩]

মূল চৰ্য্যাগীতি-সংগ্ৰহ পুথিখনিৰ নাম আছিল 'চৰ্য্যাগীতিকোষ'। হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াৰ নাম দিছিল 'চৰ্য্যাচৰ্য্য-বিনিশ্চয়'। তেওঁ পোৱা পুথিখন মূল পুথি নহয়, আচাৰ্য্য মুনিদত্তই লিখা টীকা পুথিৰ প্ৰতিলিপি; অৱশ্যে সেই টীকাৰ লগত মূল চৰ্যাও আছে। মুনিদত্তই লিখা এই টীকাৰ নাম পোৱা গৈছে 'চৰ্য্যাগীতিকোষবৃত্তি' বুলি। আকৌ কেইবছৰমান আগতে ড° নীলৰতন সেনে নেপালৰ জাতীয় অভিলেখালয়ত সংৰক্ষিত এই পুথিখনৰ আৱৰণী-কাঠৰ পাতত লিখি থোৱা পালে 'চৰ্য্যাচৰ্য্য-টীকা' নামটি। 'ইটি অৱশ্যে অৰ্বাচীন নামহে। ইতিমধ্যে অনেক কেইজন পণ্ডিতে উক্ত পুথিখনৰ আচল নাম 'চৰ্য্যাগীতিকোষ' বুলিহে ঠাৱৰ কৰিছে।

'চৰ্য্যাগীতিকোষ' পুথিখনৰ শেষৰ পাত নাই, হেৰাইছে; মাজৰো কেইটামান পাত লোপ পাইছে। মুঠতে চাৰে-তিনিটা পদৰ (২৩, ২৪, ২৫, ৪৮) মূল আৰু সেই হিচাপে টীকাৰ অংশও বিলুপ্ত; তথাপি তীব্বতী অনুবাদৰ পৰা লুপ্ত অংশৰ ভাবাৰ্থ জনা যায়। তীব্বতী অনুবাদ অনুসৰি আচাৰ্য্য মুনিদত্তই এশটা গানৰ কোষ-গ্ৰন্থৰ পৰা একাৱন্নটা গান বাছি লৈ সিবিলাকৰ টীকা-ব্যাখ্যা কৰিছিল; কিন্তু পৰবৰ্ত্তী কোনো লিপিকাৰে তাৰে এটা গানৰ টীকা হয়তো হেৰুৱাই পেলায় আৰু তেওঁ হয়তো টীকাহীন চৰ্য্যাটিকো বাদ দি মুঠ পঞ্চাশটা চৰ্য্যাৰেই টীকা-ব্যাখ্যা সম্বলিত 'চৰ্য্যাগীতিকোষ' পুথিখন নকল কৰি উলিয়ায়। চৰ্য্যাগীতৰ পুথিখন কীৰ্ত্তিচন্দ্ৰ নামে জনৈক পণ্ডিতে নেপালৰ স্বয়ম্ভূ নামৰ এখন ঠাইত অনুবাদ কৰিছিল। অনুবাদকৰ নাম আৰু অনুবাদ কৰা ঠাইৰ নাম মূল পুথিত নাই; Cordier চাহাবৰ গ্ৰন্থ-তালিকাতহে ইয়াক পোৱা গৈছে। চৰ্য্যাগীতিকোষত তীব্বতী অনু-বাদৰ শেষ অংশৰ সংস্কৃত-ছায়া (মূল তীব্বতী পাঠসৈতে) দিয়া আছে।[৪]

৩। হৰপ্ৰসাদ শাস্ত্ৰী, বৌদ্ধগান ও দোহ, মুখবন্ধ, ১৩৫৯

৪। ড° তাৰাপদ মুখোপাধ্যায়, চৰ্য্যাগীতি, ১৩৬৫, পৃঃ ৯—১১

সহজযান পন্থাৰ তত্ত্ব-বাহক পুথি অকল চৰ্য্যাগীতিকোষেই নহয় আৰু আছে। Cordier চাহাবৰ গ্ৰন্থ-তালিকাত চৰ্য্যাগীতিৰ টীকাৰ কেবাখনো পুথিৰ উল্লেখ আছে। লুইপাদৰ 'তত্ত্বস্বভাৱদৃষ্টিগীতিকা' সহজযান মতবাদৰ আন এখনি পুথি।[৫]

চাৰ্য্যাগীতিৰ তীব্বতী অনুবাদৰ প্ৰথম সন্ধান পায় ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে; পাছত প্ৰবোধ চন্দ্ৰ বাগচীয়ে সমস্ত অনুবাদ আৱিষ্কাৰ কৰি প্ৰথম প্ৰকাশ কৰে।[৬] সেইখন পুথিকে পিছত আকৌ প্ৰবোধ চন্দ্ৰ বাগচী আৰু শান্তি ভিক্ষু শাস্ত্ৰীয়ে সুটীয়া ভাৱে সম্পাদন কৰি 'চৰ্য্যাগীতিকোষ' নামেৰে বিশ্বভাৰতীৰ পৰা ১৯৫৬ চনত প্ৰকাশ কৰে।

হৰপ্ৰসাদ শাস্ত্ৰীয়ে পোৱা পুথিখনত লিখক বা টীকাকাৰৰ নাম নাই। গানবোৰ ৰচনা কৰা তাৰিখ বা লিপিকাৰৰ তাৰিখ নাই, সেই-খন এখন খণ্ডিত পুথি মাত্ৰ। তালপাতৰ পুথি, ৬৯টা পাত আছে, প্ৰতি পাতৰ দুয়োফালে পাচোঁটাকৈ শাৰী, মাজত বিন্ধা আছে। আমাৰ সাঁচিপতীয়া পুথিবোৰ যেনে এইখনো তেনে ধৰণৰ। ত্ৰয়োদশ শতিকাৰ পৰা অসমীয়াত লিখা হোৱা সাঁচিপতীয়া পুথি আমি পাই আহিছোঁ। তাৰ আগৰ পৰাই অসমীয়া পণ্ডিতে তালপাত সাঁচিপাতত পুথি লিখি আহিছে। চৰ্য্যাগীতৰ পুথিয়ে আমাৰ পৰম্পৰাভাৱে চলি অহা ধৰ্ম্ম-চৰ্চা, সাহিত্য-চৰ্চাৰ কথাকে সূচাইছে। কিন্তু অসমীয়া অনুসন্ধিৎসুসকলে অসমৰ চাৰিসীমাতে পুৰণি পুথি বিচাৰে, বাহিৰলৈ নাযায় (লণ্ডনৰ ইণ্ডিয়া অফিচ লাইব্ৰেৰীত বিচৰাত বাহিৰে), ফলত অসমীয়া সাঁচিপতীয়া পুথি সম্পূৰ্ণভাৱে আৱিস্কৃত হোৱা নাই।

শাস্ত্ৰীয়ে পাতবোৰত ১/১ক, ২/২ক ৩/৩ক, এইভাৱে সংখ্যা দি লৈছে। ৩৫/৩৫ক, ৩৬/৩৬ক, ৩৭/৩৭ক ৩৮/৩৮ক আৰু ৬৬/৬৬ক এইপাতবোৰ পোৱা হোৱা নাই; ফলত তিনিটা গীত আৰু এটা গীতৰ শেষৰ চাৰিটা শাৰী নাইকিয়া হৈছে। পুথিত গানবোৰৰ সংখ্যা দিয়া আছে, সেই সংখ্যা টীকাৰ শেষত আছে। শাস্ত্ৰীয়ে পাঠকৰ সুবিধাৰ

৫। চৰ্য্যাগীতি, পৃঃ ৮

৬। ডঃ সুকুমাৰ সেন, চৰ্য্যাগীতি-পদাবলী, মূলেৰ সন্ধানে, ১৯৬৬

বাবে গীতৰ আগতো সংখ্যা দিছে। এই নামহীন পুথিখনক সম্পাদকে 'চৰ্য্যাচৰ্য্যবিনিশ্চয়' নাম দি প্ৰকাশ কৰিছে। 'চৰ্য্যাচৰ্য্যবিনিশ্চয়' গ্ৰন্থ-নামটো শাস্ত্ৰীয়ে সম্ভৱ মূল পুথিৰ প্ৰথমে উদ্ধৃত এটি সংস্কৃত শ্লোকৰ পৰা লৈছে।[৭]

হৰপ্ৰসাদ শাস্ত্ৰীয়ে 'চৰ্য্যাচৰ্য্যবিনিশ্চয়' পুথিৰ গানবোৰক বৌদ্ধ-কীৰ্ত্তন, বৌদ্ধ-সংকীৰ্ত্তন বুলি অভিহিত কৰিছে। চৰ্য্যাপদ' নামটিও তেওঁৱেই দিছে। চৰ্য্যা-গানৰ টীকাকাৰে 'গীত', 'পদ' আৰু বেছিভাগ ঠাইত চৰ্য্যা' বুলি উল্লেখ কৰিছে। ড' তাৰাপদ মুখোপাধ্যায়ে চৰ্য্যাগানক 'পদ' নুবুলি 'গীত' বুলি কোৱাই যুক্তিসঙ্গত বুলি কৈছে। অসমীয়াত গীত আৰু পদ ছুয়োটা শব্দই সমাৰ্থবাচক; অৱশ্যে 'গীত' বুলি কলে পোনে পোনেই লোক-গীতৰ কথা আমাৰ মনলৈ আহে। তথাপি লোক-গীত মানে আমি সাধাৰণতে লৌকিক গীতকহে বুজোঁ। চৰ্য্যা গানবোৰ প্ৰকৃততে ধৰ্মীয় গীত; সেইদৰে বৰগীতবোৰ বৈষ্ণৱ ধৰ্মীয় গীত, ওজাপালিৰ গীত শাক্ত ধৰ্মীয় গীত, ছুৰ্গাবৰৰ গীত ৰামায়ণী গীত—এইদৰে বুজা যায়। বৰগীতক বাদ দি বাকীবোৰক 'পদ' বুলিলেও গীতি-পদকে বুজায়। গতিকে অসমীয়াত চৰ্য্যাগীত বা চৰ্য্যাপদ একেই কথা। 'চৰ্য্যা' শব্দটি এটি পাৰিভাষিক শব্দ।

চৰ্য্যাগীতবোৰৰ দৈৰ্ঘ্য সাধাৰণতে দহ শাৰীৰ (চৰ্য্যা নং ১-৯, ১১-২০, ২৬, ২৭, ২৯-৩৩, ৩৫-৩৮, ৪০-৪২, ৪৪-৪৭, ৪৯—মুঠ ৩৮টা। চৈধ্য শাৰীৰ তিনিটা (চৰ্য্যা নং ১০, ২৮, ৫০); বাৰ শাৰীৰ ছুটা (চৰ্য্যা নং ২১, ২২); উনৈশ শাৰীৰ এটা (চৰ্য্যা নং ৩৯); ছয় শাৰীৰ এটা (চৰ্য্যা নং ২৩)। পঁচিশ নম্বৰ চৰ্য্যাটিৰ চাৰিটা শাৰীৰ নমুনাত ছয়টামান শব্দ আছে; ২৪ আৰু ৪৮ নম্বৰ চৰ্য্যা ছুটি লুপ্ত হৈছে। গীতবোৰত আমাৰ পুৰণি কাব্য আৰু বৰগীতবোৰত থকাৰ দৰে ভণিতা আছে। যেনে—

৭। চৰ্য্যাগীতি, পৃঃ ১৩

(১) ভণই লুই আম্হে ঝাণে দিঠা।
ধমণ চমণ বেণি পাণ্ডি বইঠা॥

(২) অইসন চৰ্য্যা কুক্কুৰীপাঞঁ গাইউ।
কোড়ি মাঝেঁ একু হিঅহিঁ সমাইউ॥

(৩) সৰহ ভণন্তি বৰ সুণ গোহালী কি মো দুঠ্য বলন্দে।
একেলেঁ জগ নাসিঅ ৰে বিৰহুঁই ইন্দ্রে॥

অসমীয়া উদাহৰণ—

(১) হেম সৰস্বতি ভণে এড়ি আন কাম।
পাতেক চাৰোক ডাকি বোলা ৰাম ৰাম॥
(প্রহ্লাদ চৰিত্ৰ, পৃঃ ১১)

(২) ঈষত কটাক্ষে ৰাম হে ছেদি তালগণ।
ভণে কবি দুৰ্গাবৰ ৰামৰ চৰণ॥
(দুৰ্গাবৰী গীতি ৰামায়ণ, পৃঃ ১০৯)

(৩) অন্ধ মুগুধ দশ কন্ধ পাপবুধ
জানকী শিবত চড়াই।
ৰঘুপতি-পদ বৰ ধৰ ৰজনীচৰ
শঙ্কৰ কহত উপায়॥ (বৰগীত)

কবিৰ নাম ভণিতাত উল্লেখ আছে। বেছিভাগ ক্ষেত্ৰতেই শেষ পদটিত ভণিতা পৰিছে। এনে ৰীতি বেছিভাগ অসমীয়া কবিৰ গীত-পদ-কাব্যত পৰিলক্ষিত হয়। কোনো কোনো চৰ্য্যাত ভণিতা মাজতো আছে; কোনোৱে হয়তো দুবাৰকৈও ভণিতা দিছে। প্ৰতিটো গীতৰ আগত ৰাগৰ উল্লেখ আছে, কেৱল ১ নং চৰ্য্যাৰ শেষত আছে (এইটো ৰাগৰ নাম টীকাত দিয়া হৈছে, বাকী-বোৰৰ নাই)। পুথিত মুঠতে ষোলটা ৰাগৰ নাম পোৱা হৈছে—পটমঞ্জৰী, গৱড়া (গউড়া), অৰু, গুঞ্জৰী, দেৱক্ৰী, দেশাখ (দ্বেশাখ), ভৈৰৱী, কামোদ, ধানসী, ৰামক্ৰী, বৰাডী (বলাড্ডী), শীৱৰী (শৱৰী), মল্লাৰী মালসী-গৱুড়া, কাহ্নুগুঞ্জৰী বঙ্গাল। ইয়াৰ প্ৰায়বোৰ ৰাগেই পুৰণি অসমীয়া গীতত পোৱা যায়।

প্ৰাপ্ত 'চৰ্য্যাচৰ্য্যবিনিশ্চয়' গ্ৰন্থত ২৩ জন সিদ্ধাচাৰ্য্যৰ পদ পোৱা গৈছে। বিলুপ্ত চৰ্য্যা তিনিটা ক্ৰমে তন্ত্ৰীপাদ (২৫ নং চৰ্য্যা), কাহ্নুপাদ (২৪ নং চৰ্য্যা) আৰু কুক্কুৰীপাদৰ (৪৮ নং চৰ্য্যা)। বাকী চৰ্য্যাৰচকসকল হ'ল—লুইপাদ, কুক্কুৰীপাদ, বিৰুৱাপাদ, চাটিল্ল-পাদ, ভুসুকুপাদ, কাহ্নুপাদ (বা কৃষ্ণাচাৰ্য্যপাদ), কম্বলাম্বৰপাদ (কামলি) ডোম্বীপাদ, শান্তিপাদ, মহীধৰপাদ, বীণাপাদ, সৰহপাদ, গুণ্ডৰীপাদ, শবৰপাদ, ভাদেপাদ (ভদ্ৰপাদ), আৰ্য্যদেৱপাদ, ঢেণ্ঢণপাদ, দাৰিকপাদ, কঙ্কণপাদ, তাড়কপাদ, জয়নন্দীপাদ আৰু ধামপাদ (বা গুণ্ডৰীপাদ ?)। এওঁলোকৰ বাহিৰে টীকাত উল্লেখ থকা সিদ্ধাচাৰ্য্য-সকল হ'ল—চৰ্য্যাপাদ ইউড়ীপাদ, ধোকৰীপাদ দড়ভীপাদ মীন-নাথ, আচাৰ্য্য জিনাস্কুৰ, তিলোপাদ আৰু বিৰুপাক্ষপাদ।

[খ] কামৰূপ-কেন্দ্ৰিক পটভূমি

চৰ্য্যাপদবোৰ মহাযানী বৌদ্ধধৰ্মৰ অন্তৰ্গত অব্ৰযান শাখাৰ শেহতীয়া পন্থা সহজযান মতাৱলম্বী সিদ্ধাচাৰ্য্যসকলৰ ধৰ্ম-সাধনা আৰু সাহিত্য-চৰ্চাৰ প্ৰশস্ত নিদৰ্শন। 'সহজ' শব্দটি এটি পাৰিভাষিক শব্দ; ই সিদ্ধাচাৰ্য্যসকলৰ হাতত গঢ় লৈ উঠা সাধনমূলক এটি গুপ্ত ধৰ্ম-পন্থা—এটি সাংকেতিক ধৰ্ম। 'যান' শব্দটোৱে ইয়াত পন্থা বা মাৰ্গক বুজাইছে। সিদ্ধাচাৰ্য্যসকলৰ কেইটামান পদ উদ্ধৃতি কৰিলে এই কথা বুজা যাব—

(১) কাহ্নু বিলসঅ আসৱ মাতা।
সহজ নলিনীবণ পইসি নিবিত্তা॥ (চৰ্য্যা-৯)

অৰ্থাৎ কাহ্নুপাদে সহজৰূপ নলিনী-বনত প্ৰৱেশ কৰি মধুপানত মত্ত হৈ নিবিড় মনে বিলাস কৰিছে।'

(২) ভুসুকু ভণই মই বুঝিঅ মেলেঁ।
সহজানন্দ মহাসুহ লীলেঁ॥ (চৰ্য্যা-২৭)

অৰ্থাৎ 'মই ভুসুকুপাদে (প্ৰজ্ঞা আৰু উপায়ৰ) মিলনৰ ফলত সহজানন্দ-মহাসুখ কি বস্তু তাক (গুৰুৰ কৃপাত) বুজিব পাৰিছোঁ'।

(৩) অদঅভুঅ ভৱমোহা ৰে দিসই পৰ অপ্যণা।
এ জগ জলবিম্বকাৰে সহজেঁ সুণ অপণা॥ (চৰ্য্যা-৩০)

অৰ্থাৎ ভৱমোহ অদ্ভুত; ইয়াৰ দ্বাৰা আপোন-পৰ ভেদ-ভাৱ দেখা যায়। কিন্তু এই জগতখন পানীৰ বুদবুদৰ দৰে, আত্মা-শূন্য: 'সহজ'-মতৰ দ্বাৰাহে ইয়াৰ তত্ত্ব বুজা যায়।

(৪) চীঅ থিৰ কৰি ধৰহুৰে নাহী।
অন উপায়েঁ পাৰ ণজাই॥
নৌবাহী নৌকা টাণঅ গুণে।
মেলি মেল সহজেঁ জাউ ণ আণেঁ॥ (চৰ্য্যা-৩৮)

অৰ্থাৎ, হে নাবিক! চিত্ত স্থিৰ কৰি নাও বাই যোৱা। আন উপায়ে পাৰত উঠিব পৰা নাযায়। নৌবাহী নাওৰ গুণত টানি ধৰা। 'সহজ'ৰ কাষে কাষে যাবা, আন পথেৰে নাযাবা।

(৫) সহজ মহাতৰু ফৰিঅ এ তৈলোএ।
খসম সভাৱে ৰে বাণ মুকা কোএ॥ (চৰ্য্যা-৪৩)

অৰ্থাৎ এই ত্ৰৈলোক্যত সহজৰূপ মহাতৰু স্ফুৰিত (ব্যপ্ত) হৈছে। মহাসুখময় শূন্যতা স্বভাৱত অৰ্থাৎ চিত্ত অচিত্তত লীন হ'লে ভৱ-বন্ধনৰ পৰা কোন বিদ্বান-ব্যক্তি মুক্ত নহয়?

এইবোৰ উক্তিৰ পৰা স্পষ্ট বুজা যায় যে 'সহজ' মাৰ্গত উপনীত হলে সাধকৰ মায়াযুক্ত জগতৰ জ্ঞান সম্পূৰ্ণ নাইকিয়া হয়, তেতিয়া তেওঁৰ আত্ম-পৰ ভেদ-জ্ঞান নাথাকে, ভৱ-মোহ বিলুপ্ত হয় আৰু শেষত শূন্যতা-জ্ঞান লাভ হয়। তেনেকুৱা অৱস্থাত যি সুখ লাভ হয় সেয়ে হৈছে সহজ-সুখ'। সাধক তেতিয়া সেই সুখত তন্ময় হৈ পৰে, বহিৰ্জগতৰ একোৱে তেওঁক সেই সুখৰ পৰা বিচ্যুত কৰিব নোৱাৰে; আনহাতে সেই অৱস্থা লাভ কৰিব নোৱাৰিলে সাধকে মুক্তিলাভ কৰিবও নোৱাৰে।[৮] বেদান্ত-দৰ্শনত ভক্তৰ এনেকুৱা নিমজ্জিত ভাৱাৱস্থাকে কোৱা হয় 'ব্ৰহ্মাস্মি সোঽহং' ভাৱ। সহজ-যানৰ এই শূন্যতাবাদ পূৰ্ববৰ্ত্তী উপনিষদ ধৰ্মৰ দ্বাৰাই প্ৰভাৱান্বিত আৰু বেদান্ত-দৰ্শনৰ অদ্বৈত-ব্ৰহ্মবাদৰ পূৰ্ব্বাভাস বুলি কব পাৰি।[৯] এই 'সহজ' মতবাদেই চৰ্য্যাপদৰ নানা স্থানত কেতিয়াবা স্পষ্ট আৰু কেতিয়াবা অস্পষ্ট ভাষাত বৰ্ণিত হৈছে।

তান্ত্ৰিক বৌদ্ধধৰ্ম্মৰ বহু শাস্ত্ৰত 'চৰ্য্যা' শব্দটিৰ উল্লেখ আছে, কোনো কোনো ক্ষেত্ৰত সাধাৰণ অৰ্থত আৰু কোনো কোনো ক্ষেত্ৰত পাৰিভাষিক অৰ্থত। তীব্বতী ভাষাত 'চৰ্য্যা' কথাটি সংস্কৃত 'আচাৰ' কথাটিৰ সমাৰ্থক। মেক্সমূলাৰে 'পাঠ' বা 'অধ্যয়ন' (Study) অৰ্থত 'চৰ্য্যা' শব্দ ব্যৱহাৰ কৰিছে।[১০] বৌদ্ধতান্ত্ৰিকসকলৰ প্ৰামাণিক গ্ৰন্থ 'হেবজ্ৰতন্ত্ৰ'ত তন্ত্ৰক পাঁচ ভাগত ভগোৱা হৈছে; যেনে—

৮। বৌদ্ধধৰ্ম ও সাহিত্য, পৃঃ ৭২—৭৩

৯ ড° শশিভূষণ দাশগুপ্ত, বৌদ্ধধৰ্ম ও চৰ্য্যাগীতি, ১৩৭১, পৃঃ ৪২

১০। চৰ্য্যাগীতি, পৃঃ ১৮-১৯

ক্রিয়া, চৰ্য্যা, যোগ, যোগোত্তৰ আৰু যোগনিৰুত্তৰ।[১১] 'চৰ্য্যা' শব্দটিয়ে কোনো কোনো ক্ষেত্ৰত গীত বা গানকো বুজাইছে। যেনে—

অইসন চৰ্য্যা কুক্কুৰীপাএঁ গাইউ।

কোড়ি মাঝেঁ একু হিঅহিঁ সমাইউ॥ (চৰ্য্যা-২)

অৱশ্যে এই গীত সহজীয়া ধৰ্মৰ বিশেষ গীত বা সহজযানী গীতহে, সাধাৰণ গীত নহয়।

'চৰ্য্যাগীতিকোষ' গ্ৰন্থখন মূলতঃ ৫০টা গীত-পদেৰে সমৃদ্ধ। এইবোৰৰ ৰচকসকল তীব্বতৰ মহাযান-পন্থী বৌদ্ধ সম্প্ৰদায়ৰ ৮৪ জন মহাসিদ্ধৰ অন্তৰ্ভুক্ত। এই সিদ্ধ পুৰুষসকলৰ ভিতৰত লুই-পাদক প্ৰথম বা শ্ৰেষ্ঠ সিদ্ধাচাৰ্য্য বুলি ধৰা হৈছে। বেছিভাগ পণ্ডিতৰ মতে এওঁ প্ৰাচীন কামৰূপৰ লোক। লুইপাদৰ লগতে সৰহপাদ, মীননাথ গোৰক্ষনাথ, ঢেণ্টণপাদ দাড়িকপাদ, ডোম্বীপাদ, কাহ্নুপাদ, ভুসুকুপাদ, শান্তিপাদ, শবৰপাদ, নাগাৰ্জুন, মহীধৰপাদ আদি সিদ্ধাচাৰ্য্যসকলো কামৰূপীয় লোক।[১২] এওঁলোকৰ ৰচিত চৰ্য্যাৰ ভাষা, শব্দ, শব্দ-প্ৰয়োগৰ ঠাচ, ৰূপক-উপমাৰ ব্যৱহাৰ, নীতি-বচনৰ প্ৰয়োগ গীতৰ ৰাগ আৰু বৈয়াকৰণিক ৰীতিৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি এওঁলোকক অসমীয়া সিদ্ধাচাৰ্য্য বুলি কব পাৰি।

এওঁলোকৰ উপৰিও উৰিষ্যা, বঙ্গ বিহাৰ মিথিলা, ভূটান আৰু নেপাল আদি ঠাইৰ পৰা ভালেমান তান্ত্ৰিক বৌদ্ধ সিদ্ধ আহি উত্তম তীৰ্থ কামৰূপ-পীঠত ধৰ্ম চৰ্চা কৰিছিল। সিদ্ধাচাৰ্য্যসকলে সহজযান পন্থাৰ তত্ত্বমূলক পুথি, দোহা, চৰ্য্যা আৰু নীতি-বচন আদি ৰচনা কৰিছিল। আনহাতে, বিভিন্ন ঠাইৰ পৰা সিদ্ধা-চাৰ্য্যসকল আহি এই ঠাইত গোট খোৱাৰ অন্তৰালত এটা ঐতি-হাসিক পটভূমি আছে।

১১। D. L Snellgrove, The Hevajra Tantra, vol. I, London, 1959 , p 137.

১২। K. L. Barua, Early History of Kamarupa, 1966 p. 103 ; 'The Date of Saraha', J. A. R. S., vol. II, 1934, p. 85 ; Dr. Bhupendranath Datta, Mystic Tales of Lama Taranath, 1944, p, 56

সহজযান ধৰ্মৰ প্ৰশস্ত ক্ষেত্ৰ আছিল কামাখ্যা-কেন্দ্ৰিক ভাৰতৰ পূৰ্বাঞ্চল। খৃষ্টীয় ৬ষ্ঠ শতিকাৰ পৰা অৰ্থাৎ কামৰূপেশ্বৰ ভূতিবৰ্মণৰ ৰাজত্বৰ পৰা ১১শ-১২শ শতিকাৰ ধৰ্মপাল-জয়পালৰ দিনলৈকে ক্ষমতাশালী কামৰূপ ৰাজ্যক নামান্তৰে 'প্ৰাচ্য ভাৰত' আখ্যা দিয়া হৈছিল। প্ৰাচীন কামৰূপ ৰাজ্যই বঙ্গ আৰু বিহাৰৰ ভালেখিনি ঠাই সামৰি লৈছিল।[১৩] ঐতিহাসিক পাৰ্জিটাৰ চাহাবৰ মতেও সমগ্ৰ উত্তৰ আৰু পূব বঙ্গ ইয়াৰ ভিতৰত পৰিছিল।[১৪] ড° বাণীকান্ত কাকতিয়ে ৰামায়ণ মহাভাৰত, বিভিন্ন পুৰাণ, তন্ত্ৰ-শাস্ত্ৰ আৰু ঐতিহাসিক গ্ৰন্থ পৰ্য্যালোচনা কৰি মন্তব্য দিছে যে 'ৰাম-ৰাজ্যৰ পৰা আৰম্ভ কৰি মোগল সাম্ৰাজ্যলৈকে কোনো ভাৰতীয় সাম্ৰাজ্যৰ ভিতৰত পুৰণি অসম অন্তৰ্ভুক্ত হোৱা নাছিল।'[১৫] এই প্ৰসঙ্গত ইতিহাসবিদ ড° প্ৰতাপচন্দ্ৰ চৌধুৰীৰ আলোচনাখিনিও প্ৰণিধানযোগ্য—'সেই সময়ৰ (অৰ্থাৎ খৃঃ ৬ষ্ঠ শতিকাৰ) পৰা খৃঃ ৮ম শতিকালৈকে নিধনপুৰৰ তামৰ ফলি, দ্বিতীয় জয়দেৱৰ পশুপতি লিপি আৰু হিউৱেনচাঙৰ মন্তব্য তথা জীৱনীৰ প্ৰমাণেৰে কব পাৰি যে (কামৰূপ) ৰাজ্যখনে কৰ্ণসুৱৰ্ণ পুণ্ড্ৰবৰ্দ্ধন আৰু সম্ভৱতঃ নালন্দা অঞ্চলৰ পূৰ্বাংশ অন্তৰ্ভুক্ত কৰি লৈছিল। খৃঃ ৮ম শতিকাৰ ভিতৰত হৰ্ষদেৱৰ ৰাজ্য আগৰ কামৰূপী ৰজা সকলৰ তুলনাত বিশাল আছিল; কাৰণ, কিছুকালৰ বাবে হলেও তেওঁ গৌড়, মগধ, কলিঙ্গ, কোশল আৰু অন্যান্য ৰাজ্য নিজ ৰাজ্যৰ লগত চামিল কৰিছিল। অৱশ্যে ৯ম শতিকাৰ আদি ভাগত কামৰূপ ৰাজ্য কিছু দুৰ্বল হৈছিল; কিন্তু তেজপুৰ লিপিৰ মতে ৯ম শতিকাৰ মাজভাগৰ পৰা বনমালদেৱৰ ৰাজ্যই পুণ্ড্ৰবৰ্দ্ধন তথা দক্ষিণ

১৩। B. C. Law, Geographical Essays, vol. I, pp. 157f., Dr. B. K. Barua, Early Geography of Assam, 1952, pp. 10f

১৪। F. E. Pargiter, Ancient Indian Historical Tradition., 1922, P. 292, E.A. Gait A History of Assam, 1960, P17.

১৫। ড° বাণীকান্ত কাকতি, পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৫৫, পৃঃ ৭

পূব বঙ্গকে ধৰি ভূতিবৰ্মণৰ প্ৰায় সমগ্ৰ ৰাজ্যক সামৰি লৈছিল।'[১৬] ১১শ ১২শ শতিকালৈকে পুৰণি কামৰূপ ৰাজ্যৰ এই সীমা বাহাল আছিল। ইয়াৰ দ্বাৰা বুজা যায় যে কেবা শতিকা জোৰা এই সুদীৰ্ঘ কাল ছোৱাত অন্যান্য সংস্কৃতিৰ লগত এক ধৰ্মীয় সংস্কৃতিও গঢ় লৈ উঠিছিল।

তন্ত্ৰ-প্ৰধান ঠাই হিচাপে কামৰূপ-পীঠৰ এটা প্ৰাচীন ঐতিহ্য আছে। কালিকা পুৰাণ, যোগিনীতন্ত্ৰ: শক্তিসঙ্গম তন্ত্ৰ আৰু সম্মোহ-তন্ত্ৰত ইয়াৰ বিস্তৰ উল্লেখ আছে। খৃষ্টীয় ৮ম শতিকাৰ পদ্মবজ্ৰৰ ৰচনা 'হেবজ্ৰ-তন্ত্ৰ'ত চাৰিখন পবিত্ৰ পীঠৰ উল্লেখ পোৱা যায়; সেইকেইখন হ'ল—(১) জালন্ধৰ, (২) উড্ডিয়ান, (৩) পূৰ্ণগিৰি, আৰু (৪) কামৰূপ। কলিকা পুৰাণতো এই চাৰিখন পীঠৰ উল্লেখ আছে; ইয়াত কামৰূপ পীঠক কামাখ্যা-পীঠ বোলা হৈছে। 'সাধনমালা' নামে আন এখন বৌদ্ধ গ্ৰন্থৰ মতে ভাৰতবৰ্ষৰ ভিতৰতে তান্ত্ৰিক বৌদ্ধসকলৰ চাৰিখন মহাপীঠ হ'ল—কামাখ্যা, সিৰিহট্ট, পূৰ্ণগিৰি আৰু উড্ডিয়ান।[১৭] কামাখ্যা আৰু সিৰিহট্ট (শ্ৰীহট্ট) প্ৰাচীন কামৰূপৰ ভিতৰত পৰে, আৰু দুয়োখন পীঠক 'হেবজ্ৰতন্ত্ৰ'ত কামৰূপ-পীঠ বুলি বৰ্ণোৱা হৈছে। এই কামৰূপ-পীঠ তান্ত্ৰিক সংস্কৃতিৰ কেন্দ্ৰ হিচাপে প্ৰাচীন ভাৰতৰ ভিতৰতে অদ্বিতীয় আছিল।[১৮] ডঃ দীনেশ চন্দ্ৰ চৰকাৰে লিখিছে—"In the first place, Kamarupa has a prominent place in all the lists of four. This fact may suggest that the Kamarupa-pitha became unrivalled as a centre of Tantric culture by absorbing the popularity of other four tirthas of ancient India

১৬। Dr. P. C. Chaudhury. The History of Civilisation of the People of Assam, 1959, PP. 46ff ; Early History of Kamarupa, P. 7.

১৭। Early Geography of Assam P. 3.

১৮। পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, পৃঃ ৬৬

at a fairly early date.[১৯] মূঠতে এটা সময়ত তন্ত্রযান, বজ্রযান, সহজযান আৰু হিন্দুতন্ত্র, - সকলোৰে প্ৰশস্ত ক্ষেত্র আছিল কামৰূপ, বিশেষকৈ হাজো-কামাখ্যা অঞ্চল। যোগিনীতন্ত্ৰৰ মতে কামৰূপত "বজ্ৰযানী বৌদ্ধৰ শূন্যবাদৰপৰা আৰম্ভ কৰি কিৰাতৰ ক্ৰুৰ বলি-বিধান একো বাদ পৰা নাই।" আজি-কালিও হাজোতীৰ্থ বৌদ্ধধৰ্ম্মীসকলৰ মনত পৰম তীৰ্থস্থান হৈ আছে। তীব্বত, নেপাল, ভূটান আৰু কামৰূপৰ জনশ্ৰুতি মতে হাজোৰ নিৰ্ম্মিত হয়গ্ৰীব মাধৱৰ মন্দিৰটো বুদ্ধদেৱৰ অস্থি-দেহৰ ওপৰত নিৰ্ম্মিত এটি মহাবুদ্ধ চৈত্য।[২০] ইয়াক দৰ্শন কৰিবলৈ বছৰে বছৰে তিব্বতৰ লামাসকল আহে। লামা তাৰানাথে তেওঁৰ গ্ৰন্থত কামৰূপত এটা ডাঙৰ বৌদ্ধ চৈত্য আছে বুলি উল্লেখ কৰিছে। পূজ্যপাদ ধীতিকে হেনো পোনতে কামৰূপত বৌদ্ধধৰ্ম্মৰ শিক্ষা দিয়ে। লামা তাৰানাথে লিখিছে যে অশ্বভৱে কামৰূপত মহাযান পন্থাৰ ধৰ্ম্ম-মত প্ৰচাৰ কৰিছিল। ডঃ প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে লিখিছে—'Whatever its original significance, Hajo attained a great celebrity in *Mahayana Buddhism*, and might have contained some relics of the Buddha. In fact, the place became a cosmopolitan centre of many cults, such as those of Suryya, Hayagriva Madhava, the Buddha and others. and is visited even today by people of all faiths. The place subsequently became a great centre of Tantrik Buddhism, like Kamakhya, where also, according to traditions, stood a Buddhist shrine.[২১] গতিকে

১৯। Dr. D C. Sircar, The Sakta-pithas ed. 1, 1948, p. 15 Dr. M. Neog Crypto Buddhism in Kamarupa', Pragjyotisa. Souvenir. All-India Oriental Conference, Gauhati Session, 1965 p. 117

২০। গঙ্গাৰাম চৌধুৰী, অসমত বৌদ্ধ কীৰ্ত্তি-স্তম্ভ, ১৯৬১, পৃ. ১৩-১৪

২১। The History of Civilisation of the People of Assam, P. 430; R. M. Nath, 'Sankaracaryya and Buddhism in Assam', J. A. R. S., Vol. IV, No. 2.

হাজো-কামাখ্যাৰে সমাদৃত কামৰূপ-পীঠ প্ৰাচীন কালতেই তন্ত্ৰযানী, বজ্ৰযানী আৰু সহজযানী সাধকসকলৰ ধৰ্ম-চৰ্চাৰ কেন্দ্ৰ-স্থল হৈ পৰিছিল।[২২] অৱশ্যে, ৭ম শতিকাৰ পৰা ১০ম শতিকালৈকে এই বজ্ৰযানী আৰু সহজযানী ধৰ্ম গোপনে চলিছিল বুলি ধাৰণা জন্মে; কাৰণ, সপ্তম শতিকাত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেনচাঙে ইয়াত বৌদ্ধধৰ্মৰ চলতি নাই বুলি মন্তব্য কৰিছে। এই সময়ছোৱাৰ ভিতৰত কামৰূপ ৰাজ্যত এটা শ্ৰেণীয়ে কৈৰাতিক ধৰ্ম কিছুমানে শাক্ত ধৰ্ম, আন এটা শ্ৰেণীয়ে বৈষ্ণৱ ধৰ্ম আৰু অধিক সংখ্যকে ৰজাঘৰীয়া শৈৱধৰ্ম পালন কৰিছিল। শৈৱধৰ্মৰ প্ৰাধান্য শাক্ত ধৰ্মৰ প্ৰভাৱ আৰু বেদান্তিক বৈষ্ণৱ ধৰ্মৰ ক্ৰমাগত আদৰে সহজযান ধৰ্মৰ প্ৰচলনত বাধা জন্মাইছিল। ১০ম শতিকাৰ পৰা বজ্ৰযানী পন্থাৰ বান্ধ শিথিল হৈ সহজযান পন্থাত মিলি গৈছিল যেন অনুমান হয়। ইপিনে সহজীয়া সিদ্ধাচাৰ্য্য লুইপাদৰ যশস্যা বাঢি গৈছিল। অধিক কি, ১০ম শতিকাৰ শেষ আৰু ১১শ শতিকাৰ আদি ভাগৰ ৰজা ৰত্নপালে ৰাহুলভদ্ৰৰ ওচৰত সহজযান পন্থাত দীক্ষা লৈছিল।[২৩] তেওঁৰ পৰবৰ্তী কামৰূপাধিপতি ইন্দ্ৰপালেও লুইপাদৰ ওচৰত এই ধৰ্মত দীক্ষা লৈ 'দাড়িকপা' নামেৰে পৰিচিত হৈছিল বুলি আৰ্থাৰ গ্ৰাণ্ডৱেডেলে মত পোষণ কৰিছে।[২৪] ইন্দ্ৰপালৰ পৰ্বৰ্তী পালবংশীয় কামৰূপাধিপতি সকলেও সহজযান পন্থাটোৰ পৃষ্ঠপোষকতা কৰিছিল বুলি বিভিন্ন তথ্যৰ পৰা জনা যায়। গতিকে দেখা যায় যে খৃষ্টীয় ১২শ শতিকালৈকে কামৰূপত পাল বংশীয় ৰজাসকলৰ অনুগ্ৰহত বজ্ৰযান বা সহজযান

২২। K. L. Barua, 'Kamarupa and Vajrajana', J. A. R. S., Vol. II, 1934, p. 47.

২৩। K. L. Barua, J. A. R. S., Vol. II, pp. 44-51 ; J. A. R. S., Vol. II, p. 84 ; N N. Dasgupta, I. H. Q., XXXVI, pp. 335 f.

২৪। R. M. Nath, J. A. R. S., Vol. VII pp. 48-57

ধৰ্মৰ চৰ্চা বাঢ়িকৈয়ে চলিছিল।[২৫] কাৰণ ৮ম-১২শ শতিকাৰ ভিতৰত কামৰূপত বহু বৌদ্ধ সিদ্ধাচাৰ্য্যৰ সমাৱেশ আৰু ভালেমান বৌদ্ধতান্ত্ৰিক গ্ৰন্থৰ ৰচনাই[২৬] সহজীয়া ধৰ্মৰ প্ৰাদুৰ্ভাৱৰ কথা প্ৰমাণ কৰে। আন নালাগে, 'চৰ্য্যাগীতিকোষ' পুথিৰ অন্তৰ্গত লুপ্ত আৰু প্ৰাপ্ত ৫০টা চৰ্য্যাৰ ভিতৰত প্ৰায় ৩৫টা চৰ্য্যাই কামৰূপী অপভ্ৰংশ ভাষাত ৰচিত; আৰু সেইদৰে সেইবোৰৰ ৰচক সকলো কামৰূপী লোকহে হ'ব।

যি কি নহওঁক খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা কামৰূপ ৰাজ্যৰ ৰাজনৈতিক পৰিবৰ্তন, সামাজিক সংঘাত, বিভিন্ন ধৰ্মৰ নৱ অভ্যুদয়, আৰু সহজীয়া ধৰ্মত নাৰী-পুৰুষৰ যুগ্ম সাধন-ক্ৰিয়া চলা হেতুকেই হয়তো এই ধৰ্মৰ প্ৰভাৱ প্ৰকাশ্যে কমি আহিবলৈ ধৰে; কিন্তু তথাপি সহজযান পন্থাটো লুপ্ত হৈ যোৱা নাছিল। সেইয়া গোপনেই হওঁক বা আন ৰূপতেই হওঁক সহজীয়া পন্থাটো এচাম লোকৰ মাজত চলি আছিল? পৰবৰ্তী কালৰ অসমত চলা 'ৰাতিখোৱা' প্ৰথাটো সহজীয়া পন্থাৰেই বিকশিত ৰূপ বুলি অনেকে ভাবে।[২৭]

২৫। History of Civilisation of the People of Assam, p. 456
২৬। K. L Barua, J. A. R. S., Vol. II pp. 44 f.
২৭। History of Civilisation of the People of Assam, pp. 456 f.

দ্বিতীয় অধ্যায়

চৰ্য্যাপদৰ ভাষা-বিচাৰ

[ক] সন্ধ্যা-ভাষা

চৰ্য্যাপদৰ ভাষা এক প্ৰকাৰ ধৰ্মীয় তাৎপৰ্য্যপূৰ্ণ ভাষা; কাৰণ এই গীত-পদবোৰৰ আধাৰ হ'ল সহজযান ধৰ্ম। এই ধৰ্মটি বৌদ্ধ মহাযানী শাখাৰ পৰা উদ্ভৱ হোৱা তন্ত্ৰযান শাখাৰ অন্তৰ্গত। তান্ত্ৰিক সাধনাৰ ভাষাবোৰ সাংকেতিক প্ৰকৃতিৰ; সি সকলোৰে বাবে বোধগম্য নহয়; সাধনা-সম্পৃক্ত ব্যক্তিয়েহে তাৰ মৰ্মাৰ্থ বুজি পায়। গতিকে এনে বিধৰ ভাষা সিদ্ধাচাৰ্য্যৰ বা পদ-কৰ্ত্তাৰ উদ্দেশ্য প্ৰণোদিত ভাষা; সেই উদ্দেশ্য-প্ৰণোদনৰ অন্তৰালত হয়তো বিষয়-বস্তুৰ পবিত্ৰতা ৰক্ষা, শক্তি-বৃদ্ধিৰ ধাৰণা আৰু সিদ্ধি-লাভৰ আকঙ্ক্ষা নিহিত থাকে। প্ৰাচীন অসমীয়া মন্ত্ৰ কিছুমান গুপ্ত-ৰহস্যপূৰ্ণ; সিবিলাকৰ ভাষা সাংকেতিক বিধৰ। কেতবোৰ মন্ত্ৰৰ ভাষিক বৈশিষ্ট্য বৌদ্ধ দোহা আৰু গীতৰ ভাষিক বৈশিষ্ট্যৰ সৈতে মিলে। তলত তেনেবিধ মন্ত্ৰৰ ভাষাৰ চানেকি দাঙি ধৰা হ'ল—

(১) তিন নৈশ্য নৈৰাকাৰ।
নাম কহন্তি ভুনিয়া সত্ৰজাৰ॥
খুন্ন মুখন্ন ৰত্ন পাট।
শুন শুন ব্যাধি হোৱে ঘাট॥

(২) হচং বুধা হচং ছুলি ছুহি ভগৱন্ত।
হৰ কালি হচং বুধা হচং দাৰুৱা পোৱা॥
বি আত্তি ধৰি লৈ ডেন্ত নিখাই খাপবি॥
হচং পৰম ঈশ্বৰ ভগৱন্ত॥[১]

১। আসাম সাহিত্য সভা পত্ৰিকা, ২য় ব, ৩য় সংখ্যা, ১৩২৭-২৮, পৃঃ ১৪৩

(৩) 'শূন্যত ভ্ৰমণ শূন্যত থান, যোগ মন্ত্ৰে কৰে বিক্ষ ৰোপণ। আয়ত মেচাৰি বাকা, আয়ত আয় মেচাৰি, কাকলে ধুমা আয়, বিমুখিয়া আয়, সঙাউ আয়, বিড়ায়ো আয়, চক্ষলে আয়, গমনে আয়, বিষ্টা সিদ্ধা পণ্ডুয়া আয়, অডায় আয়, গফুলা আয়, হৰিচন্দ্ৰ আয়, যেমন ভং কিত আয়, বিং বিং খিং খিং ফট্ ফট্ লং লং যেমনে সাধ্য তেমনে আয়, যেমনে শিৱ তেমনে আয়, আকাশে সঞ্চাৰ পিথিবী পায়।'

এই মন্ত্ৰবিলাকৰ ভাষা সৰ্বসাধাৰণৰ পক্ষে আচহুৱা ; সেইবোৰৰ অৰ্থও ৰহস্যপূৰ্ণ। কেৱল ওজা বা বেজবিলাকেহে তাৰ অৰ্থ বুজি পায়।

খৃষ্টীয় চতুৰ্দ্দশ শতিকাত আচাৰ্য্য মুনিদত্তই সংস্কৃত ভাষাত চৰ্য্যাগীতি-কোষৰ টীকা-ব্যাখ্যা লিখোঁতে পোনতে ইয়াৰ ভাষাৰ অংশবিশেষক 'সন্ধ্যাভাষা' আখ্যা দিছে। ২নং চৰ্য্যাত কুক্কুৰীপাদে সন্ধ্যাভাষা বা সন্ধ্যা-সংকেত প্ৰয়োগ কৰিছে বুলি তেওঁ উল্লেখ কৰিছে ; যেনে - 'তমেব মহাসুখৰাজানাং স্বানন্দাসৱপানপ্ৰমোদমনসা কুক্কুৰীপাদাঃ সন্ধ্যাভাষয়া প্ৰকটয়িতুমাহুঃ দুলীত্যাদি। দ্বয়াকাৰং যস্মিন্ লীনং গতং মহাসুখকমলং। দুলি সন্ধ্যাসঙ্কেতে বোদ্ধব্যং।' অৰ্থাৎ আত্মানন্দৰূপ আসব পানত প্ৰমোদিত মনা কুক্কুৰীপাদে মহাসুখৰূপী ৰজাক প্ৰকটিত কৰিবলৈ গৈ সন্ধ্যাভাষাত দুলি প্ৰভৃতি শব্দৰ সহায় লৈছে। দ্বয়াকাৰ য'ত লীন হৈ যায় সেই মহাসুখ-কমলক সন্ধ্যা-সঙ্কেতৰ 'দুলি' শব্দৰ দ্বাৰা বুজিব লাগিব। আচাৰ্য্য মুনিদত্তই চৰ্য্যাপদৰ গূঢ় তত্ত্ব ব্যাখ্যা কৰোঁতে কেতিয়াবা সমগ্ৰ পদটিকে 'সন্ধ্যাভাষা' শীৰ্ষক সঙ্কেতৰ দ্বাৰা বুজি লবলৈ নিৰ্দেশ কৰিছে। প্ৰসঙ্গ অনুযায়ী তেওঁ 'সন্ধ্যা-সংকেত', 'সন্ধ্যা-বচন' আৰু 'সন্ধ্যা'—এই শব্দৰ দ্বাৰাও বিষয়-বস্তুৰ গুহ্য অৰ্থ দাঙি ধৰিছে। অলপ দকৈ ভাবি চালে ধাৰণা হয় যে 'সন্ধ্যা-ভাষা' কথাষাৰৰ দ্বাৰা মুনিদত্তই সহজযান পন্থাৰ গূঢ়তত্ত্বৰ প্ৰকাশিকা ঠাঁচটোক বুজাইছে। এই ঠাঁচটো সহজীয়া সাধকৰ আগত দাঙি ধৰিব লগীয়া বক্তব্য বিষয়ৰ গূঢ়াৰ্থৰ লগত

সম্পৃক্ত। পন্থাৰ পবিত্ৰতা, সাধন-প্ৰণালীৰ গোপনীয়তা আৰু গুহ্যতত্ত্বৰ গুৰুত্ব ৰক্ষা কৰাটো ইয়াৰ বিশেষত্ব। আনহাতে, সন্ধ্যা-সংকেত, সন্ধ্যা-বচন আৰু সন্ধ্যা আদি বিশেষ অৰ্থবাহক শব্দবোৰ 'সন্ধ্যাভাষা' কথাযাৰৰ সমান্তৰাল উপাদান বুলি প্ৰতীতি জন্মে। কেইটিমান উদাহৰণ দিলে কথাখিনি স্পষ্ট হব। যেনে—'কুক্কুৰীপাদাঃ সন্ধ্যাভাষয়া প্ৰকটয়িতুমাহুঃ'; 'ভুসুকুপাদো হৰিণাশব্দ সন্ধ্যাভাষয়া কথয়তি'; নৌকা সন্ধ্যাভাষয়া বোদ্ধব্যম্'; 'তুলি সন্ধ্যা-সঙ্কেতে বোধব্যং'; 'বাৰুণীতি সন্ধ্যাবচনেন তদেব সংবৃত্তি বোধিচিত্তং বোদ্ধব্যং'; 'তমেবাৰ্থং মূষক সন্ধ্যাবচনেন ভুসুকুপাদাঃ প্ৰতিপাদয়ন্তি।' 'নিসি আন্ধাৰীত্যাদি-মুক্তাতীতি মূষক সন্ধ্যাবচনে চিত্তপবনো বোদ্ধব্যঃ।'; 'ললনাৰসনা-দ্যাভাসত্ৰয়ং পাৰাবাৰগম্ভীৰত্বেন নদী সন্ধ্যয়া বোদ্ধব্যং।'; 'গঙ্গাযমুনেতি সন্ধ্যয়া চন্দ্ৰাভাসসূৰ্য্যাভাসৌ গ্ৰাহ্যগ্ৰাহকৌ।'; 'চাৰীত্যাদি চতুৰ্থ সন্ধ্যয়া চতুৰানন্দা বোদ্ধব্যাঃ' ইত্যাদি।

চৰ্য্যাপদসমূহ টীকা-ব্যাখ্যা কৰোঁতে মুনিদত্তই যে কেৱল সন্ধ্যাভাষা, সন্ধ্যা-সংকেত সন্ধ্যাবচন আৰু সন্ধ্যা শব্দৰ দ্বাৰাইহে গূঢ়াতত্ত্বৰ ভেদ ভাঙিছে এনে কথা নহয়, তেওঁ পাৰিভাষিক শব্দ, সাধাৰণ শব্দ, ধ্ৰুৱপদ, ব্যাজ, উৎপ্ৰেক্ষা, উপমা আৰু ৰূপক অলঙ্কাৰৰ সহায়তো গূঢ় শব্দাৰ্থৰ প্ৰায়োগিক সাৰ্থকতা দেখুৱাইছে। আন এটা মন কৰিব লগীয়া কথা হ'ল যে চৰ্য্যাগীত সমূহৰ প্ৰথম চৰ্য্যাত ব্যাজ আৰু প্ৰাকৃত ভাষা ব্যৱহৃত হৈছে। দ্বিতীয় চৰ্য্যাত সন্ধ্যাভাষা আৰু সন্ধ্যা-সঙ্কেত ব্যৱহৃত হৈছে। সেইদৰে ৩য় চৰ্য্যাত সন্ধ্যাভাষা আৰু সন্ধ্যা-বচন, ৫ম ১৪শ, ১৬শ, ১৮শ, ২৭শ আৰু ৫০ নং চৰ্য্যাত সন্ধ্যা শব্দ প্ৰয়োগ কৰা হৈছে। আনহাতে ৬, ৮, ১০, ১৩, ১৪, ১৭ আৰু ৩৩ নং চৰ্য্যাত সন্ধ্যাভাষাৰ দ্বাৰা তত্ত্ব-কথা বুজোৱা হৈছে। সন্ধ্যা-বচন ব্যৱহৃত হোৱা চৰ্য্যাকেইটা হ'ল—৩, ১২, ২১ আৰু ৪৭ নং। মুঠতে ১৭টা চৰ্য্যাগীতত সন্ধ্যাভাষা, সন্ধ্যা-সঙ্কেত সন্ধ্যাবচন আৰু সন্ধ্যা শব্দ প্ৰয়োগ হৈছে। কোনোটো চৰ্য্যাত সন্ধ্যাভাষা আৰু সন্ধ্যা বচন দুয়োকে ব্যৱহৃত হৈছে। বাকী ৩৩টা চৰ্য্যাগীতৰ ভিতৰত ৩টা বা ৪টা

চৰ্য্যাগীত লুপ্ত হৈছে; গতিকে ২৯টা চৰ্য্যাগীতত এনে সাংকেতিক শব্দ ব্যৱহাৰ হোৱাৰ উল্লেখ টীকা-ৰচকে কৰা নাই। সেই বুলি বাকীবোৰত যে গূঢ়াৰ্থ নিহিত পাৰিভাষিক শব্দ প্ৰয়োগ হোৱা নাই এনেও নহয়। তদুপৰি মুনিদত্ত-নিৰ্দেশিত এই সাঙ্কেতিক লক্ষণসমূহ একেটা চৰ্য্যগীতৰ সকলো পদতে ব্যৱহৃত হোৱা নাই, দুই-এটি পদ বা শব্দৰ ক্ষেত্ৰতহে প্ৰয়োগ হৈছে। মুনিদত্তৰ অনিৰ্দেশিত চৰ্য্যাগীত সমূহতো গূঢ়তত্ত্ব আৰু শব্দাৰ্থৰ ৰহস্যময়তা বিদ্যমান। গতিকে সাঙ্কেতিক শব্দৰ অনুল্লেখে থাকিলেই দিয়ে যে সমগ্ৰ চৰ্য্যাগীতৰ প্ৰকাশ-বাহনটিক সন্ধ্যাভাষা বুলি আখ্যা দিব নোৱাৰি। সন্ধ্যাভাষা, সন্ধ্যা-সংকেত, সন্ধ্যা-বচন আৰু সন্ধ্যা - এই শব্দ কেইটাৰ সমান গুৰুত্ব বিদ্যমান; বিষয়-বস্তুৰ ভাবাৰ্থ বুজোৱা মূল শব্দটো হ'ল—'সন্ধ্যা'। ইয়াৰ লগত ভাষা, সংকেত, বচন আদি ব্যঞ্জনাবোৰ যুক্ত হৈছে। কিন্তু কি কাৰণে মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী আৰু তেখেতৰ পৰৱৰ্তী কেবাগৰাকীও পণ্ডিতে 'সন্ধ্যা-ভাষা' শীৰ্ষক ব্যঞ্জনাযুক্ত শব্দটোক এটা স্বকীয়া ভাষাৰ ধাৰণা কৰি লৈছে তাক বুজা নাযায়। আনহাতে মুনিদত্তই টীকা লিখোতে 'সন্ধ্যা' শব্দৰ লগত 'ভাষা' শব্দটো উল্লেখ নকৰিলে চৰ্য্যাগীতৰ তত্ত্ব-প্ৰকাশক বাহনটিক কি আখ্যা দিয়া গ'লহেঁতেন সেইটোও ভাবি চাবলগীয়া কথা। উল্লেখযোগ্য কথা যে চৰ্য্যাপদৰ অন্যতম গৱেষক ড° নীলৰতন সেনে গতানুগতিকভাৱে চৰ্য্যাগীত সমূহৰ সমগ্ৰ ভাষাক 'সন্ধ্যাভাষা' বুলি কোৱা নাই; তেখেতে লিখিছে যে—"অধিকাংশ গীত মৰমী ভাবদ্যোতক (Mystic),—'সন্ধ্যা ভাষা' অৰ্থাৎ সন্ধানী বা মৰমী ভাষায় ৰচিত। গীতগুলিতে অনেক সংকেতধৰ্মী শব্দ ব্যৱহৃত হয়েছে; যাঁৰা তাৰ মৰ্মাৰ্থ জানেন গীতগুলিতে বৰ্ণিত সহজ সাধনাৰ ৰহস্য তাঁৰাই ধৰতে পাৰেন"।[২] দেখা গ'ল যে ড° সেনৰ মতেও অধিকাংশ চৰ্য্যাগীত সন্ধ্যা ভাষাত ৰচিত, সেইবুলি আটাইবোৰ গীতৰ ভাষা সন্ধ্যা ভাষা নহয়। অধিক কি, আচাৰ্য্য মুনিদত্তই

২। ড° নীলৰতন সেন, চৰ্য্যাগীতিকোষ, ১৯৭৮, ভূমিকা

চৰ্য্যাগীতসমূহৰ সমস্ত প্ৰকাশ-বাহনটিক সন্ধ্যা ভাষা বুলি স্পষ্টভাৱে কোৱা নাই। কাৰণ, চৰ্য্যাপদ সমূহত সংস্কৃত, প্ৰাকৃত, অপভ্ৰংশ আৰু পাৰিভাষিক শব্দও আছে। আনহাতে কোনোটো চৰ্য্যাত সন্ধ্যা জাতীয় শব্দ ব্যৱহাৰ নকৰাকৈয়ে ৰচকে ধৰ্মীয় বা দাৰ্শনিক তত্ত্ব দাঙি ধৰিছে; যেনে—লুইপাদ ৰচিত ১নং চৰ্য্যাটিত সন্ধ্যাভাষা, সন্ধ্যা-সংকেত, সন্ধ্যা-বচন বা সন্ধ্যা শব্দ প্ৰয়োগ কৰা হোৱা নাই, আনকি তাত পাৰিভাষিক শব্দৰ ব্যৱহাৰো নিচেই সামান্য; টীকা-লেখকে প্ৰাকৃত ভাষাতহে গীতটি ৰচনা কৰা বুলি কৈছে। এই 'প্ৰাকৃত ভাষা' সংস্কৃতৰ পৰবৰ্তী ৰূপ আৰু জনসাধাৰণৰ কথিত ভাষা; ই খৃষ্টীয় ৬ষ্ঠ শতিকাৰ পৰা ১২শ শতিকাৰ ভিতৰত সংস্কৃত আৰু কামৰূপী প্ৰাকৃত-অপভ্ৰংশৰ ভেটিত গঢ় লৈ উঠিছিল; ইয়াৰ লগত সেই সময়ৰ কামৰূপ ৰাজ্যৰ ওচৰ-চুবুৰীয়া ভাষাৰ ৰূপতাত্ত্বিক উপাদান দুই-এপদ লগ লাগিছিল; ফলত ভাষাটোৱে এটা উমৈহতীয়া ৰূপ পৰিগ্ৰহ কৰিছিল; তাতে আকৌ সহজযান পন্থাৰ সিদ্ধাচাৰ্য্য সকলে তেওঁলোকৰ গুহ্য ধৰ্মৰ গূঢ় তত্ত্ব প্ৰকাশৰ উদ্দেশ্যে কিছুমান সাংকেতিক আৰু পাৰিভাষিক শব্দ প্ৰয়োগ কৰিছিল। এই মিশ্ৰিত আৰু ভাৱদ্যোতক ভাষাত তেওঁলোকে গীত-পদ আৰু তাত্ত্বিক গ্ৰন্থ ৰচনা কৰিছিল।" এইয়া গুপ্ত সাধন-তত্ত্বৰ ৰহস্যময়তা, সহজযান ধৰ্মৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু পাৰিভাষিক শব্দ-ব্যঞ্জনাৰ সমন্বয়ৰ ফলশ্ৰুতি। এইদৰে গুহ্যতত্ত্ব-বাহক ভাষাটিয়ে দুটা তৰপ ধাৰণ কৰিছিল এটা গুহ্যতত্ত্ব প্ৰকাশক আভ্যন্তৰীণ তৰপ আৰু আনটো শব্দৰ মায়াজাল সৃষ্টি কৰা বাহ্যিক তৰপ। সৰ্বসাধাৰণৰ দৃষ্টিত দুয়োটা তৰপেই অস্পষ্ট; সেইয়া যেনিবা দিনৰ অন্তিম অৱস্থা আৰু ৰাতিৰ আগমনী অৱস্থাৰ দোমজীয়া সময় যাক কোৱা হয় সন্ধ্যা-সময় বুলি। যিহেতু টীকা-লেখক মুনিদত্তই সাংকেতিক শব্দ- 'সন্ধ্যা ভাষা' উল্লেখ কৰিছেই, গতিকে পৰবৰ্তীকালৰ চৰ্য্যাগীতৰ সম্পাদক হৰপ্ৰসাদ শাস্ত্ৰীৰ মনত সাংকেতিক শব্দটিয়ে একপ্ৰকাৰ পূৰ্ণ পৰ্য্যায়ৰ ভাষাৰ ধাৰণা এটা জন্মাইছিল। তদুপৰি সংস্কৃতজ্ঞ

পণ্ডিত শাস্ত্ৰী মহাশয়ে ঋকবেদ, অথৰ্ববেদ আৰু ব্ৰাহ্মণবিলাকত এটা প্ৰহেলিকাময় ভাষাৰ ব্যৱহাৰ আছিল বুলি জানিছিল ; ইপিনে তান্ত্ৰিক শাস্ত্ৰবোৰতো এক প্ৰকাৰ ৰহস্যময় ভাষা এটাৰ প্ৰয়োগ হৈছিলেই।* গতিকে পৰম্পৰাগত ৰহস্যঘন ভাষাৰ প্ৰচলন অনুধাৱন কৰি শাস্ত্ৰী মহাশয়ে সম্ভৱ এটা স্বয়ং সম্পূৰ্ণ সন্ধ্যা ভাষাৰ স্থিতি মানি লয় ; ই যেনিবা বৌদ্ধতান্ত্ৰিক দৰ্শনৰ বিশেষ অৰ্থবোধক ৰহস্যঘন ভাষা যাৰ নাম বৰ্ত্তমান 'সন্ধ্যা ভাষা' বুলি পৰিচিত। সেইবুলি ই অসমীয়া, উৰিয়া, বঙালী আৰু ভোজপুৰী ভাষাৰ দৰে স্বয়ং সম্পূৰ্ণ ভাষা নহয়। মন কৰিবলগীয়া কথা যে চৰ্য্যাপদত ব্যৱহৃত দ্ব্যৰ্থক সন্ধ্যা ভাষা আৰু মন্ত্ৰ-পুথিত ব্যৱহৃত ঐন্দ্ৰজালিক ভাষা একে নহয়, অথচ দুয়োটা বিষয়ৰ ভাষাতে গুপ্ত-ৰহস্যময়তা তথা দুৰ্বোধ্যতা নিহিত আছে। মন্ত্ৰৰ ভাষাত শব্দৰ দ্ব্যৰ্থকতা বুজা নাযায় ; কিন্তু সন্ধ্যা ভাষাৰ দ্ব্যৰ্থকতা দীক্ষিত সহজীয়া সাধকে বুজি পায়। যেনে—১১নং চৰ্য্যাৰ শেষৰ শাৰী দুটা :

মাৰিঅ সাসু নণন্দ ঘৰে সালী।
মাঅ মাৰিআ কাহ্ন ভইঅ কবালী॥

ইয়াৰ আক্ষৰিক অনুবাদ আৰু উপৰুৱা অৰ্থ হ'ল—'ঘৰত থকা শাহু, ননন্দ আৰু খুলশালীক মাৰি, লগতে মাককো মাৰি কাহ্ন কাপালিক হ'ল।' কিন্তু যোগ-সাধনাৰ পিনৰ পৰা ইয়াৰ দাৰ্শনিক অৰ্থ হ'ল—'সাসু' মানে 'শ্বাস', 'নণন্দ' মানে বিষয়ানন্দ-দানকাৰী ইন্দ্ৰিয় আদি, 'সালী' মানে নিশেষ, 'মাঅ' মানে মায়া, 'মাৰিঅ' শব্দৰ অৰ্থ নিঃস্বভাৱীকৃত কৰি আৰু 'কবালী' মানে কাপালিক যোগী। অৰ্থাৎ ধ্যানৰত কাহ্নুপাদে শ্বাস-প্ৰশ্বাস ৰোধ কৰি ইন্দ্ৰিয়বোৰক দমন কৰিছে বা স্বভাৱশূন্য কৰিছে। অবিদ্যাৰূপ মায়াক নাশ কৰি তেওঁ এতিয়া মহাসিদ্ধ কাপালিক হৈছে।

'চৰ্য্যাশ্চৰ্য্য-বিনিশ্চয়' বা 'চৰ্য্যাগীতি-কোষ' পুথিৰ আৱিষ্কাৰক হৰপ্ৰসাদ শাস্ত্ৰীয়ে সম্পাদন-প্ৰসঙ্গত আচাৰ্য্য মুনিদত্তক অনুসৰণ কৰি

৩। বৌদ্ধধৰ্ম ও চৰ্য্যাগীতি, পৃঃ ১৩৩

সন্ধ্যা-ভাষাৰ তাৎপৰ্য্য দাঙি ধৰিছে এইদৰে—'সহজিয়া ধৰ্মের সকল বইই সন্ধ্যাভাষায় লেখা। সন্ধ্যাভাষার মানে আলো-আঁধারি ভাষা, কতক আলো, কতক অন্ধকার; খানিক বুঝা যায়, খানিক বুঝা যায় না; অর্থাৎ এই সকল উচুঁ অঙ্গের ধর্ম-কথার ভিতরে একটা অন্য ভাবের কথাও আছে। সেটা খুলিয়া ব্যাখ্যা করিবার নয়। যাহারা সাধন-ভজন করেন তাঁহারাই সে কথা বুঝিবেন, আমাদের বুঝিয়া কাজ নাই।'

সন্ধ্যা-ভাষাৰ তাৎপৰ্য্য হ'ল—ইয়াৰ অন্তৰালত এটা অভীষ্ট অৰ্থ থাকে; আনহাতে উপকৰা অৰ্থ এটাও বিদ্যমান; সেয়ে ই দ্ব্যৰ্থক; অৰ্থাৎ সন্ধ্যা-ভাষা হ'ল দুটা অৰ্থযুক্ত ভাষা। পশ্চিমীয়া পণ্ডিত সকলে সন্ধ্যা-ভাষাক প্ৰহেলিকাময় ভাষা বুলি গ্ৰহণ কৰিছে। ভিন্ন ধৰ্মাৱলম্বী লোকে যাতে সহজযান ধৰ্মৰ গূঢ় তত্ত্ব বুজিব নোৱাৰে তাৰ বাবে চৰ্য্যা-ৰচক সকলে বাহ্যিক আৰু আভ্যন্তৰীণ অৰ্থ-ব্যঞ্জক ভাষা এটা ব্যৱহাৰ কৰিছিল। ভাষাটোৰ অভিপ্ৰেত অৰ্থ সহজীয়া সিদ্ধাচাৰ্য্য সকলেহে বুজি পাইছিল; আনে বুজি নাপাইছিল। কাৰণ সহজযান পন্থাত গুৰুৰ ওচৰত দীক্ষা নললে এই ভাষাটোৰ অৰ্থ-সংকেত আনক জানিবলৈ দিয়াটো নিষেধ আছিল। মুনিদত্তই চৰ্য্যাপদবোৰৰ সংস্কৃত ভাষাত টীকা-ব্যাখ্যা কৰি থৈ নোযোৱা হেঁতেন আজিও তাৰ ৰহস্যময় অৰ্থ ভেদ কৰা টান হ'ল হেঁতেন। মুনিদত্ত সেই পন্থাৰ দীক্ষিত লোক আছিল; গতিকে তেওঁ গুপ্ত সন্ধ্যা-ভাষা বুজি পাইছিল; সেয়েহে তেওঁ ইয়াৰ টীকা লিখিবলৈ সক্ষম হৈছিল। বৌদ্ধতান্ত্ৰিক যোগীসকলে সাধন-পদ্ধতিৰ গোপনীয়তা বজাই ৰখাৰ উদ্দেশ্যে কিছুমান সাংকেতিক শব্দ তথা বাক্য সৃষ্টি কৰিছিল আৰু তাৰে সহায়ত পৰস্পৰে সাধন-তত্ত্বৰ বিষয়ে আলোচনা কৰিছিল।

সন্ধ্যাভাষাটো সহজযানী সিদ্ধাচাৰ্য্যসকলৰ ভাষা। সহজীয়া পন্থী যোগী-যোগিনীসকলৰবাবে ই এটা সাংকেতিক ভাষা। সংকেতবোৰক কায়িক আৰু বাচনিক হিচাপে দুই ধৰণে দেখুৱাব পাৰি।[৪] কায়িক

৪। চৰ্য্যাগীতি, পৃঃ ৩৮

সংকেতৰ দ্বাৰা যোগী-যোগিনীয়ে আকাৰে-ইঙ্গিতে মনৰ ভাৱ আদান-প্ৰদান কৰে ; আনহাতে বাচনিক সংকেত হ'ল—শব্দৰ দ্ব্যৰ্থকতা বা অৰ্থৰ ৰহস্যময় বোধগম্যতা যাক বজ্ৰকুল গোষ্ঠীয়ে হৃদয়ঙ্গম কৰিব পাৰে। 'হেবজ্ৰ তন্ত্ৰ' গ্ৰন্থত কায়িক আৰু বাচনিক সংকেত সম্বন্ধে বিস্তৃত আলোচনা দিয়া আছে।

বৌদ্ধতান্ত্ৰিক গ্ৰন্থত সাধকসকলে ব্যৱহাৰ কৰা ভালেমান সন্ধ্যাশব্দ পোৱা যায় ; সিবিলাকৰ আভিধানিক অৰ্থ আৰু আভিপ্ৰায়িক অৰ্থ বেলেগ বেলেগ। যেনে—'বোধিচিত্ত' শব্দটি। ইয়াৰ সাধাৰণ অভিধানিক অৰ্থ হ'ল—বোধি-প্ৰয়াসী চিত্ত, অৰ্থাৎ যি চিত্তই নিৰ্বিকাৰ জ্ঞান লাভ কৰিব বিচাৰে। আনহাতে সন্ধ্যা শব্দ হিচাপে ললে 'বোধিচিত্ত'ৰ অৰ্থ হ'ব—শুক্ৰ, কৰ্পূৰ। সন্ধ্যা অৰ্থত ব্যৱহৃত অন্যান্য শব্দৰ উদাহৰণ—উষ্ণীষ-কমল ; ৰবি/সূৰ্য্য = পিঙ্গলা/ৰসনা ; শশী/চন্দ্ৰ = ললনা/ইড়া ; বজ্ৰ = লিঙ্গ ; কৰিন = চিত্ত ; তুলি = মহাসুখকমল ; হৰিণা = চিত্ত ; হৰিণী = জ্ঞানমুদ্ৰা ; ডোম্বী = পৰিশুদ্ধ অৱধূতিকা, ইত্যাদি। এই শব্দবোৰৰ প্ৰয়োগৰ প্ৰাসঙ্গিকতা আৰু বক্তব্য বিষয় অনুসৰণ কৰি সাধকসকলে তাৰ যথোচিত মৰ্মাৰ্থ বুজি লবলগা হৈছিল। শব্দ-জ্ঞান আৰু অৰ্থবোধ আয়ত্ত কৰোঁতে যোগী-যোগিনী-সকলৰ নিশ্চয় ভালেমান সময় লাগিছিল ; এই সময়খিনিও তেওঁলোকৰ প্ৰাথমিক সাধনাৰ শৈক্ষিক কাল বুলি গণ্য হৈছিল।

চৰ্য্যাপদৰ সন্ধ্যা ভাষাত তিনি শ্ৰেণীৰ শব্দ পোৱা যায় ; যেনে—সন্ধ্যাশব্দ, পাৰিভাষিক শব্দ আৰু সাধাৰণ শব্দ। তদুপৰি ধ্ৰুৱপদ, ব্যাজ, উৎপ্ৰেক্ষা, উপমা আৰু ৰূপক অলঙ্কাৰ আছেই। এই বিলাকৰ প্ৰায়োগিক গুৰুত্বও মনকৰিব লগীয়া। মুনিদত্তই চৰ্য্যাগীতত ব্যৱহৃত সন্ধ্যাশব্দবোৰ আৰু সিবিলাকৰ অৰ্থ নিৰ্দেশ কৰিছে এই ধৰণে—তুলি = মহাসুখ-কমল ; বাৰুণী = সংবৃত্তি বোধিচিত্ত ; হৰিণা = চিত্ত ; হৰিণী = জ্ঞানমুদ্ৰা ; ডোম্বী = পৰিশুদ্ধ অৱধূতিকা ; বড়িআ/বড়িক = ষট্‌ত্ৰিংশত্তত্ত্বপ্ৰকৃতি ; গঙ্গা-জউনা = চন্দ্ৰাভাসসূৰ্য্যাভাসৌ ; নাই/নাঈ =

অৱধূতিকা ; পুলিন্দা/পুলিন্দ — নপুংসক ; যুবক — চিত্ত-পৱন ; বন্ধ — বিটনাড়িকা।

দুই ধৰণৰ অৰ্থ থকা এই সন্ধ্যাশব্দবোৰৰ দৰে আৰু কিছুমান শব্দ চৰ্য্যাপদসমূহত আছে ; যেনে - শুণ্ডিনী = অৱধূতিকা ; নলিনী বন = মহাসুখ-কমল ; মতিএঁ = প্ৰজ্ঞাপাৰমিতানুবন্ধ্যা , মাতঙ্গী = সহজযান-প্ৰমত্তাঙ্গী ডোম্বী নৈৰাত্মা ইত্যাদি। এইবোৰ শব্দক টীকাকাৰে সন্ধ্যাশব্দ বুলি কি কাৰণে কোৱা নাই তাক বুজা নাযায়।[৫]

সন্ধ্যাশব্দৰ উপৰিও চৰ্যাগীতত পাৰিভাষিক শব্দ প্ৰচুৰ আছে ; যেনে—মহাসুহ, ধমণ চমণ, সহজ, মণিকুল, ওড়িআণ, চান্দ সুজ, দাহিণ, বাম, আলিএঁ-কালিএঁ, জিনউৰ, কৰুণা, ৰুৰিণা, ৰুৰিণি, দশবল, অনহা, পঞ্চ তথাগত, কেডুআল, গঅণ, মহাৰস, হেৰুঅ সুন, নিৰামণি, নাদ, বিন্দু, ঘৰিণী, বাৰুল, সসহৰ, ইত্যাদি। ক্ষেত্ৰবিশেষে কিছুমান পাৰিভাষিক শব্দও সন্ধ্যাশব্দৰ গুৰুত্ব বহন কৰা বিচিত্ৰ নহয়। সন্ধ্যাশব্দ আৰু পাৰিভাষিক শব্দত বাহিৰে বাকীবিলাক সাধাৰণ শব্দ।

[খ] চৰ্য্যাপদ আৰু অসমীয়া ভাষা

চৰ্য্যাপদবোৰত অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰৰ প্ৰাচ্য ভাৰতৰ ভাষা, সাহিত্য আৰু ধৰ্মীয় সংস্কৃতিৰ নিদৰ্শন ফুটি উঠিছে। অধিকাংশ চৰ্য্যাপদৰ ভাষা, ধ্বনি-তাত্ত্বিক বৈশিষ্ট্য, শব্দ-সম্ভাৰ, সেইবোৰৰ বানান-পদ্ধতি, পদ-চয়নৰ ৰীতি, ৰূপক-উপমাৰ প্ৰয়োগ ফকৰা-যোজনা, নীতি-বচনৰ ব্যৱহাৰ, গ্ৰাম্য চিত্ৰৰ অঙ্কণ আৰু বিভিন্ন ৰাগৰ সংযোজন আদিয়ে প্ৰাচীন অসমীয়া ভাষা-সাহিত্য আৰু সমাজ-সংস্কৃতিৰ লগত চৰ্য্যাপদৰ তেজ-মঙহৰ সম্পৰ্ক প্ৰতিপন্ন কৰে। মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন, ড' সুনীতি কুমাৰ চটোপাধ্যায়

৫। চৰ্য্যাগীতি, পৃঃ ৪২

আৰু ড° সুকুমাৰ সেনে এনে ঘনিষ্ঠতা স্বীকাৰ কৰি লৈছে।[৬] ড° বাণীকান্ত কাকতিয়ে চৰ্য্যাপদৰ ভাষাৰ লগত প্ৰাচীন আৰু আধুনিক অসমীয়া ভাষাৰ ধ্বনিতত্ব, ৰূপতত্ব আৰু শব্দ-সম্ভাৰৰ বৈশিষ্ট্যৰ গাঢ় সম্বন্ধ প্ৰতিপন্ন কৰিছে: 'Certain phonological and morphological peculiarities registered in the **Bauddha Dohas** have come down in an unbroken continuity through early to modern Assamese. * * * Modern Assamese in certain respects shows a closer approximation to the forms and idioms preserved in the **Dohas.**'[৭]

চৰ্য্যাগীত সমূহৰ ৰচনা-কাল খৃঃ ৮ম-১২শ শতিকা। খৃষ্টীয় ১০ম-১২শ শতিকাৰ ভিতৰত অসমীয়া, বঙলা, উৰিয়া, মৈথিলী আদি আধুনিক ভাৰতীয় ভাষাবিলাকৰো অভ্যুত্থান ঘটে। গতিকে চৰ্য্যাগীতৰ ভাষাত প্ৰাচ্য ভাৰতীয় আধুনিক ভাষাবোৰৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য ফুটি উঠাটো স্বাভাৱিক কথা।

চৰ্য্যাপদবোৰ পৰ্য্যালোচনা কৰি পোৱা মতে অসমীয়া চৰ্য্যাৰচকৰ সংখ্যা সৰহ আৰু চৰ্য্যাপদো অধিক, প্ৰায় ৩৫ টা; যেনে— কাহ্নুপাদৰ ১৩, ভুসুকুপাদৰ ৮, সৰহপাদৰ ৪, লুইপাদৰ ২, শবৰপাদৰ ২, শান্তিপাদৰ ২, ডোম্বীপাদৰ ১, ঢেণ্ঢণপাদৰ ১, মহীধৰ পাদৰ ১, ডাৰিকপাদৰ ১। গতিকে অইন ভাষাতকৈ অসমীয়া ভাষাইহে চৰ্য্যাপদৰ লৈতে সগোত্ৰীয় আত্মীয়তা বেছি দাবী কৰিব পাৰে।

৬। মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন, দোহাকোশ, ১৯৫৭, পৃঃ ৮-১০; Dr. S. K. Chatterji, The place of Assam in the History and Civilisation of India. ed. 2, p. 36; ড° সুকুমাৰ সেন, চৰ্য্যাগীতি পদাবলী, পৃঃ ৪৭

৭। Dr. B. Kakati, Assamese: Its Formation and Development, 1962, p. 11; ড° বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৭০, পৃঃ ১০।

চৰ্য্যাপদৰ ভাষা কামৰূপী অপভ্ৰংশৰ ভেটিত গঢ়ি উঠা ধৰ্মীয় প্ৰলেপসনা এটি সাহিত্যিক ভাষা। চৰ্য্যাপদৰ ধৰ্ম-তত্ত্ব যিদৰে ৰহস্যময়, সেইদৰে তাৰ ভাষাটিও ৰহস্যপূৰ্ণ। তথাপি, ধ্বনি-তত্ত্ব, ৰূপ-তত্ত্ব আৰু শব্দ-সম্ভাৰৰ দিশৰ পৰা ইয়াৰ ভাষা সম্পৰ্কে চমুকৈ আলোচনা কৰিব পাৰি।

ধ্বনি-তত্ত্ব

স্বৰ-ধ্বনি ঃ চৰ্য্যাপদৰ ঋ, ৠ, ঌ, ৡ সংস্কৃত স্বৰবৰ্ণ কেইটাত বাহিৰে মূলৰ আটাইবোৰ স্বৰবৰ্ণৰ প্ৰয়োগ আছে। এই প্ৰয়োগ থকা স্বৰবৰ্ণকেইটাৰ প্ৰকৃত উচ্চাৰণ সকলো ক্ষেত্ৰতে চৰ্য্যাত ৰক্ষিত হোৱা নাই। সংস্কৃত ঋ-ধ্বনিটো চৰ্য্যাত অ, আ, ই, উ আৰু এ ধ্বনিত পৰিণত হৈছে। যেনে—গৃহ > ঘৰ (২, ৩৩), কৃষ্ণ কাহ্ন (৭, ৯, ১২), হৃদয়>হিয়হি (২, ৬, ৭), তাদৃশেন > তউসে (২৬), হৃদয়ক > হেঞে (৫০)। কেতিয়াবা অ-ৰ সলনি আ, উ, ও প্ৰয়োগ হৈছে। সেইদৰে, আ > অ, উ, ও ; ই > এ ; উ>আ ; ও > অ, উ, ঐ বহিছে। হ্ৰস্ব আৰু দীৰ্ঘ বৰ্ণ অবিচাৰিতভাৱে ব্যৱহাৰ হৈছে। যেনে— উজু উজূ : চুম্বি—চূম্বি, চূম্বী, লুই—লূই, লুঈ, লুয়া, লূৱী, সুজ সূজ ; কাপালী কাপালি, কপালী ; পঞ্চ—পঞ্চ, ইত্যাদি। পুৰণি অসমীয়া সাঁচিপতীয়া পুঁথিত এনে দৃষ্টান্ত প্ৰচুৰ আছে; আধুনিক অসমীয়াতো এনে দৃষ্টান্ত কম নহয়। বৰ্ত্তমান ভাষা-বিজ্ঞানৰ দৃষ্টিত বা বৈয়াকৰণিক সূত্ৰত এনেকুৱা ধ্বনি-বানন ভুল যেন লাগিলেও অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ-কালত সি এটা লিখন-ৰীতিৰ দৰে চলিছিল। ইয়াৰ দ্বাৰা উচ্চাৰণ আৰু অৰ্থবোধত ব্যাঘাত জন্মা নাছিল।

চৰ্য্যাপদ-কালীন যুগ অপভ্ৰংশৰ যুগ ; সেই যুগত হ্ৰস্ব-দীৰ্ঘ আৰু লঘু-গুৰুৰ উচ্চাৰণ শিথিল হৈ পৰিছিল। চৰ্য্যাগীতৰ বানন-বৈশিষ্ট্যই এই কথা প্ৰমাণ কৰে।

অন্তঃস্থ ৱ আৰু য় অৰ্দ্ধস্বৰ দুটাৰ ব্যৱহাৰ চৰ্য্যাপদত স্পষ্ট দেখা যায়। বঙলা ভাষাত ৱ-অৰ্দ্ধস্বৰটো নাই ; কিন্তু অসমীয়াত ই এটা অপৰিহাৰ্য্য অৰ্দ্ধস্বৰ। চৰ্য্যাপদতো ইয়াৰ প্ৰয়োগ অপৰিহাৰ্য্য হিচাপে

দেখা দিছে, যেনে—গৰড়া (২, ৩, ১৮, ৪০), বিৰুৱা (৩), অৰুৱালী (৪), ভণ/ভণই (৭ ২০, ২২, ৪২, ৪৩, ৪৫, ৫০), নাৱী/ঠাৱী/উৱেসেঁ (৮), নাৱেঁ (১০), নাৱড়্ছি/পতৱাল (৩৮), কুণ্ডুৱাঁ (৩৯), ইত্যাদি। এই অৰ্দ্ধস্বৰটোৱে অ, আ, ঈ, আৰু এ স্বৰৰ কাম কৰিছে। আনহাতে ৱ ধ্বনিটোৱে অৰ্দ্ধব্যঞ্জনৰো কাম কৰা দেখা যায়, যেনে—দিৱসই (২), আসৱ/ভাৱাভাৱ/সহাৱে (৯), ৱৱএ (১১), অৱস (১২), ভৈৱৱী (১৬ ১৯), দেৱী (১৭), বিৱাহে (১৯), জোৱণ (২০), অৱধূই (২৭), সৱৰী/সৱৰো ২৮), ইত্যাদি।[৮] আনটো অৰ্দ্ধস্বৰ-য় কিছুমান শব্দত স্বকীয়তা বজাই ৰাখি ব্যৱহৃত হৈছে, যেনে—অমিয়/অমিয়া ৩৯), নজায় (৪) জায়া (৩৯), নয়বল (১২), নায়ক (১৬), ভয় (৩১), ইত্যাদি। কোনো কোনো ক্ষেত্ৰত য়-অৰ্দ্ধস্বৰটো অ, আ, ই-লৈ ৰূপান্তৰিত হৈছে, যেনে—অমিঅ (২১), অমিআ (৩৯), কৰই/খেলই (৪১), পিবই (৬), হুই (৪৭), ইত্যাদি।

ব্যঞ্জন ধ্বনি : চৰ্য্যাপদৰ ব্যঞ্জন বৰ্ণমালাত ক্ষ-ত বাহিৰে আটাইবোৰ ব্যঞ্জনবৰ্ণ আছে। শ, ষ, স-ৰ ব্যৱহাৰ অব্যাহত আছে; কিন্তু সেইবোৰৰ প্ৰকৃত ধ্বনি ৰক্ষিত হোৱা নাই। বেছিভাগতে শ, স-ৰ ঠাইত ষ-হে বহিছে। যেনে ষষহৰ (২৭, শশধৰ), ষিআলা (৩৩, শিয়ালা), পড়িবেষী/পড়বেষী (৩৩, প্ৰতিবেশী), ষম (৩৩, সম), ষহজে (২৭, সহজে, ষামাঅ (৩৩, সোমায়), ষে (৫০, সে, সি) ইত্যাদি। কেতিয়াবা কেতিয়াবা শ-ৰ সলনি স বহিছে; যেনে—সংকা (২২ ২৭, শঙ্কা), সগুণ (৫০, শগুণ), সৱৰী (২৮, শৱৰী), সৱ-সন্ধানে (২৮, শৰ-সন্ধানে), সসি (১৭, ৩২, শশী), সান্তি (৫, ২৬, শান্তিপাদ), সাসু (৪, ১১, ১৪, ৩৬, শাস্ত্ৰ), সিকল (১৬, শিকলি), সুণ (৩১, ৩৬, ৩৯, ৪০, শূন্য) ইত্যাদি। কৰবাত আকৌ শ-ৰ ঠাইত হ বহিছে;

৮। চৰ্য্যাপদত ৱ-ধ্বনিৰ স্থিতি ড° নীলৰতন সেনে স্বীকাৰ কৰিছে। তেওঁৰ আগতে কোনো বঙালী পণ্ডিতে চৰ্য্যাপদত ৱ-অৰ্দ্ধস্বৰটো আছে বুলি কোৱা আমাৰ দৃষ্টিত পৰা নাই। এই বৰ্ণ-ধ্বনিটোৰ স্থিতিয়ে চৰ্য্যাপদৰ ক্ষেত্ৰত অসমীয়াৰ দাবী অধিক যুক্তিপূৰ্ণ আৰু সবল কৰি তুলিছে। [চৰ্য্যাগীতিকোষ, ভূমিকা, পৃষ্ঠা-খ]

যেনে—দহদিহ/দহদিহে (৩৫, ৫০, দশদিশ/দশদিশে)। দুই-এটি শব্দত আকৌ ষ-ৰ সলনি শ, স-ও বহিছে ; যথা—দেশ (১১ বেষ), দোসৈ (৩৯, দোষে)। পুৰণি অসমীয়া সাহিত্যত বিশেষকৈ সাঁচিপাতৰ পুথিত এনে বৈশিষ্ট্য যথেষ্ট আছে।

চৰ্য্যাপদত কেতিয়াবা কেতিয়াবা ব্যঞ্জন বৰ্ণৰ সলনি স্বৰবৰ্ণৰ প্ৰয়োগ হোৱা দেখা যায়। এইয়া কামৰূপী অপভ্ৰংশৰ লক্ষণ। প্ৰধানকৈ পদৰ মধ্যস্থানত থকা বৰ্গৰ প্ৰথম আৰু তৃতীয় বৰ্ণ অৰ্থাৎ ক, গ, চ, জ, ত, দ, প, ব বৰ্ণ প্ৰায়েই লোপ পায়। যেনে—সঅল (সকল), গঅণ (গগন), জোইনী (যোগিনী), বিআৰ (বিচাৰ), গোঅৰ (গোচৰ), ৰঅণি (ৰজনী), নিঅদেহ (নিজদেহ), সুআ (শুক্তা), ধাবই (ধাবতি), নাচঅ (নৃত্যতি), উআস (উদাস), উএস (উপদেশ), জিণউৰ (জিণপুৰ), ভুঅণ (ভুবন), পইঠা (প্ৰবিষ্ট, প্ৰবেশ), ইত্যাদি। মাজে মাজে ৰ-বৰ্ণৰো বিলোপ ঘটিছে ; যেনে—সুজ/ সুজ্জ (সূৰ্য্য), কএল (কৰিলে), তিণ (তৃণ) ইত্যাদি। চৰ্য্যা বিশেষে ট>ড় আৰু ঠ>ঢ হৈছে ; যেনে—পড়হ (<পটহ), গঢ়ই (<গঠতি)।

চৰ্য্যাগীতত অনুনাসিক ধ্বনিৰ প্ৰয়োগ অপভ্ৰংশৰ দৰে। ঘাইকৈ শব্দৰ অন্ত্যাক্ষৰত নাসিক্য ধ্বনি অনুৰণিত হয় ; যেনে—উচাঁ উচাঁ, আলিএঁ, কালিএঁ, দশদিসেঁ, অকিলেসেঁ, ইত্যাদি।

স্বৰ-ভক্তি, স্বৰ-সঙ্গতি, বৰ্ণ-বিপৰ্য্যয়, স্বৰ-সমীভৱন, স্বৰধ্বনি-লোপ, স্বৰাগম আদিৰ প্ৰয়োগ আধুনিক অসমীয়াত যিদৰে আছে চৰ্য্যাপদতো সেইদৰে আছিল। উদাহৰণ—**স্বৰভক্তি :** কোনো যুগ্ম ব্যঞ্জন ধ্বনিৰ মাজত এটা স্বৰধ্বনি সুমুৱাই দি যুগ্ম ব্যঞ্জন ধ্বনি দুটাক বিভক্ত কৰাৰ নিয়মক স্বৰভক্তি বোলা হয়। সাধাৰণতে অৰ্দ্ধতৎসম শব্দ বিলাক স্বৰভক্তিৰ হেতুকে উৎপন্ন হোৱা শব্দ। যেনে—গৰাহক (৩, গ্ৰাহক), পৰাণ (১০, প্ৰাণ), অদঅভুঅ (৩৯, অদ্ভুত), অদঅ (৪৯, অদ্বয়), বাকলঅ (৩, বল্কল), পদমা (১৫, পদ্মা), ইত্যাদি। **স্বৰ সঙ্গতি**—উআস (<উদাস), কইসন (<কীদৃশন্),

অইস (>ঈদৃশ)। **বৰ্ণ-বিপৰ্য্যয়**—ঘৰ (<গৃহ), ঘৰিণী (<গৃহিণী, মোলাণ (<মৃণাল), বড্‌হিল (<বৰ্দ্ধিত)। **স্বৰ-সমীভৱন**—মান্থ অসমীয়াত সমীভৱনৰ নিয়মানুসাৰে পাছৰ অক্ষৰত আ থাকিলে আগৰ আ-ধ্বনি অ-ত পৰিণত হয়: চৰ্য্যাপদত এই ৰীতি বিদ্যমান; যেনে চাকা>চকা (১৪), কাপালী কপালী (১০), বাপা>ৰপা (৩২), ইত্যাদি। অৱশ্যে কামৰূপী উপভাষাত চাকা, কাপালিক, বাপা বুলি ব্যৱহৃত হয়। **প্ৰগত সমীভৱন**—অগ্নি>অগগি>আগ/আগি (৩২, ৪৭)। **স্বৰাগম**—ভঙ্গ>ভাংগ>ভাগ>অভাগে (৩৫), **আদিস্বৰলোপ**—অলাবু>লাউ (১৭), উলঙ্গ>লাঙ্গ / লাঙ্গা (১০, ৩৬)। **বিষমীভৱন**—নূপুৰ>নেউৰ (১১)।

উষ্ম ধ্বনিবোৰৰ দৰে দন্ত্য ন আৰু মূৰ্দ্ধণ্য ণ-ৰ পাৰ্থক্য শিথিল দেখা যায়: যেনে—অণহ (১৬, ১৭, ২৫), অনহা (১১, ২৫), অণ (৪৪, ৪৬) অন (৩৮), ণইৰামণি (২৮), নৈৰামণি (৫০), জিণউৰ (৭), জিনউৰ (১৭), ণৱ (৬), নৱ (২০) ইত্যাদি। এনে লক্ষণ কামৰূপী প্ৰাকৃতত প্ৰচুৰ আছে।

মহাপ্ৰাণ দন্ত্য ধ-বৰ্ণ কেতিয়াবা কেতিয়াবা মহাপ্ৰাণ তালব্য ঝ-বৰ্ণত পৰিণত হৈছে; যেনে—মধ্যে>মঝ্‌ঝে>মাঝেঁ/মঝেঁ (২, ৪, ৫, ১৪, ১৮, ৩০, ৪২, ৪৭), বাধ্যতে>বাঝ্‌ঝই>বাঝই (৪৬), ধ্যানে>ঝাণে (১), বুধ্যত>বুঝএ (২০), ইত্যাদি।

মহাপ্ৰাণ কণ্ঠ্য যুগ্ম ক্ষ-বৰ্ণটো ক্+খ যুগ্মবৰ্ণ হিচাপে চৰ্য্যাগীতত প্ৰয়োগ হৈছে। এইয়া কামৰূপী প্ৰাকৃতৰ লক্ষণ। অসমৰ তামৰ ফলিবোৰত ইয়াৰ নিদৰ্শন পোৱা যায়; যেনে—মাক্‌খিযান (<মাক্ষিযান)। চৰ্য্যাপদত তাৰ নিদৰ্শন—অলক্‌খলক্‌খন (১৫), তুলক্‌খ (৩৪)। ক্ষ-বৰ্ণটো শব্দৰ আদিতে থাকিলে সি খ-লৈ ৰূপান্তৰিত হয়, যেনে—খিমথ (<ক্ষিতিমথ, বলপালৰ তামৰ ফলি)। চৰ্য্যাপদত এনে ৰীতি বিদ্যমান; যেনে—খণহ (<ক্ষণস্থ৬, ১৯), খমণ (<ক্ষপণক,২০), খুৰ (<ক্ষুৰ ৬) খেপহুঁ (<ক্ষেপ ৪ *<ক্ষেপভ্যম) ইত্যাদি। কেতিয়াবা শব্দৰ শেষত ক্ষ-বৰ্ণ থাকিলেও খ হয়; যেনে—উএখী

(<উপেক্ষি), বিপখ (<বিপক্ষ ১৬)। কিছুমান ক্ষেত্ৰত ক-বৰ্ণটো ছ-বৰ্ণ ৰূপেও বহিছে, যেনে—ছুধ (কুক্ক, ৯), ছাৰ (<ক্ষাৰ, ১১), ছুপই (কুভ্যতি ৬)।

যুগ্ম ব্যঞ্জন অযুগ্ম ব্যঞ্জনত পৰিণত হোৱাৰ প্ৰবৃত্তি কামৰূপী প্ৰাকৃতৰ সময়ৰ পৰাই পৰিলক্ষিত হয়; যেনে অভ্যন্তৰস্থ > অভ্যন্তস্থ, তত্ত্ব-বোধ > তত্ববোধ, দত্ত্বা > দত্বা, সত্ত্বা > সত্বা ইত্যাদি। চৰ্য্যাপদতো এই ৰীতি লক্ষ্য কৰা যায়; যেনে—ভান্তি (ভ্ৰান্তি ৪১), খেড়া (ক্ৰীড়া, ৪১), দিঢ় (দৃঢ়, ১), পহিল (প্ৰথম, ২০), আদঅ (অদ্বয়, ৫) ইত্যাদি।

ৰূপতত্ত্ব

শব্দ : বিশেষ্য : চৰ্য্যাপদত বিভক্তিযুক্ত আৰু বিভক্তি-শূন্য—দুই শ্ৰেণীৰ শব্দ আছে। কাৰক বুজোৱাৰ উদ্দেশ্যে মূল শব্দৰ শেষত বিভক্তি যোগ কৰা হয়। আধুনিক অসমীয়াতো এই নিয়ম বিদ্যমান। বিভক্তিহীন বিশেষ্য শব্দৰ উদাহৰণ—অমিঅ, খাট, খাল, গোহালী, ঘৰ, ঘৰিণী, ঘিণ, চকা, জোৱণ, ডাল, দুআৰ, নণন্দ, নাল, পাগল, পানী বাট, বাপ, ভাত, মোলাণ, শিআলী, সগুণ, হৰিণা, হাড়ী, ইত্যাদি। বিভক্তি যুক্ত বিশেষ্য শব্দ গঅণত (৭মী বিভক্তি), বাটত, হাড়ীত আজদেৱেঁ (১মা), দঙ্গালে (১মা), চণ্ডালেঁ (১মা), ঠাকুৰক (২য়া), ডোম্বীএৰ (৬ষ্ঠী), হৰিণাৰ (৬ষ্ঠী), কামে (কাম+এ=৩য়া বিভক্তিৰ চিন), কুঠাৰে (কুঠাৰ্+এ=৩য়া), কূললই (৪র্থী), ইত্যাদি। **বিশেষণ :** উজু, উচাঁ, জইসা, তইসা, বিশেষ, বৈৰী, ভয়ঙ্কৰ, ভাল, সুন্দৰী ইত্যাদি। **ক্ৰিয়া-বিশেষণ :** এবেঁ কইসন, কইসে। **সৰ্বনাম:** অমৃহে, তঁই, তুমৃহে, তোএ, তোৰা তোহাৰ, তোহাৰি, মই, মোএ, মেৰি, মোৰ, মোহোৰ ইত্যাদি। এইবোৰৰ ভিতৰত তই, মই, মোৰ শব্দ তিনিটা আধুনিক অসমীয়াত আৰু বাকীবোৰ পুৰণি অসমীয়াত ব্যৱহৃত শব্দ। সৰ্বনামবোৰক পাঁচটা শ্ৰেণীত দেখুৱাব পাৰি; যেনে—ব্যক্তিবোধক, নিৰ্দেশাত্মক, সংযোজক প্ৰশ্নবোধক আৰু বিশেষণাত্মক।[১] এইবোৰৰ উদাহৰণ, ক্ৰমে—তো মুহ চুম্বী কমলৰস পীবমি

১। চৰ্য্যাগীতিকোষ, ভূমিকা।

(৪), এ বন চ্ছাড়ী হোহু ভাস্তো (৬), সো কৰউ ৰস-ৰসানেৰে কচ্ছা (২২), কাহৈৰি ঘিণি মেলি অচ্ছহু কীস (৬), ণিঅ দেহ কৰুণা শূণমে হেৰী (১৩)।

ক্ৰিয়া ঃ চৰ্য্যাপদত ব্যৱহৃত বেছিভাগ ক্ৰিয়া-পদ পুৰণি অসমীয়া সাহিত্যত হুবহু প্ৰয়োগ হোৱা পৰিলক্ষিত হয়; আন কিছুমান অপভ্ৰংশীয় ৰূপৰ ক্ৰিয়া-পদৰ সংখ্যাও কম নহয়। উভয় ৰূপৰ ক্ৰিয়া পদৰ দৃষ্টান্ত কেইটিমান দাঙি ধৰা হ'ল—[পুৰণি অসমীয়াত ব্যৱহৃত]—আইল (৩), উঠি গেল (৪৭), কৰই/কৰেই (৪১, ১৪), কৰহু (৪), কৰিব (৭), কহণ নজাই (২০), কান্দই/কান্দশ (৫০), খাঅ/খাই (২, ১০, ২৮, ৪১), খাইব (৩৯), খেলই/খেলহু (৪১, ১২), গঢ়ই (৫), গাজই (১৮), গেল (২), ঘুমই (৩৬), চড়িলে (৫), চলিল (১৩), তুটই (৪৬), দেখই (৪২), ধৰহু (৩৮) ধাবই (১৬), নাশই (১০), পড়িলা (২৭), পড়িলেঁ (১০), পিবই (৬), পেখ (৩০, ৪৬), পেখু (৪৬), ফুলিলা (৪১, ৫০), বহই ১৪, ২৭), বুঝ (৩২), বুঝই (৩৭), বুঝিলে (৩৯), ভইল/ভইলা (১৪, ৭, ১৫), ভণই (১, ৪, ৭, ২৬), মৰিল (৫০), মৰে (৩৯), মাগই (১), মেল (৩৮), যাই (১০), ৰহই (৩৬), লেহু (১২, ৪৭) সোষই (৪২), হই/হোই (৪৭, ৩, ১৫, ১৭), হোইব (৫), ইত্যাদি ইত্যাদি। অপভ্ৰংশীয় ঠাঁচৰ ক্ৰিয়াৰ ৰূপ—অচ্ছই (৪১), অচ্ছম (২৯), অচ্ছসি (৪১), অচ্ছহু (৬), অছিলেস (৩৭), অচ্ছিলেঁ (৩৫), অহাৰিউ (১৯), আৱই (৪২), উছলিআঁ (১৯), কৰউ (২২), কৰিঅ (১), গাইউ (২, ১৮), চাহঅ (৮), ছিজঅ (৪৬), জানহু (২২), পইঠ/পইঠা/পইঠো (১১, ১৬, ১, ৩), পমাই/পমাএঁ (৪২, ৩৮), ইত্যাদি।

অসমীয়া ধাতুৰ পাছত 'ই', 'অন্তে' আৰু তৃতীয় পুৰুষৰ স্বৰূপ-ভূত কালৰ ইলে ইলা প্ৰত্যয় যোগ দি অসমাপিকা ক্ৰিয়া কৰা হয়। চৰ্য্যাপদত এই নিয়ম বিদ্যমান; যেনে—উঠি, কৰি, পই, চড়ি, দেখি, ধুনি, মেলি, জাগন্তে, জান্তে, জীৱন্তে, পইসন্তে, ভইলে, মইলে; জে জে আইলা তে তে গেলা (৭)। —ইল,—

ইলা,—ইলি প্ৰত্যয়ৰ যোগত অতীত কাল আৰু ইব প্ৰত্যয়ৰ যোগত ভবিষ্যত কাল হোৱাৰ নিয়ম চৰ্য্যাপদত আছিল, আৰু অসমীয়াতো আছে; যেনে নিল অধৰাতী (২), বাটত মিলিল মহাসুহ সুঙ্গা (৮), বিমন ভইলা (৭) মেলিলি কাচ্ছী (৮), লুই ভণই মই ভাইব কিস (২৯), জাইব পুন্নু জিণউৰা (১৪), ইত্যাদি।

ধাতুৰ আগত —ন চিন দি নাস্ত্যৰ্থক ক্ৰিয়া সধা নিয়ম অসমীয়া ভাষাৰ এটা বিশেষ বৈশিষ্ট্য; চৰ্য্যাপদতো এই বৈশিষ্ট্য দেখা যায়; যেনে—নছাড়অ (৬), ণজাই (১৪, ণজাণী (৬), নদীসঅ (৬), ণপইসই (৭), নজীৱমি (৪) নজায় (৪), ণআৱই (৪২), ণপেখই (৪২), ইত্যাদি। উল্লেখযোগ্য কথা যে এনেকুৱা নাস্ত্যথক ক্ৰিয়া-গঠনৰ ৰীতি অসমীয়াত বাহিৰে চৰ্য্যাপদ-সংশ্লিষ্ট বঙলা আদি ভাষাত দেখা নাযায়।

সন্ধি : চৰ্য্যাপদত স্বৰ-সন্ধি, ব্যঞ্জন-সন্ধি আৰু বিসৰ্গ-সন্ধি—এই তিনি প্ৰকাৰৰ সন্ধিৰ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে, **স্বৰ-সন্ধি :** - অজৰ + অমৰ = অজৰামৰ (৩), গঅণ + অঙ্গণ = গঅণাঙ্গণ (১৬) অৰুণ + আগমণ = অৰুণাগমণ (৩৬), ভাৱ + অভাৱ = ভাৱাভাৱ (৪৩) লোঅ + আচাৰ = লোআচাৰ ৩১)। **ব্যঞ্জন-সন্ধি :** সং + ভাৱে = সদ্‌ভাৱে (১০) সং + গুৰু = সদ্‌গুৰু (৮), সং + বেঅণ = সম্বেঅণ (১৫), বাধ + ঝই = বাজ্‌ঝই > বাঝই (৪৬)। **বিসৰ্গ-সন্ধি :**— নিঃ + আসী = নিৰাসী (২০), দুঃ + লকৃখ = দুৰ্লকৃখ (২৯), পৰিঃ + ছিন্না = পৰিচ্ছিন্না (৭), স্বঃ + ছন্দে = স্বচ্ছন্দে (৩৯)।

সমাস : অসমীয়াত ব্যৱহৃত সমাস-ৰীতি চৰ্য্যাপদৰ সময়ৰ পৰা স্পষ্ট হৈ আহিছে। চৰ্য্যাপদত সমাসৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে দেখা যায়; যেনে—আসন্ন-মাতা (৯), উদক-চান্দ (২৯), ইন্দি-বিসআ (৪৯), ইষ্টা-মালা (৪০), কমল-ৰস ৪), কৰিণা-কৰিণি (৯), কৰুণা-নাৱী (৮), গিৰিবৰ-সিহৰ-সন্ধি (২৮), গন্ধ-পৰস-ৰস (১৩), চান্দ-কান্তি (৩১), নলিনী-বন (৯), পঙ্ক-নাৰ্লে (৪৭), ভব-জলধি (১৩), সদ্‌গুৰু-পাঅ-পএঁ (১৪), সমাধি-কপাট (২১), সব-সন্তানে (২৮), সুন-তান্তি-ধ্বনি (১৭), ইত্যাদি।

বচন ঃ অসমীয়াত সমান-সূচক বহুবচনান্ত শব্দ হ'ল—সকল, লোক। চৰ্য্যাপদত ইয়াৰ ব্যৱহাৰৰ নিদৰ্শন—সঅল সমাজ (১৬), সঅল সমাহিঅ (১) সঅল সহারে (৯), ছড়গই সঅল (৯), তুম্হে লোঅ (৫), মিছে লোঅ বন্ধাবএ অপনা (২২), ইত্যাদি। কেতিয়াবা সংখ্যাবাচক শব্দৰ দ্বাৰা বহুবচন কৰা হৈছে; যেনে—পঞ্চ বি ডাল (১), পঞ্চ-নালেঁ (৪৭), চাৰি বাসে গড়িল (৫০), দুই ধৰে সাঙ্কম (৩৬), বহল বাট দুই (২৬), দশ বল বজন (৯)। প্রসঙ্গ অনুযায়ী বিশেষণ শব্দৰ দ্বাৰাও বহুবচন কৰা হৈছে; যেনে—উঞ্চা উঞ্চা পাবত (ওখ ওখ পৰ্বত, ২৮), জো সো বুধী (বিবিধাক জ্ঞানী, ৩০), জো সো চোৰ (বিবিধাক চোৰ, ৩০), নানা তৰুবৰ (২৮), বিবিহ বিআপক (৯), বহুবিহ খেড়া (বহুবিধ খেলা, ৪৬), ইত্যাদি। ক্রিয়া বিশেষণৰ যোগে বহুবচন সৃষ্টি—জে জে আইলা তে তে গেলা। (৭)। দ্বিরুক্ত বা পুনরুক্ত বিশেষ্যৰ দ্বাৰাও বহুবচন কৰা দেখা গৈছে; যেনে—বাজা বাআ বাআবে অৰুৱ বাঅ মোহেআ বাধা (৩৪)।

দ্বিত্ব বুজাবলৈ বেণি, দো, দুই, দুআ আদি শব্দৰ ব্যৱহাৰ হৈছে। সেইদৰে একক বুজাবলৈ এক বা একু শব্দৰ প্রয়োগ হৈছে।

লিঙ্গ ঃ অসমীয়া স্ত্রী-প্রত্যয়—'ঈ' আৰু—'নী'ৰ ব্যৱহাৰ চৰ্য্যা-পদতো আছে। যেনে—দেৱী (১৭), নাৰী (৪), বহুড়ী (২), বাপুড়ী (১০), জোইণী (যোগিনী, ২৭), শুণ্ডিনী (৩)। স্ত্রীলিঙ্গসূচক শব্দই কোনো কোনো ক্ষেত্রত ক্রিয়া-পদকো প্রভাবান্বিত কৰা দেখা যায়; যেনে—বঙ্গালী ভইলী, বাত্তি পোহাইলী, সেজি ছাইলী। পুৰুষ আৰু স্ত্রীলিঙ্গ সূচক যুৰীয়া শব্দও চৰ্য্যাপদত পৰিলক্ষিত হয়; যেনে—কৰিণা-কৰিণি, নৰঅ-নাৰী, সবৰো-সবৰী, হৰিণা—হৰিণী, ইত্যাদি।

কাৰক আৰু শব্দ বিভক্তি ঃ অসমীয়া ভাষাত ছয়টা কাৰকৰ ব্যৱহাৰ পোৱা যায়; সেইবোৰ হ'ল—কৰ্তা-কাৰক, কৰ্ম-কাৰক, কৰণ-কাৰক, নিমিত্ত-কাৰক, অপাদান-কাৰক আৰু অধিকৰণ-কাৰক। ক্রিয়াৰ লগত এই কাৰকবোৰৰ সম্পৰ্ক ঘটে। কাৰক আৰু সম্বন্ধ-পদক চিনিব পৰা বিভক্তিবোৰেই হ'ল শব্দ-বিভক্তি; ইও দুবিধ, যেনে—

প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, ষষ্ঠী আৰু সপ্তমী। অসমীয়াত পঞ্চমী বিভক্তি নাই; প্ৰয়োজন-বোধে পৰ-সৰ্গই ইয়াৰ কাম কৰে। শব্দ-বিভক্তিবোৰ প্ৰয়োগৰ ওপৰত নিৰ্ভৰশীল; ইয়াৰ চিনবোৰ এনেকুৱা—প্ৰথমা—এ, ই; দ্বিতীয়া—ক; তৃতীয়া -ৰে; চতুৰ্থী—লৈ, কে; ষষ্ঠী—ৰ; সপ্তমী—ত, এ। এই ছয়টা বিভক্তি ক্ৰমে কৰ্তা কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ কাৰকত বহে। অৱশ্যে ক্ৰিয়াৰ প্ৰকৃতি আৰু ক্ষেত্ৰ অনুযায়ী কিছুমান কাৰক বিভক্তি-যুক্ত নোহোৱাকৈও ব্যৱহৃত হয়।

অসমীয়াৰ কাৰক আৰু বিভক্তিৰ আদৰ্শ চৰ্য্যাপদত বিদ্যমান। কেৱল সময়ৰ ব্যৱধান আৰু ভাষাৰ বিকাশৰ ধাৰা অনুযায় সামান্য পাৰ্থক্য পৰিলক্ষিত হয়। চৰ্য্যাপদত ব্যৱহৃত কেইটিমান চকুত পৰা বিভক্তি হ'ল: এ, এঁ, ই, ক কে, ৰ, এৰ, ৰে, লই, এৰে, ৰেঁ, ৰি, ত, হি,। কাৰকৰ সম্পৰ্কত এইবোৰৰ প্ৰয়োগ তলত দেখুওৱা হ'ল।

কৰ্তা-কাৰক (এ) : কুম্ভীৰে খাঅ (২); চোৰে নিল (২)।
(এঁ) : কুকুৰীপাএঁ গাইউ (২); আজদেৱেঁ সঅল বিহাৰিউ (৩১)।

কৰ্ম-কাৰক (ক): ঠাকুৰক পৰিণিবিত্তা (১২)।

কৰণ-কাৰক (এঁ): কুঠাৰেঁ চিজঅ (৪৫)।
(ৰেঁ) : কৰিণা কৰিণিৰেঁ ৰিসম (৯)।

নিমিত্ত-কাৰক (লই) : কুললই খৰে সোন্তে উজাঅ (৩৮)।
মেৰু শিখৰলই গঅণ পইসই (৪৭)।
(কে) : কেডুআল নাহি কেঁ কি বাহৰকে পাৰঅ (৮)।
(হি) : খণহি ন জীৱমি (ক্ষন্তেকলৈও জীয়াই নাথাকোঁ (৪)।

সম্বন্ধ-পদ (ক) : এড়িএউ ছান্দক বান্ধ কৰণক পাটেৰ আস (১)।
(ৰ) : হৰিণাৰ খুৰ হৰিণীৰ নিলঅ (৬); ভণ্ডাৰ মোৰ (৪৯)।
(এৰ) : জাহেৰ, তাহেৰ, তোহেৰ, সুখাএৰ, ডোম্বীএৰ।

(ৰি): চান্দেৰি, তোহোৰি।

(সু): জাসু (যাৰ), তাসু (তাৰ)।

অধিকৰণ-কাৰক (ত): বাটত (৮), গঅণত (২৮), মাজত (৮), হাড়ীত (৩৩)।

(এ): তোহোৰ অন্তৰে (১০), জো ৰথে (১৪), হীএ (৪৪)।

(হি): হিঅহি (৬), নিঅড়হি (৪১), অহি (৩১)।

(ই): দিৱসই বহূড়ী কাঢ়ুই ডৰে ভাঅ (২)।

প্ৰসঙ্গোচিত কথা যে আধুনিক অসমীয়াত ষষ্ঠী বিভক্তিৰ পাছত এটা পৰ-সৰ্গ যোগ দি অপাদান-কাৰক সৃষ্টি কৰা হয়।

অসমীয়াত ক্ষেত্ৰবিশেষে কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত আৰু অধিকৰণ কাৰক বিভক্তিযুক্ত নোহোৱাকৈ ব্যৱহাৰ হোৱাৰ নিয়ম চৰ্য্যাপদতো আছিল; তাৰ উদাহৰণ (যথাক্ৰমে)—লুই ভণই গুৰু পুচ্ছিঅ জাণ (১); ৰুখেৰ তেন্তলি কুম্ভীৰে খাঅ (২); বাঢ়ই সো তৰু সুভাসুভ পাণী (৪৫); ৰাতি ভইলে কামৰু জাঅ (২); বেঢ়িল হাক পৰঅ চৌদীস (৬)। বিভক্তিহীন সম্বন্ধ-পদ— গিৰিবৰ সিহৰ (২৮)।

সংস্কৃতৰ নিচিনা চৰ্য্যাপদতো সম্বোধনাৰ্থে ঈ ই হয়। পুৰণি অসমীয়াতো ইয়াৰ দৃষ্টান্ত পোৱা যায়। চৰ্য্যাত ইয়াৰ উদাহৰণ— ডোম্বী > ডোম্বি (নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ, ১০); জোইণী > জোইণি (জোইণি দে অঙ্কৱালী, ৪); কম্বলাম্বৰ > কামলি (বাহতু কামলি গঅণ উৱেসেঁ, ৮), ইত্যাদি। সম্বোধন-সূচক অন্যান্য শব্দৰ নিদৰ্শন—অলো (বাজই অলো সহি হেৰুঅ বীণা, ১৭); আলো (আলো ডোম্বি তোএ সম কৰিবে ম সাঙ্গ, ১০); ভো (শুন ভো বিআতী, ২); হালো (হালো ডোম্বী তো পুছমি সদভাৱে, ১০), ৰে (ৰে ডোম্বি তোহোৰি কুড়িআ, ১০; মাৰ ৰে জোইআ মুসা পৱণা, ২১)। ৰুণ্ডা—সৰহ ভণই বপা উজু বাট ভাইলা (৩২)। বাপ—মূল নখলি বাপ সংঘাৰা (২০)। বহুড়ী, বাপুৰা, বাপুড়ী আদি শব্দ চৰ্য্যাপদৰ ভাষা আৰু অসমীয়াত একেৰূপে প্ৰয়োগ হৈছে।

যুৰীয়া শব্দ ঃ আগম-পোথী (৪০), আগম-বেএঁ (২৯), আলা-জালা (৪০), আলিএঁ-কালিএঁ (৭), খাল-বিখলা (৩২), ইত্যাদি।

আধুনিক অসমীয়াত প্ৰয়োগ হোৱাৰ দৰে কিছুমান **সম্বন্ধবাচক যুৰীয়া শব্দ** চৰ্য্যাপদতো দেখা যায়; যেনে—জই—সি (২৩); জইসনে—তইসনে (৩৭); জবেঁ—তবেঁ (২১); জাসু—তাসু (৪৩); জিম—তিম (৪৩); জে জে—তে তে (৭); জে জে—সোঈ (১৫)।

সংখ্যাবাচক শব্দ ঃ এক, একু, একে, একেলী, একেলেঁ; দুআ, দুই, দো, বেণি, বেণী; তি, তিঅ, তিনা, তিনি; চউ, চাৰি, চৌ; পঞ্চ, পাঞ্চ; ছড়; অঠ; নৱ; দশ, দহ; দ্বাদশ, বত্তিস; চউশঠী, চৌষঠ্‌ঠী; কোড়ি (কোটি)।

পূৰণগত সংখ্যা-শব্দ ঃ পহিল, পহিলে, দশমি, দ্বাদশ।

অতুৰা-ইঁাচযুক্ত শব্দ ঃ উদক-চান্দ (২৯), কন্ন-কুণ্ডল (২৮), কৰুণা-ডমৰুলি (৩১), কৰুণা-নাৰী (৮), কপাসু ফুলিলা (৫০), কাজ ন কাৰণ (১৮), গন্ধ-পৰস-ৰস (১৩), চান্দ-সূজ (৪), বালুআ-তেলেঁ (৪১), বিসঅ-বিশুদ্ধি (৩০), সহজ-সুন্দাৰী (১৮), ইত্যাদি।

শব্দ-সম্ভাৰ

চৰ্য্যাপদত ব্যৱহৃত শব্দবাজিক বৈয়াকৰণিক দৃষ্টিকোণেৰে বিবিধ প্ৰকাৰে দেখুওৱাৰ উপৰিও কেৱল শব্দ-সম্ভাৰ হিচাপে চাৰিটা বহল ভাগত ভাগ কৰি দেখুৱাব পাৰি; যেনে—তৎসম শব্দ, অৰ্দ্ধতৎসম শব্দ, তদ্ভৱ শব্দ আৰু দেশী শব্দ। এইবোৰৰ অধিকাংশই পুৰণি অসমীয়াত ব্যৱহাৰ হোৱা শব্দ। নিদৰ্শন স্বৰূপে চৰ্য্যাপদৰ পৰা তাৰে কিছুমান দাঙি ধৰা হ'ল—যেনে, **তৎসম শব্দ :** অঙ্গ, অন্ধ, অজৰামৰ, অনুদিন, অনুভৱ, অন্ত, অন্তৰালে, অন্তৰে, অন্ধকাৰা, অভাৱ, অৱকাশ, অৱধূতী, অৱশ, আকাশ, আগম, উদক, উন্মত্ত, কণ্ঠ, কমল, কমলিনী, কৰুণা, কৰ্ণ-কুণ্ডল, কামোদ, কাহ্নল, কাল, কিৰণ, কুম্ভীৰ, কুল, কুলিশ, গগন, গঙ্গা, গন্ধ, গম্ভীৰ, গীত, গুঞ্জৰী, গুৰু, ঘন, চঞ্চল, চৰণ, চিত্ত, চিহ্ন, জলবিন্ন-

কারুণ, কায়া, তথাগত, তরঙ্গ, তরু, তরুবর, দশ, দিবসই, দুঃখে, দৃঢ়, দেবী, দেহ, নগর, নলিনী, নর, নাটক, নাদ, নায়ক, নারী, নাশক, নিরন্তর, নির্ব্বাণ, নৌকা, পঙ্ক, পদ্ম, পরম, পরিমাণ, পরাণ, পাপ, পুণ্য, বঙ্গ, বজ্রধারী, বন, বাম, বিন্দু, বিশেষ, বুদ্ধ, বৈরী, ভব, ভব-জলধি, ভয়, ভাবাভাব, ভুজঙ্গ, মণ্ডল, মন, মরু, মহারস, মহাসিদ্ধি, মূঢ়া, মূল, মোহ, রবি, রাগ, রূপ, শক্তি, শশী, শিখর, সদগুরু, সম, সর্ব্ব, সংসার, সংহার, সহজ, সুখ, সুন্দারী, হর, হরিণী, হের ইত্যাদি। অর্দ্ধতৎসম শব্দ : অকিলেষে < অক্লেশে, অক্লেশের ; গরাহক < গ্রাহক ; গউড়া < গৌড় , গগন-দুআরে < গগনদ্বারে ; জউন্নকে < যৌবনকে ; পদমা < পদ্ম ; পরশ < স্পর্শ ; পরাণ < প্রাণ ; পসারা < প্রসার ; পহারা < প্রহর ; বরিসন্ত < বর্ষন্তি ; রতণ < রত্ন ; সরত্ব < সর্ব ; ইত্যাদি। তদ্ভব শব্দ : অচ্ছই < অস্তি ; অট/অঠ < অষ্ট ; অদশ < অদৃষ্ট ; অধরাতি < অর্দ্ধরাত্রি ; অপণা < আত্মনঃ ; অভিণচারে < অভিন্ন আচারেণ ; অলখ/অলক্‌খ < অলক্ষ্য ; অবণাগবণ < অয়নক গমনক ; অচিন্ত < অচিন্ত্য ; অদঅ < অদ্বয় ; অদভুঅ < অদ্ভুত ; অমিয়/অমিয়া < অমৃত ; অহণিসি < অহর্নিশ ; আখি < অক্ষি ; আগ < অগ্র ; আগলী < অগ্র-লিকা ; আগি < অগ্নি ; আগে < অগ্রে ; আজি < অদ্য ; আন < অন্য ; উআরি < উপকারিকা , উআস < উদাস ; উইআ < উদিত্য ; উএস < উপদেশ , উছারা < উৎসার ; উজু < ঋজু ; উজুবাট < ঋজুক-বর্ত্ম ; উঠি < উৎ + স্থিত ; উমত্ত < উন্মত্ত ; উলাস < উল্লাস ; উচাঁ < উচ্চ ; এথা < অত্র ; এহুঁ < এতস্য ; কণ্ণহার < কর্ণধার , কবড়ী < কপর্দ্দক ; কাজ < কার্য্য ; কান্দই < ক্রন্দতি ; কাপুর < কর্পূর ; কাম < কর্ম্ম ; কামরু < কামরূপ ; কান্থু < কন্থা ; কাহ্ন/কাহ্নু/কাহ্নি/কাহ্নিল < কৃষ্ণ ; কোড়ি < কোটি ; খাঅ/খাই < খাদতি ; খুর < ক্ষুর ; খেলই < ক্রীড়তি ; গঅণ-শিহরেঁ < গগন-শিখরে ; গাজই < গর্জতি ; ঘর < গৃহ ; ঘরিণী < গৃহিণী ; ঘিণ < ঘৃণা ; চউকোড়ি < চতুষ্কোটি ; চউদিশ < চতুর্দ্দিশ ; চউষঠী/চউষট্‌ঠি < চতুঃষষ্টী ; চকা < চক্র ; চাকি

< চক্রিকা ; চান্দ < চন্দ্র ; চালিঅউ < চালিতকম্‌ ; চিঅ < চিত্ত ; চুম্বী < চুম্বিত ; চেঅণ < চেতন ; চিজ্জঅ/ছিজ্জই < চিদ্যন্তি ; জই < যদি ; জইস/জইসো < যাদৃশ ; জউনা < যমুনা ; জলিঅ < জ্বলিত ; জাঅ/জাই < যাতি, যায়তে ; জাম জন্ম ; জাম্ভু < যস্থ্য ; জুঝঅ < যুধ্যতে ; জে/জো < যঃ ; জোই < যোগী ; জোইনি/জোইণী < যোগিনী ; ঝাণ-বখাণে ধ্যান-ব্যাখ্যানেন ; ণারী < নারিকা ; ণিঅড় - নিকট ; তইসা/তইসে/তইসো < তাদৃশ ; তরই তরতি ; তন্থু/তাস্থু < তন্ত্র ; তিঅধাউ < ত্রিধাতু ; তিঅমণ্ডল < ত্রিমণ্ডল (স্বর্গ-মর্ত্ত্য-পাতাল) ; তিঅস < ত্রিদশ ; তিণ < তৃণ ; তিহুরণ < ত্রিভুবন ; তুটই < ত্রুট্যতি ; তিলোএ/তেলোএ/তৈলোএ < ত্রৈলোক্য ; থির - স্থির ; দশদিসে/দহদিহ/দহদিহে দশসু, দিক্ষু ; দাপণ দর্পণ ; দারী < দারিকা ; দাহিণ > দক্ষিণ ; দিঠা < দৃষ্ট ; দিঢ < দৃঢ় ; দুআরত < দ্বারে ; দুই - দ্বে ; দুঠ/দুঠ্য দুষ্ট ; দুধমাঝে দুগ্ধমধ্যে ; দুলক্‌খ/দুলখ < দুর্লক্ষ্য ; ধনি - ধ্বনি ; ধাবই ধাবতি ; নঅরী < নগরী ; নঈ < নদী ; নড়পেড়- নটপেক ; নাচঅ - নৃত্যতি ; নাহা < নাথ ; নিচিন্ত < নিশ্চিত ; নিদ নিদ্রা ; নিন্দ < নিদ্রা ; নিবাণ < নির্বাণ ; নিবুধী < নির্বুদ্ধিক ; নিভর < নির্ভর ; নিলঅ < নিলয় ; নিসারা < নিঃসার ; নৌবাহী নৌবাহিক ; পইঠ/পইঠা/পইঠো < প্রবিষ্ট ; পাটি/পাটি পাটিক ; পণিআ পানীয় ; পতিভাসই < প্রতিভাসয়তি ; পাঅ-পএ < পাদপদে, পাদপদেন ; পাস < পার্শ্ব ; পিবই < পিবতি ; পুণ/পুণু পুনঃ ; পোথী পুস্তক, পুস্তিকা ; ফলই - ফলতি ; ফুটিলা < স্ফুটিত ; বতিশ < দ্বাত্রিংশ (৫) ; বলদ - বলিবর্দ ; বসই < বসতি ; বহই < বহতি; বহুড়ী < * বধূটিকা; বাক < বাক্য; বাজ < বজ্র; বাণ < বর্ণ ; বান্ধ - বন্ধ ; বালি/বালী < বালিকা ; বিআপিত্ত < ব্যাপ্তিতঃ ; বিকসউ < বিকশিত ; বিরাহিআ < বিরাহিত ; বিলসঅ/বিলসই < বিলসতি ; বিহরএ/বিহরহু < বিহরতি ; বুঝঅ/বুঝই/বুঝএ বুধ্যতি, বুধ্যতে ; বোহি < বোধি ; ভণ/ভণঅ/ভণই < ভণতি ; ভত্তারে (ভত্তার) < ভট্টারক, ভর্তৃ ; ভইলা/ভইলী/ভইলে < ভূত ; ভজি < *ভজ্জিক—

ভক্ষ ; ভুঞ্জই<ভুঞ্জতি ; মঝ/মাঝ/মাঝে/<মধ্য ; মৰিঅই/মৰিআই<ম্রিয়তে : মাগঅই/মাগই<মার্গতি ; মাণই<মানয়তি, মন্যতে ; মাদলা<মৰ্দ্দল ; মূসা<মূষক ; মোৰিঅ/মোড়িউ<মৰ্দয়িত্বা ; মোলাণ<মৃণাল ; যাই<যাতি ; ৰাজসাপ<ৰজ্জুসৰ্প , ৰূঅ/ৰূপা<ৰূপক, ৰৌপ্য ; লাউ<অলাবু ; লাঙ্ক<লঙ্কা ; লোঅ<লোক ; ষামায়/সমাঅ<সমায়াতি ; সংবোধিঅ<সংবোধিত ; সৰবৰ<সৰোবৰ ; সসহৰ<শশধৰ ; সাঙ্গঁ<স্বামী ; সাঙ্কম<সংক্ৰম ; সাদ<শব্দ ; সাস্বঘৰে<শ্বাসগৃহে ; সীস/সীসা<শিষ্য ; সুজ/সুজ্জ<সূৰ্য্য ; সুণ<শূন্য ; সোণ<স্বৰ্ণ ; সোন্তে<স্রোতে ; হথা/হাথে<হস্ত ; হিঅহি/হিঅঁ/হীঅ<হৃদয় ; হোই<ভৱতি ; হোন্তি<ভৱন্তি ; হোহিসি<ভৱিষ্যসি।

দেশী শব্দ :—চৰ্য্যাপদত এনে কিছুমান শব্দ আছে যিবিলাকৰ মূল সংস্কৃত নহয়, সেইবোৰ প্ৰাচ্য ভাৰতৰ আৰ্য্যভিন্ন ভাষাৰ পৰা অহা বুলি ধৰিব পাৰি ; তেনেবোৰ শব্দক দেশী শব্দ বুলি কোৱা হয়। যেনে—আভাজালা, আলো, উঞ্চল-পাঞ্চল, উভিল, এড়িএউ, এড়িএড়, কঙ্গুচিনা কৰও, কশালা, কেড়ুআল, কুসুৰে, খড়তড়ি খাণ্ট, খাল, গুলিগুহাড়া ঘলিলি, ঘাট, চঙ্গালী (চেঁচেলি), চটাৰিউ, চাঙ্গেতা, চিখিল, চীৰা, ছিণালী (গণিকা), ছুধ, টাকলি, টাগুঅ, টালত, ডাল, ডালী, দঙ্গালে, ধুনি, পুলিন্দা, বপুড়া, বোৰ, বোড়ি, ভিড়ি, মেহেলি, হিন্দই, হেঞ্চে, ইত্যাদি। এই দেশী শব্দবোৰৰ ভিতৰত কিছুমান সাংকেতিক শব্দও আছে।

(গ) চৰ্য্যাপদ আৰু বিবিধ বিষয়ৰ সাদৃশ্য-বিচাৰ

চৰ্য্যাপদত ব্যৱহৃত শব্দৰাজিৰ অধিকাংশ শব্দ অসমৰ কিছুমান শিলালিপি, তামৰ ফলি, প্ৰাক্‌শঙ্কৰী যুগৰ সাহিত্য, শঙ্কৰী যুগৰ ব্ৰজাৱলী ভাষাত ৰচিত অঙ্কীয়া নাট, বৰগীত, দেহ-বিচাৰৰ গীত, টোকাৰী গীত আৰু বিবিধ লোক-সাহিত্যত পোৱা যায়। যদিও ব্ৰজাৱলী ভাষাৰ উদ্ভৱ আৰু বিকাশৰ সময় চতুৰ্দশ-ষোড়শ শতিকা

বুলি কেবাজনো ভাষাতত্ত্ববিদ আৰু সমালোচকে নানা যুক্তিৰে আলোচনা কৰিছে, তথাপি অমি কম খোজো যে এই ভাষাটো চৰ্য্যাপদ-ৰচনাৰ সময়তে অঙ্কুৰিত হৈছিল আৰু ই দশম-দ্বাদশ শতিকাৰ ভিতৰতেই স্বকীয়া ৰূপ পৰিগ্ৰহ কৰিছিল। সেয়েহে ত্ৰয়োদশ শতিকাৰ আগ ভাগত খোদিত কৰা আমবাৰীৰ শিলালিপি (১১৫৪ শক বা ১২৩২ খৃঃ) আৰু চতুৰ্দশ শতিকাৰ মাজ ভাগত খোদিত কৰা গছ-তলৰ স্তম্ভ-লিপিত (১২৮৪ শক বা ১৩৬২ খৃঃ) ব্ৰজাৱলী ভাষাৰ নিদৰ্শন পাওঁ। লিপিত ব্যৱহাৰ কৰাটো চাই অসমৰ ব্ৰজাৱলী ভাষাক যে ৰাজকীয় কাম-কাজত প্ৰয়োগ কৰিছিল তাক সহজে বুজা যায়। শিলালিপি দুখনৰ পাঠ তলত দিয়া ধৰণৰ[১০]—

(ক) আদিত্য সম শ্ৰীসমুদ্ৰ পাল ৰাজ্যে প্ৰবল সবাসিক সত্ৰ সগুণ কুয়া। সবাসীন (সন্ন্যাসীণ) বোলে দান পুঞন সজ। যোগীহাতী। সক ঈশ বাণ চক্ৰ। মূঢ় ভনতি। (আমবাৰীৰ শিলালিপি)।

(খ) শিমা এৰিয়া যবন ডবাকত গয়ন্ত। (শক) ১২৮(৪) ৱেোষ্ট-বাণী গগন। ইতি শ্ৰীবিষ্ণু বাসধৰ শৈলকাৰ। শকত ম্লেচ্ছ ইথাৰ উত্থালা। দেখহ শতত্ৰিশ বইৰ বঙ্গাল বহু কাৰ্য্য(ত) ইহাত ফগু। বহাখ জল। তোসভ সঞ্চাত যাব। দি জলশ্ৰী। পঞ্চকাখ্য বাদ্যবোল। জলসেনাই বৈৰীক ভাথি জলান্তশেক খদাবি। (গছতলৰ শিলালিপি)।

ওপৰৰ প্ৰথমখন শিলালিপিত ২২টা শব্দ আছে; তাৰ ভিতৰত আদিত্য, সম, ৰাজ্যে, প্ৰবল, সত্ৰ, সগুণ, কুয়া, বোলে, দান, পুঞন (পুইণ), সজ, যোগী, হাটী, ঈশ, বাণ, চক্ৰ, মূঢ় আৰু ভণতি শব্দকেইটা প্ৰকৃশঙ্কৰী যুগৰ সাহিত্যত আৰু শঙ্কৰদেৱৰ ৰচনাৱলীত হুবহু প্ৰয়োগ হৈছে। সম, সগুন, যোগী, বাণ, মূঢ়, ভনতি, শব্দকেইটা চৰ্য্যাপদত ব্যৱহৃত শব্দ। সেইদৰে দ্বিতীয়খন শিলালিপিৰ

১০। Dr. P. C. Choudhury, 'Significance of the Three Stone Inscriptions at the Assam State Museum : Gauhati', 1970; 'The Gachtal Stone Inscription in the Assam State Museum and its Significance', 1971.

৩৭টা শব্দৰ ভিতৰত শিমা (সিম/সীমা); এৰিয়া, যৱন, গগন, ইত্তি, শকত, ইথান, উৰালা, দেখন্ত, শতত্রিশ, বইৰ, বজাল, বহু, কাৰ্য্য, ইহাত, কণ্ঠ, বহাখ, (বহাগ), জল, সজাত, যাব, বাড়ী, বোল, বৈৰী, ভাথি (ভাঠি) আদি শব্দবোৰ পুৰণি অসমীয়া সাহিত্যত পোৱা যায়। ইয়াত থকা বজাল, বহু, জল, যাব, (জাঁসি কপত), বৈৰী আদি শব্দবোৰ চৰ্য্যাগীতত বিদ্যমান।

এতিয়া দেখা গ'ল যে ৮ম-১২শ শতিকাৰ চৰ্য্যাপদৰ ভাষা, ১৩শ-১৪শ শতিকাৰ লিপিৰ ভাষা আৰু ১৫শ-১৬শ শতিকাৰ অসমীয়া ভাষাৰ এক বৰ্ণগত সাদৃশ্য আছে। আনহাতে এইটোও প্ৰমাণিত হ'ল যে অসমীয়া ব্ৰজাৱলী ভাষাটো বহুতে কোৱাৰ দৰে ব্ৰজধাম বা মিথিলাৰ পৰা ধাৰ কৰা ভাষা নহয়—প্ৰাচীন অসমতে উদ্ভৱ হোৱা ভাষা; অৱশ্যে বাহিৰৰ উপাদান সুলভ প্ৰভাৱ ইয়াত পৰিব পাৰে; আনহাতে মিথিলাকে ধৰি সমগ্ৰ প্ৰাচ্য ভাৰতত এটা উমৈহতীয়া ভাষা (lingua franca) আছিল বুলি ধাৰণা জন্মে।

ব্ৰজাৱলী ভাষাৰ ভেটি চৰ্য্যাপদৰ কালতেই গঢ় লৈ উঠিছিল। সেই কাৰণে চৰ্য্যাপদৰ ভাষাত ব্ৰজাৱলী শব্দৰ পয়োভৰ দেখা যায়। কিন্তু ৮ম-১২শ শতিকাত প্ৰাচ্য ভাৰতত সামাজিক আৰু ধৰ্মীয় বিৱৰ্ত্তন ঘটা বাবে (হয়তো আন কোনো কাৰণতো) সাহিত্য-চৰ্চা বহুলভাৱে হোৱা নাছিল; সেই কাৰণে ব্ৰজাৱলী ভাষাত ৰচিত পুথিৰ সংখ্যা কম; আনকি ব্ৰজবুলিৰ সমসাময়িক অন্য ভাষাটো লিখিত পুথি পাবলৈ টান। বিদ্যাপতি, উমাপতিৰ ৰচনাত ব্ৰজবুলিৰ নিদৰ্শন বিদ্যমান। মহাপুৰুষ শঙ্কৰদেৱকে মুখ্য কৰি ১৫শ-১৭শ শতিকাৰ ধৰ্মাধিকাৰ সকলৰ ৰচিত অঙ্কীয়া নাট আৰু বৰগীতবোৰ অসমীয়া ব্ৰজাৱলী ভাষাত ৰচিত। সম্প্ৰতি আমি একে অৰ্থবাচক সমৰূপক অঙ্কীয়া নাটৰ শব্দ আৰু চৰ্য্যাৰ শব্দ তুলনাৰ অৰ্থে দাঙি ধৰিলো। চৰ্য্যাৰ লগতে বৰগীতৰ তুলনীয় শব্দবোৰ আন প্ৰবন্ধত দেখুওৱা হৈছে; একেখন পুথিতে উপৰ্যুপৰি

পুনৰুক্তি নকৰিবৰ উদ্দেশ্যে উক্ত সেইবোৰ দেখুওৱা নাই। আনহাতে, চতুৰ্দশ শতিকাৰ মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ ৰচনাৱলীতো চৰ্য্যাত ব্যৱহৃত হোৱা শব্দ ভালেমান আছে; প্ৰসঙ্গ অনুযায়ী সেইবোৰো দেখুওৱা হৈছে।

চৰ্য্যাৰ শব্দ **অসমীয়া নাটৰ শব্দ**

অইসন/অইসণি—অইছন পৰকাৰে দৈৱকি বহুবিধ বিনয়ে বোলয় (জন্মযাত্ৰা নাট)।

অচিন্ত—তোহাৰি অচিন্ত প্ৰভাৱ (অৰ্জ্জুন ভঞ্জন)।

অঙ্কৱালী—কাহু আঙ্কোৱালি তুলি বৈঠাই মধুৰ বানি বোল (ৰুক্মিনী হৰণ নাট)।

অনুদিন—ৰাখল অনুদিন গকুলবাসি (কংসবধ নাট)।

অদভুঅ—দেখ্ অদভুত ভকতি মহিমাক (পাৰিজাত হৰণ নাট)।

অন্তৰে—অন্তৰে ৰতো হুয়া এড়াএড়ি (ক. না.)।

অন্তে—আদি অন্তে কহিবাক লাগিলা তখনে (ৰামায়ণ)।

অন্ধকাৰা—ৰাত্ৰি অন্ধকাৰ দিস নাপাই (জন্মযাত্ৰা)।

অন্ধাৰি, অন্ধাৰী—দিশ দশ আন্ধাৰি দেখিএ মূৰ্চ্ছিত হুয়া পৰল।

অভাগে—স্বামীক নিন্দতে আছাহা আমাৰ বৰ অভাগে (ৰামা)।

অমিঅ/অমিআ
অমিয়/অমিয়া } —ৰাণি অমিয়া ৰস (ক. হ. না.)।

অৱৰ—হন্তে মধুপুৰি আৱৰ বহুৰি পেখবো (উদ্ধৱজান)।

আকাশ—দেৱলোকে আকাশ পুৰিল শঙ্খনাদে (বভ্ৰুবাহনৰ যুদ্ধ)।

আগ—সিসুসব আগ কৰিএ জৈচে বিলাপ কৰিতে আৱে (কা. দ. যা.)।

আগি—ধ্বজ ব্ৰজ পঙ্কজ দেখিতে দহে আগি (কা দ. যা.)।

আগে—নন্দসুত কৃষ্ণ হামাক আগে কোন হয় (পত্নী প্ৰসাদ নাট)।

আচ্ছন্তেঁ—আমিসব আছন্তে কি যুঝিবে অৰ্জ্জুনে (ব. যু.)।

আচহুঁ
আচ্ছহ } সিকাৰণে মণি ৰাখি আছোহোঁ পাতালে (ব যু.)।

আনন্দে—সমখে আনন্দে লোভক ঘুৰয় (ক. না.)।

আভৰণে—নানাবিধ অলঙ্কাৰ কৰি আভৰণে (ব. যু.)।

উঠৈ—তোৰ কাষ কাৰণে মোহোৰ উঠৈ হাসি (ৰামায়ণ)।

উপাড়ী—তত্তকালে পাৰিজাতক সমিপ চাপি, লম্ফুলি উপাড়ী আনয় (পা. হ. না.)।

একে—দুখান সাগৰ যেন ভৈল, একে ঠাই (ৰ. যু.)।

এত—বানৰ গোটত মোৰ এত মান ভ্ৰম (ৰামায়ণ)।

এতকাল—তুমি আমি এতকাল হুয়া আছো সুখী (ৰামায়ণ)।

এথা—তুহু কে কথা হৃদে এথা আৰজি লিক (ক. হ. না.)।

কপাট—কলৰ ছাতিত খসি কপাট পৰয় (ৰামায়ণ)।

কমলিনী—নানা ভিলফুল কমলিনী মালী (বা. বি. না.)।

কৰহুঁ—কৰহু অতএ করুনা গোসাঞি (কা. দ. যা.)।

কৰই/কৰউ—আহেৰ কথনে মথনে কৰই (বা. বি. না.)।

কৰি—সবাকে লেখিলা চিত্ৰকৰে ভাল কৰি (ৰ. যু.)।

কৰিবে—সি সবে বৈৰকো ৰক্ষা কৰিবে লাগয় (ৰামায়ণ)।

কৰিণি—মত্ত মাতঙ্গ সঙ্গে জৈচন তকনি কৰিনি আৱে (বা. বি. না.)।

কহণ নজাই—হৰি গুণ কহণ নজাই (ক. হ. না.)।

কহন্তি—সি কথা কহন্তে তোৰ বৈলখ নলাগে (ৰামা.৫/৩৫)।

কহি/কাহি—মোক এৰি কহি গৈল হা প্ৰাণ-পুত (ব. যু.)।

কহিঁৰ—গন্ধৰ্ব্বে বোলয় তই কহিৰ বানৰ (ৰামা. ৫/৪৬-২৭)।

কাঙ্কাণ—দণ্ডিয়া সকলে লৈলেৱা হাতেৰ কঙ্কণ (কো. খে. যু.)।

কাপুৰ—কমলা কাপুৰ কণ্টকি যে নাৰিকল (ৰামায়ণ

কিস/কিষ—সহস্ৰেক ৰামে মোৰ, কৰিবেক কিস ৰামায়ণ)।

কুঠাৰ/কুঠাৰে—সে সোনিতে কুঠাৰ মলিন ভেল (বা. বি. না.)।

কুম্ভীৰে—কুম্ভীৰ মগৰ মৎস্য কচ্ছপ সকল (ৰামায়ণ)।

কুলিনজন—কুলীন পৰাণি ভৈলে ভালে তাৰ (ৰামায়ণ)।

কুলিশ—শতঘ্নী তোমাৰ খৰ যেলেখ কুলিশ (ৰামায়ণ)।

খৰতড়ি—আগে যেন মুহূৰ্ত্তে লৰবে খৰতড়ি (ব যু.)

গগন—সে জন্মনক উৰ্মি গগন মণ্ডল বেড়ল (কে. গো. না.)।
গলপাশ—সীতাক হৰিলে তোৰ হুইবে গলপাশ (ৰামায়ণ)।
গুণন্তে—বিস্ময়ে গুণন্তে কপি সাগৰৰ মাজ (ৰামায়ণ)।
গুণে—অৰ্দ্ধচন্দ্ৰ শৰ ৰাজা জুৰিলন্ত গুণে (ব. যু.)।
গুহাড়া—তুয়া পাৱে কয়লু গুহাড়ি (পা. হ. না.)।
গেলি—প্ৰাণ পিউ আস কৈচন হুব গেলি (ক. হ. না.)।
গো—নিসি অবসানে বংসিৰ নিসানে গ' (ভোঃ বি. যু.)।
ঘণ্টা—ঘণ্টা লাড়ি ঘাৰ কৰয় মোড় (ক. হ. না.)।
ঘিণ—মাথা নাকাটিলো বৰ ঘিণে (ৰামা. ৫/৩৪-৫)।
চউদিস—ঠাঠে চউদিসে বেঢ়ল লঙ্কা (ৰা. বি. না.)।
চড়ি—উচ্ছ্রিত মঞ্চে চড়ি বহল (কংসবধ নাট)।
চণ্ডাল/চণ্ডালে—হাওঁৰে চণ্ডাল ভৰতৰ ভাৰি খাইলি (ৰামায়ণ)।
চলিল—বিজুলী ছুটক যেন চলিল নৰাচ (ৰামায়ণ)।
চলিলা—লক্ষ্মণৰ পাশক চলিলা সূৰ্পণখী (ৰামায়ণ)।
চাহন্তে—আগ পাচ চাহন্তে পলাইল সূৰ্পণখী (ৰামায়ণ)।
চুম্বী—চম্বি জগত আধাৰু (ৰু. হ. না.)।
চৌৰি—ভকতক কৃপায়ে চৌৰি কৰিকহু (অ. ভ.)।
ছাড়িল—সেহিসে কাৰণে মোক লক্ষ্মণে ছাৰিল (ৰামায়ণ)।
জঙ্গম—কিট পটঙ্গম জঙ্গম সঙ্গম ভকতক পাই (প. প্ৰ. না.)।
জলধি—জলধি বান্ধল সেতু (কে. গো. না)।
জাঅ—গোৱালক পাচু পাচু কতী হোঁ জায় (প. প্ৰ. না.)।
জাউ—জাৱত যুদ্ধ নাহি হয়, আশু দেশে জাঞ (ক. হ. না.)।
জবে জবে প্ৰত্যয় নাহি জায়, তব দেৱতাসবক বাক্যে প্ৰমাণ লয় (প. প্ৰ. না.)।
জাণী—ইহ জানি সবৰ সমাজ পতাই মহেসক ধনু আনহ (ৰা. বি. না.)।
জীৱন্তে—মাৰোঁ বক্ৰুবাহা আজি জীৱন্তে নধাস (ব. যু.)।
জে—জে জগতক পৰম গুৰু পৰম পুৰুষোত্তম (কা. দ. যা.)।

জৌৱন—নৱ জৌৱন জন বদৰি প্ৰমাণ (ৰা. বি. না.)।

ডাহ/দাহ—ওঁছি হুশানলে হৃদয় দাহ কৰে (কা. দ. যা.)।

ণিঅড়/ণিঅড়ি—গৈলেসে জানিয় পথ নিয়ৰ কি দুৰ (ব. যু.)।

তইসনে—তৈসানি হৰিষ হৈবোঁ, ৰাৱণ মাৰিয়া তুমি (ৰামায়ণ)।

তবে—কানাকানি কৰে দেখো তবে কপিগণ (ৰামায়ণ)।

তবই—ইহাৰ শ্ৰৱণ, কীৰ্ত্তনে তবয় মহা মহা পাপীচয় (ৰামায়ণ)।

তৰঙ্গ—তৰঙ্গ ৰৰঙ্গ কৰি চতুৰ্দ্দিশ যায় (ৰামায়ণ)।

তৰু—জক্ষক খেদে ধৰি তৰু সাজ (কে. গো. না.)।

তৰুবৰ—ফলমূল সহিতে দেখিল তৰুবৰ (ৰামায়ণ)।

তসু—পাচু পাচু তচু মাধৱ ধাৱে (কে. গো. না.)।

তাসু—তাসু মাঝে নন্দ সুত বিৰাজিত (তো. বি. যু.)।

তুট/তুটই - { দিন টুটে প্ৰাণ চুটে ক্ষনেকে যুগ জাই (উদ্ধৱজান)।
তৃপিতি নাহি টুটয় (কংসবধ)।

তেন্তুলি—তেন্তুলি কণ্টকি আম জাম নাগেশ্বৰ (ৰামায়ণ)।

তোৰা—আহে গুৰুসৰ তোৰাসব পৰম পণ্ডিত (পঁ. প্ৰ. না.)।

তোৰেঁ—আৰ লাগ নছাড়িবোঁ তোৰে (অ. ভ)।

তোহাৰ—তবে তোহাৰ গৃহবাস সব সাফল হএ (ক. হ না.)।

থাকি/থাকী—হামু হৃদয়ে থাকি অনুমতি দেএ (প. প্ৰ. না.)।

দহদিহে/দশদিসেঁ—শ্ৰীকৃষ্ণ ধনু টঙ্কাৰে দসোদিস কম্পাই (পা. হ. না.)।

দাহিণ—ডাহিনৰ চক্ষু মোৰ সঘনে সঘনে ফুৰে (ৰামায়ণ)।

দুআৰত—ভয়ঙ্কৰ শিলা গোট দুৱাৰত দিয়া (ৰামায়ণ)।

দেখিল—ৰামক ইন্দ্ৰে দেখিল (ৰামায়ণ)।

দ্বাদশ—কতোহো ৰাজৰপয়ানে চলিলা দ্বাদশ হস্তীৰ বল (ৰামায়ণ)।

ধৱণ নজাই—জিজ্ঞোৰিলা কপিবল ধৰণ নযাই (ৰামা. ৫/২২-৬)।

নঅ—টুটল নঅ অনুৰাগ (কে. গো. না)।

নট—হেন নট দেখি কোথানে গৃহাবস্থ (ব. যু.)।

নগৰ বাহিৰি—নগৰ বাহিৰে ৰহল (কংসবধ)।

নাচঅ—আনন্দে জৈচে নাচএ লাগল (ক. হু না.)।

নাটক—কেলি গোপাল নাম নাটক সম্পূর্ণ ভেল (কে. গো না.)।

নাদ—স্তম্ভৰ ভিতৰে তদন্ত নাদ কৰল (নৃ. যা.)।

নায়ক—জয় জগ নায়ক মুকুতি দায়ক (প. প্র. না.)।

নাৰী—সৰত মৰত জোহি গোপিনি নাৰি (পা. হ. না.)।

নাহা—শুনিয়োক বাপ পৃথিবীৰ নিজ নাহা (ৰামায়ণ)।

নিচ্চল—হেমৱন্ত গিৰি যেন দেখিয় নিশ্চল (ৰামা. ৫/১৯-৯৫)।

নির্বাণে—ততকালে নির্ব্বান গেল (কা দ যা.)।

নিতি—নিতি কৰু নিৰজান (পত্নী প্রসাদ নাট)।

নিবাৰিউ—সূর্য্যৰ কিৰণ নিবাৰিয়া যাই চলি (ৰামা, ৫/২১-৪৭)।

নিভৰ—নির্ভৰ কৃত্বা কৰিতে সকল নিসি সমাপল (কে.গো.না.)।

নৌকা—তোমাৰ চৰণ-নৌকা জে আশ্রয় কৰয় (জন্মযাত্রা)।

পঞ্চজনা/পাঞ্চজনা—পলাই গৈয়া গহ্বৰত আছে পাঞ্চজন (ৰামায়ণ)।

পড়িআ—বানৰত পৰিয়া মৰয় জাকে জাকে (ৰামা. ৫/৩৫-৮০)।

পড়িলা—কৃষ্ণক চাড়ি উফড়ি পড়ল (কা.দ.যা.)।

পতিআই—জব মোহি বাক্য নাহি পতিআয়া (পা.হ.না.)।

পৰিমাণ/পাৰিমাণী—{ কহ শঙ্কৰ পৰমাণা (কে.গো. না.)। শঙ্কা এৰি মোৰ বাক্য বেদ-পৰিমাণ (ৰামা.)।

পহিল/পহিলে—কাম পহিল প্রবেশ (ৰা. বি. না.)।

পাখুড়ী—দীঘিসব পুখুৰি আছিল ভৰি জলে (ৰামায়ণ)।

পাগল—ৰণত পাগল তই অশকতি ভৈলি (ৰামা. ৫/৩৫-৮)।

পুচ্ছিঅ—নাহি পুছিয়ে পসয় অভ্যন্তৰে (নৃ. যা.)।

পেখু—পেখু পেখু দোহো ৰাক্ষস আৱে (ৰা. বি. না.)।

পোহাইলী—আজু ৰৈবি নিসি নিয়িসে পুহাৱলি (কে. গো. না.)।

ফুলিলা—ফুলিল পলাশ যেন অধিক সুহায়ে (বৃ. যু.)।

ফুটিলা—মাকতিৰ হৃদয়ত ফুটিলা সন্ধানে (ৰামায়ণ, ৫/১৭-১৬১)।

বজ্রধাৰী—বহ বহ কাহে পালায়ব বজ্রধাৰী (পা. হ. না.)।

বল—অসংখ্য পদাতি বল দশোদিশে যাই (ৰামা. ৫/৩০৩)।

বহই—সুগন্ধিত বহয় পৱন (ৰামায়ণ)।

বহল—বব্রুবাহা ৰাজাৰ বহল সভাখান (ব. যু)।

বহুভী—বহাৰী অনাথা কৰি যাহা যমপুৰ (ৰামায়ণ)।

বাক—ঋষিয়ে বোলয় কেনে বোল হেন বাক (ৰামায়ণ)।

বাজই— { কিঙ্কিনী বাজয় ৰুণঝুন জাতিস্বাৰ (ৰামা. ৫/৪৮-১৬)।
পৰম হৰিষে জয় জয় বোলি দুন্দুভি বাজাই (পা.হ.না.)।

বাটত—বাটতে কাটিল তাক ভল্ল তিনি শৰে (ব. যু.)।

বাঢ়ই—একান্ত ভকতি বাঢ়য় (শ্রু. হ. না.)।

বাধা—ঐচন প্রকাৰে ব্রাহ্মনসবে বহুবিধ বাধা কয়ল (প. প্র. না.)।

বাণে—তীক্ষ্ণতৰ মহাদিব্য বাণে (ৰামা. ৫/৩৬-৭)।

বাপুড়া—বিভীষণ বপুৰায়ে নপাইব ৰাজ (ৰামায়ণ)।

বাম—বিহি ভেলি বাম (ক. হ. না.)।

বিজ্ঞা - সমস্ত বিদ্যাত তুমি শাস্ত্রত পণ্ডিত (ৰামা ৫/৩৭-৪৪)।

বিন্ধ—হনুমন্তে বীৰক বিন্ধিল দশ বাণে (ৰামা. ৫/৩৫-৩)।

বিৰলে—ভুজ যুগ সুকোমল শুনয় বিৰল (ৰামায়ণ)।

বিশেষ—সাধু সাধু বব্রুবাহা নৃপতি বিশেষ (ব. যু.)।

বিষমা/বিষমে—তাহাঙ্ক দেখি বিষম (ৰামায়ণ)।

বীৰনাঁদে—আৰো জানো মন কৃষ্ণ কৰা বীৰ নাঁদ (ব. যু. ৫৮১)।

বেগ—হামাক জদি ৰাখব, বেগে জাব (কে. গো. না.)।

বেঢ়িল—ভুজাৰ বেঢ়িল হাতে ধৰি তক শাল (ৰামায়ণ ৫/১৯-২৪)।

ভতাৰে—অব তোহাৰি ভতাৰক কৈছে নাহি পলাটায়া (পা.হ.না.)।

ভৰ—পৰম দুখ-ভৰ পাই হেঠমাথ কয়ল (কে. গো. না.)।

ভৱ-নই—পাৱত ভৱ-নদি পাৰ (কে. গো. না.)।

ভান্তি—পদতল অলকত ভান্তি (ক. হ. না.)।

ভিড়ি—মুনি আসন ভিড়ি তথি বৈঠল (পা. হ. না.)।

ভুঞ্জই—ভুঞ্জয় ডাবৰ পানী (ৰামায়ণ)।

ভেলা—ধূলি ধুসৰিত ভেলা (ভূ. কু. যু.)।

ভো—ভো ভো সভাসদ (ৰা. বি. না.)।

মৰণে—মোহোৰ মৰণে বৰ হৈবেক অকাৰ্য্য (ব. যু.)।
মহাসুখ/মহাসুহ—ৰত্নৰ শয্যাত কেহো শুইল মহাসুখে (ৰামায়ণ)।
মূঢ়া—স্বামী দেৱৰক পৰোক্ষত মূঢ়া মুনিসাই পৰিহৰি (ৰামায়ণ)।
মোলাণ—সুললিত ভুজ যুগ ৰতন মোলাণ (ক. হ. না.)।
যাই—শ্ৰীকৃষ্ণ ৰুকমিনি কন্যাক হৰি লিয়া জাই (ক. হ. না)।
ৰথে—সেহি সময়ত ৰথে চড়িলা নৃপতি (ব. যু.)।
শঙ্কা—ইহাত কিচো সঙ্কা নাহি (কা. দ. যা)।
শবৰী—চম্পাৰ ভিতৰে বসি আছে এক সিদ্ধা।

মামত শবৰী তাই আতি বৰ বৃদ্ধা॥ (ৰামায়ণ)।

শিআলী—শিয়ালীক লাগি যেন কেশৰী কিটাইল (ৰামায়ণ)।
ষাৰা—বালী বোলে শুনাওৰে পটেশ্বৰী তাৰা।

ৰূপে-গুণে বিতোপনী সংসাৰতে সাৰা॥ (ৰামা.)

সংহাৰ—তাহেক কালৰূপে সংহাৰ কৰহ (অ. ভ.)।
সন্ধানে—ওহি বজ্ৰ সন্ধানে তোহাৰি প্ৰাণ চোড়াঞু (পা. হ, না)।
সৰ-সন্ধানে—দৃঢ় শৰ-সন্ধানে ব্যোথিত ভৈল যোদ্ধ। (ব. যু.)।
সমাঅ/সমায়—গোৱাৰিক ডেৰ সমাই (ভূ. হ, ঝু.)।
সসি—সৰত সসি নিসি ধাৱলি অধিক (কে. গো. না)।
সাঙ্কম/সাঙ্কমত—তিনিখান সাঙ্কো আছে সঞ্চে আছে জুৰি (ৰামায়ণ)।
সাঙ্গ/সাঙ্গে— { হামু তোহোৰ সঙ্গে চলব (পা. হ. না)।
বিধৱা নোহস তাক জানেঁ। সাঙ্গে সাঙ্গে (ৰামায়ণ)। }
সাচ—কোন সচা কোন মিছা ইহাক নাহি জানলু (ব্ৰহ্মামোহন ঝুমুৰা)।
সাসু—সত্যভামা অদিতি সাসুক জাম্বুপাৰি প্ৰণাম কয়ল (পা. হ. ন.)।
সুণা—সুনা হাতে আসি যেৱে ভৈল পুণ্ডৰীক (ব. যু.)।
সুনিআ—সুনিআ মোহ ধুনি (কে. গো. না)।
স্বপনে—স্বপনে গিয় যে ৰামে মাত্ৰ গতি দেৱ নজানন্ত আন (ৰামায়ণ)।
হৰ—হৰৰ প্ৰসাদে সঞ্জয়নী মণি দানে (ব. যু.)।
হৰিণি—হৰিণি হৰায়ত চেতন এতনু (কে. গো. না.)।
হে—হে মুনিৰাজ হামু বালক (ৰা. বি. না.)।

হোই—কৈচন কেশৱ দৰসন হোই (ক. হ. না)।
হোন্তি—তাপসৰ বেশ প্ৰভু হোন্ত জটাধাৰী (ক. হ. না.)।

ওপৰত দেখুওৱা শব্দ-সম্ভাৰৰ উপৰিও চৰ্য্যাৰ বৈয়াকৰণিক নিয়ম অসমীয়া ব্ৰজাৱলী ভাষাত পৰিলক্ষিত হয়। প্ৰাক্-বৈষ্ণৱ আৰু উত্তৰ-বৈষ্ণৱ যুগৰ কিছুমান লিখনিতো চৰ্য্যাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য আৰু শব্দৰাজি দেখা যায়। উল্লেখযোগ্য কথা এই যে পুৰণি অসম বুৰঞ্জীসমূহৰ মাজতো চৰ্য্যাৰ শব্দ কিছুমান সংৰক্ষিত হৈছে। খৃষ্টীয় ৬ষ্ঠ শতিকাৰ পৰা ১২শ শতিকাৰ ভিতৰত পূব ভাৰতৰ প্ৰচলিত কথিত ভাষাক ধৰ্মীয় নিগূঢ়ভাৱে আস্বাদিত কৰি ধৰ্ম্ম-গুৰু তথা কবি-সাহিত্যিক সকলে লিখাত প্ৰয়োগ কৰা হেতুকে চৰ্য্যাপদৰ ভাষা স্বাভাৱিক ভাষাৰ পৰা কিছু পৃথক হৈ পৰিছে। অসমীয়া অঙ্কীয়া নাট, বৰগীত, ভট্টদেৱৰ কথা-গীতা, কথা-ভাগৱত আদিৰ ভাষা সমসাময়িক স্বাভাৱিক লিখিত ভাষাৰ পৰা পৃথক হৈ পৰাৰ লগত চৰ্য্যাপদী ভাষাৰ স্বকীয়াত্ব তুলনীয়।

চৰ্য্যাপদৰ শব্দৰ লগত কামৰূপী শব্দৰ সাদৃশ্যও তেনেই ওচৰ চপা। সেইবোৰ আজিকোপতি আমাৰ সমাজত হুবহু ৰূপত চলি আছে। তলত সিবিলাকৰ যৎকিঞ্চিৎ উদাহৰণ দেখুওৱা হ'ল :

চৰ্য্যাৰ শব্দ	কামৰূপী শব্দ	চৰ্য্যাৰ শব্দ	কামৰূপী শব্দ
অমিয়া	অমিয়া	ঘাট	ঘাট্
আন	আন্ (অন্য)	ঘিণ	ঘিণ্
আলা-জালা	আল্-জাল্	চাৰি	চাৰি
কাম	কাম্	চোৰে	চোৰে/চুৰে
কুঠাৰ	কুঠাৰ্	জাণ	জান্ (জীৱন)
খৰ	খৰ্	জেণঁ	যেন্
খাট	খাট্	ঠাকুৰ	ঠাকুৰ্
খুৰ	খুৰা	ডাল	ডাল্
ঘৰ	ঘৰ্	ডাহ	ডাহ্ (দাহন)

চর্য্যাৰ শব্দ	কামৰূপী শব্দ	চর্য্যাৰ শব্দ	কামৰূপী শব্দ
তিণি	তিনি	বাপুড়ী	ব'পুৰী
দাণ্ডী	দাণ্ডী	ভত্তাৰে	ভত্তাৰে
দুআৰত	দুৱাৰত্	ভাত	ভাত্
ণণন্দ	ননন্দ্	ৰূপা	ৰূপা
নাল	নাল্	লাউ	লাউ
পহিল	পহিল্	হৰিণা	হৰিণা
পাগল	পাগল্	হাক	হাক্
পাণী	পানী	হাড়ী	হাড়ী
ৰাপুড়া	ব'পুৰা	হোই	হোই, ইত্যাদি।

এইবোৰৰ উপৰিও চর্য্যাপদত কিছুমান প্রবচন বা যোজনা পৰিলক্ষিত হয়। তলত সিবিলাকৰ কেইটিমান দাঙি ধৰা হ'ল :

'ৰুখেৰ তেন্তুলি কুম্ভীৰে খাঅ' (গছৰ তেতেলি কুম্ভীৰে খায়, ২)।

'অপনা মাংসে হৰিণা বৈৰী' (হৰিণাৰ গাৰ মঙহেই শত্রু, ৬)।

'হাথেৰ কাঙ্কণ মা লোউ দাপণ, (হাতৰ স্বচ্ছ কঙ্কণ এৰি দাপোণ নলবা, ৩২)।

'হাড়ীত ভাত নাঁহি নিতি আবেশী' (চৰুত ভাত নাই, অথচ নিতৌ আলহী আহে, ৩৩)।

'দুহিল দুধ কি বেণ্টে ষামায়' (দোৱা গাখীৰ জানো পুনৰ বাঁটত সোমায়? ৩৩)।

'নিতি নিতি ষিআলা ষিহেঁ ষম জুঝঅ' (শিয়ালে নিতৌ সিংহৰ লগত যুজে, ৩৩)।

'গুৰু বোব সে সীসা কালা' (বোবা গুৰুৰ কলা শিষ্য, ৪০)।

'নিঅ ঘৰিণী চণ্ডালে লেলী' (নিজৰ ঘৈণীয়েকক চণ্ডালে নিলে ৪৯)।

প্রবচনবোৰৰ ব্যৱহাৰে চর্য্যাপদৰ প্রকাশ-ভঙ্গীৰ সৌন্দর্য্য আৰু তত্ত্ব-কথাৰ গাম্ভীর্য্য বঢ়াইছে। এইবোৰৰ প্রভাৱ পৰবর্ত্তী কালৰ

অসমীয়া সাহিত্যত বিৰাজমান। মাধৱ কন্দলিৰ ৰামায়ণ, হৰিবৰ বিপ্ৰৰ কাব্যৰাজি, শঙ্কৰদেৱৰ ৰচনাৱলী, অনন্ত কন্দলি-ৰামসৰস্বতীৰ কাব্যসমূহ, বুৰঞ্জী-পুথি আৰু চৰিত সাহিত্যত অলেখ ফকৰা-যোজনা পোৱা যায়। এইয়া পৰোক্ষভাৱে চৰ্য্যাপদৰেই প্ৰাবচনিক আদৰ্শ হ'ব পাৰে।

মুঠতে ভাষা, সাহিত্য, ধৰ্ম, সমাজ আৰু সংস্কৃতিৰ দিশৰ পৰা চালে চৰ্য্যাপদৰ লগত অসমীয়া ভাষা-সাহিত্য, সমাজ আৰু সংস্কৃতিৰ এক নিগূঢ় ঘনিষ্ঠতা উপলব্ধি কৰা যায়।[১১]

১১। নীলাচল, ২য় বছৰ, ১ম সংখ্যা, গুৱাহাটী ; ড° উপেন্দ্ৰ নাথ গোস্বামী, প্ৰাক-অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ, ১৯৮৫।

তৃতীয় অধ্যায়

চৰ্য্যাপদৰ পাঠ আৰু কবি-পৰিচয়

[ক] চৰ্য্যাপদৰ পাঠ-নিৰূপণ

মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে আৱিষ্কাৰ কৰা 'চৰ্য্যাচৰ্য্য বিনিশ্চয়' গ্ৰন্থখন ভাৰতৰ কেবাজনো পণ্ডিতে বঙালী, ইংৰাজী আৰু হিন্দী ভাষাত সম্পাদন কৰিছে। অসমীয়া ভাষাত আমিও পোন প্ৰথমবাৰ সম্পাদন কৰিছোঁ। এই বিষয়ৰ সম্পাদিত গ্ৰন্থসমূহৰ ভিতৰত শাস্ত্ৰীৰ 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা' (১৯১৬ খৃঃ), ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ Origin and Development of Bengali Language-ত সন্নিবিষ্ট খণ্ড (১৯২৬), ড° প্ৰবোধচন্দ্ৰ বাগচীৰ 'Materials for Critical Edition of the Old Bengali Charyapadas' (1938), ড° প্ৰবোধচন্দ্ৰ বাগচী আৰু শান্তিভিক্ষু শাস্ত্ৰীৰ যুগ্ম-সম্পাদনাত ওলোৱা 'চৰ্য্যাগীতি-কোষ' (১৯১৬), ড° মহম্মদ শহীদুল্লাৰ 'Buddhist Mystic Songs' (1940), অধ্যাপক মনীন্দ্ৰমোহন বসুৰ 'চৰ্য্যাপদ' (১৯৪৫), ড° সুকুমাৰ সেনৰ 'Old Bengali Texts or Charya-gitikosa' (1948), 'চৰ্য্যাগীতিপদাবলী' (১৯৫৬), ড° তাৰাপদ মুখোপাধ্যায়ৰ 'Old Bengali Language and Texts' (1963), 'চৰ্যাগীতি' (১৯৬৫), ৰাহুল সাংকৃত্যায়নৰ 'দোহাকোশ' (হিন্দী, ১৯৫৭), আৰু ড° নীলৰতন সেনৰ 'চৰ্য্যাগীতিকোষ' (ইংৰাজী খন ১৯৭৩ বঙলাখন ১৯৭৮) নামৰ গ্ৰন্থসমূহ বিশেষভাৱে উল্লেখ-যোগ্য। আমাৰ সম্পাদিত 'চৰ্য্যাপদ' পুথিখন ১৯৭৩, ১৯৮৭ আৰু ১৯৯২ চনত প্ৰকাশিত।

'চৰ্য্যাগীতিকোষ'ৰ আৱিষ্কাৰক হিচাপে আৰু তাৰ প্ৰথম পাঠ নিৰূপণকাৰী হিচাপে শাস্ত্ৰী মহাশয় এই বিষয়ক আলোচনাকাৰীৰ

পক্ষে অগ্ৰগণ্য আৰু নমস্য ব্যক্তি; তেওঁ প্ৰাচ্য ভাৰতত অষ্টম-দ্বাদশ শতিকাৰ ভিতৰত প্ৰামাণিকভাৱে চলি থকা আৰু পৰবৰ্ত্তী কালত বিলুপ্ত হ'ব ধৰা এৰিধ ভাষা, সাহিত্য, সংগীত-কলা, সমাজ-সংস্কৃতি আৰু সহজযান ধৰ্মৰ আধাৰ-গ্ৰন্থ হিচাপে চৰ্য্যাচৰ্য্যবিনিশ্চয়' বা বৌদ্ধগান আৰু দোহা উদ্ধাৰ কৰি তথ্যানুসন্ধিৎসু আৰু তত্ত্ব-জিজ্ঞাসু পণ্ডিত সমাজক এক অপূৰ্ব উপহাৰ দিছে। ইয়াৰ বাবে শাস্ত্ৰীৰ ওচৰত বিদ্বান সমাজ চিৰদিন ঋণী হৈ থাকিব। চৰ্য্যাপদবোৰৰ লিখন-ৰীতি বা শব্দসমূহৰ উপস্থাপন-ৰীতি আমাৰ ৰজাঘৰীয়া তামৰ ফলিবোৰত আখৰবোৰ একে লেঠাৰিয়ে লিখা নিয়মৰ দৰে। ৭ম শতিকাৰ কামৰূপাধিপতি ভাস্কৰ বৰ্মাৰ নিধনপুৰ তামৰ ফলি বা ১১শ শতিকাৰ কামৰূপ-ৰজা ইন্দ্ৰপালৰ গুৱাকুছি তামৰ ফলিখন চালেই তেতিয়াৰ যুগৰ লিখন-পদ্ধতি কেনে আছিল তাক সহজে বুজিব পাৰি। শব্দ-বিভাজনৰ সংকেত নথকা চৰ্য্যাগীতবোৰৰ পাঠ-নিৰ্ণয়ত হৰপ্ৰসাদ শাস্ত্ৰীয়ে স্বাভাৱিকতেই অসুবিধা পাইছিল। গতিকে তেওঁ চৰ্য্যাৰ পাঠ-নিৰূপণত নিখুঁত হ'ব পৰা নাই। এনে ত্ৰুটীৰ বাবে শাস্ত্ৰী অকলে মুঠেও দায়ী নহয়; দায়ৰ ভাগ লিপিকাৰ আৰু তীব্বতী ভাষাৰ অনুবাদকৰ গাতো আছে। তদুপৰি লিপিকাৰৰ লিপি-চেতনা, শব্দ-জ্ঞান আৰু তেওঁৰ দৈনন্দিন সমাজখনৰ অদৃশ্য প্ৰভাৱো সংশ্লিষ্ট সমালোচনাৰ পৰা মুক্ত নহয়। অৱশ্যে বৰ্ত্তমান যুগত চৰ্য্যাপদ কেন্দ্ৰিক বিষটোৰ ওপৰত সামগ্ৰিক দৃষ্টিকোণৰ পৰা যিমানখিনি গুৰুত্ব আৰোপ কৰা হৈছে, গীত-ৰচয়িতা আৰু লিপিকাৰৰ সময়ছোৱাত হয়তো সিমানখিনি গুৰুত্ব দিয়া হোৱা নাছিল। চৰ্য্যাকাৰ সকলৰ ভিতৰত কিছুমান বিচক্ষণ বুদ্ধিৰ সচেতন কবি আছিল বুলিও আনুসঙ্গিক প্ৰমাণ পোৱা যায়। অৱশ্যে দুই এজন গীত-ৰচকৰ কথা সুকীয়া। প্ৰসঙ্গক্ৰমে কব পাৰি যে কেইগৰাকীমান গীতিকাৰৰ প্ৰয়োজনীয় বা স্বাভাৱিক ৰীতি অনুযায়ী পৰিচয়েই নাই। সেইবুলি সিবিলাকৰ কবি প্ৰতিভা বা তত্ত্বোপলব্ধিৰ শূন্যতা দুই কৰিব নোৱাৰি। আচলতে, চৰ্য্যা-ৰচকসকল আছিল একান্ত সাধক; গীত-

বোৰ আছিল সিবিলাকৰ অন্তৰ নিগৰি ওলোৱা সহজযানী তত্ত্বৰ স্বাক্ষৰ স্বৰূপ। হয়তো, সহজীয়া সিদ্ধাচাৰ্য্যসকলে পন্থীয় পৰম্পৰা ৰক্ষাৰ অৰ্থে চৰ্য্যাগীতবোৰ ৰচনা কৰিছিল। পিছে, অলপ কেইবছৰ-মানৰ ভিতৰত সেই গীতবোৰ ৰচনা কৰা হোৱা নাছিল, ৮ম শতিকাৰ পৰা ১২শ শতিকা পৰ্য্যন্ত প্ৰায় চাৰি-পাঁচ শ বছৰৰ ভিতৰত গুৰু-পৰম্পৰা অনুযায়ী সেইবোৰ ৰচিত হৈছিল[১]। প্ৰথম অৱস্থাত হয়তো গীতবোৰ শিষ্যসকলৰ মুখে মুখেই চলিছিল; পৰবৰ্ত্তী কালতহে সেইবোৰ লিপিবদ্ধ কৰা হৈছিল। 'চৰ্য্যাগীতিকোষ'ৰ তীব্বতী অনুবাদৰ শেষ অংশৰ সংস্কৃত ছাঁয়াৰ পৰা জনা যায় যে মূল পুথিখন এশটা গীতৰ সংকলন আছিল। পিছে, এনেবিধৰ গীতৰ সংকলন হয়তো আৰু আছিল। কাৰণ প্ৰায় চাৰি-পাঁচ শ বছৰৰ ভিতৰত কেৱল এশটা চৰ্য্যাগীতহে ৰচিত হৈছিল বুলি ভাবিলৈ টান লাগে। তাতে আকৌ, সহজীয়া পৰিমণ্ডলত গুৰু-পৰম্পৰা চলিছিলেই; সেইমতে আগৰ গুৰুৰ পদানুসৰণ কৰি পিছৰ শিষ্য-গুৰুসকলেও দোহা বা গীত অথবা ধৰ্ম-পুথি ৰচনা কৰিব লাগিছিল। আনহাতে সহজযান পন্থাত ৮৪ জন বিশেষ সিদ্ধাচাৰ্য্য আছিল বুলি এটি প্ৰসিদ্ধি আছে। পন্থীয় ৰীতি অনুযায় এওঁলোকৰ প্ৰত্যেকে ২/৩ টাকে গীত ৰচনা কৰিলেও বহুত গীত হয়। আনহাতে ২৩ জন সিদ্ধাচাৰ্য্যৰ দ্বাৰা ৰচিত ৫০টা গীত পোৱাই গৈছে; তেনেস্থলত বাকী ৬১ জন সিদ্ধাচাৰ্য্যৰ গীত কলৈ গ'ল? তদুপৰি একোজন সিদ্ধাচাৰ্য্যই সপ্তাধিক গীত ৰচনা কৰাৰো নজিৰ আছে। গতিকে এশতকৈও বেছি গীত যে ৰচিত হৈছিল সেইয়া সহজেই অনুমেয়। যি কি নহওঁক, সেই এশটা গীতৰ সংকলনৰ পৰা আচাৰ্য্য মুনিদত্তই ৫০টা গীত বাছি লৈ

১। অসমৰ বৈষ্ণৱ সত্ৰসমূহৰ পৰম্পৰা অনুযায়ী সত্ৰাধিকাৰসকলে গীত-পদ, নাট-ভাটিমা ৰচনা কৰিব লাগিছিল। সহজযান ধৰ্মতো গুৰু-পৰম্পৰা মতে সিদ্ধাচাৰ্য্যসকলে দোহা-গীত বা আন ধৰ্মগ্ৰন্থ ৰচনা কৰিছিল।

তাৰ সংস্কৃত টীকা লিখিছিল[২]। এই সটীক পুথিখনৰে নাম ৰখা হৈছিল 'চৰ্য্যাগীতিকোষ' বুলি[৩]।

মুনিদত্তৰ সময় খৃষ্টীয় চতুৰ্দশ শতিকা বুলি আনুসঙ্গিক প্ৰমাণৰ দ্বাৰা নিৰ্ণয় কৰা হৈছে। কিন্তু তেওঁৰ স্বহস্ত লিখিত টীকা-পুথিখন পোৱা হোৱা নাই, 'চৰ্য্যাচৰ্য্য বিনিশ্চয়' বা 'চৰ্য্যাগীতিকোষ' বুলি যিখন পুথি পোৱা হৈছে, সেইখন পৰবৰ্ত্তীকালৰ কোনো লিপিকাৰৰ হাতৰ পুথি। অৱশ্যে সেই লিপিকাৰজনো সহজীয়া পন্থী বা সেই পন্থৰ অনুৰাগী হোৱাটো স্বাভাৱিক। কাৰণ, আন মানুহে সহজীয়া পন্থৰ এই ধৰ্ম্ম-গীতৰ পুথিখনি চুবলৈ পোৱাটো আচৰিত কথা। যি কি নহওঁক, লিপিকাৰ এজনেই হওঁক বা কেবাজনেই হওঁক, তেওঁলোক ভাষাৰ প্ৰসঙ্গত বা বাননৰ ক্ষেত্ৰত সচেতন আছিল বুলি মনে নধৰে ; কাৰণ একেটা শব্দকে বেলেগ বেলেগ বাননত লিখা হৈছে ; যেনে—অইস (৪১), আইস (২৯, ৩২) ; অইসন (২), অইসণি (২) ; অকাশ (৫০), আকাশ (৪১) ; অগে (১৫), আগ (৩২), আগে (১৫) ; অঙ্গন, আঙ্গন (২) ; অদঅ (৪৯), আদঅ (৫ ;) অণ (৪৪, ৪৬), অন (৩৮) ; অপণা (৬, ২৬, ৩৯), অপ্পণা (৩৯), অপাণা (৩৯) ; অমিঅ, অমিঅঁ (২১), অমিআ, অমিয়, অমিয়া (৩৯) ; অৱস (১২), অৱশ (১২) ; একেলী (২৮), একেলেঁ (৩৯) ; কইসণ (২২), কইসণি (১৮), কইসা, কইসেঁ (৪০) ; কপালী (১০), কাপালি (১০), কবালী (১১), কাবালী (১৮) ; কহিহ (২), কাহিব (৪০) ; কাহেৰি (৩৭), কাহৰি (১০), কাহেৰ (৭), কাহৈৰি (৯) ; কিষ, কীষ (২৯), কীস (৬, ৪০) ; গেলি (৩৭), গেলী (৮) ; ঘিণি (৬), ঘেণি (২৯) ; চউদিস (৮), চৌদীস (৬) ; চউশঠী (৩), চউষঠ্‌ঠি (১২) ; জইষ (৪১), জইসা (২২, ৪০, ৪১) ; জোই (১০, ১৪, ১৯, ৩০, ৩৭, ৪২), যোগী (১১), জোইনি/যোইনি

২। চৰ্যাগীতি, পৃঃ ৯।

৩। ডঃ নীলৰতন সেনে নেপালত গৈ পোৱা টীকাযুক্ত হাতেলিখা পুথিখনৰ আবৰণী-পৃষ্ঠাত লিখা আছে—'চৰ্য্যাচৰ্য্য টীকা' বুলি।

(৪), জোইণী/যোইনী (২৭) ; ণাৱী (১৩), নাৱী (৮) ; তিণি (১৮), তিনি (৭) ; শৱৰি (৫০), শৱৰী (২৬), সৱৰী (২৮) ; শণী (১১), সণী (১৭) ; ষবহৰ (২৭), সসহৰ (১৮) ; ইত্যাদি। একেটা শব্দৰে বানন-ভিন্নতাই বেলেগ অৰ্থ প্ৰকাশ কৰা নাই। বাননৰ গড়মিল থাকিলেও শব্দবোৰে যথাযুক্ত অৰ্থকে বহন কৰিছে ; সংস্কৃত ৰীতি-অনুযায় আখৰ আৰু তাৰ ধ্বনি একে হলেও অসমীয়া ভাষাত তাৰ গুৰুত্ব বা ঔচিত্য ৰক্ষা কৰা নহয়। কামৰূপী প্ৰাকৃত-অপভ্ৰংশ আৰু পুৰণি অসমীয়া ভাষাত 'বৰ্ণ-ধ্বনি' আৰু 'উচ্চাৰণ'—এই দুয়োটাৰ মাজত পাৰ্থক্য নথকাটো এক প্ৰকাৰ বৈশিষ্ট্য হিচাবেই চলি আহিছে। চৰ্য্যাপদত এই বৈশিষ্ট্য বিদ্যমান। এই বানন-ভিন্নতা বা বানন-বিভ্ৰাটে অসমীয়া মানুহৰ মনত অৰ্থবোধৰ ক্ষেত্ৰত আহুকাল নজন্মায়। অৱশ্যে, চৰ্য্যাপদৰ বানন-বৈশিষ্ট্যই শাস্ত্ৰীক চৰ্য্যাবোৰৰ যথাৰ্থ পাঠ-নিৰূপণত বাধা জন্মাব পাৰে। তাতে আকৌ, চৰ্য্যাগীতবোৰত শব্দ-বিভাজন নাছিল ; শব্দসমূহৰ আখৰবোৰ একে লেঠাৰিকৈ লিখা, মাজত শব্দ-নিৰ্দেশক কোনো চিন-মোকাম নাই। কেৱল ভাৱৰ সম্পূৰ্ণতা বা অৰ্দ্ধ-সম্পূৰ্ণতা বুজাবলৈ প্ৰতিটো প্ৰথম শাৰীৰ অন্তত এডাল দাড়ি (।) আৰু দ্বিতীয় শাৰীৰ অন্তত দুডাল দাড়ি (॥) দিয়া হৈছে। গীত হিচাপে শাৰী বুজোৱা চিন টীকাযুক্ত পুথিখনৰ লিপিত আছে ; কিন্তু শব্দ-নিৰ্দেশক ফাক-চিন নাই। দুশাৰী পদৰ অন্তত 'ধ্ৰু' বুলি লিখা আছে। যেনে—কাআতৰুবৰ পঞ্চবিডাল। চঞ্চলচীএ পইঠোকাল ॥ ধ্ৰু ॥ দিঢ়কৰিঅমহাসুহপৰিমাণ। লুইভণইগুৰুপুচ্ছিঅজাণ ॥ ধ্ৰু ॥ ইত্যাদি। এনে অৱস্থাতো শাস্ত্ৰী মহাশয়ে নিজৰ সংস্কৃত ভাষাত থকা দখল, শব্দ-জ্ঞান আৰু অৰ্থ-বোধৰ দ্বাৰা পদ-শাৰীৰ শব্দবোৰ পাৰ্য্যমানে শুদ্ধভাৱে উপস্থাপন কৰিছে। এনে কাৰ্য্যত তেওঁক প্ৰধানকৈ সহায় কৰিছে আচাৰ্য্য মুনিদত্তৰ সংস্কৃত টীকা-গ্ৰন্থই ; আচলতে শাস্ত্ৰীয়ে 'চৰ্য্যাচৰ্য্য বিনিশ্চয়' বা 'চৰ্য্যা-গীতিকোষ' নামৰ গ্ৰন্থৰ টীকাহীন মূল পুথিখন পোৱা নাই ; মুনিদত্তৰ টীকাযুক্ত 'চৰ্য্যাচৰ্য্যটীকা' পুথিখনেই মূলপুথি যেন হৈ পৰিছে।

চৰ্য্যাপদৰ পাঠ-নিৰূপণত সংস্কৃত টীকাৰ উপযোগিতা অনেক বেছি। কাৰণ প্ৰতিটো গীতৰ টীকাত চৰ্য্যাৰ বহু শব্দৰ প্ৰতি-শব্দ আছে আৰু সেই প্ৰতিশব্দবোৰৰ সহায়ত মূল গীতৰ পাঠ সংশোধন বা নিৰ্বাচন কৰা সহজ হৈছে। সংস্কৃত-টীকাৰ জৰিয়তে তিনি প্ৰকাৰে সহায় পোৱা গৈছে ; সেইয়া হ'ল—(১) গীতৰ পাঠ-সংশোধনত, (২) গীতৰ বাচ্যাৰ্থ স্পষ্টীকৰণত, আৰু (৩) আধ্যাত্মিক তত্ত্বৰ ব্যখ্যা দাঙি ধৰণত।[৪] শাস্ত্ৰী মহাশয়ে এনে বিধৰ সুবিধা স্বাভাৱিকতেই গ্ৰহণ কৰিছিল। কিন্তু লিপি-পাঠে শাস্ত্ৰীক অসুবিধাত পেলাইছিল বুলি অনুমান কৰা যায়। তেওঁ নেপালত থাকি চৰ্য্যাগীতিকোষ অধ্যয়ন কৰাৰ প্ৰসঙ্গত ভীৰবজ্ৰী পণ্ডিতৰ সহায় নোলোৱাকৈ থকা নাই। নেপালত সংৰক্ষিত পুৰণি হাতে-লিখা পুথি পঢ়িব জনা এক শ্ৰেণীৰ পেচাদাৰী লোকেই আছিল।[৫] তেনে লোকৰ পৰা শাস্ত্ৰীয়ে সহায় পাইছিল। শাস্ত্ৰীৰ পক্ষে উক্ত পুথিৰ আখৰবিলাক সম্পূৰ্ণ অপৰিচিত নহলেও সুপৰিচিতও নহয়। অনেক ক্ষেত্ৰত শাস্ত্ৰীয়ে আন্দাজতে আখৰ চিনিব লগা হৈছে ; কিন্তু সকলো ক্ষেত্ৰত আন্দাজ নাখাটে। পুথিৰ ভাষা অপৰিচিত আৰু অৰ্থও দুৰ্বোধ্য তাতে আকৌ পুথিৰ আধাৰিত সহজযান ধৰ্মটিৰো লুপ্তাৱস্থা ; তেনে স্থলত শাস্ত্ৰীয়ে সংস্কৃত টীকাৰ আলমত চৰ্য্যা-গীতসমূহৰ শব্দবিভাগ কৰোঁতে কিমান কষ্ট হৈছিল তাক সহজে বুজিব পাৰি। পাৰিভাষিক শব্দবোৰ বাছি উলিয়াই তাৰ অন্তৰ্নিহিত অৰ্থ দাঙি ধৰাটোও সহজ কথা নহয়। এনেবোৰ কাৰণতেই শাস্ত্ৰীৰ শব্দ-চয়নত খেলিমেলি লগাটো স্বাভাৱিক। তদুপৰি চৰ্য্যাৰ পুথিত ড/ড়/উ—এই তিনিটা আখৰৰ স্বকীয়া গঢ় নাই, কেৱল ড-আখৰটোৰ দ্বাৰাই শব্দ অনুযায় উক্ত তিনিওটা আখৰৰ কাম চলোৱা হয়[৬] ; যেনে—'ডাল', 'বাড়ী' আৰু 'ডআস'। ভাষা-জ্ঞান প্ৰখৰ নহলে

৪। চৰ্যাগীতি, পৃঃ ৩৫-৩৬।

৫। চৰ্য্যাগীতিকোষ, ভূমিকা, পৃঃ ঙ-চ।

৬। চৰ্যাগীতি, পৃঃ ৫২।

চৰ্য্যাৰ শব্দ সজোৱাটো টান। সেইদৰে খ/থ আখৰ দুটাৰ গঢ়ও প্ৰায় একে। আনহাতে, ঙ, ঞ, ন, ম, ং, ँ—এই আখৰ কেইটা '৹'-বিন্দু চিনেৰে বুজোৱা হৈছে; গতিকে 'কিঙ্ক' শব্দটো (৪১ নং চৰ্য্যা) শাস্ত্ৰীয়ে লিখিছে—'কিং তং', সেনৰ মতে 'কিঁ কঁ', নীলৰতন সেনৰ মতে 'কিং কং' হৈছে। অন্যান্য উদাহৰণ—চান্দ/চাঁদ, বলন্দেঁ/বলংদেং, তন্ত্ৰী/তংত্ৰী দুন্দুৰে/দুংদুৰে, কন্ধা/কংখা, ভান্তি/ভাংতি, মাসঁ/মাংস, ইত্যাদি। চৰ্য্যাৰ পুথিত কেইটামান আখৰৰ মাজত থকা পাৰ্থক্য ধৰিবলৈ বৰ টান; যেনে—খ/থ, অ/ম, ড/ড়/উ, ত/দ, ন/ল, ণ/ল, ধ/ব, প/ব, য/য়, শু/শ্ব, ট/ঢ, ি/ে ইত্যাদি।

শাস্ত্ৰী মহাশয়ে সংস্কৃত টীকাৰ ওপৰতে ঘাইকৈ নিৰ্ভৰ কৰিছিল; কিন্তু টীকাকাৰে বা পৰবৰ্ত্তী নকলকাৰকে মূল তত্ত্বৰ কোনো কাৰণ-বশতঃ অস্পষ্টতা হেতুকে দুই এঠাইত খেলিমেলি কৰা যেন ধাৰণা হয়; তেনে ক্ষেত্ৰত শাস্ত্ৰী বা আন পণ্ডিতসকলেও পাঠ গ্ৰহণ কৰোঁতে বিজুতি ঘটা যেন লাগিছে। সেই কাৰণেই আমি পাঠান্তৰৰ বেছি পয়োভৰ দেখা পাওঁ।

পোন-প্ৰথমবাৰ পাঠ-নিৰূপণত শাস্ত্ৰীক টীকা-পুথিখনৰ নকল-কাৰকেও ভ্ৰমত পেলাইছিল। নকলকাৰকৰ ভুলৰ প্ৰসঙ্গত কেবাটাও কথা লক্ষ্য কৰা যায়; যেনে—(১) আখৰবোৰৰ গড়মিল চাই কব পাৰি যে একাধিক লিপিকাৰে পুথিখন নকল কৰি উলিয়াইছে। (২) কোনো জনে লোহাৰ জোঙা কলমেৰে আৰু আন কোনো-বাই হয়তো ঢেঁকীয়া-ঠাৰি বা নল-খাগৰিৰ সামান্য ভোটা কলমেৰে লিখিছে। (৩) লিপিকাৰ সকলে হয়তো কেবাদিনৰ মূৰত লিখি শেষ কৰি পুথিখন আগা-গোড়া পঢ়ি চোৱা নাই; এইয়া হয়তো বৃত্তিয়াল নকলকাৰকৰ কামো হব পাৰে। ফল স্বৰূপে ভুলবোৰ ৰৈ গৈছে; অৱশ্যে দুই-এঠাইত ভুল-সংশোধনৰ স্বাক্ষৰো নোহোৱা নহয়। পিছে মূল গীতৰ পাঠতকৈ তাৰ টীকাৰ ভুল-সংশোধনত বেছি গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে দেখুৱাব

পাৰি যে—১নং চৰ্য্যাৰ সূচনাত 'সহৰ্য্যে' লিখি তাৰ ে-কাৰ ডাল কাটি দিছে। চৰ্য্যাটিৰ সংস্কৃত টীকাত ভালেখিনি কাট-কুট কৰিছে; সেইদৰে আন গীতৰ টীকাতো কৰা হৈছে। ২নং চৰ্য্যাত 'মাগঅই' লিখি ই-টো কাটি দিছে। ৩ নং চৰ্য্যাত 'গৰাহক' শব্দৰ পাছত অনাৱশ্যক দাড়ি-চিন এডাল দিছে, কিন্তু তাক সংশোধন নকৰিলে। ৬নং চৰ্য্যাৰ 'ভুসুকু' শব্দৰ মাজৰ 'সু'-টো এৰি গৈছে; ফলত শব্দটো 'ভুকু' হৈ ৰৈছে। আকৌ ৪৯ নং চৰ্য্যাত সেই একেটা শব্দৰ 'কু' টো বাদ পৰি ভুসু' হৈ গৈছে। ৭ নং চৰ্য্যাত 'বাট' শব্দটোৰ ঠিক পিছতে অদৰ্কাৰী ে-কাৰ এডাল লিখি তাক কটা নাই। ১০ নং চৰ্য্যাৰ 'চৌসঠ্ঠী' শব্দটোৰ 'চৌ' অক্ষৰটিৰ ে-কাৰডাল নাই। ১৭ নং চৰ্য্যাত 'পিচিউ' শব্দৰ পাছতে আৱশ্যকীয় দাড়ি-চিন (।) বাদ পৰি গৈছে। ৩৪ নং চৰ্য্যাত 'কিন্তো ।ক মন্তে' শব্দৰ মাজত প্ৰাক্-দাড়িযুক্ত '।ক'ৰ আবিৰ্ভাৱ লিপিকাৰৰ ভ্ৰান্তিত বাহিৰে আন একো নহয়। প্ৰায়বোৰ শব্দতে প্ৰয়োজন বোধে প্ৰাচীন অসমীয়া ে-কাৰ ব্যৱহৃত হৈছে; কিন্তু দুই-এঠাইত আকৌ দেৱনাগৰী লিপিৰ ^ একাৰ চিনো বহুওৱা হৈছে। কোনো পদ-শাৰীৰ অন্তত এডাল (।) দাড়ি-চিনেৰে বুজোৱা যতি-চিহ্নটো দেৱনাগৰী সংখ্যা ২-ৰ দৰে লিখা হৈছে। ৩৫ নং চৰ্য্যাত 'গণ-সমুদে' শব্দ দুটাৰ 'গণ' শব্দটো 'গঅণ' হব লাগিছিল, ইয়াৰ অ-আখৰটো ভুলতে লিখা নহল। তেনে ভুল দেখা গৈছে নিশ্চিত 'ভাদে' শব্দৰ সলনি 'ভাবে' বুলি লিখাত। সেইদৰে ৪৯ নং চৰ্য্যাতো কেবাটাও ভুল চকুত পৰে; যেনে দঙ্গালে (বঙ্গালে), দ্ৰেশ (দেশ), ভুসু (ভুসুকু), ধাটণ (পাটণ), থা`কিউ (থাকিউ) ইত্যাদি। (৪) পুথিত পূৰ্বী ভাৰতীয় লিপিৰ কেবাটাও গঢ় বা আকৃতি দেখা যায়। (৫) সেইদৰে প্ৰাচীন ভাৰতীয় ভাষাৰ পূৰ্বী শাখাৰ বিবিধ কথিত শব্দ ব্যৱহৃত হৈছে। এনেবোৰ সমস্যা থকা সত্বেও শাস্ত্ৰী মহাশয়ে চৰ্য্যাপদৰ পাঠ-নিৰূপণত বহু পৰিমাণে কৃতকাৰ্য্যতা লাভ কৰিছে।

শাস্ত্ৰীৰ পাছত কেবাজনো পণ্ডিতে চৰ্য্যাপদ সমূহৰ প্ৰকৃত পাঠ নিৰ্দ্ধাৰণ কৰিবলৈ চেষ্টা কৰিছে; সেই সকলৰ ভিতৰত ড° প্ৰবোধচন্দ্ৰ বাগচী, ড° মহম্মদ শহীদুল্লাহ, ড° সুকুমাৰ সেন, ড° তাৰাপদ মুখোপাধ্যায় আৰু ড° নীলৰতন সেনৰ নাম উল্লেখযোগ্য। চৰ্য্যাপদৰ প্ৰসঙ্গত প্ৰয়োজনীয় লিপি-জ্ঞান, কষ্টসাধ্য পাঠ-নিৰূপণ আৰু যথাযুক্ত অৰ্থ-ব্যঞ্জনা হ'ল ড° সুকুমাৰ সেনৰ বৈশিষ্ট্য। এই ক্ষেত্ৰত শেহতীয়াভাৱে ড° নীলৰতন সেনৰ কৃতিত্বও লেখত লব লগীয়া।

[খ] চৰ্য্যাপদৰ কবি-পৰিচয়

'চৰ্য্যাগীতিকোষ' গ্ৰন্থখন মহাযানী বৌদ্ধধৰ্মৰ অন্তৰ্গত সহজযান ধৰ্মৰ তত্ত্ব-বাহক পঞ্চাশটা গীত-পদৰ সংকলন। এই ধৰ্মীয় গীতবোৰ তেইশজন সিদ্ধাচাৰ্য্যৰ ৰচনা। এওঁলোক তীব্বতৰ মহাযানী বৌদ্ধ সম্প্ৰদায়ৰ ৮৪ জন মহাসিদ্ধৰ অন্তৰ্ভুক্ত। এই সিদ্ধপুৰুষ সকলৰ ভিতৰত লুইপাদক সৰ্বশ্ৰেষ্ঠ সিদ্ধাচাৰ্য্য বুলি অভিজ্ঞান কৰা হয়। মন কৰিব লগীয়া কথা যে সিদ্ধাচাৰ্য্য সকলে নিৰ্বাণ লাভৰ কাৰণে অকল ধৰ্ম-সাধনা কৰিয়ে দিন কটোৱা নাছিল, তেওঁলোকে মুখ্য উদ্দেশ্যৰ সমান্তৰালভাৱে গীত-পদ, বিবিধ তত্ত্ব-গ্ৰন্থ আদিও ৰচনা কৰিছিল। তদুপৰি তেওঁলোকৰ ধৰ্মীয় কাম-কাজ আৰু চিন্তা-চৰ্চাৰ যোগেদি সিদ্ধাচাৰ্য্য সকলৰ মানসিক উৎকৰ্ষতা, সামাজিক চেতনাবোধ, আধ্যাত্মিক তত্ত্ব-জিজ্ঞাসা, সাহিত্যসুলভ মননশীলতা আৰু সাংগীতিক অনুৰাগ প্ৰতীয়মান হৈছে। চমুকৈ কবলৈ হলে সহজীয়া সিদ্ধাচাৰ্য্যসকলে আধ্যাত্মিক উৎকৰ্ষতা-সাধন আৰু নিৰ্বাণ লাভৰ উদ্দেশ্যে অহেতুক মায়া-মোহ-অবিদ্যাৰে ভৰা মানুহৰ মনৰ পথাৰখন নিকা কৰিবলৈ চেষ্টা কৰিছিল; তাকে কৰিবলৈ যাওতে তেওঁলোকে প্ৰাচ্য ভাৰতৰ বাস্তৱ সমাজখনৰ পৰা কিছুমান উপাদান আহৰণ কৰিছিল। সেই কাৰণেই তেওঁলোকৰ লিখনিত ধৰ্ম, সমাজ, সাহিত্য, সংস্কৃতিৰ সমন্বয় সাধিত হৈছে। এই বিচক্ষণ সাধকসকলৰ চমু পৰিচয় আজিৰ সমাজখনৰ বাবে প্ৰয়োজনীয় হৈ পৰিছে।

চৰ্য্যা-ৰচকসকলৰ পৰিচয় নিৰ্ণয় কৰিবলৈ যাওতে যাতে পক্ষপাতিত্বৰ দোষে চুব নোৱাৰে তাৰ বাবে কেইবাটাও দিশলৈ লক্ষ্য ৰখা উচিত; যেনে—ঐতিহাসিক তথ্যৰ ভিত্তিত সংশ্লিষ্ট ব্যক্তিগৰাকীৰ জন্ম-স্থান (ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিসীমাসহ), বিষয়-বস্তু ভিত্তিক বিচাৰ, ভাষাগত বৈশিষ্ট্য, সাহিত্য-সংস্কৃতিমূলক তথ্য, আনুসঙ্গিক সমল, লোক-ব্যুৎপত্তি ইত্যাদি। এনেকুৱা দৃষ্টি-ভঙ্গীৰেই তলত কবি-গীতিকাৰসকলৰ চমু পৰিচয় দিবলৈ যত্ন কৰা হ'ল।

লুইপাদঃ—'চৰ্য্যাগীতিকোষ' গ্ৰন্থৰ মতে লুইপাদ সহজযান-

ধৰ্মৰ সৰ্বপ্ৰথম সিদ্ধাচাৰ্য্য। হৰপ্ৰসাদ শাস্ত্ৰীয়ে লিখিছে যে 'তেওঁ ৰাঢ়দেশৰ লোক আছিল। তেওঁ এটা নতুন সম্প্ৰদায় চলাইছিল। তেওঁক আদি সিদ্ধাচাৰ্য্য বোলে। তেওঁৰ সম্প্ৰদায়ৰ লোকসকল সিদ্ধ বুলি বিখ্যাত আছিল। তেওঁ যে বাঙালী সেই বিষয়ে কোনো সন্দেহ নাই।'[৭]—শাস্ত্ৰীৰ এই মন্তব্য আবেগিক আৰু সত্যাসত্যৰ সমাহাৰ; কাৰণ বেছি ভাগ পণ্ডিতৰ মতে লুইপাদ প্ৰাচীন-কামৰূপৰ লোক। এওঁৰ আৱিৰ্ভাৱ-কাল খৃষ্টীয় অষ্টম শতিকাৰ শেষ আৰু নৱম শতিকাৰ আদি ভাগৰ ভিতৰত হ'ব। এই সময় ছোৱাতেই বজ্ৰযান শাখাৰ পৰা ফালৰি কাটি আহি স্বকীয়া ৰূপ লৈ সহজযান পন্থাই দেখা দিছিল। এই পন্থাটো তেতিয়াৰ সৰ্বধৰ্মৰ সমন্বয়-ক্ষেত্ৰ তথা তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি বিখ্যাত কামৰূপ বা কামাখ্যা-কামৰূপ মহাপীঠত গা-কৰি উঠিছিল। সেই সময়ৰ কামৰূপ দেশৰ ভৌগোলিক বা ৰাজনৈতিক সীমাই ইতিহাস-স্বীকৃত উত্তৰ-পূব ভাৰতক সামৰি লৈছিল। খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকালৈকে পুৰণি কামৰূপৰ এই সীমা প্ৰায় একে ধৰণে আছিল। নৱম শতিকাৰ প্ৰথম ভাগত ৰাজনৈতিক সীমা মাত্ৰ কেইবছৰ মানৰ বাবে হোহকা-পিছলা হৈছিল যদিও পুনৰ আগৰ সীমা একে হৈ পৰিছিল।[৮] একেটা ৰাজনৈতিক সীমা আৰু একে সাংস্কৃতিক পৰিধিৰ ভিতৰত দীৰ্ঘকাল জুৰি থকা বাবে ইয়াত কামৰূপ-মহাপীঠক কেন্দ্ৰ কৰি থলুৱা বৌদ্ধ-তান্ত্ৰিকসকলে সহজযান ধৰ্ম নামৰ এটা নতুন পন্থাৰ ৰূপ দিবলৈ সুচল পাইছিল।

এই নতুন ধৰ্মীয় সম্প্ৰদায়টোৰ নেতৃত্ব দিছিল লুইপাদে; তেওঁ প্ৰাচীন কামৰূপৰে লোক আছিল। এই ধৰ্মটো তেতিয়া গোপনে

৭। বৌদ্ধগান ও দোহা, পৃঃ ২১।
৮। Early History of Kamarupa, p 7, The History of Civilisation of the People of Assam, pp. 47ff.; Ancient Indian Historical Tradition, p. 292; Geographical Essays, vol. I, pp. 157f.; A History of Assam, p. 17; পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, পৃঃ ৭।

চলিছিল। সপ্তম শতিকাত চীনা পৰিব্ৰাজক হিউয়েন চাঙ আহি কামৰূপত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ নেদেখাৰ গুৰিতেই হ'ল 'সহজীয়া ধৰ্মৰ গোপনীয়তা'। শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰাদুৰ্ভাৱ দেখি আৰু কোনো প্ৰকাৰৰ ধৰ্মীয় সংঘৰ্ষৰ পৰা আঁতৰি থকাৰ উদ্দেশ্যে সহজযানী সকলে গোপনেই নিজৰ ধৰ্ম পালন কৰিছিল।

বেছিভাগ পণ্ডিতেই লুইপাদক কামৰূপী লোক বুলি ঠাৱৰ কৰিছে। লোক-ব্যুৎপত্তিৰ পিনৰ পৰা চালেও এই কথাৰ সত্যতা উপলব্ধি কৰা যায়; যেনে:—ব্ৰহ্মপুত্ৰ নদীৰ পুৰণি নাম লোহিত্ত বা লুইত। লুইপাদ (<লৌহিত্যপাদ) অৰ্থাৎ লোহিত্ত নদী প্ৰৱাহিত দেশ বা পুৰণি কামৰূপ। 'পাদ' মানে দাঁতি-অঞ্চল, দেশ। এতেকে 'লোহিত্ত + পাদ বা 'লুইত + পাদ = লোহিত্তপাদ বা লুইতপাদ; সেয়ে সংক্ষেপে বিশেষ ব্যক্তিজনক বুজাবলৈ লুইপাদ বা লুইপা হৈছে। গতিকে লুইপাদৰ চিনাকি হ'ল লুইত নদী প্ৰৱাহিত দেশৰ মানুহ। তাহানিৰ অনা-কামৰূপীয়া মানুহে এওঁক পোনতে সেই পৰিচয়-জ্ঞাপক নামটি দিছিল, কিন্তু পিছলৈও সেই নামটি ৰৈ গ'ল। লুইপাদৰ পিতৃদত্ত নাম হয়তো বেলেগ আছিল। প্ৰসঙ্গোচিত কথা যে সকলো কামৰূপীয়া লোকে অন্য ঠাইত জন্ম-দেশক লৈ একে নাম পোৱা নাছিল।

এই গৰাকী আদি সিদ্ধাচাৰ্য্যৰ সময় সম্পৰ্কে অনেকে বেলেগ বেলেগ মত পোষণ কৰিছে। হৰপ্ৰসাদ শাস্ত্ৰীৰ মতে লুইপাদ একাদশ শতিকাৰ লোক; কাৰণ তেওঁৰ 'অভিসময়বিভঙ্গ' গ্ৰন্থত দীপঙ্কৰ শ্ৰীজ্ঞানে সহায় কৰিছিল; এওঁ ১০৩৮ চনত বিক্ৰমশীল বিহাৰৰ পৰা ৫৮ বছৰ বয়সত তিব্বতলৈ যাত্ৰা কৰিছিল।[৯] প্ৰত্ন-তাত্ত্বিক ৰাজমোহন নাথে লুইপাদক একাদশ শতিকাৰ কামৰূপৰ ৰজা ইন্দ্ৰপালৰ এগৰাকী বিষয়া আছিল বুলি দেখুৱাইছে আৰু লুইপাদৰ পূৰ্বনাম 'সমোন্ত শোভা' আছিল বুলি কৈছে।[১০] কিন্তু

৯। বৌদ্ধ গান ও দোহা, মুখবন্ধ, পৃঃ ১৫।

১০। The Background of Assamese Culture, p. 46; J. A. R. S., 1939, pp. 48-51

এই কথাৰ ভিত্তি কি তাক বুজা নাযায়। মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নে আকৌ আন এটি কথা কৈছে। তেওঁৰ মতে সৰহ-পাদৰ শিষ্য শবৰপাদ আৰু সেই শবৰপাদৰ শিষ্য হ'ল লুইপাদ। লুইপাদ ৰজা ধৰ্ম্মপালৰ (৭৭০—৮১৫ খৃঃ) এগৰাকী সচিব বা লেখক-বিষয়া আছিল[১১]। পিছে তীব্বতী গুৰু-পৰম্পৰা মতে লুই-পাদৰ স্থান প্ৰথম, সৰহপাদৰ স্থান সপ্তম আৰু শবৰপাদৰ স্থানো সপ্তম। সাংকৃত্যায়নে কি ভিত্তিত লুইপাদক শবৰপাদৰ শিষ্য বুলি কৈছে তাকো জনা নাযায়। আন এগৰাকী চিন্তাশীল পণ্ডিত আৰু ভাষাতত্ত্ববিদ ড° সুকুমাৰ সেনে কৈছে যে লুইপাদৰ সময় দশম শতিকা বুলি ধৰিলে ভুল হোৱাৰ সম্ভাৱনা কম; লগতে ইয়াকো ন দি কৈছে যে আভ্যন্তৰীণ বিচাৰত লুইক সৰহতকৈ প্ৰাচীনতৰ বুলি কবই লাগিব।[১২] আমি এইসকল পণ্ডিতক শ্ৰদ্ধা জনায়ো কব খোজো যে লুইপাদৰ সময় খৃষ্টীয় ৮ম শতিকাৰ শেষ ভাগ আৰু ৯ম শতিকাৰ আদি ভাগ বুলি ধৰা যুক্তি সংগত হব; কাৰণ, সহজযান ধৰ্মৰ গুৰু-পৰম্পৰা, তীব্বতীয় জন-শ্ৰুতি আৰু সম্পৃক্ত শাস্ত্ৰ সমূহে লুইপাদক সহজান-ধৰ্ম্মৰ আদি সিদ্ধাচাৰ্য্য বুলি স্বীকাৰ কৰে। তদুপৰি সহজযান-ধৰ্মৰ ঐতিহাসিক প্ৰাচীনতা, প্ৰচাৰৰ ব্যাপকতা, সেই যুগৰ ধৰ্মীয় বাতাৱৰণ, গতি-প্ৰগতি, অন্যান্য সিদ্ধাচাৰ্য্যৰ সময়, গীত-পদ-দোহাৰ বিষয়-বস্তুৰ তাত্ত্বিক আৰু সামাজিক প্ৰাসঙ্গিকতা, ভাষাৰ ৰূপ আৰু সহজযানী গ্ৰন্থ আদি তথ্যৰ ভিত্তিত বিচাৰ কৰিলে লুইপাদৰ সময় ৯ম শতিকাৰ পিছলৈ কোনোপধ্যে ঠেলিব নোৱাৰি।

বিদ্যা-বুদ্ধি, চিন্তা-ভাৱনা, আদৰ্শ আৰু সামগ্ৰিক প্ৰতিভাৰ গুণত লুইপাদক আন সহজীয়া সিদ্ধসকলে গুৰু বুলি মানিছিল; সেয়েহে তেওঁ সহজযান পন্থাৰ আদি গুৰু বা শ্ৰেষ্ঠ সিদ্ধাচাৰ্য্য বুলি পৰিগণিত হৈছিল। তেওঁ এগৰাকী তত্ত্বজ্ঞ, কবি, গীতিকাৰ আৰু

১১। দোহাকোশ, ভূমিকা, পৃঃ ১২—১৩।

১২। চৰ্যাগীতি পদাবলী, ভূমিকা, পৃঃ ৮—৯

দাৰ্শনিক শাস্ত্ৰকাৰ। তেওঁ সংস্কৃতত চাৰিখন গ্ৰন্থ লিখিছে ; সেইয়া হ'ল—বজ্ৰসত্ত্বসাধন, বুদ্ধোদয়, শ্ৰীভগবদভিসময় আৰু অভিসময়বিভঙ্গ। কামৰূপী অপভ্ৰংশ ভাষাত লিখা তেওঁৰ আন দুখন পুথি হ'ল— তত্ত্বস্বভাৱদোহাকোষগীতিকা দৃষ্টি' আৰু 'লুহিপাদগীতিকা'।

লুইপাদৰ ১ নং আৰু ২৯ নং চৰ্য্যা দুটিৰ ভাষা কামৰূপী অপভ্ৰংশৰ নিদৰ্শন। কাআ, চীএ, দিঢ়, কৰিঅ, মহাসুহ, ভণই, পুচ্ছিঅ, কাহি, মৰিআই, এড়িএড়, আস, সুনুপাখ, ভিতি, লাহুৰে, পাস, আমহে (আহ্মে), বইঠা, নহোই, গজাই, আইস, পতিআই, তুলক্‌খ, বিলসই, জাহেৰ, গজাণী, সো, কইসে, কাহেৰে কীষ, ভণি, মই, সাচ মিচ্ছা, ভাইব, ভাহেৰ, জা লই ইত্যাদি শব্দবোৰ পুৰণি অসমীয়া সাহিত্যত ব্যৱহৃত শব্দ। মুঠতে ভাষায়ো প্ৰমাণ কৰে যে লুইপাদ এগৰাকী কামৰূপী সিদ্ধাচাৰ্য্য আছিল।

সৰহপাদ ঃ—সৰহপাদ এজন বহুনামী সিদ্ধ পুৰুষ। এওঁ বিভিন্ন প্ৰসঙ্গত আৰু বেলেগ বেলেগ স্থানত সৰোৰুহবজ্ৰ, সৰোজবজ্ৰ, পদ্মবজ্ৰ, পদ্ম আৰু ৰাহুলভদ্ৰ বুলিও পৰিচিত। তীব্বতৰ আটাইতকৈ ডাঙৰ সিদ্ধজনৰ নামো দ্বিতীয় সৰহপা। চৰ্য্যাগীত আৰু দোহা ৰচয়িতা সৰহপাদক ৮ম শতিকাৰ লোক বুলি মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নে খাটাংকৈ লিখিছে ; লগতে কৈছে যে তেওঁ ৰজা ধৰ্মপালৰ (৭৭০—৮১৫ খৃঃ) সমকালীন আছিল[১৩]। ড° সুকুমাৰ সেনে সৰহপাদৰ নিম্নতম সময়-সীমা একাদশ শতাব্দীৰ প্ৰথমাৰ্দ্ধ বুলি ঠাৱৰ কৰিছে।[১৪] বুৰঞ্জীবিদ কনকলাল বৰুৱাই তীব্বতীয় বৌদ্ধ শাস্ত্ৰ আৰু ঐতিহাসিক তথ্যৰ ভিত্তিত পুঙ্খানুপুঙ্খৰূপে বিচাৰ কৰি লিখিছে যে বৌদ্ধ সিদ্ধাচাৰ্য্য সৰহপাদ আৰু নাগাৰ্জুনক দশম শতিকাৰ মাজ ভাগত স্থাপন কৰিব পাৰি।[১৫] কিন্তু আন এঠাইত তেওঁ সৰহপাদক ১০ম-১১শ শতিকাৰ লোক বুলি কৈছে।[১৬]

১৩ দোহাকোশ, ভূমিকা, পৃঃ ৪, ১২।
১৪। চৰ্যাগীতি পদাবলী, ভূমিকা, পৃঃ ৯।
১৫। Early History of Kamarupa, p. 102
১৬। Journal of the Assam Research Society, 1934, p. 85

তীব্বতী গ্ৰন্থ Pag Sam Jon Zan-ৰ মতে সৰহপা প্ৰাচ্য দেশৰ ৰাজ্ঞী নামে নগৰৰ এজন লোক ; এওঁ এজন ব্ৰাহ্মণ আৰু এগৰাকী ডাকিনীৰ পৰা জন্ম লাভ কৰা সিদ্ধাচাৰ্য্য।[১৭] ৰাজ্ঞী নামৰ নগৰখন বৰ্ত্তমান কামৰূপ জিলাৰ 'ৰাণী' ঠাইখনেই বুলি কেবাজনো পণ্ডিতে চিনাক্ত কৰিছে। ৰাহুল সাংকৃত্যায়নে সৰহপাৰ জন্ম-ঠাই হিচাপে প্ৰাচীন কামৰূপকে বুজাইছে।[১৮] আৰ্থাৰ গ্ৰাণ্ড-ৱেডেল আৰু অ'চেপে টুচি চাহাবেও সৰহপাদক কামৰূপী শূদ্ৰ বুলি অভিমত দিছে।[১৯]

বাল্য কালৰে পৰা সৰহপা অসাধাৰণ মেধাবী আছিল। তেওঁৰ ৰচনাৱলীৰ পৰা অনুমান হয় যে ৰাহুলে বেদ-শাস্ত্ৰৰ লগতে ব্যাকৰণ, কোষ, কাব্য আদিও অধ্যয়ন কৰিছিল। পিছত তেওঁ নালন্দাতো উচ্চ শিক্ষা লাভ কৰিছিল। নালন্দাতেই তেওঁ বৌদ্ধ-শাস্ত্ৰত বিদগ্ধ পণ্ডিত হৈ উঠিছিল। ইয়াৰ পিছত তেওঁ উত্তৰ ভাৰতৰ সমগ্ৰ অঞ্চল পৰিভ্ৰমণ কৰিছিল আৰু বৌদ্ধ ধৰ্মৰ অন্তৰ্গত সহজযান ধৰ্মক মহত্বপূৰ্ণ কৰি তুলিছিল। সৰহপাই সহজীয়া পথ, ইয়াৰ বিচাৰ-তত্ত্ব আৰু নিৰ্ব্বাণ-লাভৰ উপায় সম্বন্ধে বহুল প্ৰচাৰ কৰিছিল। তেওঁৰ মতে ধ্যানৰ লগত কৰুণা অতি আৱশ্যকীয় ; কৰুণা অবিহনে ধ্যান বা শূন্যতা-যোগ নিৰৰ্থক। নিজৰ ধৰ্মীয় তত্ত্ব প্ৰচাৰৰ উদ্দেশ্যে তেওঁ সংস্কৃত আৰু জনসাধাৰণৰ কথিত ভাষা অপভ্ৰংশত বিভিন্ন গ্ৰন্থ, গীত আৰু দোহা ৰচনা কৰিছিল।

ৰাহুল সাংকৃত্যায়নে সৰহপাদে লিখা ৭ খন তন্ত্ৰ-শাস্ত্ৰৰ সংস্কৃত টীকা-গ্ৰন্থ আৰু অপভ্ৰংশ ভাষাত লিখা ১৬টা সংগৃহীত পদ্যৰ উল্লেখ কৰিছে। সেইবোৰ হ'ল—[ক] ১। বুদ্ধকপালতন্ত্ৰপঞ্জিকা, ২। বুদ্ধ-কপালসাধন, ৩। বুদ্ধকপালমণ্ডবিধি, ৪। ত্ৰৈলোক্যৱশঙ্কৰলোকেশ্বৰ-

---

১৭। K. L. Barua, 'Kamarupa and Vajrajana', J, A, R, S, 1934, p. 47 ; Dr. B, K. Baruah, 'Notices of Sorcery and its Practices in Assam', J, U, G. Vol, I, p. 51

১৮। দোহাকোশ, ভূমিকা, পৃঃ ১০।

১৯। 'Crypto-Buddhism in Kamarupa', Pragjyotisa, p. 117

সাধন (ছুটা খণ্ড), ৬। ত্ৰৈলোক্যৱশঙ্কৰাৱলোকিতেশ্বৰসাধন, ৭। ত্ৰৈলোক্যৱশঙ্কৰলোকেশ্বৰসাধন। বাকী সংগৃহীত পদ্যবোৰ হ'ল—[খ] (১) দোহাকোশ গীতি, (২) দোহাকোশ নাম চৰ্য্যাগীতি, (৩) দোহাকোশোপদেশ গীতি, (৪) ক খ. দোহানাম, (৫) ক. খ. দোহাটিপ্পণ, (৬) কাযকোশামৃত বজ্ৰগীতি, (৭) বাক্কোশৰুচিৰস্বৰবজ্ৰগীতি, (৮) চিত্তকোশাজবজ্ৰগীতি, (৯) কায়বাক্‌চিত্তামনসিকাৰ, (১০) দোহাকোশ মহামুদ্ৰোপদেশ, (১১) দ্বাদশোপদেশ গাথা, (১২) স্বাধিষ্ঠানক্ৰম, (১৩) তত্ত্বোপদেশশিখৰদোহাগীতিকা, (১৪) ভাৱনাদৃষ্টিচৰ্য্যাফলদোহাগীতি, (১৫) বসন্ততিলকদোহাকোশ গীতিকা, আৰু (১৬) মহামুদ্ৰোপদেশবজ্ৰগুহ্যগীতি।

'চৰ্য্যাগীতিকোষ' সংকলনত সৰহপাদৰ ৪টা গীত আছে। এই গীতৰ ভাষা কামৰূপী অপভ্ৰংশ; সৰহপাদৰ মাতৃভাষা আৰু জন্মস্থানৰ গোন্ধ তাৰ মাজেৰে প্ৰকট হৈ পৰিছে। প্ৰাপ্ত লিপি অনুসৰি পাঠ নিৰূপণ কৰা গীত চাৰিটাত পুনৰুক্তিসহ মুঠ শব্দ আছে ২১০টা; তাৰে ভিতৰত পুনৰুক্তিসহ সংস্কৃত শব্দ আছে মাত্ৰ ২৫টা, অৰ্থাৎ কামৰূপী অপভ্ৰংশ শব্দৰ সংখ্যা হ'ল ১৮৫টা। এই শব্দবোৰ পুৰণি অসমীয়া সাহিত্যত ব্যৱহৃত শব্দ; সময়ৰ প্ৰাচীনতা, ভাষাৰ স্বাভাৱিক মিশ্ৰণ আৰু কথিত ৰূপ অনুযায় মাত্ৰ কেইটামান শব্দহে অপৰিচিত যেন লাগে, সেইবোৰ লিপিকাৰৰ হাতৰ বৃলনিতো হ'ব পাৰে। আনহাতে ধৰ্মীয় গীত হিচাবে তাৰ ভাষাটো উত্তৰ-পূব ভাৰত আৰু নেপাল-তীব্বতৰ ভক্তবৃন্দৰ মাজত বোধগম্য কৰাৰ উদ্দেশ্যে উমৈহতীয়া ৰূপ দিয়াৰ চেষ্টাও গীতিকাৰৰ মনত থাকিব পাৰে। সেই কাৰণে বোধহয় মুইণাহ, অবিদাৰ, ঘুণ্ড, অকট, ছ-ভৰ, কুণ্ডুৰাঁ, বিৰহঁ ঈ ইন্দ্ৰে, পতৱাল, বলআ, উজ্জৰে উজ্জ, খালবিখলা, বদ্ধাৱএ, ৰসানেৰে, কিম্পি আদি শব্দৰ প্ৰয়োগ হৈছে। কেইটামান পাৰিভাষিক শব্দয়ো গীতৰ ভাষাক সুকীয়াত্ব দান কৰিছে। কথিত কামৰূপীৰ চলতি শব্দৰ যথাৰ্থ প্ৰয়োগ কৰিব পৰাটো সৰহপাদৰ অন্যতম বিশেষত্ব।

দাৰিকপাদ ঃ প্ৰাচ্য ভাৰতৰ কেবাজনো ৰজা, ৰাজ-বিষয়া, গণ্য-মান্য লোক আদিয়ে তেওঁলোকৰ সমসাময়িক ধৰ্মৰ প্ৰতি বিশেষ-আকৃষ্ট হোৱা দেখা যায়। প্ৰাচীন কামৰূপৰ ক্ষেত্ৰতো এই কথা খাটে। সহজযান ধৰ্মৰ প্ৰসঙ্গত কামাখ্যা-পীঠ তান্ত্ৰিক বৌদ্ধধৰ্মৰ বিখ্যাত কেন্দ্ৰ হৈ পৰিছিল।[২০] সহজীয়া ধৰ্মই ৰজা ইন্দ্ৰপালকো বিশেষভাৱে আকৰ্ষণ কৰিছিল।

ধৰ্মপাল ৰজাৰ প্ৰথমখন তামৰ ফলিত আছে যে ৰজা ইন্দ্ৰপালে দীৰ্ঘকাল পৃথিৱীৰ সম্যক শাসন কৰিছিল, শক্তিত্ৰয় প্ৰকটিত পৰাক্ৰমৰ দ্বাৰা শত্ৰুজয় কৰিছিল, দেৱৰাজ ইন্দ্ৰৰ সন্তোষ বিধায়ক বহু যজ্ঞ সম্পাদন কৰি তেওঁ ক্ৰিয়াবান ব্যক্তিবৰ্গৰ মাজত অগ্ৰগণ্য হৈছিল আৰু ৰমণীসকলৰ মনত তেওঁ কামদেৱ সদৃশ আছিল।[২১] নিজৰ প্ৰথমখন তামৰ ফলিত পোনতে শিৱৰ বন্দনা গোৱা হৈছে। মাজতে ইন্দ্ৰপাল সম্পৰ্কে কোৱা হৈছে যে তেওঁ পূৰ্বাঞ্চলৰ প্ৰদীপ স্বৰূপ, জিতেন্দ্ৰিয়, নীতিজ্ঞ আৰু আগশাৰীৰ শীলবান ব্যক্তি; তদুপৰি ব্যাকৰণ, মীমাংসা, ন্যায় আৰু আগম-শাস্ত্ৰত তেওঁ পাৰ-দৰ্শী পণ্ডিত আছিল।[২২]

এই গৰাকী বিদ্বান ৰজা ইন্দ্ৰপালেই (১০৩০-১০৫৫) খৃঃ) সহজ-যান ধৰ্ম গ্ৰহণ কৰি দাৰিকপা নাম লৈছিল। 'তেওঁৰ শিষ্য, সহজ-যোগিনী চিন্তাই বজ্ৰযান সম্প্ৰদায়ৰ 'ব্যক্তভাবানুগত তত্ত্বসিদ্ধি' নামৰ গ্ৰন্থ প্ৰণয়ন কৰিছিল বুলি ঐতিহাসিক সকলে অনুমান কৰে।"[২৩]

দাৰিকপাই কেবাখনো পুথি প্ৰণয়ন কৰিছিল, তাৰে ভিতৰত কালচক্ৰ, চক্ৰশম্বৰ, বজ্ৰযোগিনী, কঙ্কালিনী আদি পুথি উল্লেখযোগ্য। তথতাদৃষ্টি শ্ৰীপ্ৰজ্ঞাপাৰমিতাৰ ওপৰতো তেওঁ লিখা পুথি আছে।[২৪]

২০। Early History of Kamarupa, pp. 91f.

২১। কামৰূপ শাসনাৱলী, পৃঃ ১৬০।

২২। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১২৭।

২৩। পণ্ডিত মনোৰঞ্জন শাস্ত্ৰী, 'পুৰণি অসমত ভাৰতীয় দৰ্শন-শাস্ত্ৰৰ চৰ্চা', প্ৰবন্ধ-সৌৰভ, ১৯৬৬।

২৪। বৌদ্ধগান ও দোহা, পৃ. ৩০।

সিদ্ধাচাৰ্য্য হিচাপে দাৰিকপাৰ এটি চৰ্য্যা (৩৭ নং) আছে, তাত তেওঁ লুইপাদক প্ৰণাম কৰিছে ইয়াৰ দ্বাৰা লুইপাদ তেওঁৰ গুৰু আছিল বুলি ধাৰণা হয়—'লুই পাঅপএ দাৰিক দ্বাদশ ভুঅণেঁ লধা'। পিছে, লুইপাদৰ সময় ৯ম শতিকা বুলি ধৰিলে ইতিহাসৰ কাল-বিৰোধ ঘটে, কাৰণ দাৰিকপাদ ১১শ শতিকাৰ সিদ্ধ। আনহাতে লুইপাদক একাদশ শতিকাৰ বুলি ধৰিলেও তীব্বতী গুৰু-পৰম্পৰা মতে তেওঁ 'আদিসিদ্ধ'ৰ লেখত নপৰে। গতিকে লুইপাদ দাৰিকপাৰ জীৱিত গুৰু নে আদৰ্শগত অশৰীৰী গুৰু সেইটো বিচাৰ্য্যৰ বিষয়।

লুইপাদৰ চৰ্য্যাত দুটাকৈ ভণিতা থকাৰ দৰে দাৰিকপাদৰ চৰ্য্যাতো দুবাৰ ভণিতা আছে। গীতটিৰ ভাষা কামৰূপী অপভ্ৰংশ। ইয়াত থকা বিলসই, অলকৃখ দুঃখেঁ-সুখেঁ, একু, কৰিআ, ভুঞ্জই, জানা, মাণী, মোহেৰ, কুলেঁ, চিন্ত, মহাসুহেঁ, পৰম, নিবাণেঁ, বাধা, দ্বাদশ আদি শব্দবোৰ পুৰাণ অসমীয়াত ব্যৱহৃত শব্দ।

কাহ্নু বা কৃষ্ণাচাৰ্য্যপাদ ঃ কাহ্নু, কাহ্নিল, কাহ্নুপাদ, **কৃষ্ণপাদ, কৃষ্ণাচাৰ্য্যপাদ** বা **কৃষ্ণবজ্ৰপাদ**—এই নাম কেইটা একজন সিদ্ধৰ নাম নে একাধিক জনৰ নাম তাক নিশ্চিতকৈ ক'ব নোৱাৰি। একেজন চৰ্য্যাৰচকে বেলেগ বেলেগ নাম লোৱাৰ কাৰণ কি? নামবোৰৰ শাব্দিক সাদৃশ্য অৱশ্যে আছে; অৰ্থবোধৰ পিনৰ পৰাও একে। এই নামবোৰ নিজে গ্ৰহণ কৰা নে সংশ্লিষ্ট ধৰ্মীয় সমাজখনে প্ৰসঙ্গক্ৰমে দিয়া তাকো কোৱা টান। পিতৃদত্ত নাম বুলিও ক'ব নোৱাৰি। কাৰণ সহজযান পন্থাত দীক্ষা লোৱাৰ পাছত ভক্তসকলে পূৰ্বৰ জাতি-কুল, নাম-উপাধি বিসৰ্জন দিয়া এটা অপৰিহাৰ্য্য ৰীতি। সেই হিচাপে (অপভ্ৰংশীয় যুগত) 'কৃষ্ণ' শব্দৰ ঠাইত কণ্হ, কাহ্নু, কাহ্নু বা কাণু হোৱাই যুক্তিসঙ্গত আছিল, অথচ ইয়াত সংস্কৃতীয়া আৰু অপভ্ৰংশীয় দুয়োটা ৰূপেই থাকিল।

হৰপ্ৰসাদ শাস্ত্ৰীয়ে বহুনামী কাহ্নুক একেজন ব্যক্তি বুলিয়ে দেখুৱাইছে; আনহাতে ড° সুকুমাৰ সেনে দুজন ব্যক্তি বুলি অনুমান

কৰিছে। কিন্তু কাহ্নুপাদ কোন ঠাইৰ লোক তাক কোনেও খাটাংকৈ কোৱা নাই আৰু তেওঁৰ সময়-সীমা কি তাৰো উল্লেখ নাই। নাথ-সাধনাৰ ঐতিহ্যমতে কান্‌পা বা কানুপা অথবা কান্‌ফা জালন্ধৰীপাৰ শিষ্য; জালন্ধৰী নামান্তৰে হাড়িপা। নাথ-পন্থাৰ চৌৰাশী সিদ্ধাৰ তালিকাত জালন্ধৰীৰ স্থান ৪৬ আৰু কাহ্ন বা কানপাৰ স্থান ১৭।

ঐতিহাসিক তথ্যৰ অভাৱত কাহ্নুপাদৰ সময় ভাষাৰ ফালৰ পৰা বিচাৰ কৰিব লাগিব। কাহ্নুপাদ বা কৃষ্ণাচাৰ্য্যৰ নামত ১৩টা চৰ্য্যাগীত পোৱা গৈছে। গীতবোৰ যদিও চতুৰ্দশ-পঞ্চদশ শতিকাৰ নকল বুলি ধৰা হৈছে তথাপি লিপিকাৰে সমুদায় শব্দ সলাই লিখা বুলি ক'ব নোৱাৰি; সেইবোৰত ভাষাৰ প্ৰাচীন ৰূপ নিশ্চয় আছে। ভাষাৰ বৈশিষ্ট্য নিৰীক্ষণ কৰিলে বুজা যায় যে কাহ্নুপাদ একাদশ শতিকাৰ লোক হ'ব। তেওঁৰ ভাষা কামৰূপী অপভ্ৰংশ, ইয়াৰ স্বাক্ষৰ আমবাৰীৰ শিলালিপি (১১০৪ শক) আৰু গছতলৰ স্তম্ভলিপিত (১২৮৪ শক) দেখা যায়।

ভাষাৰ বৈশিষ্ট্যই কাহ্নুপাদক কামৰূপী লোক বুলি প্ৰতীয়মান কৰে। তেওঁৰ গীতত ব্যৱহৃত বেছিভাগ শব্দ পুৰণি অসমীয়া সাহিত্যত প্ৰয়োগ হৈছে, যেনে - বিবিহ, বান্ধন, তোড়িউ, সহজ, কৰিণা, বৰিসঅ, সুণ, ভাৱাভাৱ, বলাগ, দশদিসেঁ বিছ্যা, আকলেসৈ, নগৰ, বাহিৰি, তোহোৰি, তোহোৰ, জাই, সো আলো তোএ, সম, কৰিবে, সাঙ্গ (সঙ্গ), নিঘিণ, এক, পাখুড়ী, তহিঁ, চাচ নাচঅ, বাপুড়া তো, সদভাৱে, কাহৰি (কাহেৰি), নাৱেঁ, তান্ত্ৰি, অন্তৰে, ছাড়ি, কপালী, মালী, সৰবৰ, মোলাণ, পৰাণ, বীৰনাদে, যোগী, ঘণ্টা, নেউৰ, চৰণে, ৰবি শশী, কুণ্ডল, আভৰণে, ইত্যাদি। এইদৰে পুনৰুক্তিসহ প্ৰায় ২১২টা শব্দৰ প্ৰয়োগ দেখা যায়। কাহ্নুৱে ব্যৱহাৰ কৰা পাৰিভাষিক শব্দ হ'ল এইবোৰ,—আলি-কালি, এবংকাৰ, কৰুণা, কান্ধ, গঅণ, জিণৰঅণ, জিনউৰ ডোম্বী, তথতা, তথাগত, তিশৰণ, দশবল, নিব্বাণ, পদ্ম, পাঞ্চজণা,

মহাসুহ, ৰবি-শশী, শূন, সসহৰ আৰু সহজ। বিমন, গেলা, বলাগ (বেলেগ), পদমা (পদ্মা), বাপুড়ী (ব'পুৰী), ঘৰে, ভৰ, ঘুমই (ঘুমৈ), আলাজালা (আল্‌জাল্‌), পমাই (পমে), বহল, কুঠাৰ, সড়ি (স'ৰি), আদি শব্দবোৰ আজি-কালিও দৈনন্দিন জীৱনত ব্যৱহৃত থকা, কামৰূপী শব্দ। অসমীয়া ভাষাৰ বৈয়াকৰণিক বৈশিষ্ট্যও কাহ্নুৰ গীতত বিদ্যমান; যেনে—'মতিএঁ ঠাকুৰক পাৰনিৱিত্তা' (১২ নং চৰ্য্যা)। ইয়াৰ মতিএঁ' শব্দত 'এ' বিভক্তি আৰু 'ঠাকুৰক' শব্দত '-ক' বিভক্তি যোগ হৈ অসমীয়া বৈশিষ্ট্যকেই দাঙি ধৰিছে।

তদুপৰি কাহ্নুপাদৰ গীতবোৰৰ মাজেদি প্ৰকাশ পোৱা সমাজ-খনৰ বিবিধ চিত্ৰ, ৰীতি-নীতি, জাতি-সম্প্ৰদায়, জীৱ-জন্তু, ফল-ফুল, খিয়া-বাকু, মানুহৰ ভাৱ-ভঙ্গী, পাৰিবাৰিক সম্বন্ধ, নাও-বঠা, বাদ্য-যন্ত্ৰ ইত্যাদি পুৰণি অসমীয়া সমাজৰেই বিচিত্ৰতা। গতিকে এই বৈচিত্ৰ্য প্ৰতীয়মান কৰা গীতিকাৰ জনো অসমীয়া লোক নহৈ আন হব নোৱাৰে। শাস্ত্ৰীৰ মতে তেওঁ ৫৭ খন গ্ৰন্থ ৰচনা কৰিছিল, কিন্তু 'দোহাকোষ' আৰু কাহ্নুপাদগীতিকা' নামৰ পুথি দুখনত বাহিৰে শাস্ত্ৰীয়ে আন পুথি দেখুৱাব পৰা নাই।

কুক্কুৰীপাদ ঃ— লামা তাৰানাথে 'সাধনমালা'ত কৈছে যে কুক্কুৰীপাদৰ লগত সদায় এটা কুকুৰ আছিল বাবে তেওঁৰ সেই নাম হ'ল। কিন্তু, নামৰ এই ব্যাখ্যাটি যুক্তিপূৰ্ণ যেন নালাগে। বৰঞ্চ, 'কুক্কুৰীপাদ' শব্দটি সহজীয়া ধৰ্মৰ তত্ত্ব-বাহক পাৰিভাষিক শব্দ বুলিহে ধাৰণা জন্মে। মুঠতে 'কুক্কুৰীপাদ' এটি ধৰ্মীয় গুপ্ত নাম, পিতৃদত্ত নাম বেলেগ আছিল। নাথ-পন্থৰ চৌৰাশী সিদ্ধাৰ তালিকাত এওঁৰ স্থান চৌত্ৰিশ। এওঁৰ সময়-কাল একাদশ-দ্বাদশ শতিকাৰ মাজ ভাগ বুলি ধৰিব পাৰি।

কুক্কুৰীপাদ এজন বিদ্বান লোক আছিল; তেওঁ 'মহামায়াসাধন' নামে এখন সংস্কৃত গ্ৰন্থ লিখিছিল। বজ্ৰযান পন্থাৰ ওপৰতো তেওঁৰ কেইখনমান পুথি আছে। কুক্কুৰীপাদৰ দুটি চৰ্য্যা মুনিদত্তৰ সংকলনত সন্নিবিষ্ট হৈছে।

গীতৰ বিষয়-বস্তুৰ পৰিবেশন-বৈচিত্র্য আৰু ভাষাগত বৈশিষ্ট্যলৈ চাই কুক্কুৰীপাদক পশ্চিম কামৰূপৰ লোক বুলি ধাৰণা হয়। বৌদ্ধ-তান্ত্রিক সাধনাৰ তেতিয়াৰ কেন্দ্রস্থল হাজো-কামাখ্যাৰ লগত ঘনিষ্ঠ সম্বন্ধ থকাৰ উমান তেওঁৰ ৰচনাৱলীয়ে দিয়ে। কাৰণ, চৰ্য্যাত যি যোগাভ্যাসৰ কথা আছে তাৰ প্ৰধান পুণ্যক্ষেত্ৰ আছিল কামৰূপ-কামাখ্যা পীঠ। আনহাতে সংস্কৃত গ্ৰন্থখনেও ইঙ্গিত দিয়ে যে তেওঁ কামাখ্যা-তীৰ্থ কেন্দ্রিক মহামায়াৰ উপাসক আছিল। আকৌ, গীতত যি সামাজিক পটভূমি দাঙি ধৰা হৈছে সেইয়াও প্ৰাচীন কামৰূপী সমাজৰ লগত মিলে। মন কৰিবলগীয়া কথা যে ‘ৰুখেৰ তেন্তুলি কুম্ভীৰে খাঅ’, ‘সুসুৰা নিদ গেল বহুড়ী জাগঅ’, ‘দিৱসই বহুড়ী কাড়ই ডৰে ভাঅ, ৰাতি ভইলে কামৰু জাঅ’ আদি ঘৰুৱা যোজনাবোৰ অসমীয়া সমাজৰ তেনেই চিনাকি প্ৰৱচন, আন সমাজত সেইবোৰ একে ঠাৰ্চত শুনা নাযায়। গীত দুটিত পাৰিভাষিক শব্দ কম; সমস্ত শব্দৰ বেছি ভাগেই পুৰণি অসমীয়া সাহিত্যত ব্যৱহাৰ হোৱা দেখা যায়, যেনে—দুহি, ধৰণ, নজাই, ৰুখেৰ, তেন্তুলি, কুম্ভীৰে, সুন, ভো, চৌৰি, চোৰে, নিল, অধৰাতী, নিদ, গেল বহুড়ী ডৰে, গই, ৰাতি, ভইলে, সো, কামৰু, অইসন, কোড়ি, মঝে (মাঝে), একু, নিৰাসী (নিৰাশী), ভতাৰে, মোহোৰ, মোৰ, কহণ চাহি, এথু, নাহি, পহিল, নাড়ি, বাপুড়া, জাণ, জৌৱণ, পূৰা মূল, বাপ, এ ভৱ (এই ভৱ), থিৰা, বীৰা ইত্যাদি। দুয়োটা গীতৰ দ্বিৰুক্তিহীন মুঠ ৮৫টা শব্দৰ ভিতৰত ৪৫টা শব্দই অসমীয়া। তদুপৰি, ধৰণ নজাই, ‘কহণ নজাই নিদ গেল, চোৰে নিল, এ ভৱ ইত্যাদি যুটীয়া শব্দবোৰৰ হুবহু প্ৰয়োগ অসমীয়াত যিদৰে হৈছে আন ভাষাত সেইদৰে হোৱা দেখা নাযায়। চৰ্য্যাগীত আৰু অসমীয়া ভাষাৰ বৈয়াকৰণিক সাদৃশ্যও বিশেষ লক্ষণীয়।

এইদৰে বিচাৰ কৰিলে দেখা যায় যে কুক্কুৰীপাদৰ গীতৰ অন্তৰঙ্গ আৰু বহিৰঙ্গ দিশৰ বৈশিষ্ট্য অসমীয়া ভাষা, সাহিত্য, ব্যাকৰণ, সামাজিক চিত্ৰ, ঘৰুৱা সম্পৰ্ক, ভাৱ-ভঙ্গী আদিৰ লগত একে।

তাহানিৰ অনা-অসমীয়া লোকে ইমান তাৎপৰ্য্যপূৰ্ণ অসমীয়াৰ বজাই ৰাখি গীত ৰচনা কৰা সম্ভৱ নহয়; সেয়েহে কুক্কুৰীপাদক অসমীয়া সিদ্ধ বুলি ধৰা হয়।

ঢেণ্ঢণপাদ ঃ ভাষাৰ সামগ্ৰিক ৰূপ, শব্দৰ ঠাঁচ, বানন-বৈশিষ্ট্য আৰু প্ৰবাদ-প্ৰবচনৰ প্ৰয়োগ-ৰীতিলৈ লক্ষ্য ৰাখি ঢেণ্ঢণপাদক দ্বাদশ শতিকাৰ শেষ ভাগৰ কবি-সিদ্ধাচাৰ্য্য বুলি ধৰিব পাৰি। তেওঁ কামৰূপৰ পশ্চিম অঞ্চলৰ লোক। ঢেণ্ঢণপাদ পন্থীয় নামহে, আচল নাম বেলেগ; সহজযান ধৰ্মত দীক্ষা লোৱাৰ সময়ত তেওঁ এই নাম ধাৰণ কৰে। 'চৰ্য্যাগীতিকোষ' গ্ৰন্থত পটমঞ্জৰী ৰাগত লিখা তেওঁৰ গীত এটি সন্নিবিষ্ট হৈছে। গীতটি তলত উদ্ধৃত কৰা হ'ল ঃ

টালত মোৰ ঘৰ নাহি পড়ৱেষী।
হাড়ীত ভাত নাঁহি নিতি আৱেশী॥
বেগ সংসাৰ বড্হিল জাঅ।
দুহিল দুধু কি বেণ্টে ষামাঅ॥
বলদ বিআএল গৱিআ বাঝে।
পিটা দুহিএ এ তিনা সাঁঝে॥
জো সো বুধী সোধ নিবুধী।
জো যো চৌৰ সোই ষাধী॥
নিতে নিতে ষিআলা ষিহে ষম জুঝঅ।
ঢেণ্ঢণপাএৰ গীত বিৰলেঁ বুঝঅ॥

পুনৰুক্তি বাদ দি ইয়াত ৪৩টা শব্দ পোৱা যায়। দ্বিৰুক্ত শব্দ কেইটা হ'ল—নাঁহি, জো, সো, সোই, নিতি। 'নিতে-নিতে' হ'ল যুৰীয়া শব্দ; নিতি বা নিতে একে অৰ্থবাহক শব্দ। 'সোধ' শব্দটো 'সোই' শব্দৰ বানন-বিভ্ৰাটৰ ৰূপ। ধ-আখৰটোৰ ওপৰত থকা ৎ-ৰ নিচিনা চিনটো অস্পষ্ট। অস্পষ্টতা হেতুকে এই চিনটো নধৰিলে আধুনিক ব বা ৱ-আখৰটো পোৱা যায়, তেতিয়া শব্দটোৰ ৰূপ হ'ব—সোৱ; ই 'সোই' শব্দৰে ৰূপান্তৰ মাত্ৰ।

ইয়াত সংস্কৃত শব্দ ৫টা আছে, যেনে—সংসাৰ, গীত, বিৰল, বেগ, সম। পড়ৱেষী শব্দটো অৰ্দ্ধতৎসম শব্দ। বড়্হিল, বিআএল, গৱিআ—শব্দ তিনিটা প্ৰাকৃত। মোৰ, ঘৰ, হাড়ী, ভাত, বলদ, নিতে-নিতে শব্দ কেইটা আধুনিক অসমীয়াত ব্যৱহৃত শব্দ। বাকীবোৰ শব্দ প্ৰত্ন-অসমীয়া বা কামৰূপী অপভ্ৰংশ শব্দ।

শব্দৰ সমষ্টিয়ে কোনো ভাষাৰ নিৰ্দিষ্ট পৰিচয় বহন নকৰে; কিন্তু সিবিলাকৰ অৰ্থ-ব্যঞ্জনা আৰু ব্যৱহাৰিক ৰীতিয়ে সংশ্লিষ্ট ভাষাটোৰ পৰিচয় দাঙি ধৰে। চৰ্য্যাপদটিৰ শাৰীবোৰ বিচাৰ কৰি চালে তাত নিহিত থকা অসমীয়া ভাষাৰ আমঠুটো ওলাই পৰে। গীতটিৰ প্ৰতিটো শাৰী আক্ষৰিক অনুবাদ কৰি চালে কথাটো পৰিষ্কাৰ হ'ব। তলত গীতটিৰ মাত্ৰ ছয়টা শাৰীৰ একাদিক্ৰমিক অনুবাদ দাঙি ধৰা হ'ল:—

১। টিলাত মোৰ ঘৰ, তাত প্ৰৱেশ কৰোতা নাই।

২। হাড়ীত ভাত নাই, অথচ নিতৌ (আলহী) আহে।

৭। যিজন জ্ঞানী তেৱেঁই নিৰ্বোধ।

৮। যিজন চোৰ তেৱেঁই সাধুলোক।

৯। নিতে-নিতে শিয়ালে সিংহৰ সৈতে যুঁজে।

১০। ঢেণ্টণপাদৰ গীত বিৰলে বুজে।

ওপৰত দেখুওৱা বাক্য-ৰীতি অসমীয়া ভাষাৰ। গতিকে ইয়াৰ লিখকজনো অসমীয়া লোকহে হ'ব।

মহীধৰপাদ: ভাষাৰ বৈশিষ্ট্যলৈ চাই এওঁক একাদশ শতিকাৰ অসমীয়া সিদ্ধাচাৰ্য্য বুলি ক'ব পাৰি। মহীধৰ যথাৰ্থতে এগৰাকী কবি আছিল। এওঁৰ কল্পনা-শক্তি প্ৰখৰ, চিত্ৰ-কল্প মনোৰম আৰু বাস্তৱ অভিজ্ঞতা ব্যাপক। এওঁ সহজীয়া দৰ্শনত যিদৰে বিজ্ঞ পণ্ডিত, অলঙ্কাৰ শাস্ত্ৰতো সেইদৰে পাৰদৰ্শী লোক আছিল। নাথ-পন্থীয় দৰ্শনতো মহীধৰপাদৰ বিশেষ ব্যুৎপত্তি আছিল। সেই-কাৰণেই সম্ভৱ নাথ-গুৰু-পৰম্পৰাত চৌৰাশীসিদ্ধাৰ বিচাৰত মহীধৰ-পাদক ৩৭নং স্থানত অভিষিক্ত কৰা হৈছে। হৰপ্ৰসাদ শাস্ত্ৰীয়ে

'বায়ুতত্ত্ব-গীতিকা' নামৰ পুথি এখন মহীধৰপাদে লিখা বুলি উল্লেখ কৰিছে।

'চৰ্য্যাগীতিকোষ'ৰ ১৬নং গীতটো মহীধৰপাদে লিখা। ইয়াৰ ৰাগ—ভৈৰৱী। ইয়াত মুঠতে ৬৩টা শব্দ আছে; তাৰে ভিতৰত ১৬টা সংস্কৃত শব্দ, ২৭টা কামৰূপী অপভ্রংশ শব্দ, ১৪টা পুৰণি অসমীয়াত ব্যৱহৃত শব্দ আৰু ৬টা বৰ্ত্তমানেও চলি থকা শব্দ।

এওঁলোকৰ নিচিনা শান্তিপাদ ভাদেপাদ, ডোম্বীপাদ, বিৰুৱাপাদ ভুসুকুপাদ, শবৰপাদ, কম্বলাম্বৰপাদ প্ৰভৃতি সিদ্ধাচাৰ্য্য সকলো অসমীয়া সাধক। সিবিলাকৰ চৰ্য্যাপদবোৰ ফঁহিয়াই চালে প্ৰাচীন কালৰ অসমীয়া ভাষা, সাহিত্য সমাজ আৰু সংস্কৃতিৰ বৈশিষ্ট্য ওলাই পৰিব।

আনহাতে, আৰ্যাদেৱ, কঙ্কণপাদ, গুণ্ডৰীপাদ, চাটিল্লপাদ, জয়নন্দী-পাদ, তাড়কপাদ, ধামপাদ, বীণাপাদ আদি সিদ্ধাচাৰ্য্যসকলৰ গীত-বোৰত ভাষাৰ দিশৰ পৰা উমৈহতীয়া লক্ষণ ফুটি ওলাইছে। এইবোৰৰ কোনো কোনোটো গীত বা গীতৰ লেখক বঙালী, উৰিয়া আৰু মৈথিলী সিদ্ধাচাৰ্য্য হোৱাই স্বাভাৱিক। সেইদৰে, কৃষ্ণপাদ, কৃষ্ণাচাৰ্য্যপাদ যদি কাহ্নুপাদৰ পৰা বেলেগ সিদ্ধাচাৰ্য্য হয় তেন্তে তেওঁলোকৰ ৰচিত গীত কিছুমান আন অঞ্চলৰ ভাষাৰ চানেকি বুলি কোনো কোনোৱে দাবী কৰিব পাৰে। ভুসুকুপাদৰ ৮টা গীতৰ ভিতৰত কেইটামান গীতত উৰিয়া ভাষাৰ সাদৃশ্য দেখা যায়। আচলতে সহজযানী সিদ্ধাচাৰ্য্যসকল কোনো ভৌগোলিক বা ৰাজনৈতিক সীমাৰ দ্বাৰা প্ৰভাবান্বিত হোৱা নাছিল। কামৰূপ-পীঠত মিলিত হৈ বহু বছৰ ধৰ্ম-চৰ্চা কৰি থকা বাবে তেওঁলোকৰ মাত কথা আৰু লেখনিত কামৰূপী অপভ্ৰংশ ভাষাই বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল।

চতুৰ্থ অধ্যায়

চৰ্য্যাপদত প্ৰতিফলিত সমাজখন

অসমৰ বৈষ্ণৱ গুৰুসকলে এক শৰণ নাম-ধৰ্ম প্ৰচাৰৰ অঙ্গ হিচাপে ৰচনা কৰা 'বৰগীত'বোৰৰ দৰে সহজযান-পন্থী সিদ্ধাচাৰ্য্যসকলে নিজৰ ধৰ্ম-মত প্ৰচাৰৰ অন্যতম বাহন হিচাপে চৰ্য্যাপদবোৰ ৰচনা কৰিছিল। এইবিধ গীত সাহিত্যত সিদ্ধাচাৰ্য্যসকলে কেৱল সহজযান পন্থাৰ তাত্ত্বিক দিশটোকেই দাঙি ধৰা নাই, তাৰ লগতে তেওঁলোকে সংশ্লিষ্ট সমাজখনৰ কিছুমান বাস্তৱ দিশো উপস্থাপন কৰিছে। ইয়াৰ ফলত পদ-ৰচকসকলৰ সামাজিক চেতনা-বোধ, মানৱীয় বিচাৰ ধাৰা আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰ স্বৰূপ প্ৰতিভাত হৈছে। প্ৰসঙ্গক্ৰমে ক'ব পাৰি যে সহজযান পন্থাৰ সমসাময়িক বৈষ্ণৱ, শৈৱ, শাক্ত আদি ধৰ্মৰ আধাৰত আঞ্চলিক অপভ্ৰংশ ভাষাত চৰ্য্যাপদৰ দৰে গীত-পদ ৰচিত হোৱাৰ তথ্যভিত্তিক দৃষ্টান্ত পোৱা হোৱা নাই। ইয়াৰ প্ৰায় এশ/দেড় শ বছৰৰ পিছত চতুৰ্দশ শতিকাৰ মৈথিলী কবি বিদ্যাপতিৰ বৈষ্ণৱ পদাৱলী আৰু বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ পদতো সংশ্লিষ্ট সমাজৰ বিভিন্ন দিশ পৰিস্ফুট হোৱা দেখা নাযায়। সেইদৰে পঞ্চদশ-ষোড়শ শতিকাৰ অসমৰ শঙ্কৰদেৱ-মাধৱদেৱৰ 'বৰগীত'বোৰতো সামাজিক চিত্ৰ যথোচিত ৰূপে পৰিলক্ষিত নহয়; বৰঞ্চ মনকৰ-দুৰ্গাবৰৰ মনসা-কাব্যতেই অসমীয়া সমাজৰ আংশিক দিশ ফুটি উঠা দেখা যায়।

এতিয়া, চৰ্য্যাপদৰ মাজেৰে অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত প্ৰাচ্য ভাৰত তথা প্ৰাচীন কামৰূপৰ সামাজিক চিত্ৰ কিদৰে আৰু কিমান দূৰ পৰিস্ফুট হৈছে তাকে বিচাৰ কৰি চোৱা যাওঁক।

সহজযান ধৰ্মৰ আধাৰ-ভূমি হ'ল প্ৰাচ্য ভাৰত। খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকালৈকে অৰ্থাৎ কামৰূপাধিপতি ভূতি-

বৰ্মনৰ ৰাজত্ব-কালৰ পৰা ধৰ্মপালৰ ৰাজত্বলৈকে শক্তিশালী কামৰূপ ৰাষ্ট্ৰক নামান্তৰে 'প্ৰাচ্য ভাৰত' আখ্যা দিয়া হৈছিল। কাৰণ, পুৰণি কামৰূপ ৰাষ্ট্ৰই উত্তৰ-বঙ্গ, বিহাৰৰ পূৰ্ব্বাঞ্চল, তাহানিৰ পুব বঙ্গ, বৰ্ত্তমানৰ উত্তৰ-পূৰ্ব্বাঞ্চল সামৰি লৈছিল। প্ৰাচ্য-তত্ত্ববিদ ড° বাণীকান্ত কাকতিয়ে বিভিন্ন পুৰাণ, ৰামায়ণ, মহাভাৰত, বিবিধ তন্ত্ৰ-শাস্ত্ৰ আৰু ঐতিহাসিক গ্ৰন্থ পৰ্য্যালোচনা কৰি মন্তব্য দিছে যে 'ৰাম ৰাজ্যৰ পৰা আৰম্ভ কৰি মোগল সাম্ৰাজ্যলৈকে কোনো ভাৰতীয় সাম্ৰাজ্যৰ ভিতৰত পুৰণি অসম অন্তৰ্ভুক্ত হোৱা নাছিল।' আন এগৰাকী প্ৰখ্যাত বুৰঞ্জীবিদ ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে নিধনপুৰ তামৰ ফলি, দ্বিতীয় জয়দেৱৰ পশুপতি লিপি আৰু হিউৱেনচাঙৰ মন্তব্য তথা জীৱনীৰ ওপৰত ভিত্তি কৰি দেখুৱাইছে যে খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা অষ্টম শতিকালৈকে কামৰূপ ৰাষ্ট্ৰই কৰ্ণসুৱৰ্ণ, পুণ্ড্ৰবৰ্দ্ধন আৰু সম্ভৱতঃ নালন্দা অঞ্চলৰ পূৰ্বাংশ অন্তৰ্ভুক্ত কৰি লৈছিল। খৃ অষ্টম শতিকাৰ ভিতৰত হৰ্ষদেৱৰ ৰাজ্য আগৰ কামৰূপী ৰজাসকলৰ তুলনাত বিশাল আছিল; কাৰণ, কিছু কালৰ বাবে হলেও তেওঁ গৌড়, মগধ, কলিঙ্গ, কোশল আৰু অন্যান্য ৰাজ্য নিজ ৰাজ্যৰ লগত চামিল কৰিছিল। অৱশ্যে নৱম শতিকাৰ আদি ভাগত কামৰূপ ৰাজ্য কিছু দুৰ্বল হৈছিল; কিন্তু তেজপুৰ লিপিৰ মতে এই শতিকাৰ মাজ ভাগৰ পৰা বনমালদেৱৰ কামৰূপ ৰাজ্যই পুণ্ড্ৰবৰ্দ্ধন তথা দক্ষিণ-পুব বঙ্গকে ধৰি ষষ্ঠ শতিকাৰ ভূতি-বৰ্মনৰ প্ৰায় সমগ্ৰ ৰাজ্য সামৰি লৈছিল। ১১শ-১২শ শতিকালৈকে পুৰণি কামৰূপ ৰাজ্যৰ এই সীমা বাহাল আছিল। এই সুদীৰ্ঘ কালছোৱাত কামৰূপী ৰাজ্যসকলৰ অধীনত এই বিশাল ভূ-খণ্ডত ভাষা, সাহিত্য, সমাজ, ধৰ্ম, অৰ্থনীতি আদিৰ ক্ষেত্ৰত এক উমৈহতীয়া বৈশিষ্ট্যই গঢ় লৈছিল। ৮ম-১২শ শতিকাৰ ভিতৰত হাজো-কামাখ্যাক কেন্দ্ৰ কৰি কামৰূপ ৰাজ্যৰ পশ্চিমাঞ্চলত চৰ্য্যাপদবোৰ ৰচিত হোৱা কাৰণে তাত সেই উমৈহতীয়া বৈশিষ্ট্য ফুটি উঠিছে। কেবা প্ৰকাৰৰ বৈশিষ্ট্যৰ ভিতৰত সামাজিক বৈচিত্ৰ্যও অন্যতম।

সমাজ বুলিলে এখন নিৰ্দিষ্ট ঠাই, তাত দীৰ্ঘকালীন ভাৱে বসবাস কৰা বিভিন্ন সম্প্ৰদায়ৰ লোক, সিবিলাকৰ মাত-কথা, ধৰ্ম-কৰ্ম, জীৱন-নিৰ্বাহৰ সমল, সাংস্কৃতিক ৰুচি আৰু মানসিক দৃষ্টি-ভঙ্গী আদি নানা কথা জড়িত হৈ থাকে। চৰ্য্যাপদৰ মাজেৰে প্ৰতীয়মান হোৱা সমাজখনতো এইবোৰ কথা লক্ষ্য কৰা যায়। এইখন সমাজত ঘাইকৈ নিম্ন শ্ৰেণীৰ জনগোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰা চকুত পৰে।

উত্তৰ-বৈদিক কালত সাম্প্ৰদায়িক উচ্চ-নীচৰ পাৰ্থক্য দৃষ্টিগোচৰ হোৱাৰ দৰে প্ৰাচীন কামৰূপ ৰাজ্যতো অন্ততঃ খৃষ্টীয় ৬ষ্ঠ শতিকাৰ পৰা জাতি-ভেদ থকাৰ প্ৰমাণ পোৱা যায়! ৭ম শতিকাৰ কামৰূপাধিপতি ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসনত বেদশাখা, প্ৰবৰ আৰু গোত্ৰ সমন্বিতে বহু দানগ্ৰহী ব্ৰাহ্মণৰ উল্লেখ আছে। খৃষ্টীয় ৬ষ্ঠ শতিকাৰ আৰম্ভণিৰ পৰা কামৰূপত ব্ৰাহ্মণৰ উপৰিও কায়স্থ, কৰণ, লেখক দৈৱজ্ঞ আদি জাতি বা সম্প্ৰদায় আছিল। ইয়াৰ পিছত আমি পুৰণি কামৰূপ ৰাজ্যৰ সমাজত কেবাটাও সম্প্ৰদায়ৰ নাম পাওঁ; যেনে—চতুৰ্দশ শতিকাৰ মাধৱ কন্দলিয়ে অযোধ্যা-কাণ্ডত উল্লেখ কৰা জাতিসমূহ হ'ল—ব্ৰাহ্মণ, কায়স্থ ক্ষত্ৰী, বৈশ্য, নট, ভাট, তেলী, তাম্বী, ঠঠাৰি, সোণাৰি, কঁসাৰ 'কঁহাৰ' সেখাৰি (শঙ্খকাৰ), বণিয়া চমাৰ, কমাৰ সুতাৰ, ধোবা আৰু কুম্ভকাৰ (কুমাৰ)। পঞ্চদশ শতিকাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱতৰ দ্বিতীয় স্কন্ধৰ সৃষ্টি-বৰ্ণনাত উল্লেখ কৰিছে:

কিৰাত কছাৰি খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক ৰজক তুৰুক
কুৱাচ ম্লেচ্ছ চণ্ডাল॥

উৰেষা-বৰ্ণনত শঙ্কৰদেৱে অসমৰ ভালেমান জাতিৰ নাম উল্লেখ কৰিছে; সেইবোৰ হ'ল—

তেলী, মালী, শিলাকুটি, বণিয়া, সুতাৰ।
চৰ্ম্মকাৰ, চড়াল, কমাৰ, কুম্ভকাৰ॥

চিত্ৰকাৰ, কংসাৰ, কন্দাৰ বৈদ্য যত।
অনেক কায়স্থ যায় ৰজাৰ লগত॥
নট, ভাট, নৰ্ত্তকী, গায়ন অপৰ্য্যন্ত।
বিপ্ৰগণ নৃপতিৰ আগত চলন্ত॥

দৈত্যাৰি ঠাকুৰৰ গুৰু-চৰিতত কোৱা হৈছে—

'কৈৱৰ্ত্ত কোলতা কোচ ব্ৰাহ্মণ সমস্ত।
একে লগে খাই দুধ চিড়া কল যত॥'

ভাৰতবৰ্ষৰ জাতি-ভেদৰ সুউচ্চ প্ৰাচীৰত সম্ভৱ প্ৰচণ্ড কুঠাৰাঘাত কৰে খৃঃ পূঃ ৬ষ্ঠ শতিকাত উদ্ভৱ হোৱা বৌদ্ধ ধৰ্মই। এই ধৰ্মৰ সম্প্ৰসাৰণ উত্তৰ-পূব দিশত হোৱাত ভূটান নেপাল, তীব্বত, চীন, জাপান, কামৰূপ, ব্ৰহ্মদেশ আদিতো জাতি-ভেদৰ বান্ধ শিথিল হৈ পৰে। প্ৰাচীন কালৰ পৰা নানা জাতি-উপজাতি আৰু সৰ্বধৰ্মৰ সমন্বয়-ক্ষেত্ৰ কামৰূপত ধৰ্মৰ গোড়ামি আৰু জাতি-ভেদৰ উগ্ৰতা ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত নিচেই কম। আজিকোপতি সেই বৈশিষ্ট্য আধুনিক অসমতো পৰিলক্ষিত হয়। সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ কামৰূপ সম্পৰ্কীয় টোকা, দশম শতিকাৰ 'কালিকাপুৰাণ' আৰু চতুৰ্দশ শতিকাৰ 'যোগিনী-তন্ত্ৰ'ই এই কথাৰ সাক্ষ্য দিয়ে। ধৰ্ম-সাধনাৰ এনে এখন প্ৰশস্ত ক্ষেত্ৰ কামৰূপ-পীঠতে সহজযানী সিদ্ধাচাৰ্য্যসকলে চৰ্য্যাগীতবোৰ ৰচনা কৰিছিল। সততে দেখি থকা আৰু জড়িত হৈ পৰা সমাজখন তেওঁলোকৰ লিখনিত ৰূপক-উপমাৰ মাধ্যমত জিলিকি উঠিছিল। সেইকাৰণে আমি তাহানিৰ কামৰূপত বাস কৰা ডোম, তাঁতী, যোগী, ব্যাধ, সুতাৰ, ধনুকৰ, শবৰ, চণ্ডাল, কাপালিক, ব্ৰাহ্মণ, সোণাৰী, মুখী, শুড়ী, নট, ভাট, কুমাৰ প্ৰভৃতি বৃত্তিধাৰী সম্প্ৰদায়ৰ লোকক চৰ্য্যাপদৰ জৰিয়তে লগ পাওঁ। লক্ষ্য কৰিব লগীয়া কথা এই যে চৰ্য্যাপদৰ সমাজখন সৰ্বসাধাৰণ লোকৰ সমাজৰ পৰা পৃথক আছিল। এইখন সমাজ সহজযান পন্থাৰ ধৰ্মীয় সমাজ; ইয়াত তাহানিৰ তথাকথিত নিম্ন শ্ৰেণীৰ লোকে প্ৰতিনিধিত্ব কৰিছে; উচ্চ

শ্ৰেণীৰ ব্ৰাহ্মণক ইয়াত ৰূপক হিচাপেহে উপস্থাপন কৰা হৈছে। মন কৰিব লগীয়া কথা যে কায়স্থ সম্প্ৰদায়ৰ লোকৰ উল্লেখ চৰ্য্যাপদত পোৱা নাযায়; সেইদৰে কোচ-কলিতা লোকৰো উল্লেখ নাই; কিন্তু ড° বাণীকান্ত কাকতিয়ে বেডেন পাওৱেলৰ গ্ৰন্থক নিৰ্ভৰ কৰি আৰু অন্যান্য শাস্ত্ৰৰো তথ্য বিচাৰ কৰি সিদ্ধান্ত দিছে যে কলিতাসকল আগৰ কালত বৌদ্ধমতাৱলম্বী আছিল। অথচ সহজীয়া সিদ্ধাচাৰ্য্য-সকলে 'চৰ্য্যাগীতিকোষ' গ্ৰন্থত এওঁলোকক প্ৰসঙ্গক্ৰমেও উনুকিওৱা নাই। হয়তো ৮ম-১২শ শতিকাৰ ভিতৰত কলিতাসকলে ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰৱল প্ৰাদুৰ্ভাৱত কুল লুপ্ত কৰিছে বা ধৰ্ম গোপন কৰিছে অথবা বহুতে শৈৱ ধৰ্ম গ্ৰহণ কৰিছে। ৰাজধৰ্ম হিচাপে শৈৱ ধৰ্মৰ প্ৰাদুৰ্ভাৱ তামৰ ফলিবিলাকৰ পৰা স্পষ্ট জনা যায়। যি কি নহওঁক, সেই সময়ত পশ্চিম কামৰূপৰ সমাজখনত ব্ৰাহ্মণ, কায়স্থ, কলিতা, কোচ, মেচ, কমাৰ, তাঁতী, সুতাৰ, নাথ-যোগী, ডোম সোণাৰী, মালী, ধোৱা, হাড়ী, নাপিত, চণ্ডাল, খাচি, বড়ো, ৰাভা, গাৰো প্ৰভৃতি অনেক সম্প্ৰদায়ৰ লোক আছিল। তেওঁ-লোকে বৈদ বা অঞ্চল অনুযায়ী শৈৱ, বৌদ্ধ, শাক্ত, বৈষ্ণৱ আৰু নানা কৌলিক ধৰ্ম পালন কৰিছিল। অৱশ্যে বৌদ্ধধৰ্ম তেতিয়া গোপনে পালন কৰা বুলি বিভিন্ন তথ্যৰ পৰা জনা যায়।

সহজযান-পন্থীসকলৰ সমাজখনৰ কেন্দ্ৰ-বিন্দু হ'ল সাধন-তত্ত্ব আৰু নিৰ্বাণ-প্ৰাপ্তিৰ অভিলাস। চৰ্য্যাপদবোৰৰ মাজেৰে এই কথা পৰিস্ফুট হৈছে। অৱশ্যে ধৰ্মীয় তত্ত্ববোৰ বিক্ষিপ্ত ৰূপত প্ৰকাশ পাইছে। বিভিন্ন চৰ্য্যাকাৰে নিজস্ব উপলব্ধিবোৰ বেলেগ বেলেগ প্ৰসঙ্গ অনুযায়ী ৰচনা কৰা বাবে আৰু চতুৰ্দশ শতিকাত আচাৰ্য্য মুনিদত্তই সেইবোৰৰ মাজৰ পৰা ৫০টা গীত বাছি লৈ টীকা কৰা বাবে হয়তো ধৰ্মীয় তত্ত্বৰ ধাৰাটি বিক্ষিপ্ত যেন লগা হৈছে। তথাপি তাৰ মাজতো সহজযান ধৰ্মৰ সাৰ-তত্ত্বখিনি প্ৰকাশ পাইছে।

সহজযান ধৰ্মটি হৈছে গুৰুমুখী ধৰ্ম। গুৰুৰ সহায় অবিহনে কোনো শিষ্যই সাধনাত সিদ্ধি লাভ কৰিব নোৱাৰে। কাৰণ

ইয়াৰ তত্ত্ব-ৰহস্য বুজা অতি কঠিন; সেইয়া যেন বোবা গুৰুৱে কলা শিষ্যক ৰহস্যৰ সন্ধান দিয়াৰ নিচিনা কথা। কাহ্নুপাদে ৭০ নং চৰ্য্যাত কৈছে—

আলে গুৰু উএসই সীস।
বাক পথাতীত কাহিব কীস॥
জেতই বোলী তেত বিটাল।
গুৰু বোব সে সীস কাল॥ ইত্যাদি।

কাহ্নুপাদে কোৱা মতে সহজীয়া তত্ত্বৰ মৰ্মাৰ্থ আগম-শাস্ত্ৰ আৰু জপ-মন্ত্ৰ প্ৰভৃতিৰ দ্বাৰা বুজা নাযায়; কায়-বাক-চিত্তয়ো ইয়াক ঢুকি নাপায়; কাৰণ ই ইন্দ্ৰিয়গ্ৰাহ্য বস্তু নহয়। অতীন্দ্ৰিয় অনুভূতিৰ যোগেদিহে সাধকে ইয়াৰ সাৰ-তত্ত্ব বুজে। লুইপাদে প্ৰথম চৰ্য্যাটিত ধ্যান-যোগৰ কথা কৈছে; অৱশ্যে এই ধ্যান শূন্যতা-নিৰ্ভৰ অমনস্ক ধ্যান। কুক্কুৰীপাদে ২নং চৰ্য্যাত কুম্ভক-যোগৰ কথা কৈছে। ৪নং চৰ্য্যাত গুণ্ডৰীপাদে কুন্দুৰ-যোগৰ মাহাত্ম্য দেখুৱাইছে। ৩৪ নং চৰ্য্যাত দাৰিকপাদে আকৌ তন্ত্ৰ-মন্ত্ৰ, ধ্যান-ব্যাখ্যাৰ ওপৰত গুৰুত্ব দিয়া নাই; তেওঁ কৈছে যে তত্ত্বজ্ঞ সকলে সুখ-দুখ, বিষয়-ইন্দ্ৰিয় আদিৰ ভেদ জ্ঞান নাৰাখে। গুৰুৰ উপদেশ মতে দুখ-কষ্টকো মহাসুখত পৰিণত কৰি বিষয়েন্দ্ৰিয় ভোগ কৰিব পাৰি। মুঠতে সকলো প্ৰকাৰৰ জাগতিক মোহ নাশ কৰি পৰম নিৰ্বাণ লাভ কৰাটোহে সাধকৰ বাবে অপৰিহাৰ্য্য কথা।

সহজীয়া ধৰ্মত কায়া-সাধন-যোগ স্বীকৃত হৈছে। কেবাজনো সিদ্ধাচাৰ্য্যই তেওঁলোকৰ গীতত ইয়াৰ উল্লেখ কৰিছে। কায়া-সাধন-যোগৰ দ্বাৰা সাধকৰ সমস্ত ভেদ-জ্ঞান আৰু দ্বৈত ভাৱ নাশ হয়। এই স্তৰত যোগীয়ে স্থূলদেহ অতিক্ৰম কৰি সূক্ষ্ম-দেহত প্ৰবেশ কৰে; তেতিয়া জগতৰ জৰা-মৃত্যুই তেওঁক স্পৰ্শ কৰিব নোৱাৰে, তেওঁ এক বিকাৰ-শূন্য ভাৱত নিমজ্জিত হয় অৰ্থাৎ মহা-সুখৰ পুৰীত বিলীন হৈ যায়।

চৰ্য্যাপদত বৰ্ণিত সমাজখন প্ৰধানকৈ কৃষিভিত্তিক গ্ৰাম্য সমাজ।

ই ৰাজ-ৰাজোৱান, ডা-ডাঙৰীয়াৰ নাগৰিক অৱস্থানৰ বাহিৰত। ধান-খেতি সমাজৰ প্ৰধান জীৱিকা আছিল ; মানুহৰ প্ৰধান আহাৰ আছিল ভাত ; কিন্তু তাকো যথেষ্টৰূপে পোৱা নগৈছিল। ইন্দুৰ-নিগনিয়ে পথাৰৰ খেতি নষ্ট কৰিছিল। ফলত ভাতৰ আকাল হৈছিল। ৩৩ নং চৰ্য্যাটিত ইয়াৰ আভাস পোৱা যায় ; যেনে—

টালত মোৰ ঘৰ নাহি পড়বেষী।
হাড়ীত ভাত নাঁহি নিতি আৱেশী॥

২১নং চৰ্য্যাত ভুসুকুপাদে এন্দুৰ-নিগনিৰ চঞ্চল প্ৰকৃতি সম্পৰ্কে স্বাভাৱিক চিত্ৰ এটি দাঙি ধৰিছে। আন্ধাৰ ৰাতি এন্দুৰ বা নিগনিয়ে ঘৰৰ ভিতৰত পিলপিলাই ঘূৰি ফুৰে ; সি মানুহৰ খাদ্য-বস্তু নষ্ট কৰে, গাঁত খান্দি মাটি তল-ওপৰ কৰে। তাৰ গতি বতাহৰ দৰে ; তাক মাৰি পেলাব লাগে। চৰ্য্যাকাৰৰ ভাষাত—

নিশিঅ অন্ধাৰী মুসা চটাৰা।
অমিয় ভখঅ মুখা কৰঅ আহাৰা॥
মাৰ ৰে জোইআ মুসা পবণা।
জেঁণ তুটঅ অৱণা-গৱণা॥
ভৱ বিন্দাৰঅ মুসা খণঅ গাতী।
চঞ্চল মুসা কলিআঁ নাশক থাতী॥
কলা মুষা উহ ণ বাণ।
গঅণে উঠি চৰঅ অমণ ধাণ॥
তব সে মুষা উঞ্চল-পাঞ্চল।
সদ্‌গুৰু বোহে কৰিহ সে নিচ্ছল॥

আজো-ককাৰ দিনৰ পৰা আমাৰ সমাজত খেতিয়কে বলধ গৰুৰে হাল বাই আহিছে। চৰ্য্যাপদ-কালীন যুগতো মানুহে বলধ গৰুৰে হাল বাইছিল। গৰু বন্ধাৰ বাবে গোহালী ঘৰ আছিল। ৩৯নং চৰ্য্যাত সৰহপাদে লিখিছে—

সৰহ ভণন্তি বৰ সুণ গোহালী কি মো দুঠ্য বলন্দেঁ।
একেলে জগ নাশিঅ ৰে বিৰহুঁঈ চ্ছন্দেঁ॥

খেতিৰ প্ৰধান সঁজুলি গৰুৰ উপৰিও নাঙলত লগোৱা ফাল (চৰ্য্যা-৪), নখলি (খন্টি, লোহাৰ অস্ত্ৰ-বিশেষ, চৰ্য্যা-২০), সিঁচনী (পানী সিঁচা সঁজুলি : গঅণ দুখোলেঁ সিঞ্চহু পানী ন পইসই সান্ধি, চৰ্য্যা-১৪), গছ কটাৰ অস্ত্ৰ হিচাপে কুঠাৰ (চৰ্য্যা-৭৫), টাঙ্গী (হাত-কুঠাৰ বা বটালি, চৰ্য্যা-৫) আদিৰ উল্লেখ চৰ্য্যাপদত পোৱা যায়।

ধান-খেতি কৰাৰ উপৰিও মানুহে ঘৰ-দুৱাৰ সাজিবলৈ বাঁহৰ বাৰী পাতিছিল, তুলাৰ বাবে শিমলু গছ কইছিল, কাপোৰ বোৱাৰ বাবে কপাহৰ খেতি কৰিছিল, বাদ্য-যন্ত্ৰ বনাবলৈ আৰু আঞ্জা হিচাপে খাবলৈ লাউৰ পুলি ৰোৱাৰ ইঙ্গিতো কোনো কোনো চৰ্য্যাত পোৱা যায়। গাই গৰু পোহা, গাখীৰ খীৰোৱা, গাখীৰৰ পৰা মাখন-লৱনু উলিওৱা আদি পাৰিবাৰিক চিত্ৰ কিছুমান চৰ্য্যাপদৰ মাজেৰে লক্ষ্য কৰা যায়। সেই যুগৰ খাদ্য-বস্তু হিচাপে আমি ভালেকেইবিধ দ্ৰব্যৰ নাম পাওঁ; যেনে—,ভাত (চৰ্য্যা-৩৩), হৰিণাৰ মাংস (চৰ্য্য-৬), লাউ (চৰ্য্যা-১৭), মদ (চৰ্য্যা-৩), পদুমৰ মোলাণ (চৰ্য্য-১০) তেতেলি (চৰ্য্যা-২), কঙ্গুচিনা নামৰ টেঙা জাতীয় ফল (চৰ্য্য-৫০), ভাত আদি খোৱাৰ পিছত মুখুদি স্বৰূপে খোৱা তামোল আৰু কৰ্পূৰ (চৰ্য্যা-২৮), ইত্যাদি।

পৰিয়ালত ব্যৱহৃত হাড়ী-চৰু, ঘটি, কলহ আদি মাটিৰে সঁজা বিবিধ বাচন-বৰ্ত্তন, জুই, বিছনা-খাট, দাপোণ, বস্ত্ৰ-অলঙ্কাৰ, তাঁত-শাল, তুলা ধুনা সঁজুলি আদিৰ উল্লেখ কৰি চৰ্য্যা-ৰচক সকলে এটি গাওঁলীয়া সামাজিক পৰিবেশ দাঙি ধৰিছে। তেতিয়াৰ সমাজত যৌথ পৰিয়ালৰ ব্যৱস্থা আছিল; সেই কাৰণে ঘৰখন পিতৃ-মাতৃ, পুত্ৰ-বোৱাৰী, জী-পো বা শহুৰ-শাহু, স্বামী-স্ত্ৰী, ননন্দ-খুলশালী আদিৰে ভৰি আছিল।

১৯নং চৰ্য্যাটিত গীতিকাৰে এখন বিয়াৰ চিত্ৰ অঙ্কণ কৰিছে। কৃষ্ণপাদে ডোম্বীক বিয়া-কৰাবলৈ গৈছে। বৰ-যাত্ৰীয়ে মদল-বলে কৰণ্ড-কশালা-দুন্দুভি আদি বিবিধ বাদ্য বজাই হৰ্ষ-ধ্বনি কৰি

কইনাৰ ঘৰলৈ গতি কৰিছে। লগত দোলা-বাহন নিয়া হৈছে। বিয়া-ঘৰত কইনাৰ লগত যৌতুক দিয়া হৈছে আৰু বৰ-যাত্ৰীক আহাৰ-পৰিবেশন কৰা হৈছে। পিছত দৰা-কইনাই মহা আনন্দেৰে বিয়াৰ ৰাতি যাপন কৰিছে। চৰ্য্যাপদৰ এনে ৰূপকাত্মক বৰ্ণনাৰ পৰা বুজা যায় যে সেই যুগতো দুই-এখন অসবৰ্ণ বিয়া হৈছিল, আৰু আজি-কালিৰ দৰে কইনাৰ লগত যৌতুক স্বৰূপে বস্তু-বাহানি দিয়া হৈছিল।

চৰ্য্যা যুগীয় অসমীয়া সমাজৰ পাৰিবাৰিক জীৱনৰ চিত্ৰ এটি পোৱা যায় কুক্কুৰীপাদৰ ৰচিত ২নং চৰ্য্যাগীতত :

আঙ্গণ ঘৰপণ সুন ভো বিআতী।
কানেট চৌৰি নিল অধৰাতী॥
সুসুৰা নিদ গেল বহুড়ী জাগঅ।
কানেট চোৰে নিল কা গই মাগঅ॥
দিৱসই বহুড়ী কাড়ই ডৰে ভাঅ।
ৰাতি ভইলে কামৰু জাঅ॥

অৰ্থাৎ ঘৰৰ বোৱাৰীয়ে ডিঙি-কাণত সোণৰ অলঙ্কাৰ পিন্ধি ৰাতি শুই আছিল ; কিন্তু মাজৰাতি চোৰে সেইবোৰ লৈ গ'ল। পিছত বোৱাৰীয়ে সাৰ পাই দুখে-শোকে জৰ্জৰিত হৈ ওৰে নিশা জাগি থাকিল। আনহাতে বুঢ়া শহুৰ টোপনিত লাল-কাল দিলে। কাণৰ অলঙ্কাৰ চোৰে নিলে, এতিয়া বেচেৰী বোৱাৰীয়ে কাৰ ওচৰত গৈ তাক বিচাৰিব! পিছদিনা পুৱা শহুৰেকে গম পাই বেজাৰ পাইছে আৰু বোৱাৰীয়েকৰ প্ৰতি কটাক্ষপাত কৰি কৈছে যে দিনৰ বেলা বোৱাৰীয়ে কাউৰীৰ মাতত ভয় খায়, অথচ ৰাতি হলে কামৰূপৰ নিচিনা ভয়াল ঠাইলৈ গুচি যায়। ইয়াৰ দ্বাৰা শহুৰেকে বোৱাৰীয়েকৰ অস্থিৰ আৰু অসাৱধান মনটিক দোষাৰোপ কৰিব বিচাৰিছে। আমাৰ সমাজত এনে ঘটনা বৰ্ত্তমানেও লক্ষ্য কৰা যায়।

আজি-কালিৰ দৰে তেতিয়াৰ সমাজতো চুৰি, ডকাইতি, অগ্নিকাণ্ড

প্ৰভৃতি নানা ঘটনা ঘটিছিল। চোৰ-ডকাইতৰ ভয়ত মানুহে ঘৰত তলা লগোৱাৰ ব্যৱস্থা কৰিছিল। গুণ্ডৰীপাদে ৪নং চৰ্য্যাত তাৰ ইঙ্গিত দিছে

সাসু ঘৰেঁ ঘালি কোঞ্চা তাল।
চান্দ সুজ বেণি পখা ফাল॥

অৰ্থাৎ শাহুক ঘৰৰ ভিতৰত ৰাখি দুৱাৰত দৃঢ় তলা লগোৱা হ'ল; তাত এতিয়া চন্দ্ৰ-সূৰ্য্যৰ পোহৰো সোমাব নোৱাৰে।

সেই যুগত গাঁৱে-ভুঁঞে কুকাৰ্য্য কৰা ডকাইতৰ বাহিৰেও দূৰ-দূৰণিলৈ নাওৰে বেপাৰ কৰিবলৈ যোৱা বণিকসকলক জলদস্যুৱে অত্যাচাৰ কৰিছিল। সৰহপাদৰ ৩৮নং চৰ্য্যাত ইয়াৰ ইঙ্গিত পোৱা যায়—

নৌবাহী নৌকা টাণঅ গুণে।
মেলি মেল সহজেঁ জাউ ণ আণেঁ॥
বাটত ভঅ খাণ্ট বি বলআ।
ভৱ উলোলে ষঅ বি বোলিআ॥

অৰ্থাৎ লেখকে কৈছে যে 'হে নাৱঁৰীয়া, নাওৰ গুণত টানি ধৰা, সহজ পথেৰে নাওখন মেলি দিয়া, আন পথেৰে নাযাবা বাটত জলদস্যুৰ ভয় আছে। আনহাতে ভৱ-সমুদ্ৰ উদ্বেলিত হৈ নাৱঁৰীয়াৰ লক্ষ্য ভ্ৰষ্ট কৰিব।' প্ৰাচীন অসমীয়া সমাজত নাওৰে বণিজ কৰিবলৈ যোৱা সাউদৰ অনেক কিংবদন্তী আছে। তাহানিৰ চম্পক নগৰৰ [ছয়গাওঁৰ] চান্দো সদাগৰৰ বস্ত্ৰ-বস্তুৰে ভৰা চৈধ্যখন ডিঙা কালিদাহ সাগৰত ভীম-হনুমান প্ৰমুখ্যে যক্ষগণে পদ্মাৱতীৰ আদেশত ডুবাই পেলোৱা কাহিনীটো চৰ্য্যাপদত উল্লেখিত নাও-যাত্ৰী আৰু জলদস্যু সম্পৰ্কীয় কথাটো তুলনীয়। আন এটা জনপ্ৰিয় কিংবদন্তী তেজীমলাৰ কাহিনীত সাউদে বেপাৰ কৰিবলৈ গৈ বাটতে লটি-ঘটি হোৱাৰ কথা আছে। এনেকুৱা ঘটনা অতি পুৰণি কালৰ পৰাই অসমীয়া সমাজত মুখে মুখে চলি আহিছে। চৰ্য্যাৰচক সৰহপাদে হয়তো তেনে ঘটনা জানিছিল আৰু তাৰ আলমত ৰূপক হিচাপে লৈ গীতত উপস্থাপন কৰিছিল।

প্ৰাচ্য ভাৰত তথা প্ৰাচীন কামৰূপ পৰ্ব্বত-পাহাৰ আৰু হাবি-জঙ্গলেৰে ভৰা ; ই এখন নদী-বহুল দেশ। ইয়াৰ বিশাল পাহাৰ-লানি আৰু গভীৰ অৰণ্যত হাতী, বাঘ, সিংহ, গড়, বান্দৰ, হৰিণা, শিয়াল আদি জন্তু আৰু ময়ুৰ, কাউৰী, শগুণ প্ৰভৃতি বিবিধ চৰাই-চিৰিকতিয়ে মুক্তমনে বাস কৰিছিল। সেই কাৰণে পুৰণি অসম চিকাৰীৰ মানত স্বৰ্গপুৰী যেন আছিল। অন্যান্য জীৱ-জন্তুতকৈ হৰিণাৰ মাংস সিবিলাকৰ প্ৰিয় খাদ্য আছিল। ব্যাধৰ ভয়ত হৰিণাই এখন বনৰ পৰা আন এখন বনলৈ যাব লগা হৈছিল। ভুসুকুপাদে ৬নং চৰ্য্যাত শোক-বিহ্বল হৰিণাৰ এটি জীৱন্ত আৰু মৰ্মস্পৰ্শী চিত্ৰ অঙ্কণ কৰিছে। জীৱ-জন্তুৰ উপৰিও অসমৰ হাবিত চৰ্য্যাপদত উল্লেখিত নলিনী-বন (পদুমনি), মহাতৰু (বট বা আঁহত গছ), স্বৰ্ণতৰু (সোণাৰু গছ), বাঁহ, শিমলু, কপাহ, তামোল, কৰ্পূৰ প্ৰভৃতি বনজ সম্পদ প্ৰচুৰ পৰিমাণে পোৱা গৈছিল আৰু বৰ্ত্তমানেও পোৱা যায়। মানুহৰ ৰুচি পৰিবৰ্ত্তনৰ ক্ষেত্ৰত এই সম্পদবোৰৰ অৰিহণা নুই কৰিব নোৱাৰি।

আনহাতে অসমৰ সামাজিক জীৱনৰ বিভিন্ন দিশৰ ওপৰত নদ-নদীবোৰৰ প্ৰভাৱো কম নহয়। মুদৈয়ে নাওৰে বেহা-বেপাৰ কৰে, নাৱঁৰীয়াই যাত্ৰীক নদী পাৰ কৰি থয়, জালুৱৈয়ে নদীত মাছ ধৰে। মুঠতে বিভিন্ন কাৰণত নদীয়ে বেলেগ বেলেগ ঠাইৰ নানা শ্ৰেণীৰ মানুহৰ মাজত সংযোগ-সম্প্ৰীতি স্থাপন কৰে। সেয়েহে সাহিত্য-সংস্কৃতি আৰু সভ্যতাৰ বিকাশত অসমৰ নদ-নদীয়ে বিশেষ ভূমিকা লৈ আহিছে। নদীৰ লগত মৎস্যজীৱী ডোম জাতিৰ সম্পৰ্ক অতি প্ৰাচীন। সিবিলাকে মাছ ধৰা ব্যৱসায়ৰ উপৰিও যাত্ৰীক নাওৰে নদী পাৰ কৰি দি জীৱিকা উলিয়াইছিল। ৫, ৮, ১০, ১৪ আৰু ৩৮নং চৰ্য্যাত নদীৰ গুৰুত্ব, যাত্ৰীৰ অহা-যোৱা, নাওৰ প্ৰয়োজন আৰু নাৱঁৰীয়াৰ বৃত্তি সম্পৰ্কে বিবিধ চিত্ৰ লক্ষ্য কৰা যায়।

পুৰুষৰ দৰে ডোম-যুৱতীয়েও যাত্ৰীক নাওৰে নদী পাৰ কৰি

দি পইচা-কড়ি লৈছিল। যাত্ৰীৰ পৰা ভাড়া আদায়ৰ বাবে থানা বা পাৰঘাট আছিল ; নদী পাৰ হৈ ভাড়া দিব নোৱাৰা যাত্ৰীক জোৰ-জুলমো কৰা হৈছিল ; কিন্তু সাধু-সজ্জনক বিনা পইচাই নদী পাৰ কৰি দিয়াৰ দৃষ্টান্তও আছে। ডোম্বীপাদে ১৪নং চৰ্য্যাত উল্লেখ কৰিছে—

কবড়ী নলেই বোড়ী নলেই সুচ্ছড়ে পাৰ কৰেই।
জো ৰথে চড়িলা বাহৱা ণজাই কুলে কুল বুড়ই॥

কোনো কোনো ঠাইত নদীৰ ওপৰত সাঁকো সাজি দিয়াৰ কথাও চৰ্য্যাপদত পোৱা যায় ; যেনে—

ধামার্থে চাটিল সাঙ্কম গঢ়ই।
পাৰগামি লোঅ নিভৰ তৰই॥

মদৰ ব্যৱসায় চৰ্য্যাপদ-কালীন সমাজৰ আন এটি মন কৰিবলগীয়া কথা। তেতিয়াৰ শুড়ি জাতি এই ব্যৱসায়ত পটু আছিল যেন লাগে। বিৰুৱাপাদ ৰচিত ৩নং চৰ্য্যাত মদ-বিক্ৰেতা আৰু মদপীৰ এটি মনোৰম বৰ্ণনা পোৱা যায় ; যেন—এগৰাকী শুড়ী তিৰোতাই দুখন ঘৰত সোমাই চিকুণ ৰাকলিৰে বাৰুনী মদ তৈয়াৰ কৰিছে। শুড়ীৰ ঘৰৰ দুৱাৰ মুখ দেখিলেই বুজিব পাৰি যে সেইখন মদ-বেচা শুড়ীৰ ঘৰ। গতিকে মদখোৱা গ্ৰাহকে দুৱাৰত সংকেত-চিহ্ন দেখি নিজে নিজেই আহি শুড়ীৰ ঘৰত সোমাই পৰে। তাত ৬৪টা ঘাগৰীত মদ ভৰোৱা আছে। মদপীয়ে যেই এবাৰ ঘৰৰ ভিতৰত সোমাল, তাৰ আৰু সাৰ-সুৰ নাইকিয়া হ'ল। সি একান্তমনে মদ পিব ধৰিলে। ইত্যাদি। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই যুগত মদ খোৱাটো অপৰাধ বুলি ধৰা নহৈছিল।

ভালেমান চৰ্য্যাপদত তুলা আৰু কপাহী সূতাৰে কাপোৰ বোৱাৰ ইঙ্গিত আছে। ২৬নং সংখ্যাত শান্তিপাদে লিখিছে—

তুলা ধুণি ধুণি আঁসুৰে আঁসু।
আঁসু ধুণি ধুণি নিৰৱৰ সেসু॥

* * * *

তুলা ধুণি ধুণি সুণে অহাৰিউ।
পুণ লইআঁ অপণা চটাৰিউ।

১৫নং চৰ্য্যাত ডোম যুৱতীয়ে তাঁত-কাপোৰ বিক্ৰী কৰাৰ উল্লেখ আছে; ইয়াৰ দ্বাৰা বুজা যায় যে তুলা ধুনা, কাপোৰ বোৱা আৰু বিক্ৰী কৰাটো জীৱিকা উলিওৱাৰ বৃত্তি আছিল।

চৰ্য্যাপদ-ভিত্তিক সমাজখনত অন্যান্য বৃত্তি হিচাপে দেখা যায় যে সূতাৰ বা বাঢ়ৈ বিলাকে আনৰ ঘৰ-দুৱাৰ সাজি দি, কাঠৰ সাঁকো তৈয়াৰ কৰি দি, গছৰ তক্তা ফালি দি, কুমাৰ বিলাকে মাটিৰ বাচন-বৰ্তন গঢ়ি দি, সোণাৰীয়ে বিবিধ অলঙ্কাৰ তৈয়াৰ কৰি দি নিজৰ নিজৰ জীৱিকা উলিয়াইছিল। আৰ্থিক দিশত এইখন সমাজ দুখীয়া হলেও মানুহবিলাকৰ একোটা আত্ম-তুষ্ট ৰুচি আছিল। সিবিলাকে কেৱল অন্ন-সমস্যাতে ব্যস্ত নাথাকি আনন্দ-বিনোদনতো মন দিছিল। ডোম, শবৰ, চণ্ডাল প্ৰভৃতি নিম্ন বৰ্ণৰ ৰমণীবিলাক নৃত্য-গীতত পটু আছিল। ১০নং চৰ্য্যাত ডোম যুৱতীয়ে নিপুণ নৃত্য কৰাৰ উল্লেখ আছে। ২৭নং চৰ্য্যাত নাচৰ লগতে গান গোৱা, বীণা বজোৱা আৰু বাদ্য-যন্ত্ৰ ব্যৱহাৰ কৰা বুলিও উল্লেখ আছে। সাধাৰণতে নাৰীয়ে নাচ-গান কৰিছিল আৰু পুৰুষে প্ৰয়োজনীয় বাদ্য সংগত কৰিছিল। মাজে মাজে সিবিলাকে বুদ্ধদেৱৰ জীৱন-কাহিনী সম্বলিত নাটকো অভিনয় কৰিছিল।

চৰ্য্যা-কালীন সমাজত নিম্ন শ্ৰেণীৰ নাৰীবিলাকে ময়ূৰৰ পাখি খোপাত গুজি লৈছিল আৰু ডিঙিত গুঞ্জাৰ ফুলৰ মালা পিন্ধিছিল। কঙ্কণ, কাণফুলী, নেপুৰ প্ৰভৃতি সোণ-ৰূপৰ অলঙ্কাৰ সিবিলাকে ব্যৱহাৰ কৰিছিল। দাপোণ বা আইনাৰ ব্যৱহাৰ সেই যুগতো আছিল। অৰ্দ্ধনগ্ন যোগী-সন্যাসী বা কাপালিকে ডিঙিত হাড়ৰ মালা, কাণত কুণ্ডল, ভৰিত নূপুৰ পিন্ধি হাতত ডম্বৰু আৰু কাঙ্কত ঝুলি লৈ ঘূৰি ফুৰিছিল।

সেই যুগত জুৱা-খেলৰ আদৰ আছিল বুলি জনা যায়। ১২নং চৰ্য্যাত কাহ্নুপাদে জুৱা-খেলৰ এটা বিস্তাৰিত বিৱৰণ দাঙি ধৰিছে।

২৮নং চৰ্য্যাত শবৰ-শবৰীৰ পাৰিবাৰিক জীৱনৰ বৰ্ণাঢ্য চিত্ৰ এটি প্ৰতিভাত হৈছে- ওখ পৰ্বতৰ ওপৰত শবৰ বালিকাই বাস কৰে। তাই খোপাত ময়ুৰৰ পাখি গুজি লৈছে, ডিঙিত গুঞ্জৰী মালা পিন্ধিছে। উচ্ছল আবেগেৰে তাই আনন্দত বিচৰণ কৰিছে। তাইৰ ৰূপত মোহিত হৈ শবৰ ডেকা উন্মাদপ্ৰায় হৈ পৰিছে। তাৰ মনৰ ভাৱ বুজি শবৰীয়ে কৈছে—'হে উন্মত্ত শবৰ, তুমি ভুল নকৰিবা। মই তোমাৰেই গৃহিণী। তাৰ পাছত শবৰে তিনি ধাতুৰ খাট পাৰি বিছনা কৰিছে। তাতে শুই শবৰ-শবৰীয়ে আনন্দমনে তামুল-কৰ্পূৰ খাই মহাসুখৰ ৰাতি পুৱাই দিলে

৫০নং চৰ্য্যাত সিদ্ধাচাৰ্য্য শবৰপাদে শৱ-দাহৰ চিত্ৰ এটি প্ৰতীয়মান কৰিছে। কোনো এজন শবৰৰ মৃত্যু হোৱাত চাৰিডাল বাঁহৰ ওপৰত চেঁচেলি পাৰি দি চিতা সজা হৈছে। তা'ত শ-টো তুলি দাহন কৰা হৈছে। শ-টো পোৰা বাবে মৃতকৰ মাংস শিয়াল-শগুণ-কাউৰী আদিয়ে খাব নাপালে। দশোদিশে পিণ্ড চটিয়াই দি শবৰৰ আত্মাৰ সদগতি কামনা কৰা হ'ল।

চৰ্য্যাপদবোৰ চালি-জাৰি চালে সমাজত নাৰীৰ ভূমিকা পুৰুষতকৈ অধিক সক্ৰিয় ৰূপত দেখা যায়। গীতিকাৰসকলে নাৰীক ৰূপক হিচাপে লৈ বিভিন্ন প্ৰসঙ্গত উপস্থাপন কৰিছে। কেতিয়াবা নৃত্য পটিয়সী হিচাপে কৰবাত সুকণ্ঠী গায়িকা হিচাপে, নাও চালিকা হিচাপে, কাপোৰ আৰু মদ-বিক্ৰীকাৰিণী হিচাপে বোৱাৰী-জীয়ৰী হিচাপে, প্ৰেমিকা হিচাপে অভিসাৰিকা হিচাপে আৰু সাধনাৰ সঙ্গিনী হিচাপে নাৰীয়ে সমাজত বিশেষ ভূমিকা লৈছে। নাৰীৰ আকৰ্ষণত নৈষ্ঠিক ব্ৰাহ্মণো স্খলিত হৈছে আৰু কাপালিক যোগীও বিপথে গৈছে।

মন কৰিব লগীয়া কথা যে চৰ্য্যাপদ ভিত্তিক সমাজখনত লোক-সমাজৰ বৈচিত্ৰ্য ফুটি উঠাৰ লগতে প্ৰশাসনীয় ব্যৱস্থাৰো আভাস পোৱা গৈছে। সমাজত দোষীক ধৰিবলৈ পুলিচ-দাৰোগা আৰু অপৰাধীক বিচাৰ কৰিবলৈ কাছাৰী-ঘৰৰ ব্যৱস্থা আছিল ;

চৰ্য্যাপদবোৰ সহজযান ধৰ্মৰ দাৰ্শনিক তত্ত্ব-বাহক গীত হলেও সেইবোৰৰ মাজেৰে পূব ভাৰতীয় সমাজৰ খণ্ড চিত্ৰ কিছুমান ফুটি উঠিছে। সেই চিত্ৰবোৰৰ আলমত আমি ৮ম শতিকাৰ পৰা ১২শ শতিকাৰ অন্তৰ্বৰ্ত্তী সমাজখনৰ বাহ্যিক আৰু আভ্যন্তৰীণ অৱস্থাৰ বিষয়ে জানিব পাৰোঁ। ইয়াত ভুগোল, বুৰঞ্জী, নৃতত্ত্ব, সমাজ-তত্ত্ব, সাহিত্য আৰু সংস্কৃতিৰ দূৰবিস্তৃত তথ্য আৰু তত্ত্ব নিহিত হৈ আছে।

পঞ্চম অধ্যায়

চৰ্য্যাপদৰ ধৰ্ম্মতত্ত্ব

গৌতম বুদ্ধই সৃষ্টি কৰা বৌদ্ধধৰ্মৰ মূল কথা হ'ল জাগতিক দুঃখ নিৰোধ কৰি মোক্ষ বা নিৰ্বাণ লাভ কৰা। জাগতিক সৃষ্টি হৈছে কাৰ্য্য-কাৰণ সম্বন্ধীয় বন্ধন। অবিদ্যা এই কৰ্ম্ম-বন্ধনৰ নামান্তৰ মাথোন। অবিদ্যাৰ দ্বাৰাই জগতত দুখৰ উৎপত্তি হয়। এই দুখ আঠ বিধ, যেনে--জন্ম, ব্যাধি, জৰা, মৃত্যু প্ৰিয়-বিৰহ, অপ্ৰিয় সমাৱেশ, অলাভ আৰু বস্তু-সংযোগ।[১] দুখৰ তত্ত্ব অনুসন্ধান কৰি বুদ্ধদেৱে[২] চাৰিটা আৰ্য্যসত্য দাঙি ধৰিছে—দুঃখ, দুঃখৰ উৎপত্তি, দুঃখৰ নিৰোধ আৰু দুঃখ নিৰোধৰ উপায়। বুদ্ধদেৱে প্ৰচাৰ কৰিলে যে নিৰ্বাণ-লাভেই দুঃখ-নিৰোধৰ উত্তম উপায়। নিৰ্বাণ মানে বাসনাৰ নিবৃত্তি। পাৰ্থিৱ স্থিতিৰ অনিত্যতা সম্বন্ধে জ্ঞান লাভ কৰি অবিদ্যা-মোহ ধ্বংস কৰিব পাৰিলেই নিৰ্বাণ লাভ হয়।[৩] বেদান্ত-দৰ্শনত ইয়াক 'মোক্ষ' বুলি কোৱা হৈছে। মোক্ষ-প্ৰাপ্তি হলে জীৱাত্মাই পৰমাত্মাৰ লগত মিলি পৰে আৰু সদানন্দত নিমজ্জিত হয়। বুদ্ধদেৱে জীৱাত্মা আৰু পৰমাত্মা নামানে; তাৰ সলনি 'ধৰ্ম্মকায়' বিশ্বাস কৰে; নামান্তৰে ইয়েই নিৰুপাধি পৰমাত্মা। এই ধৰ্মকায়ৰ দ্বাৰাই বোধিচিত্তৰ[৪] উৎপত্তি হয়; ইও শাশ্বত, কিন্তু

১। বৌদ্ধধৰ্ম ও সাহিত্য, পৃঃ ২২

২। গৌতম বুদ্ধই সিদ্ধি লাভ কৰাৰ পাছত তেওঁৰ নাম হয় সিদ্ধাৰ্থ; আনটি নাম বুদ্ধদেৱ। 'বুদ্ধ' মানে প্ৰকৃত জ্ঞান; 'বুদ্ধদেৱ' মানে প্ৰকৃত জ্ঞানী পুৰুষ। পাণ্ডিত্য লাভ কৰা সকলক পণ্ডিত বা আচাৰ্য্য বোলাৰ দৰে 'বুদ্ধদেৱ' শব্দটিও গুণ আৰু জ্ঞানবাচক শব্দ; বৌদ্ধধৰ্মত এই শব্দটি পাৰিভাষিক ৰূপত বিশেষ অৰ্থত ব্যৱহৃত হৈছে।

৩। বৌদ্ধধৰ্ম ও সাহিত্য, পৃঃ ২১-২৪

৪। 'বোধিচিত্ত' হৈছে প্ৰকৃত জ্ঞান-সৃষ্টিৰ বীজ; সি কৰুণাভাৱসম্পন্ন হলেই সেই সৃষ্টি আৰম্ভ হয়।

অবিদ্যাৰ মোহত পৰি বস্তু-জগতত পৰিদৃষ্ট হয়, পিছত মোহমুক্ত হলে পুনৰ ধৰ্মকায়ত লীন যায়। কাজেই, ইয়াতেই আত্মাৰ স্বৰূপ প্ৰকাশ পাইছে। ধৰ্মকায় নামান্তৰে তথতা বা শূন্যতা। উপনিষদ আৰু বেদান্ত-দৰ্শনৰ মতে জীৱাত্মাই পৰমাত্মাৰ লগত মিলি পৰমানন্দত লীন হোৱাকে 'মোক্ষ-প্ৰাপ্তি' বোলে, আৰু বৌদ্ধ-শাস্ত্ৰত ইয়াকে নিৰ্বাণ-প্ৰাপ্তি বোলে। নিৰ্বাণৰ প্ৰধান বিশেষত্ব হৈছে নিত্য, কৰুণা-স্বভাৱ আৰু আনন্দময়। বৌদ্ধধৰ্মৰ অন্যতম প্ৰধান শাখা মহাযানীমতে 'নিৰ্বাণৰ বিশেষত্ব প্ৰধানতঃ দুটা—জগতৰ তথা চিত্তৰ শূন্যতা আৰু কৰুণা। দুঃখ-নিৰোধবাদৰ পৰা পৰবৰ্ত্তী কালত ইয়াৰ লগত মহাসুখৰ ধাৰণা যুক্ত হৈছে। এই মহাসুখ-বাদেই সহজীয়া ধৰ্মৰ মূল ভেটি। মহাযানী পন্থা মতে নিৰ্বাণ অনিৰ্বচনীয়, কায়-বাক-চিত্তৰ অতীত, আৰু সহজীয়া মতে নিৰ্বাণজাত মহাসুখো তদ্ৰূপ, অৰ্থাৎ অবাঙ্‌মনসগোচৰ।[৫]

চৰ্য্যাপদৰ দাৰ্শনিক পটভূমি মহাযানী বৌদ্ধধৰ্মৰ অন্তৰ্বৰ্ত্তী বিভিন্ন দাৰ্শনিক সম্প্ৰদায়ৰ মতবোৰৰ দ্বাৰাই গঠিত। মহাযান-বৌদ্ধধৰ্মৰ মতবোৰৰ ভিতৰত দুটা মত প্ৰধানভাৱে উল্লেখ কৰিব পাৰি– এটা হ'ল নাগাৰ্জুন প্ৰবৰ্ত্তিত শূন্যবাদ বা মাধ্যমিকবাদ আৰু আনটো হ'ল মৈত্ৰেয়, অসঙ্গ, বসুবন্ধু -প্ৰবৰ্ত্তিত বিজ্ঞানবাদ বা যোগাচাৰবাদ। এই দুটা প্ৰসিদ্ধ মতবাদৰ মাজত যিবোৰ পাৰ্থক্য আছে চৰ্য্যাপদ-বোৰৰ মাজত সেই পাৰ্থক্য ৰক্ষিত হোৱা নাই।[৬]

নাগাৰ্জ্জুনৰ শূন্যতত্ত্ব উপনিষদৰ নিৰ্গুণব্ৰহ্মৰ লগত তুলনীয়। গতিকে বৌদ্ধ শূন্যবাদ আৰু শঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদৰ মাজত কোনো প্ৰভেদ নাই। উল্লেখযোগ্য কথা যে ঋক্‌বেদৰ দশম মণ্ডলৰ নাসদাসীয় সূক্তটো শূন্যতত্ত্বৰ কথা আছে। শঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদৰ মূল তত্ত্ব হ'ল—প্ৰপঞ্চ বস্তুত অনাসক্তি, জগত মিথ্যা, জীৱ আৰু ব্ৰহ্মৰ একত্ব, আৰু তাত বাহিৰে বাকী বস্তু মিছা। নিৰ্বিশেষ ব্ৰহ্মই সত্য,

---

৫। অতীন্দ্ৰ মোহন বসু, চৰ্যাপদ, ভূমিকা

৬। বৌদ্ধধৰ্ম ও চৰ্যাগীতি, পৃঃ ৬৭

বাকীবোৰ অসত্য। ব্ৰহ্ম বা পৰমাত্মাৰূপী শ্ৰীকৃষ্ণ বৌদ্ধ শূন্যবাদৰ শূন্যতাত পৰিণত হৈছে। আকৌ জীৱাত্মা কৰুণাত পৰ্য্যবসিত হৈছে। তন্ত্ৰ-শাস্ত্ৰত শিৱ-শক্তি বৈষ্ণৱৰ পৰমাত্মা-জীৱাত্মা। এইদৰে পৰ্য্যালোচনা কৰিলে পোৱা যায় যে ব্ৰাহ্মণ্য ধৰ্ম, বিশেষকৈ বৈষ্ণৱ আৰু শাক্তমতৰ লগত মহাযানবাদৰ পাৰ্থক্য নাই।[৭] শিৱ আৰু শক্তি বৌদ্ধসকলৰ প্ৰজ্ঞা আৰু উপায়। এই প্ৰজ্ঞা আৰু উপায় ক্ৰমে শূন্যতা আৰু কৰুণাত পৰ্য্যবসিত হৈছে।[৮]

মৈত্ৰেয় নাথে তৃতীয় খৃষ্টাব্দত প্ৰৱৰ্ত্তন কৰা যোগাচাৰ শাখা-বিভাগ মতে বোধি লাভৰ সৰ্বোত্তম পন্থা হ'ল যোগ-অভ্যাস। যোগৰ দ্বাৰা চিত্ত স্থিৰ হোৱাৰ পাছত বোধি বা প্ৰকৃত জ্ঞান লাভ হোৱা সম্ভৱ হয়। হিন্দু ধৰ্মত ব্ৰহ্ম লাভৰ উপায় সম্বন্ধেও এই কথাকে কোৱা হৈছে। যোগবলৰ দ্বাৰা চিত্তক অন্তৰ্মুখী কৰিব পাৰিলে ব্ৰহ্মক পাব পাৰি। শ্ৰীমদ্ভাগৱত গীতাত শ্ৰীকৃষ্ণই কৈছে—

"অথ চিত্তং সমাধাতুং ন শক্নোষি ময়ি স্থিৰম্।
অভ্যাস যোগেন ততো মামিচ্ছাপ্তুম্ ধনঞ্জয়॥"

অৰ্থাৎ হে ধনঞ্জয়, তুমি যদি মোত চিত্ত স্থিৰ কৰি ৰাখিব নোৱাৰা, তেন্তে বাৰে বাৰে অভ্যাস কৰি চিত্তক সমাহিত কৰি মোক পোৱাৰ চেষ্টা কৰা।

হিন্দু ধৰ্মত যেনেকৈ শাক্ত, শৈৱ, গাণপত্য, বৈষ্ণৱ প্ৰভৃতি বহু সম্প্ৰদায় আছে, আৰু তেওঁলোক সকলোৱে যিদৰে হিন্দু, তেনেকৈ বৌদ্ধ মহাযানী পন্থাৰো অনেক সম্প্ৰদায় আছে, আৰু তেওঁলোক সকলোৱেই মূলতঃ মহাযানী বৌদ্ধ।

খৃষ্টীয় পঞ্চম শতিকামানৰ পৰা কামৰূপত বৌদ্ধ-ধৰ্মৰ চলতি আছিল বুলি কল্হনৰ 'ৰাজ-তৰঙ্গিণী'ৰ পৰা জানিব পাৰি। এই সময়ৰ কাশ্মীৰৰ ৰাণী অমৃতপ্ৰভাৰ পিতৃ কামৰূপেশ্বৰৰ গুৰু আছিল বৌদ্ধ ভিক্ষু স্তোনপা। সপ্তম শতিকাৰ কামৰূপ ৰজা ভাস্কৰবৰ্মাৰ দিনত অসমত বৌদ্ধ-ধৰ্ম গুপুতভাৱে চলিছিল। সেই সময়ৰ শৈৱ ধৰ্মৰ

৭। বোৰ্ত্তীলাল হালদাৰ, চৰ্য্যাপদে অতীন্দ্ৰিয় তত্ত্ব

৮। Dr. Sasibhusan Dasgupta, Tantric Buddhism, p. 3

প্ৰভাৱে ইয়াত বৌদ্ধ ধৰ্ম্মৰ অভ্যুত্থানত বাধা জন্মাইছিল। তীব্বতৰ বুৰঞ্জীলেখক লামা তাৰানাথে তেওঁৰ বৌদ্ধ ধৰ্ম্মৰ বুৰঞ্জীত অশ্বভত্র' নামে আচাৰ্য্য এজনে কামৰূপত মহাযান পন্থা প্ৰচাৰ কৰা বুলি উল্লেখ কৰিছে। পূজ্যপাদ ধীতিকেও এই দেশত বৌদ্ধ-ধৰ্ম্মৰ শিক্ষা দিছিল। মুঠতে প্ৰাচীন কামৰূপত বৌদ্ধ-ধৰ্ম্মৰ প্ৰচলন আছিল।[৯]

খৃষ্টীয় সপ্তম শতিকাৰ পাছত মহাযানবাদৰ বিৱৰ্ত্তন ঘটে আৰু বহু শাখা-প্ৰশাখাৰ উদ্ভৱ হয়। অষ্টম শতিকাৰ পৰাই নালন্দা, বিক্ৰমশীলা, ওদন্তপুৰী প্ৰভৃতি বৌদ্ধ-শিক্ষাৰ কেন্দ্ৰসমূহৰ আচাৰ্য্য-সকলৰ হাতত যি বৌদ্ধ দৰ্শনে পৰিপুষ্টি লাভ কৰে সি কম সময়ৰ ভিতৰতে সমগ্ৰ প্ৰাচ্য ভাৰত আৰু তীব্বতক আচ্ছন্ন কৰি তোলে। এই অভিনৱ বৌদ্ধ মতক সাধাৰণতে তন্ত্ৰযান বোলা হয়।[১০]

তন্ত্ৰযানৰ তিনিটা মত কালচক্ৰযান, বজ্ৰযান আৰু সহজযান। কালচক্ৰযানৰ মতে শূন্যতা আৰু কৰুণা উভয়েই অভিন্ন ; ইয়াৰ মাজত ত্ৰিজগতৰ উৎপত্তি আৰু ক্ষয় বুলি কোনো কথা নাই। জ্ঞান আৰু জ্ঞেয় উভয়েই তাত মিলিত হৈছে। ত্ৰিকাল আৰু ত্ৰিকায় তাৰ মাজতেই নিহিত আছে। ত্ৰিকাল হৈছে অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত। কালৰ এই ভেদজ্ঞান লোপ পালে চৰম জ্ঞান লাভ হয়। আনহাতে ত্ৰিকায় হৈছে বুদ্ধৰ বিভিন্ন-প্ৰকৃতি। বুদ্ধই যেতিয়া সাধাৰণ লোকৰ শিক্ষাৰ বাবে সূত্ৰ, অৱদান প্ৰভৃতি ব্যক্ত কৰে তেতিয়া তেওঁ নিৰ্ম্মাণ-কায় বুদ্ধ। বোধিসত্ত্ববোৰৰ ওচৰত যেতিয়া তেওঁ গূঢ় ধৰ্ম্মাৰ্থ ব্যক্ত কৰে তেতিয়া তেওঁ সম্ভোগকায়ত বিচৰণ কৰে আৰু যেতিয়া তেওঁ পাৰমাৰ্থিক সত্য অৱলম্বন কৰে তেতিয়া তেওঁ ধৰ্ম্ম কায়ত অৱস্থান কৰে।[১১] বজ্ৰ-যানত পূজা-পদ্ধতিক স্থান দিয়া হৈছে ; দেৱ-দেৱীৰ সংখ্যাও বেছি। বজ্ৰযানীসকলে মন্ত্ৰ-তন্ত্ৰ, ধ্যান-ধাৰণা আদিৰ অৱলম্বনত বহু দেৱ-দেৱীৰ পূজা পাতিবলৈ লয় আৰু স্বভাৱতেই মহাযানী সম্প্ৰদায়ৰ পৰা পৃথক হৈ পৰে। কঠোৰ সাধনাৰ দ্বাৰা যেতিয়া বোধিচিত্ত স্থিৰভাৱ প্ৰাপ্ত

৯। 'Crypto-Buddhism in Kamarupa', Pragjyotisha. p. 115
১০। বৌদ্ধধৰ্ম ও সাহিত্য, পৃঃ ৩৩
১১। বৌদ্ধধৰ্ম ও সাহিত্য, পৃঃ ৩৩—৩৬

হয়, তেতিয়া সি বজ্রৰ দৰে কঠিন, অভেদ্য আৰু অবিচলিত হয়। সেই কাৰণেই বুদ্ধত্ব লাভ কৰা মহাপুৰুষসকলক বজ্রধৰ বা বজ্রসত্ত্ব আখ্যা দিয়া হৈছিল। যি আসনত বহি তেওঁলোকে সিদ্ধি লাভ কৰিছিল সেই আসনক বজ্রাসন বোলা হৈছিল। গৌতম বুদ্ধই বোধিবৃক্ষৰ তলত যি আসনত বহি সিদ্ধিলাভ কৰিছিল সেই আসনেও বজ্রাসন নাম পাইছিল। বোধিচিত্ত বজ্রস্বভাৱসম্পন্ন হলে সাধনাৰ ক্ষেত্ৰত সাধকে বোধিজ্ঞান লাভ কৰে।

"বজ্রযানৰ মূল ভেটি হ'ল মহাসুখবাদ। বজ্রযানীসকলৰ মতে নিৰ্ব্বাণৰ তিনিটা উপাদান—শূন্য, বিজ্ঞান আৰু মহাসুখ। এই তিনিৰ সংযোগেই 'বজ্র'—দৃঢ়, সাৰ, অশৌৰ্য্য, অচ্ছেদ্য, অভেদ্য। শূন্য নিৰাত্মা, এগৰাকী দেৱী, যাৰ আকোৱালত জীৱৰ মন অৰ্থাৎ বোধিচিত্ত বিজ্ঞানবদ্ধ হৈ চিৰ আনন্দ বা চিৰ সুখত থাকে। এই মহাসুখবাদেই বজ্রযানক অনৈতিক পথেদি আগবঢ়ালে। গুপ্ত আচাৰ মূল কথা হ'ল।"[১২]

বজ্রযানৰ দৰেই উত্তৰ-বৌদ্ধিক মতবাদ হ'ল মন্ত্ৰযান আৰু সহজযান। এই দুয়োটাৰ মাজতেই ব্ৰাহ্মণ্য ধৰ্ম্মৰ তান্ত্ৰিক আৰু বৈষ্ণৱ সহজীয়া মতৰ প্ৰভাৱ দেখা যায়। মন্ত্ৰযানৰ উৎপত্তিৰ মূলত আছিল বহুশ্ৰুতীয়, মাধ্যমিক আৰু যোগাচাৰ প্ৰভৃতি মহাযানবাদৰ শাখা-বিভাগবোৰৰ তাত্ত্বিক কঠিনতা। মন্ত্ৰই হ'ল এই শাখা-বিভাগৰ যান বা পথ। এই মতাৱলম্বীসকলৰ ধাৰণা যে মন্ত্ৰৰ বলত বোধি বা জ্ঞান লাভ কৰিব পাৰি আৰু জ্ঞানেই নিৰ্ব্বাণ লাভৰ প্ৰশস্ত পথ। মন্ত্ৰযানৰ ওপৰত তান্ত্ৰিক প্ৰভাৱ লক্ষ্যণীয়। এই সময়ৰ পৰাই গুৰুৰ প্ৰভাৱ বৌদ্ধজনগণৰ মাজত বিশেষভাৱে লক্ষ্য কৰা যায়।[১৩]

সহজযান হ'ল বজ্রযানৰ পৰিণত অৱস্থা। খৃষ্টীয় অষ্টম শতিকা-মানৰ পৰা এই ধৰ্ম্মমত প্ৰবল হৈ উঠে। মহাযানৰ সুবৃহৎ গণ্ডীৰ পৰা প্ৰধানকৈ কৰুণা আৰু আনন্দ স্বভাৱৰ বিশেষত্ব লৈ সহজীয়া

১২। ডঃ মহেশ্বৰ নেওগ, পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, পৃঃ ৩৯-৪০

১৩। চৰ্য্যাপদে অতীন্দ্ৰিয় তত্ত্ব

ধৰ্ম্মমত প্ৰতিষ্ঠিত হয়। মাধ্যমিক বিভাগে 'শূন্য' আৰু 'সংসাৰ'ক লৈ যি জটিল তত্ত্বৰ অৱতাৰণা কৰিছে, সহজযানীসকলে খুব সহজ পন্থাত তাক নিৰসন কৰি দিছে। বজ্ৰযান মতে জগতৰ অণুপৰমাণু পৰ্য্যন্ত সকলোবোৰ শূন্য। শূন্যৰ এই জ্ঞানেই হ'ল বোধি, আৰু এই বোধি লাভ হোৱাৰ পাছতেই নিৰ্ব্বাণ লাভ হয়। বজ্ৰযানীসকলে 'নিৰ্ব্বাণ' বুলি নকৈ 'নিৰাত্মা' বুলি কয়। বোধি লাভ হ'লে বোধিচিত্ত নিৰাত্মাত লীন হৈ যায়, তেতিয়া মহাসুখৰ উদয় হয়, এই মহাসুখ অবাঙ্‌মনগোগোচৰ অৰ্থাৎ অনিৰ্ব্বচনীয়, কায়-বাক্-চিত্তৰ অতীত। চিত্তৰ এই বিশেষ আছে যোগসাধনাৰ দ্বাৰা। গতিকে দেখা যায় যে বজ্ৰযানীসকলে মহাযানী যোগাচাৰ বিভাগৰ পথো গ্ৰহণ কৰিছে। উপনিষদৰ 'পৰমাত্মা' আৰু 'জীৱাত্মা' আৰু 'সৎ-চিৎ-আনন্দ' তত্ত্ব ইয়াতো দেখা যায়।

নিৰ্ব্বাণ সুখময়। এই সুখময়-ভাৱেই হৈছে বৌদ্ধ সহজীয়া পথ বা সহজযান, ইয়াৰ সহায়ত নিৰ্বাণৰ পথত অগ্ৰসৰ হোৱাই সহজযানৰ মূল লক্ষ্য। সহজযানৰ মাজত বৈষ্ণৱ সহজীয়া (পৰকীয়া) আৰু শাক্ত তান্ত্ৰিক প্ৰভাৱ বিশেষভাৱে পৰিলক্ষিত হয়। সহজীয়া (পৰকীয়া) তত্ত্বৰ মাজেদিয়েই অতীন্দ্ৰিয়-অনুভূতিৰ চৰম বিকাশ সাধিত হৈছে। পৰকীয়া ভাবৰ সাধনাৰ লগত তান্ত্ৰিক সাধনাৰ ঐক্য বিৰাজমান। সহজযানীসকলে সুখ বা আনন্দক তত্ত্বৰ পৰা টানি আনি দেৱীৰ আসনত প্ৰতিষ্ঠা কৰিছে। এই দেৱী হ'ল নৈৰাত্মা দেৱী। সহজযানীয়ে ধৰ্মকায়ত মিলি যোৱাই হ'ল নৈৰাত্মা-দেৱীৰ লগত মিলি মহাশূন্যত বিলীন হৈ পৰা; ই জীৱাত্মাই পৰমাত্মাৰ লগত লীন হৈ পৰা অৱস্থাৰ দৰে। এইয়া ঠিক ব্ৰহ্মোপলব্ধি, আৰু এই উপলব্ধিয়েই হৈছে অতীন্দ্ৰিয়ানুভূতি।[১৪]

সহজীয়াসকলৰ মাধ্যমিক শাস্ত্ৰৰ 'আনন্দ' হৈছে নৈৰাত্মাদেৱী, নামান্তৰে পৰিশুদ্ধ-অৱধূতিকা, শূন্যতাৰ সহচাৰিণী।[১৫] হিন্দু-দৰ্শনত

১৪। চৰ্য্যাপদে অতীন্দ্ৰিয় তত্ত্ব

১৫। বসু, চৰ্য্যাপদ, ভূমিকা

যিদৰে নিৰাকাৰ ব্ৰহ্মক সাকাৰ ৰূপ দিয়া হৈছে, অৰূপক স্বৰূপলৈ অনা হৈছে, অসীমক সসীমত বিচৰা হৈছে, বৌদ্ধ সহজীয়াসকলেও তেনেকৈ নিৰাত্মাক নৈৰাত্মাদেৱী ৰূপে কল্পনা কৰি লৈছে।[১৬]

সহজীয়াসকল অদ্বৈতবাদী। তেওঁলোকৰ মতে ধৰ্মকায়ত বোধি-চিত্ত অধিষ্ঠিত হলে জগতৰ দ্বৈতভাৱ লোপ পায়; আৰু পিছত অদ্বৈত জ্ঞান লাভ কৰি মহাসুখত বিলীন হয়। এই অদ্বৈত জ্ঞান লাভ আৰু মহাসুখ প্ৰাপ্তিৰ উদ্দেশ্যে সাধকসকলে বজ্ৰগুৰুৰ পৰা উপদেশ গ্ৰহণ কৰি লক্ষ্যৰ সন্ধান কৰি লয়। সহজীয়াসকলে তেওঁলোকৰ গুৰুক বজ্ৰগুৰু হিচাপে অভিজ্ঞান কৰে। বজ্ৰগুৰুৰ উপদেশেৰে জগতৰ অনিত্যতা সম্বন্ধে জ্ঞান লাভ কৰি চিত্ত জয় কৰি মহাসুখত লীন হ'ব পাৰি। গুৰুৰ উপদেশ বিনে চৰম লক্ষ্যৰ সন্ধান পোৱা অসম্ভৱ।[১৭] কাৰণ লোকচিত্ত স্বভাৱতেই চঞ্চল; দৃঢ়তা নাথাকিলে আৰু গুৰুৰ সহায় নাপালে জ্ঞান-পথত আগবঢ়া কোনোপধ্যেই সম্ভৱ নহয়। সেই কাৰণে লুইপাদে কৈছে—

কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল॥
দিঢ় কৰিঅ মহাসুহ পৰিমাণ।
লুই ভণই গুৰু পুচ্ছিঅ জাণ॥ (চৰ্য্যা-১)

অবিদ্যামোহাবিষ্ট আমাৰ সংবৃত্তি বোধিচিত্তই ভৱ বা জগতৰ অস্তিত্ব কল্পনা কৰি থাকে। প্ৰকৃতপক্ষে ভৱৰ কোনো অস্তিত্ব নাই। এই বিশেষ জ্ঞান লাভৰ বাবেই গুৰুৰ সহায় আৱশ্যক। ভৱ হ'ল দুখময়, তাৰ নিবৃত্তিকৰণৰ ফলেই হ'ল নিৰ্বাণ, ই সুখময়। নিৰ্বাণ মানে অহংভাৱৰ বিলোপ-সাধন। নিৰ্বাণৰ এই সুখবাদৰ পৰাই সহজীয়া মতৰ উদ্ভৱ। মহাযানী মাধ্যমিক শাস্ত্ৰৰ তত্ত্বপূৰ্ণ সুখানন্দকে সহজীয়াসকলে শূন্যতা বা তথতাৰ (ধৰ্মকায়) সহচৰী অৱধূতিকাক নৈৰাত্মাদেৱী ৰূপে কল্পনা কৰিছে।

১৬। চৰ্য্যাপদে অতীন্দ্ৰিয় তত্ত্ব

১৭। বসু, চৰ্য্যাপদ, ভূমিকা

নিত্যত্ব, করুণা আৰু আনন্দ যেনেকৈ ধৰ্ম্মকায় বা তথতাৰ ধৰ্ম্ম ধৰ্ম্মকায়ৰ পৰা উদ্ভূত বোধিচিত্তৰো সিবোৰ সহজ ধৰ্ম্ম। এই-বোৰৰ ঐক্যৰ ওপৰত ভিত্তি কৰিয়ে সহজবাদ গঢ়ি উঠিছে। নিৰ্বাণৰ মহাসুখ লাভেই সহজ-সাধনাৰ মূল লক্ষ্য। ইয়াৰ বাবে ধ্যান-সাধনা কৰিবলৈ দূৰলৈ যাব নালাগে, নিজৰ দেহতেই তাক বিচাৰি পাব পাৰি। এই প্ৰসঙ্গত চাটিল্লপাদে কৈছে, নিঅড্ডী বোহি দূৰ মা জাহী। (চৰ্য্যা—৫)। সহজযানীসকলে বজ্ৰযানী-সকলৰ দৰে তন্ত্ৰ-মন্ত্ৰ, বিবিধ ধ্যান-ধাৰণাত বিশ্বাস নকৰে।

কিন্তো মন্তে কিন্তো তন্তে কিন্তো রে ঝাণ-বখানে।

অপইঠান মহাসুহলীলেঁ দুলখ পৰম নিবাণেঁ॥ (চৰ্য্যা—৩৪)।

অৰ্থাৎ কি মন্ত্ৰ কি তন্ত্ৰ, কি ধ্যান-ধাৰণা—এই সকলোবোৰ মিছা। মহাসুখত সুপ্ৰতিষ্ঠিত হ'ব নোৱাৰিলে পৰম নিৰ্বাণ লাভ নহয়।

'সহজযান' সেই নামক ধৰ্মৰ এটি পাৰিভাষিক শব্দ। প্ৰবোধচন্দ্ৰ বাগচীৰ মতে লুই সৰহ, ভুসুকু কাহ্নু প্ৰভৃতি সিদ্ধাচাৰ্য্যসকলৰ হাততেই সহজযান পন্থাটো গঢ় লৈ উঠিছিল। এওঁলোকৰ ভিতৰত কোনজন প্ৰধান আৰু প্ৰথম গুৰু আছিল, আৰু কোনজন গুৰুৱে প্ৰথমে সহজযানৰ সৃষ্টি কৰিছিল তাক কোৱা টান। হয়তো কেবাজনো সিদ্ধাচাৰ্য্যৰ মিলিত আদৰ্শত এই ধৰ্মই ৰূপ লৈছিল। 'সহজ' মানে সহ-জাত। যি ধৰ্ম যি বস্তুৰ জন্মৰ লগে লগে উৎপন্ন হয় সি তাৰ সহজ। বোধিচিত্ত ধৰ্মকায় বা তথতাৰ পৰা উদ্ভূত। ধৰ্মকায়ৰ বিশিষ্টতা হ'ল নিত্যতা, করুণা আৰু আনন্দ. এইবোৰ বোধিচিত্তৰ সহজাত ধৰ্ম। বোধিচিত্তৰ এই সহজাত ধৰ্ম অৱলম্বন কৰি সাধনাৰ ভিত্তি স্থাপিত হৈছে বুলিয়েই এই জাতীয় সাধক-সকলক সহজধৰ্মী বোলা হয়। মহাযানৰ সুবৃহৎ গণ্ডীৰ পৰা প্ৰধানকৈ করুণা আৰু আনন্দৰ বিশেষত্ব লৈ সহজযান নামক ধৰ্মই বিশিষ্ট সংজ্ঞা লাভ কৰিছে।[১৮] যান মানে পথ বা মাৰ্গ।

১৮। বৌদ্ধধৰ্ম ও চৰ্যাগীতি, পৃঃ ৮৯ ;
বসু, চৰ্য্যাপদ, ভূমিকা

চৰ্য্যাপদৰ ধৰ্ম ঘাইকৈ দাৰ্শনিক মতবাদৰ ওপৰত প্ৰতিষ্ঠিত। অদ্বৈতবাদী বৈষ্ণৱ মতৰ লগত ইয়াৰ যথেষ্ট মিল আছে। বৈষ্ণৱ সহজীয়া সাধকসকলে অৰূপ, প্ৰেম আৰু পৰমানন্দৰ সাধনা কৰে। বৌদ্ধ সহজীয়া ধৰ্মৰ মূল তত্ত্বও অৰূপ বা শূন্যতা, প্ৰেম বা কৰুণা আৰু মহাসুখ বা পৰমানন্দ।

'সহজ' মানে এটা অৱস্থা যাক পালে সাধকৰ মায়িক জগতৰ জ্ঞান সম্পূৰ্ণ নষ্ট হয়। তেতিয়া আত্ম-পৰ ভেদ-জ্ঞান নাথাকে, সংস্কাৰ বিনষ্ট হয়, ভ্ৰম-মোহ বিলুপ্ত হয় আৰু শূন্যতা-জ্ঞান লাভ হয। তেতিয়া যি নিবিড়-নিৰ্মোহ সুখ পোৱা যায সেয়েই হৈছে সহজ সুখ। সাধকে সেই সুখত তন্ময় হৈ উন্মত্তবৎ হয, কোনোৱে তেওঁক সেই সুখৰ পৰা বিচ্যুত কৰিব নোৱাৰে, অৰ্থাৎ তেতিয়া তেওঁ মুক্তি পায।[১৯]

এই সহজ-তত্ত্বই চৰ্য্যাপদৰ নানা ঠাইত কেতিয়াবা স্পষ্ট আৰু কেতিয়াবা অস্পষ্ট ভাষাত বৰ্ণিত হৈছে। ভাষাৰ এনেকুৱা দুৰ্বোধ্যতাৰ বাবেই হৰপ্ৰসাদ শাস্ত্ৰীয়ে চৰ্য্যাপদৰ ভাষাক সন্ধ্যা-ভাষা নাম দিছে। চৰ্য্যাৰ দাৰ্শনিক তত্ত্ববোৰ বিবিধ উপমা, স্পষ্ট ৰূপক আৰু অস্পষ্ট প্ৰতীকী ভাষাৰে আপ্তজন-গ্ৰাহ্যৰূপে ব্যাখ্যা কৰা হৈছে।[২০]

আগতে কৈ অহা হৈছে যে চৰ্য্যাপদবোৰ তত্ত্ব-ৰহস্যৰে ভৰা আৰু সেইবোৰ ৰূপকাত্মক। গছ, নাও, কুম্ভীৰ, হাতী, হৰিণ, চন্দ্ৰ পুখুৰী ডবা-খেল মণি-মুক্তা, বাৰুণী, শুণ্ডিনী, তাঁতী, শবৰী, চণ্ডালী গঙ্গা, যমুনা, পৰ্ব্বত, বন, লতা, ৰথ, দিন, ৰাতি ইত্যাদিক ৰূপক স্বৰূপে লৈ সহজীয়া তত্ত্ব ব্যাখ্যা কৰা হৈছে। কুক্কুৰীপাদৰ চৰ্য্যা এটিৰেই এই কথাৰ মৰ্মাৰ্থ বুজিব পাৰি --

> দুলি দুহি পিটা ধৰণ নজাই।
> ৰুখেৰ তেন্তেলি কুম্ভীৰে খাঅ॥
> আঙ্গণ ঘৰপণ সুন ভো বিআতী।

১৯। বৌদ্ধধৰ্ম্ম ও সাহিত্য, পৃঃ ৭২-৭৩

২০। অসমীয়া সাহিত্যৰ ৰূপ-ৰেখা, পৃঃ ৫৩

কাণেট চৌৰি নিল অধৰাতী ॥
সুসুৰা নিদ গেল বহুড়ী জাগঅ ।
কাণেট চোৰে নিল কা গই মাগঅ ॥
দিবসই বহুড়ী কাঙই ডৰে ভাঅ ।
ৰাতি ভইলে কামৰু জাঅ ॥

অর্থাৎ দুলি (কাছ) দুহি (দোহন কৰি, দুধ খীৰাই) পাত্রত নধৰা হৈছে। গছৰ তেঁতেলি কুম্ভীৰে খায়। হেৰা বোৱাৰী, চোতাল-ঘৰৰ পিনে চোৰা আৰু শুনা। চোৰে আধা ৰাতিতে কাণৰ সোণা নিলে। শহুৰেক টোপনি গ'ল, বোৱাৰীয়েক জাগি আছে। কাণৰ সোণা চোৰে নিলে, (এতিয়া) কাক গৈ মাগিব ? দিনত বোৱাৰীয়ে কাউৰীৰ মাতত ভয় পায়, কিন্তু ৰাতি হলে কামৰূপলৈ যায়। উক্ত কথাখিনি ওপৰে ওপৰে চালে সহজ ; কিন্তু ইয়াৰ ভাৱৰ তাৎপৰ্য্য অতি গভীৰ। ইয়াত কুম্ভক যোগৰ দ্বাৰা সহজানন্দ উপভোগ কৰাৰ কথা বৰ্ণনা কৰা হৈছে। যিবিলাক অনভিজ্ঞ অবিদ্যা-মোহাচ্ছন্ন লোক সিবিলাকে চিত্তক নিৰ্বাণ পথত পৰিচালিত কৰি সহজানন্দ লাভ কৰিব নোৱাৰে। কিন্তু সদ্গুৰুৰ উপদেশ লৈ কুম্ভক যোগৰ দ্বাৰা দেহ-তৰুৰ ফলস্বৰূপ চিত্তক নিঃস্বভাৱী (পাৰ্থিৱ বাসনামুক্ত) কৰিব পাৰি। দেহ-তুল্য ঘৰৰ ওচৰতেই মহাসুখৰ আঙিনা বৈ আছে। হে দুঃখবিনাশিনী অৱধূতী নৈৰাত্মাদেৱী, আমাক সেই স্থানলৈ চলাই নিয়া। তাত আমি আধা ৰাতিতে কুম্ভক যোগৰ দ্বাৰা স্থিৰভাৱে বায়ু সেৱন কৰি সহজানন্দ উপভোগ কৰিব পাৰিম। সেই সময়ত শ্বাসবায়ু স্থিৰ হৈ যেতিয়া অতীন্দ্ৰিয় আনন্দত প্ৰযুক্ত হয় তেতিয়া ভৱবিকল্পাদি ভাৱ আতৰি গৈ যোগীৰ শুদ্ধ প্ৰকৃতি স্বৰূপিণী বোৱাৰী জাগি থাকে আৰু সহজানন্দত চিত্ত বিলীন হয়। চিত্তৰ সজাগ অৱস্থাত যেতিয়া ইন্দ্ৰিয় সতেজ অৱস্থাত থাকে তেতিয়াই দিন। দিনত জগতৰ ভয়াবহ সৃষ্টি আৰু দুখময় পৰিণতি দেখি পৰিশুদ্ধ অৱধূতী দেৱীস্বৰূপিণী বোৱাৰীয়ে নিজেই ভীত হৈ পৰে। কিন্তু ৰাতি হলে

অৰ্থাৎ প্ৰজ্ঞা-জ্ঞানৰ উদয় হলে ইন্দ্ৰিয়াদিৰ সুষুপ্তি হেতু চিত্ত পৰিশুদ্ধ হৈ মহাসুখত গমন কৰে।

আধ্যাত্মিক উপমাৰে ভৰা আন এটি চৰ্য্যা (৪৫)—

মন-তরু পাঞ্চ ইন্দি তসু সাহা।
আসা বহল পাত্তহ বাহা ॥

অৰ্থাৎ—মন তৰুৰ দৰে, পঞ্চেন্দ্ৰিয় তাৰ শাখা, আৰু বহুল বাসনা সেই তৰুৰ ফল-পাত স্বৰূপ।

কোনো কোনো চৰ্য্যাত তন্ত্ৰ আৰু যোগ সম্বন্ধীয় মতবাদ আছে। এইবোৰো আত্মজ্ঞান লাভৰ আনুষ্ঠানিক সাধনা মাত্ৰ। যোগ সাধনা পৌৰাণিক জ্ঞান-সাধনাৰ ৰূপান্তৰ বুলিব পাৰি। সেইদৰে তান্ত্ৰিক সাধনাও আত্মজ্ঞান লাভৰ অন্যতম উপায়— ইয়াৰ উদ্দেশ্য বাহিৰৰ কোনো দেৱতাৰ পৰিতুষ্টি সাধন নহয়। অধ্যাপক বসুৱে চৰ্য্যাবোৰৰ তিনিটা প্ৰধান ভাগ দেখুৱাইছে—দাৰ্শনিক তত্ত্ব সম্বন্ধীয়, যোগ সম্বন্ধীয় আৰু তন্ত্ৰ সম্বন্ধীয়। ১, ৫—১০, ১২—২৩, ২৬, ২৮—৩৫, ৩৭—৫০ সংখ্যক চৰ্য্যাত প্ৰধানকৈ দাৰ্শনিক তত্ত্ব সম্বন্ধে আলোচনা আছে। ২, ১১, ৩৬ সংখ্যক চৰ্য্যাত যোগ আৰু ৩, ৪, ২৭ সংখ্যক চৰ্য্যাত তান্ত্ৰিক মতবাদৰ উল্লেখ পোৱা যায়। ইয়াৰ বাহিৰেও কোনো কোনো চৰ্য্যাত যোগ আৰু তন্ত্ৰৰ সৈতে তত্ত্বৰ আলোচনাও হৈছে। ১৪ নং চৰ্য্যাটি ইয়াৰ উদাহৰণ।[২১]

সাংসাৰিক জীৱন-যাত্ৰাত প্ৰযোজ্য দৈনন্দিন ব্যৱহাৰিক নীতি-নিয়ম, নৈতিক আৰু আধ্যাত্মিক নীতি-উপদেশেৰে এই চৰ্য্যাপদবোৰ পৰিপূৰ্ণ। কোনো ক্ষেত্ৰত তুলা বা কপাহ ধুনা কাৰ্য্যৰ দ্বাৰা, কোনো ঠাইত তাঁতী, শবৰ, ডোম প্ৰভৃতি কৰ্মজীৱীৰ ব্যৱসায়িক প্ৰসঙ্গৰ দ্বাৰা, কোনো ঠাইত বা বিৱাহ-প্ৰসঙ্গ অথবা বৰযাত্ৰীৰ শোভাযাত্ৰাৰ বিৱৰণ যোগে, কোনো ঠাইত নাৱৰীয়াই নদী পাৰ কৰা, ধোবাই কাপোৰ ধোৱা, মাছমৰীয়াই মাজ নদীত জালেৰে মাছ ধৰা, কেতিয়াবা আকৌ উদ্দেশ্য সিদ্ধিৰ অৰ্থে

২১। বসু, চৰ্য্যাপদ, ভূমিকা

সাঁকোত উঠি গভীৰ খাল পাৰ হোৱা ইত্যাদি ৰূপকৰ দ্বাৰা সহজীয়া ধৰ্মৰ দাৰ্শনিক তত্ত্ব ব্যাখ্যা কৰা হৈছে।[২২] উদাহৰণ স্বৰূপে বিৰুৱাপাদে ৩নং চৰ্য্যাটিত মানৱ দেহৰ অঙ্গ-প্ৰত্যঙ্গ, চিন্তা-ভাৱনা, জ্ঞান-প্ৰজ্ঞান প্ৰভৃতিৰ মাজেৰেই সহজীয়া ধৰ্মৰ তত্ত্ব ব্যাখ্যা কৰিছে। ইয়াত তেওঁ অস্পৃশ্যা নাৰী, মদ, পাত্ৰ আদিকো উপমা স্বৰূপে প্ৰয়োগ কৰিছে। চৰ্য্যাটিত অস্পৃশ্যা নাৰী শুণ্ডিনী হ'ল নৈৰাত্মাদেৱী বা অৱধূতিকা নাড়ী; ললনা আৰু ৰসনা নাড়ী দুডালক দুটা ঘৰৰ দ্বাৰা বুজোৱা হৈছে, 'চিকুণ বাকলি' শব্দ দুটাই অবিদ্যাবৰ্জিত শূন্যতত্ত্বক বুজাইছে। বাৰুণী-মদ হ'ল মহাসুখৰ উপকৰণ। সেইদৰে 'দশমি দুআৰ' মানে বৈৰোচন দুৱাৰ অৰ্থাৎ নিৰ্বাণ-প্ৰাপ্তিৰ পথ। এই পথত সিদ্ধসকলে অৱতীৰ্ণ হ'ব পাৰিলে নিৰ্বাণ লাভ কৰিব পাৰে। আন আন চৰ্য্যা গীততো গীতিকাৰ সকলে সহজীয়া তত্ত্ব দাঙি ধৰোঁতে দ্ব্যৰ্থক শব্দ আৰু চিত্ৰকল্প প্ৰয়োগ কৰিছে। মুঠতে, চৰ্য্যাপদবোৰ সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে এবিধ ধৰ্মীয় গীত, সহজীয়া পন্থী সকলৰ বাবে নিৰ্বাণ-প্ৰাপ্তিৰ উপায়-সম্বল আৰু গুৰু-শ্ৰেণীৰ পক্ষে সেইবোৰ হ'ল সহজযানৰ দাৰ্শনিক তত্ত্বৰ ভঁৰাল।

২২. ড° সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ ইতিবৃত্ত

ষষ্ঠ অধ্যায়

নাথ-ধৰ্ম আৰু সহজযান-ধৰ্মৰ সম্পৰ্ক

উত্তৰ পূব ভাৰতত নাথ ধৰ্মৰ চলতি অতি প্ৰাচীন। এই ধৰ্মৰ প্ৰাচীনতা সম্পৰ্কে নানাজনে বিভিন্ন মত দাঙি ধৰিছে। এটা সময়ত গোটেই ভাৰততে নাথ-ধৰ্মই প্ৰসাৰতা লাভ কৰিছিল; কিন্তু ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা ব্যাপকভাৱে চলা বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱে ইয়াক ঢাকি ৰাখিছিল। তথাপি নাথ-গুৰুসকলৰ প্ৰভাৱ. সেই ধৰ্মৰ আপাহত গঢ়ি উঠা অলেখ মঠ-মন্দিৰ, ভাস্কৰ্য্য-চিত্ৰকলা আৰু চিন্তা-চৰ্চাই আজিও সেই বিস্মৃত ধৰ্মটোৰ গৌৰৱ ঘোষণা কৰি আছে। ধৰ্মৰ উত্থান-পতন বা বিৱৰ্ত্তনৰ ই এক দৃষ্টান্ত মাথোন।

নাথ-ধৰ্ম প্ৰকাৰান্তৰে শৈৱ ধৰ্ম। অসমত শৈৱ ধৰ্মৰ প্ৰচলন অতি পুৰণি। এই ভূখণ্ডৰ প্ৰাচীনতম অধিবাসী অষ্ট্ৰিক সকলেই লিঙ্গ পূজা কৰিছিল বুলি অনুমান হয়, কিয়নো 'লিঙ্গ' শব্দটো অষ্ট্ৰিক মূলৰ পৰা অহা। আনহাতে শিৱ-পূজা প্ৰাক্‌আৰ্য্য কিৰাত সকলেহে পোনতে পালন কৰিছিল বুলি এটি লোক-প্ৰসিদ্ধি আছে। 'কালিকা পুৰাণে' কামৰূপত পোন্ধৰখন ঘাই শিৱস্থান থকা বুলি উল্লেখ কৰিছে; আৰু কৈছে যে নৰকৰ দ্বাৰা কামাখ্যাত দেৱী-পূজা চলাৰ আগৰ পৰাই ইয়াত শিৱ-পূজা চলিছিল। শিৱই পূৰ্ব্বৰে পৰা ইয়াত আধিপত্য বিস্তাৰ কৰি আছিল (স চ দেশঃ স্বৰাজ্যাৰ্থে পূৰ্ব্বং গুপ্তশ্চ শম্ভুনা ॥ কালিক পুৰাণ ৩৯/১০৩-৪)।[১] নৰকে দেৱী-পূজাত বাহিৰে তেওঁৰ ৰাজ্যত আন দেৱতাৰ পূজা নিষিদ্ধ কৰাত কামৰূপত গুপ্তভাৱে শিৱ-পূজা চলিবলৈ ধৰিলে।

১। পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, পৃঃ ১৫, **History of Civilisation of the People of Assam, p. 445**; পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, পৃঃ ৫।

'যোগিনী-তন্ত্ৰ'ৰ মতে পুৰণি অসমত শিৱলিঙ্গৰ সংখ্যা কৌটিতকৈও বেছি :—

সাৰ্দ্ধোকোটিস্তথা লিঙ্গং ত্ৰিশতং চ কলৌ যুগে।
ভূম্যন্তৰস্থং লক্ষং চ সাৰ্দ্ধলক্ষং জলে প্ৰিয়ে ॥
দ্বিলক্ষং পৰ্ব্বতে চৈব পঞ্চলক্ষং গুহাসু চ ॥
ভূমি পীঠে লক্ষ সপ্তং বৃক্ষমূলে তু লক্ষকম্ ॥
কুণ্ডমধ্যগতং লিঙ্গমৰ্দ্ধলক্ষং বিজসৌহি।
সন্ধ্যা সন্ধ্যাং শকে চৈব কুণ্ডং লৌহিত্য পাৱনং ॥[২]

পুৰাণ শাস্ত্ৰত, আনকি ষোল শতিকাৰ বৈষ্ণৱ কবি অনন্ত কন্দলিৰ কুমৰ-হৰণ কাব্যতো শোণিতপুৰৰ বাণ ৰজাক শিৱৰ মহাভক্ত বুলি বৰ্ণনা কৰা আছে। মহাভাৰতৰ সভা পৰ্বত কামৰূপাধিপতি ভগদত্তক 'শিৱৰ সখা' বুলিও কোৱা হৈছে। ইয়াৰ দ্বাৰা মহাভাৰতৰ ৰচনা কালৰ (আনুমানিক খৃষ্টপূৰ্ব দশম শতিকা) পৰাই প্ৰাচীন কামৰূপত শৈৱ ধৰ্ম চলিছিল বুলি ভাব হয়।

'স্কন্দ পুৰাণ'ৰ আৱন্ত্যখণ্ডত উল্লেখ আছে যে জল্প নামে এজন ৰজাই বশিষ্ঠ মুনিৰ উপদেশ মতে মহাকাল বনলৈ গৈ অনাদি শিৱলিঙ্গক বিধিমতে আৰাধনা কৰি কৰি শেষত তেওঁ সেই লিঙ্গতে বিলীন হ'ল; আৰু তেতিয়াৰ পৰা সেই লিঙ্গৰ নামো জল্পেশ্বৰ শিৱলিঙ্গ হ'ল। অন্যান্য পুৰাণৰ প্ৰমাণ অনুসাৰে জল্পেশ্বৰ শিৱলিঙ্গৰ স্থান জল্পাইগুৰি।[৩]

ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'তো জল্পেশ্বৰ নামৰ এজন শিৱ-ভক্ত ৰজাৰ বিৱৰণ আছে। তেওঁ হেনো জলপাইগুৰিত জল্পেশ্বৰ দেৱালয় স্থাপন কৰিছিল।[৪] অৱশ্যে স্কন্দ পুৰাণৰ জল্প ৰজা আৰু আসাম বুৰঞ্জীৰ জল্পেশ্বৰ ৰজাৰ ঐতিহাসিক সম্পৰ্ক বিচাৰি উলিওৱা টান।

২। পণ্ডিত কালীমোহন ভট্টাচাৰ্য্য (সংশোধিত)—যোগিনীতন্ত্ৰম, উত্তৰ খণ্ড, পৃঃ ৩০২।
৩. পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, পৃঃ ১২—১৪।
৪। গুণাভিৰাম বৰুৱা, আসাম বুৰঞ্জী, পৃঃ ৩২—৩৩।

প্ৰাচীন কামৰূপত শৈৱধৰ্মৰ চলতি আৰু প্ৰতিপত্তি সম্পৰ্কে পুৰাণ-তন্ত্ৰ আদিত উল্লেখ থকাৰ বাহিৰেও ঐতিহাসিক তথ্যৰ মাজতো এই বিষয়ে ভালেমান প্ৰমাণ পোৱা যায়। প্ৰাচীন অসমৰ ৰজা-মহাৰজাসকলে খোদিত কৰোৱা ভালে কেইখন তাম্ৰশাসন শিলালিপি, স্তম্ভলিপি, প্ৰাচীৰলিপি, চিল-মোহৰ আৰু বিবিধ মুদ্ৰা আৱিষ্কাৰ হৈছে। সেইবোৰৰ পাঠোদ্ধাৰ, বিষয়-বস্তুৰ আলোচনা বিভিন্ন স্মৃতি-গ্ৰন্থ, পত্ৰিকা আদিত সিঁচৰিত হৈ থকাৰ উপৰিও স্বকীয়া গ্ৰন্থ হিচাপেও ওলাইছে।[৫] তেনেবিধৰ ঐতিহাসিক সমলৰ প্ৰসঙ্গত খৃষ্টীয় চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰৰ খিনিয়ে পুৰণি অসমত চলা শৈৱ ধৰ্মৰ প্ৰাধান্য সম্পৰ্কে বহু প্ৰমাণ দাঙি ধৰে। এই সময় ছোৱাৰ ভিতৰৰ পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ ৰজাসকলে নিজকে নৰক, ভগদত্ত আৰু বজ্ৰদত্তৰ বংশধৰ বুলি পৰিচয় দিয়ে। তেজপুৰ তাম্ৰশাসনত ভগদত্তক আৰু নগাঁও তাম্ৰ-শাসনত বজ্ৰদত্তক শিৱ-ভক্ত বুলি কোৱা হৈছে। সপ্তম শতিকাৰ কামৰূপেশ্বৰ ভাস্কৰ বৰ্মাই তেওঁৰ নিধনপুৰ তাম্ৰশাসনত শিৱক সভক্তিৰে প্ৰণাম জনাইছে। নৱম শতিকাৰ আদি ভাগৰ ৰজা হৰ্জ্জৰবৰ্মনক তেজপুৰ শিলালিপিত 'পৰমমাহেশ্বৰ' বুলি বৰ্ণনা কৰা হৈছে। তেজপুৰ তাম্ৰশাসনৰ ২৪ শাৰীত লিখা আছে যে বনমাল-বৰ্মাই ভক্তিসহকাৰে হাটকেশ্বৰ মহাদেৱৰ সৌধগৃহ পুনৰ নিৰ্মাণ কৰি দিছিল। ইয়াৰ দ্বাৰা তেওঁৰ অগাধ শিৱ-ভক্তি প্ৰকাশ পাইছে। তেওঁৰ নাতি বলবৰ্মাৰ নগাঁও তাম্ৰশাসনত আৰম্ভনিতেই ৰুদ্ৰদেৱক স্তুতি জনোৱা হৈছে। একাদশ শতিকাৰ প্ৰথম ভাগৰ ৰজা ৰত্নপালৰ বৰগাওঁ তাম্ৰশাসনৰ প্ৰথম শাৰীতেই শিৱক শ্ৰেষ্ঠতম

৫। (ক) কামৰূপ শাসনাৱলী, সম্পাদনা—মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ, (খ) প্ৰাচ্য শাসনাৱলী, সম্পাদনা—ড° মহেশ্বৰ নেওগ, (গ) **Inscriptions of Ancient Assam, edited by Dr. M.M. Sarma; (ঘ) The Kamarupa Sasanavali. ed. by Dr. Dimbeswar Sarma.**

দেৱতাৰূপে বন্দনা কৰা হৈছে। পৰৱৰ্ত্তী ৰজা ইন্দ্ৰপালৰ (খৃঃ ১০৫০-১০৫৫) গুৱাহাটী লিপিৰ পৰা জনা যায় যে তেওঁ শিৱৰ ভক্ত আছিল। দ্বাদশ শতিকাৰ ৰজা ধৰ্মপালৰ শুভঙ্কৰপাটক লিপিত শিৱক 'অৰ্দ্ধনাৰীশ্বৰ' ৰূপে প্ৰণাম কৰা হৈছে। পুঙ্খানুপুঙ্খৰূপে বিচাৰ কৰিলে ফলিবোৰত শিৱক কিদৰে প্ৰাধান্য দিয়া হৈছে, শিৱৰ বিভিন্নৰূপ কি ভাবে প্ৰতীয়মান হৈছে সেই কথা সহজেই বুজিব পাৰি। তদুপৰি অসমৰ বিভিন্ন ঠাইত পৰি থকা প্ৰাচীন শিৱ মন্দিৰৰ ধ্বংসাৱশেষ আদিয়েও শৈৱ ধৰ্মৰ প্ৰাধান্যৰ কথা সঁকিয়াই দিয়ে।

ৰাজকীয় শাসন-লিপিৰ বাহিৰেও ত্ৰয়োদশ শতিকাৰ পিছৰ কালত শিৱ পূজাৰ চলতি সম্পৰ্কে অসমৰ প্ৰাচীন বুৰঞ্জী পুথি, চৰিত পুথি, বংশাৱলী আদিত পোৱা যায়। মুঠতে পুৰাণ অসমত যে শৈৱ ধৰ্ম সাক্ৰিয়ভাবে চলিছিল, আৰু অষ্টাদশ শতকালৈকে যে ইয়াৰ এটি নিৰৱচিন্ন ধাৰা পৰোক্ষভাবে হলেও বৈ আহিছিল তাৰ প্ৰমাণ অনেকখিনি পোৱা গৈছে।

প্ৰাচীন অসমৰ ভৌগোলিক অৱস্থান, আয়তন, অধিবাসী আৰু জনসংখ্যালৈ চাই শৈৱ ধৰ্মৰ প্ৰভাৱ ভাৰতৰ ভিতৰত অসমতেই প্ৰধান যেন লাগে। এই ধৰ্মৰ আনুসঙ্গিক কাৰণসমূহ বিচাৰ কৰি চালে আৰু কালিকা পুৰাণ-যোগিনীতন্ত্ৰৰ বৰ্ণনাক গুৰুত্ব দিলে নাথ-ধৰ্মৰ উৎপত্তিও অসমতেই হোৱা বুলি ক'ব পাৰি। ভাৰতত বৌদ্ধধৰ্ম উদ্ভৱ হৈ পিছত চীন-ব্ৰহ্মদেশ-সিংহল আদি দেশত এই ধৰ্মই বিস্তৃতি লাভ কৰাৰ দৰে অসমতো নাথ-ধৰ্মই স্পষ্টৰূপ লৈ পিছত সমগ্ৰ ভাৰততে প্ৰতিপত্তি বিস্তাৰ কৰিছিল। নাথ-ধৰ্মৰ প্ৰৱৰ্ত্তক মীননাথক নিজৰ নিজৰ বুলি কেবাখনো ৰাজ্যই টনা-আজোৰা কৰিলেও এইজনা নাথ-গুৰু প্ৰাচীন কামৰূপৰেই সন্তান।[৬] বুৰঞ্জীবিদ্ কনকলাল বৰুৱাই তীব্বতীয় গ্ৰন্থৰ ওপৰত নিৰ্ভৰ কৰি মীননাথক দশম শতিকাৰ গুৰু বুলি অনুমান কৰিছে। কোনো কোনো

৬। Early History of Kamarupa, p. 102.

নাথ পন্থাৰ অনুৰাগী বিশ্লেষকে মীননাথৰ সময় স্থিতি বোদ্ধ প্ৰাচীনতৰ যুগলৈ নিব খুজিলেও আমাৰ আনুসঙ্গিক ধাৰণামতে মীননাথ বা মৎস্যেন্দ্ৰনাথৰ সময় খৃঃ অষ্টম শতিকা হয়। এই শতিকাৰ ভিতৰতেই বৌদ্ধ আৰু শৈৱ ধৰ্মৰ সংমিশ্ৰণ ঘটে। মীননাথে দুয়োটা ধৰ্মৰে সাৰ-বস্তু গ্ৰহণ কৰে আৰু দেশ-বিদেশ ভ্ৰমি ফুৰে। তেওঁ শৈৱধৰ্মী হলেও নেপালত বৌদ্ধ সিদ্ধাচাৰ্য্যৰূপেই প্ৰসিদ্ধি লাভ কৰে; সেই কাৰণেই নেপালত তেওঁ 'অৱলোকিতেশ্বৰ-অৱতাৰ' হৈ পৰে। জুচেপ টুচীয়ে তীব্বতীয় গ্ৰন্থ "Grub To'b" আৰু "Bka ababs bdun Idan"ৰ ওপৰত নিৰ্ভৰ ক'ৰি মীননাথক কামৰূপৰ কৈৱৰ্ত্ত কুলৰ লোক বুলি কৈছে। লামা তাৰানাথৰো সেয়ে মত। নেপালত এওঁক 'অৱলোকিতেশ্বৰ অৱতাৰ' বুলি অভিজ্ঞান কৰে। মীননাথৰ প্ৰত্যক্ষ শিষ্য হ'ল গোৰক্ষনাথ। গোৰক্ষনাথৰ সময় হ'ল খৃষ্টীয় নৱম শতিকাৰ আদি ভাগ। মীননাথে বৌদ্ধ-শৈৱধৰ্মৰ দাৰ্শনিক তত্ত্বক ভেটি স্বৰূপে লৈ কায়াসিদ্ধিৰ হেতু যোগাচাৰত গুৰুত্ব আৰোপ কৰি নাথ-পন্থাৰ সৃষ্টি কৰে। গোৰক্ষনাথে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰি নাথ-পন্থাক উজ্জ্বল কৰি তোলে।

বিখ্যাত আৰবীয় গণিতজ্ঞ, বুৰঞ্জীবিদ আৰু শাস্ত্ৰজ্ঞ পণ্ডিত আবু ৰিহান আলবেৰুণীয়ে[১] নাথ-পন্থাৰ সিদ্ধ যোগী নাগাৰ্জ্জুনক তেওঁৰ সময়তকৈ প্ৰায় এশ বছৰ আগৰ লোক বুলি মন্তব্য কৰিছে। আলবেৰুণীৰ সময় হ'ল দশম শতিকাৰ শেষ আৰু একাদশ

১। আলবেৰুণীৰ জন্ম হয় আৰব দেশৰ খিভা প্ৰদেশত ৯৭৩ খৃঃত। তেওঁ এগৰাকী প্ৰতিভাসম্পন্ন ব্যক্তি। ১০১৭ খৃঃত গজনীৰ চুলতান মামুদে খিভা ৰাজ্য জয় কৰোতে তেওঁকো লগত লৈ আহে আৰু সভাকবি পাতে। তাৰ পাছত তেওঁ মামুদৰ লগত ভাৰতলৈ আহে। আলবেৰুণীয়ে পঞ্জাবত থাকি সংস্কৃত ভাষাত ব্যুৎপত্তি লাভ কৰে। তেওঁ হিন্দুৰ দৰ্শন, বিজ্ঞান, জ্যোতিৰ্বিজ্ঞান, গীতা, পুৰাণ, বুৰঞ্জী আদি অধ্যয়ন কৰিছিল। তেওঁ এজন গণিতজ্ঞও আছিল। কবি ওমৰ খায়ামৰ সহযোগত তেওঁ গণিতশাস্ত্ৰ সম্বন্ধে কেইখনমান পুথি প্ৰনয়ণ কৰিছিল বুলি প্ৰসিদ্ধি আছে। আলবেৰুণীৰ 'ভাৰত-বিৱৰণ' আমাৰ দেশৰ ইতিহাসৰ এক অমূল্য সম্পদ।

শতিকাৰ প্ৰথম ভাগ। সেই হিচাপে নাগাৰ্জুনৰ সময় হব নৱম শতিকাৰ শেষ আৰু দশম শতিকাৰ আগ। বুৰঞ্জীবিদ কনকলাল বৰুৱাই অৱশ্যে নাগাৰ্জ্জুনৰ অভ্যুদয়ৰ সময় দশম শতিকাৰ মাজভাগ বুলি ঠাৱৰ কৰিছে।[৮] এইজন নাগাৰ্জ্জুন মহাসিদ্ধ সৰহপাদৰ শিষ্য; নাথ-সিদ্ধৰ তালিকাত সৰহপাদৰ স্থান ষষ্ঠ আৰু নাগাৰ্জ্জুনৰ স্থান হ'ল ষোল।[৯] পণ্ডিত ডক্টৰ মহম্মদ শহীদুল্লা (Les Chants Mystiques) আৰু বুৰঞ্জীবিদ কনকলাল বৰুৱাই সৰহপাদক কামৰূপাধিপতি ব্ৰহ্মপাল (৯৮৫—১০০০ খৃঃ) আৰু ৰত্নপালৰ (১০০০—১০৩০ খৃঃ) সমসাময়িক বুলি মন্তব্য কৰিছে।[১০] কিন্তু বুৰঞ্জীৰ প্ৰাচীন কালৰ চন-তাৰিখবোৰ প্ৰধানকৈ সংশ্লিষ্ট ৰজাবোৰৰ ৰাজত্ব কালৰহে চন-তাৰিখ; তদুপৰি সেইবিলাকো খাটাং নহয়— তথ্যৰ আবিস্কাৰ-পৰিমাণৰ ওপৰত নিৰ্ভৰশীল। যি কি নহওক, গুৰু-শিষ্যৰ সময়-পৰম্পৰা, ঘটনাৰ উদ্‌ঘাটন, নাথ-ধৰ্মৰ চৌৰাশী জন মহাসিদ্ধৰ তালিকাৰ ক্ৰমিক স্থান আৰু তীব্বতীয় মতবাদ অনুযায়ী সৰহপাদৰ সময় নৱম শতিকাৰ শেষভাগ বা দশম শতিকাৰ আৰম্ভনিহে হব, ইয়াৰ পিছলৈ ঠেলিব নোৱাৰি। তীব্বতী তথ্যমতে সৰহপাদ, মহীধৰপাদ আৰু দাৰিকপাদ কামৰূপীয় সিদ্ধাচাৰ্য্য।[১১] Pag Sam Jon Zan নামক তীব্বতী গ্ৰন্থত সৰহপাক প্ৰাচ্যদেশৰ ৰাজ্ঞী নামৰ ঠাইৰ বাসিন্দা বুলি কোৱা হৈছে। এই ৰাজ্ঞী নগৰ বৰ্ত্তমান কামৰূপৰ ৰাণী নামৰ ঠাইখন বুলি পণ্ডিতসকলে অনুমান কৰিছে। সৰহপাৰ আন আন নাম সৰহভদ্ৰ,

৮। Early History of Kamarupa, p. 102.

৯। শ্ৰীগুণেন্দ্ৰনাথ পণ্ডিত, শৈৱ দৰ্শন আৰু সাহিত্যৰ পটভূমি, ১৯৮৪, পৃঃ ২৬০।

১০। The Journal of the Assam Research Society, 1934, Vol. 11, No. 3, p. 85.

১১। Early History of Kamarupa, p. 102; পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, পৃঃ ৪১—৪৩।

বাজলভদ্ৰ, সৰোৰুহবজ্ৰ; এওঁ সৰোজবজ্ৰ পদ্মবজ্ৰ বুলিও পৰিচিত।

নাথ-পন্থীসকলে মীননাথক আদিগুৰু বুলি প্ৰণাম কৰে; কিন্তু তেওঁলোকৰ আদি গুৰু বা আদি নাথ শিৱ দেৱতা বা শিৱশক্তিহে। 'গোৰক্ষ বিজয়' পুথিমতে শিৱৰ নাক, জটা, হাত আৰু কাণৰ পৰা ক্ৰমে মীননাথ, গোৰক্ষনাথ, হাড়িপা আৰু কাণপা নামে চাৰি সিদ্ধৰ জন্ম হয়।[১৩] এওঁলোকেই নাথ-ধৰ্মৰ প্ৰৱৰ্ত্তক।

নাথ-ধৰ্ম ঈশ্বৰবাদী; শিৱকেই পৰমপদ' বা 'পৰমেশ্বৰ' বুলি অভিজ্ঞান কৰা হয়। বৈষ্ণৱ ধৰ্মত 'ব্ৰহ্মহি কেৱলম্' চিন্তাৰ দৰে নাথ ধৰ্মৰো সমান্তৰাল চিন্তা হ'ল—'শিৱ এৱ কেৱলম্'। অৱশ্যে পিছলৈ এই ধৰ্মতো বহুদেৱতাবাদৰ অৰ্চ্চনা সোমাই পৰে।

নাথ-ধৰ্ম কৌল-শৈৱ-বৌদ্ধমতৰ সংমিশ্ৰণত উদ্ভৱ হোৱা এক প্ৰজ্ঞাবাদী ধৰ্মমত'। ইয়াৰ এটা ধাৰা ব্ৰাহ্মণ্য-বৈদিক আৰু আনটো ধাৰা বৌদ্ধ-জ্ঞানবাদী। নাথসকলৰ ইষ্টদেৱ অনাদি-অনন্ত, নিৰাকাৰ আৰু জ্যোতিৰ্ময়। সেই শক্তিয়েই নাথ-নিৰঞ্জন—বিশ্বৰ একমাত্ৰ অধিকাৰী; সেই সত্বা হ'ল 'একমেৱাদ্বিতীয়ম্'; তেওঁত বাহিৰে অন্য সত্বাৰ অস্তিত্ব নাই। আনহাতে নাথ-সিদ্ধসকলে ধাৰণা কৰে যে বুদ্ধই শিৱৰ মানৱীয় ৰূপ। সেই কাৰণেই হবলা নাথ-পন্থাৰ লগত যোগ তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ সম্পৰ্ক বেছি দেখা যায়। বৌদ্ধ মহাযান শাখাৰ 'শূন্যমত' নাথ-ধৰ্মৰ শূন্যমতৰ অনুৰূপ। বুদ্ধদেৱে নিৰ্বাণ লাভ কৰিব পাৰিলেই সকলো দুখৰ নিবৃত্তি হয় বুলি কৈছিল। এই নিৰ্বাণ-প্ৰাপ্তি বেদান্ত-দৰ্শনৰ মোক্ষ-প্ৰাপ্তিৰ সমতুল্য। বুদ্ধদেৱে কৈছিল যে—'সৰ্ব্বম্ অনিত্যম্, সৰ্ব্বম অনাত্মম্, নিৰ্ব্বাণং শান্তম্।' এই মতবাদেই 'শূন্যতত্ত্ববাদ।' ঋক্‌বেদৰ দশম মণ্ডলৰ নাসদীয় সূক্তত এই শূন্যতত্ত্বৰ উল্লেখ আছে। নাথ-ধৰ্মৰ শূন্যতত্ত্বও ইয়াৰ সমপৰ্য্যায়ী। খৃষ্টীয় প্ৰায় দ্বিতীয় শতিকাৰ বৌদ্ধ দাৰ্শনিক, চিকিৎসক আৰু

১২। বৌদ্ধ গান ও দোহা, পৃঃ ২৩।

১৩। ৰাজমোহন নাথ, বঙ্গীয় নাথ-পন্থেৰ প্ৰাচীন পুথি, ১২৬৪, পৃঃ ১৫১।

মহাযান বৌদ্ধমতৰ প্ৰৱৰ্ত্তক নাগাৰ্জ্জুনৰ মতে সকলো ধৰ্মই শূন্যতা-স্বভাৱ বিশিষ্ট। গতিকে দেখা যায় যে বৌদ্ধ ধৰ্ম, হিন্দু ধৰ্ম, শৈৱ ধৰ্ম আৰু নাথ-ধৰ্ম একেই শূন্যতত্ত্বৰ ওপৰত গুৰুত্বশীল।

নাথ-যোগী সকল মূলতঃ শৈৱ ধৰ্মী; তথাপি তেওঁলোকে স্বকীয় বৈশিষ্ট্য যুক্ত কৰি নিজৰ উদ্ভাৱিত ধৰ্মটোক নাথ-পন্থ বুলি পৰিচয় দিয়ে। বেদ উপনিষদ, আগম-পুৰাণ আদি নানা শাস্ত্ৰৰ দাৰ্শনিক তত্ত্বই এই পন্থৰ ভেটি। নাথ-পন্থা এটি ধৰ্মীয় সম্প্ৰদায়হে—ই পোনতে বৰ্ত্তমানৰ দৰে জাতিগত সম্প্ৰদায় নাছিল। বৈষ্ণৱ ধৰ্মত যেনেকৈ বিভিন্ন জাতিৰ মানুহ আছে, নাথ-ধৰ্মতো তেনেকৈ নানা জাতিৰ মানুহ আছে।

নাথ-ধৰ্মত আদিগুৰু শিৱৰ মূৰ্ত্তি পূজা নাই, কিন্তু শিৱলিঙ্গৰ পূজা আছে। এই শিৱলিঙ্গ দাৰ্শনিক তত্ত্বৰে ভৰা তাৎপৰ্য্যপূৰ্ণ এক প্ৰতীক মাথোন। ঋক্‌বেদ (১/৩৫/৬), অথৰ্ব্ববেদ (১০/৭) আৰু জৈমিনীয় উপনিষদ ব্ৰাহ্মণত (২/৩) উল্লেখ থকা ব্ৰহ্মাণ্ডক তলৰ পৰা ওপৰলৈ ভেদি দণ্ডায়মান হৈ থকা জ্যোতিৰ্ময় স্তম্ভ বিশেষেই শিৱলিঙ্গ, ই প্ৰাণ-সঞ্চাৰিত অমৃতময় সম্পদ, দ্যুলোকক ধৰি ৰখা বৃত্তাকাৰৰ এটি দিব্যস্তম্ভ—ই এক অনাদি-অনন্ত শক্তি। শিৱলিঙ্গই হ'ল সমগ্ৰ জগতৰ চেতন-শক্তি, আৰু স্থূল বিশ্ব-ব্ৰহ্মাণ্ড-খন হ'ল যোনি বা পীঠ। যোনি-লিঙ্গ জাগ্ৰত চেতনাৰ প্ৰতীক মাত্ৰ। মনকৰিব লগীয়া কথা এই যে যোনি-লিঙ্গ নাৰী-পুৰুষৰ জননেন্দ্ৰিয়ৰ আকৃতিৰ নহয়—ই এক বিশেষ আকৃতিৰহে।

নাথ-ধৰ্ম মতে শিৱই হ'ল সৃষ্টি-স্থিতি-লয়ৰ গৰাকী; তেওঁ সৰ্বনিয়ন্তা, সৰ্বব্যাপ্ত, সৰ্ব্বজ্ঞ, অনন্ত শক্তি; সেই শক্তিৰ লগত যুক্ত হৈ আছে—ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম, আৰু ইন্দ্ৰিয়-গ্ৰাহ্য উপাদান সমূহ—শব্দ, স্পৰ্শ ৰূপ, ৰস, গন্ধ। জীৱৰ পঞ্চভূতী দেহত থকা এই শক্তিসমূহৰ দ্বাৰা যথাৰ্থ ফল লাভ কৰাই নাথ-সাধনাৰ লক্ষ্য।

শিৱ-শক্তিৰ প্ৰতীক স্বৰূপ যোনি-লিঙ্গৰ উপাসনা এক সনাতনী শৈৱ সাধনা; ইয়াক শক্তি-সাধনা বুলিও কোৱা হয়; ই জগতৰ

এক কল্যাণকামী সাধনা। যোনি-লিঙ্গৰ এটা বৈজ্ঞানিক দিশো আছে। যোনি' মানে ক্ষেত্ৰ, আৰু 'লিঙ্গ' মানে কৰ্ষণ কৰা শক্তি; ই আধুনিক বিজ্ঞানৰ ঈথাৰ-স্তম্ভ। শিৱ-তত্ত্ব অনুসাৰে সৃষ্টিৰ প্ৰাক্‌কালীন সৃষ্টিকাৰী শক্তিক 'বিন্দু' (Point) বুলি কোৱা হৈছে। এই বিন্দুৰ ক্ৰমবৰ্দ্ধমান বিস্ফোৰণক কেন্দ্ৰ-কোষস্থ শক্তি (Nucleus) বুলি ধৰা হয়। নাথ-যোগী সম্প্ৰদায়ৰ এয়েই 'বিন্দু-তত্ত্ব' বা 'নাদ-বিন্দু-সাধনা'।[১৪]

নাথ-ধৰ্মমতে আকাশক 'বিন্দু' জ্ঞান কৰা হয়; শক্তিৰ সঞ্চাৰমান অৱস্থাত আকাশৰ কম্পনত শব্দৰ সৃষ্টি হয়; আকাশৰ গুণেই শব্দ বা নাদ; ই বিশ্বৰ গৰ্ভস্থলত আৰু আকাশ-মণ্ডলত সদায় ধ্বনিত হৈ থাকে। কিন্তু জীৱলোকে সেই ধ্বনি স্বাভাৱিক অৱস্থাত নুশুনে। কেৱল গুৰুৰ সহায়ত শাম্ভৱী মুদ্ৰাৰ জৰিয়তে প্ৰাণ স্থিৰ হলে শূন্যৰ পৰা অনাহত ধ্বনি শুনা যায়।[১৫] কুণ্ডলিনী জাগৰণৰ প্ৰক্ৰিয়ামতে মূলাধাৰ চক্ৰত 'নাদ'ৰ উৎপত্তি হয় আৰু সহস্ৰাৰ চক্ৰত ই লোপ পায়। 'শিৱ-সমান' গুৰুক 'নাদ-বিন্দু' আৰু 'কলাস্বৰূপ' বুলি সাধকসকলে বন্দনা কৰে। 'নাদ' আৰু 'বিন্দু' মূলতঃ একেই অনুভূতি। ব্যাপ্তি অৱস্থাত যাক 'নাদ' বোলা হয়, ঘনীভূত অৱস্থাত সিয়েই 'বিন্দু'। সাধকে 'পৰমপদ' প্ৰাপ্তিৰ হেতু যি সাধনা কৰে তেওঁ বিন্দুৰ লক্ষ্যত নাদ-ধ্বনিকেই শ্ৰৱণ কৰে। বিন্দু ৰক্ষাৰ ওপৰত নাথ-সিদ্ধই সদায় গুৰুত্ব আৰোপ কৰি আহিছে। বিন্দু ধাৰণেই প্ৰাণ ৰক্ষা আৰু সুস্থদেহ ৰক্ষাৰ একমাত্ৰ উপায়। বিশেষ অৰ্থত নাদ-বিন্দুৱেই শক্তি; এই শক্তিয়েই আৰাধ্য শিৱ।

নাথ-ধৰ্মৰ শিক্ষা গুৰুমুখী; গুৰুসকলে পৰম্পৰাগতভাৱে এই ধৰ্মৰ গূঢ় তত্ত্ববোৰ শিষ্যসকলক শিকাইছিল; গুহ্যতত্ত্ব বুলি আন লোকৰ ওচৰত ইয়াক গোপনে ৰখা হৈছিল আৰু সাধন তত্ত্বৰ

১৪। শৈৱ দৰ্শন আৰু সাহিত্যৰ পটভূমি, পৃঃ ৪৮।

১৫। ওপৰুক্ত গ্ৰন্থ, পৃঃ ২৪৩।

সংকেতবোৰ লিপিবদ্ধ নকৰিছিল। এই ধৰ্মত গুৰুৰ স্থান আৰু মান অতি ওখ; তেওঁ অৱধূতৰূপী। গুৰুৰ কৃপাতেই জগতৰ অষ্টপাশ নাশ হয়; সেয়েহে যোগ-মাৰ্গত গুৰুক 'নাদ-বিন্দু-কলাত্মনে' বোলা হৈছে। নাথ পন্থৰ পৰম আৰাধ্য দেৱতা শিৱ আৰু জ্ঞানময় গুৰু সমপৰ্য্যায়ী। গুৰুৰ কৃপাতেই সাধকে 'সহজাৱস্থা' লাভ কৰিবলৈ সক্ষম হয়।

নাথসিদ্ধৰ মতে 'সহজাৱস্থা' প্ৰাপ্তিৰ হেতু যোগৰ একান্ত প্ৰয়োজন। যোগৰ দ্বাৰা কায়াসিদ্ধি নকৰিলে সহজাৱস্থাত উপনীত হব নোৱাৰি। আসনৰ দ্বাৰা দেহ-মন সংযত কৰি কুম্ভক মুদ্ৰাদিৰ দ্বাৰা ইন্দ্ৰিয় দমন কৰি ধ্যান সমাধি ৰূপ অন্তৰঙ্গ সাধনাৰ জৰিয়তেহে সাধুকে সহজাৱস্থা লাভ কৰিব পাৰে। সেই কাৰণে নাথসিদ্ধসকলে যোগ-সাধনাত অধিক গুৰুত্ব আৰোপ কৰে; কিয়নো যোগ সাধনাত সিদ্ধি লাভ কৰিলেহে বাকীবোৰ সাধনাত কৃতকাৰ্য্য হব পাৰি। বাকীবোৰ সাধনা বোলোতে শূন্য-সাধনা, নাদ-বিন্দু-সাধনা, ওঁকাৰ-সাধনা, পৰমপদত 'পিণ্ডলয় কৰণ' আদিকে ঘাইকৈ বুজায়।

নাথ-যোগীৰ মতে মানৱ দেহ অপৰিপক্ক, ক্ষয়িষ্ণু আৰু দুখময়; সেইদৰে মানৱ-মন চঞ্চল পাৰ্থিৱ মায়ামোহেৰে ভৰা। কিন্তু পৰিপক্ক, বৰ্দ্ধিষ্ণু আৰু সুখময় দেহ লাভ কৰিবলৈ হলে, আকৌ মনকো সৰ্বপ্ৰকাৰে মায়ামুক্ত কৰি নাথ-নিৰঞ্জনৰ লগত একীভূত কৰিবলৈ হলে যোগ-সাধনাৰ নিতান্ত আৱশ্যক। গতিকে নাথসিদ্ধ-সকলে যোগাগ্নিৰ দ্বাৰা দেহ-মনৰ মায়াক দগ্ধ কৰি আৰু দেহস্থিত অমৃত-ৰসৰ দ্বাৰা ইয়াক নতুনকৈ সঞ্জীৱিত কৰি ক্ষণভঙ্গুৰ নৰ-দেহক যোগ-দেহলৈ ৰূপান্তৰ কৰিছিল। যোগ-দেহ পঞ্চভূত আৰু কালৰ গৰাহৰ পৰা মুক্ত আৰু বিকাৰ-শূন্য। হঠযোগী (নাথ) সকলে বায়ুক আশ্ৰয় কৰি কায়া সাধনা কৰিছিল, আৰু বৈষয়িক দেহ ত্যাগ কৰি যোগ-দেহ লাভ কৰিছিল। নাথ-মাৰ্গত গুৰুপ্ৰদত্ত মহাজ্ঞান লাভ কৰি পাৰ্থিৱ দেহৰ ৰূপান্তৰ ঘটোৱা দৃষ্টান্তও পোৱা যায়। পৌৰাণিক যুগৰ অপ্সৰাসকলৰ বিভিন্ন ৰূপ পৰিবৰ্তন, ঋষি-মুনিৰ

প্ৰয়োজন সাপেক্ষে দেহ-সলনি কৰণ, মাৰীচৰ মায়া আৰু ৰাৱণৰ ভিখাৰী-বেশ ধাৰণ, হনুমন্তৰ কায়া-পৰিবৰ্ত্তন ইত্যাদিৰ অন্তৰালত কিবা যোগৰেই প্ৰভাৱ আছিল নেকি সেই কথাও ৰহস্যাবৃত। সৌ সিদিনাৰ ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' উপন্যাসত ৰহদৈ আৰু স্বামী শিৱানন্দৰ দেহ-পৰিবৰ্ত্তনৰ সন্দৰ্ভত হঠযোগৰেই সফল দৃষ্টান্ত দেখুওৱা হৈছে নেকি সেইয়াও ভাবি চাবলগীয়া কথা।

প্ৰসঙ্গোচিত কথা এই যে নাথ-ধৰ্মৰ যোগাচাৰ বা কায়া-সাধন বৌদ্ধ ধৰ্মতো বিদ্যমান। দেহক শুদ্ধ-সুস্থ আৰু মনক সংযত কৰাৰ প্ৰধান উপায় স্বৰূপে যোগ-সাধনা কৰা হয়। প্ৰাচীন বৌদ্ধসকলৰ মাজত 'স্কন্ধসিদ্ধি' নামেৰে দেহ-সিদ্ধিৰ এটি বিধান আছিল। যোগাসন কৰা বাবে বুদ্ধদেৱে 'ধ্যানী বুদ্ধ' আখ্যা পাইছিল; যোগ-সাধনাৰ দ্বাৰা তেওঁ 'মাৰ-বিজয়ী' হৈছিল। পৰবৰ্ত্তী কালতো বৌদ্ধ তান্ত্রিক ধৰ্মত যোগাচাৰ চলিছিল। বজ্ৰযান, কালচক্ৰযান পন্থাতো সিদ্ধ-দেহ লাভৰ উল্লেখ আছে। কায়া-সিদ্ধিৰ বিধান থকা হেতুকে বৌদ্ধ সহজীয়াসকল যোগাচাৰী সিদ্ধৰূপেও সমাজত পৰিচিত হৈছিল। এওঁলোকৰ মাজত হঠযোগ-সাধনাও চলিছিল। এওঁলোকৰ 'মহাসুখ' প্ৰাপ্তিৰ বিধান নাথ-পন্থাতো আছিল। সিদ্ধ-মত উভয় পন্থাৰ গ্ৰহণীয় আছিল। বৌদ্ধ সহজীয়া-সকলৰ মহাসুখ-প্ৰাপ্তিৰ বিধি-ব্যৱস্থাত বিন্দু ৰক্ষাৰ বিশেষ কথা নাই; কিন্তু নাথ-মাৰ্গত বিন্দু ৰক্ষাই আচল সাধনা; এই সাধনাৰ দ্বাৰাই নাথসকলে কায়া-সিদ্ধি লাভ কৰিছিল।

হিন্দু ধৰ্মতো যোগ-সাধনাৰ ব্যৱস্থা সম্পাদনিকৈ আছে। পতঞ্জলিয়ে তেওঁৰ যোগ-দৰ্শনত আঠ প্ৰকাৰ যোগৰ উল্লেখ কৰিছে; যেনে—যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি। নাথসকলে থাইকৈ চাৰি প্ৰকাৰ যোগ-সাধনাত গুৰুত্ব দিয়ে; সেই কেই প্ৰকাৰ হ'ল—মন্ত্ৰযোগ, হঠযোগ, লয়যোগ আৰু ৰাজযোগ।

নাথ-ধৰ্ম হিন্দু আৰু বৌদ্ধ ধৰ্মৰ সাঁকো স্বৰূপ—যেৰৰ আৰু

নিৰীশ্বৰ বাদৰ সমন্বয়ী পন্থা—ব্ৰাহ্মণ্য আৰু বৌদ্ধ এই দুয়ো ধাৰাৰ সূত্ৰধাৰী মাৰ্গ। সকলো জাতি-ধৰ্মৰ মানুহ নাথ ধৰ্মত দীক্ষিত হৈ পূৰ্বৰ জাতি-ধৰ্ম বিলুপ্ত কৰি নাথ হব পাৰে। নাথ' মানে প্ৰভু বা গৰাকী। হিন্দু ধৰ্মত জাতি-ভেদ প্ৰথা আছে; কিন্তু বৌদ্ধ আৰু নাথ ধৰ্মই জাতি-ভেদ প্ৰথা ঘৃণা কৰে। নাথৰ হঠযোগ সাধনা আৰু বৌদ্ধৰ সহজযানী সাধনাৰ সাদৃশ্য বিদ্যমান। হিন্দু-তন্ত্ৰত যি শিৱ আৰু শক্তি, বজ্ৰযান আৰু সহজযান পন্থাত সেয়ে শূন্যতা আৰু কৰুণা; এই দুটাৰ মিলনত সৃষ্টি হোৱা অভেদাৱস্থাই হ'ল 'মহামুদ্ৰা'। নাথসকলৰ 'নাদ' আৰু 'বিন্দু'ৰ মিলনেই বৌদ্ধ-সকলৰ প্ৰজ্ঞা আৰু উপায়ৰ মিলন স্বৰূপ। বৌদ্ধ সহজীয়াৰ শূন্য-সমাধি বা সহজাৱস্থা প্ৰাপ্তিৰ লগত নাথ-মাৰ্গৰ 'সমৰস' সাধনাৰ মিল দেখা যায়। সহজযানীৰ 'জ্ঞানমুদ্ৰা' নাথ-পন্থীৰ পৰমপদ-প্ৰাপ্তিৰ সমপৰ্য্যায়ী। বৌদ্ধ আৰু নাথ উভয় ধৰ্মতে যোগ-সাধনাৰ বিধান আছে। বিচিত্ৰ কথা এই যে বৌদ্ধ সহজীয়াসকলৰ চৌৰাশী-জন সিদ্ধৰ তালিকাত নাথ-সিদ্ধৰ নামো অন্তৰ্ভুক্ত হৈছে।

নাথ-যোগত বায়ু নিৰোধৰ আৰু খেচৰী মুদ্ৰা সাধনৰ প্ৰয়োজনীয়তা আছে। নাথসকলে 'অমৰ বাৰুণী' পান কৰি অমৃত ক্ষৰণ নিবৃত্তি কৰাৰ উপদেশ দিছে। তন্ত্ৰ আৰু নাথ মাৰ্গত দেহৰ মাজত ব্ৰহ্মাণ্ডৰ কল্পনা কৰা হয়। দেহৰ মাজত চন্দ্ৰ বা সোম আৰু সূৰ্য্য বা অগ্নিক মুখ্য স্থান দিয়া হৈছে। এই চন্দ্ৰ সূৰ্য্যক হ' আৰু 'ঠ' বা প্ৰাণ-আপান বায়ু বুলি অভিহিত কৰা হৈছে। এই প্ৰাণ-অপান বায়ু-পথেই শিৱ আৰু শক্তিৰ ক্ৰিয়া নামেৰে যোগ-মাৰ্গত জনাজাত। তন্ত্ৰ শাস্ত্ৰৰ শিৱ আৰু যোগ-গ্ৰন্থ গীতাৰ শ্ৰীকৃষ্ণ একে শিৱ-শক্তিৰ সমন্বয় স্বৰূপ।

নাথসকলে পৰমপদক নিৰ্ণাম বা অনামী আখ্যা দিছে। সকলো তত্বৰ উৰ্দ্ধত পৰমপদৰ স্থান।[১৬] এই শক্তি অব্যক্ত, অনাদি, অনামী আৰু চিৰন্তন—সেইয়া সগুণ-নিৰ্গুণৰ উৰ্দ্ধত। ই বেদান্ত

১৬। 'সৰ্বতোৰ্দ্ধ বৃত্তিমান নিৰ্ণাম পৰমং পদম্'—সিদ্ধ সিদ্ধান্ত সংগ্ৰহ (৪/৩৪)।

দৰ্শনৰ পৰম ব্ৰহ্মৰ সমতুল্য। যি অৱস্থা বা পদ লাভ কৰিলে জীৱই পাৰ্থিৱ মায়া-মোহজনিত দুখ-দুৰ্গতি তথা জন্ম-মৃত্যুৰ হাত সাৰিব পাৰে সেয়ে পৰমপদ।[১৭] সাধকৰ দৃষ্টিত চৰম আনন্দ-পূৰ্ণ নিশ্চল অৱস্থাই হ'ল পৰমপদ।[১৮] এই স্তৰত যোগীয়ে শিৱৰ লগত একাত্ম হৈ পৰে। ইয়াকে 'সহজাৱস্থা' বুলি কোৱা হয়। 'সহজাৱস্থা'-প্ৰাপ্তিয়েই নাথ-সাধনাৰ চৰম লক্ষ্য।

যোগ-সাধনাৰ মূল উদ্দেশ্য হৈছে আত্মশক্তিক পৰম শক্তিত লীন কৰি জগতৰ মঙ্গল সাধন কৰা। ঋষি-মুনিসকলে ইয়াকেই কৰি আহিছে। নাথ সিদ্ধৰ উদ্দেশ্যও সেয়ে। জগত-সৃষ্টিৰ আগত আৰু মহাপ্ৰলয়ৰ পিছত একমাত্ৰ 'পূৰ্ণসত্তা'ই বিৰাজ কৰি থাকে।[১৯] এই পূৰ্ণসত্যই 'নাথ'; ইয়াক লাভ কৰাৰ কাৰণেই যোগ-সাধনাৰ প্ৰয়োজন। নাথ-তত্ত্ব মতে সিদ্ধ দেহত অমৰত্ব লাভ কৰি বিশ্বৰ কল্যাণ সাধন কৰা যোগী-সাধকৰ কৰ্তব্য। তান্ত্ৰিক সাধনাত সিদ্ধিলাভ কৰি 'শিৱোহহং' বা শিৱ-সমান হোৱাই আছিল প্ৰধান লক্ষ্য। সদ্‌গুৰুৰ নিৰ্দেশত যোগাভ্যাস কৰি সাধকে অনায়াসে 'শিৱত্ব' লাভ কৰিব পাৰে।

বিশিষ্ট ভাৱে আৰু ব্যাপক ধৰণে নিয়মীয়াকৈ যোগ-সাধনা কৰা কাৰণে নাথসকলক সমাজত যোগী বুলি কোৱা হ'ল। পিছে, আন ধৰ্মতো যোগ-সাধনাৰ চলতি প্ৰাচীন কালৰ পৰাই আছে। পতঞ্জলিৰ যোগসূত্ৰ আৰু অন্য সম্প্ৰদায়ৰ যোগ-পদ্ধতিৰ তুলনাত নাথ সম্প্ৰদায়ৰ যোগাচাৰ পদ্ধতিগতভাৱে বেলেগ। আন সম্প্ৰদায়ৰ যোগ-সাধনা সংশ্লিষ্ট ধৰ্মৰ সাধনাৰ অপৰিহাৰ্য্য অঙ্গ নহয়; কিন্তু নাথ সম্প্ৰদায়ৰ ধৰ্ম-চৰ্চ্চা আৰু যোগ-সাধনা দুয়োটাই অপৰিহাৰ্য্য আৰু পৰস্পৰৰ পৰিপূৰক। কালক্ৰমত

১৭। সিদ্ধ সিদ্ধান্ত সংগ্ৰহ (৫/১৯)

১৮। ড' কল্যাণী মল্লিক, নাথ সম্প্ৰদায়েৰ ইতিহাস, দৰ্শন ও সাধন-প্ৰণালী, পৃঃ ২০১—২০২।

১৯। উপৰক্ত গ্ৰন্থ, পৃঃ ৩৮৯।

যোগ-সাধনা নকৰা নাথ সকলো সমাজত যোগী বুলি পৰিচিত হৈ থাকিল। আধুনিক যুগত যোগী' 'যুগী' লৈ নামি বামুণ-কলিতাৰ দৰে এটা স্বকীয়া কুল হৈ পৰিল; কিন্তু ধৰ্মৰ আধ্যাত্মিক প্ৰভাৱ, সাংস্কৃতিক বৈশিষ্ট্য সিবিলাকৰ মাজত বৈ গ'ল। আনহাতে প্ৰকৃত সাধনাকাৰী পুৰুষসকলে নাথ ধৰ্মৰ অস্তিত্ব গোপনে ৰক্ষা কৰি যোগী-সন্ন্যাসীৰূপে বিত্তভোগী সমাজৰ পৰা আঁতৰি থাকিল।

নাথ-ধৰ্মৰ উদ্দেশ্য আৰু লক্ষ্য জগতৰ প্ৰাচীন ধৰ্মসমূহৰ উদ্দেশ্য আৰু লক্ষ্যৰ সৈতে প্ৰায়েই মিল আছে; তথাপি হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ যোগ-সাধনাৰ প্ৰসঙ্গত নাথ-ধৰ্মৰ সাদৃশ্য বেছি; আনকি গুৰু-চিন্তনতো সাদৃশ্য বিদ্যমান। নাথ পন্থা মতে নাথ-নিৰঞ্জন হ'ল সমগ্ৰ বিশ্বৰ গৰাকী 'একনাথ'। সেই নাথ-সত্তাটো শূন্যব্ৰহ্ম স্বৰূপ—আকাৰ-নিৰাকাৰ, সগুণ-নিৰ্গুণৰ উৰ্দ্ধত; মহেশ্বৰকেই প্ৰথম নাথ বা 'আদিনাথ' বুলি অভিজ্ঞান কৰা হৈছে। বৌদ্ধসকলৰ আদি গুৰু হ'ল আদি-বুদ্ধ; তেওঁক শ্ৰমণ সকলে 'আদিনাথ' বুলিও বন্দনা কৰে। আনহাতে জৈনসকলৰ মহাবীৰ তীৰ্থঙ্কৰৰ অন্যতম নামো 'আদিনাথ'। এই দুয়োজন গুৰু মানৱদেহধাৰী, কিন্তু মহেশ্বৰ এক দেহহীন সত্ত্বা; কোনো এটা সময়ত হয়তো শিৱ বা মহেশ্বৰকো ব্যাঘ্ৰচৰ্ম পৰিহিত জটাধাৰী মানৱীয় গুৰুৰূপে সিদ্ধসকলে বন্দনা কৰিবলৈ লয়। সেই কাৰণে পণ্ডিতমণ্ডলীৰ বহুতেই বৌদ্ধ, জৈন আৰু নাথধৰ্ম একে গোষ্ঠিভুক্ত বুলি ধাৰণা কৰে। অধিক কি, ৮৪ জন বৌদ্ধ সহজীয়া সিদ্ধৰ তালিকাত নাথ-সিদ্ধৰ নামো অন্তৰ্ভুক্ত কৰা হৈছে। যেনে—বিৰূপাদ (বিৰুআ পাদ), শবৰপাদ, ডোম্বীপাদ, সৰহপাদ, শান্তিপাদ, ভাদেপাদ, কঙ্কণপাদ, কম্বল (কামৰী, কামলি), কুক্কুৰী, মহীধৰ, ভুসুকু, গুণ্ডৰী, জয়ানন্দ (জয়নন্দিপাদ), দাৰিক ইত্যাদি। কিছুমান সিদ্ধৰ এনে দুখলপীয়া ভূমিকাৰ পৰা অনুমান কৰিব পাৰি যে সিবিলাক হয়তো আদিতে বৌদ্ধধৰ্মী আছিল,

পিছত শৈৱ ধৰ্ম বা নাথ-ধৰ্মলৈ গতি কৰিলে ; আকৌ কোনো জনে হয়তো শৈৱ ধৰ্ম এৰি সহজীয়া ধৰ্ম গ্ৰহণ কৰিলে। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যে গোৰক্ষনাথ প্ৰথমে বৌদ্ধ সহজীয়া আছিল, কিন্তু এই ধৰ্মৰ ক্ৰিয়া-কলাপ তেওঁৰ মনঃপুত নোহোৱাত তেওঁ শৈৱ ধৰ্মত প্ৰৱেশ কৰি নাথ ধৰ্মৰ বৈশিষ্ট্য উজ্জ্বল কৰি তোলে আৰু তাৰ গুৰুত্ব বঢ়ায়। মৎস্যেন্দ্ৰ বা মীননাথক নেপালত বৌদ্ধযোগী বুলি পূজা কৰা হয়, অথচ তেৱেঁই নাথ পন্থাৰ প্ৰথম মানবীয় গুৰু আৰু তেওঁৰেই প্ৰধান শিষ্য গোৰক্ষনাথ। অসমীয়া বৈষ্ণৱ ধৰ্মত শঙ্কৰ মাধৱৰ যি স্থান আৰু দুয়োৰে সম্পৰ্ক যেনে গভীৰ, নাথ-ধৰ্মতো মীননাথ আৰু গোৰক্ষনাথৰ তেনে স্থান আৰু দুয়োৰে সম্পৰ্ক তেনে গভীৰ। আচল কথা, নাথ-পন্থাক নিৰীশ্বৰবাদী পন্থা বুলি ভবাসকলে মৎস্যেন্দ্ৰনাথ-গোৰক্ষনাথক বৌদ্ধযোগী বুলি আখ্যা দিছে। আনহাতে নাথ পন্থাক স্বেশ্বৰ বুলি বুজাসকলে এই দুজনা গুৰুক শৈৱ যোগী বুলি মানি আহিছে। দৰাচলতে নাথ পন্থা শৈৱ বৌদ্ধ উভয় ধৰ্মৰে মধ্যৱৰ্ত্তী পন্থা। এনেকুৱা কাৰণতে শৈৱ ধৰ্মৰ চৌৰাশীজন সিদ্ধাচাৰ্য্য আৰু বৌদ্ধসহজীয়াৰ চৌৰাশীজন সিদ্ধাচাৰ্য্যৰ তালিকাত দুয়োটা ধৰ্মৰ গুৰু বিশেষৰ নাম সোমাই পৰিছে। আন এটি উদাহৰণলৈ আঙুলিয়াব পাৰি যে একাদশ শতিকাৰ দাৰিকপা শৈৱ ধৰ্মী আছিল, কিন্তু তেওঁ পিছত বৌদ্ধ সহজীয়া হৈ পৰিছিল। নাথ-পন্থীসকলে আকৌ এওঁক নাথসিদ্ধ বুলি মানে।

নাথৰ হঠযোগ-সাধনা আৰু বৌদ্ধৰ সহজীয়া সাধনাৰ মাজত সাদৃশ্য স্পষ্ট। হিন্দুৰ তন্ত্ৰ আৰু শৈৱৰ আগমৰ প্ৰভাৱ নাথ-ধৰ্মত পৰিছে। আগতে উল্লেখ কৰি অহা হৈছে যে হিন্দু-তন্ত্ৰৰ শিৱ আৰু শক্তি সহজযান পন্থাত 'শূন্যতা' আৰু 'কৰুণা'ৰূপে প্ৰতীয়মান হৈছে। নাথ-পন্থাৰ নাদ-বিন্দুৰ মিলন আৰু সহজযানৰ 'শূন্যতা-কৰুণা'ৰ মিলন সমপৰ্য্যায়ী। বৌদ্ধ সহজীয়াৰ 'জ্ঞানমুদ্ৰা' নাথ-পন্থীৰ 'পৰমপদ-প্ৰাপ্তি' একে পৰ্য্যায়ৰ। এইদৰে সহজযান

আৰু নাথ-পন্থাৰ বৈশিষ্ট্যবোৰ তুলনা কৰি চালে দুয়োটা ধৰ্মৰে ভালেখিনি সাদৃশ্য চকুত পৰে। অৱশ্যে, সকলো ধৰ্মতে তত্ত্ব-নিৰ্দেশক কিছুমান পাৰিভাষিক শব্দ তাৎপৰ্য্যপূৰ্ণ অৰ্থ আৰু সাধন পদ্ধতিৰ স্বকীয়া বৈশিষ্ট্য থাকে। এনে প্ৰসঙ্গত নাথ-পন্থ আৰু সহজযান ধৰ্মৰো কিছুমান বৈসাদৃশ্য নুই কৰিব নোৱাৰি। তথাপি কব লাগিব যে দুয়োটা ধৰ্মৰ মাজত সাদৃশ্যই বেছি।

সহজযান পন্থাৰ চৰ্য্যাগীতত উল্লেখিত দশমি দুআৰ (চৰ্য্যা-৩), চান্দ-সুজ (চৰ্য্যা-৪), ভৱণই (চৰ্য্যা-৫), ৰবি-শশী (চৰ্য্যা-১১), গঙ্গা-জউনা (চৰ্য্যা-১৪), মন-পৱন (চৰ্য্যা-১৯), পঞ্চজনা (চৰ্য্যা-২৩) সহজানন্দ (চৰ্য্যা-২৭), বিন্দু-নাদ (চৰ্য্যা-৪৪), আলি কালি (চৰ্য্যা-১১, ১৭) প্ৰভৃতি পাৰিভাষিক শব্দবোৰ নাথ-সাহিত্যতো বিদ্যমান। সেই শব্দবোৰ নাথ-সাহিত্যত এনে ৰূপত বহিছে, যেনে—দশমী দ্বাৰ (গোৰ্খ-কুণ্ডলী), চান্দ-সুৰুজ বা চন্দ্ৰ-সূৰ্য্য (হাড়মালা), ভৱনদী (গোৰক্ষ-বিজয়), ৰবি-শশী (হাড়মালা-ক, ১১২; গোৰক্ষ-বিজয়), গঙ্গা-যমুনা (গোৰক্ষ-বিজয়), মন-পবন (হাড়মালা, ১৮৬), প্ৰাণবুদ্ধো পঞ্চজন (হাড়মালা-ক, ৩৬), সহজ আনন্দ (হাড়মালা-ক, ৬৮), বিন্দু-নাদ (হাড়মালা), আলিগভ-কালিগত (প্ৰাণ-শিকলি), ইত্যাদি[২০]। পাৰিভাষিক শব্দ আৰু যথাযুক্ত অৰ্থ-প্ৰয়োগলৈ লক্ষ্য কৰি বুজা যায় যে কিছুমান চৰ্য্যাপদ নাথ-পন্থ আৰু সহজীয়া ধৰ্মৰ দাৰ্শনিক তত্ত্বত সমানে দখল থকা সিদ্ধাচাৰ্য্যই ৰচনা কৰিছিল; ফলত কোনো কোনো চৰ্য্যাপদত বৌদ্ধ আৰু শৈৱ উভয় ধৰ্মৰে আধ্যাত্মিক তত্ত্বৰ সমন্বয় ঘটিছিল। সেই হেতুকে সহজ সিদ্ধিৰ সাধন-প্ৰণালী, যেনে—চিত্ত স্থিৰ কৰা, শ্বাস-প্ৰশ্বাস নিয়ন্ত্ৰণ কৰা, বিন্দু ধাৰণ কৰা প্ৰভৃতি তত্ত্ববোৰ নাথ-সাহিত্যৰ হাড়মালা, গোৰক্ষ-বিজয়, অনাদ্য চৰিত্ৰ, শিৱ পুৰাণ, গোৰক্ষ-সংহিতা, গোৰক্ষ-গীতা, গোপীচন্দ্ৰৰ গান আদি গ্ৰন্থত প্ৰচুৰ

২০। নাথ-সাহিত্যৰ শব্দবোৰ ৰাজমোহন নাথ দেৱৰ সম্পাদিত 'অসমীয়া নাথ পন্থৰ প্ৰাচীন পুথি'ৰ পৰা উদ্ধৃত কৰা হৈছে।

পৰিমাণে উল্লেখ আছে। তদুপৰি নাথ-গুৰুক উভয় সম্প্ৰদায়ত স্বীকাৰ কৰা হৈছে। এই ক্ষেত্ৰত দুই মতবাদৰ পাৰ্থক্য ক্ষীণ দেখা যায়। তথাপি চৰ্য্যাত দেখুওৱা হৈছে যে শিষ্যই গুৰুৰ উপদেশ-কৃপাত পৰমাৰ্থ তত্ত্ব-জ্ঞান লাভ কৰি সংসাৰৰ অনিত্যতা সম্বন্ধে হৃদয়ঙ্গম কৰিবলৈ সক্ষম হয় আৰু তেনেকৈয়ে তেওঁ চিত্ত-বিজয়ী সাধকৰ শ্ৰেণীত পৰ্য্যবসিত হয়। আনহাতে, নাথ-সাহিত্যত প্ৰতীয়মান কৰা হৈছে যে মহাজ্ঞান-মন্ত্ৰৰ বলত সাধকে যমকো তাড়না দিব পাৰে; তেওঁ জুইতো পোৰা নাযায় আৰু পানীতো ডুবি থাকিব পাৰে। পৰামাৰ্থ তত্ত্ব-জ্ঞানৰ দ্বাৰা অজৰামৰত্ব লাভ কৰাতকৈ মন্ত্ৰবলত অদ্ভুত শক্তি সম্পন্ন হোৱাই নাথ-ধৰ্মৰ বিশেষত্ব।[২১]

ভাষাবিদ আৰু তত্ত্বজ্ঞ পণ্ডিত ড. সুকুমাৰ সেনে কৈছে যে অবিনশ্বৰ দেহৰ নিত্যত্ব নাথ-পন্থত যেনেকুৱা সহজীয়া-পন্থাতো তেনেকৈ স্পষ্টভাৱে স্বীকৃত হৈছে। নাথ-পন্থীসকলৰ সাধনাৰ বিশিষ্ট প্ৰতীক নাদ-বিন্দুৰ উল্লেখ ৩২ আৰু ৪৪ নং চৰ্য্যাত আছে। বিন্দু-ৰক্ষা নাথ আৰু সহজযান উভয় পন্থাৰ সাধনাত আটাইতকৈ টান কাম। কোনো কোনো চৰ্য্যাকৰ্ত্তাই যিভাৱে যোগিনীৰ বা ডোম্বীৰ সৈতে সহবাসৰ ইঙ্গিত দিছে সেইয়া যদি পূৰাপূৰি ৰূপক-কল্পনা নহয়—নোহোৱাই বেছি সম্ভৱ—তেন্তে এইক্ষেত্ৰত নাথ-মতৰ সৈতে চৰ্য্যা-মতৰ অত্যন্ত অমিল আছে বুলি ধৰিব লাগিব। সিদ্ধগুৰুৰ পক্ষেও নাৰী-চৰ্য্যা নাথ-পন্থত একেবাৰে নিষিদ্ধ। মীননাথৰ যোগ-ভ্ৰষ্টৰ কাহিনী তাৰেই ডাঙৰ প্ৰমাণ। নৰকৰ দুৱাৰ নাৰী—এইয়ে নাথ-ধৰ্মৰ আদি আৰু শেষ উপদেশ। সহজীয়া পন্থাত এই সম্বন্ধে কোনো নিষেধ নাই; বৰঞ্চ উচ্চতম সাধনাত নাৰীৰ সাহচৰ্য্য উপেক্ষণীয় নহয়।[২২]

নাথ-সিদ্ধ সকলে 'অলখ-নিৰঞ্জন'ক পাবলৈ নাদ-বিন্দু-ওঁকাৰ সাধনা কৰিছিল।[২৩] এই সিদ্ধসকলৰ অনেকে চৰ্য্যাগীততো তেওঁলোকৰ

২১। বস্তু, চৰ্য্যাপদ, ভূমিকা,

২২। চৰ্য্যাগীতি-পদাবলী, ভূমিকা, পৃঃ ৪০—৪১।

২৩। শৈৱ দৰ্শন আৰু সাহিত্যৰ পটভূমি, পৃঃ ২৪৬—৪৭।

ধৰ্মীয় মতবাদ সুমাই দিছিল। যোগবাদী সকলৰ মতে 'পা' শব্দটো নাথ-পন্থীৰ উপাধি। চৰ্য্যাকৰ্ত্তাৰ মূল নামৰ পিছতে 'পা' বা 'পাদ' উপাধি ব্যৱহাৰ কৰা দেখা যায়। কোনো কোনো চৰ্য্যাৰ মূল পাঠৰ পৰা বুজা যায় যে চৰ্য্যাকৰ্ত্তাই যোগ-সাধনাও কৰিছিল। শান্তিপাদৰ ১৫নং চৰ্য্যাত আছে—

মাআমোহা সমুদা ৰে অন্ত ন বুঝসি থাহা।
অগে নাৱ ন ভেলা দীসঅ ভন্তি ন পুচ্ছসি নাহা॥

অৰ্থাৎ মায়া-মোহেৰে ভৰা সংসাৰ-সমুদ্ৰৰ অন্ত আৰু গভীৰতা বুজা নাযায়। ভৱ-সাগৰ পাৰ হবলৈ সন্মুখত যদি নাও বা ভেল দেখা, তেন্তে ভুল নকৰিবা—গুৰুক সুধি লোৱা; গুৰুৰ উপদেশ অবিহনে সংসাৰ-সাগৰ পাৰ হোৱাৰ অন্য উপায় নাই।—এই চৰ্য্যাত উল্লেখিত 'নাহা' শব্দটোৱে 'নাথ' অৰ্থাৎ গুৰুক বুজাইছে। নাথ-ধৰ্মৰ 'নাথ', গুৰু', 'সদ্‌গুৰু' শব্দবোৰ একে অৰ্থবাচক আৰু সমপৰ্য্যায়ৰ। চৰ্য্যাপদত 'গুৰু' আৰু 'সদ্‌গুৰু' শব্দ দুটা অনেকবাৰ প্ৰায়াগ হৈছে, যেনে— লুই ভণই গুৰু পুচ্ছিঅ জাণ (১), গুৰু বোব সে সীসা কাল (৪০), বৰ গুৰু বঅণে কুঠাৰেঁ ছিজঅ (৪৫), গুৰু বাক পুঞ্চআ বিন্ধ ণিঅ মণে বাণেঁ (২৮), বাহতু কামলি সদ্‌গুৰু পুচ্ছী (৮), সদ্‌গুৰু-বোহেঁ জিতেল ভৱ-বল (১২, এৰেঁ মই বুঝিল সদ্‌গুৰু বোহেঁ (৩৫), সদ্‌গুৰু পাৱ-পএঁ জাইব পুণু জিণউৰা (.৪), ইত্যাদি।

মন কৰিবলগীয়া কথা যে অকল 'গুৰু' বাচক শব্দ-প্ৰয়োগৰ ক্ষেত্ৰতেই নাথ-মাৰ্গ আৰু সহজযান-মাৰ্গৰ সম্পৰ্ক সীমিত নহয়, দুয়োটা পন্থাৰ আভ্যন্তৰীণ তত্ত্ব-নিস্ৰৱনৰ প্ৰসঙ্গতো সম্পৰ্ক লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে দেখুৱাব পাৰি যে বিৰূৱাপাদৰ চন্দ্ৰ-সাধনা আৰু ইয়াৰ প্ৰণালী (চৰ্য্যা-৩), গুণ্ডৰীপাদে দেখুওৱা ললনা-ৰসনা-অৱধূতিকা নামক প্ৰধান নাড়ী তিনিডালৰ প্ৰক্ৰিয়া-নিয়ন্ত্ৰণ, উষ্ণীষ কমলত পৰমাৰ্থ-মধু পান কৰাৰ ইঙ্গিত তথা শিৰোব্ৰত সাধনাৰ আভাস (চৰ্য্যা-৭), চাটিল্লপাদৰ অদ্বয়-তত্ত্ব (চৰ্য্যা-৫), কাহ্নুপাদৰ কেবাটাও চৰ্য্যাত পৰিস্ফুট হোৱা পৰমাৰ্থ তত্ত্ব, মনসেন্দ্ৰিয়ৰ ভূমিকা,

সহস্ৰাৰ পদ্মৰ গুৰুত্ব, কুণ্ডলিনী জাগৰণৰ পদ্ধতি ইত্যাদি তান্ত্ৰিক আৰু তাত্ত্বিক দিশবোৰে সহজযানৰ মাধ্যমেৰে নাথ-সাধনাৰ কথাকে প্ৰতীয়মান কৰিছে। অকল ইমানেই নহয়, ঢেণ্ঢণপাদৰ চৰ্য্যাত প্ৰকাশ পোৱা মতে সহস্ৰাৰ পদ্মৰ পৰা নিৰ্গত হোৱা ব্ৰহ্মামৃত পান, ডোম্বীপাদ আৰু ভাদেপাদে দেখুওৱা শূন্য-সাধনাৰ সূত্ৰ, শান্তিপাদে উল্লেখ কৰা অষ্টযোগসিদ্ধিৰ কথা, সৰহপাদে কোৱা অমৰত্ব-তত্ত্ব, শবৰপাদৰ চক্ৰভেদ-তত্ত্ব, দাৰিকপাদৰ পৰমপদ-লাভৰ উপায় সম্বন্ধীয় তাত্ত্বিক ব্যাখ্যাবোৰেও নাথ-ধৰ্মৰ ব্যাপ্তি আৰু উৎকৰ্ষতাকে দাঙি ধৰিছে।[২৪]

আলোচ্য বিষয়টোৰ সামৰণিত কব পাৰি যে চৰ্য্যাপদৰ ধৰ্মতত্ত্ব আৰু সাধন-তত্ত্ব সম্পৰ্কে বিচাৰ কৰোঁতে নাম-পন্থৰ আধ্যাত্মিক আৰু যোগ-সাধনা সম্পৰ্কেও তুলনামূলকভাৱে বিচাৰ কৰি চোৱা প্ৰয়োজন, কাৰণ প্ৰাচ্য ভাৰতৰ ধৰ্মীয় সংস্কৃতিত, বিশেষকৈ অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰৰ সময়ছোৱাত বৌদ্ধ সহজীয়া ধৰ্ম আৰু নাথ-ধৰ্মৰ মাজত কিদৰে, কিমানখিনি আৰু কি কাৰণে সমন্বয় সাধিত হৈছিল তাৰ ঐতিহাসিক সত্যাসত্য এতিয়াও যথোচিতৰূপে প্ৰকাশ পোৱা নাই। প্ৰাচ্য ভাৰতৰ সংমিশ্ৰিত জনগোষ্ঠীৰ প্ৰাচীন যুগীয় আধ্যাত্মিক চিন্তা, সামাজিক পৰিৱেশ আৰু স্বাভাৱিক মানসিকতা সম্পৰ্কে জানিবলৈ হ'লে এনে তুলনামূলক অধ্যয়ন অপৰিহাৰ্য্য।

২৪। R. M Nath, 'Lui Pada and Matsyendra-Natha', J A R S, vol. VII, No. 2, pp. 54 56. Dr. J. Nath, The Antiquity and Origin of Nathayoga and Its Effects in Medieval Bengali Literature (thesis, unpublished). শৈৱ দৰ্শন আৰু সাহিত্যৰ পটভূমি, পৃঃ ২৪৩-২৪৬, ২৭০।

সপ্তম অধ্যায়

দেহ-বিচাৰৰ গীত আৰু চৰ্য্যাপদ

অসমীয়া সমাজত অন্যান্য লোক-গীতৰ লগতে 'দেহ-বিচাৰৰ গীত' বুলি একশ্ৰেণী গীতৰ চলতি আছে। বুঢ়াভকত, সংসাৰ-বিৰাগী লোক আদিয়ে ঠায়ে ঠায়ে এইবোৰ গীত গাই ফুৰে। বয়সীয়াল মগনিয়াৰ আদিৰ মুখতো দেহ-বিচাৰৰ গীত শুনা যায়। গায়ক সকলে হাতত খঞ্জৰী, তাল বেণু, টোকাৰী, ৰামকৰ তাল প্ৰভৃতি বাদ্য-যন্ত্ৰ বজাই গাঁৱে-ভূঁঞে দেহ বিচাৰৰ গীত গাই চাউল-পাত খুজি ফুৰা অনেক লোক পোৱা যায়। এইবোৰ মুখে মুখে চলি অহা গীত। দেহ-বিচাৰৰ গীতৰ দৰে 'টোকাৰী-গীত' বুলিও এবিধ গীতৰ কথা দুই একে গীতি সাহিত্যৰ আলোচনাত দেখুৱাইছে। কিন্তু মূলতঃ দেহ-বিচাৰৰ গীত আৰু টোকাৰী-গীত একেবিধেই। টোকাৰী বজাই গোৱা বাবে তত্ত্বমূলক গীতবোৰৰ বাদ্য-যন্ত্ৰ অনুসৰি স্বকীয়া নাম হব নোৱাৰে।

দেহ-বিচাৰৰ গীতবোৰৰ ঐতিহাসিক উৎস ৮ম-১২শ শতিকাৰ ভিতৰত ৰচিত চৰ্য্যাপদবোৰ বুলি ধাৰণা হয়। কাৰণ দুয়োবিধ গীতৰ বিষয়-বস্তু আৰু ভাৱ-বস্তুৰ মাজত মিল থকা দেখা যায়। পঞ্চদশ-ষোড়শ শতিকামানৰ পৰা দেহ-বিচাৰৰ গীতৰ ওপৰত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰিবলৈ ধৰে। আনহাতে এইগীতবোৰক চৰ্য্যাগীত আৰু বৰগীতৰ সংযোগ-সেতু বুলিও কব পাৰি। চৰ্য্যাগীতৰ সমাপ্তিৰ পাছতেই এই শ্ৰেণীৰ গীতৰ উদ্ভৱ হয়। পঞ্চদশ শতিকাৰ শেষাৰ্দ্ধত মহাপুৰুষ শঙ্কৰদেৱৰ হাতত বৰগীতে জন্ম লাভ কৰে। বৰগীতৰ বিপুল জনপ্ৰিয়তাই দেহবিচাৰৰ গীতক প্ৰভাবান্বিত কৰে।

দেহ-বিচাৰৰ গীতৰ ধৰ্মীয় পটভূমি বিচাৰ কৰিলে দেখা যায় যে দ্বাদশ শতিকাৰ সমাপ্তিৰ আগে আগে কামৰূপ ৰাজ্যত শৈৱ

আৰু সহজযান ধৰ্মৰ সামাজিক প্ৰভাৱ বাৰুকৈয়ে কমি আহে; কাৰণ সেই সময়ত অদ্বৈতবাদী হিন্দু ধৰ্মই দাক্ষিণাত্য আৰু উত্তৰ ভাৰতৰ পৰা প্ৰাচ্যৰ কামৰূপ ৰাজ্যলৈও গতি কৰে। ইয়াৰ প্ৰমাণ স্বৰূপে দ্বাদশ শতিকাৰ কামৰূপাধিপতি ধৰ্মপাল বৰ্মাই দ্বিতীয়খন তাম্ৰশাসন পুষ্পভদ্ৰা লিপিত নিজে ৰচনা কৰা বিষ্ণুভক্তি যুক্ত প্ৰশস্তিটোলৈ আঙুলিয়াব পাৰি।[১] প্ৰশস্তিৰ গভীৰতা অনুধাৱন কৰি মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদে মন্তব্য কৰিছে যে সম্ভৱতঃ ধৰ্মপালে পৰিণত বয়সত শৈৱ ধৰ্মমত পৰিবৰ্তন কৰিছিল আৰু শেষ বয়সত একনিষ্ঠ বিষ্ণুভক্তিপৰায়ণ হৈ পৰিছিল।[২] ধৰ্মপালৰ পাছত ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশ শতিকাৰ প্ৰথম ভাগত কামৰূপ-কমতেশ্বৰ দুৰ্লভনাৰায়ণে কেবাগৰাকীও হৰিভক্তি পৰায়ণ কবিক পৃষ্ঠপোষকতা কৰিছিল; তাৰে ভিতৰত হেমসৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ, হৰিবৰ বিপ্ৰৰ বব্ৰুবাহনৰ যুদ্ধ, কবিৰত্নৰ জয়দ্ৰথ বধত হৰিভক্তিৰ মাহাত্ম্য ফুটি উঠিছে। মাধৱ কন্দলিৰ ৰামায়ণতো বৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰকাশ পাইছে। পঞ্চদশ শতিকাৰ পৰা অসমত মহাপুৰুষ শঙ্কৰদেৱৰ নেতৃত্বত নৱ বৈষ্ণৱ ধৰ্মৰ অভ্যুত্থান ঘটে। সেই সময়ত বৌদ্ধ-সহজীয়া ধৰ্ম গুপ্তভাৱে চলি আছিল। শঙ্কৰদেৱে সমাজত ঘূৰি ফুৰা বৌদ্ধ তান্ত্ৰিক লোকক লগ পোৱা কথাটো কথা-গুৰু-চৰিত পুথিৰ পৰাই জনা যায়। ইয়াৰ দ্বাৰা বুজা যায় যে অসমত তেতিয়াও সহজযান পন্থা গোপনে আৰু চেগা-চেৰেকাকৈ হলেও চলিছিল, আৰু সেই হিচাপে চৰ্য্যাগীতৰ দূৰণিবটীয়া চৰ্চাও আছিল। তদুপৰি সহজীয়া দৰ্শন আৰু বৈষ্ণৱ দৰ্শনৰ অনেক ক্ষেত্ৰত মিল আছিল। গতিকে চৰ্য্যাগীতৰ ৰাগ-ৰাগিনী আৰু তত্ত্ব-কথাৰ সামঞ্জস্য ৰাখি সমাজৰ এক শ্ৰেণীৰ গায়কে দেহ-বিচাৰৰ গীত

১। Dr. B. K. Barua, 'Early Vaisnavism in Kamarupa' J. A. R. S., 1937, PP. 105 f; পদ্মনাথ ভট্টাচাৰ্য্য, কামৰূপ শাসনাৱলী, পৃঃ ১৭০

২। কামৰূপ শাসনাৱলী, পৃ. ১৭০

কিছুমানৰ জন্ম দিছিল। এই গীতবোৰৰ মাজেৰে বৌদ্ধ সহজীয়া আৰু বৈষ্ণৱ সহজীয়া পন্থাৰ উমৈহতীয়া বৈশিষ্ট্য ফুটি উঠিছিল। খৃঃ ত্ৰয়োদশ শতিকাৰ পৰা ষোড়শ শতিকাৰ ভিতৰত এই গীতবোৰ অধিক জনপ্ৰিয় হৈ উঠিছিল বুলি ভাবিব পাৰি। গীতৰ ৰাগ-সুৰ, তাল-মান সৰ্বসাধাৰণৰ মুখ্য আকৰ্ষণীয় বস্তু আছিল, ইয়াৰ অন্তৰালত থকা তত্ত্ব-কথা গৌণ বস্তু আছিল।

দেহ-বিচাৰৰ গীতবোৰে কোনো নিৰ্দিষ্ট ধৰ্মৰ মতবাদ বহন নকৰিলেও সেইবোৰ তত্ত্বমূলকগীত। শৰীৰ, সংসাৰ, জীৱাত্মা, পৰমাত্মা, গুৰু, ভকত সম্পৰ্কীয় দাৰ্শনিক কথাৰে সেইবোৰ পৰিপুষ্ট। "চৌবিবশ তত্ত্ব, কাণ-চকু-নাক-মুখ-গুহ্য আৰু লিঙ্গৰ নৱখান দ্বাৰ, দশপ্ৰাণ বায়ু চৰি ফুৰা ইড়া, পিঙ্গলা, সুষুম্নাকে প্ৰধান কৰি বাসত্তৰি হাজাৰ নাড়ী, যোগশাস্ত্ৰৰ ষট্‌চক্ৰ, চৈধ্য ইন্দ্ৰিয়ৰ অধিষ্ঠাতা পাপ-পুণ্যৰ সাক্ষী স্বৰূপ চৈধ্য দেৱতা, 'হৃদয় কমলে কৃষ্ণ'—সকলো শৰীৰতে বৰ্ত্তমান। শৰীৰ-সাধনাৰ ইঙ্গিতো এই প্ৰসঙ্গতে কৰা হৈছে—যোগবলত অপান বায়ুক 'মায়াৰ শকতি' কুণ্ডলিনীৰ মুখেদি মেৰুমজ্জাৰ ভিতৰত প্ৰবেশ কৰাব লাগে। দেহ-বিচাৰৰ গীতৰ এয়ে ঘাই অৱলম্বন। গীতবোৰ সাধাৰণতে সাংকেতিক বা প্ৰতীক ধৰ্মী। অন্তৰাত্মাৰ চাৰি ৰূপ—মন, বুদ্ধি, অহঙ্কাৰ, চিত্ত। মনকে সাধনাৰ কেন্দ্ৰৰূপে ধৰা হয়।' মন দশ ইন্দ্ৰিয়ৰ অধিৰক্ষক। মনৰ কামকে জীৱই নিজ কাম বুলি কৰ্ম্ম পাশত বন্দী হয়—'মন ভাই তোৰ সঙ্গে জীৱ ভৈল বন্দী।"[৩] কোনো কোনো গীতত শৰীৰক নাৱৰ লগত আৰু মনটোক নাৱৰীয়াৰ লগত তুলনা কৰা হৈছে। কিছুমান গীতত সংসাৰখন এখন গহীন বন, ইয়াত নানা ধৰণৰ হিংস্ৰ জন্তু, বাধা-বিঘিনি, লোভ-মোহ আদি থাকে; সেইবোৰ অতিক্ৰম কৰি বননিখন পাৰ হবলৈ হলে মনটো স্থিৰ কৰি বাট বুলিব লাগিব, নহলে গন্তব্য স্থান নাপাবগৈ। কোনো কোনো গীতত সংসাৰখন এখন হাট আৰু মানুহবোৰ হাটৰুৱা, কেতিয়াবা

৩। ড: মহেশ্বৰ নেওগ, অসমীয়া গীতি-সাহিত্য, ১ম প্ৰকাশ, পৃষ্ঠা ৩৫

আৰু সংসাৰখন এখন নদী, মানুহবোৰ যাত্ৰী আৰু গুৰুজন নাৱৰ গুৰিয়াল। কিছুমান গীতত পোৱা যায়—সংসাৰখন এখন অতিথিশালা, মানুহবোৰ অতিথি, এই অতিথিশালাত কেইদিনমান থাকি জিৰণি লৈ আকৌ নিজ নিজ ঘৰলৈ যায়গৈ। এই ধৰণে নানা তত্ত্বমূলক কথা গীতবোৰৰ মাজেৰে প্ৰতীয়মান কৰা হৈছে। তত্ত্ব-প্ৰকাশৰ কাৰণে গীত-ৰচকে বিবিধ উপমা, ৰূপক আৰু চিত্ৰৰ সহায় লৈছে। দেহ-বিচাৰৰ গীতৰ ৰাগ-সুৰো সুকীয়া। বেছিভাগ সুৰতে বৈৰাগ্যমূলক ভাব প্ৰকাশ পায়। সাংসাৰিক জীৱ যেন মুক্তিৰ কাৰণে উদ্বাউল: দুঃখ-দাৰিদ্ৰ্য, জ্বালা-জঞ্জালে জীৱক যেন জুৰুলা কৰিছে; ভক্তই যেন ভগৱানৰ ওচৰলৈ—আত্মাই যেন পৰামাত্মাৰ ওচৰলৈ যাবলৈ আকুল হৈ পৰিছে, কিন্তু সেই পৰম শক্তিক লগ পোৱা-নোপোৱাৰ সন্দিগ্ধতাত চিত্ত অতিশয় ব্যাকুল।

অসমৰ গাঁৱে ভূঁঞে, বিশেষকৈ নামনি অসমত দেহ-বিচাৰৰ গীত সিঁচৰতি হৈ আছে। বৈষ্ণৱ যুগত সেইবোৰত বৈষ্ণৱী পৰশ পৰিছে যদিও তাৰ মাজতেই চৰ্য্যাপদৰ মৰ্ম্মাৰ্থ বিচাৰি পাব পাৰি। বিষয়-বস্তু, ভাৱ আৰু উদ্দেশ্যৰ ফালৰ পৰা দেহ-বিচাৰৰ গীত আৰু চৰ্য্যাগীতৰ মাজত ভালেখিনি সাদৃশ্য আছে। এইবোৰ একে থুপে প্ৰকাশ পালে অসমীয়া লোক-গীতৰ এটি ধাৰাবাহিক ক্ৰম ওলাব আৰু ব্যাপক বিশ্লেষণ কৰিবলৈ সুবিধা হব। প্ৰসঙ্গোচিত কথা যে আজিকোপতি প্ৰাচীন কালৰে পৰা চলি থকা অসমীয়া ধৰ্মগীতৰ এটি পূৰ্ণাঙ্গ সংকলন ওলোৱা নাই। বৰগীত মনকৰী গীত, পীতাম্বৰী গীত, দুৰ্গাবৰী গীত, সুকবি নাৰায়ণদেৱৰ গীত বা সুকনান্নি গীত পুথিৰ আকাৰত ওলাইছে যদিও সেইখিনিয়েই অসমৰ ধৰ্ম্মীয় গীতৰ যথেষ্ট সমল নহয়। তদুপৰি নানা ধৰ্মৰ তত্ত্ব-কথা নিহিত থকা দেহ-বিচাৰৰ গীত বা টোকাৰী গীত সুকীয়াকৈ পুথিৰ আকাৰত পূৰ্ণ কলেৱৰত ছপা হৈ ওলোৱা নাই। মাথোন দুই-চাৰিটা এনে গীত আন গীতৰ লগত

ছপা হৈ ওলাইছে।[৪] অৱশ্যে সাহিত্য-ৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাদেৱৰ সম্পাদনাত ৩৩টা গীতেৰে এখনি দেহ-বিচাৰৰ গীতৰ পুথি বহু বছৰ আগতে (৫০৯ শঙ্কৰাব্দত) প্ৰকাশ হৈছিল; কিন্তু সেইখনো পূৰ্ণ কলেৱৰৰ নহয়। গতিকে অসমৰ চুকে কোনে চলি থকা দেহ বিচাৰৰ গীত সমূহ সংকলন কৰি পুথিৰ আকাৰত ছপাই উলিওৱা অতি প্ৰয়োজন।[৫] চৰ্য্যাপদৰ লগত সামঞ্জস্য থকা কেইটিমান দেহ-বিচাৰৰ গীত তলত আলোচনা কৰা হ'ল।

আগতে কৈ অহা হৈছে যে চৰ্য্যাগীতবোৰ সহজযানী মতবাদ বহন কৰা ধৰ্ম্মীয় গীত। আনহাতে দেহ-বিচাৰ গীতত কোনো বিশেষ ধৰ্মৰ মত প্ৰচাৰ কৰা হোৱা নাই; এইবোৰত সহজযান, শৈৱ, বৈষ্ণৱ আদি ধৰ্মৰ দাৰ্শনিক তত্ত্ব নিহিত হৈ আছে। যুগৰ পৰিবৰ্ত্তন, ধৰ্ম্মীয় বিৱৰ্ত্তন আৰু সাংগীতিক আনুগত্যৰ প্ৰভাৱৰ ফলতো হয়তো এনে হ'ব পাৰে। তথাপি কিছুমান দেহ-বিচাৰৰ গীত যে চৰ্য্যাপদৰ প্ৰভাৱৰ ফল তাক সহজে অনুমান কৰিব পাৰি। লুইপাদৰ প্ৰথম চৰ্য্যাটি হ'ল—

কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল।
দিঢ় কৰিঅ মহাসুহ পৰিমাণ॥
লুই ভণই গুৰু পুচ্ছিঅ জাণ।
সঅল সমাহিঅ কাহি কৰিঅই।
সুখে-দুখেতেঁ নিচিত মৰিআই॥
এড়িএউ চান্দক বান্ধ কৰণত পাটেৰ আস।
সুন্নপাখ ভিতি লাহুৰে পাস॥

৪। মোৰ আইৰ প্ৰাণৰ গীত (শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস), মিহলীয়া লোকগীত (শ্ৰীপ্ৰসন্ন চন্দ্ৰ বৰুৱা), অসমীয়া লোক-গীতি সংগ্ৰহ (শ্ৰীযোগেশ চন্দ্ৰ তামুলী), বাৰমাহী গীত (শ্ৰীফণীন্দ্ৰনাথ কলিতা), বাৰ মাহৰ তেৰ গীত (ডঃ প্ৰফুল্ল দত্ত গোস্বামী), 'দেহ-বিচাৰৰ গীত' (হৰিনাৰায়ণ দত্তবৰুৱা), ইত্যাদি।

৫। দেহ-বিচাৰৰ গীতৰ সাঁচিপাতৰ পুথি কেবাখনিও আছে।

ভণই লুই আম্হে ঝাণে দিঠা।
ধমণ চমণ বেণি পাণ্ডি বইঠা॥

এই চৰ্য্যাৰ ভাৱানুসৃত এটি দেহ-বিচাৰৰ গীত হ'ল—

দিহা— অ' ভাই অসাৰ মানবী দেহা ‥ ‥
কিমতে তৰিব আমি অপাৰ এই ভৱনদী
জনম-মৰণ লৈয়া বেহা ‥

পদ— স্ৰজিলে বিধিয়ে দেহা-বিৰিখৰে নাও।
পাঁচটা বণিকে সদা দিয়ে তাতে ভাও॥
অথিৰ চিতৰ নৌকা কাণ্ডাৰী বিহীন।
প্ৰবেশিয়া মহাকাল মাৰে চিন-ভিন॥
গুৰু বোলে সাৱধানে ধৰা তাৰ কাঁচী।
কোন ঘাটে নৌকা যাব লোৱা সুধি-পুছি॥
নাজানিয়া নুপুছিয়া হোৱা থান-বান।
অজ্ঞান পথত নাই গুৰু বিনে আন॥
মিছা যাগ-যজ্ঞ-ব্ৰত মিছা তপ-জপ।
এক গুৰু বিনে ভাই নোহে কেৱে সগ।
ভাই-বন্ধু পিতা-পুত্ৰ সবহু অসাৰ।
গুৰুহে কেৱল জানা মুকুতি আধাৰ॥

কোনো কোনো চৰ্য্যাত পঞ্চ স্কন্ধ, দশ ইন্দ্ৰিয়, চিত্ত-বুদ্ধি-মন, জীৱ-দেহ আদিৰ তত্ত্ব দাঙি ধৰাৰ দৰে দেহ-বিচাৰৰ গীততো ৰচকে তেনে তত্ত্বৰ আভাস দিছে—

একগোট গৃহস্থৰ দশগোট গৰু।
মন ভৈলা গৰখীয়া বুদ্ধি ভৈলা লৰু॥
মন-বুদ্ধি লগ লাগি গৰু দিলা মেলি।
পৰৰ শহত লগাই দিয়া হাসে খলা-খলি॥
নাজানিয়া হামাজাতি ডালে-মূলে খায়।
মন-বুদ্ধি পলাই গৈলা জীৱৰ ভৈলা দায়॥

জীৱে বোলে হায় হায় কিনো ভৈলা গতি।
মায়া-মোহে বন্দী হৈয়া গৈলো অধোগতি ॥
অবোধ-অমাতা জীৱ কি হৈব ভাবিয়া।
মুক্ত হৈয়ো থিৰ চিত্তে হৰিক স্মৰিয়া ॥
হৰিয়েহে প্ৰাণ-ধন হৰিয়েহে গতি।
তৰিবাক পাৰি হৰিত থাকিলে ভকতি ॥

ভুসুকুপাদৰ চৰ্য্যা—

ৰাগ—পটমঞ্জৰী

কাহেৰি ঘিণি মেলি অচ্ছহু কীস।
বেঢ়িল হাক পড়অ চৌদীস ॥
অপণা মাংসে হৰিণা বৈৰী।
খনহ নছাড়অ ভুসুকু অহেৰি ॥
তিণ ন চ্ছুপই হৰিণা পিবই ন পাণী।
হৰিণা হৰিণীৰ নিলঅ নজাণী ॥
হৰিণী বোলঅ হৰিণা সুণ হৰিআ তো।
এ বণ চ্ছাডী হোহু ভান্তো ॥
তৰঙ্গন্তে হৰিণাৰ খুৰ নদীসঅ।
ভুসুকু ভণই মূঢ়া হিঅহি ণপইসঈ ॥

কামৰূপ অঞ্চলত জনপ্ৰিয় তেনেকুৱা এটি দেহ-বিচাৰৰ গীত হ'ল—

দিহা— এ কান্দে হৰিণী পন্থ ঐ
হৰি হে মোৰ অৰণ্যতে পৰি......

পদ— হৰি এ বিয়াধে পাতিলা ফান্দ মাটি আৱাল কৰি।
আজালা হৰিণী পন্থ ফান্দে দিলা ভৰি ॥
আপুনাৰ মাংসে নিজ শৰীল ভৈলা বৈৰী।
জীৱৰ শত্ৰু জীৱে দেখা নৰ ভৈলা অৰি ॥
ফান্দে পৰি হৰিণীয়ে কান্দে হায় হায়।
খনেক নাচাৱা বাছাৰ কি হৈব বিলাই ॥

ঘাস-পানী চাৰি দিলা হৰিণীক নাপাই।
কিবা দোষে দুখ দিছে ঈশ্বৰ গোসাই ?
ইকুলো নাপাইলো গুৰু সিকুলো নাপাইলো।
মায়া-মোহ জালে পৰি বন্দী হৈয়া ৰৈলো॥
লালিতে নাপাইলো প্ৰভু পালিতে নাপাইলো॥
ডুবাৰ ছৱাল সম হায় বালিতে হৰাইলো॥
হৰিণী বোলন্ত শুন অবুজ হৰিণ।
এহি বন চাৰি যাওঁ য'ত বাধাহীন॥
হৰিণীৰ বাণী শুনি হৰিণ দিলা লৰ।
মূঢ়জনৰ এহি কথা নপশে ভিতৰ॥

ভুসুকুপাদৰ ওপৰৰ চৰ্য্যাটিৰ সাৰ-কথা ঠিকে ৰাখি দুই-এজন অসমীয়া ভক্ত-কবিয়ে হৰিণ-হৰিণীক লৈ কাহিনীৰ আকাৰত আৰু অলপ কথা যোগ দিয়া দেখা যায়। এই যোগদানৰ উদ্দেশ্য দুই প্ৰকাৰে ভাবিব পাৰি—এহাতে, আখ্যানটি পূৰ্ণ ৰূপত অন্তৰ-পৰশাকৈ দাঙি ধৰি গণ-সমাজৰ মন সত্য-ধৰ্ম্মৰ প্ৰতি আকৃষ্ট কৰা আৰু আনহাতে বৈষ্ণৱ-ধৰ্ম্ম মতে ভক্ত-ভগৱানৰ নিবিড় সম্পৰ্ক দেখুওৱা বা মহাবিপদত পৰিলেও ভক্তই সকাতৰে প্ৰাৰ্থনা কৰিলে যে ভগৱানে আহি উদ্ধাৰ কৰে তাকে হৰিণ-হৰিণীৰ উদাহৰণ দি মানুহৰ মন ধৰ্মৰ প্ৰতি ঢাল খুওৱা। সেই উদ্দেশ্যে ভক্ত-কবিয়ে হৰিণী ফান্দত পৰাৰ পাছত এইখিনি কথা সুমাই দিছে—

এৰি দিয়া প্ৰভু মোক বাছাৰ কাষে যাওঁ।
তোমাৰ প্ৰসাদে প্ৰভু বাছাক পিয়াওঁ॥
এহি জনমতো মই নাপাইলোঁ সুখ।
মোৰ অবিহনে প্ৰভু বাছাই পাব দুখ॥
বাছাক পিয়াওঁ প্ৰভু ক্ষন্তেক দিয়া এৰি।
মাতৃ-ধৰ্ম পালি মই আহিম পুনু ঘূৰি॥
সকাতৰে হৰিণীয়ে মিনতি কৰিলা।
ভকতৰ দুখ দেখি প্ৰভু দেখা দিলা॥

এবি দিব পাৰোঁ মই ধৰ্ম্ম পন্থা চাই।
তই হলি বনৰ পশু নাহিলে দোষ নাই॥
তাকে শুনি হৰিণীয়ে তিনি সত্য খায়।
প্ৰভু আজ্ঞা শিৰে তুলি ঘৰে চলি যায়॥
অন্য দিনা মাৱ আহে সোনকাল কৰিয়া।
আজি দেখো মাৱ নাহে বেলা ভাঠি দিয়া॥
নানা চিন্তা মাজে হৰিণ বিয়াকুল ভৈলা।
তেতিক্ষণে হৰিণীযে ঘৰে দেখা দিলা॥
কি কম মই বুকৰ বাছা ফান্দে দিলো ভৰি।
ক্ষণিকৰ বাবে আইলো গোঁসাই সাক্ষী কৰি॥
বিলম্ব নকৰা বাছা শীঘ্ৰে দুধ খোৱা।
মহাপাপী মই মৰোঁ তুমি বাছি ৰোৱা॥
হেন শুনি হৰিণৰ মন মৰামুৰা।
নাখাও মা তোমাৰ দুধ সিও গৈছে ছুৱা॥
মনোকষ্টে হৰিণীয়ে চকুপানী টোকে।
ফান্দৰ কথা মনে পৰি কান্দে থোকা থোকে॥
মাৱ গৈলা আগে আগে ছানা গৈলা পাছে।
মাৱ-বাছা লগ লৈয়া গৈলা ফান্দৰ কাষে॥
গোঁসাই দেখি কয় বোলে—পশু মহা গুণী।
সশৰীৰে বৈকুণ্ঠক লৈ গৈলা আপুনি॥

সৰহপাদে চৰ্য্যাত গাইছে—

অপণে ৰচি ৰচি ভৱ নিৰ্ব্বাণা।
মিছেঁ লোঅ বন্ধাৱএ অপণা॥
অম্হে ন জাণহুঁ অচিন্ত জোই।
জাম মৰণ ভৱ কইসণ হোই॥
জইসো জাম মৰণ বি তইসো।
জীৱন্তে মঅলেঁ ণাহি বিশেসো॥

জা এথু জাম মৰণে বিসঙ্কা।
সো কৰউ ৰস ৰসাণেৰে কঙ্খা ॥
জে সচৰাচৰ তিঅস ভমন্তি।
তে অজৰামৰ কিম্পি ন হোন্তি ॥
জামে কাম কি কামে জাম।
সৰহ ভণতি অচিন্ত সো ধাম ॥

দেহ-বিচাৰৰ গীতত ভকতে গায়—

দিহা—অ ভাই অসাৰ মানৱী জনম ৰে······

পদ—অ ভাই অসাৰ জগৎ আৰু মুকুতি অসাৰ।
মিছাতেই নৰে বান্ধে সংসাৰ অপাৰ ॥
আমি মূঢ়মতি প্ৰভু অলায়ক যোগী।
জনম মৰণ পক্ষী কেনে ফুৰে ভ্ৰমি ॥
যেমন জনম ভাই তেমন মৰণ।
দুয়োটিৰে নাহি কোনো ভেদৰ কাৰণ ॥
যিটো জনে কৰে ভাই জন্ম-মৃত্যুৰ শঙ্কা।
সেহিজনে কৰে মাথো ধনৰ আকাঙ্ক্ষা ॥
গুৰুক বিচাৰি যিয়ে ফুৰে ত্ৰিভুবন।
গুৰু সঙ্গে বাস কৰে সাধু সেহিজন ॥
কৰ্ম্ম গুণে জন্ম কিম্বা জন্ম গুণে কৰ্ম।
কহয় মাধৱ গুৰু অচিন্ত্য সি ধৰ্ম ॥

ডোম্বীপাদে কয়—

গঙ্গা জউনা মাঝেঁৰে বহই নাই।
তহিঁ চুড়িলী মাতঙ্গি পোইআ লীলে পাৰ কৰেই ॥
বাহতু ডোম্বী বাহলো ডোম্বী বাটত ভইল উছাৰা।
সদ্‌গুৰু পাঅপএঁ জাইব পুনু জিণউৰা ॥

অৰ্থাৎ গঙ্গা-যমুনা নৈৰ মাজত এখন নাও চলে। তাত মাতঙ্গী ৰূপিণী নৈৰাত্মাদেৱীয়ে যোগীন্দ্ৰক পাৰ কৰে। পদ-ৰচক ডোম্বীপাদে কৈছে যে 'ডোম্বী শীঘ্ৰে বলা, বাটত দেৰী হ'ল। সদ্‌গুৰুৰ উপদেশ

লৈ পুনু মহাসুখৰ পুৰীলৈ যাব লাগে।' এনে তত্ত্বৰ আভাস দেহ-বিচাৰৰ গীততো পাব পাৰি; যেনে—

দিহা—অ' গুৰু কিমতে পাইব তোমাৰ পাশ
সংসাৰ বন্ধনে পৰি হৈলোঁ আমি নাশ,
গুৰু কিমতে পাইব তোমাৰ পাশ.........

পদ—সংসাৰ-সমুদ্ৰ মাজে নৌকা এক বহে।
কাণ্ডাৰী মাধৱ গুৰু ভকতক কহে॥
নকৰা বিলম্ব ভাই ধন-জন আশে।
সবহু অসাৰ জানা তৈল যেন ভাসে॥
আশা-পাশা লৈলে ভাই নৌকা হৈব ভাৰী।
সমুদ্ৰৰ মধ্যে পৰি বুৰিব কাণ্ডাৰী॥
গুৰু বাণী শিৰে লইয়া পথে বাঢ়া আগ।
ভৱ-নদী পাৰ হইয়া কৰা মুক্তি লাভ॥

এনেকুৱা ভাৱাৰ্থমূলক আন এটি দেহ-বিচাৰৰ গীত হ'ল:—

ঘোষা—ঘৰখানি বান্ধিলু অ' দেশৰ ভাই
খাবা লবাৰ আশে।
সেই ঘৰো ভাঙি নিলা হুকুকা বতাসে॥
ঘৰখানি বান্ধিলু অ' দেশৰ ভাই
দুৱাৰখানি ছান্দে।
আপুন মৰণ থাকি দেখু
পৰক লাগি কান্দে॥
ভাই বুলু ভাতিজা বুলু (অ' দেশৰ ভাই)
মোৰ সম্পদৰে ভাই।
মৰণ কালত সবে অসাৰ
গোবিন্দেহে সাৰ॥
ভাই-ভাগী, মাতা-পিতা এ মিছা লেনা দেনা।
মিছা মায়াত বন্দী হৈয়া হৰাল চেতনা॥

কাঁচা বাঁহৰ খাট-শেতেলি সুণীয়া পাটৰ জৰী।
ভাই-ভাগীয়ে বান্ধি নিব যেন পৰাণৰ বৈৰী॥
ভাই বুলি ভাতিজা বুলি নিয়ে কান্ধে কৰি।
ঘাটৰ নৌকা ঘাটে এৰি বেগাই যাই লাৰি॥
কাঁচা বাঁহৰ খাট-শেতেলি ঢকুৱা নলৰ ঢাৰা।
তাতে বহি ভজন কৰে শিয়াল বোপুৰা॥
জীৱন কালৰ যত আপুন সবেও ভৈলা পৰ।
মৰণ কালৰ সঙ্গী ভাই গোবিন্দেহে বৰ॥

এনেকুৱা অনেক দেহ-বিচাৰৰ গীতত চৰ্য্যাপদৰ তত্বৰ আভাস পোৱা যায়। এইবোৰৰ কোনো কোনোটোত চৈধ্য ব্ৰহ্মাণ্ড, চৈধ্য বৈকুণ্ঠ, তিনি ভূবন, ছয় ৰিপু, গুৰু-ভজন, নাম-জপ, আত্মা-পৰমাত্মা, চৌবিশ তত্ব, সৃষ্টি-ৰহস্য, সংসাৰ-চক্ৰ, মায়া-বন্ধন, সাধন-তত্ব ইত্যাদিৰ কথা নিহিত আছে। দেহ-তত্বৰ কথাবোৰ বিবিধ ৰূপক-উপমা, চিত্ৰ-কল্প, ফকৰা-যোজনা আৰু গুপ্ত সংকেতৰ জৰিয়তে প্ৰকাশ পাইছে। শৰীৰক কেতিয়াবা গছ, চৌবিশ তত্বক ডাল পাত, কেতিয়াবা শৰীৰক ধৰ, ৰাজহাড়ক মূধৰ মাৰলি, কামি-হাড়ক ৰুৱা, ইন্দ্ৰিয়ক দুৱাৰ, কেতিয়াবা আকৌ দেহক নাও, মনক কাণ্ডাৰী, চিত্তক চাকি আদিৰ লগতো ৰিজোৱা হৈছে। এই গীতবোৰ নিসন্দেহে বৌদ্ধ সহজীয়া সাধন-তত্বৰ আলমত গঢ় লৈ উঠা গীত। পৰবৰ্ত্তী কালত বিভিন্ন গায়কৰ মুখ বাগৰি আহোঁতে তত্ব আৰু প্ৰকাশ-ভাঙ্গীয়ে কিছু ৰূপ সলাইছে। তাতে আকৌ শঙ্কৰী যুগত বৈষ্ণৱ সহজীয়া গায়কৰ মুখত পৰি গীতৰ ভাৱ আৰু শব্দৰ যোগ-বিয়োগ ভালেখিনি ঘটিছে।

অসমীয়া জন-সাহিত্যৰ ভঁৰালত দেহবিচাৰৰ গীতৰ নিচিনা উল্টা-পুৰাণৰ গীত বুলি এক শ্ৰেণীৰ গীত আছে। এই গীতবোৰ ঘাইকৈ অনাথৰী লোকে গাৱেঁ-ভূঞে ভিক্ষা মাগি ফুৰোতে গায়। বৈষ্ণৱ ভাৱাপন্ন আনলোকৰ মুখতো শুনা যায়। গীতবোৰ কবীৰ বা ফকিৰা নাইবা মাধৱদেৱৰ নামত চলোৱা হৈছে। এইয়া যুগৰ প্ৰভাৱৰ সংযোজন।

উল্টা-পুৰাণৰ গীতবিলাক একোটা সাঁথৰৰ নিচিনা; কথাবোৰ ওভতা বিধৰ; কিন্তু তাৰ অন্তৰালত একোটা গূঢ় তত্ত্ব নিহিত থকাৰ উমান পোৱা যায়; সেই তত্ত্ব-কথা এক প্ৰকাৰ সাংকেতিক ভাষাৰে প্ৰকাশ কৰা হৈছে। উদাহৰণ স্বৰূপে তেনে এটি গীত তুলি দিয়া হ'ল:

দিহা: অ' হে মোৰ গুৰুদেউ
এই গীত মাধৱাই গায়…… ।

পদ: টিলাৰে উপাৰে ঘৰগুটি বান্ধিলু
থাকোঁতা কুনোযে নাই।
চৰু-হাড়ী খালি আছে পাঁৰ পৰি
অতিথি নুগুচে হায় ॥
এ ভৱ সাগৰ নাই পাৰাপাৰ
এচলু পানীও নাই।
কোইৰা উপচি দুৱা দুধে খানি
কিমতে বাঁটে সুমায় ॥
বলাধে ছানা দেই বাঁজীগাই থাকে চাই
বেঙে খেদি সাঁপে খায়।
চুৰ ভৈলা সাধু সন্থই অসাধু
কিনো দিন ভৈলৰে ভাই ॥
বাৰীৰে শিয়ালা বনৰে বনৰাজা
দৰৰা দৰৰি যুজে।
মূৰুখা মাধৱাই এই গীত গায়
তাৰ মূল বিৰলে বুজে ॥
…মোৰ গুৰুদেউ এইগীত মাধৱাই গায়।[৬]

৬। গীতটি নলবাৰী মহকুমাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ হাজাৰাপাৰা গাঁওৰ ৺মনেশ্বৰ হাজৰিকা আৰু বৰ্ণি গাঁওৰ ৺সমীন্দ্ৰ সৰ্বজানৰ পৰা ১৯৫১ চনতে সংগ্ৰহ কৰা।

উল্টা-পুৰাণৰ এই গীতটিৰ ভাৱ-বস্তু ঢেণ্ঢণপাদৰ চৰ্য্যাগীতটিৰ ভাৱ-বস্তুৰ লগত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়; আনকি দুয়োটা গীতৰ প্ৰকাশ-ভঙ্গীৰ ঠাঁচো প্ৰায় একে। তুলনাৰ অৰ্থে চৰ্য্যাগীতটি তুলি দিয়া হ'ল :—

টালত মোৰ ঘৰ নাহি পড়ৱেষী।
হাড়ীত ভাত নাঁহি নিতি আৱেশী॥
বেগ সংসাৰ বড়্হিল জাঅ।
দুহিল দুধু কি বেণ্টে ষামাঅ॥
বলদ বিআএল গবিআ বাঝে।
পিটা দুহিএ এ তিনা সাঁঝে॥
জো সো বুধী সোধ নিবুধী।
জো সো চৌৰ সোই ষাধী॥
নিতে নিতে ষিআলা ষিহে ষম জুঝঅ।
ঢেণ্ঢণপাএৰ গীত বিৰলেঁ বুঝঅ॥

চৰ্য্যাপদৰ ভাব-বস্তু, প্ৰকাশ-ভঙ্গী আৰু ৰাগ-ৰাগিনীৰ লগত মিল থকা উল্টা-পুৰাণৰ গীত নামনি অসমৰ গ্ৰামাঞ্চলত বহুল চল্তি আছিল। সহজীয়া বৈষ্ণৱ পন্থী বুঢ়া ভকতে দেহ-বিচাৰৰ গীত আৰু উল্টা-পুৰাণৰ গীত ষৰ উচাহেৰে গাইছিল। তেনে গীত কিছুমান বহু বছৰৰ আগতে ছপা হৈও ওলাইছে; আৰু ভলেমান গীত সংগৃহীত হবলৈ বাকী আছে। কিছুমান দেহ-বিচাৰৰ গীত আৰু উল্টা-পুৰাণৰ গীত চৰ্য্যাগীতি প্ৰৱাহৰেই মৰা-স্মৃঁতি যেন হৈ আমাৰ গ্ৰাম্য সমাজত চলি আছে।

অষ্টম অধ্যায়

চৰ্য্যাপদ আৰু বৰগীত

চৰ্য্যাগীতসমূহে প্ৰাচীন অসমীয়া ধৰ্ম্মীয় গীতি-সাহিত্যৰ ভঁৰাললৈ বিশেষ বৰঙণি যোগাইছে। ভাষা, সাহিত্য আৰু ধৰ্মৰ ক্ষেত্ৰত এইবোৰৰ মূল্য যিমান বেছি, প্ৰাচীন অসমীয়া সংগীতৰ পৰম্পৰা বিচাৰৰ ক্ষেত্ৰতো সেইবোৰৰ মূল্য সিমানেই বেছি। সহজযান ধৰ্মৰ প্ৰতি মানুহক আকৃষ্ট কৰিবৰ কাৰণেই সম্ভৱ সিদ্ধাচাৰ্য্যসকলে এইলেখীয়া গীত ৰচনা কৰিছিল। এইবোৰ আধ্যাত্মিক সঙ্গীত বা গুৰুবাদী গীত। কিন্তু ধৰ্মৰ বিবৰ্ত্তনৰ ফলত সহজযানী গীত বা চৰ্য্যাগীতসমূহৰ আনুষ্ঠানিক আদৰ কমি আহিল। অৱশ্যে সেইবোৰৰ ৰাগ-সুৰ আৰু তাত্বিক গুৰুত্বই আন আধ্যাত্মিক গীতৰ মাজেৰে ভুমুকি মাৰিলে। দেহ-বিচাৰৰ গীত, শাক্ত ধৰ্ম্মীয় গীত, উল্টা-পুৰাণৰ গীত আৰু বৈষ্ণৱী গীতসমূহে তাল, ৰাগ, ৰাগিনী আৰু তাত্বিক বৈচিত্ৰ্যৰ ফালৰ পৰা প্ৰাচীন কামৰূপীয় সঙ্গীতৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। পঞ্চদশ-ষোড়শ শতিকাৰ মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীতত ধৰ্ম্মীয় দিশটোত বাহিৰে অন্যান্য সাংগীতিক দিশত চৰ্য্যাগীতৰ প্ৰভাৱ কিদৰে পৰিছে তাক বিচাৰি চোৱাৰ থল আছে।

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীত অসমীয়া গীতি-সাহিত্যলৈ এক বিশিষ্ট অৱদান। এওঁলোকৰ বৈষ্ণৱী গীতে প্ৰাচীন অসমৰ সঙ্গীত পৰম্পৰাক সৌষ্ঠৱপূৰ্ণ কৰি তুলিছে। ব্ৰজাৱলী ভাষাত ৰচিত এওঁলোকৰ ভক্তিমূলক গীতক মহাপুৰুষ দুজনাই 'বৰগীত' বুলি নামকৰণ কৰা নাছিল, কেৱল গীত বুলিহে উল্লেখ কৰি গৈছে। কিন্তু পৰৱৰ্ত্তী কালত অসমৰ বৈষ্ণৱ সমাজে গুৰু দুজনাৰ বিশেষ গীতবোৰক 'বৰগীত' আখ্যা দিয়ে। বিশেষত্বৰ হেতু অসমীয়া ধৰ্ম্মীয় সংগীতৰ ক্ষেত্ৰত বৰগীত শব্দটো এটা পাৰিভাষিক শব্দৰূপে প্ৰয়োগ হৈছে। এইবোৰত বৈষ্ণৱ ধৰ্ম্মীয় ভগৱৎ চিন্তাৰ চৰম মৰ্ম্ম প্ৰকাশ পাইছে।

ভাব আৰু ভাষাত নতুনত্ব থাকিলেও ইয়াৰ সাংস্কৃতিক আধাৰ খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰাই পৰিপুষ্ট। সপ্তম শতিকাৰ ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসন নৱম শতিকাৰ হৰ্জ্জৰবৰ্মাৰ তাম্ৰশাসন, বনমালদেৱৰ তাম্ৰশাসন, দশম শতিকাৰ বলবৰ্মাৰ তাম্ৰশাসন, একাদশ শতিকাৰ ইন্দ্ৰপালৰ তাম্ৰশাসন আৰু দ্বাদশ শতিকাৰ ধৰ্মপালৰ তাম্ৰশাসনত বৈষ্ণৱ ধৰ্মৰ পৰম সত্বা বিষ্ণুৰ বন্দনাৰ কথা পোৱা যায়। ইয়াৰ পিছতো খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ তেনেই শেষ ভাগৰ কবি হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' আৰু খৃষ্টীয় চতুৰ্দ্দশ শতিকাৰ মধ্য ভাগৰ বিখ্যাত কবি মাধৱ কন্দলিৰ 'সপ্তকাণ্ড ৰামায়ণ'ত বিষ্ণু-নাৰায়ণৰ প্ৰাদুৰ্ভাৱৰ উল্লেখ আছে। উক্ত প্ৰত্যক্ষ প্ৰমাণবোৰৰ উপৰিও নৱম শতিকাৰ দাক্ষিণাত্যৰ অদ্বৈতবাদী গুৰু শঙ্কৰাচাৰ্য্যৰ কামৰূপ ভ্ৰমণ, দশম-একাদশ শতিকাৰ ৰামানুজাচাৰ্য্যৰ প্ৰভাৱ, দ্বাদশ-ত্ৰয়োদশ শতিকাৰ ৰামানন্দৰ বৈষ্ণৱ-মতৰ প্ৰচাৰ আৰু ত্ৰয়োদশ শতিকাৰ পৰা ষোড়শ শতিকা পৰ্য্যন্ত জুৰি হোৱা সৰ্ব্ব-ভাৰতীয় বৈষ্ণৱ ধৰ্মৰ আন্দোলন উলাই কৰিব নোৱাৰি। মুঠতে শঙ্কৰী ধৰ্মৰ এক নিয়াৰিলগা প্ৰাচীন ঐতিহ্য আছে। প্ৰসঙ্গোচিত কথা যে দাৰ্শনিক মতৰ এক পৰম্পৰাগত ঐতিহ্য থকাৰ দৰে আধ্যাত্মিক বৰগীতবোৰৰো এটি ঐতিহাসিক পটভূমি আছে। বৰগীতত যিবোৰ ৰাগৰ উল্লেখ পোৱা যায়, সেইবোৰৰ বেছি ভাগ ৰাগ প্ৰাচীন কামৰূপীয় গীত-পদত আছে। বিশেষকৈ চৰ্য্যাগীতত বৰগীতৰ ৰাগ পোৱা যায়; যেনে— চৰ্য্যাৰ ৰাগ: পটমঞ্জৰী, ভৈৰৱী, ধনশ্ৰী, কামোদ, গুঞ্জৰী, বৰাড়ী শবৰী, মল্লাৰী, মালশী, গউড় ইত্যাদি। বৰগীতৰ ৰাগবোৰ হ'ল—কামোদ, কেদাৰ, কৌ, গৌৰী, ধনশ্ৰী, বৰাড়ী, বসন্ত, মল্লাৰ, ৰামগিৰি, ভাটিয়ালী শ্ৰীগান্ধাৰ, সুহাই ভূপালী, বেলোৱাৰ, সিন্ধুৰা, নাট মল্লাৰ কানাড়া, কল্যাণ, শ্ৰী, মাহুৰ শ্যাম, তুৰ-বসন্ত, আশোৱাৰী, অহিৰ, ললিত, মাউৰ ইত্যাদি। শঙ্কৰদেৱৰ সমসাময়িক গীতিকাৰ দুৰ্গাবৰ আৰু পীতাম্বৰ দ্বিজৰ গীততো চৰ্য্যাগীতৰ ৰাগ পোৱা যায়, যেনে—

(দুর্গাবৰৰ) : বৰাড়ী পটমঞ্জৰী, গুঞ্জৰী, ধনশ্ৰী ; (পীতাম্বৰৰ) : গুঞ্জৰী, ধনশ্ৰী, পটমঞ্জৰী, বৰাড়ী ভৈৰবী, মল্লাৰ।

চৰ্য্যাপদ আৰু ত্ৰয়োদশ শতিকাৰ কবি জয়দেৱৰ ৰচনা **গীত-গোবিন্দৰ** মাজত এটি সাংগীতিক সাদৃশ্য আছে। পৰবৰ্ত্তীকালত বৈষ্ণৱ গীতিকাৰ সকল ইয়াৰ দ্বাৰা কিছু পৰিমাণে প্ৰভাৱান্বিত হৈছিল বুলি কোৱাৰ থল আছে। কাৰণ ১৪শ ১৬শ শতিকাত **গীত-গোবিন্দৰ** প্ৰভাৱ সদৌ ভাৰতত বিয়পি পৰিছিল বুলি অনেকে কৈ আহিছে। আনহাতে দাক্ষিণাত্যৰ বিল্বমঙ্গল বা লীলাশুকৰ **'কৃষ্ণকৰ্ণামৃত'ৰ** জনপ্ৰিয়তাও বাঢ়িছিল। দুয়োখন সংগীত-পুথিৰ প্ৰভাৱ শঙ্কৰদেৱৰ ওপৰত পৰাটো অস্বাভাৱিক নহয়। খৃঃ ১৪শ শতিকাৰ শেষাৰ্দ্ধৰ মিথিলাৰ শ্ৰেষ্ঠ কবি বিদ্যাপতিৰ **কীৰ্ত্তিলতা** গ্ৰন্থৰ প্ৰভাৱো এই প্ৰসঙ্গত উল্লেখযোগ্য। আনকি উমাপতি-বিদ্যাপতিৰ মৈথিলী পদাৱলীয়ে বঙ্গদেশ, উৰিষ্যা আৰু অসমত 'ব্ৰজবুলি'ৰ জনপ্ৰিয়তা বঢ়াইছিল বুলি বহুতে ভাবে। ব্ৰজাৱলী ভাষাৰ নতুন প্ৰয়োগৰ কাৰণেই সম্ভৱ বিদ্যাপতিৰ পাছতেই শঙ্কৰদেৱে অঙ্কীয়া নাট আৰু বৰগীতৰ বাবে জন-সমাদৰ লাভ কৰিছিল।[১] মুঠতে মহাপুৰুষজনাই বৰগীত ৰচনা কৰি প্ৰাচীন কামৰূপীয় সঙ্গীতৰ শাস্ত্ৰীয় মৰ্য্যাদাত প্ৰতিষ্ঠা কৰিছিল।

এই বৰগীত আৰু অন্যান্য বৈষ্ণৱ পদাৱলীৰ বেছিভাগ ৰাগ-সুৰ চৰ্য্যাগীতসমূহত আগতেই ধ্বনিত হৈছে। ৰচনাৰ দিশৰ পৰাও চৰ্য্যাগীতৰ মাজত এইবোৰৰ পূৰ্ব্বাভাস পোৱা যায়।[২] প্ৰথম প্ৰথম চৰ্য্যাগীতবোৰ মুখে মুখে চলি আহিছিল ; পাছতহে এইবোৰ লিপিবদ্ধ কৰা হয়। মহাপুৰুষ শঙ্কৰ-মাধৱে কোনো ভক্ত-গায়কৰ মুখত চৰ্য্যাপদৰ সুৰ শুনা অসম্ভৱ নহয় ; সুৰ-ধ্বনি শুনাই নহয়,

১। শঙ্কৰী স্মৃতি-গ্ৰন্থ, ১৯৬৫, পৃঃ ৩৬—৪৭।

২। ডঃ আশুতোষ ভট্টাচাৰ্য্য, বঙ্গীয় লোক-সঙ্গীত ৰত্নাকৰ, ১ম খণ্ড, ১৯৬৬, পৃঃ ৪৮৭।

চৰ্য্যাৰ তত্ত্ব-কথাও গুৰু দুজনাই জানিছিল বুলি ধাৰণা হয়, অধিক কি, কোনো কোনো চৰ্য্যাৰ বিষয়-বস্তু আৰু তত্ত্বৰ আভাস দুই-এটি বৰগীতত ফুটি উঠিছে। উদাহৰণ স্বৰূপে শঙ্কৰদেৱৰ বৰগীত এটিলৈ আঙুলিয়াব পাৰি—

ৰাগ—শ্ৰী

ধ্ৰুং— গোপাল কি গতি কৈলে, গোবিন্দ কি মতি দিলে
নাথ বিকলে বয়স সব গেলিবে।

পদ— এভব গহন বন আতি মোহ পাশে ছন্ন
তাতে হামু হৰিণা বেড়াই।
ফান্দিলো মায়াৰ পাশে কাল-ব্যাধে ধায়া আসে
কাম-ক্ৰোধ কুক্তা খেদি খাই॥
হৰাইলো চেতন হৰি নজানো কিমতে তৰি
গুণিতে দগধ ভেলি জীৱ।
লোভ-মোহ দুয়ো বাঘ সততে নছাডে লাগ
ৰাখু ৰাখু সদাশিৱ॥
পলাইতে নেদেখো সন্ধি দিনে দিনে দিঢ় বন্দী
ভৈলো মন্দ মনেৰ যুগুতি।
তুৱা হৰি লাগু গোড় মোৰ মায়াপাশ ছোড়,
শঙ্কৰ কৰয় কাকুতি॥

ইয়াৰ লগত সাদৃশ্য থকা চৰ্য্যাটি হ'ল—

॥ ৰাগ—**পটমঞ্জৰী** : ভুসুকুপাদানাম্॥

কাহেৰি ঘিণি মেলি অচ্ছহু কীস।
বেঢ়িল হাক পডঅ চৌদীস॥
অপণা মাংসেঁ হৰিণা বৈৰী।
খনহ নছাড়অ ভুসুকু অহেৰি॥
তিণ ন চ্ছুপই হৰিণা পিবই ন পাণী।
হৰিণা হৰিণীৰ নিলঅ নজাণী॥
হৰিণী বোলঅ হৰিণা সুণ হৰিআ তো।
এ বণ চ্ছাড়ী হোহু ভান্তো॥

তৰংগন্তে হৰিণাৰ খুৰ ন দীসঅ।
ভুসুকু ভণই মূঢ়া হিঅহি ন পইসঈ॥ ধ্রু॥

এই চৰ্য্যাৰ সমতুল্য দেহ-বিচাৰৰ গীত এটি সম্পৰ্কে আগতে আলোচনা কৰি অহা হৈছে। আন এটি বৰগীতৰ উদাহৰণ:—

ৰাগ—**ধনশ্ৰী**

ধ্ৰুং— নাৰায়ণ মায়া জানব কোই।
সুৰপতি চতুৰবয়ন, মুনি শঙ্কৰ চিন্তিতে আকুল হোই।

পদ— অঘট ঘটন পটু চাতুৰী যো নিত
অনিত সমান সব হোই।
যতয়ে অনিত নিত সম ভাষত
ঐসব চাতুৰী হৰি তোই॥
কোই কোই সাঞ্চা কোই কোই মিছা
কবহু নিয়ত নাহি জানি।
সাঞ্চা মিছা সমান কয় ভাষত
মোহ কৰত বেদ বাণী॥
সাঞ্চা মিছা কিছুয়ে নাহ জানত
মূৰখ পামৰ মতি হীনা।
যাহাঁ গাত মতি, তুহুঁ কমলাপাত
কহতু মাধৱ দাস দীনা॥

এই বৰগীতৰ ভাবৰ লগত লুইপাদৰ এটি চৰ্য্যাৰ ভাবৰ কিছু মিল আছে। যেনে—

ৰাগ—**পটমঞ্জৰী**: লুইপাদানাম্

ভাৱ নহোই অভাৱ ণজাই।
আইস সংবোহে কো পতিআই॥
লুই ভণই বট দুলকৃখ বিণাণা।
তিঅ ধাএ বিলসই উহ ণা ঠাণা॥
জাহেৰ বান চিহ্ন কৱ ণজাণী।
সো কইসে আগম বেএঁ বখাণী॥

কাহ্নেৰে কিষ ভণি মই দিবি পিৰিচ্ছা।
উদক-চান্দ জিম সাচ ন মিচ্ছা ॥
লুই ভণই মই ভাইব কীষ।
জা লই অচ্ছম তাহেৰ উহ ণ দিস ॥

দাৰিকপাদৰ বৰাড়ী ৰাগৰ ৩৪নং চৰ্য্যাৰ ধৰ্ম-চৰ্চাৰ আদৰ্শ আৰু তত্ত্ব-কথাৰ লগত শঙ্কৰদেৱৰ ধনশ্ৰী ৰাগৰ এটি বৰগীতৰ কিছু মিল দেখা যায়। দাৰিকপাদে কৈছে যে নিৰ্ব্বাণ লাভৰ অৰ্থে তন্ত্ৰ-মন্ত্ৰ, হাগ-যজ্ঞ আচৰণ কৰা মিছা; এইবোৰৰ সলনি গুৰু ভক্তি সহজযানী পন্থাৰেহে আগবঢ়া যুগুত:—

কিন্তো মন্তে কিন্তো তন্তে কিন্তোবে ঝাণবখানে।
অপইঠান মহাসুহলীলেঁ দুলখ পৰম নিবাণেঁ ॥
দুঃখেঁ সুখেঁ একু কৰিআ ভুঞ্জই ইন্দী জানী।
স্বপৰাপৰ ন চেবই দাৰিক সঅলানুত্তৰ মাণী ॥

শঙ্কৰদেৱেও বৰগীতটিত কৈছে:—

তিৰীথ বৰত তপ জপ যাগ যোগ যুগুতি।
মন্ত্ৰ পৰম ধৰম কৰম কৰন্ত নাহি মুকুতি ॥
মাতু পিতু পতনি তনয় জনয় সব মৰনা।
চাৰহু ধন্ধ মানস অন্ধ ধৰতু হৰি চৰণা ॥
কৃষ্ণ কিঙ্কৰ শঙ্কৰ কহ বিচুৰি বিসয় কামা।
ৰাম চৰনে লেহু সৰন জপ গোবিন্দক নামা ॥

কিছুমান চৰ্য্যাৰ আৰু বৰগীতৰ তত্ত্বমূলক সাদৃশ্য অধিক। অৱশ্যে ধৰ্ম ভিন ভিন হোৱা কাৰণে তত্ত্ব-কথাৰ বৈশিষ্ট্য স্বকীয়া হৈছে। উল্লেখযোগ্য কথা যে চৰ্য্যাৰ বেছিভাগ শব্দ অসমীয়া অঙ্কীয়া নাট আৰু বৰগীতত ব্যৱহৃত হৈছে। পুৰণি অসমীয়া ভাষাত ৰচিত হোৱা বিভিন্ন পুথিতো চৰ্য্যাৰ শব্দ ভালেখিনি পোৱা যায়। ত্ৰয়োদশ শতিকাৰ তেনেই শেষ ভাগৰ কবি হেমসৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ, চতুৰ্দ্দশ শতিকাৰ অপ্ৰমাদী কবি মাধৱ কন্দলিৰ সপ্তকাণ্ড ৰামায়ণ, হৰিবৰ বিপ্ৰৰ বব্ৰুবাহনৰ যুদ্ধ, লৱ-কুশৰ যুদ্ধ,

পঞ্চদশ-ষোড়শ শতিকাৰ কবি মনকৰ, দুৰ্গাবৰ, পীতাম্বৰ, শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, গোপালচৰণ দ্বিজ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, ভট্টদেৱ প্ৰভৃতি কবি-সাহিত্যিকসকলৰ ৰচনাৱলীত চৰ্য্যাত ব্যৱহৃত শব্দ অনেক আছে। চৰ্য্যাত ব্যৱহৃত শব্দ বৰগীতত [৩] কিদৰে স্ৱচ্ছভাৱে প্ৰয়োগ হৈছে তাৰ নিদৰ্শন তলত দাঙি ধৰা হ'ল :—

বৰগীতত ব্যৱহৃত চৰ্য্যাৰ শব্দ

অইসন—ঐচন সময়ে মধুপুৰী পিউ প্ৰাণ (শঙ্কৰদেৱ)।

অঙ্কৱালী—গৃহক আনিলা আঙ্কোৱালি (শ.)।

অঙ্গ—নানা ৰতন জড়িত অঙ্গ ভূষণ (মাধৱদেৱ)।

অনুভঁৱ—হৰিকো পৰশ নাই অনুভৱ দৰশ (যদুমণিদেৱ)।

অন্ত—অন্ত কালে সোহি সঙ্গহি নাযায় (মা.)।

অন্তৰে—অন্তৰে তোৰি ৰাখতু হৰি (শ.)।

অনন্ত—অনাদি অনন্ত যোহি বিনে নাহি কেৱ (মা.)।

অন্ধাৰী—দিস দস দিৱসে আন্ধাৰী (শ.)।

অৱৰ—হামো বৰ পতিত বিনে আৱৰ নাহি কোই (গো.)।

অমিঅ/অমিআ/অমিয়া—পৰম অমিয়া ৰস (মা.)।

অৱণা-গৱণে—আয়া-গমন কাঁৰণ সব মায়া (মা.)।

অহনিসি—অৱনিসি সেৱহু ৰাম পৰম পহু ৰহু হৃদী পঙ্কজ মেৰা (শ.)।

আইল—আইল সব কুতূহলে (মা.)।

আইলা—আমাৰ গৃহক আইলা দেৱ যদুৰায় (শ.)।

---

৩ শব্দবোৰ পাঁচখন বৰগীতৰ পুথিৰ পৰা লোৱা হৈছে—হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীত, ১ম সংস্কৰণ, ৪৯৭ শঙ্কৰাব্দ; বৰগীত, ৩য় সংস্কৰণ, ১৯৫৮; শ্ৰীপ্ৰসন্নচন্দ্ৰ বৰুৱা সম্পাদিত—মিহলি বৰগীত, ৬ষ্ঠ সংস্কৰণ, ১৩৭৩ বঙ্গাব্দ; শ্ৰীৰাজমোহন নাথ সম্পাদিত—মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৰগীত, ১৮৭১ শক; শ্ৰীৰাজীৱলোচন চন্দ্ৰ গোসাঞী সম্পাদিত—গীত-মন্দাকিনী, ১ম সংস্কৰণ, ৫১১ শঙ্কৰাব্দ।

আইস—আলো ভাই, চল আইস যাই বৃন্দাবনে (মা.)।
আকাশে—বিমানে কৌতুকে ভ্রমে আকাসে (দ্বি. ভূ.)।
আখি—আজু গোপীনাথ পেখলো আখি (মা.)।
আগম—আগম পুৰাণ শুনি যতমান তোমা বিনে নাহি কয় (মা.)।
আগি—তোহাৰি বিয়োগ-আগি দহে মোৰ চিত্ত (মা.)।
আঙ্গন—সুন্য ভেল অঙ্গিনা বিৰিন্দা বিপিন (শ.)।
আজি—যশোদা শুনিলে আজি মৰিব বিকলে (মা.)।
আণ—হৰি বিনে নাহি তাৰক আন (মা.)।
আনন্দে—বৃন্দা কৰি আনন্দে ভুঞ্জিলা পেট ভৰি (মা.)।
আলা-জালা—দেহা আল-জাল ভৈল পাইল কালে (মা.)।
আলো—আলো ভাই গকুলে আনন্দ জয় জয় (মা.)।
আস—চোড়ি কয়লোঁ কৃষ্ণ চৰণক আস (শ.)।
আসা—আসা পাস পৰসি মানস পশু (শ.)।
উজোলি—নব ঘন ঘন যৈচে বিজুৰি উজোৰ (শ.)।
উঠি—গোবৰ্দ্ধনে উঠি কৰিলা ৰিচাৰ (শ.)।
উন্মত্তো—হইয়া সবে উন্মত্ত কৃষ্ণক ধৰিয়া তত্ত্ব (মা.)।
উপাড়ি—উপৰে উৰয় পাখী তাৰে পুছে কাণু (মা.)।
উপায়ে—শঙ্কৰ কহতু উপায়ী (শ.)।
এ—এ উদ্ধৱ চল গকুলক লাই (শ.)।
এক—এক গোৱাৰিণী মাতিয়া হামাকু দেলহ বুলি মিঠাই (মা.)।
এক তিল—থিৰ নোহে তিল এক (শ.)।
একু—তিল একু ৰহয়ে নপাৰি (শ.)।
এড়ি—পাপি পলায়ত গোপিনি এড়ি (শ.)।
এথা/এথু—এথায়ে খেলাইছিলো সে চান্দ মুখ (শ.)।
এবেঁ—এবে তোমাৰ আমাত চাতুৰী (মা.)।
এহু—শঙ্কৰ এহু অভিলাসা (শ.)।
কইসন—কৈচন চিত্ত হামাৰি (শ)।
কইসে—মন সুখে পাৰ কৈচে নিন্দ (শ.)।

কণ্ঠ—মণি কৌস্তুভ কণ্ঠত লোলে (শ.)
কণ্ঠে—কণ্ঠে কদম্ব-মালা দুলে (মা.)।
কমল—কমল পত্ৰৰ যেন শিশিৰ নিগৰে (মা.)।
কৰহুঁ—ৰাম গোসাই কৰহু গোহাৰি (মা.)।
কৰিআ—যতন কৰিয়া হৰিৰ নাম সদায় ভাবিয়ো মুখে (মা.)।
কৰিব—আৰে কি কৰিব মই আসি পাইলে কালে (গো.)।
কৰিহ—পূৰ্বৰ বাসনা দূৰ কৰিহ হামাৰ (মা.)।
কৰুণা—তুমি কৰুণা নাকৰ মোৰে (মা.)।
কৰ্ণ-কুণ্ডল—কৰ্ণে কুণ্ডল গণ্ড লোলে (শ.)।
কহই—মাধৱ কহই উদ্ধৱ ধৰি হাত (শ.)।
কাজ—শ্যাম বন্ধু বিনে জীৱনেৰ কিবা কাজ (মা.)।
কান্ধ—কোটি ব্ৰহ্মাণ্ড পালক হামু দেৱা কান্ধ বগাৱলি মোই (মা.)।
কাপুৰ—কৰ্পূৰ তাম্বুল ভুঞ্জি সুৰভি ফুল (মা.)।
কাম—হৰিপদ সেৱা বিনে তেজু সব কাম (মা.)।
কাৰণ—আয়া গমন কাৰণ সব মায়া (মা.)।
কাল—কান্দিলো মায়াৰ পাসে কাল-ব্যাধে ধায়া আসে (শ)।
কাহেৰি—কৰবু কাহেৰি সাৰ (শ.)।
কি—যশোৱাৰ ভয়ে তুমি কাম্পা কি কাৰণে (মা.)।
কিঙ্ক—দুখিনী অভাগী জীঁউ কিঙ্ক লাগি (গো.)।
কিৰণ—প্ৰভাত কালৰ যেন ৰবিৰ কিৰণ (মা.)।
কুণ্ডল—কঙ্কণ হাৰ ৰঞ্জিত মণি কুণ্ডল (মা.)।
কুম্ভীৰে কাম ক্ৰোধ কুম্ভীৰ মগৰে গিলে আসি (মা.)।
কুল/কুলে—এ নদী যমুনা কূলে খেলয় কদম্ব মূলে (মা.)।
কেড়ুআল—গুৰু কেৰুৱালি ৰাম অনুকূল ৰাৱ (মা.)
কেলি/কেলি কৰই—কেলি কৰে বিৰিন্দা ৰনে মোহন গোপাল (মা.)।
কেহো কেহো—কেহো কেহো নাচে হাসে কেহো বাৱে বেণু (মা.)।
কোই—ৰাম বিনে নাহি বান্ধৱ কোই (মা.)।
খাঅ—যত পাৰা মানে খাৱ পেট ভৰি ভৰি (মা.)।

খাই—আপোনহি দধি দুগ্ধ খাই (মা.)।
খাণ্ট—যেন পায়া খাণ্ট চোৰ (মা.)।
খাইব—যত পাৰা খাইব দিবো এ নৱ লৱনী (মা.)।
খেলই—মোহন বালক সঙ্গে খেলন খেলাই (যদুমণি)।
গই—নাই দেখা কৃষ্ণক নেত্ৰ ভৰি চাও গই (মা.)।
গগন—গগন মণ্ডল পুৰে (যদুমণি)।
গঙ্গা—সাগৰৰ তলে গঙ্গা ধীৰে বহি যায় (গো.)।
গন্ধ—নাসা গন্ধ মধুৰ ৰস ৰসনা শ্ৰৱণ বিবিধ ধ্বনি ধায় (শ.)।
গম্ভীৰ—মৃদু পদ মঞ্জীৰ ঝুৰয় গম্ভীৰ (মা.)।
গলে—কদম্ব মালা গলে শোভিত ভালি (মা.)।
গহণ—এ ভৱ গহণ বন আতি মোহ পাশে ছন্ন (শ.)।
গাই—বুঢ়া ভাই হৰিগুণ গাই নাচা (মা.)।
গিৰিবৰ—একুঞ্জ নিকুঞ্জ বন গিৰিবৰ গোবৰ্দ্ধন (গো.)।
গীত—গীত কবিত্ব শুনন্তে লোকৰ অমৃত বৰিষে মনে (গো.)।
গুৰু—ওহি জগত গুৰু সুত কাহাঁ পায় (মা.)।
গুহাড়া—নাৰায়ণ চৰণে কৰোহো গোহাৰি (শ.)।
গেল—নন্দ গেল বাথানে গুৱাল গেল পাচে (মা.)।
ঘন—গুৰু ঘন ঘন ঘোষ, ঘৰিষণ গৰ্জ্জন শ্ৰৱণে জনময় সঙ্কা (শ)।
ঘৰ—পানী লৈয়া বাহুৰিয়া ৰাধা আইলা ঘৰ (মা.)।
ঘৰণী—প্ৰভাত সময়ে উঠি নন্দেৰ ঘৰণী (মা.)।
ঘৰিণী—তাৰে মাৰিবাৰে খেদে নন্দেৰ ঘৰিণী (মা.)।
ঘৰে—গোৱালীৰ ঘৰে গৈয়া ব্ৰহ্ম চিনি ধৰা (মা)।
ঘাট—হাট ঘাট বহু বাট বিয়াপি চৌগড় বেঢ়লি লঙ্কা (শ.)।
ঘালি—কুচ নখ ঘন ঘন ঘালি (শ.)।
চঞ্চল-কামে চঞ্চল তনু মদন জিনিয়াৰে (মা.)।
চড়ি—উড়ল উৰৰে চড়ি লৱহু ভুজঙ্গ হৰি (মা.)।
চড়িলা—ৰথত চড়িলা ৰাম কৃষ্ণ ৰঙ্গ মনে (ৰামচৰণ ঠাকুৰ)।
চৰণে—চৰণে মঞ্জিৰ ঝুৰে (শ.)

চলিলা—গোষ্ঠক চলিলা ৰঙ্গে (মা.)।

চান্দ—শাৰদ চান্দ কোটি নয়ন বিকাশে (মা.)।

চান্দে—পুনুহু উঠি উঠি ভৰি ভৰি চান্দে (ৰামচৰণ)।

চাপী—কটি চাপি উড়ুখল বন্ধন কায় (মা.)।

চাৰি—যো হৰি দাতা পদাৰথ চাৰি (মা.)।

চিত্ত—তাহে চিন্তু চিত্ত লাই (মা.)।

চিহ্ন—সঙ্গে লবো মূল চিহ্ন চক্র ধ্বজ ৰথ বৰ গজ বাজী ৰে (গো.)।

চোৰে—মন্দ ৰোদন কৰু নৱনীত চোৰে (মা.)।

চৌদীস/চৌদীসে চৌদিশে মঙ্গল বাজন বাজে (মা.)।

চৌৰ—লৱনু চৌৰ ধৰি আছয় গোৱালী (মা.)।

চৌৰি—অতয়ে কৰ্ম্মক বন্ধ চৌড়ি পাৱল বৈকুণ্ঠ বাস (মা.)।

ছাইলা—অনেক যতনে বিধি ছাইলা মনে গুণি (মা.)।

ছাড—শঙ্কৰ কহ, ছাড় বিৰহ, ওহি জগ আধাৰু (শ.)।

ছাড়ি—জগতৰে ভৰে তাৰ প্ৰাণ গৈল ছাড়ি (ৰামচৰণ)।

ছাড়ু ছাড়ু—ছাড় ছাড় ছাড বুলি পাৰয় ডাক (দ্বিজ ভূষণ)

জইসনে—জৈচন বিজুৰি উজৰি মিলাৱত (মা.)

জইসা—জৈচে পুৰিষ শুকৰ কয়ো ভোগা (শ.)।

জউতুকে—লগতে জৌতুক, মনি দিবু স্যমন্তক (দৈত্যাৰি)।

জগ—জগ-জন-জীৱন অজন জনাৰ্দ্দন দনুজ দমন দুখহাৰী (শ.)।

জথা—পলাই আজি জাইবে জথা (মা.)।

জবে—গৈয়া একু ব্ৰহ্মা জেবে উপাই কৰয় (মা.)।

জলে—অম্বৰ জল চুটয় কমল, মধু মধুকৰ পিজে (শ.)।

জহি—জোহি জগতৰ গুৰু জগত আধাৰু (মা.)।

জাই—সুমৰিতে মোহে গোপীনীক জীৱ জাই (শ.)।

জাইব/জাইবে—পলাই আজি জাইবে জথা হামু ধায়া জাইবো তথা (মা.)

জান্তে/জাঅন্তে—চলিলে নিকট ভয়ো ভৰা দিয়া জান্তে (মা.)।

জাণই—জানয় নাহি গোপী মোহি বিনে আন (শ.)।

জাণী—সকল নিগম তত্ত্ব জানি (মা.)

জান—হৰিক হৃদয়ে জান (শ.)।
জায়া—অধীৰ জীয়ন ধন জৌৱন জায়া (শ.)।
জাম্নু—জাম্নু কৰত নিত সেৱ (শ.)।
জাহেৰ—জাহেৰ পদ বিৰাজে (মা.)।
জে—জে দিকি জাৱয় বাধা সেদিকে কানাইৰ চকি (মা)।
জেণ—ফোফাই জেন নাগ মুকুত কেশ (গো.)।
জো—সোই সোই ঠাকুৰ মোই জো হৰি পৰকাসা (শ.)।
জৌৱন—অথিৰ ধন জন জিয়ন জৌৱন (শ.)।
টুটি—তেজয় জিঅ পিউ প্ৰাণ টুটি জাই (শ.)।
ঠাকুৰ—দযাৰ ঠাকুৰ হৰি যদুমণি ও ৰাম (মা.)।
ঠাণা—ত্ৰিভূৱন কাপে কালা অঙ্গে দিলা ঠানা (যদুমণি)।
ডৰে—গোপাল পলাযা আছা মাৱে মাৰিবাৰ ডৰে (মা.)।
ডহি—সুমৰিতে তনু ডহে আগি (শ.)।
ডাক—বংশী ডাক দিলা ৰই (শ.)।
ডাল—কদম্বৰ চনকা ডাল ভাগি যেন পৰে (গো.)।
ণজানী—নজিলোহোঁ ভৱ-সিন্ধু তোমাক নজানি (মা.)।
ণহোই—বেৰি বেৰি অন্ত নহোই (মা.)।
ণাণা—নানা বিধ মানে চলিল যোগানে (গো.)।
ণাহি—নাহি ভয়ো ভৱ ভোগে হৰি হৰি পৰম পদ পৰতেক (শ.)।
ণিন্দ—তেজৰে কলাপতি পৰভাতে নিন্দ (মা.)।
তথা—তথাযে কান্দো হাসো লোটায়া কায়ী (শ.)
তনু—নয়ন তছু পঞ্চবাণ (মা.)।
তা—তা বিনা পতিত তাৰক নাহি কোই (মা.)।
তাম্নু—তাম্নু পৰল মেৰি এমন মোহ (শ.)।
তহি—তাহে তুৱা চৰণে চাকৰ ৰহু মোই (মা.)।
তাহেৰ—তাহেৰ দুখ শুনি চুটে মেৰি প্ৰাণ (শ.)।
তিনি—যো হৰি এ তিনি ভূৱন অধিকাৰী (মা.)।
তিল—তিল একু ৰহয়ে নপাৰি (শ.)।

তো—তো হো দয়াল কৰহু কৃপা হামাৰি (গো)।
তোৰে—কেমনে পাইবোঁ হৰি চৰণ তোৰে (ম.)।
তোহোৰ—তোহোৰ মুখত দেখো লৱমুৰ চিন (মা.)।
তোহাৰি—সব তেজি তোঁহাৰি চৰণে কৈলো আশ (মা.)।
থিৰ/থিৰা—থিৰ নোহে তিল এক (শ.)।
দশদিসেঁ—পক্ষী দশদিশে গৈলা (মা.)।
দিঢ়—পলাইতে নেদেখো সন্ধি দিনে দিনে দিঢ় বন্দী (শ.)।
দিৱসই—দিৱস নযায় সুখে নযায় ৰয়নী (মা.)।
দিল—হামাৰি গাৱে ধূলা দিল তোম্মাৰ ছৱালে (মা.)।
দুআৰত—দুৱাৰত ধৰি কান্দে ফোকাৰি ফোকাৰি (গো)।
দুই—কানাইৰ দেখিয়া দুই নয়ন উজ্জল (মা.)।
দুজ্জন—দুজ্জন বান্দৰে দিলা আপুনি আসঙ্গ (মা.)।
দুধ—সব দধি দুধ খাইল বোলে কেহো জনী (মা.)।
দুখে—ইসে মোৰ পাইল বৰ দুখে (মা.)।
দুৰ/দূৰ—আশা সকল গৱল কৰো দূৰ (মা)।
দৃঢ—কহয় প্ৰহ্লাদে দৃঢ বানি (দৈত্যাৰি)।
দেখই—সদাযে দেখই ওঁহি ইস্বৰ মুৰাৰি (ৰাম.)।
দেখি—কালিন্দি দেখি সখী ফুটয় বুক (শ.)।
দেখিঅ—পানীক গৈয়া ৰাধা দেখিয়া আইলা হৰিৰ কাছে (মা)।
দেশ (দ্বেষ)—সি গতি লভিল সেবি কাম দ্বেষ ভাৱে (মা)।
দেহ—কৃষ্ণ কিঙ্কৰ কহ ক্ষণিক দেহ ৰহ নৰতনু পুনুহোঁ নপাই (শ)।
দেহুঁ—তুহোঁ গতি মতি দেহুঁ চিৰিপতি (শ)।
দোসেঁ—সোহি দোষে আজি মেৰি জাইৱেক জিৱন (দৈত্যাৰি)।
দ্বাদশ—একাদশে ললাট দ্বাদশে ভৈল মুণ্ড (গো.)।
ধনি—বাছুৰি ধ্বনি শুনি গো বৎস পেখি (শ.)।
ধৰ—যি নৰ চতুৰ মুখে ৰাম নাম ধৰ (মা.)।
ধৰণ—জিৱন ধৰণ নজাই (শ.)।
নগৰ—শ্যাম মনোহৰ হৰয়ে নগৰ জনে (মা.)।

নজাই—দহে তনু ধৰণ নজাই (শ.)। জিৱন ধৰণ নজাই (শ.)।

নণন্দ—শাহু নাই শহুৰ নাই ননন্দ নাই ঘৰে (মা.)।

নৱ—নৱ ঘন যৈচে চমক বিজোৰি (শ.)।

নৱগুণ—কান্ধে নৱগুণ পিত উত্তৰিৱ (দ্বিজভূষণ)।

ন হোই—বেৰি বেৰি অন্ত নহোই (মা.)।

নাদ—মৃদঙ্গ দিমি দিমি নাদ দুন্দুভি (শ.)।

নাদে—নাম পঞ্চানন নাদে পলাৱত পাপদন্তি ভয় ভিত (শ.)।

নাৱ—যাৱে নাই পচে নাৱ মাণিক বেসাৱ (মা:)।

নামে—মুকুতি মিলাৱত যাকেৰি নামে (মা.)।

নাৰী—আজ্ঞা কৰি আছা প্রভু অনাচাৰী নাৰী (গো.)।

নাল—হেম পঙ্কজ নাল (মা.)।

নাশক—নাশক কংসক প্রাণ (শ.)।

নাহি—ৰাম বিনে নাহি একো সিদ্ধি (শ.)।

নিতে নিতে—হামাতে নিত নিত সুম্পি প্রাণ চিত (মা.)।

নিদ/নিন্দ—গাৱ চালি তেজ নিন্দ (মা.)।

নিৰন্তৰ—নিৰন্তৰ নিগমৰ এ তত্ত্ব বিচাৰ (মা.)।

নিল—এথায়ে আছিল বাঁহী কেবা নিল তাৰে (মা.)।

নিসি—নিসি অৱসানে বংশীৰ নিশ্বানে (মা.)।

পঞ্চ—পঞ্চ শৱদ শুভ মিলন মহোৎসৱ জয় জয় ৰাঘৱ বোলে (মা.)।

পৱণ—চান্দ চন্দন মন্দ পৱণ বৈৰণী (মা.)

পৰ—পৰ তিৰী পৰ ধনেৰ আশায় (মা.)।

পৰম—কলিকো পৰম ধৰম হৰিনাম (শ.)।

পৰশ—নয়না ৰূপ পৰশ ত্বচ চাহে, কাহে ভজোঁহো পন্ত পায় (শ.)।

পৰাণ—পৰাণ নিগৰে নাদেখিয়া চান্দমুখ (মা.)।

পৰিবাৰে—পুত্ৰ-পৰিবাৰ চাড়ল নিৰন্তৰ (মা.)।

পাঞ্চ—আমি পাঞ্চ গোপী জলত নামিলো (মা)।

পাণী (পানী)—নয়নে জুৰাৱত পানী (মা.)।

পানে—পূৰল মন পয়োধৰ পানে (মা.)।

পাপ-পুণ্য—পাপ-পুণ্য ভৈল এ বৰ ডোৰ (মা.)।
পাৰ—দেখি নন্দ যশোদাৰ আনন্দৰ নাই পাৰ (মা.)।
পাস (পাশ)—কেশৱ সবহু চোড়হু মোহ পাস (শ)।
পুণ্য—ৰাম নাম মহ নিখিল পুণ্য ৰহ (শ.)।
পুনু—নন্দ নন্দন পুনু পাৱব গোপপুৰি পৰসি জিৱাৱব হাতে (শ)।
পূৰা—নাম অমিয়া পানে মন কৰো পূৰ (মা.)।
পেখ/পেখু—পেখু সখি শ্যাম সুন্দৰ ওহি জগত আধাৰু (গো.)।
পেখৰে—ওৰে সখি পেখোৰে কঞ্জলোচন চললি নন্দকুমাৰা (শ.)।
পোহাই—পোহাইলা ৰজনী উঠা যদুমণি (মা.)।
ফুটিলা—হৃদয় মাজে হামু ফুটলো টানে (মা.)।
ফাড়িঅ—তিমিৰ ফাড়িআ বাজ ৰবিৰ কিৰণ (শ/মা.)।
বইঠা—কোটি ব্ৰহ্মাণ্ড বৈঠে যাহাৰ উদৰ (মা.)।
বখাণি—ভকত বৎসল দীন বান্ধৱ গুণ বেদ বখাণি (মা.)।
বঙ্ক—হাতে হৰল নিকৰুণ বঙ্ক বিধি (শ)।
বজ্ৰ—ধ্বজ বজ্ৰ জব পঙ্কজ চাই (শ.)।
বড়—সকল নিগমে প্ৰভু ই বড় ৰহস্য (মা.)।
বন—এ ভৱ গহন বন আতি মোহ পাসে ছন্ন (শ.)।
বপা—মিছাতে কান্দে বপা ভাই (মা.)।
বহিআ—কুৰুলি আকাৰে বালিত বহিয়া মধ্যাকৰি নন্দ সুত (মা.)।
বহুড়ী—ব্ৰজজন জিৱন বহুৰি নাহি আৱত (শ)।
বাট—দেখি বাট দিলা মাঝে পাৰ ভৈলা যদুৰাজে (গো.)।
বাড়ী—আৱৰ যদি যাৱা তুমি গোৱালীৰ বাড়ী (মা.)।
বান্ধ—যমৰ দূতক খেদায়া বিপ্ৰৰ কাটিলা বান্ধ হাতৰ (দ্বিজভূষণ)।
বান্ধন—ভকতি বলে তাকু বান্ধন কায় (মা:)।
বান্ধি—শিকা বান্ধি ছান্দি কান্ধে লৈয়া দধি ভাত (মা.)।
বাপ—মোৰ পতিত পাৱন প্ৰভু হৰি হৰেৰ বাপ (মা.)।
বাম—লাৱণ্য সুন্দৰ কটি ধৰিয়া এ বাম হাতেৰে (মা.)।
বাল—কহয় মাধৱ গতি বাল গোপাল (মা.)।

বাষণা—পাপমতি মন বাসনা নছাড়ে মজিলো সংসাৰ ঘোৰে (মা.)।
বাসে—পাৱে পৰিমল বাসে (মা.)।
বিচুৰিল—বিচুৰল পুৰুবক মুনেহা হামাৰ (শ.)।
বীণা—হাতে দিব্য বীণা যন্ত্র ধৰি (গো.)।
বিণু—গোবিন্দ পদ পঙ্কজ বিনু তাৰেক নাহি আনা (মা.)
বিন্দু—মাগয় ভকতি ৰতি একু বিন্দু দায়াল (মা.)।
বিশুদ্ধি—বিশুদ্ধ ভজনে ভৈলা খেৰ জ্ঞানা (গো.)।
বিস—বিসয় বিসধৰ বিসে জড ভড় (শ.)।
বিহুনে—বিহানে বজাইল খেড়ি খেলাইবাৰ তৰে (মা.)।
বুধ—শুন বুধ জন এৰি আন মন ভজিযো ৰামৰ পদ (গো.)।
বুদ্ধ—আত্ম নিবেদন বুদ্ধ শাস্ত্রৰ নির্ণয় (গো.)
বেগ—বায়ু বেগে আসি ধাই কৃষ্ণক গিলিল পাই (মা.)।
বেঢ়িল—চৌগড বেঢ়িল লঙ্কা (শ.) কৃষ্ণক বেঢ়িল তথা (মা.)।
বৈৰী—ঐসব বৈৰী বিসাল (শ.)।
ভইল/ভইলা/ভইলি/ভইলে—হৰি বিনে গোপীৰ জীৱন ভৈলক্ষীণ (মা.)
ভণ/ভণই—কৃষ্ণ কিঙ্কৰে ভণ ৰাম পৰম ধন (শ.)।
ভণ্ডাৰ—চিনি ৰবা শুদ্ধ জীৱ ভকতি ভাণ্ডাৰ (মা.)।
ভৱ—এ ভৱ তৰণী নাহি ৰাম নাম বিনা (মা.)।
ভৱ-নই—মূল ৰাখি লাভ কৰি ভৱ-নদী তৰ (মা.)।
ভয়—হৰি পদ পঙ্কজ ভৱ ভয় ভঞ্জন (মা.)।
ভয়ঙ্কৰ—ভয়ঙ্কৰ বক গোটি বজ্রৰ সমান ঠোঠ (মা.)।
ভলি—ভালি নাচে মদন গোপালা (মা.)।
ভাত—দধি দুগ্ধ ঘৃত ব্যঞ্জন ভাত (মা.)।
ভুজঙ্গ—জনম মৰণ ভুজঙ্গ পুনু দংশল (যদুমণি)।
ভিতি—পদযুগ ভকতি-ভিতি ভজহু (মা.)।
ভোল—ভকতি কয়লি হৰিক মন ভোল (শ.)।
মই—মই তেৰি দাসকু দাসা (মা.)।
মণ (মন)—মন মেৰি ৰাম চৰণহি লাগু (শ.)।

মণে—সুগন্ধ শীতল নাসায়ে, নছাৰয় কনক-কামিনী মনে (মা.)
মণ্ডল—শিৰে শশী মণ্ডল (মা.) ।
মৰণ/মৰণে—জান তিলেকে মৰণ মিলে (শ.) ।
মহা—মহা মুনি চতুৰ বয়ন সুৰ শঙ্কৰ (মা.) ।
মাআজাল—হামু পশু মায়াজালত বন্দী (মা.) ।
মাগঅ—মাগয় মাধৱে তুৱা পাৱে কৃপা লেশ (মা) ।
মাগে—লৱনু মাগে গোপীনীক ঠাই (মাঃ) ।
মাঝে—তাৰকগণ যব গগনকু মাঝে (মা.) ।
মাৰিআ—চোঙ্কা নিবে অলঙ্কাৰ মাৰিয়া সমূলি (মা.) ।
মাৰিল—মাৰিল হস্তিক দান্তৰ বাৰি (ৰাম.) ।
মালী—ৰূপে ভুলে গোৱালী সুন্দৰ বনমালী (মা.) ।
মিছা/মিছে—কোই কোই সাঞ্চা কোই কোই মিছা (মা.) ।
মিলিল—মিলিল মহোৎসৱ জয় ৰাম ৰোলে (মা.) ।
মুষা / মুসা—সিংহৰ গতিক ক্ষুদ্ৰ মুষা হুয়া (মা.) ।
মুহ—পৰম পুৰুষ পায় মুহ লোচন ভৰি চায় (মা.) ।
মূঢ়—কহয় মাধৱ মূঢ়মতি নাশা (মা.) ।
মূল—মূল ৰাখি লাভ কৰি ভৱ-নদী তৰ (মা.) ।
মূলে—বিষয় কাচক মূলে মাণিক বিকায় (মা.) ।
মেৰি—তথিয়ে মজাইলো মন মেৰি ৰাম (শ.) ।
মেলি—ৰাম নাম ৰত্নেৰ ভাণ্ডাৰ মেলি আছে (মা.) ।
মেলে—ধেনু চৰাৱত বালক মেলে (যদুমণি) ।
মোৰ—তবহু ৰহল মোৰ বন্ধু মধুপুৰী (শ.) ।
মোৰঙ্গী পীচ্ছ—জলমল ময়ুৰ পুচ্ছ শোহে মাথে (মা.) ।
মোহ—লোভ মোহ দুহো বাঘ সততে নছাড়ে লাগ (শ.) ।
মোহে—কমনে ৰময়া মন বিচুৰি ৰহু বৃথা মোহে ভুলাই (শ.) ।
মোহোৰ—হৰি পদ মোহোৰ পৰম ধন (মা.) ।
যোগী—সনক সনন্দ যোগী যাহাক ধিয়ায় (মা.) ।
ৰএণি—না সোভে ৰয়নি বৈচে চান্দ বিহিন (শ.) ।

ৰবি-শশী—যেন আকাশত ৰবি শশী কৰে গতি (মা.) ।
ৰস—শঙ্কৰ এহু ৰস গাই (শ.) ।
ৰাগ—এখনে কাতৰ কৰো এৰা ৰোষ ৰাগ (মা) ।
ৰাতি—আমাক এৰিয়া গৈলা অন্ধকাৰ ৰাতি (মা.) ।
ৰে—শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা (শ.) ।
ৰোষে—হামাত ৰোষে বাগৰ গাৱত লাগে মাটি (মা) ।
লই—বস্ত্ৰ উপৰে সিঞ্চে হাতে লই (মা.) ।
লইআ—ধূলা জাৰি কোলে লৈয়া মায়ে দিলা স্তন (মা.) ।
লাগি—গোবিন্দ গুণ মন লাগি (শ.) ।
লেহু/লেহুৰে—ৰাম চৰণে লেহু সৰন (শ.) ।
লিলে—কৰত লিলা ৰস কেলি (দৈ.) ।
শাসন—শাসন নাশন কাৰণ আৱৰ তুমি বিনে নাহি কেৱ (মা.) ।
ষম / সম—জাহে ন সম কৈই (শ.) ।
ষষহৰ/সসহৰ—শশধৰ কোটি কান্তি ৰুচিৰানন (মা.) ।
ষহজে—সহজে অকৰ্ত্তা কৰ্ম কৰা অপৰ্য্যন্ত (মা.) ।
সঅল—মায়াময় সয়ল দুনিয়াই জানি ভৰম তেজি জাগু (মা:) ।
সঙ্কা—গুৰু ঘন ঘন ঘোষ ঘৰিসন গৰ্জ্জন শ্ৰৱনে জনময় সঙ্কা (শ.) ।
সন্তাপে—নৰহে সন্তাপে প্ৰাণ দেখ্ অন্ধিয়াৰি (শ.) ।
সংসাৰ—সংসাৰ তৰিতে লাগে, নাৱ পচে ঘাটে (মা.) ।
সঙ্গ—সজ্জন জনেৰ সঙ্গ লেহু অগিয়ান (মা.) ।
সঙ্গে—গোপ শিশু সঙ্গে চলে (শ.) ।
সন্ধানে—ঘনে ঘনে কৰতু সন্ধান (মা.) ।
সন্ধি—নাহি নাহি দেখো পলাইতে সন্ধি (মা.) ।
সব—মাতু পিতু পতনি জনয় সব মৰনা (শ.) ।
সম—যতয়ে অনিত নিত সম ভাষত (মা.) ।
সমানা—নাহি নাহি নাম সমানা (শ.) ।
সৰবৰ—সৰোবৰ মাজে গজেন্দ্ৰ পৰিছে গ্ৰাহে আছে তাক ধৰি (শ.) ।
সৰ্ব্ব—যিটো জগতৰ অন্তৰ্য্যামী সৰ্ব্ব সাখী (মা.) ।

সসি মণ্ডল—শিৰে শশীমণ্ডল ছত্ৰ সুনিৰ্ম্মল (মা.)।
সামী—গোবিন্দ দীন দয়াশীল স্বামী (মা.)।
সাসু—শাসু নাই শহুৰ নাই ননন্দ নাই ঘৰে (মা)।
সিখৰ—প্ৰফুল্লিত যৈচে নীলগিৰি শিখৰ (মা.)।
সুখ/সুখে—বচনে বুলি ৰাম ধৰম অৰথ কাম মুকুতি সুখ সুখে পায় (শ.)
সুন—এ উদ্ধৱ সুন গোপীনিক দুখ (শ.)।
সুনি—তাহেঁৰ দুখ সুনি চুটে মেৰি প্ৰাণ (শ.)।
সুন্দাৰী—প্ৰানে কি জিয়য় মোৰ গুনেৰ সুন্দৰি (শ.)।
সে—কহে হৰি সে পৰম গতি (মা.)।
সেস—সেস সয়ন সিৱ, কেসি নাসন, পীতবসন অবিনাসি (শ.)।
সো—দেখো সো পুন্ন আপুন ঠাম (শ.)।
সোই—সোই সোই ঠাকুৰ মোই জো হৰি পৰকাসা (শ.)।
সোণ—খেলাইতে ঝলমল কৰে সোণাৰ তাৰ খাৰু (মা.)।
হই/হোই—সব বাটোৱাৰি সুহৃদ নাম হোই (মা.)।
হৰি—সোহি পণ্ডিত সোহি মণ্ডিত যো হৰি গুণ গায়ী (শ.)।
হৰিণা—তাতে হামু হৰিণা বেড়াই (শ.)।
হীএ—হৃদি হৃদি হিয়ে হিয়ে নয়নে নয়নে চিৰে (গো.)।
হু—তাকেৰি হু হামু দাসক দাসা (মা.)
হেৰ—মাই হেৰ, গোকুলচান্দ আৱে (মা.)।
হেৰি—হৰিক বয়ন হেৰি মাই (শ.)।
হেলে—বয়স গোৱাইলো হেলে তুৱা ভকতৰ মেলে (মা.)।

চৰ্য্যাগীতৰ শব্দৰ লগত বৰগীতৰ শব্দৰ যিখিনি সাদৃশ্য ওপৰত দেখুওৱা হৈছে সেইখিনিয়েই যথেষ্ট নহয়; কাৰণ পুৰণি অসমীয়াৰ শব্দ-ৰূপ সম্বলিত বৰগীতৰ পুথি এতিয়াও প্ৰকাশ পাবলৈ বাকী আছে। তথাপি প্ৰাপ্ত পুথিৰ পৰাই যথেষ্ট পৰিমাণৰ শব্দ-সাদৃশ্য দুয়োবিধ গীতত পৰিলক্ষিত হৈছে। এনেকুৱা ঘনিষ্ঠ শাব্দিক সাদৃশ্য বঙলা, উৰিয়া বা মৈথিলী ভাষাত পোৱা নাযায়।

নৱম অধ্যায়

চৰ্য্যাপদত হাস্যৰস

বিশেষ অৰ্থত 'ধৰ্ম' কথাষাৰৰ লগত 'ভক্তি' ভাৱটো ওতঃপ্ৰোত-ভাৱে জড়িত। কম-বেছি বা স্পষ্ট-অস্পষ্ট ৰূপত সকলো ধৰ্মতে ভক্তি ভাৱ তথা ভক্তিৰস থাকেই। বৌদ্ধ সহজযান ধৰ্মতো ভক্তি-ৰস আছে। এই ধৰ্মটো এটা গুহ্য ধৰ্ম. ইয়াৰ দীক্ষা-ব্যৱস্থা বাধ্যতামূলক, সেই হিচাপে ইয়াৰ সাধন-প্ৰক্ৰিয়াও কঠিন। এনে কঠিনতা ভৰা ধৰ্মৰ অন্তৰালত প্ৰৱাহিত ভক্তিৰসো গোপন-গম্ভীৰ।

চৰ্য্যাপদৰ অন্তৰ্নিহিত প্ৰধান ৰস হ'ল—ভক্তিৰস। সেই ভক্তি হ'ল নৈৰাত্ম-ভক্তি। সহজযান পন্থাৰ উপাস্য শক্তি নৈৰাত্মা দেৱীৰ প্ৰতি সাধকসকলৰ যি অনিৰ্বচনীয় ভক্তি সেয়ে নৈৰাত্ম-ভক্তি। চৰ্য্যাপদসমূহৰ ছত্ৰে ছত্ৰে সেই ভক্তি অনুস্যূত হৈ আছে। সহজীয়া সিদ্ধাচাৰ্য্য সকলেহে সেই গূঢ় ভক্তি হৃদয়ঙ্গম কৰিব পাৰে, অপন্থীয় লোকে তাৰ মহত্ব উপলব্ধি কৰিব নোৱাৰে। সাধকৰ দীক্ষা-গ্ৰহণ, যোগ সাধন আৰু নিৰ্বিকাৰ চিত্ত-ধাৰণৰ লগত সহজীয়া ধৰ্ম সম্পৃক্ত। গুৰু-ভক্তিৰ মাধ্যমতহে নৈৰাত্ম-ভক্তি সিদ্ধ হয়।

চৰ্য্যাপদৰ অন্তৰালত প্ৰৱাহিত ভক্তিৰস অন্তঃসলিলা ফল্গুৰ দৰে শান্ত সমাহিত। কিন্তু বাহিক ভাৱে চৰ্য্যাপদৰ পৰিমণ্ডলত শৃঙ্গাৰ ৰস, কৰুণ ৰস আৰু হাস্যৰসৰ পৰিবেশনো লক্ষ্য কৰা যায়। এই অধ্যায়ত চৰ্য্যাপদ বিশেষত হাস্যৰস কিদৰে ফুটি উঠিছে তাৰ আভাস দিবলৈ যত্ন কৰা হৈছে।

অসমীয়া লিখিত সাহিত্যত ব্যঙ্গৰস বা হাস্যৰস সম্পৰ্কে আলোচনা কৰোঁতে ৮ম-১২শ শতিকাত ৰচিত চৰ্য্যাপদত প্ৰকাশ পোৱা হাস্যৰসৰ বিষয়ে উল্লেখ কৰা প্ৰয়োজন। চৰ্য্যাপদৰ অন্তৰ্নিহিত দাৰ্শনিক তত্ব আৰু সাধন তত্ব সম্পৰ্কে জনাটো অতি জটিল কথা।

তথাপি সৰ্বসাধাৰণ পাঠকৰ দৃষ্টিত গীত আৰু কবিতা হিচাপেই সেইবোৰৰ এটা সাহিত্যিক মূল্য আছে। সাহিত্যিক মূল্যাঙ্কণৰ সন্দৰ্ভতেই চৰ্য্যাপদত উদ্ভাসিত হোৱা হাস্যৰস সম্পৰ্কে বিচাৰ কৰি চাব পাৰি। ভাষাৰ ঠাঁচ, শব্দ-প্ৰয়োগৰ চাতুৰ্য্য ৰূপক-উপমা বা সাঁথৰ-পটন্তৰৰ ব্যৱহাৰ, অৰ্থৰ বৈপৰীত্য আৰু চিত্ৰ-কল্পৰ পৰিবেশন আদি. কিছুমান গুণে কেতবোৰ চৰ্য্যাত ব্যঙ্গ বা হাস্যৰস সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে কুক্কুৰীপাদৰ ২ নং চৰ্য্যাটিলৈ আঙুলিয়াব পাৰি।

দুলি দুহি পিটা ধৰণ নজাই।
ৰুখেৰ তেন্তুলি কুম্ভীৰে খাঅ॥
* * * *
সুসুৰা নিদ গেল বহুড়ী জাগঅ।
কানেট চোৰে নিল কা গই মাগঅ॥

ইয়াত 'কাছক দোহন কৰোঁতে তাৰ গাখীৰেৰে পাত্ৰ নধৰা হৈছে' বোলা কথাষাৰ এটি সাঁথৰ স্বৰূপ। কাৰণ কাছ-মাছক গাই গৰুৰ দৰে কোনেও দুহুৱে, তাৰ গাখীৰ ওলোৱা দূৰৰ কথা। আনহাতে ওখ গছত লাগি থকা তেঁতেলি টেঙা দ পানীত থকা কুম্ভীৰে খাবলৈ কেতিয়াও গছত নুঠে। এনে কথা কবিতাত পঢ়িলে বা কোনোবাই শান্ত পৰিবেশত কোৱা শুনিলে হাঁহিৰ উদ্ৰেক হয়। পিছৰ শাৰী দুটাৰ অৰ্থ হল—'ৰাতি শহুৰ বুঢ়া টোপনি গ'ল, বোৱাৰী জাগি আছে। কাণৰ অলঙ্কাৰ চোৰে নিলে, এতিয়া বেচেৰী বোৱাৰীয়ে কাক গৈ খুজিব?' পৰিবেশ অনুযায়ী এনে কথাত স্বাভাৱিকতে হাঁহি উঠে।

এইটি চৰ্য্যাতেই ব্যক্তি-চৰিত্ৰৰ দৌৰ্ব্বল্যৰ প্ৰতি কটাক্ষপাত কৰি গীত ৰচকে ব্যঙ্গৰস সৃষ্টি কৰিছে। যেনে—

দিৱসই বহুড়ী কাড়ই ডৰে ভাঅ।
ৰাতি ভইলে কামৰু জাঅ॥

অৰ্থাৎ দিনৰ বেলা বোৱাৰীয়ে সংসাৰৰ কাৰ্য্যত ভয় পায়; কিন্তু ৰাতি

হলে তাই কামনা চৰিতাৰ্থ কৰিবলৈ কামৰূপলৈ যায়। এনেকুৱা ব্যঙ্গাত্মক ফকৰা অসমীয়া ভাষাতো লক্ষ্য কৰা যায়। যেনে—

স্বামীৰ কাষত মহাসতী।
চল পালে লোকত ৰতি॥
* * *
দিনত নোলায় লাজুক কইনা
বান্ধত পৰি মৰে।
ৰাতি ফুৰে মুক্ত মনে
লোকৰ ঘৰে ঘৰে॥

কাহ্নুপাদৰ এটি চৰ্য্যাত এক দুশ্চৰিত্ৰ বামুণৰ প্ৰতি তীব্ৰ ব্যঙ্গ প্ৰয়োগ কৰা হৈছে। সাধাৰণতে বামুণক স্বভাৱ-চৰিত্ৰত ভাল বুলি ভবা হয়; অথচ কোনো কোনো বামুণ চৰিত্ৰত তেনেই অধম। ইবিলাকে সমাজক ভুৱা দি মনে মনে কিছুমান দুশ্চাৰিত্ৰিক কাৰ্য্যও কৰে। কাহ্নুপাদে কৈছে:—

নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ।
ছই ছোই জাই সো বাহ্ম নাড়িআ॥

অৰ্থাৎ নগৰৰ বাহিৰত অৱস্থিত কুটিৰত ডোম-সুন্দৰী থাকে, তাই অস্পৃশ্য। কিন্তু ব্ৰহ্মচাৰী বামুণবিলাকে তাইক নিসংকোচে ছুই ছুই যায়। বামুণবোৰ তাইৰ যৌৱন-উচ্ছলতাত চঞ্চল; কিন্তু তাইক সম্পূৰ্ণভাৱে লাভ কৰিবলৈ অক্ষম।

কৃষ্ণ (বজ্ৰ)-পাদে লিখা ভৈৰবী ৰাগৰ চৰ্য্যা গীতটিৰ মাজেৰে এক শ্ৰেণীৰ কামাসক্ত লোকক ব্যঙ্গ-বিদ্ৰূপ কৰিছে এইদৰে—

ডোম্বীএৰ সঙ্গে জো জোই ৰত্তো।
খণহ নছাড়অ সহজ-উন্মত্তো॥

অৰ্থাৎ ডোম-যুৱতীৰ লগত যি যোগী অনুৰক্ত, তেওঁ ক্ষন্তেকৰ বাবেও সেই সহজসভ্য উন্মত্ত ভাব ত্যাগ নকৰে। আমাৰ এটা লৌকিক বিশ্বাস আছে যে এবাৰ স্খলিত হোৱা লোকে পিছৰ স্খলন কাৰ্য্যৰ প্ৰতি সহজ হৈ পৰে আৰু সতকাই সৎপথলৈ ঘূৰি যোৱাৰ কথা

তেওঁ চিন্তা নকৰে। উক্ত চৰ্য্যাফাঁকিৰ লেখিয়া অসমীয়া ভাষাতো ফকৰা এটি আছে—

ৰাতি দিন যাগীজন নিৰ্ব্বাণত মতি।
ক্ষন্তেক নাচাৰে তেওঁ ডুমুনীত ৰতি॥

সৰহপাদে সহজ সাধনাৰ পথ ত্যাগ কৰি তীৰ্থ ভ্ৰমণ বা মন্ত্ৰ পাঠৰ দ্বাৰা সিদ্ধিলাভ কৰিব খোজা সকলৰ প্ৰতি ব্যঙ্গ ভাৱত কৈছে :—

উজু ৰে উজু ছাড়ি মা লেহুৰে বঙ্ক।
নিঅড়হি বোহি মা জাহুৰে লাঙ্ক॥
হাথে ৰে কাঙ্কাণ মা লোউ দাপণ।
অপণে অপা বুঝতু নিঅমণ॥

অৰ্থাৎ পোন পথ এৰি বেকা পথ নলবা ; ওচৰতেই বোধি আছে, লঙ্কালৈ নাযাবা, হাতত কঙ্কণ থাকোঁতে দাপোণ নলবা, নিজেই নিজৰ আত্মাক বুজি লোৱা। এই কথাত ভক্তৰ প্ৰতি কবিৰ মৃদু বাঙ্গতা ফুটি উঠিছে।

ঢেণ্ঢণপাদৰ চৰ্য্যাটিত হাস্য আৰু ব্যঙ্গৰস প্ৰকাশ পাইছে। যেনে—

টালত মোৰ ঘৰ নাহি পড়বেশী।
হাড়ীত ভাত নাঁহি নিতি আৱেশী।
বেগ সংসাৰ বড়হিল জাঅ।
দুহিল দুধু কি বেণ্টে যামাঅ॥
বলদ বিআএল গবিআ বাঝেঁ।
পিটা দুহিএ এ তিনা সাঁঝো॥
জো সো বুধী সোধ নিবুধী।
জো যো চৌৰ সোই ষাধী॥
নিতে নিতে ষিআলা ষিহে ষম জুঝঅ।
ঢেণ্ঢণপাএৰ গীত বিৰলেঁ বুঝঅ॥

অৰ্থাৎ টিলাৰ ওপৰত মোৰ ঘৰ ; তাত থাকোতা কোনো নাই। হাড়ীত ভাত নাই, অথচ নিতৌ অতিথিৰ আগমন। বেগৱতী সংসাৰখন ক্ৰমাৎ বাঢ়ি গৈ আছে। দুই লোৱা গাখীৰ

জানো পুনৰ সেই ঝাটেৰে সোমায়? বলধে প্রসব কৰে; গাই গৰু বাজী। মই তিনি সন্ধ্যা পিঠিকে দোহন কৰোঁ। যিজন বুদ্ধিমান তেওঁ ইয়াত নির্বোধ; আকৌ যিজন চোৰ, তেৱেঁই সাধু পুৰুষ। এই ৰাজ্যত নিতৌ শিয়ালে সিংহৰ লগত যুঁজ কৰে।

এই কবিতাটিৰ আভ্যন্তৰীণ তত্ত্ব খুব কমেইহে বুজি পাব। ই এটি সাঁথৰৰ নিচিনা। তেনেই বিপৰীত ধৰ্মী কথাবোৰৰ দ্বাৰা ইয়াৰ মৰ্মাৰ্থ প্ৰকাশ কৰা হৈছে, ফলত বাহ্যিকভাৱে হাস্য আৰু ব্যঙ্গৰস ফুটি ওলাইছে।

অসমীয়া ভাষাত উল্টা-পুৰাণৰ গীত বুলি এক শ্ৰেণীৰ গীত আছে। সেই গীতবোৰ কবীৰা বা ফকিৰা নাইবা মাধৱদেৱৰ নামত চলোৱা হৈছে। সেইবোৰৰ কথাবিলাক সাধাৰণ দৃষ্টিত উল্টা বিধৰ, শুনিলে বা পঢ়িলে হাঁহি উঠে; কিন্তু তাৰ অন্তৰালতো তত্ত্ব-কথা আছে। তেনে গীতৰ এটি উদাহৰণ তলত দিয়া হ'ল—

হাঁহে নিলা শিয়াল খেদি কুকুৰে পাৰে ডিমা।
নলৰ তলৰ কাইমে আহি পাতি দিলা সীমা॥
ৰৌ মাছে ডিমা পাৰে কলৰে আগত।
চিলাইনো কি খাই জীয়ে এনুৱা দিনত॥
কুকুৰে বিয়া কৰায় বাঘৰে জীযাৰী।
দেখিয়া ভালুকে গৈলা ঘৰবাৰী এৰি॥
বিহ খাই বহি থাকে গাখীৰ খাই মৰে।
ঘৰত জুই লাগে দি বহি মেল কৰে॥
আগে কাণা পাচে খৰা মাজে কাণীবাই।
তাৰ মাজে নাক-কাটী বাই চকু মুদি খায়॥
শাল-শিঙী দুয়োজন ভৈলাহা ভকত।
কুঁচিয়া আতৈ আহি বহিল লগত॥
কহয় মাধৱদাসে এহি বাৰে বাৰ।
গুৰুৰ চৰণ বিনে গতি নাই আৰ॥

এই নিচিনা উল্টা-পুৰাণৰ গীতৰ এটা অংশ তলত তুলি দিলোঁ।

গীতটো কবীৰাৰ নামত চলি আহিছে। যেনে—

বাঘৰে ছাগৰে হালখানি জুৰিলুঁ
কাণশালা সাপৰে ল'ক।
ভালুক বাপুৰাই আলিৰ পাহ কাটে ঐ
বান্দৰে চাবে ঐ গৰু॥
মাখিৰ মুৰা কাটি জয়-ঢোল সাজিলুঁ
ভেকুলীৰ ছালেৰে সিউ।
চিনা-জুক আনিগে ডনডাল টানিলুঁ
ফৰিঙৰ ঠেঙেৰে বাউ॥
শালিখা চৰায়ে গীতাখানি পঢে
বান্দাৰে পঢ়ে ঐ বেদ।
বৰ বৰ পণ্ডিতে টলকি থাকিলে
কথাৰে নপাইলে ভেদ॥
সাগৰৰ মাজতে ঘঁৰাৰ খটে-খটি
নগৰৰ মাজতে নাৱঁ।
ই গীত ৰচিছে কবীৰা ফকিৰাই
কি বুইজ্‌বা ভকতিৰ ভাৱ॥ ইত্যাদি

কবীৰাৰ গীতটিৰ প্ৰকাশ-ভংগী হাস্যৰসিক ; কিন্তু ইয়াৰ অন্তৰ্নিহিত কথাখিনি আধ্যাত্মিক। চৰ্য্যাগীতৰ দৰে ইও এটি ৰূপক ধৰ্মী গীত।

ঢেণ্টণপাদে ৪০নং চৰ্য্যাত হাস্যৰস সৃষ্টি কৰিছে এইদৰে—

জে তই বোলী তেত বিটাল।
গুৰু বোব সে সীস কাল॥

অৰ্থাৎ যিমানেই কোৱা নহওঁক কিয় সিমানেই সেইবোৰ অসাৰ অসংলগ্ন। গুৰুজন বোবা আৰু শিষ্যজন কলা। অথচ এইয়ে তাৰ সাৰতত্ত্ব। ইয়াত বোবা গুৰুৱে কাণেৰে নুশুনা শিষ্যক ধৰ্ম-জ্ঞান দিয়া কথাটো অপাতদৃষ্টিত হাঁহি উঠা কথা। গুৰু-শিষ্যৰ কাল্পনিক দৃশ্যটো মনত পৰিলে হাঁহি উঠি যায়। চৰ্য্যাপদৰ প্ৰভাৱৰ ফলতেই সম্ভৱ অসমীয়া ভাষাত এটি প্ৰবচন চলি আহিছে, বোলে—

কলাৰ আগত বোবাই কয়।
কলাই বোলে হয় হয়॥

৬নং চৰ্য্যাত বিকৰাপাই অঙ্কণ কৰা শুড়ী তিৰোতাৰ মদৰ দোকান, মদপীৰ নিশব্দ আগমন, সিবিলাকৰ মদৰ ঘাটিত আসন গ্ৰহণ আদি কাল্পনিক দৃশ্যই পাঠকৰ মনত আপোনা-আপুনি হাঁহি বিৰিঙায়।

আমাৰ সমাজত তন্ত্ৰ-মন্ত্ৰ, যাগ-যজ্ঞ আৰু নানা পন্থাত বিশ্বাসী অস্থিৰ চিত্তৰ লোকৰ অভাৱ নাই। তেনে লোকক ব্যঙ্গ-বিদ্ৰূপ কৰিছে দাৰিকপাদে এইদৰে—

কিন্তো মন্তে কিন্তো তন্তেঁ কিন্তোৰে ঝাণ বখানে।
অপইঠান মহাসুহলীলেঁ দুলকৃখ পৰম নিবাণেঁ॥

অৰ্থাৎ কি মন্ত্ৰ, কি তন্ত্ৰ, কি ধ্যান-ব্যাখ্যা—এইবোৰৰ দ্বাৰা কি লাভ হব? অপ্ৰতিষ্ঠিত মহাসুখত বিলীন হলেও নিৰ্বাণ লাভ নহয়।

ভুসুকুপাদৰ ৪৯নং চৰ্য্যাটিৰ দুটা শাৰীত ব্যঙ্গৰস প্ৰকট হৈ পৰিছে, যেনে—

আজি ভুসুকু বঙ্গালী ভইলী।
ণিঅ ঘৰিণী চণ্ডালে লেলী॥

অৰ্থাৎ লগৰ এজনে ভুসুকুক বিদ্ৰূপ কৰি কৈছে যে 'আজি ভুসুকু তই বিদেশী হ'লি, নিজৰ ঘৈণীয়েৰক চণ্ডালত বেচিলি।' নিজৰ ঘৈণীয়েকক ৰক্ষা কৰিব নোৱাৰা কাপুৰুষ গিৰিয়েকৰ প্ৰতি এনে তীক্ষ্ণ বিদ্ৰূপ-বাণ নিক্ষেপ কৰা ঘটনা আমাৰ সমাজত আজি-কালিও চলি আছে।

এইদৰে বিচাৰ কৰিলে আন চৰ্য্যাপদতো কম-বেছি পৰিমাণে হাস্য-ব্যঙ্গৰস অনুস্যূত হৈ থকা দেখা যায়। আচলতে গীতবোৰ ৰূপক ধৰ্মী বা সাংকেতিক ভাষা-ব্যঞ্জিত হোৱা কাৰণেই প্ৰসঙ্গক্ৰমে হাস্যৰস প্ৰকাশ পাইছে। বিষয়-বস্তুৰ বাস্তৱ ধৰ্মীতা, ভাৱ-বস্তুৰ ৰহস্যময়তা, প্ৰকাশ-ভঙ্গীৰ চাতুৰ্য্য আৰু শব্দৰ দ্বৈৰ্থকতাই সামগ্ৰিকভাৱে হাস্যৰসৰ সৃষ্টিত ইন্ধন যোগাইছে।

চৰ্য্যাপদ কালীন যুগৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমীয়া সাহিত্যত হাস্যৰসৰ ধাৰা প্ৰবাহিত হৈ আহিছে। চৰ্য্যাগীতবোৰত নিহিত হৈ থকাৰ দৰে মাধৱদেৱৰ বৰগীতভো দ্বিমুখীয়া সাহিত্যিক বৈচিত্ৰ্য নিহিত হৈ আছে : বৰগীতৰ আভ্যন্তৰীণ ভাগত জিলিকি আছে পৰম পুৰুষ ভগৱান-কৃষ্ণ আৰু বাহ্যিক ভাগত উজ্বলি উঠিছে মানৱ ৰূপী শিশু-কৃষ্ণ; গীতৰ অন্তৰালত আছে ভগৱৎ ভক্তিৰস আৰু ওপৰে ওপৰে প্ৰবাহিত হৈ আছে বিমল হাস্যৰস। সেইদৰে চৰ্য্যাগীতৰ অন্তৰালতো নিহিত আছে সহজযানী ধৰ্মৰ গভীৰ দাৰ্শনিক তত্ত্ব, আৰু কবিতাৰ বাণী-ভঙ্গীত প্ৰতিভাত হৈছে বিমল হাস্যৰস আৰু তীব্ৰ ব্যঙ্গৰস। এইয়া চৰ্য্যাকাৰ সকলৰেই সাহিত্যিক কৃতিত্ব।

দশম অধ্যায়

চৰ্য্যাপদৰ ছন্দ

প্ৰাণ-গঙ্গাৰ সোঁতে সোঁতে ধ্বনিৰ লহৰ উঠে। সেই ধ্বনিৰ সমবায়ত আৰু বৈচিত্ৰ্যৰ সমাবেশত ছন্দৰ জন্ম হয়। ধ্বনিৰ ঐক্যই ছন্দৰ প্ৰাণ মুঞ্জৰি তোলে, আৰু বৈচিত্ৰ্যৰ ঐতিহ্যই ৰূপৰ আৱিয়া জিলিকাই ধৰে। চৌৰতে কবলৈ হলে পদ-লালিত্যৰ ফলত ওপজা সৌন্দৰ্য্যই ছন্দ। ই হৃৎস্পন্দনৰ ব্যঞ্জনা মাথোন। ধ্বনিৰ ঐক্য আৰু বৈচিত্ৰ্যৰ সৌষম্যই ছন্দৰ মানদণ্ড নিৰ্ণয় কৰে।

চৰ্য্যাপদৰ ছন্দৰ ঐতিহাসিক মূল বিচাৰি গ'লে বৈদিক ছন্দৰ মন্দিৰত প্ৰৱেশ কৰিব লগীয়া হয়। ত্ৰিষ্টুভ, গায়ত্ৰী, জগতী, অনুষ্টুভ আৰু বিৰাজ আদি ছন্দেৰে সেই মন্দিৰ নিৰ্মিত। কিন্তু উল্লেখ-যোগ্য কথা যে সংস্কৃত অনুষ্টুভ ছন্দৰ খিৰিকীৰে চৰ্য্যাপদৰ মজিয়াত ভিন্ ভিন্ ছন্দৰ ৰেঙণি প্ৰতিভাত হৈছে। আকৌ অলপ আগ-বাঢ়ি কব পাৰি যে চৰ্য্যাপদৰ পৰবৰ্ত্তী কাব্য-সাহিত্যত অনুষ্টুভ ছন্দৰ স্পন্দন অনুৰণিত হৈ আছে।

অনুষ্টুভ ছন্দৰ বৈশিষ্ট্য হ'ল ইয়াত চাৰিটা পাদ বা চৰণ থাকে। প্ৰতি চৰণত আঠোটাকৈ অক্ষৰ (syllable), আৰু চতুৰ্থ অক্ষৰৰ পাছত যতি পৰে। ই লঘু-গুৰু স্বৰৰ সুবিন্যস্ত ধ্বনি-স্পন্দনৰ ওপৰত নিৰ্ভৰশীল। এই ধ্বনি-স্পন্দন তিনিটা ; সেইয়া হৈছে সমবৃত্ত, অৰ্দ্ধসমবৃত্ত আৰু বিষমবৃত্ত। অনুষ্টুভ ছন্দ সমবৃত্তৰ অন্তৰ্ভুক্ত। গঙ্গাদাসে অনুষ্টুভৰ সংজ্ঞা এইদৰে দিছে—

পঞ্চমং লঘু সৰ্ব্বত্ৰ সপ্তমং দ্বিচতুৰ্থয়োঃ।
গুৰু ষষ্ঠঞ্চ জানীয়াৎ শেষেষ্বনিয়মো মতঃ॥

অৰ্থাৎ প্ৰত্যেক পাদৰ পঞ্চম অক্ষৰ লঘু আৰু ষষ্ঠ অক্ষৰ গুৰু; দ্বিতীয়-চতুৰ্থ পাদৰ সপ্তম অক্ষৰো লঘু হব লাগে। আৰু বাকী

নিয়ম সম্পৰ্কে নিজৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰসঙ্গক্ৰমে কব পাৰি যে বৈদিক ছন্দ অক্ষৰ-বৃত্তহে আছিল মাত্ৰাবৃত্ত নহয়।

মাত্ৰাবৃত্ত ছন্দৰ লক্ষণ পৰিদৃষ্ট হয় অপভ্ৰংশ ছন্দত। ইয়াৰ মূল কথা হ'ল যুগ্ম-অযুগ্ম ধ্বনিৰ মাত্ৰা সংস্থাপন কৰা। সাধাৰণতে যুক্ত বঞ্জন (conjunct consonant) বা যুগ্ম ধ্বনিত (compound sound) দুই মাত্ৰা, আৰু অযুক্ত ব্যঞ্জন বা অযুগ্ম ধ্বনিত এক মাত্ৰা ধৰা হয়। যেনে—

পঞ্চ শৰে / দগ্ধ কৰে / কৰে ছো
এ কি / সন্ন্যাসী (ৰবি ঠাকুৰ)

মাত্ৰাবৃত্ত ছন্দৰ প্ৰসঙ্গত প্ৰত্নৰীতিৰ আলোচনা অপৰিহাৰ্য্য। এই ৰীতিত মৌলিক স্বৰান্ত অযুগ্ম ধ্বনিসমূহৰ দীৰ্ঘ বৰ্ণ কেইটাকো সংস্কৃতৰ আৰ্হিত গুৰু অক্ষৰ হিচাপে লোৱা হয়। যুক্ত ব্যঞ্জন (conjunct consonant) আৰু যৌগিক স্বৰ (diphthong) সমূহ, যেনে—আ, ঈ, ঊ, এ আৰু ও-ক দুই মাত্ৰাৰ বুলি ধৰা হয়। বিদ্যাপতিৰ ৰচনাত প্ৰত্নমাত্ৰা বৃত্তৰ সংস্থাপন দেখা যায়; যেনে—

হাথক দৰপণ / মাথক ফুল।
নয়নক অনজন / মুখক তাম্বুল॥

জয়দেৱৰ গীত-গোবিন্দ আৰু অপভ্ৰংশ কবিতাতো এই প্ৰত্নমাত্ৰা বৃত্তৰ পৰিচয় আছে। উদাহৰণ—

সমোহকন্তা / দূৰ দিগন্তা
পাউস আএ / চেউ চলাএ

আমাৰ আলোচ্য চৰ্য্যাগীতৰ ছন্দ-সজ্জাত মাত্ৰাবৃত্ত তথা প্ৰত্নমাত্ৰা বৃত্ত ছন্দৰ সংস্থাপন পৰিদৃষ্ট হয়। উদাহৰণ—

কাআ তৰুবৰ / পঞ্চবিডাল—।
চঞ্চল চীএ / পইঠো কাল—॥

প্ৰসঙ্গোচিত কথা যে মাত্ৰাবৃত্ত ছন্দত মৌনমাত্ৰা আৰু অন্ত্যস্পন্দ ৰীতিও সংস্থাপিত হোৱা দেখা যায়। সেয়েহে ওপৰৰ চৰ্য্যাটিত

অক্ষৰ দৃশ্যতঃ নাথাকিলেও তাত মৌনমাত্ৰা অনুভূত হয়। আন এটি উদাহৰণ—

অ ন্ধে ণ জা ন হুঁ / অ চি ন্ত জো ই— ।
জা ম ম ৰ ণ ভ ৱ / ক ই স ণ হো ই— ॥

ওপৰত উল্লিখিত অপভ্ৰংশ ছন্দৰ আলোচনাত ডঃ সুকুমাৰ সেনে কৈছে যে গাহা (গাথা) আৰু দোহা ছন্দত বাহিৰে প্ৰায় সকলো অপভ্ৰংশ ছন্দই চতুষ্পদী, প্ৰথম-দ্বিতীয় আৰু তৃতীয়-চতুৰ্থী পাদত মিল, অৰ্থাৎ দুই দ্বিপদাৰ সমষ্টি। অপভ্ৰংশ ছন্দত মাত্ৰাৰ সংখ্যা পাদ বিশেষে ১১, ১২, ১৩, ১৪, ১৫, ইত্যাদি পোৱা যায়। সেইবোৰক ক্ৰমে দোহা, জগতী, অতিজগতী, শক্কৰী, অতিশক্কৰী বুলি জনা যায়। ষোল মাত্ৰাৰ ছন্দক পাদাকুলক ছন্দ বোলা হয়। ই সমমাত্ৰিক ছন্দ। সংগীতৰ ক্ষেত্ৰত ইয়াৰ যথাযোগ্য প্ৰয়োগ হয় বুলি ছান্দসিক সঙ্গীতজ্ঞসকলে কয়।

অৰ্বাচীন অপভ্ৰংশত বহুল ব্যৱহৃত ছন্দ হৈছে 'চউপঈ', আৰু নামান্তৰে সেয়ে 'চতুষ্পদী' ছন্দ। ই বৈদিক ছন্দ অনুষ্টুভৰ প্ৰভাৱিত উদ্ভাৱনা মাথোন। চৰ্য্যাগীতবোৰ এই চতুষ্পদী ছন্দতে লিখা হৈছে। চতুষ্পদী অতিশক্কৰী পোন্ধৰ মাত্ৰাৰ ছন্দ। ডঃ সেনে ইয়াৰ এক মাত্ৰা-ধ্বনি 'যতি'ত মিল হৈ চৈধ্য অক্ষৰৰ 'পয়াৰ' ছন্দৰ উৎপত্তি হোৱা বুলি কৈছে। পয়াৰ ছন্দৰ চানেকি প্ৰাকৃত পদ্যতো পোৱা যায়, যেনে—

পৰিধুণমাণো কিৰণপদং
অভিৰুহমাণো উদয়গিৰিং
উডুগণ বন্ধু তিমিৰ ভৰে
উদয়দি চন্দো গগণতলে (ভৰত নাট্যশাস্ত্ৰ)।

সংস্কৃত তথা অপভ্ৰংশ পাদাকুলক ছন্দ হৈছে সমমাত্ৰিক ছন্দ; বিশেষকৈ গান-ৰচনাৰ ক্ষেত্ৰত ইয়াৰ ঝঙ্কাৰ ব্যঞ্জিত হোৱা দেখা যায়। মহাৰাষ্ট্ৰী প্ৰাকৃতৰ গীতি-সাহিত্যত এনে ছন্দ-স্পন্দন মুঞ্জৰি আছে। কিঞ্চিৎ বাহুল্য হলেও কৈ থব পাৰি যে স্বৰবৰ্ণৰ স্বভাৱ-

বহুল প্ৰয়োগেই মহাৰাষ্ট্ৰী প্ৰাকৃতক গীতিধৰ্ম্মিতা আনি দিছে। চৰ্যাপদসমূহো ঘাইকৈ গীতহে। পটমঞ্জৰী, বৰাড়ী, মল্লাৰী, মালশী, কামোদ আদি বিভিন্ন ৰাগৰ নিৰ্দ্দেশনেই ইয়াৰ গীতি বৈশিষ্ট্য প্ৰমাণ কৰে। গতিকে পাদাকুলক ছন্দৰ মূৰ্চ্ছনা চৰ্য্যাগীতত দূৰলক্ষ্যণীয় নহয়।

প্ৰকৃত পয়াৰ বুলিলে চৈধ্য অক্ষৰৰ পয়াৰৰ কথাহে আমাৰ মনলৈ আহে। চৰ্য্যাপদত ইয়াৰ সংস্থাপন পোৱা যায়। যেনে :—

নিতে নিতে ষিআলা / ষিহে ষম জুঝঅ।
ঢেণ্টণ পাএৰ গীত / বিৰলেঁ বুঝঅ॥

পয়াৰৰ ৰূপ-কল্প অপূৰ্ণপৰ্ব্বিক। মাত্ৰা-সঙ্কেত ৮+৬। ইয়াঁকি দুশাৰীত লিখা হয়। অষ্টক (octavo) আৰু ষষ্টকৰ (sestette) পাছত যতি পৰে। বিভিন্ন প্ৰকাৰৰ স্তবক এই ছন্দ-সজ্জাৰ বৈশিষ্ট্য।

উদাহৰণ : নগৰ বাহিৰি ৰে ডোম্বি / তোহোৰি কুড়িআ।
ছই ছোই যাই সো / বাহ্ম নাড়িআ॥

* * *

তইলা বাড়িৰ পাসেঁৰ / জোহ্না বাড়ী উএলা।
ফিটেলি অন্ধাৰি ৰে / অকাশ ফুলিআ॥

চৰ্য্যাপদবোৰত এফালে যি দৰে দাৰ্শনিক তত্ত্ব আছে আনফালে সেইদৰে গীতৰ সুৰ আৰু ছন্দৰ ঝঙ্কাৰো মুঞ্জৰি আছে। ভাবৰ প্ৰভাৱত সুৰৰ লহৰে ঢৌ খেলা কাৰণেই সম্ভৱ ছন্দৰ সীমনা ৰক্ষিত হোৱা নাই; আৰু সেই কাৰণেই অকল পয়াৰ ছন্দেৰে মণ্ডিত বুলি চৰ্য্যাসমূহক মোখনি মাৰিব নোৱাৰি।

এইবোৰ হৈছে ছন্দোৱদ্ধ নাতি দীৰ্ঘ ৰচনাৰ সম্ভাৰ। সকলো ক্ষেত্ৰতে ইয়াৰ অক্ষৰ-সমতা ৰক্ষিত হোৱা নাই; কিন্তু এটা কথা লক্ষ্য কৰিব লগীয়া এই যে সকলো চৰ্য্যাপদ মিত্ৰাক্ষৰ ৰীতিত মাত্ৰাবৃত্ত ছন্দত ৰচিত হৈছে।

অনুষ্টুভ, পাদাকুলক আৰু পয়াৰ ছন্দৰ বাহিৰেও সংস্কৃত জাতি-ছন্দৰ প্ৰতিধ্বনি চৰ্য্যাগীতত অনুৰণিত হৈ আছে। এই ছন্দ-ৰীতিত

প্ৰত্যেক পাদৰেই দৈৰ্ঘ্য সুনিয়ন্ত্ৰিত আৰু ধ্বনি অথবা অক্ষৰবো মাত্ৰা-নিৰ্দ্দেশন সুপৰিমিত ৰূপত বিন্যস্ত। তাৰ উদাহৰণ চৰ্য্যাগীতৰ আলমত এইদৰে দেখুৱাব পাৰি: –

২ ২ ২ ২ ২ ১ ১ ১ ১ ১১১ ১১২ ২ ২
উঞ্চা উঞ্চা / পাবত তঁহি / বসই সবৰী / বালী।

২ ২ ১ ২ ১ ১ ১ ১ ১ ১ ১ ২ ১ ১ ১ ২ ১ ২ ২ ২
মোৰঙ্গি পীচ্ছ / পৰহিণ সবৰী / গিবত গুঞ্জৰী / মালী॥

ইয়াতে এটা কথা মন কৰিব লগীয়া যে সংস্কৃতৰ জাতিছন্দ হুবহু অনুসৰণ নকৰি আচাৰ্য্যসকলে মাত্ৰাবৃত্ত ছন্দতেই চৰ্য্যাপদবোৰ ৰচনা কৰিছিল।

চৰ্য্যাপদৰ ৰূপ-সজ্জাত যদিও পয়াৰ ছন্দৰে প্ৰাদুৰ্ভাব পৰিস্ফুট হৈছে, তথাপি পৰবৰ্ত্তী সাহিত্যালঙ্কাৰৰ ক্ষেত্ৰত প্ৰচলিত বিভিন্ন ছন্দৰ উঁহ চৰ্য্যাপদত অনুস্যূত হৈ আছে। উদাহৰণ স্বৰূপে ওপৰত উল্লেখিত ২৮ নং চৰ্য্যাপদ ভুঁকাকি ত্ৰিপদী-ছুলড়ী ছন্দতো সজাব পাৰি; যেনে—

উঞ্চা উঞ্চা পাবত তঁহি
বসই সবৰী বালী।
মোৰঙ্গি পীচ্ছ পৰহিণ সবৰী
গিবত গুঞ্জৰী মালী॥

চৰ্য্যাপদৰ ছন্দ বিশ্লেষণ কৰিলে বুজা যায় যে ই (চৰ্য্যাপদ) পৰবৰ্ত্তী অসমীয়া ছন্দমালাৰ সূতিকা-ঘৰ। পুৰণি অসমীয়া কাব্য সাহিত্যত উৎপন্ন হোৱা পয়াৰ, ছবি, ছুলড়ী, তোটয়, ভটিমা, ঝুনা বা একাৱলী, ঘোষাছন্দ, নামছন্দ, শৰণছন্দ আদি বিবিধ ছন্দ ৮ম-১২শ শতিকাৰ উদ্ভাৱিত 'চৰ্য্যা-ছন্দ'ৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱৰ ফল মাথোন। উদাহৰণ স্বৰূপে আমি সেই সুদূৰ ত্ৰয়োদশ শতিকাত ৰচিত হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ পৰা উদ্ধৃকিয়াব পাৰোঁ। যেনে—

হিৰণ্য কশিপু বোলে, সুনৰে বৰ্ব্বৰ।
পুনঃপি নিন্দিলোহোঁ / তোহোৰ উত্তৰ॥

এইয়া এক বিশুদ্ধ পয়াৰ ছন্দৰ উদাহৰণ। আলোচনাক্ৰমে কব পাৰি যে পূৰ্ববৰ্ত্তী ভাষাৰ বৈশিষ্ট্যই পৰবৰ্ত্তী ভাষাৰ ওপৰত যিদৰে স্বাভাৱিকতে প্ৰভাৱ বিস্তাৰ কৰে, সেইদৰে চৰ্য্যা-ছন্দইও পৰবৰ্ত্তী সংশ্লিষ্ট ভাষা-ছন্দৰ ওপৰত প্ৰভাৱ বিৰাজ কৰিছে।

. চৈধ্য অক্ষৰৰ পয়াৰৰ উপৰিও পুৰণি অসমীয়াত তেৰ অক্ষৰৰ হ্ৰস্ব পয়াৰৰ আৰু পোন্ধৰ-ষোল অক্ষৰৰ দীৰ্ঘ পয়াৰৰ প্ৰচলন আছিল। পোন্ধৰ অক্ষৰৰ ছন্দক দ্বিপৰ্বিক মালতী ছন্দ বোলা হৈছিল। ইয়াৰ মাত্ৰা-সংকেত ৮ + ৭। মাত্ৰা-ধ্বনিৰ বিচাৰ নকৰিলে চৰ্য্যাপদত মালতী ছন্দও বিৰাজমান। কিন্তু সেইয়া স্পষ্ট-প্ৰধান নহয়; আৰু সেই কাৰণেই ইয়াৰ পৰিণতি স্বৰূপে পয়াৰ ছন্দই প্ৰসিদ্ধি লাভ কৰিছে।

উল্লেখযোগ্য কথা যে দহ, এঘাৰ, বাৰ, তেৰ আৰু চৈধ্য অক্ষৰ যুক্ত পংক্তিৰ সমবায়ত অধিকাংশ চৰ্য্যা ৰচিত হৈছে। পুৰণি অসমীয়াত তুশাৰীত বিন্যস্ত দহাক্ষৰিক ছন্দক ভটিমা ছন্দ বোলা হয়। ইয়াৰ শেষ অক্ষৰবোৰ মিলে; আৰু শেষ বৰ্ণ বা তাৰ আগৰ বৰ্ণ সদায় গুৰু হয়। আক্ষৰিক বৈশিষ্ট্যৰ হেতুকে ইয়াক হ্ৰস্ব ঝুনাও বুলিব পাৰি। উদাহৰণ—

পুত্ৰস্নেহে ʼস্ৰৱে দুয়ো স্তন।
আজোৰস্তে লৰে ঘনে ঘন॥ (কীৰ্ত্তন)।

ভটিমাৰ সমাক্ষৰীয় চৰ্য্যা—

জৰ্থা আইলেঁসি তথা জানা।
মাসঁ থাকী সঅল বিহূণ॥ (চৰ্য্যা-৪৪)।

অসমীয়া একাৱলী ছন্দৰ মাত্ৰা-সংকেত হৈছে ৬ + ৫। দুয়োটা চৰণৰ শেষ অক্ষৰ মিলে। প্ৰথম পাঁচটি বা ছয়টি অক্ষৰৰ পাছত যতি পৰে। যেনে—

হাসিয়া হাসিয়া / ৰাধিকা ৰাণী।
কৃষ্ণক বোলন্ত / মধুৰ বাণী॥ (হৰিবংশ)।

সমাক্ষৰীয় চৰ্য্যাৰ উদাহৰণ—

আলিএ কালিএঁ / বাট ৰুন্ধেলা।
তা দেখি কাহ্ন / বিমন ভইলা॥ (চৰ্য্যা-৭)

তোটয় বা তোটক ছন্দৰ বৈশিষ্ট্য হ'ল—ইয়াৰ চুটাকৈ শাৰী থাকে ; প্ৰতি শাৰীত বাৰটাকৈ অক্ষৰ থাকে। শেষৰ অক্ষৰ মিলে। বৈষ্ণৱ সাহিত্যৰ স্তুতি-গীতত ইয়াৰ প্ৰয়োগ বেছি। উদাহৰণ—

মধু দানব দাৰণ দেব বৰং।
বৰ বাৰিজ লোচন চক্ৰ ধৰং॥

সমতুল্য চৰ্য্যা—

মাৰিঅ শাসু নণন্দ ঘৰে সালী।
মাঅ মাৰিআ কাহ্ন ভইঅ কবালী॥ (চৰ্য্যা-১১)

*   *   *

জে সচৰাচৰ তিঅস ভমন্তি।
তে অজৰামৰ কিম্পি ন হোন্তি॥ (চৰ্য্যা-২২)

তেৰ অক্ষৰৰ হ্ৰস্ব পয়াৰৰ সাদৃশ্য থকা ছন্দ ৪৩, ৪৬ আদি ভুসুকুপাদ, জয়নন্দীপাদৰ চৰ্য্যাত পোৱা যায়। যেনে—

(১) সহজ মহাতৰু ফৰিঅএ তেলোএ।
খসমসভাবে ৰে বাণত কা কোএ॥

(২) নৌ দাঢ়ই নৌ তিমই নচ্ছিজই।
পেখ লোঅ মোহে বলি বলি বাজ্ঝই॥

এইদৰে বিচাৰ কৰিলে বুজা যায় যে বৈদিক ছন্দৰ উমনি লৈ গাহা, দোহা, চউপঈ আদি অপভ্ৰংশ ছন্দমালাৰ পৰিপুষ্টিৰে চৰ্য্যাগীতৰ ছন্দ গঢ়ি উঠিছে। বাহ্যিক ৰূপ-সজ্জাৰ হেৰ-ফেৰ চাই মাথোন ইয়াকে কব পাৰি যে পৰিবৰ্ত্তন আৰু ভাষা-সাহিত্যৰ বিকাশ সাধনৰ ফলত চৰ্য্যাপদৰ ছন্দই নিজস্ব ৰূপ বহন কৰিছে। সকলো প্ৰকাৰৰ নৱ ৰূপায়ণৰ মূলতে পৰিলক্ষিত হয় মৌলিকতা প্ৰকাশৰ প্ৰচেষ্টা। চৰ্য্যা-ছন্দ বা পৰৱৰ্ত্তীকালৰ ছন্দ-সজ্জাৰ ক্ষেত্ৰতো এই কথা খাটে।

পয়াৰ ছন্দৰ চৰ্য্যাপদসমূহে চনেট-কবিতালৈও মনত পেলাই দিয়ে।

কিয়নো দুই-এটা চৰ্য্যাত (১০নং আৰু ৫০নং চৰ্য্যা) ইয়াৰ লক্ষণ বিদ্যমান। সাধাৰণতে চৈধ্যটা অক্ষৰৰ চৈধ্যটা শাৰীত চনেট-কবিতা সুবিন্যস্ত হয়। সেইদৰে ইয়াৰ ভাব-বিন্যাসো সেই চৈধ্য শাৰীৰ ভিতৰতে পৰিসমাপ্ত হয়। কিন্তু পয়াৰ-কবিতাই এনেকুৱা বিশিষ্টতা বহন নকৰে। পয়াৰৰ প্ৰতি দুই চৰণত মিল থাকে, আৰু ইয়াত চৈধ্যটা শাৰী নাথাকিবও পাৰে। পয়াৰৰ দৰে প্ৰতি দুই চৰণৰ মিল চনেটত সাধাৰণতে নাথাকে; ইয়াৰ শেষ অক্ষৰৰ মিলন-ঠাঁচ একাধিক পন্থী। যি কি নহওক, চৰ্য্যাপদসমূহক ঠোৰতে চনেট বুলিব নোৱাৰি। কিন্তু চনেটৰ পূৰ্বাভাস যে ইয়াত লক্ষ্যণীয়, তাকো নুই কৰিব নোৱাৰি। চৰ্য্যাৰ প্ৰতি দুই চৰণৰ শেষ অক্ষৰ মিলে। কিন্তু গাণিতিক পদ্ধতিৰে হিচাব কৰিলে সকলো চৰ্য্যাতে আখৰ, অক্ষৰ বা মাত্ৰাৰ যথাযথ ঐক্য ৰখা দেখা নাযায়। কেতবোৰ চৰ্য্যাত ১০টা, কেতবোৰত ১৪টা, অথবা তাতকৈ কম-বেছি শাৰী আছে। অক্ষৰ বা মাত্ৰাৰ ক্ষেত্ৰতো তেনে গৰমিল পৰিদৃষ্ট হয়। যথাসম্ভৱ সংক্ষেপে ভাৱ প্ৰকাশৰ আতিশয্য গুণেই চৰ্য্যাবোৰত অক্ষৰ সমতা আৰু মাত্ৰা-ঐক্যৰ ত্ৰুটি ঘটিছে; আৰু এইটি কাৰণতেই সম্ভৱ শাৰীৰ সমতাও ৰক্ষিত হোৱা নাই। আমি মনত ৰখা উচিত যে সাধনমূলক গীতত বৈয়াকৰণিক বা ছান্দসিক গুৰুত্বতকৈ অনুভূতিৰ আতিশয্য বেছি থকাটো তেনেই স্বাভাৱিক কথা। তেনে নহলে পূৰ্ববৰ্ত্তী পাণিনি, পতঞ্জলি, দণ্ডী, বামন, ৰুদ্ৰট, হেমচন্দ্ৰ আদি বৈয়াকৰণিকসকলৰ প্ৰভাৱ দোহা-ৰচকসকলৰ ওপৰত নিশ্চয় পাৰল-হেঁতেন। কিন্তু তথাপিও, বৌদ্ধ সিদ্ধাচাৰ্য্যসকলৰ সহজযান মত প্ৰচাৰ কৰাৰ অন্তৰ্নিহিতে যে ছন্দ-ব্যঞ্জনাও প্ৰণোদিত হৈছে, সেইটোহে বৰ চমৎকাৰ কথা।

অসমীয়া ছন্দৰ জন্ম-সৌৰৱণীত বৈদিক ছন্দৰ প্ৰভাৱ অৱশ্যেই স্মৰণীয়। আনুক্ৰমিক পুৰুষীনামাত চৰ্য্যাপদৰ ছন্দই ইয়াৰ পৰবৰ্ত্তী স্পষ্ট প্ৰাদেশিক ছন্দৰ বংশ-লতাত অনায়াসে আত্মীয়তা দাবী কৰিব পাৰে। অসমীয়াৰ দৰে উৰিয়া, হিন্দী আৰু বঙলা কাব্যৰ ছন্দ-বিশ্লেষণতো এই কথা খাটে।

একাদশ অধ্যায়

চৰ্য্যাপদৰ কাব্যিক মূল্য

ধৰ্মীয় তত্ত্ব-জিজ্ঞাসাৰ প্ৰসঙ্গত চৰ্য্যাপদবোৰ যিমান মূল্যবান, কাব্যিক সৌন্দৰ্য্য বিচাৰৰ ক্ষেত্ৰতো সেইবোৰ সিমানেই মূল্যবান। প্ৰাচীন কামৰূপৰ ধৰ্ম, ভাষা, সাহিত্য, সমাজ আৰু সংস্কৃতি বিষয়ক আলোচনাৰ প্ৰসঙ্গত চৰ্য্যাপদসমূহৰ ঐতিহাসিক মূল্য অনস্বীকাৰ্য্য।

৮ম-১১শ শতিকাৰ সহজযানী ধৰ্মতত্ত্ব আৰু সাধন-প্ৰণালী অতি গুহ্য বিষয়; ইয়াক সেই পন্থাত দীক্ষা নোলোৱা লোকৰ আগত কোৱা নহয়। কাৰণ কোটিজনৰ ভিতৰত হয়তো এজনৰ হৃদয়তহে ই প্ৰৱেশ কৰে। সেয়েহে কুক্কুৰীপাদে কৈছে—

অইসন চৰ্য্যা কুক্কুৰীপাএঁ গাইউ।
কোড়ি মাঝেঁ একু হিঅহিঁ সমাইউ॥

চৰ্য্যা আধাৰিত ধৰ্ম-মতত নিষেধ অতি বেছি; ইয়াৰ আচল তত্ত্ব হৃদয়ঙ্গম কৰাটোও সহজ নহয়। সহজযান মতবাদ অনুযায়ী জগতৰ সকলো বস্তুৱেই মিছা; আনকি নিৰ্বাণ লাভৰ কল্পনা কৰাও ভ্ৰান্তিমূলক। জীৱন, জগত নিৰ্বাণ আদি আমাৰ চঞ্চল চিত্তৰহে সৃষ্টি। সৰহপাদে লিখিছে—

অপণে ৰচি ৰচি ভৱ নিৰ্বাণা।
মিছে লোঅ বন্ধাৱএ অপণা॥
অম্হে ন জানহুঁ অচিন্ত জোই।
জাম মৰণ ভৱ কইসণ হোই॥
জইসো জাম মৰণ বি তইসো।
জীৱন্তে মঅলেঁ ণাহি বিশেসো॥

অৰ্থাৎ মানুহে নিজে নিজেই জগত, নিৰ্বাণ আদি সম্পৰ্কে মিছা

ধাৰণা কৰি লৈ সংসাৰ-বন্ধনত বান্ধ খাই আছে। পৰম তত্ত্বজ্ঞ অচিন্ত্য যোগী স্বৰূপ সৰহপাই কয় যে জন্ম, মৃত্যু, জগত কিদৰেনো বেলেগ হয় সেই কথা তেওঁ ভাবি নাপায়; তেওঁৰ মনত এই তিনিওটা কথাৰ কোনো পাৰ্থক্য নাই। তেওঁৰ মতে জন্ম যেনেকুৱা মৰণো তেনেকুৱা। জীৱন্তে মৰিলে কোনো বিশেষত্ব নাই, অৰ্থাৎ জীৱন্ত অৱস্থা আৰু মৃত অৱস্থা একেই কথা।

সহজযানী সিদ্ধাচাৰ্য্যসকলৰ দৰ্শন মতে এই পৃথিবীত বস্তুগত কোনো সত্যতা নাই, ইয়াত কেৱল শূন্যতাই বিৰাজ কৰি আছে। মায়াৰ প্ৰভাৱৰ বাবেই জগত সম্পৰ্কীয় ধাৰণাৰ সৃষ্টি হৈছে। ৰূপ জগতৰ এই ভ্ৰান্তি-বিলাসৰ পৰা নিজ চেতনাক উদ্ধাৰ কৰা আৰু চিত্তৰ সকলো প্ৰকাৰৰ চাঞ্চল্য দূৰ কৰাই চৰ্য্যাকাৰ সকলৰ মূল কথা। এই সাধনাৰ পথ আৰু কাব্য-সৃষ্টিৰ পথ বিপৰীতমুখী। কাজেই ধৰ্মৰ চাৰিবেৰত সীমাবদ্ধ তত্ত্ব-বোধৰ হেতু উৎসৰ্গীকৃত প্ৰাণগতা সাধকসকলৰ চৰ্য্যাত কবিতাৰ অনাবিল সৌন্দৰ্য্য প্ৰায়েই আশা কৰা নাযায়। পিছে সৃষ্টিধৰ্মী প্ৰতিভাৰ বলত এই গূহ্য তত্ত্বৰ গীতবিলাকতো কাব্যিক সৌন্দৰ্য্য ফুটি উঠিছে।

চৰ্য্যাপদৰ ভাষা দুতৰপীয়া—সাংকেতিক আৰু সাধাৰণ। গীত ৰচকসকলে বিষয়-বস্তু সহজবোধ্য কৰিবলৈ উপমা, ৰূপক, ব্যাজোক্তি আৰু উৎপ্ৰেক্ষা অলঙ্কাৰৰ সহায় লৈছে; এইয়া শব্দ-চয়নৰ উপৰিও বাহ্যিক-সাধাৰণ ভাষাটোৰ অৰ্থ-নিৰ্দেশক উপকৰণ। আনহাতে গূহ্য তত্ত্ব বুজাবলৈ তেওঁলোকে সন্ধ্যা-ভাষা, সন্ধ্যা-সংকেত, সন্ধ্যা-বচন, সন্ধ্যা শব্দ আৰু পাৰিভাষিক শব্দ সততে প্ৰয়োগ কৰিছে। এনেকুৱা দুতৰপীয়া ভাষাৰ মাধ্যমত চৰ্য্যাপদ সমূহৰ পন্থীয় তাত্ত্বিক সৌন্দৰ্য্য আৰু মুকলি কাব্যিক মাধুৰ্য্য উভয় গুণেই প্ৰকাশ পাইছে। গুৰু ভক্তিৰ একনিষ্ঠতা আৰু নৈৰাত্ম-ভক্তিৰ গাঢ়তাই সহজযান পন্থাৰ গূঢ় তাত্ত্বিক সৌন্দৰ্য্য বঢ়াইছে; আনহাতে জন-জীৱনৰ প্ৰাত্যহিক ঘটনা, সামাজিক সমস্যা আদিৰ বৰ্ণনা, আৰু লগতে যথাযুক্ত অলঙ্কাৰৰ ব্যঞ্জনা, ছন্দৰ ঝঙ্কাৰ আৰু ৰাগৰ মূৰ্চ্ছনাই গীতবোৰৰ সাহিত্যিক সৌন্দৰ্য্য ফুটাই তুলিছে।

চৰ্য্যাৰচক সকল আধ্যাত্মিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত যিমান গভীৰ, সামাজিক পৰিস্থিতি-পৰ্য্যবেক্ষণতো সিমানেই ব্যাপক। সহজযান ধৰ্মৰ গূঢ় তত্ত্ব পন্থীয় সাধকৰ আগত দাঙি ধৰিবলৈ তেওঁলোকে বাস্তৱ জগতৰ পৰা, সৰ্বসাধাৰণ লোকৰ প্ৰাত্যহিক ক্ৰিয়া-কৰ্মৰ পৰা, গ্ৰাম্য আৰু বন্য সমাজৰ পৰা বিবিধ ৰূপক গ্ৰহণ কৰিছে। সেই কাৰণেই আমি চৰ্য্যাপদৰ মাজেৰে তন্ত্ৰ-মন্ত্ৰ, যাগ-যজ্ঞ, পূজা-পাতল বাদ দি কেৱল সদ্গুৰুৰ উপদেশ লৈ একান্ত যোগ-সাধনা বা কায়াসিদ্ধিৰ দ্বাৰা নিৰ্বাণৰ পথত অগ্ৰসৰ হোৱা উত্তম সিদ্ধাচাৰ্য্য-সকলক লগ পাওঁ। আনহাতে বাস্তৱ সমাজখনত দেখিবলৈ পাওঁ শাহু-শহুৰ, পো-বোৱাৰী, ননন্দ-খুলশালী আদিৰে ভৰা যৌথ পৰিয়ালৰ জীৱন-নিৰ্বাহৰ চিত্ৰ, খৰস্ৰোতা নদী আৰু তাৰ ওপৰত সজা কাঠৰ সাকোঁ, টুলুঙা নাওৰে নদী পাৰ কৰি দিয়া ডোম যুৱতী, মদ-বিক্ৰীকাৰিণী শুণ্ডী নাৰী, তুলা ধুনা ধনুকৰ, কপাহী কাপোৰ বোৱা শিপিনী, নৃত্য-পটিয়সী ডোম যুৱতী, ৰোমাণ্টিক যুটী শবৰ-শবৰী ইত্যাদি। বিবিধ বাদ্য-যন্ত্ৰ বজাই সদল-বলে বৰযাত্ৰীয়ে কইনাৰ ঘৰলৈ যোৱা, বিয়া ঘৰত যৌতুক পোৱা, দৰা-কইনাই বিয়াৰ ৰাতি মহা আনন্দেৰে উপভোগ কৰা দৃশ্য কাহ্নুপাদে বৰ জীৱন্ত কৰি তুলিছে। দবা-খেলাৰ প্ৰচলন, চোৰ-ডকাইতৰ উপদ্ৰৱ, দুৱাৰত তলা লগোৱা অৱস্থা, পুলিচ-দাৰোগা-বিচাৰালয়ৰ ব্যৱস্থা, নাও-ভেল-দোলা আদি যান-বাহনৰ ব্যৱহাৰ ইত্যাদি অনেক বাস্তৱ কথা ৰূপক-উপমাৰ ছলেৰে কবিসকলে বৰ নিপুণতাৰে উপ-স্থাপন কৰিছে। মানুহত বাহিৰেও অন্য জীৱ-জন্তু যেনে—হৰিণ-হৰিণী, এন্দুৰ-নিগনি, মাতঙ্গ-মাতঙ্গী, শিয়াল শিয়ালী, কাউৰী-শগুণ আদিৰ প্ৰকৃতি, কাৰ্য্য-কলাপ, আশা-আকাঙ্ক্ষা, হৰ্ষ-বিষাদ আদিকো সংশ্লিষ্ট গীতিকাৰ সকলে মনোগ্ৰাহীকৈ ফুটাই তুলিছে। এইদৰে কবি-সিদ্ধাচাৰ্য্য সকলে চৰ্য্যাপদৰ জৰিয়তে সহজীয়া সাধন-তত্ত্বৰ মহত্ত্ব দেখুওৱাৰ উপৰিও সেই সময়ৰ কামৰূপী অপভ্ৰংশ ভাষাৰ সাহিত্যিক সৌন্দৰ্য্য-মণ্ডিত গীতিকাব্যৰ চানেকি দাঙি ধৰিছে

চৰ্য্যাপদৰ লেখক সকল যাইকৈ একনিষ্ঠ সাধক আৰু সহজীয়া ধৰ্ম-প্ৰচাৰক হলেও তেওঁলোকৰ গীতবোৰ নিৰস হৈ পৰা নাই। গীতিকাৰ সকলে পদবোৰত শান্ত, কৰুণ, হাস্যৰস অনুসৃত কৰি, অনুপ্ৰাস, শ্লেষ, চিত্ৰ, ৰূপক, উপমা, ব্যাজোক্তি, উৎপ্ৰেক্ষা আদি বিবিধ অলঙ্কাৰ প্ৰয়োগ কৰি সেইবোৰ সৰস কৰি তুলিছে। উদাহৰণ স্বৰূপে লুইপাদে প্ৰথম চৰ্য্যাটিত ব্যৱহাৰ কৰা ব্যাজোক্তি আৰু উৎপ্ৰেক্ষা অলঙ্কাৰলৈ আঙুলিয়াব পাৰি। তেওঁ লিখিছে—

কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল॥

এই চৰণ দুটিৰ যোগে দেখা যায় যে পঞ্চস্কন্ধাত্মক মানৱ দেহৰ অভ্যন্তৰত থকা চিত্তত চঞ্চলতাই দেখা দিলে তাত কালে বাস লয়। এই কথাখিনি সাধাৰণ পাঠকৰ ওচৰত গোপনে ৰখাৰ উদ্দেশ্যে পাঁচটা শাখাযুক্ত গছৰ প্ৰসঙ্গ উত্থাপন কৰা হৈছে। এনে কৰাত ব্যাজোক্তি অলঙ্কাৰৰ সৃষ্টি হৈছে। ব্যাজোক্তি অলঙ্কাৰৰ লক্ষণ হ'ল—কোনো গোপনীয় তত্ত্ব কামত প্ৰকাশ পালেও ছল কৰি তাক পুনৰ গোপনে ৰখাৰ চেষ্টা। এই চৰণ দুটিত উৎপ্ৰেক্ষা অলঙ্কাৰো বিদ্যমান। এইবিধ অলঙ্কাৰৰ লক্ষণ হ'ল দুটা বস্তুৰ মাজত প্ৰবল সাদৃশ্য থাকিলে তাৰে উপমেয়ক উপমান বুলি প্ৰতীতি জন্মে। ওপৰৰ চৰণ দুটিত কায়া হ'ল উপমেয় আৰু তৰু হ'ল উপমান; কিন্তু 'পঞ্চ বি ডাল' উপমানৰ লগত যোগ হোৱাত উপমেয়ক উপমান বুলি ধাৰণা জন্মিছে। টীকাকাৰ মুনিদত্তই লুইপাদৰ চৰ্য্যাটিত এই দুবিধ অলঙ্কাৰৰ সাৰ্থকতা দেখুৱাইছে। মুনিদত্তই আৰু কেইটিমান চৰ্য্যাত ব্যাজোক্তি আৰু উৎপ্ৰেক্ষা অলঙ্কাৰৰ সহায়ত সাধন-তত্ত্বৰ অৰ্থ হৃদয়ঙ্গম কৰিবলৈ নিৰ্দেশ কৰিছে; যেনে—কম্বলাম্বৰপাদৰ ৮নং চৰ্য্যা, কাহ্নুপাদৰ ৯নং চৰ্য্যা, ভুসুকুপাদৰ ১৪নং, ৪৯নং চৰ্য্যা আৰু সৰহপাদৰ ৩৮নং চৰ্য্যা। মুনিদত্তই দেখুৱাইছে যে সিদ্ধ কবি সকলে গুহ্যতত্ত্ব অদীক্ষিত লোকৰ আগত ঢাকি ৰখাৰ উদ্দেশ্যে ব্যাজোক্তি অলঙ্কাৰ প্ৰয়োগ কৰিছে, তাৰ লগতে উৎপ্ৰেক্ষা অলঙ্কাৰ

প্ৰয়োগ কৰি গীতবোৰৰ আলঙ্কাৰিক সৌন্দৰ্য্য বৃদ্ধি কৰিছে। কিছুমান গীতত সন্ধ্যাভাষা আৰু কেৱল উৎপ্ৰেক্ষা অলঙ্কাৰৰ প্ৰয়োগ কৰিও সাধাৰণ লোকৰ ওচৰত গূঢ়তত্ত্ব ঢাকি ৰাখিছে ; যেনে —১৭নং চৰ্য্যাত বীণাপাদে তুম্বিকা আৰু তন্ত্ৰিকাৰ উৎপ্ৰেক্ষা প্ৰয়োগ কৰিছে, কৃষ্ণপাদে ১৯নং চৰ্য্যাত পটহ-মাদল, কৰণ্ড-কশালা আদি বাদ্য-যন্ত্ৰৰ উৎপ্ৰেক্ষা প্ৰয়োগ কৰিছে : সেইদৰে ৪৫নং চৰ্য্যাত কাহ্নুপাদে নিজৰ চিত্তক তৰুৰ উৎপ্ৰেক্ষাত চিত্ৰিত কৰিছে। মুনিদত্তই লিখিছে— 'মনতৰু ইত্যাদি অনাদি ভৱবাসনাপল্লবাশ্ৰয়ত্বাৎ কৃষ্ণপাদেন স্বচিত্তং তৰুত্বেন উৎপ্ৰেক্ষিতং তস্য চিত্ততৰোঃ পঞ্চেন্দ্ৰিয়েন শাখামধিমুচ্য পত্ৰবহুলফলং চেতি।'

অলপ গমি চালে ধাৰণা হয় যে গীতিকাৰ সিদ্ধাচাৰ্য্যসকলে উদ্দেশ্য-প্ৰণোদিতভাৱে যিদৰে সন্ধ্যাভাষা, সন্ধ্যা-সংকেত, সন্ধ্যাবচন, সন্ধ্যাশব্দ আৰু পাৰিভাষিক শব্দ প্ৰয়োগ কৰিছে, সেইদৰে তেওঁলোকে ব্যাজ আৰু উৎপ্ৰেক্ষা অলঙ্কাৰো প্ৰয়োগ কৰিছে। এইয়া তেওঁলোকৰ সাধনাগত সচেতন কৌশল। গতিকে চৰ্য্যাত ব্যৱহৃত দুয়োবিধ অলঙ্কাৰেই ধৰ্মীয় তত্ত্ব সাপেক্ষ। তথাপি তাৰ মাজেৰেও সাহিত্যিক সৌন্দৰ্য্য ফুটি উঠিছে। পিছে, মন কৰিবলগীয়া কথা হ'ল যে চৰ্য্যাগীত সমূহত অকল ব্যাজ বা উৎপ্ৰেক্ষা অলঙ্কাৰেই নাই, সেইবোৰত উপমা, ৰূপক, সন্দেহ, বিৰোধ, সমাসোক্তি, স্বভাৱোক্তি, অনুপ্ৰাস, শ্লেষ, চিত্ৰ আদি অলঙ্কাৰৰো সমাবেশ ঘটিছে। ধৰ্মীয় তত্ত্ব-বিশ্লেষণত প্ৰবৃত্ত নহৈ আমি যদি কবিতা হিচাপে চৰ্য্যাপদবোৰ বিচাৰ কৰি চাওঁ তেন্তে এই অলঙ্কাৰসমূহৰ স্থিতি আৰু কাৰ্য্যকাৰিতা দেখিবলৈ পাওঁ। যেনে—লুইপাদে ১নং চৰ্য্যাত দেহক গছৰ লগত আৰু পঞ্চ কৰ্মেন্দ্ৰিয়ক গছৰ ঠাল-ঠেঙুলিৰ লগত তুলনা কৰাত উপমা অলঙ্কাৰৰ সৃষ্টি হৈছে। সেইদৰে ভৱ-গই(৫), মোহ তৰু (৫), কৰুণা-নাৰী (৮), মন-পবণ (১৯), কাঅ-ণাৱড়ি (৩৮), মণ কেড়ুআল (৩৮), মণ-তৰু (৪৫) ইত্যাদি) তুলনাবোৰ উপমা অলঙ্কাৰৰ উদাহৰণ।

আনহাতে ৰূপকৰ ব্যৱহাৰো চৰ্য্যাপদত যথেষ্ট দেখা যায়। উপমান আৰু উপমেয়ৰ মাজত অভেদ ধাৰণা জন্মিলে ৰূপক অলঙ্কাৰৰ সৃষ্টি হয়। চৰ্য্যাপদৰ প্ৰকাশ-ভঙ্গীত ৰূপক অলঙ্কাৰে সোণত সুৱগা চৰাইছে। কুক্কুৰীপাদে ২নং চৰ্য্যাটিত দুলি, পিটা, তেতেলি, কুম্ভীৰ, চোৰ, শহুৰ, বোৱাৰী, কাণৰ অলঙ্কাৰ আদিৰ আলমত ৰূপক সৃষ্টি কৰিছে। চৰ্য্যাটিৰ সাধাৰণ সংক্ষেপ অৰ্থ হ'ল—'কাছক দুই পাত্ৰত গাখীৰ নধৰা হৈছে। গছৰ তেতেলি কুম্ভীৰে খায়। ঘৰত শহুৰ শুই আছে, বোৱাৰী জাগি আছে। তাইৰ কাণৰ অলঙ্কাৰ আধা ৰাতিতে চোৰে নিলে। এতিয়া বেচেৰী বোৱাৰীয়ে সেই অলঙ্কাৰ কাক গৈ খুজিব? দিনৰ বেলা বোৱাৰীয়ে সংসাৰৰ বিভীষিকাময় কাৰ্য্য-কলাপ দেখি ভয় খায়, কিন্তু ৰাতি হ'লে কামনা চৰিতাৰ্থ কৰিবলৈ ভয়াল ঠাই কামৰূপলৈও যায়। এনে কথাৰ মৰ্মাৰ্থ কৌটিজনৰ মাজত এজনৰ হিয়াতহে সোমায়।' এতিয়া বৌদ্ধ সহজীয়া তত্ত্বৰ পৰা বিচাৰ কৰিলে দেখা যায়—চৰ্য্যাটিত 'দুলি' বা কাছ শব্দই দ্বৈতভাৱ বুজাইছে। পিটা' শব্দই পীঠ অৰ্থ কৰিছে। আমাৰ শৰীৰত থকা ২৪ তত্ত্বক ২৪ খন পীঠ বুলি কল্পনা কৰা হৈছে, তাৰে ভিতৰত বজ্ৰমণি পীঠ অন্যতম; এই পীঠত শূন্যতাৰূপ বজ্ৰক কুম্ভক-যোগীত বাহিৰে আনে ধাৰণ কৰিব নোৱাৰে। 'তেতেলি' শব্দই ইয়াত বোধিচিত্তক বুজাইছে; ই দেহ-বৃক্ষৰেই ফল। 'কুম্ভীৰ' মানে ঘৰিয়াল যদিও ইয়াত 'কুম্ভক-যোগ' বুলিহে অৰ্থ কৰা হৈছে। গতিকে 'কুম্ভীৰে খাঅ' কথাষাৰৰ অৰ্থ হ'ল জগতৰ দ্বৈতভাৱ নাশ কৰা। সেইদৰে 'কাণেট চোৰে নিল' কথাষাৰৰ গূহ্যাৰ্থ হ'ল—কুম্ভক-যোগ হেতু সমাধিস্থ অৱস্থাত অনুভূত হোৱা সহজানন্দই চিত্তৰ প্ৰকৃতি-দোষ নাইকিয়া কৰিলে। 'সুসুৰা নিদ গেল' মানে শ্বাস-প্ৰশ্বাস ৰুদ্ধ কৰা হ'ল। 'বহুড়ী' শব্দই অৱধূতী নৈৰাত্মাদেৱীক বুজাইছে। 'দিৱসই' শব্দৰ অৰ্থ হ'ল—চিত্তৰ সজাগ অৱস্থা, ইত্যাদি। এইদৰে কুক্কুৰীপাদে সাধন-তত্ত্বৰ কথাখিনি ৰূপকৰ মাজেৰে প্ৰতীয়মান কৰিছে।

সাধন-তত্ত্ব আৰু কাব্যধৰ্মীতা উভয় দিশতে চমৎকাৰীত্ব দেখুৱাব প্যাৰিছে ভুসুকুপাদে তেওঁৰ ৬নং চৰ্য্যাত। ইয়াত উপস্থাপন কৰা হৰিণা-চিকাৰ এটি সুন্দৰ ৰূপক। কবিয়ে আমাৰ চঞ্চল চিত্তক তীব্ৰ বেগী হৰিণাৰ লগত তুলনা কৰিছে। চিকাৰীয়ে যিদৰে ফান্দ পাতি হৰিণাক মাৰিবলৈ চেষ্টা কৰে সেইদৰে যম-কালেও মায়া-জাল পাতি মানুহক নাশ কৰিবলৈ বিচাৰে। হৰিণাৰ নিজৰ মঙহেই শত্ৰু হোৱাৰ দৰে মানুহৰো দৰ্প-অহংকাৰ, লোভ-মোহ, কামনা-বাসনা আদি অবিদ্যাবোৰে শত্ৰুতা কৰে। ফান্দত পৰা হৰিণাই যিদৰে ঘাঁহ-পানী এৰে, সেইদৰে নিৰ্বাণৰ পথত আগবাঢ়িব নোৱাৰা সাধকেও সাংসাৰিক ভোগ-বিলাস ত্যাগ কৰে। দূৰৈত ৰৈ থকা হৰিণীৰ ইঙ্গিতত যিদৰে হৰিণাই ফান্দ এৰাই অন্য বনলৈ তীব্ৰ গতিত ঢাপলি মেলিলে, সেইদৰে ভুসুকুপাদৰ চিত্ত-হৰিণেও হৰিণী ৰূপা নৈৰাত্মাদেৱীৰ সংকেতত সাধনাক্ৰমে মহাসুখ-কমল বনত প্ৰৱেশ কৰিব পাৰিলে। চৰ্য্যাটিত হৰিণা, হৰিণী, চিকাৰী, ফান্দ, তৃণ-পানী, নিলয় ইত্যাদি ক্ৰমে চিত্ত, নৈৰাত্মাদেৱী, কাল, মায়া, জাগতিক লোভ-মোহ আৰু মহাসুখ-কমল বনৰ প্ৰতীক মাত্ৰ। এই প্ৰতীকৰ সহায়তে লেখকে ৰূপক অলঙ্কাৰৰ সৃষ্টি কৰিছে। চৰ্য্যাটিত হৰিণা-হৰিণী হালৰ প্ৰেম-লীলাৰ যি মনোৰম চিত্ৰ অঙ্কিত হৈছে তাত মানৱ সমাজৰ যুগ্ম জীৱনৰ হৰ্ষ-বিষাদ, আশা-আকাঙ্খা প্ৰেম-মৃত্যুৰ অন্তৰ পৰশা ব্যঞ্জনা আছে। ব্যাধৰ দ্বাৰা আক্ৰান্ত হৰিণাহাৰা হৰিণীৰ বিচ্ছেদ-বেদনাই আমাৰ সমাজৰ বিৰহ বিধুৰ স্বামী-স্ত্ৰীৰ মৰ্ম্মন্তুদ অৱস্থাৰ কথা সোঁৱৰাই দিয়ে। গভীৰ তত্ত্বপূৰ্ণ হোৱা সত্ত্বেও কবিৰ ৰূপ-কল্পনাত এই গীতটি কাব্যিক সৌন্দৰ্য্যৰে ব্যঞ্জিত হৈ পৰিছে। ইয়াতেই কবিৰ কাব্য-শিল্পৰ সাৰ্থকতা প্ৰকাশ পাইছে।

বিৰুৱা, গুণ্ডৰী, চাটিল, মহীধৰ আৰু ঢেণ্ঢনপাৰ চৰ্য্যাকেইটিত দাৰ্শনিক তত্ত্বৰ প্ৰাধান্য আৰু কাব্যিক ৰস-নিৰ্য্যাসৰ মাধুৰ্য্য অগা-পিছাকৈ ফুটি উঠিছে। কোনো কোনোটোত ৰূপকৰ সম্পূৰ্ণতা আৰু আন কোনোটোত চিত্ৰৰ মনোহাৰিত্ব বিদ্যমান। বিৰুৱাপাদে

৩নং চৰ্য্যাত এটি সুন্দৰ ৰূপক প্ৰতীয়মান কৰিছে ; যেনে—

এক সে শুণ্ডিণী দুই ঘৰে সান্ধঅ।
চীঅণ বাকলঅ বাৰুণি বান্ধঅ॥
সহজে থিৰ কৰী বাৰুণি সান্ধে।
জেঁ অজৰামৰ হোই দিঢ় কান্ধ॥
দশমি দুআৰত চিহ্ন দেখইআ।
চউশঠী ঘড়িয়ে দেট পসাৰা।
পইঠেল গৰাহক নাহি নিসাৰা॥
এক ঘড়ুলী সরু ই নাল।
ভণন্তি বিৰুআ থিৰ কৰি চাল॥

সিদ্ধাচাৰ্য্য বিৰুৱাপাদে গীতটিত ৰূপক উপস্থাপন কৰিছে এনে ধৰণে—'এগৰাকী শুড়ী তিৰোতাই ওচৰা-ওচৰিকৈ থকা দুখন ঘৰত চিকণ বাকলিৰ দ্বাৰা বাৰুণী-মদ তৈয়াৰ কৰিছে। দশম দুৱাৰত চিহ্ন দেখি মদ খোৱা গ্ৰাহক সকল আহিল আৰু ঘৰত সোমাই নিজে নিজে বহি পৰিল। চৌষষ্টিটা ঘটিৰে মদ পৰিবেশন কৰিলে। মদ খাবলৈ পাই গ্ৰাহকবোৰৰ সাৰ-সুৰ নোহোৱা হ'ল। মদ বাকি দিয়া ঘটিটোৰ মুখখন তেনেই সৰু। গতিকে বিৰুৱাপাদে সাৱধানে মদ বাকিবলৈ কৈছে যাতে সেইবোৰ যতে ততে পৰি নাযায়।' সাধাৰণ গীত হিচাপে ধৰিলে ইয়াত আমাৰ আঞ্চলিক সমাজৰ পৰিচিত লোক-চিত্ৰ এটি পৰিলক্ষিত হয়। কিন্তু বিৰুৱাপাদে এই ৰূপকটিৰ সহায়ত সহজীয়া সাধন-প্ৰণালীৰ গূঢ় তত্ত্ব প্ৰতীয়মান কৰিছে। তেওঁ দেখুৱাইছে যে মানুহৰ বাওঁ নাকত চন্দ্ৰস্বভাবী ললনা-নাড়ী আৰু সোঁ নাকত সূৰ্য্যস্বভাবী ৰসনা-নাড়ী-থাকে ; এই দুয়োডাল নাড়ীৰ মাজত অৱধূতিকা-নাড়ী বিদ্যমান। সাধনা-কালত অৱধূতিকাই ললনা-ৰসনা নাড়ী দুডালক নিয়ন্ত্ৰণ কৰে। অৱধূতিকা অতি সূক্ষ্ম প্ৰকৃতিৰ, ইন্দ্ৰিয়াতীত আৰু অস্পৃশ্য ; সেয়ে ইয়াক সমাজৰ তথাকথিত নিম্ন শ্ৰেণীৰ শুড়ী তিৰোতাৰ লগত ৰিজোৱা হৈছে আৰু নাড়ী দুডালক দুখন ঘৰ বুলি কল্পনা কৰা হৈছে।

বাৰুণী শব্দৰ দ্বাৰা বোধিচিত্তক বুজোৱা হৈছে। যোগীয়ে গুৰুৰ উপদেশ মতে নিজ বোধিচিত্তক বান্ধে বা পৰিশুদ্ধ কৰে। সাধনা-ক্ৰমে সেই বোধিচিত্ত অৱধূতী মাৰ্গ বা শূন্যতাৰ পথত গমন কৰে। তেতিয়া সাধকৰ চিত্তত কোনো প্ৰকাৰৰ দ্বৈতভাৱ নাথাকে। তেওঁ সহজানন্দত নিমজ্জিত হয়। ইয়াত দশমি দুআৰ বা বৈৰোচন দুৱাৰ হ'ল নিৰ্বাণ প্ৰাপ্তিৰ পথ। এই পথৰ লক্ষণ বুজি পাই গ্ৰাহকৰূপ গন্ধৰ্বসত্বই অৰ্থাৎ প্ৰসুপ্ত বোধিচিত্তই সহজ-সুখ উপভোগ কৰিবলৈ নিজেই আহি যথাস্থানত উপস্থিত হয়; তেওঁ চাৰিওপিনে পৰম আনন্দৰ মেলা দেখি বিভোৰ হৈ পৰে। ইয়াকে মদপীয়ে মদ খাই নিসাৰ হৈ পৰাৰ লগত তুলনা কৰি দেখুওৱা হৈছে। মহাসুখ সংঘটন কৰে বুলিয়ে অৱধূতিকাক ঘটী আখ্যা দিয়া হৈছে, আৰু ইয়াৰ প্ৰকৃতি সূক্ষ্ম কাৰণে সৰু নালৰ ঘটী বুলি ভবা হৈছে। সাধন-প্ৰক্ৰিয়া সূক্ষ্ম প্ৰকৃতিৰ হলেই সাৱধানতাৰ প্ৰয়োজন। গতিকে সিদ্ধাচাৰ্য্যই সাধকক চিত্ত স্থিৰ কৰি সাধনাত বহিবলৈ উপদেশ দিছে।

৩৩নং চৰ্য্যাত ঢেণ্ঢণপাদে বিচিত্ৰ বিৰোধৰ মাজেৰে এটি তাৎ-পৰ্য্যপূৰ্ণ ৰূপক প্ৰযোগ কৰিছে। গীতটিৰ শব্দানুগত অনুবাদ এনে ধৰণৰ—'টিলাত মোৰ ঘৰ, তাত সোমাওতা কোনো নাই; হাড়ীত ভাত নাই অথচ নিতৌ আলহী আহে। বেগৱতী সংসাৰখন বাঢি গৈ আছে। খীৰোৱা গাখীৰ জানো পুনৰ গাইৰ বাঁটত সোমায়? বলধে পোৱালি দিয়ে, গাইজনী বাজী। তাইৰ পিঠিখন দুইয়ে তিনি সাজ বা তিনি সন্ধ্যা খায়। বুদ্ধিমান যিজন তেৱেঁই নিৰ্বোধ আৰু যিজন চোৰ সিয়েই সাধু পুৰুষ। দিনে দিনে শিয়ালে সিংহৰ লগত যুজে; ঢেণ্ঢণপাদৰ গীত বিৰলেহে বুজে।' ইয়াত 'টালত মোৰ ঘৰ' কথাষাৰে মহাসুখ-চক্ৰক বুজাইছে। চন্দ্ৰ-সূৰ্য্য বা গ্ৰাহ্য-গ্ৰাহকভাৱ তাতে লীন হৈছে বুলিয়ে প্ৰৱেশ কৰোতা নাই বুলি কোৱা হৈছে। 'হাড়ীত ভাত নাঁহি' মানে দেহৰ ভিতৰত সংবৃত্তি-বোধিচিত্ত তিৰোহিত হৈছে। আনহাতে নৈৰাত্ম-

অতিথি নিতৌ সাধকৰ দেহত অৱস্থান কৰে। যাবতীয় প্ৰকৃতি-দোষ ক্ৰমাৎ বাঢ়ি গৈ আছে। 'দুহিল দুধু' হল বোধিচিত্ত। বেণ্টে=বাঁট, ইয়াৰ গূঢ় অৰ্থ হ'ল মহাসুখচক্ৰ পথ। বলদ মানে প্ৰকৃতি-দোষাশ্ৰিত অবিদ্যাচিত্ত। গবিআ=গাই অৰ্থাৎ নৈৰাত্মাদেৱী। পিটা=পীঠ অৰ্থাৎ প্ৰকৃতি-দোষ। দুহিএ মানে দোহন কৰি অৰ্থাৎ নিঃস্বভাৱী কৰি। বুধী মানে মনেন্দ্ৰিয় প্ৰধান বালযোগী অৰ্থাৎ সবিকল্পজ্ঞানৰ ধাৰক। চোৰ হ'ল প্ৰকৃতিদোষ হৰণকাৰী। ষিআলা বা শিয়াল মানে অপৰিশুদ্ধ চিত্ত, আৰু ষিহে বা সিংহ মানে প্ৰভাস্বৰ-বিশুদ্ধ চিত্ত।[১]

চাটিলপাদৰ ৫নং চৰ্য্যাটিত নৈ আৰু সাঁকোৰ ৰূপক আৰোপিত হৈছে। ইয়াৰ প্ৰতিটো চৰণত বাহ্যিক ৰূপ আৰু আভ্যন্তৰীণ তত্ত্ব সমান্তৰালভাৱে প্ৰৱাহিত। বেগৱতী নৈ আৰু ক্ষণস্থায়ী জীৱন, সাঁকোৰ দ্বাৰা নদীৰ দুই পাৰৰ সংযোগ আৰু সহজ-সাধনাৰ অদ্বয়-বোধ, মোহ-তৰু কাটি সাঁকো নিৰ্মাণ আৰু পাছত নিৰ্বাণ লাভ—এইদৰে গীতিকাৰে ৰূপকৰ সৃষ্টি কৰিছে।

চৰ্য্যাৰচক সকলৰ ভিতৰত কবি হিচাপে বেছি সাৰ্থকতা লাভ কৰিছে সম্ভৱ শবৰপাদে। তেওঁৰ দুয়োটা কবিতাত মানৱীয় অনুভূতি উপলব্ধি কৰা যায়। জড় জগতৰ ৰূপাঙ্কনৰ প্ৰয়োজনত কবিয়ে যেতিয়া প্ৰকৃতিৰ ছো-ঘৰ আৰু জীৱন-লীলাৰ পিনে চাব ধৰিলে, তেতিয়া তেওঁ স্মৃতিৰ ফাঁকে ফাঁকে অনুভূতি ভৰা নিজৰ অতীত জীৱন দেখা পালে। জীৱন-ৰস আৰু সুষমাময় প্ৰকৃতিৰ এক অনাবিল মোহে কবিৰ চকুৰ পতাত মুগ্ধতাৰ অঞ্জন আঁকি দিলে। এইয়ে শবৰপাদৰ কবিতাৰ মাধুৰিমা। যেনে—

উঞ্চা উঞ্চা পাবত তঁহি বসই সৱৰী বালী।
মোৰঙ্গি পীচ্ছ পৰহিণ সৱৰী গিবত গুঞ্জৰী মালী॥
উমত সৱৰো পাগল শৱৰো মা কৰ গুলী গুহাড়া তোহৌৰি।
ণিঅ ঘৰিণী নামে সহজ সুন্দাৰী॥

১। বৌদ্ধধৰ্ম ও চৰ্যাগীতি, পৃঃ ১৩৫

ণাণা তৰুবৰ মৌলিল ৰে গঅণত লাগেলি ডালী।
একেলী সৱৰী এ বণ হিণ্ডই কৰ্ণ কুণ্ডল বজ্রধাৰী॥
তিঅ ধাউ খাট পাড়িলা সৱৰো মহাসুহে সেজি ছাইলী।
সৱৰো ভুজঙ্গ ণইৰামণি দাৰী পেক্ষ ৰাতি পোহাইলী॥
হিঅ তাঁবোলা মহাসুহে কাপুৰ খাই।
সুন নিৰামণি কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই॥

অৰ্থাৎ ওখ ওখ পৰ্বত, তাতে শৱৰ বালিকাই বাস কৰে। ময়ূৰৰ দীঘল পাখি তাই পৰিধান কৰে, গলত গুঞ্জৰ মালা পিন্ধে। শৱৰ ডেকাই এই অপৰূপ বেশত সজ্জিতা শৱৰীক দেখি উন্মত্ত হৈ উঠে। তেতিয়া শৱৰীয়ে তাক কৈছে যে ইমান চঞ্চল হৈ পৰাৰ আৱশ্যক নাই। তাইৰ অভিনৱ বেশৰ বাবেই শৱৰৰ মনত ভ্ৰান্তি উপজিছে: আচলতে তাইতো তাবেই পত্নী। গছবোৰ মুকুলিত হৈছে, তাৰ ডাল-পাতে আকাশ চুইছে। শৱৰীয়ে পোছাক-পৰিচ্ছদ পিন্ধি বিভূষিতা বেশে এই সুন্দৰ কাননত বিচৰণ কৰিছে। শৱৰে তিনি ধাতুৰ (কায়-বাক-চিত্ত) খাট (শয্যা) পাৰিলে, আৰু শৱৰীৰে সৈতে প্ৰেমানন্দত নিশাটো কটালে। পৰম তৃপ্তিৰে হৃদয়-তামোল কৰ্পূৰৰ লগত খাই শূন্যতাৰূপ নৈৰাত্মাক কণ্ঠত লৈ মহাসুখত ৰাতিটো অতিবাহিত কৰিলে।

উক্ত চৰ্য্যাৰ শাৰীবোৰত কবিৰ ৰূপকাত্মক চিন্তা-বৈচিত্ৰ্য আৰু শব্দ-ব্যঞ্জনা অতি মনোৰম। ময়ূৰৰ পাখিৰে লাহী দেহাটি সজাই-পৰাই শৱৰীয়ে প্ৰেম-মিলনক উদ্বেলিত কৰাৰ অভিলাস এক মধুৰ কল্পনা। আনহাতে হৃদয় অনুভূতিৰ এই উদ্দামতা শৱৰৰ ব্যৱহাৰত স্পষ্ট হৈ উঠিছে। লগতে সেই দৈহিক মিলনৰ পটভূমিত অনুকূল প্ৰাকৃতিক পৰিবেশৰ সংস্থাপনে কবি-মনৰ সৌন্দৰ্য্য-চেতনাৰ পৰিচয় দিছে। কুসুমিত তৰুৰাজি, মৃদুল মলয়া আৰু সুনীল আকাশৰ মধুৰ পৰিবেশে শৱৰ-শৱৰীৰ মিলন-শয্যাৰ ওপৰত চন্দ্ৰতাপ তৰি দিছে।

৫০নং চৰ্য্যাত চিন্তা-কল্প আৰু ৰূপ-শিল্পত কবি-মনৰ ৰমণীয়তা পৰিস্ফুট হৈছে। প্ৰাকৃতিক সৌন্দৰ্য্যই যেন কবিৰ কল্পনাত মধুৰ

মড়ল পাতিছে। চৰ্য্যাটিৰ কেইটামান শাৰী দাঙি ধৰা হ'ল :—

হেৰি যে মেৰি তইলা বাড়ী খসমে সমতুলা।
যুকড়এ সে ৰে কপাসু ফুটিলা॥
তইলা বাড়িৰ পাসেঁৰ জোহ্না বাড়ি উএলা।
ফিটেলি অন্ধাৰি ৰে অকাশ ফুলিআ॥
কঙ্গুচিনা পাকেলা ৰে শবৰা-শবৰি মাতেলা।
অণুদিন সবৰো কিম্পি ন চেবই মহাসুহেঁ ভেলা॥

অর্থাৎ আকাশৰ সমান ওখ ঠাইত মোৰ সেই তৃতীয় ঘৰখন অৱস্থিত। কপাহ-ফুলেৰে তাৰ চাৰিওফাল ভৰি গৈছে। সেই তৃতীয় ঘৰৰ ওচৰৰ ঘৰখনত জোনাক উঠিছে। জোনাকে অন্ধকাৰ ভেদ কৰিছে, আকাশখন যেন প্ৰফুল্লিত হৈছে। কঙ্গুচিনা ফল পকিছে, তাৰ গোন্ধত শবৰ-শবৰী প্ৰেমত মতলীয়া হৈছে। দিনৰ পাছত দিন ধৰি শবৰে আন একো নাচায় বা বুজিবলৈ ইচ্ছা নকৰে কেৱল মহাসুখত নিমগ্ন হৈছে।

ওখ পৰ্ব্বতৰ শিখৰত অৱস্থিত ঘৰ, তাৰ চাৰিওফালে কপাহ ফুলৰ সমাৰোহ, আকাশত পূৰ্ণচন্দ্ৰ, পৃথিৱীত স্নিগ্ধ জোনাক, মলয়াৰ মৃদু হিল্লোল, তাতে আকৌ কঙ্গুচিনা ফলৰ লোভনীয় গোন্ধ, এনে পৰিবেশৰ মাজত কেৱল এহাল যৌৱনোদীপ্ত প্ৰেমিক-প্ৰেমিকা, যাৰ পৰিচয় শবৰ-শবৰী। কবিৰ কি যে চমৎকাৰ ৰোমান্টিক কল্পনা। এনেকুৱা মধুৰ পৰিৱেশত নৰ-নাৰীৰ জীৱনত মিলন-কামনাৰ চাঞ্চল্য স্বাভাৱিকতেই জাগি উঠে। শবৰ-শবৰী সেইবাবেই উন্মত্ত। কিন্তু অন্তৰ-দৃষ্টিৰে চালে এই ধৰণৰ যৌন-ক্ষুধাৰ সীমনাত দেখা যায় আধ্যাত্মিক প্ৰেমানুভূতিৰ সুগভীৰ উপলব্ধি। প্ৰাকৃতিক সৌন্দৰ্য্যৰ চিত্ৰণ আৰু ব্যক্তি-প্ৰেমৰ নিদৰ্শন এই গীতটিৰ তত্ত্ব-ব্যাখ্যাৰ আলম্বন মাত্ৰ। তেনে ৰূপকালম্বন ১০ আৰু ১৮নং চৰ্য্যাতো বিদ্যমান। সিদ্ধাচাৰ্য্য সকলে সহজযান পন্থাৰ গূঢ় তত্ত্ব অপন্থীয় লোকৰ আগত ঢাকি ৰাখিবৰ উদ্দেশ্যে অন্যান্য উপকৰণৰ উপৰিও ৰূপক অলঙ্কাৰ প্ৰচুৰ প্ৰয়োগ কৰিছে। সেইকাৰণে কব পাৰি যে চৰ্য্যাপদবোৰ প্ৰায়েই ৰূপকাত্মক।

চৰ্য্যাপদবোৰত ৰূপক-উপমাৰ বাহিৰেও অন্যান্য অৰ্থালঙ্কাৰৰ

ব্যৱহাৰো পৰিলক্ষিত হয়। সেইবোৰৰ দুই এটি উদাহৰণ দিয়া হ'ল; যেনে—**সন্দেহ** অলঙ্কাৰ: প্ৰকৃত বস্তুক বৰ্ণনাৰ চাতুৰ্য্য হেতু অপ্ৰকৃত বুলি ধাৰণা জন্মিলে সন্দেহ অলঙ্কাৰৰ সৃষ্টি হয়। তাৰ উদাহৰণ—

জামে কাম কি কামে জাম?

*　*　*　*

দুহিল দুধু কি বেণ্টে ষামাঅ?

বিৰোধ: আপাতদৃষ্টিত কোনো কথাত বিৰুদ্ধ ভাৱ ফুটি উঠা যেন লাগিলেও বাক্যাৰ্থ জ্ঞানৰ পাছত সেই বিৰোধ নাথাকিলে তাক বিৰোধ বা বিৰোধাভাস অলঙ্কাৰ বোলে। যেনে—

বলদ বিআএল গবিআ বাঁঝে।

*　*　*　*

জো সো বুধী সোধ নিবুধী।
জো সো চোৰ সোই ষাধী॥

সমাসোক্তি: অচেতন বস্তুৰ ওপৰত চেতন বস্তুৰ গুণ আৰোপ কৰাই এইবিধ অলঙ্কাৰৰ লক্ষণ। নদী অচেতন বস্তু, কিন্তু সি যদি চেতন বস্তুৰ দৰে আচৰণ কৰা দেখুওৱা হয় তেন্তে তাত সমাসোক্তি অলঙ্কাৰ ফুটি উঠিব। যেনে—

ভৱ-ণই গহন গম্ভীৰ বেগেঁ বাহী।

*　*　*　*

কিটেলি অন্ধাৰি ৰে অকাশ ফুলিআ।

স্বভাৱোক্তি: নৈসৰ্গিক জগতৰ পশু-পক্ষী, গছ-লতা, নৈ-নিজৰা; পৰ্বত-পাহাৰ, হাবি-বন, ফুল-পাত, জোন-বেলি আদি যেই সেই পদাৰ্থৰ প্ৰকৃত ৰূপ-গুণ কবি-প্ৰতিভাৰ প্ৰভাৱত অতি স্পষ্টভাৱে চমৎকাৰ হৈ প্ৰকাশ পালে স্বভাৱোক্তি অলঙ্কাৰে ৰূপ লয়। চৰ্য্যাপদত এনে অলঙ্কাৰো বিদ্যমান। যেনে—

উঞ্চা উঞ্চা পাবত তঁহি বসই সবৰী বালী।

মোৰঙ্গি পীচ্ছ পৰহিণ সৱৰী গিবত গুঞ্জৰী মালী ॥

* * * *

ণাণা তৰুবৰ মৌলিল ৰে গঅণত লাগেলি ডালী ।
একেলী সৱৰী এ বণ হিণ্ডই কর্ণকুণ্ডল বজ্রধাৰী ॥

* * * *

হেৰি ষে মেৰি তইলা বাড়ী খসমে সমতুলা ।
ষুকড়এ সে ৰে কপাসু ফুটিলা ॥
তইলা বাড়িৰ পাসেঁৰ জোহ্না বাড়ি উএলা ।
ফিটেলি অন্ধাৰিৰে অকাশ ফুলিআ ॥

চৰ্য্যাপদবোৰ অকল অৰ্থালঙ্কাৰৰ দ্বাৰাই চমৎকৃত হোৱা নাই, শব্দালঙ্কাৰেও সেইবোৰক সৌন্দৰ্য্য-মণ্ডিত কৰি তুলিছে। অনুপ্ৰাস, শ্লেষ, বক্রোক্তি, চিত্র আদি অলঙ্কাৰ সৃষ্টিতো কবি-সিদ্ধাচাৰ্য্য-সকলে কৃতিত্ব দেখুৱাইছে। যেনে—**অনুপ্ৰাস ঃ**

(১) আলিএঁ কালিএঁ বাট ৰুন্ধেলা ।
(২) তে তিনি তে তিনি তিনি হো ভিন্না ।
(৩) জে জে আইলা তে তে গেলা ।
(৪) বিবিহ বিআপক বান্ধণ তোড়িউ ।
(৫) কেহো-কেহো তোহোৰে বিৰুআ বোলই । ইত্যাদি ।

শ্লেষালঙ্কাৰ ঃ এটা শব্দৰে কেবাটাও অৰ্থ উলিয়াই কেবা ৰকমে ব্যাখ্যা কৰিব পৰা কৌশলেই শ্লেষালঙ্কাৰ। চৰ্য্যাপদত ইয়াৰ প্ৰয়োগো চমৎকাৰ হৈ উঠিছে। যেনে—

(১) সোনে ভৰিলী কৰুণা নাৱী ।
ৰূপা থোই নহিকে ঠাৱী ॥
(২) নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ ।
ছুই ছোই জাই সো বান্ধ নাড়িআ ॥

কাকু-বক্রোক্তি . বক্তাই কথা কওঁতে কণ্ঠৰ সুৰ সলাই উচ্চাৰণ কৰি বেলেগ অৰ্থ বুজোৱাকে কাকু বোলে। বক্তাই কোৱা কথাৰ অৰ্থ তেওঁৰ বচন-ভঙ্গীৰ হেতু শ্ৰোতাই বেলেগ অৰ্থ বুজি লোৱাকে

কাকু-বক্রোক্তি বুলি কোৱা হয়। ইতিবাচক শব্দত নিষেধাত্মক ব্যঞ্জনাই ইয়াৰ বৈশিষ্ট্য। উদাহৰণ—

(১) ৰাজ সাপ দেখি জো চমকিই যাবে কিম্ব বোড়ো খাই ॥

(২) দুহিল দুধু কি বেণ্টে ষামাঅ।

এই অলঙ্কাৰ সমূহৰ বাহিৰেও কিছুমান চৰ্য্যাপদত সুন্দৰ সুন্দৰ খণ্ড চিত্ৰই অলঙ্কাৰৰ কাম কৰিছে। শব্দ-প্ৰয়োগৰ চাতুৰ্য্য, অৰ্থ-সংযোগৰ কৌশল আৰু ভাৱৰ ব্যঞ্জনাই চিত্ৰালঙ্কাৰৰ সৃষ্টি কৰিছে।

ছন্দ ব্যঞ্জনাৰ দিনৰ পৰাও চৰ্য্যাপদবোৰৰ কাব্যিক মূল্য বিচাৰ-যোগ্য। এইবোৰে ভাৰতীয় ছন্দ-সজ্জাৰ পৰম্পৰা ৰক্ষা কৰিছে। বৈদিক ছন্দ অনুষ্টুভৰ আভাস চৰ্য্যাপদত পৰিদৃষ্ট হয়। অৰ্বাচীন অপভ্ৰংশ কাব্যত বহুল ব্যৱহৃত চউপঈ' বা চতুষ্পদী ছন্দতে বেছিভাগ চৰ্য্যা ৰচিত হৈছে। চতুষ্পদী অতি শক্কৰী পোন্ধৰ মাত্ৰাৰ ছন্দ। ডঃ সুকুমাৰ সেনে ইয়াৰ এক ধ্বনি-মাত্ৰা 'যতি'ত মিল হৈ চৈধ্য অক্ষৰৰ 'পয়াৰ' ছন্দৰ সৃষ্টি হৈছে বুলি কৈছে। চৰ্য্যাপদত ইয়াৰ সংস্থাপন দেখা যায়। যেনে:

নিতে নিতে ষিআলা / ষিহে ষম জুঝঅ।
ঢেণ্টণ পাএৰ গীত / বিৰলেঁ বুঝঅ ॥

অসমীয়া কাব্য-সাহিত্যত হ্ৰস্ব পয়াৰ বা লঘু পয়াৰ আৰু দীৰ্ঘ পয়াৰ বুলি দুটা ভাগ আছে। হ্ৰস্ব পয়াৰত ১৩ টা আখৰ থাকে। দীৰ্ঘ পয়াৰত ১৫টা বা ততোধিক আখৰ থাকে। চৰ্য্যাপদতো তাৰ নিদৰ্শন পোৱা যায়। যেনে—

হ্ৰস্ব পয়াৰ বৰ গুৰু বঅণে / কুঠাৰেঁ চিজঅ।
কাহ্ন ভণই তৰু / পুণ ন উইজঅ ॥
ধাঢ়ই সো তৰু / সুভাসুভ পাণী।
ছেবই বিদুজন / গুৰু পৰিমাণী ॥

দীৰ্ঘ পয়াৰ গাগা তৰুবৰ মৌলিল ৰে/গঅণত লাগেলী ডালী।
একেলী সবৰী এ বণ হিণ্ডই/কৰ্ণ কুণ্ডল বজ্ৰধাৰী ॥

এই শাৰীবোৰক ত্ৰিপদী দুলড়ী ছন্দতো সজাব পাৰি; যেনে—

ণাণা তৰুবৰ মৌলিল ৰে
গঅণত লাগেলী ডালী।
একেলী সৱৰী এ বণ হিণ্ডই
কর্ণ কুণ্ডল বজ্রধাৰী॥

ঝুনা ছন্দ ঃ ঝুনা বা একাৱলী ছন্দৰ প্ৰতি শাৰীত এঘাৰটাকৈ আখৰ থাকে; ভাৱ দুই শাৰীতে পূৰ্ণ হয়। প্ৰথম পাঁচটি বা ছয়টি আখৰত যতি পৰে। যেনে—

আলিএঁ কালিএঁ / বাট ৰুন্ধেলা।
তা দেখি কাহ্নু / বিমন ভইলা॥

ভটিমা ছন্দ ঃ পুৰণি অসমীয়া কাব্য-সাহিত্যত দুশাৰীত সুবিন্যস্ত দহাক্ষৰিক ছন্দক ভটিমা ছন্দ বোলা হয়। ইয়াৰ শেষ অক্ষৰবোৰ মিলে; আৰু শেষ বৰ্ণ বা তাৰ আগৰ বৰ্ণ সদায় গুৰু হয়। কোনো কোনোৱে ইয়াক হ্ৰস্ব ঝুনাও আখ্যা দিছে। উদাহৰণ—

সুনে সুন মিলিআ জবেঁ।
সঅল ধাম উইআ তবেঁ॥
আচ্ছহুঁ চউখণ সংবোহী।
মাঝ নিৰোহেঁ অণুঅৰ বোহী॥
বিহু ণাদ্ ণ হিএঁ পইঠা।
অণ চাহন্তে আণ বিণঠা॥

তোটয় ছন্দ ঃ ইয়াৰ বৈশিষ্ট্য হ'ল—দুটাকৈ শাৰী থাকে। প্ৰতি শাৰীত বাৰটাকৈ অক্ষৰ থাকে, শেষ অক্ষৰ মিলে। ইয়াক দীৰ্ঘ ঝুনা ছন্দ বুলিও কোৱা হয়। পদ-নিদৰ্শন—

জে সচৰাচৰ তিঅস ভমন্তি।
তে অজৰামৰ কিম্পি ন হোন্তি॥ ইত্যাদ।

সকলো চৰ্য্যাপদত অক্ষৰ-সমতা ৰক্ষিত হোৱা নাই। এটা কথা মন কৰিব লগীয়া যে চৰ্য্যাপদবোৰ মিত্ৰাক্ষৰ ৰীতিত মাত্ৰাবৃত্ত ছন্দত ৰচিত হৈছে। অনুষ্টুভ পাদাকুলক আৰু পয়াৰ ছন্দত বাহিৰেও সংস্কৃত জাতি-ছন্দৰ প্ৰতিধ্বনি চৰ্য্যাগীতত অনুৰণিত হৈ আছে। এই

এই ছন্দ-ৰীতিত প্ৰত্যেক পাদৰেই দৈৰ্ঘ্য সুনিয়ন্ত্ৰিত আৰু ধ্বনি অথবা অক্ষৰৰো মাত্ৰা-নিৰ্দ্দেশন সুপৰিমিত ৰূপত বিন্যস্ত। তাৰ উদাহৰণ এইদৰে দেখুৱাব পাৰি —

॥ ॥ ।'॥ ॥ । । ॥ । । । । । । ॥ ॥ ॥
উ ধ্বা উধ্বা/পাবত তঁহি/বসই সৱৰী/বালী।

।'॥ । ॥ । । । । । । । ॥ । । । ॥ । ॥ ॥ ॥
মোৰঙ্গি পীচ্ছ/পৰহিণ সৱৰী/গিবত গুঞ্জৰী/মালী ॥

চয্যাপদৰ ছন্দ বিশ্লেষণ কৰিলে বুজা যায় যে ই পৰবৰ্ত্তী কালৰ অসমীয়া ছন্দমালাৰ সুতিকা-ঘৰ। প্ৰাচীন অসমীয়া কাব্য-সাহিত্যত প্ৰয়োগ হোৱা পয়াৰ, দুলড়ী, একাৱলী, ছবি আদি বিবিধ ছন্দ চৰ্য্যা-ছন্দৰেই প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱৰ ফল। অধিক কি উনবিংশ শতিকাত ভাৰতীয় সাহিত্যত দেখা দিয়া বিদেশী চনেট কবিতাৰ পূৰ্বাভাসো দুই এটি চৰ্য্যাত ভাৰতীয় বৈশিষ্ট্যৰে লক্ষ্য কৰা যায়। কাহ্নুপাদৰ ১০ নং চৰ্য্যা, শবৰপাদৰ ২৮ নং চৰ্য্যা আৰু ৫০ নং চৰ্য্যা চনেট-ৰীতিৰ চৈধ্যটা শাৰীত সম্পূৰ্ণ হৈছে। প্ৰকৃতিত নিমিলিলেও আকৃতিত বা শাৰীৰ সংখ্যাত চনেট-কবিতাৰ লগত এই তিনিটা চৰ্য্যাৰ আংশিক মিল দেখা যায়।

পুৰণি অসমীয়া গীতৰ ৰাগ-তাল-মানৰ পূৰ্বাভাসো চৰ্য্যাগীতত পোৱা যায়। চয্যাত ব্যৱহৃত পটমঞ্জৰী, ভৈৰৱী, ধনশ্ৰী, গউড়া, বৰাড়ী, মল্লাৰী কামোদ, মালশী আদি ৰাগসমূহ মনকৰ, দুৰ্গাবৰ পীতাম্বৰ, শঙ্কৰদেৱ, মাধৱদেৱ প্ৰভৃতি পঞ্চদশ-ষোড়শ শতিকাৰ অসমীয়া গীতিকাৰ সকলে বহুলভাৱে প্ৰয়োগ কৰিছে।

ইয়াৰ দ্বাৰা বুজিব পাৰি যে প্ৰাচীন কামৰূপী সমাজত চৰ্য্যা-পদবোৰ গীত হিচাপে, কবিতা হিচাপে আৰু গভীৰ মানৱতাবোধৰ বিচিত্ৰ অনুভূতিৰ বাহক হিচাপে বৰ জনপ্ৰিয় আছিল। বৌদ্ধ সহজীয়া সাধন-তন্ত্ৰৰ সাংগীতিক বাহন হিচাপে চৰ্য্যাগীতবোৰ সিদ্ধাচাৰ্য্য সকলৰ সাৰ্থক সৃষ্টি। তদুপৰি অসমীয়া গীতিকাব্যৰ বুৰঞ্জীত প্ৰাচীনতম লিখিত নিদৰ্শন স্বৰূপে চৰ্য্যাপদবোৰ অমূল্য সম্পদ।

দ্বাদশ অধ্যায়

চর্য্যার মূল পাঠ

পাঠান্তরের সংকেত

শাস্ত্রী—হরপ্রসাদ শাস্ত্রী, হাজার বছরের পুরাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা।

বাগচী—ডঃ প্রবোধচন্দ্র বাগচী, Materials for a Critical Edition of the Old Bengali Caryapadas.

শহীদুল্লাহ- ডঃ মহম্মদ শহীদুল্লাহ, Buddhist Mystic Songs.

সেন—ডঃ সুকুমার সেন চর্যাগীতি পদাবলী।

মুখোপাধ্যায়—ডঃ তারাপদ মুখোপাধ্যায়, চর্যাগীতি।

দাশগুপ্ত—ডঃ শশিভূষণ দাশগুপ্ত, বৌদ্ধধর্ম্ম ও চর্যাগীতি।

নীসেন—ডঃ নীলরতন সেন চর্যাগীতিকোষ।

সাংকৃত্যায়ন—রাহুল সাংকৃত্যায়ন, দোহাকোশ।

বসু—অধ্যাপক মণীন্দ্রমোহন বসু চর্য্যাপদ।

(১)

রাগ—পটমঞ্জরী ॥ লুইপাদানাম্

কাআ তরুবর পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো[১] কাল ॥
দিঢ়[২] করিঅ মহাসুহ পরিমাণ।
লুই ভণই গুরু পুচ্ছিঅ জাণ ॥
সঅল সমাহিঅ কাহি করিঅই।
সুখ-দুখেতেঁ নিচিত মরিআই[৩] ॥
এড়িএউ[৪] ছান্দক বান্ধ করণক পাটের আস।
সুন্নপাখ ভিড়ি[৫] লাহুরে[৬] পাস ॥
ভণই লুই আমৃহে ঝাণে[৭] দিঠা।
ধমণ চমণ বেণি পাণ্ডি[৮] বইঠা[৯] ॥

পাঠান্তৰ

১। পইঠো, শাস্ত্ৰী, পইঠা, বসু। ২। দিট = দিঢ; পুথিৰ লিপিকাৰে ঢ়-ৰ ঠাইত প্ৰায়েই ট লিখিছে, (সেন)। ৩। মৰিঅই, বসু, মৰিআই, শাস্ত্ৰী। ৪ এড়িএউ, শাস্ত্ৰী; এড়ি এড, সেন। ৫। ভিতি, শাস্ত্ৰী, সেন, বসু; ভিড়ি, বাগচী। ৬। লেহুৰে, বসু; লাহুৰে, সেন; লাহুৰো, শাস্ত্ৰী। ৭। ঝাণে, নীসেন, বসু; সাণে, শাস্ত্ৰী। ৮। পাণ্ডি, শাস্ত্ৰী, বাগচী সেন; পিণ্ডি, বসু। বইঠা, নীসেন, বসু; বইণ, শাস্ত্ৰী।

গূঢ়াৰ্থ

চৰ্য্যাটিত শৰীৰক গছৰ লগত তুলনা কৰা হৈছে। সেই গছৰ পাঁচটা ডাল। সেই পাঁচটা ডালক পঞ্চ স্কন্ধ বা পাঁচবিধ কৰ্মেন্দ্ৰিয়ৰ (বাক্, পাণি, পাদ গুহ্যদ্বাৰ আৰু মূত্ৰদ্বাৰ) লগত ৰিজোৱা হৈছে। পাৰ্থিৱ বিষয়-বাসনাৰ আকৰ্ষণত মানুহৰ চিত্ত চঞ্চল হৈ থাকে গতিকে তাত ৰিপু-কাল সহজতে প্ৰৱেশ কৰে। তাৰ ফলত মানুহে নানা দুখ-যাতনা ভোগ কৰিব লগীয়া হয়। কিন্তু তথাপি সংযমৰ দ্বাৰা চিত্তৰ চঞ্চলতা দূৰ কৰি আৰু সাধনাৰ দ্বাৰা চিত্তক দৃঢ় কৰি মহাসুখ বা সহজানন্দ লাভ কৰিব পাৰি। লুইপাদে কয় যে গুৰুৰ ওচৰত সাধনাৰ তত্ত্বকথা বুজি লব লাগে; গুৰুত বাহিৰে আনক সোধা নিষ্প্ৰয়োজন। সকলো প্ৰকাৰৰ যোগ-ধ্যান-সমাধি কিয় কৰিব লাগে? তাৰ দ্বাৰা কোনো লাভ নহয়। জীৱৰ লগত সুখ-দুখ, জন্ম-মৃত্যু থাকেই। বাসনাৰ বন্ধন আৰু ইন্দ্ৰিয়-তৃপ্তিৰ আশাই আমাৰ জাগতিক দুখৰ কাৰণ; ইয়াৰ প্ৰভাৱমুক্ত হব নোৱাৰিলে মহাসুখ লাভ কৰিব নোৱাৰি। মহাসুখ লাভ কৰিবলৈ হলে শূন্যতা বা জগতৰ অসাৰতা সম্পৰ্কে জ্ঞান লাভ কৰা উচিত। সিদ্ধাচাৰ্য্য লুইপাদে শূন্যতত্ত্ব হৃদয়ঙ্গম কৰি ধ্যানৰ যোগেদি বুজিব পাৰিছে যে তেওঁ চন্দ্ৰ-সূৰ্য্য বা গ্ৰাহ্য-গ্ৰাহক অথবা ভৱ আৰু মননেন্দ্ৰিয়ৰ ওপৰত আসন পাৰি বহিছে অৰ্থাৎ তেওঁ কোনো প্ৰকাৰৰ জাগতিক আকৰ্ষণৰ দ্বাৰা বিচলিত নহয়; তেওঁৰ ভৱ-বিকল্পাদি ভাব নাইকিয়া হৈছে। এতিয়া তেওঁৰ চিত্ত স্থিৰ আৰু দৃঢ়; হয়তো তেওঁ কুম্ভকযোগত ধ্যানস্থ হৈছে।

শব্দ-টোকা

কাআ<কায়া, কায়। পঞ্চ>পাঁচ; পঞ্চস্কন্ধ, পঞ্চ কর্মেন্দ্রিয়ক বুজোৱা হৈছে। চীএ<চিত্তে; কামৰূপী ভাষাত অধিকৰণ কাৰকত চিত্তে ব্যৱহাৰ হয়। পইঠো <প্রবিষ্টঃ, >পইট ঠ >পইঠ্ঠ ` পইঠো (দ্বিত্ব ব্যঞ্জন হেতু ও অন্ত্যস্বৰাগম হ'ল আৰু এটা ব্যঞ্জন লোপ পালে)। কাল অর্থাৎ সময়, ধ্বংসকাৰী শক্তি। দিঢ <দৃঢ। কৰিঅ<কৃত্বা, *কৰিত - কৰিঅ (কৰি)। মহাসুহ<মহাসুখম্। পৰিমাণ ` পৰিমাণয় (অনুজ্ঞা অর্থত), অর্থাৎ প্রমাণ কৰা, পৰিমাণ কৰা। ভণই<ভণতি, অর্থাৎ কয়। পুচ্ছিঅ পৃষ্টা, পৃচ্ছিত, অর্থাৎ পুছি, সুধি। জাণ <জানথ (জানথ>জাণহ: জাণঅ>জাণ), অর্থাৎ জানি লোৱা বা তত্ত্ব বুজি লোৱা। সঅল<সকল। সমাহিঅ <সমাধিত সমাধিৰ দ্বাৰা। কাহি—কেনেকৈ, কিদৰে, কি কৰি (কামৰূপী)। কৰিঅই ক্রিয়তে, অর্থাৎ কৰা হয়, কৰা যায়। সুখ-দুখেতেঁ--সুখ-দুখত। নিচিত নিশ্চিত। মৰিআই/মৰিঅই <ম্রিয়তে, মৰে। এড়ি—এৰি, ত্যাগ কৰি। এউ—এই। ছান্দক <ছন্দ (=ইচ্ছা-অভীপ্সা, কামনা-বাসনা), ছান্দ + -ক >-ৰ (ষষ্ঠী বিভক্তি)। পুৰণি অসমীয়াত এই প্রত্যযৰ বহুল প্রযোগ হোৱা দেখা যায়, যেনে—'আমাক ভয়ত পলাই থাকন্ত পলাইবাৰ নাহি ঠাই।'—কালিৰাম মেধি সম্পাদিত 'প্রহ্লাদ চৰিত্র', ১৯১৩ ইং পৃঃ ১৪; 'ৰাৱণা ৰাজাক ভয়ে কান্দে ধীৰ ধীৰ।'—ডঃ মহেশ্বৰ নেওগ সম্পাদিত 'দুর্গাবৰী গীতি-ৰামায়ণ', ১৯৫৪, পৃঃ ৩৩। কৰণক - কৰণ (ইন্দ্রিয়) +-ক ` -ৰ (ষষ্ঠী বিভক্তি)। পাটেৰ<পাটবং (পাটবং সংস্কৃতোক্তিষ্) =পটুতা, নিপুণতা। আস <আশা; পুৰণি অসমীয়াত বহুল ব্যৱহৃত শব্দ। সুন্নপাখ<শূন্যপক্ষ (শূন্যতত্ত্ব); শূন্য >শূন্ন, সূন্ন >সুন্ন; পক্ষ>পক্খ, পখ্খ>পাখ। শূন্যপক্ষ=শূন্যমার্গ, শূন্যতত্ত্ব বা নৈৰাত্ম-ধর্ম্ম। ভিত্তি<ভিত্তি। লেহুৰে/লাহুৰে—(লেহু + ৰে; লাহু + ৰে) = 'লোৱা'। গীতি-লযৰ ধ্বনি-প্রতীক হিচাবে 'ৰে' প্রয়োগ হৈছে। ৰে ক্রিয়া পদৰ পাছত বহে; উদাহৰণ—'ৰাম

আইলৰে বনেৰ মৃগ মাৰি ৰাম আইলৰে' ('দুৰ্গাবৰী গীতি ৰামায়ণ', পৃঃ৪৬); 'এ হৰ পলাইলৰে আজু হৰ পলাইলৰে' (দৈৱচন্দ্ৰ তালুকদাৰ সম্পাদিত 'সুকনানী : পদ্মাৱতী', ১৯৬৭, পৃঃ ১১৩)। বিশেষ্য পদৰ পাছতো সম্বোধনাৰ্থে 'ৰে' প্ৰয়োগ হয় (দুৰ্গাবৰী গীতি-ৰামায়ণ, পৃঃ ৫২, ৬০ ইত্যাদি)। লুইপাদে পটমঞ্জৰী ৰাগত, দুৰ্গাবৰে মঞ্জৰী ৰাগত আৰু শঙ্কৰদেৱে আশোৱাৰী ৰাগত 'ৰে' প্ৰয়োগ কৰিছে। পাস<পাৰ্শ্ব (ওচৰ)। আম্‌হে অস্মে। ঝাণ<ধ্যানং ; ঝাণ+এ = ঝাণে (সপ্তমী বিভক্তি)। দিঠা<দৃষ্ট (দেখা); দৃষ্ট>দিট্‌ঠ>দিঠ্‌ঠ<দিঠা (দ্বিত্ব ব্যঞ্জনৰ এটা লোপ হৈ—আ হৈছে ; জোৰ বুজোৱা অৰ্থত আ যোগ হৈছে)। ধমণ < (√ধ্মা > সং ধমন)—শ্বাস গ্ৰহণ, পূৰক, বায়ু অৰ্থত ব্যৱহাৰ হৈছে। চমণ চ্যবণ প্ৰা, চবণ > (অপ.) চমণ—প্ৰশ্বাস অৰ্থত। বেণি < প্ৰা. বেণ্ণি, অৰ্থ—দুই (দ্বি, দ্বে)। পাণ্ডি—পাটী (ঢাৰি-পাটী), পবিত্ৰ আসন। বইঠা < উপবিষ্ট, বহা অৰ্থত। ৰামচৰণ ঠাকুৰৰ 'কংসবধ' নাটত আছে—'পৰম সাদৰে সুবৰ্ণ আসনে বৈঠাই।'

২

ৰাগ—গৱড়া : কুক্কুৰীপাদানাম্

দুলি দুহি পিটা ধৰণ নজাই।
ৰুখেৰ তেন্তুলি কুম্ভীৰে খাঅ[১] ॥
আঙ্গণ ঘৰপণ সুন ভো বিআতী।
কানেট চৌৰি[২] নিল অধৰাতী ॥
সুসুৰা নিদ গেল বহুড়ী জাগঅ।
কানেট চোৰে নিল কা গই মাগঅ ॥
দিৱসই বহুড়ী কাড়ই[৩] ডৰে ভাঅ।
ৰাতি ভইলে কামৰু জাঅ।
অইসন চৰ্য্যা কুক্কুৰীপাএঁ গাইউ[৪] ।
কোড়ি মঝেঁ একু হিআহিঁ[৫] সমাইউ[৬] ॥

পাঠান্তৰ

১. খাই, বাগচী, খাঅ, শাস্ত্ৰী। ২. চোৰে, বসু, চৌৰি, শাস্ত্ৰী বাগচী। ৩. কাড়ই, শাস্ত্ৰী, বসু, কাউই, সেন। ৪. গাহউ, সেন, গাইড়, শাস্ত্ৰী। ৫. এক্ক ছিঅহিঁ, বসু, নীসেন; একুড়ি অহিঁ, শাস্ত্ৰী; একুহিআঁহ, সেন। ৬. সনাইউ, সেন, সনাইড, শাস্ত্ৰী, সমাইড়, বসু।

গূঢ়াৰ্থ

এই চৰ্য্যাটিত কুম্ভক-যোগৰ দ্বাৰা চৰম তৃপ্তি (সহজানন্দ) উপভোগ কৰাৰ বিষয়ে কোৱা হৈছে। যিবোৰ অনভিজ্ঞ লোক, তেওঁলোকে চিত্তক নিৰ্বাণ মাৰ্গত চলাই সহজানন্দ উপভোগ কৰিব নোৱাৰে; কিন্তু গুৰুৰ উপদেশ-বাণীৰে কুম্ভক-যোগৰ দ্বাৰা দেহ-বৃক্ষৰ ফলস্বৰূপ চিত্তক নিস্পৃহ কৰিব পাৰে। দেহৰূপ ঘৰৰ ওচৰতেই মহাসুখৰ আওনা বা ক্ষেত্ৰ পৰি আছে। হে দুখবিনাশিনী অৱধূতী, মোক তালৈকে লৈ বলা। তাত আধা ৰাতিতে বা মাজনিশা প্ৰজ্ঞাজ্ঞান লাভৰ সময়ত পূৰক, ৰেচক আদি বৰ্জিত কুম্ভক যোগৰ দ্বাৰা মই স্থিৰভাৱে বায়ু ধাৰণ কৰি পৰমানন্দ উপভোগ কৰিব পাৰিম।

কুম্ভক-সমাধিত শ্বাসবায়ু স্থিৰ হৈ যেতিয়া অতীন্দ্ৰিয় আনন্দত প্ৰযুক্ত হয়, তেতিয়া জাগতিক মোহ গুচি যোগীৰ পৰিশুদ্ধ প্ৰকৃতি-ৰূপিণী নোৱাৰী জাগি থাকে. আৰু সহজানন্দত পূৰক আদি বায়ু-প্ৰৱাহ নোহোৱা হে গ্ৰাহ্য-গ্ৰাহকভাৱ লয় পায়, অৰ্থাৎ চিত্ত অচিত্তত লীন হয়; গাতকে তেতিয়া কামনা কৰিবলৈ একোৱে নাথাকে।

চিত্ত সজাগ হৈ থাকিলে ইন্দ্ৰিয় আদিও সতেজ হৈ থাকে। সজাগ-সতেজ অৱস্থাকে দিন বুলি বুজোৱা হৈছে। চিত্তই হৈছে দৃশ্য-দৰ্শনৰ কাৰণ। গাতকে নিজ সংবৃত্তিৰ দ্বাৰাই জগত সৃষ্টি কৰি ভয়াবহ জাগতিক ৰূপ বা পৰিণতি দেখি নিজেই ভয় খাই উঠে; কিন্তু ইন্দ্ৰিয়-চৈতন্য নাইকিয়া হৈ প্ৰজ্ঞাজ্ঞান লাভ হলে চিত্ত পৰিশুদ্ধ হৈ নিৰ্বিকাৰ ভাৱে মহাসুখত বুৰ যায়। এনেকুৱা তত্ত্বমূলক চৰ্য্যা কুক্কুৰীপাদে গায়। এক কৌটি যোগীৰ ভিতৰত এজনৰ হৃদয়তহে হয়তো ইয়াৰ তত্ত্ব প্ৰৱেশ কৰিব পাৰে।

এই চৰ্য্যাটি তেনেই ৰূপকধৰ্মী। কাছ, তেঁতেলি, কুম্ভীৰ, শহুৰ,

বোৱাৰী, সোণ, দিন-ৰাতি আদিক ৰূপক স্বৰূপে লৈ ৰচকে সহজীয়া তত্ত্বৰ কথা দাঙি ধৰিছে।

শব্দ-টোকা

সং—দুলি, ডুলি > প্ৰা.দুলী (কাছ); সাধাৰণ অৰ্থত মাইকী কাছ। দুহি—দোহন কৰি, দুগ্ধ ক্ষীৰাই। পিটা—আধাৰ, পাত্ৰ; শৰীৰত থকা ২৪ তত্ত্বক ২৪ খন পীঠ বুলি কল্পনা কৰা হৈছে। সিবোৰৰ মাজত বজ্ৰমণি পীঠ অন্যতম। পীঠ < পিটা। ধৰণ নজাই—ধৰা নাযায়, নধৰা হৈছে, ধৰিব নোৱাৰি। অনভিজ্ঞ যোগীয়ে ইয়াৰ তত্ত্ব বুজিব নোৱাৰে; কিন্তু কুম্ভকযোগ-অভ্যাসীয়ে বুজিব পাৰে। (কুম্ভক যোগ হৈছে প্ৰাণায়ামৰ এটা প্ৰকাৰ, আন দুটি হৈছে পূৰক আৰু ৰেচক)। ৰুখেৰ < বৃক্ষ, বৈদিক ৰুক্ষ > প্ৰা. ৰুক্খ; অৰ্থ—গছ। তেন্তলি—তেঁতেলি। পুৰণি অসমীয়াত তেন্তেলি শব্দৰ প্ৰয়োগ হৈছে। ইয়াত তেন্তুলি শব্দই বক্ৰগামী বোধিচিত্ত অৰ্থ কৰিছে। কুম্ভীৰ—ঘৰিয়াঁল। ইয়াত কুম্ভীৰ শব্দৰ দ্বাৰা কুম্ভক-যোগক বুজোৱা হৈছে। খাঅ—খায়। আঙ্গণ < অঙ্গনা (গৃহিনী, পত্নী)। ধ্বনি-বিপৰ্য্যয় ঘটি আঙ্গণ হৈছে। ঘৰপণ—ঘৰ-সংসাৰ। আঙ্গণ ঘৰপণ—ঘৰৰ তিৰোতা, গৃহিণী। সুন—শুনা। ভো—হেৰা; অঙ্কীয়া নাটত ইয়াৰ বহুল ব্যৱহাৰ হৈছে। বিআতী—বিৱাহিতা স্ত্ৰী, বোৱাৰী। কানেট—(কন্যাপট্ট, সেন); কৰ্ণ > কণ্ণ > কাণ। সাংকেতিক ভাষা হেতুকে 'কানেট' শব্দৰ উপৰুৱা অৰ্থ হৈছে কাণৰ অলঙ্কাৰ, কাণত থকা বস্তু (< কৰ্ণস্থ, > কণ্ণঠ্‌ঠ > কাণঠ > কাণট, কাণেট/কানেট—সাংকেতিক শব্দ)। ইয়াত কানেট শব্দই প্ৰকৃতি-দোষ বুজাইছে। চৌৰি বা চোৰ শব্দ সহজানন্দৰ প্ৰতীক স্বৰূপ। 'অৰ্জ্জুন ভঞ্জন' নাটত চৌৰি শব্দটো আছে। নিল—নিলে, হৰণ কৰিলে। অধৰাতী < অৰ্দ্ধৰাত্ৰ (আধাৰাতি, মাজনিশা)। সুসুৰা < শ্বশুৰ (শহুৰ); আচল অৰ্থ 'শ্বাস'। নিদ < নিদ্ৰা (টোপনি)। গেল—কামৰূপী ক্ৰিয়া-পদ; মান্য অসমীয়াত—গ'ল। সুসুৰা নিদ গেল—শহুৰ টোপনি গ'ল, অৰ্থাৎ

শ্বাস বন্ধ হ'ল। বহুড়ী<সং ব্যৱহাৰিকা; ব্যৱহাৰিকা>প্ৰা. ৱৱহাৰিআ>*বহাৰিআ>বহাৰী<বহুড়ী> বোৱাৰী। ইয়াত বহুড়ী শব্দই 'অবধূতিকা' অৰ্থ কৰিছে। জাগঅ<জাগ্ৰতি; জাগ্ৰতি> জগ্গই>জাগই, জাগঅ (জাগে, জাগি থাকে, সাৰে থাকে)। কা—কাক। গই<গত্বা (গৈ)। মাগঅ<মাৰ্গতি (মাগে, খোজে)। দিৱসই —দিনতেই; দিৱসই<দিৱস+ই (জোৰ বুজোৱা অৰ্থত ই স্বাৰ্থিক প্ৰত্যয় হিচাপে প্ৰয়োগ হৈছে)। চৰ্য্যাৰ দাৰ্শনিক তত্ত্বমতে চিত্তৰ সজাগ অৱস্থাক 'দিন' আৰু সুপ্ত অৱস্থাক 'ৰাতি' বুলি কোৱা হয়। কাড়ই—এই শব্দটি শাস্ত্ৰীৰ পাঠত আছে। টীকা-পুথিৰ লিপিতো 'কাড়ই' শব্দটি স্পষ্ট দেখা যায়। কোনো কোনোৱে ইয়াক 'কাগই' কৰিছে আৰু তাৰ অৰ্থ হ'ল—কাউৰী। ড° সেনে এই অৰ্থৰ বশবৰ্ত্তী হৈ 'কাউই' শব্দটো সৃষ্টি কৰিছে। কিন্তু ড° সেনে উদ্ধৃতি কৰা চৰ্য্যাৰ টীকাত আছে—'মৃদ্বাদ্যধ্যাসয়ে ভেদেন সাহৱধূতীকা সংবৃত্ত্যা শুক্ৰৰূপেণ ত্ৰৈলোক্যং নিৰ্ম্মায় পুনঃ স্বয়মেব দিবাদিজ্ঞানমুৎপাদ্য। কাড়ই ইতি কায়কালপুৰুষায় বিভেতি সন্ত্ৰস্তা ভবতি।' ইয়াত 'কাউৰী' শব্দৰ ধাৰণা স্পষ্ট নহয়। আমাৰ চিন্তামতে 'কাড়ই' শব্দটি 'কাৰ্য্য' শব্দৰ পৰা আহিছে (কাৰ্য্য>কাৰেঃ>কাৰেই>কাৰই, কাড়ই)। অধ্যাপক বসুৱে কাড়ই শব্দৰ উদ্ভৱ এইদৰে দেখুৱাইছে—কৰ্ষতি> কড্ঢই> কাঢ়ই>কাড়ই। আনহাতে টীকা অনুসৰি 'কাড়ই' শব্দটিৰ ব্যাখ্যাৰ্থ হ'ল—'কায়কালপুৰুষায়।' অৰ্থাৎ জগতৰ বিভীষিকাময় কাৰ্য্য-কলাপৰ পৰা। ইয়াকে সম্ভৱ ড° বাগচী আৰু ড° সেনে কাউৰী বুলি ধাৰণা কৰিছে। ডৰে—(হিন্দী—ডৰ) ভয়ত। ভাঅ<ভাবয়তি=বিভেতি; ভয় পায়, ভীত হয়। ডৰে ভাঅ—ভয়ত সন্ত্ৰস্ত হৈ পৰে। ভইলে—হইলে, হলে; পুৰণি অসমীয়াত বহুল ব্যৱহৃত শব্দ; ইয়াৰ অন্যান্য ৰূপ—ভইলা, ভৈলা, ভৈল। কামৰু—কামৰূপ, কামপীঠ অৰ্থাৎ মহাসুখচক্ৰ স্থান, সহজীয়াসকলৰ শ্ৰেষ্ঠ তীৰ্থ। জাঅ—যায়। অইসন—এনেকুৱা। কুকুৰী পাএঁ—কুকুৰীপাদে। গাইউ<গায়তি>প্ৰা. গাঅই>অপ. গাইঅ>অৰ্বাচীন অপ. গাইউ=গায়। কোড়ি<

কোটি। মঝেঁ/মাঝেঁ—(মধ্য মজ্ঝ মাঝ+এ=মাঝেঁ, মঝ+এ= মঝেঁ) মাজত। একু—এক; একম্ এক্ক>একু। হিঅহি—হিঅ (<হৃদয়)+হি সপ্তমী=হিয়াত, অন্তৰত। সমাইউ—সোমায়, প্ৰৱেশ কৰে, থিতাপি লয়. সং সমায়াতি (সম্+আ+√যা)>সমাআই> সমাই+উ (সাংগীতিক ধ্বনি-প্ৰতীক স্বৰূপে উ আগম হৈছে)।

৩

ৰাগ—গৱড়া : বিৰুৱাপাদানাম্

এক সে শুণ্ডিণী[১] দুই ঘৰে সান্ধঅ।
চীঅণ বাকলঅ বাৰুণি বান্ধঅ॥
সহজে থিৰ কৰী বাৰুণি সান্ধে[২]।
জেঁ অজৰামৰ হোই দিঢ[৩] কান্ধঃ॥
দশমি দুআৰত চিহ্ন দেখইআ[৪]।
আইল গৰাহক অপণে বহিআ॥
চউশঠী ঘড়িয়ে দেট[৫] পসাৰা।
পইঠেল গৰাহক নাহি নিসাৰা॥
এক ঘড়ুলী[৬] সৰু ই নাল।
ভণন্তি বিৰুআ থিৰ কৰি চাল॥

পাঠান্তৰ

১। লিপি-মূলত আছে শুণ্ডিনিণী। ২। সান্ধ, বসু; সান্ধে, শাস্ত্ৰী, বাগচী, সেন। ৩। দিট, শাস্ত্ৰী, সেন; দিঢ, বাগচী, শহীদুল্লা। ৪। দেখিআ, বসু, দাশগুপ্ত; দেখইআ, শাস্ত্ৰী, বাগচী, সেন। ৫। দেল, বাগচী; দেট, শাস্ত্ৰী, সেন। ৬। ঘড়ুলী, সেন, মুখোপাধ্যায়, বাগচী, নীসেন. স ডুলী, শাস্ত্ৰী।

গূঢ়াৰ্থ

মানৱ-দেহৰ অঙ্গ-প্ৰত্যঙ্গ চিন্তা-ভাবনা, জ্ঞান-প্ৰজ্ঞান প্ৰভৃতিৰ মাজেৰেই এই চৰ্য্যাটিৰ তত্ত্ব ব্যাখ্যা কৰা হৈছে। ভাৰতীয় সমাজৰ পৰা অস্পৃশ্য নাৰী মদ, পাত্ৰ আদিকো উপমা স্বৰূপে চৰ্য্যাকাৰে প্ৰয়োগ কৰিছে। সামাজিক চিত্ৰটি চৰ্য্যা-ৰচকে এনেদৰে

আঁকিছে—এগৰাকী শুড়িনী তিৰোতাই দুটা ঘৰত সোমাই চিকুণ বাকলিৰে বাৰুণী-মদ বান্ধে। পদূলিমুখ দেখিলেই গৃহস্থৰ অৱস্থা বা প্ৰকৃতি সম্পৰ্কে কিছু পৰিমাণে ধাৰণা কৰিব পৰা যায়। শুড়ীৰ ঘৰৰ দুৱাৰ মুখ দেখিলেও বুজিব পাৰি যে সেইটো শুড়ীৰ ঘৰ, তাত মদ তৈয়াৰ কৰা হয়। অসমীয়াত এটি প্ৰবচন আছে যে ' চোৰেহে দেখে চোৰৰ ঠেং। মদপীয়ে জানে মদৰ স্থান ॥' গতিকে মদৰ গ্ৰাহক বা মদপীয়ে দুৱাৰত চিন দেখি চিনি পাই নিজে নিজেই আহি শুড়ীৰ ঘৰত সোমাই পৰে। শুড়ীৰ ঘৰত চৌষষ্ঠীটা ঘাগৰীত (কলহত) মদ ঢলা হৈছে। মদপীয়ে যেই এবাৰ ঘৰৰ ভিতৰ সোমাল, তাৰ আৰু সাৰ-সুৰ নাইকিয়া হ'ল। ক্ষুদ্ৰ নালেৰে এটা সৰু ঘাগৰীত বা ঘটীত মদ বাকিছে। সেই সময়ত বিৰুৱাপাদে (মদ বাকোঁতাক) সাৱধান কৰি দিছে যে সৰু নালেৰে ঘটীত মদ বাকোঁতে ভালকৈ মনোযোগ দিব লাগে; নহলে প্ৰয়োজন অনুপাতে মদ পোৱা নাযাব, য'তে ত'তে পৰি যাব।

এই উপমা-চিত্ৰৰ দ্বাৰা অনুপন্থীৰ মন আকৰ্ষণ কৰি চৰ্য্যাৰচকে সহজীয়া তত্ত্বৰ কথা কৈছে। মানুহৰ নাকৰ বাওঁফালে ললনা-নাড়ী আৰু সোঁফালে ৰসনা-নাড়ী থাকে। ললনা-নাড়ীক গ্ৰাহক আৰু ৰসনা-নাড়ীক গ্ৰাহ্য বুলি কল্পনা কৰা হৈছে। এই দুয়োডাল নাড়ী বা ধমনীৰ মাজত গ্ৰাহ্য-গ্ৰাহকভাৱহীন অৱধূতী-নাড়ী থাকে। ইয়াত অৱধূতী-নাড়ীক পৰিশুদ্ধ নৈৰাত্মাদেৱী বুলিও ধৰা হৈছে। শুণ্ডিনী নাৰী উচ্চ শ্ৰেণীৰ লোকৰ মানত ইন্দ্ৰিয়গ্ৰাহ্য নহয়, অস্পৃশ্য। অৱধূতিকাক শুণ্ডিনী নাৰীৰ সৈতে তুলনা কৰা হৈছে। এই অৱধূতিকাই উক্ত দুয়োডাল নাড়ীৰ কথা বুজি সিবিলাকক যেন নিজৰ পথলৈ আনিছে। এনে অৱস্থাত যোগীয়ে গুৰুৰ উপদেশমতে চিকুণ বাকলিৰ দ্বাৰা তৃপ্তিদায়ক বাৰুণী মদৰ নিচিনাকৈ নিজৰ বোধি-চিত্তক বান্ধিছে। ইয়াত চিকুণ শব্দই অবিদ্যা-আবৰ্জ্জনাহীনতাৰ অৰ্থ কৰিছে; বাকলি শব্দই প্ৰভাস্বৰ-শূন্যতাক বুজাইছে। মনৰ পৰা গ্ৰাহ্য-গ্ৰাহকভাৱ দূৰ হলে আৰু নৈৰাত্মাৰ সঙ্গ লাভ কৰিব পাৰিলে

যোগীৰ চিত্তই পৰম সুখত নিমগ্ন হব পাৰে। সহজানন্দত বুৰ গৈ বোধিচিত্তই শূন্যতাৰ পথত বিচৰণ কৰিব পাৰে। বোধিচিত্তক পূর্ণ সংযমত আনি শূন্যতাত লীন নিয়াব পাৰিলে সেই চিত্ত অজৰ-অমৰ হয়। চিত্তৰ এনে অৱস্থাকে বৈষ্ণৱ ধৰ্ম্মত মোক্ষপ্ৰাপ্তিৰ অৱস্থা বুলি কয়।

শৰীৰত নখন দুৱাৰ আছে; সেইবোৰ হ'ল—দুই চকু, দুই কাণ, নাকৰ দুই বিন্ধা, মুখ, গুহ্য দ্বাৰ আৰু মূত্ৰদ্বাৰ। চৰ্য্যাৰ তত্ত্বমতে দশম দুৱাৰখন হ'ল 'বৈৰোচন দুৱাৰ'; নিৰ্বাণ প্ৰাপ্তিৰ পথকে ইয়াত বৈৰোচন দুৱাৰ বোলা হৈছে। এই দুৱাৰত পৰম সুখ লাভৰ চিন দেখি গ্ৰাহকৰূপী বোধিচিত্তই নিজে আহি তাত উপস্থিত হ'ল আৰু চাৰিওফালে কেৱল মহানন্দৰ পয়োভৰ দেখা পালে; বোধিচিত্ত আনন্দত বিভোৰ হৈ পৰিল। চিত্তৰ তেতিয়া আন জ্ঞান লোপ পালে। মদে যেনেকৈ মদপীক আনন্দত আত্মহাৰা কৰে, মহাসুখৰ উপকৰণেও তেনেকৈ চিত্তক অচিত্তত লীন নিয়ায়।

পৰম সুখ ধাৰণ কৰে বুলিয়ে এই চৰ্য্যাটিত অৱধূতিকাক ঘটী বা ঘাগৰী বোলা হৈছে। অৱধূতিকাৰ গ্ৰাহ্য-গ্ৰাহক ভাৱ নাথাকে, ই পৰমানন্দময় সূক্ষ্ম অৱস্থাত থাকে; সেইবাবে ইয়াক সৰু বুলি কল্পনা কৰি ক্ষুদ্ৰ নালৰ সৈতে তুলনা কৰা হৈছে। অসমীয়াৰ সৰবৰহী প্ৰবচন 'সূতাৰ সাঁকো খুৰৰ ধাৰ'ৰ লগত ইয়াক ৰিজাব পাৰি। অতি ক্ষুদ্ৰ সাঁকোৰ ওপৰেদি মূৰত মেটমৰা বোজা লৈ পাৰ হোৱা সহজ কথা নহয়। সেইদৰে ক্ষুদ্ৰ অৱধূতী-পথেৰে গৈ নিৰ্বাণ লাভ কৰাটোও সাধাৰণ কথা নহয়। নিৰ্বাণ পাবলৈ হলে চিত্তৰ সকলো প্ৰকাৰ সংযম আৰু বিশুদ্ধতা থকা আৱশ্যক। এই কথাটিকে বিৰুৱাপাদে চৰ্য্যাটিৰ মাজেৰে সকিয়াই দিছে।

শব্দ-টীকা

সে <সঃ/সা (সেই, তাই, তেওঁ)। শুণ্ডিনী<শৌণ্ডিক, শুণ্ডিন্। অৰ্থাৎ শৌণ্ডিকৰ ভাৰ্য্যা, শুড়ী তিৰোতা, শুড়িনী। লিপিত থকা 'শুণ্ডিনিনী' শব্দটো লিপিকাৰৰ ভুলবশতঃ হৈছে। সান্ধঅ< সন্ধাপয়তি, সন্ধয়তি (সোমায়/তৈয়াৰ কৰে)। চীঅণ<চিক্কণ

(চিকুণ, ধুনীয়া, পৰিষ্কাৰ, শুদ্ধ)। বাকলঅ < বল্কল (বাকলি)। বাৰুণি < বাৰুণী (মদ)। বান্ধঅ < বন্ধয়তি = বধ্নাতি (বান্ধে)। সান্ধে—সাজে, সাজু কৰে, ৰান্ধে। জেঁ < যি। জেঁ অজৰামৰ—যি অজৰ-অমৰ। যাৰ দ্বাৰা অজৰামৰত্ব লাভ কৰিব পাৰি তাকেই কৰা। দৃঢ় স্কন্ধই অজৰামৰত্ব। দিঢ় কান্ধ < দৃঢ় স্কন্ধ। হোই < ভবতি = হয়, হোৱা, কৰা। দশমি দুআৰত—দশম দুৱাৰত। মানুহৰ দেহত নখন দুৱাৰ থাকে, যেনে—দুই চকু, দুই কাণ, নাকৰ দুই বিন্ধা, মুখ, গুহ্য দ্বাৰ আৰু মূত্ৰদ্বাৰ। এইবিলাকৰ উপৰিও অতিৰিক্ত দুৱাৰ হ'ল—বৈৰোচন দুৱাৰ। পাৰমার্থিক সত্য বা বুদ্ধত্ব অথবা নির্বাণ-প্রাপ্তিৰ উপায়-পথকে ইয়াত বৈৰোচন-দুৱাৰ বুলি ধৰা হৈছে। সেই দুৱাৰেদি প্ৰৱেশ কৰিব পাৰিলে মহাসুখকমলৰস পান কৰিব পাৰি। বিৰুৱা পাঁদে দশমি দুৱাৰ বুলি তাকেই কৈছে। চিহ্ন দেখইআ—চিন দেখি। আইল—আহিল। গৰাহক < গ্ৰাহক। অপণে—নিজে, আপুনি, স্বয়ং। বহিআ—বহিল। চউশঠী < চউষঠ্ঠী < চৌষট্ঠী < সং চতুঃষষ্টি ; তিনিকুৰি চাৰি। ঘাড়য়ে—ঘটীত, কলহত। দেট/দেল - দিলে। পসাৰা—প্ৰসাৰ, বিস্তাৰ। পইঠেল—প্ৰৱেশ কৰিলে। নাহি—নাই। নিসাৰা—নিসাৰ, সাৰ-সুৰ নথকা। ঘড়ুলী—ঘটী, ঘাগৰী, কলহ। সৰু ই নাল—সৰু নাল, সৰু মুখ (চুঙা); ই তেনেই সৰু নাল (অৰ্থাৎ কলহৰ মুখখন তেনেই সৰু)। ভণন্তি—ভণতি, ভণই—কয়। থিৰ কৰি—ঠিক কৰি, সাৱধানে। চাল—চলোৱা। থিৰ কৰি চাল—ইয়াতে নিবাণ লাভৰ উদ্দেশ্যে বোধ-চিত্তক স্থিৰভাৱে বা সাৱধানেৰে চলোৱাৰ কথা কৈছে।

৪

ৰাগ—অৰু : গুণ্ডৰীপাদানাম্

তিঅড্ডা চাপী জোইণি দে অঙ্কৱালী।
কমল কুলিশ ঘাণ্টে[১] কৰহুঁ বিআলী।
যোইণি তঁই বিণু খনহিঁ ন জীৱমি।
তো মুহ চুম্বী কমলৰস পীবমি॥

খেপহুঁ জোইণি লেপ নজায়।
মণিকুলে বহিআ ওড়িআণে সমাঅ[2]॥
সাসু ঘৰেঁ ঘালি কোঞ্চা তাল।
চান্দ সুজ বেণি পখা ফাল॥
ভণই গুড্ডৰী অহ্মে কুন্দুৰে বীৰা[3]।
নৰঅ নাৰী মঝেঁ[4] উভিল চীৰা॥

পাঠান্তৰ

১। ঘান্টে, শাস্ত্রী; ঘান্টে, সেন; ঘাণ্টি, বসু। ২। সমাঅ, বাগচী, সেন: সগাঅ, শাস্ত্রী; ইয়াত 'গ' অস্পষ্ট: টীকা মতে 'ম' হব লাগে। ৩। ধীৰা, শাস্ত্রী, সেন; বীৰা, নীসেন, বসু। ৪। মাঝেঁ, বসু; মঝে, শাস্ত্রী, সেন।

গূঢ়াৰ্থ

ইয়াত যোগিনী হ'ল নৈৰাত্মাদেৱী। তিঅড্ডা শব্দই ললনা, ৰসনা আৰু অৱধূতিকা নামক তিনিডাল প্ৰধান নাড়ীৰ কথা কৈছে। ইহঁতৰ কাষ চাপি যোগিনীয়ে আলিঙ্গন দিয়ে; অৰ্থাৎ সাধকক নৈৰাত্মাদেৱীৰ মাহাত্ম্য সম্পৰ্কে জ্ঞান দিয়ে। সেই জ্ঞান লাভ কৰি সাধক আনন্দিত হয়। তেনে অৱস্থাতে কোৱা হৈছে—'হে সাধক তুমি বজ্ৰপদ্মৰ ঘাটত চিত্তক শূন্যতাৰে পৰিপূৰ্ণ কৰি সহজানন্দত বুৰ যোৱা, বিয়লি বেলিকা বা কালাতীত স্তৰত অবিৰলভাৱে নিৰ্বাণৰ সাক্ষাৎ লাভ কৰা।' সাধকে তেতিয়া মধুলগ্নৰ তাৎপৰ্য্য উপলব্ধি কৰি প্ৰায় উন্মত্ত হৈ পৰে, আৰু আকুলচিত্তে কৈ উঠে—'হে যোগিনী! তুমি অবিহনে মই ক্ষন্তেক সময়ো বাচি নাথাকিম। আনন্দৰ আধাৰ স্বৰূপ তোমাৰ মুখ চুম্বন কৰি মই উষ্ণীষ কমলত পৰমাৰ্থ-মধু পান কৰিম।' এই চিত্ৰ-কল্পটি ৰূপকাত্মক। ইয়াত এহাতে সাধকজন যেন এজন প্ৰেমিক আৰু যোগিনীগৰাকী এজনী প্ৰেমিকা। প্ৰেমিক-প্ৰেমিকাৰ প্ৰেমময় চিত্ৰ ইয়াত পৰিস্ফুট হৈছে। আনহাতে সাধক আৰু ধৰ্মকায়ৰ মাজত উদ্ভৱ হোৱা বিপুল আকৰ্ষণৰ মধুৰ চিত্ৰও ফুটি উঠিছে।

গুণ্ডৰীপাদ তন্ত্র-শাস্ত্রত এজন পাৰদৰ্শী পুৰুষ আছিল। চৰ্য্যাটিত তেওঁ তন্ত্র-শাস্ত্ৰৰ অন্তৰ্গত ষট্‌চক্ৰৰ তত্ত্বও ব্যাখ্যা কৰিছে। সাধকে যোগিনীৰূপী নৈৰাত্মাৰ আকৰ্ষণত প্ৰায় উন্মত্ত হোৱা অৱস্থাৰ মাজেৰে চৰ্য্যাকাৰে ইয়াকে কৈছে যে যোগীসকলে পৰিশুদ্ধ চিত্তে সহস্রাৰ পদ্মত[১] মনোনিবেশ কৰিব পাৰিলে বিমল আনন্দ অনুভৱ কৰে। শাস্ত্রত সহস্রাৰ পদ্মক আনন্দৰ আধাৰ বুলি কৈছে। ইয়াত শূন্যতাস্বৰূপ তথতা বিৰাজমান; তেওঁ নিজেই আনন্দস্বৰূপ, তেওঁৰ কৃপাতেই ভক্ত-সাধকৰ মোহান্ধকাৰ দূৰ হয়।[২] আলোচিত চৰ্য্যাটিত সহস্রাৰ পদ্মৰ নিচিনাকৈ তথতাক মূৰত স্থাপন কৰি যোগী আনন্দত অধীৰ হোৱা বুজাইছে।

চৰ্য্যাত বৰ্ণিত বোধিচিত্ত তথতাৰ দৰে বিশুদ্ধ প্ৰকৃতিৰ হলেও অবিদ্যা-মোহত পৰি সংসাৰ-চক্রত বন্দী হয়। কিন্তু নৈৰাত্মাক লাভ কৰিবৰ স্পৃহা প্ৰবল হলে মায়াৰ বন্ধনো লাহে লাহে খুলকি যায়। তাৰ পাছত বোধিচিত্তই ক্ৰমে ক্ৰমে উৎকৰ্ষতা সাধন কৰি নৈৰাত্মাৰ লগত মিলি পৰিবলৈ সক্ষম হয়। ইয়াত তথতাক শিৰত

১। শাস্ত্ৰমতে মানুহৰ দেহত থকা ছয়টা মূল চক্ৰক সাধকসকলে 'পদ্ম' বুলি অভিহিত কৰে। সেইবোৰ হ'ল—মূলাধাৰ চক্ৰ, স্বাধিষ্ঠান চক্ৰ, মণিপুৰ চক্ৰ, অনাহত চক্ৰ, বিশুদ্ধাখ্য চক্ৰ আৰু আজ্ঞা চক্ৰ। এইবোৰৰ স্থান ক্ৰমে গুহদ্বাৰৰ পৰা মূৰলৈকে। লিঙ্গ আৰু গুহদ্বাৰৰ ঠিক মাজতে থকা অস্থিখণ্ডৰ তলৰ শেষ প্ৰান্তত অতি গুপ্ত আৰু সূক্ষ্ম বিন্দুময় মূলাধাৰ পদ্ম আছে। মেৰুদণ্ডৰ সুষুম্না পথত মূলাধাৰৰ ওপৰত নাভিৰ তলত লিঙ্গ-মূলৰ ওপৰত স্বাধিষ্ঠান চক্ৰ। ইয়াৰ ওপৰত নাভিমণ্ডলত মণিপুৰ চক্ৰ; তাৰ অলপ ওপৰত হৃদি-মণ্ডলত অনাহত পদ্ম; কণ্ঠদেশত বিশুদ্ধাখ্য পদ্ম। ভ্ৰূযুগলৰ মাজত চন্দ্ৰৰ নিচিনা শুভ্ৰ আৰু জ্যোতিৰ্ম্ময় আজ্ঞাপদ্ম অধিষ্ঠিত। যোগীসকলে একান্ত চিত্তে এই পদ্ম ধ্যান কৰি থাকে। আজ্ঞাচক্ৰৰ ওপৰত মহানাদ নাম-ধাৰী যি শিৱলিঙ্গ আছে তাৰে ওপৰত থকা শঙ্খিনী নাড়ীৰ মূৰত শূন্যময় স্থান, ইয়াতেই সহস্রাৰ পদ্ম বিৰাজমান।

২। ইহ স্থানে দেবঃ পৰমশিব সমাখ্যান সিদ্ধঃ প্ৰসিদ্ধঃ,
স্বৰূপী সৰ্ব্বাত্মা ৰস বিসৰমিতোঽজ্ঞানমোহান্ধহংসঃ। (ষটচক্ৰ)

স্থাপন কৰাৰ কথা কৈছে। তাৰ পৰা উদ্ভূত বোধিচিত্তই কুণ্ডলিনীৰ দৰে মণিমূলত অৰ্থাৎ মূলাধাৰ চক্ৰত মোহাবিষ্টভাবে থাকে। এই স্থানতে সাধকসকলে পোন প্ৰথমে পৰম যোগ আৰম্ভ কৰে। সাধকসকলে ক্ৰমে ক্ৰমে প্ৰত্যেক চক্ৰ সাধনা কৰি কুণ্ডলিনী-শক্তিক[৩] জাগ্ৰত কৰি আৰু প্ৰত্যেক চক্ৰৰ মাজেদি চলাই নি সহস্ৰাৰ পদ্মত অৱতীৰ্ণ কৰায়। কুণ্ডলিনী-শক্তিৰ উত্থান-গতি বিদ্যুৎ সদৃশ অতি ক্ষিপ্ৰ। ইয়াক সহস্ৰাৰ পদ্মত থকা পৰম শিৱৰ লগত সংযুক্ত কৰা 'লয়-যোগানুষ্ঠান'ৰ এটা প্ৰধান কাৰ্য্য। এই লয়-যোগৰ সময়তে যোগীসকলে পৰমানন্দ লাভ বা সিদ্ধি লাভ কৰে। এনে তত্ত্বৰ আধাৰতে চৰ্য্যাটিত কোৱা হৈছে যে কুণ্ডলিনী যেনেকৈ জাগ্ৰত হৈ সহস্ৰাৰ পদ্মলৈ গতি কৰে, বোধিচিত্তও তেনেকৈ প্ৰবল আবেগত নৈৰাত্মাৰ লগত মিলি পৰে।

চৰ্য্যাপদটিত যোগৰ দ্বাৰা বোধিচিত্তক জাগ্ৰত আৰু সক্ৰিয় কৰাৰ উপায় সম্বন্ধে কোৱা হৈছে। সাধনাৰ প্ৰভাৱত দৈৱী শক্তি কুণ্ডলিনীৰ জাগৰণ আৰু উত্থান ক্ৰিয়াৰ দ্বাৰা জীৱৰ দৈহিক বাহ্য ক্ৰিয়া মন্দীভূত হয়। তেতিয়া শিৱ শক্তি লিঙ্গ স্বৰূপ হয় আৰু তেওঁৰ প্ৰকৃতি তেতিয়া সুপ্তভাৱে থাকে। এনে অৱস্থাত যোগীসকলে সিদ্ধি লাভ কৰে বুলি কোৱা হয়। ইয়াকে উদ্দেশ্য কৰি সিদ্ধাচাৰ্য্যই কৈছে যে 'হে যোগী, শ্বাস-নিশ্বাস বন্ধ-কৰি গ্ৰাহ্য-গ্ৰাহকভাৱ ত্যাগ কৰা। তুমি মহামুদ্ৰাৰ সাক্ষাৎ লাভ কৰা।' গুণ্ডৰীপাদে শেষত নিজৰ কথাৰে চৰ্য্যাটিৰ সামৰণি পেলাইছে এইদৰে যে তেওঁ কুন্দুৰ-যোগৰ দ্বাৰা ক্লেশ নাশ কৰি অক্ষয় সুখৰ অধিকাৰী হৈছে; তেওঁ এতিয়া এজন ধীৰ-স্থিৰ বীৰ; যোগী-যোগিনী-সকলৰ মাজত তেওঁ এজন মহাযোগী বুলি পৰিচিহ্নিত হৈছে।

৩। মানুহৰ শৰীৰত ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা, আৰু শুক্ৰ নামেৰে সাত বিধ ধাতু আছে। শুক্ৰ দুই ভাগে বিভক্ত হৈ স্থূল অংশই শুক্ৰৰ পুষ্টি আৰু সূক্ষ্ম অংশ ওজঃৰূপে কুণ্ডলিনী-শক্তি স্বৰূপ হৈ সূক্ষ্ম শৰীৰৰ অঙ্গীভূত হয়, আৰু জীৱিত অৱস্থাত জীৱৰ সমগ্ৰ শৰীৰত তেজৰ বিকাশ সাধন কৰে।

শব্দ-টোকা

তিঅড্ডা, ত্ৰিযুক্ত > তিঅট্ট > তিঅড্ড > তিঅড্ডা, তিঅড়া; ই এটি সাংকেতিক শব্দ, ই ললনা, ৰসনা আৰু অৱধূতিকা নামৰ তিনি-ডাল নাড়ীৰ কথা কৈছে। চাপী < চাপয়িত্বা (চাপি, ওচৰলৈ আহি), স্বভাৱ বা আভাস শূন্য কৰি। জোইণি যোগিনী। দে—দিয়া, দিয়ে। অঙ্কৱালী—আকোঁৱালি, আলিঙ্গন, সঙ্গম; পুৰণি অসমীয়াত 'আঙ্কোৱালি' শব্দটো ব্যৱহৃত হৈছে। কমল—পদুম। কুলিশ-ইন্দ্ৰৰ বজ্ৰ; ইয়াত 'বজ্ৰ' পাৰিভাষিক শব্দ হিচাবে বহিছে, তাৰ অৰ্থ হ'ল শূন্যতা বা চৰম তত্ত্ব। ঘাণ্টে—ঘাট, ঘুটি (অসমাপিকা ক্ৰিয়া)। কৰহু—কৰা; বৰগীত আৰু অঙ্কীয়া নাটত বহুল ব্যৱহৃত ই এটি ব্ৰজাৱলী শব্দ। বিআলী—বিয়লি বেলিকা, পিছ বেলা, সময় অতীত হোৱা অৰ্থত ব্যৱহৃত হৈছে। যোইণি—যোগিনী। বিণু—বিনে, অবিহনে। খনহিঁ—ক্ষন্তেক সময়ো, অলপ সময়ৰ কাৰণেও। ন জীৱমি—জীয়াই নাথাকিম। তো মুহ চুম্বী—তোমাৰ মুখ চুম্বন কৰি (অৰ্থাৎ তোমাৰ মুখেৰে সহজীয়া তত্ত্ব-কথা শুনি)। কমল-ৰস—পদুমৰ ৰস অৰ্থাৎ মূৰত থকা পদুমৰ মধুৰূপ পৰমাৰ্থ। পীবমি—পিম, খাম। খেপহুঁ— (ক্ষেপ > খেপ + হুঁ) নিক্ষেপ কৰিছো (চেষ্টা কৰিছো)। লেপ—লিপা অৰ্থত, লেপন। নজায়—নাযায়। মণিকুলে—টিকাদতে মণিমূলে, ইয়াত মূলাধাৰ চক্ৰৰ নিচিনা মণিমূল কল্পনা কৰা হৈছে। বহিআ—বৈ, প্ৰৱাহিত হৈ। ওড়িআণে—উৰ্দ্ধস্থানত, মহাসুখচক্ৰত। সমাঅ—সোমায়। সাসু—শ্বাস, শাহ। ঘৰেঁ ঘালি—ঘৰ বন্ধ কৰা হ'ল, ঘৰত বন্ধ কৰি ৰখা হ'ল। কোঞ্চা তাল—চাবি-তলা, দৃঢ় তলা। অৰ্থাৎ ঘৰৰ দুৱাৰ এনেকুৱা কঠিন তলাৰে বন্ধ কৰা হ'ল যি কাৰণে ঘৰত চন্দ্ৰ-সূৰ্য্যও প্ৰৱেশ কৰিব নোৱাৰে। চান্দ-সুজ—চন্দ্ৰ আৰু সূৰ্য্য। পখা—পক্ষ। চান্দ-সুজ বেণি পখা—চন্দ্ৰ সূৰ্য্য দুই পক্ষ। ফাল—খণ্ডন কৰা, বিস্তাৰ কৰা। কুন্দুৰে বীৰা—কুন্দুৰ যোগত বীৰ, শ্ৰেষ্ঠ। গুণ্ডৰীপাদে কৈছে যে তেওঁ কুন্দুৰ যোগৰ দ্বাৰা ক্লেশ আদি নাশ কৰি অক্ষয়

সুখৰ অধিকাৰী হৈছে; তেওঁ এতিয়া এজন ধীৰ-স্থিৰ বীৰ, অর্থাৎ পৰম সিদ্ধ পুৰুষ। টীকাত পৰম সিদ্ধ পুৰুষ অর্থতে 'বীৰ' শব্দটো প্রয়োগ কৰিছে। -- 'দ্বীন্দ্রিয়-সমাপত্তিং যোগাক্ষৰসুখেন ক্লেশাৰিমর্দ্দ-নাদ্বীৰোহহং'—টীকা। নৰঅ নাৰী মঝেঁ—সম্প্রদায়বিহীন যোগী-যোগিনীৰ মাজত। উভিল চীৰা—প্রজ্ঞাৰ ·নিদর্শন স্বৰূপ আঠ প্রকাৰ ঐশ্বৰ্য্যৰ দ্বাৰা মণ্ডিত উত্তম সাধকৰ লক্ষণ মোৰ (গুণ্ডৰী-পাদৰ) গাত বিদ্যমান। উভিল—তুলি ধৰা হ'ল, ধাৰণ কৰা হ'ল। চীৰা—চিহ্ন ধাৰণকাৰী, চিহ্নধাৰী (পতাকা অর্থত)।

৫

ৰাগ—গুর্জ্জৰী : চাটিল্লপাদানাম্

ভৱণই গহণ গম্ভীৰ বেগেঁ বাহী।
দুআন্তে চিখিল মাঝেঁ ন থাহী॥
ধামার্থে চাটিল সাঙ্কম গঢই[১]।
পাৰগামি লোঅ নিভৰ তৰই॥
ফাড্ডিঅ[২] মোহতৰু পটি[৩] জোড়িঅ।
আদঅ[৪] দিঢ়[৪] টাঙ্গী নিবাণে কোড়িঅ[৫]॥
সাঙ্কমত চড়িলে দাহিণ বাম মা হোহী।
নিঅড্ডী[৬] বোহি দূৰ[৭] মা[৭] জাহী॥
জই তুম্হে লোঅ হে হোইব পাৰগামী।
পুচ্ছতু[৮] চাটিল অনুত্তৰ সামী॥

পাঠান্তৰ

১। গঢই, বসু, দাশগুপ্ত গটই, শাস্ত্রী। ২। ফাডিঅ, বসু, দাশগুপ্ত; ফাড্ডিঅ, শাস্ত্রী, বাগচী, নীসেন। ৩। মূলত পটি, পাটি, শাস্ত্রী, বাগচী, সেন, শহীদুল্লাহ; পাটী, বসু, দাশগুপ্ত। ৪। আদঅ দিঢ়ি, শাস্ত্রী, সেন; আদঅ দিঢ়, বসু, দাশগুপ্ত। ৫ কোড়িঅ, শহীদুল্লাহ, সেন; কোহিঅ, শাস্ত্রী, বাগচী, কোৰিঅ বসু, দাশগুপ্ত, নীসেন। ৬। নিঅড্ডী, সেন; নিয়ড্ডী, শাস্ত্রী, বাগচী, মুখোপাধ্যায়; নিয়ড়ি, বসু। দূৰ মা, নীসেন, বসু; দুৰ ম, শাস্ত্রী, সেন। ৮। পুচ্ছতু, সেন; পুচ্ছ তু, বসু, নীসেন।

গূঢ়াৰ্থ

এই বিশ্ব-ব্ৰহ্মাণ্ডখন কিছুমান অস্তিত্ব-প্ৰৱাহৰ সমষ্টি মাথোন। সহজযান ধৰ্ম্মত ইয়াক এটি নদী-প্ৰৱাহৰ লগত তুলনা কৰা হৈছে। নৈৰ সুঁতিৰ মাজত আমি দেখিবলৈ পাও যে পানীৰ প্ৰত্যেকটো কণিকা আন কণিকাৰ পৰা পৃথক, তথাপি কণিকাবোৰ লগ লাগি এটি অখণ্ড সোঁতৰ সৃষ্টি কৰে, আৰু সেই সোঁত প্ৰবল ধাৰে প্ৰৱাহিত হয়। সোঁতৰ খৰ গতিত অলেখ ঢৌ উঠে আৰু মাৰ যায়। খৰস্ৰোতা নদীৰ দৃশ্য সাধাৰণতে ভয় লগা বিধৰ। সংসাৰ-প্ৰৱাহো খৰস্ৰোতা নদীৰ সদৃশ; ইয়াৰ অন্তৰালত থকা তিনিটা সত্য অস্তিত্বই ক্ষন্তেকীয়া আৰু পৃথক; তথাপি এই সকলোবোৰৰ সমষ্টিয়েই হ'ল অখণ্ড ভৱ-প্ৰৱাহ।

চাটিলপাদে চৰ্য্যাটিত কৈছে যে দিন-ৰাতি, বিষয়-তৰঙ্গ উদ্বেলিত হৈ সংসাৰ-নদীক গহীন বা ভয়ঙ্কৰ কৰি তুলিছে। মানুহৰ জাগতিক মোহ, বিষয়-বাসনাৰ প্ৰাচুৰ্য্যই ইয়াক ভয়ঙ্কৰ ৰূপ দিছে। ফলত সংসাৰ-সোঁতৰ গতি প্ৰখৰ হৈ পৰিছে। ইয়াৰ দুই পাৰ বোকাৰে ভৰা, মাজতো থাউনি পোৱা টান, গতিকে এই নদী পাৰ হোৱাটো বৰ কষ্টকৰ। সেই কাৰণে সিদ্ধাচাৰ্য্য চাটিলে এখন সাঁকো সাজিছে। ইয়াৰ ওপৰেদি পাৰ হব খোজা লোকে নিৰ্ভয়ে পাৰ হৈ যাব পাৰিব। বেছ ডাঙৰ টান গছ ফালি সাঁকোৰ পাট জোৰা দিছে; বটালিৰে কাটি-কুটি ইয়াক ঠিক কৰি লগোৱা হৈছে, এতিয়া আৰু ভাঙি যোৱাৰ ভয় নাই; এতিয়া ই এখন মজবুত সাঁকো হৈছে। দৰাচলতে এই গোটেইখিনি কথা ৰূপকাত্মক। তত্ত্বকথা হ'ল এই যে—চাটিলপাদে যি সহজীয়ামত প্ৰচাৰ কৰিছে তাৰ সহায়ত শিষ্যই অনায়াসে ভৱ-নদী পাৰ হৈ নিৰ্বাণ লাভ কৰিব পাৰে। তেওঁ কৈছে যে মোহৰূপ তৰু ফালি পাটবোৰ পৃথক কৰিব লাগে, অৰ্থাৎ চিত্তৰ বিষয়-বাসনা দূৰ কৰিব লাগে। তাৰ পাছত সেইবোৰ (পাটবোৰ) শুদ্ধ কৰি জ্ঞান-মাৰ্গত যুৰি দিব লাগে। চিত্তৰ অদ্বয়-জ্ঞান লাভ হলে নিৰ্বাণ বা মুক্তি পাব

পাৰি। সাংসাৰিক মোহত মজি থাকিলে নিৰ্বাণ লাভ কৰা অসম্ভৱ। কৰত-বটালিৰে যেনেকৈ কাঠৰ পাট বা তক্তা কাটি-কুটি যথাস্থানত বহুৱাই দৃঢ় সাঁকো সাজিব পাৰি, অদ্বয়-জ্ঞানৰ দ্বাৰাও তেনেকৈ নিৰ্বাণ-প্ৰাপ্তিৰ পথ সুদৃঢ় কৰিব পাৰি।

ইয়াৰ পাছত চাটিলপাদে কৈছে যে এই সাঁকোৰ ওপৰত উঠি বাওঁফালে বা সোঁফালে ঘূৰা-বেঁকা কৰা অনুচিত; তেনে কৰিলে সাঁকোৰ ওপৰৰ পৰা বাগৰি পৰিব লাগিব। সাঁকো পাৰ হবলৈ হলে চিত্তক অতি সংযমী আৰু সুদৃঢ় কৰি লব লাগে; গ্ৰাহ্য-গ্ৰাহকভাৱ এৰিব লাগে। তেতিয়াহে সিদ্ধিলাভ কৰিব পৰা যায়। যিকোনো প্ৰকাৰৰ চঞ্চলতাই ব্যৰ্থতাহে আনে, আনন্দ নানে। চৰম সংযম আৰু সুদৃঢ়তাই হৈছে সাধনাৰ সিদ্ধিসূচক লক্ষণ। সিদ্ধিলাভৰ কাৰণে দূৰলৈ যাবই নালাগে, ওচৰতে বোধি (তথতা) হৈ আছে।

পৰিশেষত চাটিলপাদে কৈছে যে যিসকলে এই ভৱ-নদী পাৰ হব খোজে অৰ্থাৎ পাৰ্থিব দুখ-দুৰ্গতি মোচন কৰিব খোজে তেওঁলোকে ইয়াৰ উপায় অনুত্তৰ ধৰ্ম্ম-স্বামী চাটিলপাদক সোধক; তেওঁ কব। সহজীয়া ধৰ্মমতে গুৰুত বাহিৰে এই তত্ত্বকথা আনে নাজানে।

শব্দ-টোকা

ভৱণই—ভৱ-নদী, সংসাৰ স্বৰূপ নদী। গহণ—গহীন, ভয়ঙ্কৰ। গম্ভীৰ—নানা দোষযুক্ত প্ৰৱাহহেতুকে গভীৰ অৰ্থ বুজাইছে। বেগেঁ—গতিত, গতিৰে। বাহী—বয়, প্ৰৱাহিত হয়। দুআন্তে—দুই পাৰে। চিখিল<সং চিখল্ল, চিকিল>প্ৰা চিখিল (বোকাময়)। থাহী—ঠাই। ধামাৰ্থে—ধৰ্মৰ অৰ্থে, ধৰ্মৰ কাৰণে। সাঙ্কম—(সং সংক্ৰমম্) সাঁকো, সেতু, দলং। গঢ়ই<গঠতি (গঢ়ে, সাজে, তৈয়াৰ কৰে)। পাৰগামি—পাৰগামী, পাৰ হব খোজা লোক। লোঅ—লোক, যাত্ৰী। নিভৰ<নিৰ্ভৰ (নিৰ্ভৰযোগ্যভাৱে, নিৰ্ভয়ে, বিশ্বস্তভাৱে)। তৰই<তৰতি, তৰে, পাৰ হয়, উত্তীৰ্ণ হয়

ফাড়িঅ < স্ফাটিত ; ফলা হ'ল। মোহতৰু—মোহৰূপ তৰু ; মায়া-মোহক গছৰ লগত ৰিজোৱা হৈছে। পটি / পাটি—কাঠৰ পাট, তক্তা। জোড়িঅ—জোৰা লগোৱা হ'ল। আদঅ, অদঅ < অদ্বয়। দিঢ় < দৃঢ়। টাঙ্গী—শিল কটা বটালি। নিবাণে < নির্বাণ। কোড়িঅ < কুটিত (কটা-কটি কৰা হ'ল)। সাঙ্কমত—সাঁকোত। চড়িলে—উঠিলে ; অঙ্কীয়া নাট আৰু বৰগীতত বহুল ব্যৱহৃত শব্দ। দাহিণ—দক্ষিণ, সোঁ দিশ। বাম—বাঁও দিশ। মা হোহী—নহবা। নিঅড্ডী/নিঅড়ি/নিঅড়—ওচৰ, ওচৰত। বোহি < বোধি (চৰম জ্ঞান), ই এটি সাংকেতিক বা পাৰিভাষিক শব্দ। দূৰ মা জাহী—দূৰলৈ নাযাবা। জই—যদি। তুম্হে—তুমি। হোইব—হ'ব, পুৰণি কামৰূপী ভাষাত হোইব, হৈব। পুচ্ছতু—সোধা। তু প্ৰত্যয় যুক্ত ক্ৰিয়াপদ বৰগীত আৰু অঙ্কীয়া নাটত অনেক আছে, ই এটি স্বাৰ্থিক প্ৰত্যয়। অনুত্তৰ সামী—শ্ৰেষ্ঠ সিদ্ধাচাৰ্য্য (চাটিলপাদ)।

৬

ৰাগ—পটমঞ্জৰী : ভুসুকুপাদানাম্

কাহৈৰি[১] ঘিণি মেলি অচ্ছহু কীস।
বেঢ়িল[২] হাক[৩] পড়অ চৌদীস॥
অপণা মাংসেঁ হৰিণা বৈৰী।
খনহ নছাড়অ ভুসুকু[৪] অহেৰী॥
তিণ নছুপই[৫] হৰিণা পিবই ন পাণী।
হৰিণা হৰিণিৰ নিলঅ নজাণী॥
হৰিণী বোলঅ হৰিণা সুণ হৰিআ[৬] তো।
এ বণ ছাড়ী হোহু ভান্তো॥
তৰঙ্গন্তে[৭] হৰিণাৰ খুৰ ন দীসঅ[৮]।
ভুসুকু ভণই মূঢ়া[৯] হিঅহি ণপইসঈ[১০]॥

পাঠান্তৰ

১। কাহেৰে, বসু ; কাহৈৰী, নীসেন, শাস্ত্ৰী। ২। বেঢ়িল, বসু, নীসেন, দাশগুপ্ত ; বেঢ়িল, শাস্ত্ৰী। ৩। হাক, শাস্ত্ৰী, দাশগুপ্ত ; ডাক, সেন। ৪। ভুসুকু, বসু, দাশগুপ্ত ; ভুকু, সেন। ৫। ন চ্ছুপই, শাস্ত্ৰী, বসু, বাগচী। ৬। হৰিণা, শাস্ত্ৰী, হৰিআ, সেন। ৭। তৰসন্তে, বাগচী ; তৰসঁন্তে, সেন, তৰংগতে, বসু, দাশগুপ্ত। ৮। দীসঅ, শাস্ত্ৰী, সেন, বসু, মুখোপাধ্যায় ; দীসই, বাগচী, দাশগুপ্ত। ৯। মূঢা, মুখোপাধ্যায়, মূঢ, শাস্ত্ৰী, বসু, দাশগুপ্ত। ১০। ণ পইসঈ, নীসেন, বাগচী, মুখোপাধ্যায়, ন পইসই, বসু।

গূঢ়াৰ্থ

ভুসুকুপাদ এজন নিপুণ চিত্ৰ-শিল্পী আৰু বিশিষ্ট কবি। তেওঁ এহাতে বনৰ নিম্নাখিত দুৰ্বল প্ৰাণীৰ দুৰ্য্যোগৰ চিত্ৰ আঁকিছে, আৰু আনহাতে দাৰ্শনিক তত্ত্বও দাঙি ধৰিছে। চৰ্য্যাটিৰ সৰল অনুবাদ এনেকুৱা—কাৰসৈতে লগ লাগি কি কাৰণে আছ ? চাৰিও-ফালে কেৱল বিপদ-সংকেত শুনা গৈছে। হৰিণাৰ নিজৰ মাংসই বৈৰী। চিকাৰীয়ে এতিয়া ভুসুকুৰূপ হৰিণক নেদেখাকৈ ক্ষন্তেকৰ বাবেও থাকিব নোৱাৰে। হৰিণাই হৰিণীৰ নিলয় নাজানি বা খা-খবৰ নাপাই তৃণডালো নুছুৱে আৰু পানীটোপাও নাখায়। (কিছু পৰৰ মূৰত দেখা-দেখি হৈ) হৰিণীয়ে হৰিণক কৈছে—“হে হৰিণা, এইখন বন এৰি আন এখন বনলৈ যাও ব'ল।' তেতিয়া হৰিণে অতি ক্ষিপ্ৰ গতিত লৰ ধৰিলে, নিমিষতে তাৰ খুৰা পৰ্য্যন্ত দেখা নোপোৱা হ'ল। সিদ্ধাচাৰ্য্য ভুসুকুপাদে কৈছে যে এই কথাৰ তত্ত্ব মূঢ়জনৰ অন্তৰত নোসোমায়।

চৰ্য্যাটিত ৰূপকৰ প্ৰয়োগ মধুৰ হৈছে। ইয়াত ‘হৰিণ' শব্দ-টিৰ দ্বাৰা চিত্তক বুজোৱা হৈছে। ‘হৰিণী' শব্দটিয়ে জ্ঞানমুদ্ৰা বা নৈৰাত্মাদেৱীৰ অৰ্থ কৰিছে। সিদ্ধাচাৰ্য্য ভুসুকু হৰিণ বা হৰিণাৰ ৰূপত অৱতীৰ্ণ হৈছে। ‘হাক'ৰ অৰ্থ হ'ল বাধা-বিঘিনিবোৰ। ‘হৰিণাৰ মাংস' হ'ল পাৰ্থিব বিষয়-বাসনা ; ‘তৃণ-পানী' হ'ল জাগতিক মায়া-মোহ। ‘এ বন' মানে হ'ল আশাময় সংসাৰখন। ‘মূঢ় হিয়া' মানে অবিদ্যাযুক্ত লোক।

অবিদ্যা-বিমোহিত অথচ নিৰ্বাণ-অভিলাষী মানুহ হৰিণাৰ তুল্য। ইবিলাকে মদ-মাৎসৰ্য্য আদিৰ দোষত পৰি নিজৰ সৰ্ব্বনাশ কৰে, মুক্তিৰ পথত আগুৱাই যাব নোৱাৰে; চিত্ত বিভ্রান্ত হয়। এই কথা বুজিব পাৰি ভুসুকু সদগুৰুৱে শিষ্যক বাৰে বাৰে সকিয়াই দিছে। সদ্‌গুৰুৰ বচনৰূপ বাণৰ দ্বাৰা চিত্তক আঘাত কৰা হৈছে। সেই আঘাতত চিত্তই তাৰ বিপদাৱস্থা বুজি পাইছে, গতিকে সি জাগতিক ভোগ ত্যাগ কৰি নিৰাপদ ঠাইলৈ যাবলৈ উদগ্ৰীৱ হৈ পৰিছে; কিন্তু কোনো প্ৰকাৰৰ ইন্দ্ৰিয়াসক্তি থকা হেতুকে নৈৰাত্মা-দেৱীৰ আবাস-স্থল বিচাৰি পাবলৈ অক্ষম হৈছে। এনেকুৱা অৱস্থাতেই নৈৰাত্মাদেৱীয়ে বিপদাপন্ন চিত্ত-হৰিণক কৈছে—'হে চিত্ত-হৰিণ, এই কায়-বন এৰি নিৰাপদময় মহাসুখ-কমল বনলৈ যাওঁ আহ।' উৱাদিহ নোপোৱা চিত্তই নৈৰাত্মাদেৱীৰ পৰমসুখ-ভোগৰ ইঙ্গিত পাই অবিদ্যা-জনিত আশা-আকাঙ্ক্ষা নেওচি পলকতে শ্ৰেষ্ঠ স্থানলৈ গতি কৰিলে। কিন্তু সকলো লোকে এই ইঙ্গিত বুজি নাপায়, পাৰ্থিব বাসনাও সম্পূৰ্ণভাৱে এৰিব নোৱাৰে। সেই কাৰণে ভুসুকুপাদে কৈছে যে মুৰ্খৰ হৃদয়ত এই তত্ত্বই প্ৰৱেশ নকৰে, অৰ্থাৎ জীৱন আৰু জগত সম্পৰ্কে শূন্যতা-জ্ঞান নুপজিলে নিৰ্বাণ লাভ কৰা বা চৰম সুখ পোৱা সম্ভৱ নহয়, প্ৰকৃত সিদ্ধৰ ক্ষেত্ৰতহে ই সম্ভৱ।

শব্দ-টীকা

কাহৈৰি - কাক, কাৰ লগত। ঘিণি<গৃহীত্বা, গ্ৰহণ কৰি, লৈ। মেলি মেল্ ধাতু+ই (ক্ত্বাচ্ প্ৰত্যয়ৰ পৰা), পৰিত্যাগ কৰা অৰ্থত। অচ্ছহু—অচ্ছ ধাতু+-হু প্ৰত্যয়। তুলনীয়—কৰহুঁ, খেপহুঁ (চৰ্য্যা—৪), খেলহুঁ, দেহুঁ, লেহুঁ (চৰ্য্যা—১২), বিহৰহু (চৰ্য্যা—২৯), ধৰহুঁ (চৰ্য্যা—৩৮)। -হুঁ প্ৰত্যয়ান্ত ক্ৰিয়াপদৰ ব্যৱহাৰ ১২৮৪ শকত খোদিত কৰা নগাওঁৰ গছতলৰ শিলালিপিতো পোৱা গৈছে।[৪] ষোল শতিকাৰ অসমীয়া বৰগীত আৰু অঙ্কীয়া নাটত

৪। Dr. P. C. Chaudhury, 'The Gachtal Stone Inscription in the Assam State Museum and its Significance', Vishveshvaranand Indological Journal, Vol. IX. 1971.

-হুঁ প্ৰত্যয়যুক্ত ক্ৰিয়াপদৰ বহুল প্ৰয়োগ হৈছে। কীস<কীদৃশ (কিদৰে কেনেকৈ)। ঘেঁটিল<বেষ্টিত। হাক—বাধা-বিঘিনি। পড়অ<পততি; পৰে। চৌদীস<চতুৰ্দ্দিশ; চাৰিওফালে। অপণা<আত্মনঃ; নিজৰ (ষষ্ঠী বিভক্তি) মাংসেঁ—মাংসৰ বাবে। খনহ<ক্ষণস্থ; ক্ষন্তেকৰ কাৰণে। ছাড়অ—চাৰে, এৰে; নছাড়অ—নেৰে। অহেৰী আখেটিক<অক্ষবাটিক; চিকাৰী। তিণ<তৃণ। ছুপই<স্পৃশ্যতি; ছুৱে। নছুপই—নুছুৱে। পিবই<পিবতি; পিয়ে, খায়। নিলঅ<নিলয়; আলয়; ঘৰ। জাণী<জ্ঞাত্বা; জানি। বোলঅ—বোলে, কয়। তুলনীয়—নাৰদ জহি বানি বোলয় তা দেখহ সুনহ (জ. ৰা. নাট)। সুণ—শুনা। তো<তুম<ত্বম্ (তুমি)। ছাড়ী—এৰি। এ বন ছাড়ী—কায়াৰূপ বন ত্যাগ কৰি। হোহু—হওঁ (ভৱতু>ভৱউ>হোউ>হোহু)। ভান্তো<ভ্ৰম্ (ভ্ৰমতি, ভ্ৰম্যতি, ভ্ৰাম্যতি), ভ্ৰান্তি; ভ্ৰমণ কৰা অৰ্থত প্ৰয়োগ হৈছে। হোহু ভান্তো—টীকামতে ভ্ৰান্তিৰূপ-বিকাৰহীন হৈ বিচৰণ কৰো (বিভ্ৰান্তিবিকল্পৈশ্চচাৰঃ)। কিন্তু বিকাৰশূন্য হৈ ক'ত বিচৰণ কৰিব সেই কথা উহ্য আছে। পাৰ্থিৱ বনৰ (এ বন) বিপৰীতে হব স্বৰ্গীয় বন, সহজীয়া ধৰ্ম্মমতে মহাসুখৰূপ কমল বন য'ত তথতাই চিৰকাল বিৰাজ কৰি থাকে। গতিকে নৈৰাত্মাদেৱীয়ে চিত্ত-হৰিণক তালৈকেহে বিচৰণ কৰিবলৈ আহ্বান কৰিছে। সাধাৰণ অৰ্থত 'হোহু ভান্তো' মানে ভাগি যাওঁ, পলাই যাও অৰ্থও হয়। তৰঙ্গন্তে—তুৰন্তে, অতি ক্ষিপ্ৰ গতিত, মুহূৰ্ত্তে, নিমিষতে, পলকতে। তৰঙ্গ+অন্তে=চোৰ নিচিনা ক্ষিপ্ৰ গতিত। পুৰণি অসমীয়াত অন্ত, অন্তে প্ৰত্যয়ৰ সঘন প্ৰয়োগ হৈছে। ক্ৰিয়া, ক্ৰিয়া-বিশেষণ, সৰ্ব্বনাম আৰু বিশেষ্য পদৰ শেষত এই প্ৰত্যয় ব্যৱহাৰ হোৱা দেখা যায়; যেনে—'কমল-নেত্ৰক দেখন্তে সুখ', 'পথত যাহান্তে পথিক দেখি',—কীৰ্ত্তন। 'তান্তে ৰাজ্যভাৰ ৰাজা সপি নিৰন্তৰ'—মাধৱ কন্দলি ৰামায়ণ। 'মনে প্ৰশংসন্তে যায়', নিতান্তে হৰিক কৰে ধ্যান', 'দিগ্‌গজো তিতিল দান্তে'—কীৰ্ত্তন। ডঃ দাশগুপ্ত, ডঃ মুখোপাধ্যায়,

অধ্যাপক বসু, ডঃ বাগ্‌চী প্ৰভৃতি পণ্ডিতসকলে যদিও 'তবঙ্গন্তে' শব্দটি শুদ্ধ কৰি তবংগতে বা তবনন্তে আদি শব্দ-গঠন দেখুৱাইছে, তথাপি আমাৰ মতে 'তবঙ্গন্তে' শব্দটিয়ে শুদ্ধ। পুৰণি অসমীয়া ভাষাৰ ধাৰাবাহিক বিকাশৰ বৈশিষ্ট্যয়ো আমাৰ মতত বৰঙনি যোগাইছে। খুৰ—ঠেঙৰ খুৰা। দীসঅ—দেখা যায় (দৃশ্যতে); নদীসঅ—দেখা নাযায়, নেদেখি। মূঢ়া—মূঢ়, মূৰ্খ, অজ্ঞানী। হিঅহি—হৃদয়ত, অন্তৰত। পইসঈ<প্ৰবিশতি (প্ৰবেশ কৰে, সোমায়); ণপইসঈ—নপশে, প্ৰৱেশ নকৰে, নোসোমায়।

৭

ৰাগ—পটমঞ্জৰী ঃ কাহ্নপাদানাম্‌

আলিএঁ কালিএঁ বাট[১] ৰুন্ধেলা।
তা দেখি কাহ্ন[২] বিমণ ভইলা॥
কাহ্নু কহিঁগই কৰিব নিবাস।
জো মণগোঅৰ সো উআস॥
তে তিনি তে তিনি তিনি হো ভিন্না।
ভণই কাহ্ন[২] ভৱ পৰিচ্ছিন্না॥
জে জে আইলা তে তে গেলা।
অৱণাগৱণে কাহ্ন বিমণ ভইলা[৩]॥
হেৰি সে কাহ্নি ণিঅড়ী জিনউৰ বট্টই[৪]।
ভণই কাহ্ন[২] মো হিঅহি[৫] নপইসই॥

পাঠান্তৰ

১। বাট, শাস্ত্ৰী, বসু, দাশগুপ্ত; বাটা, সেন। ২। কাহ্নু, শাস্ত্ৰী, বসু, কাহ্ন, সেন। ৩। ভইলা, শাস্ত্ৰী, সেন, বসু, দাশগুপ্ত, নীসেন; টীকা-পুথিৰ লিপিমতে ভৰ্জইলা। ৪। বসই, সেন; বট্টই, শাস্ত্ৰী, বসু, মুখোপাধ্যায়। ৫। মো হিঅহি, শাস্ত্ৰী, বাগচী, সেন, মুখোপাধ্যায়; মোহিঅহি, বসু।

গূঢ়াৰ্থ

সংসাৰৰ চাৰিওফালৰ বাট-পথ মলি-আবৰ্জ্জনাৰে ভৰা। শুচি দেহাৰে বা বিশুদ্ধ মনেৰে কোনোপিনে যাব নোৱাৰি। তাকে

দেখি সিদ্ধাচার্য্য কাহ্নুপাদৰ মনত উদাস ভাব জন্মিল। কাহ্নুপাদে এৰিয়া নিশ্চিন্ত মনে ক'ত গৈ থাকিব? যি মনলে আছে, তাকেই উদাস উদাস লাগে। অৰ্থাৎ প্ৰথম অৱস্থাত কাহ্নুপাদৰ চিত্ত সাংসাৰিক আবৰ্জ্জনাৰূপ অবিদ্যাৰ দ্বাৰা আচ্ছন্ন আছিল; এইবোৰে তেওঁৰ নিৰ্বাণ লাভৰ পথ ৰুদ্ধ কৰি ৰাখিছিল। কিন্তু পাছত তেওঁ গুৰুৰ ওচৰত প্ৰকৃত জ্ঞান লাভ কৰি পবিত্ৰমনা হয়। গুৰুৰ প্ৰসাদ পাই চিত্ত শুদ্ধ হলত তেওঁ সহজানন্দৰ সন্ধান পালে। গতিকে তেওঁ বুজিব পাৰিছে যে এই জগতত মহাসুখ নিহিত আছে; পৰমানন্দ লাভৰ কাৰণে অন্য ঠাইলৈ যোৱাৰ কোনো প্ৰয়োজন নাই। যিসকলে মননেন্দ্ৰিয়ৰ সহায়ত পাৰমাৰ্থিক তত্ত্ব হৃদয়ঙ্গম কৰিব খোজে, তেওঁলোকে মহাসুখৰ স্বৰূপ একোৱে নাজানে, কাৰণ ই ইন্দ্ৰিয়গ্ৰাহ্য বস্তু নহয়।

মায়া-মোহে ভৰা সংসাৰত প্ৰায় সকলো মানুহেই কম-বেছি পৰিমাণে স্বাৰ্থপৰ আৰু অহঙ্কাৰী গতিকে পৰস্পৰৰ মাজত ভিন-পৰ ভাব আপোনা-আপুনি জন্মে। ইন্দ্ৰিয়-স্বভাৱী মানুহৰ মনত আৰু চকুত দৃষ্টি-ভ্ৰম সততে হয়, ভিন্নতা-বোধ তেওঁলোকৰ বেছি। সেই কাৰণে কাহ্নুপাদে কৈছে—'তে তিনি তে তিনি তিনি হো ভিন্না'। অৰ্থাৎ তেওঁলোক তিনিজন, তেওঁলোক তিনিজন,—তিনিজনেই হ'ল ভিন ভিন। সাধু-যোগীৰ মনত এনে ভিন্নতাৰ ভাব থকাটো ঠিক নহয়। আচলতে জগতত আমি যি তিনিজন বা বহুজন অথবা অংসখ্য বস্তু বুলি দেখিছো, স্বৰ্গ-মৰ্ত্ত্য-পাতাল বা দিন-ৰাতি-সন্ধ্যা নতুবা কায়-বাক্-চিত্ত বুলি আমাৰ যি ধাৰণা জন্মিছে—সেইবোৰ স্বয়ং-সম্পূৰ্ণ বস্তু নহয়—শূন্যতাৰ মাজত থাকি আমি এটা অস্তিত্ব-বোধৰ দ্বাৰাহে সকলোকে পৃথক পৃথক দেখিছো। এই অস্তিত্ব-বোধৰ কাৰণেই সাধাৰণ মানুহে পৰমাৰ্থতত্ত্ব নুবুজে। পাৰ্থিৱ মায়াজাল চিৰিব পাৰিলে দ্বৈতভাৱ বা ভিন্নতা-জ্ঞান দূৰ হয়। জগতৰ অনিত্যতা সম্বন্ধে আৰু শূন্যতা-তত্ত্বৰ বিষয়ে জ্ঞান আয়ত্ত হলেহে পৰমাৰ্থতত্ত্ব উপলব্ধি কৰিব পৰা যায়।

সংসাৰত জীৱৰ জন্ম-মৃত্যু হৈয়ে আছে, বস্তুৰ উৎপন্ন-ধ্বংসও চলিয়ে আছে। পৰম যোগীসকলে এই কাৰ্য্যৰ অন্তৰ্নিহিত চৰম সত্যতা বুজি পাই কাৰণে কেতিয়াও বিচলিত নহয়; কাৰণ তেওঁলোকে জানে যে এই ভৱ-জগতলৈ কোনো নাহে আৰু ইয়াৰ পৰা কাৰো যাবলগীয়াও নাই। এই সাৰতত্ব হৃদয়ঙ্গম কৰি এতিয়া কাহ্নুপাদ নিশ্চিন্ত আৰু বিশুদ্ধমনা হৈছে। এতিয়া তেওঁ বুজিছে যে জিনপুৰ (জিনউৰ) অৰ্থাৎ মহাসুখৰ পুৰী তেওঁৰ ওচৰতেই আছে; কিন্তু চিত্ত অবিদ্যা-বিমোহিত হৈ থাকিলে তেওঁৰ অন্তৰতো এই তত্ব প্ৰৱেশ নকৰে।

শব্দ-টোকা

আলিএঁ কালিএঁ—পাৰিভাষিক অৰ্থত 'শ্বাসগ্ৰহণ' আৰু 'শ্বাসত্যাগ'; ১ম চৰ্য্যা অনুসৰি ক্ৰমে 'ধমণ' আৰু 'চমণ', ১১শ চৰ্য্যাৰ টীকা অনুসৰি চন্দ্ৰ-সূৰ্য্য অৰ্থৎ আলি-কালি বহিছে। ষট্‌চক্ৰমতে অ-কাৰাদি আৰু ক-কাৰাদি বৰ্ণমালা মাতৃকা বৰ্ণ। বাট < বট্ট < বত্ত < বৰ্ত্ম। কন্ধেলা—ৰোধ কৰা হ'ল, বন্ধ কৰা হ'ল। তা দেখি—তাকে দেখি। বিমণ ভইলা—মন মৰা হ'ল; টীকা অনুসৰি 'বিশিষ্টমনৰ হ'ল'। কহি গই—ক'ত গৈ। নিবাস বাস কৰা অৰ্থত। জো—যি। মণগোঅৰ—মন-গোচৰ, মনোগোচৰ। সো—সি। উআস—উদাস। তে—তেওঁলোক, সিবিলাক। তে তিনি তে তিনি—সেইবোৰ তিনি বিধ; অৰ্থাৎ স্বৰ্গ-মৰ্ত্ত্য-পাতাল, কায়-বাক্-চিত্ত, দিন-ৰাতি-সন্ধ্যা, যোগ-যোগিনী-তন্ত্ৰ (টীকা)। তিনি হো ভিন্না—তিনিটা হলেই ভিন ভিন হৈ পৰে; অৰ্থাৎ অবিদ্যা হেতুকে সাধাৰণ লোকৰ দৃষ্টিত নানা ৰকম ভেদভাৱ জন্মে; কিন্তু পৰমাৰ্থ-তত্বজ্ঞানী যোগীসকলৰ মনত এনেকুৱা ভেদাভেদ নাথাকে। ভৱ পৰিচ্ছিন্না—জগতখন পৰিচ্ছন্ন, অৰ্থাৎ ভৱ মূলতঃ ছিন্ন হৈ আছে বা ভৱৰ অস্তিত্ব নাই (The world is completely cut-off)। টীকাত আছে—'ভৱবিকল্পচ্ছেদকাঃ'। পৰিচ্ছিন্ন + আ = পৰিচ্ছিন্না

(পৃথক পৃথক, খণ্ড খণ্ড, বিভক্ত'। 'জে জে আইলা···বিমণ ভইলা'—যিবোৰ জন্মিছে সেইবোৰেই লয় পাইছে; এই নিচিনা অহা-যোৱা বা জন্ম-মৃত্যুৰ ধাৰণা বিকল্পাত্মক অৰ্থাৎ ভেদ-জ্ঞানৰ পৰিচায়ক। বস্তুতবে এনে ভেদ-জ্ঞানৰ আভাস পাই কাহ্নু বিমনা হ'ল। জে জে—যি যি। আইলা—আহিল। তে তে—সিবিলাক। ইয়াত দ্বিরুক্তিৰ দ্বাৰা বহুবচন কৰা হৈছে। অৱণাগৱণে—অহা-যোৱা; সংসাৰ-চক্ৰত-যাতা-য়াত কৰা বুজাইছে। (সং অয়নম্=গমনম্। অৱণ<অয়ন<অনট্)। গেলা—গ'ল (কামৰূপী ভাষাত 'গেলা' হয়)। ভইলা—ভৈলা; 'ভইলা' শব্দটোৰ পাঠ শাস্ত্ৰী আৰু সেনৰ; টীকা পুথিৰ লিপিত আছে— ভইহৈলা'। এইটো নিসন্দেহে লিপিকাৰৰ ভুল। 'হেৰি সে কাহ্নি···পইসই'—সদ্গুৰুৱে যেন কাহ্নুক কৈছে 'হে কাহ্নু, চোৱা, আমাৰ ওচৰতে মহাসুখৰ পুৰী বৈ আছে। তুমি মন মাৰি থাকিব নালাগে।' তেতিয়া কাহ্নুৱে কৈছে যে 'মোৰ হিয়াত সেই তত্ত্ব প্ৰৱেশ নকৰে'। হেৰি—দেখি, দেখা, চোৱা। সে—সেই। কাহ্নি—সম্বোধনাৰ্থে কাহ্নি বহিছে। নিঅড়ী—ওচৰত। জিনউৰ—জিনপুৰ (মহাসুখপুৰ, আনন্দধাম)। বট্টই/বসই—বৰ্ত্ততি>বট্টই>বসই। মো হিঅহি—মোৰ হিয়াতো; জোৰ বুজোৱা অৰ্থত হি প্ৰত্যয় বহিছে। অসমীয়া ভাষাত ই এটি স্বাৰ্থিক প্ৰত্যয়; যেনে- তেওঁ এইমাত্ৰ আহি পালেহি।

৮

ৰাগ—দেৱক্ৰী ঃ কম্বলাম্বৰপাদানাম্

সোনে ভৰিলী[১] করুণা নাৱী।
ৰূপা থোই নহিকে[২] ঠাৱী॥
বাহ তু কামলি গঅণ উৱেসেঁ।
গেলী জাম বহুড়ই[৩] কইসেঁ॥
খুন্টি উপাড়ী মেলি লি কাচ্ছী।
বাহতু কামলি সদ্গুৰু পুচ্ছী॥

মাঙ্গত চড়্হিলে[৪] চউদিস চাহঅ।
কেড়ুআল নাহি কেঁ কি বাহবকে পাৰঅ।
বাম দাহিণ চাপী মিলি মিলি মাগা॥
বাটত মিলিল মহাসুহ[৫] সুঙ্গা[৬]॥

পাঠান্তৰ

১। ভৰিলী, নীসেন, শহীদুল্লাহ; ভৰিতী, শাস্ত্ৰী, বাগচী, সেন। ২। নাহিক, বসু, দাশগুপ্ত; মহিকে. টীকা-লিপি, সেন। ৩। বহুড়ই, সেন, নীসেন; বহুউই শাস্ত্ৰী; বাহুডই, বাগচী, বসু। ৪। চহ্বিলে. সেন; চড়্হিলে, শাস্ত্ৰী. নীসেন, বাগচী, বসু, দাশগুপ্ত। ৫। মহাসুহ, শাস্ত্ৰী, বসু, নীসেন; মহাসুখ, সেন। ৬। সঙ্গা, মুখোপাধ্যায়; স্বঙ্গা. সেন; সাঙ্গা, বসু, দাশ-গুপ্ত, টীকাৰ লিপিত আছে সুঙ্গা।

গূঢ়াৰ্থ

চৰ্য্যাটিত শূন্যতা আৰু কৰুণাৰ মিলনৰ কথা লক্ষ্য কৰা যায়। সহজীয়াসকলে শূন্যতাৰ লগত কৰুণাক নিবিড়ভাৱে মিলাই লৈছে। ইয়াত সিদ্ধাচাৰ্য্য কম্বলাম্বৰপাদে কৰুণাৰূপ নাও শূন্যতাৰূপ সোণেৰে ভৰাই লৈছে। ৰূপ থবলৈ সেই নাওত ঠাই নাই। ৰূপ শব্দটিয়ে দুখ-ক্লেশ-বেদনা আদিক বুজাইছে। মহাসুখ স্বৰূপ শূন্যতাক লাভ কৰিব পাৰিলে দুখ-বেদনা কোনে গ্ৰহণ কৰিব? সাধাৰণ লোকেও সোণ পালে ৰূপ নিবিচাৰে। সেইদৰে যোগীয়ে পৰম তত্ত্বৰ সন্ধান পালে সাংসাৰিক অবিদ্যাৰ দ্বাৰা বিমোহিত হব নিবিচাৰে। ইয়াত চৰ্য্যা-ৰচোঁতাই নিজকে সম্বোধন কৰি কৈছে যে—'হে কম্বলাম্বৰ-পাদ, তুমি চিত্তৰূপ নাও আকাশৰ পিনে অৰ্থাৎ নিৰ্বাণ-লাভৰ উদ্দেশ্যে চলোৱা। সেই পিনে গতি কৰিলে তোমাৰ আগৰ জন্ম ঘূৰি নাহিব অৰ্থাৎ তুমি বাৰে বাৰে জন্ম নলৈ অমৰত্ব লাভ কৰিব পাৰিবা। গতিকে জাগতিক মায়া-মোহ সদৃশ খুটিবোৰ উঘালি নাওৰ কাছি খুলি লোৱা; সদ্‌গুৰুক সুধি প্ৰকৃত পথৰ সন্ধান লৈ নাও বাই দিয়া। নাওৰ বুকুত উঠিলে চাৰিওফালে

সতর্ক দৃষ্টি ৰাখিবা, নহলে পানীত বুৰি মৰিব লাগিব; অৰ্থাৎ নিৰ্বাণ-পথেৰে খোজ ললে চাৰিওফালে দৃষ্টি ৰাখি অতি সাৱধানে আগ বাঢ়িবা; কাৰণ অসাৱধান হলেই ভৱ-সাগৰৰ পাক-চক্ৰত পৰি যাবা।' এই অৱস্থাত গুৰুৰ উপদেশ অতি প্ৰয়োজনীয়। যেনেকৈ গুৰি-বঠা নহলে নাও চলাব নোৱাৰি, তেনেকৈ গুৰু অবিহনে তত্ত্ব-মন্দিৰত সোমাব নোৱাৰি। ঘাই বঠা নাথাকিলে জানো কোনোবাই নিৰাপদে নাও চলাব পাৰে? গুৰু নহলেও শিষ্যৰ তেনেকুৱাই অৱস্থা হয়। গুৰু হ'ল ধৰ্ম্ম-নাওৰ কাণ্ডাৰী।

বাওঁ-সোঁ ওচৰ চাপি চাপি গৈয়েই লক্ষ্যস্থান সৃষ্টি কৰিছে। শত-সহস্ৰ নদী নানা ঠাইৰ মাজেৰে বৈ গৈয়ে সাগৰত মিলিছে। সহজীয়া তত্ত্বমতে বাওঁ-সোঁ অভ্যাস দুটি নাইবা গ্ৰাহ্য-গ্ৰাহকভাৱ গুচাই মধ্যৱৰ্ত্তী বিৰমানন্দৰ সৈতে বোধিচিত্ত মিলি পৰিলে যি মাৰ্গ বা নিৰ্বাণ-পথ সৃষ্টি হয় তাতেই মহাসুখ বিৰাজমান। পৰম ভক্তই সদ্‌গুৰুৰ কৃপাত সেই মহাসুখত নিমজ্জিত হব পাৰে। চৰ্য্যামতে সেই বাটতেই মহাসুখৰ সঙ্গ বা নৈৰাত্মাৰ সঙ্গ পোৱা যায়।

শব্দ-টোকা

সোনে—সোণৰ দ্বাৰা অৰ্থাৎ শূন্যতাৰ দ্বাৰা। সকলো কামনা-বাসনা, ভেদ-জ্ঞান বৰ্জ্জিত প্ৰভাস্বৰ চিত্তই হ'ল প্ৰজ্ঞাস্বৰূপ, এইয়ে শূন্যতা, ইয়াকে চৰ্য্যাটিত সোণৰ লগত তুলনা কৰা হৈছে। ভৰিলী—ভৰিছে, ভৰিল, ভৰ্ত্তি হৈছে। করুণা—বৌদ্ধধৰ্ম্মৰ পাৰিভাষিক শব্দ; উপায়। নাৱী—নাও, চৰ্য্যাত বোধিচিত্তক বুজাইছে। করুণা নাৱী—করুণাৰূপ নাও; ইয়াত বোধিচিত্তক বুজাইছে। ৰূপা—সাধাৰণ অৰ্থত 'ৰূপ' নামৰ এবিধ ধাতু। চৰ্য্যাত অবিদ্যা-চিত্তৰ পৰা জন্মা যি ৰূপ-জগত সেয়ে হ'ল ৰূপা। থোই—থবলৈ, ৰাখিবলৈ। নহিকে—নাই; পুৰণি অসমীয়াত নাহিকে, নুহিকে শব্দ ব্যৱহৃত হৈছে। বৰ্ত্তমানেও কামৰূপত নাইকা (নাইকিয়া) শব্দ চলে। ঠাৱী—ঠাই, চৰণৰ অন্ত্য মিলৰ কাৰণে ঠাৱী হৈছে। পুৰণি অসমীয়াতো

ছন্দ-মিলৰ বাবে মূল শব্দৰ ৰূপান্তৰ ঘটোৱা দেখা যায়; যেনে—"জগ ভাবেক যাকেৰি নাম। দেখো পুহু আপুন ঠাম।" —শঙ্কৰদেৱৰ বৰগীত। কৰবাত আকৌ একে অৰ্থত অথচ ছন্দমিলৰ বাবে ঠাণাও বহিছে। বাহ তু—তুমি বোৱা, তুমি চলোৱা। কামলি—সম্বোধনাৰ্থে কম্বলাম্বৰপাদক কামলি বুলিছে। গঅণ—গগন, আকাশ। উৱেসেঁ—উদ্দেশ্যে > উএসেঁ > উৱেসেঁ। গেলী—যোৱা, আগত যোৱা, পূৰ্ব্বৰ অৰ্থত। জাম—জন্ম > জন্ম > জাম। বহুড়ই—ব্যাঘুটতি > বাহুড়ই, বহুড়ই; অৰ্থ—ফিৰে, উলটে। অঙ্কীয়া নাট আৰু বৰগীতত এই একে অৰ্থত 'বহুৰি' শব্দৰ প্ৰয়োগ হৈছে; উদাহৰণ—'অতৱে চাতুৰি চোৰি চলহু বহুৰি হৰিএ, জাহা পৃয়া ৰমনি তোহাৰা' —পাৰিজাত হৰণ নাট। কইসেঁ—কেনেকৈ (< কীদৃশেন)। খুণ্টি—খুটি; টীকা অনুসৰি 'আভাসদোষম্।' উপাড়ী—উভালি, উঘালি (< উৎপাট্য)। শঙ্কৰদেৱে অঙ্কীয়া নাটত এই অৰ্থত 'উপাড়ল' শব্দ প্ৰয়োগ কৰিছে। মেলি লি—মেলি ল, মুকলি কৰি ল, খুলি ল। কাচ্ছী—কাছি, নাওবন্ধা ডাঙৰ ৰছী। পুচ্ছী—সুধি, সুধি-পুছি। মাঙ্গত—মাৰ্গত, নিৰ্বাণৰ পথত। চড়্হিলে—চড়িলে, উঠিলে। চউদিস < চতুৰ্দ্দিশ, চাৰিওফালে। চাহঅ—চোৱা, চাব লাগে। কেড়ুআল—দাড়, বঠা; চৰ্য্যাত সদ্গুৰুৰ বাণীৰূপ বঠা। নাহি—নাই, নথকা, নোহোৱা। কেঁ—কোনে। কি—কিদৰে, কেনেকৈ। বাহবকে—বাবলৈকে, চলাবলৈকে; কে—কামৰূপী স্বাৰ্থিক প্ৰত্যয়, জোৰ বুজোৱা অৰ্থত প্ৰয়োগ হয়; যেনে—সি পঢ়াবকে নোৱাৰে, কি পণ্ডিত হ'ল? 'হাল বাবাকে নৰাহ্ তাতে তই গ'ৰু কিন্বা অল্ছাহ?' পাৰঅ—পাৰে। বাম-দাহিণ—বাও-সোঁ (গ্ৰাহ্য-গ্ৰাহক ভাৱ, চন্দ্ৰ-সূৰ্য্য)। চাপী—ওচৰলৈ আহি, কাষ চাপি। মিলি মিলি—লগ লাগি। মাগা—মাৰ্গ। মহাসুহ সঙ্গা—মহাসুখৰ সঙ্গ, নৈৰাত্মজ্ঞানৰ অভিষঙ্গ।

৯

ৰাগ – পটমঞ্জৰী ঃ কাহ্নুপাদনাম্

এবংকাৰ দৃঢ়[১] বাখোড় মোড্ডিউ[২]।
বিবিহ বিআপক বান্ধণ তোড়িউ॥
কাহ্নু বিলসঅ আসৱ মাতা।
সহজ নলিনীবণ পইসি নিবিতা॥
জিম জিম কৰিণা কৰিণিৰেঁ ৰিসঅ।
তিম তিম তথতা মঅগল বৰিসঅ॥
ছড়গই সঅল সহাৱে সুধ।
ভাৱাভাৱ বলাগ ন ছুধ॥
দশবল[৩] ৰঅণ হৰিঅ দশদিসেঁ।
বিদ্যা কৰি দমকুঁ[৪] অকিলেসেঁ[৫]॥

পাঠান্তৰ

১। দৃঢ়, শাস্ত্রী, নীসেন; দৃট, সেন; দিঢ়, বসু। ২। মোড্ডিউ, শাস্ত্রী, বাগচী; মোড়িউ, বসু, দাশগুপ্ত। ৩। দশবব, সেন; দশবল, শাস্ত্রী, বাগচী, নীসেন। ৪। দমকুঁ, শাস্ত্রী, নীসেন, বসু; অবিত্তাকৰিকু দম, বাগচী; দম, জা, সেন। ৫। অকিলেসেঁ, শাস্ত্রী, নীসেন; অহিলেসেঁ, সেন।

গূঢ়াৰ্থ

সহজীয়া মতবাদত অবিদ্যা-চিত্তক বিনাশ কৰাৰ অৰ্থই হ'ল তাক প্ৰজ্ঞাৰ জ্যোতিৰে মহিমোজ্জ্বল কৰা। মহাসুখৰ অনুভূতিত মত্ত হোৱা সাধকৰ প্ৰভাস্বৰ চিত্তক মদমত্ত হাতীৰ লগত তুলনা কৰা হৈছে। এই চৰ্য্যাটিত কাহ্নুপাদে ৰূপকৰ মাজেৰে ধৰ্মতত্ত্ব ব্যাখ্যা কৰিছে এইদৰে—এটি মাতাল হাতীক যেন দুটা তাৰৰ খুঁটাত (স্তম্ভত) বান্ধি ৰখা হৈছে, তদুপৰি তাৰ গা-টো নানা ধৰণে বন্ধা হৈছে; কিন্তু সি বাগিয়াল বস্তু খাই উন্মত্ত হৈ পৰিছে, তেতিয়া সি যেন তাৰ সকলো ধৰণৰ বান্ধ ছিঙি পদুম বনত সোমাই খেলা কৰাত লাগি গৈছে। সেই নিচিনাকৈ কাহ্নুপাদেও পাৰমাৰ্থিক

তত্ত্ব-লাভৰ আশাত উতলা হৈ দিন-ৰাতিৰ ভেদ জ্ঞানস্বৰূপ ছুটি খুটি ভাঙি আৰু নিৰ্বাণ-পথৰ কণ্টকস্বৰূপ নানা বান্ধ ছিঙি মহাসুখৰ আকৰ সহজ-নলিনীবনত সোমাই নিৰ্বিকল্পভাৱে আনন্দ-খেলত মজি পৰিছে। যেনেকৈ মাখুন্দীৰ (মাইকী হাতীৰ) সঙ্গ-লাভৰ কাৰণে মাখুন্দাবোৰে (মতা হাতীবোৰে) আসক্তি-মদ ঢালে, তেনেকৈ নৈৰাত্মাদেৱীৰ সঙ্গ-লাভৰ বাবেও কাহ্নুপাদে এতিয়া নিৰ্বাণ-মদ বৰ্ষণ কৰিছে। অৰ্থাৎ সাধকে যেতিয়া চিত্তক অচিত্তত লীন নিওৱাৰ পাছত পাৰমাৰ্থিক সুখত নিমজ্জিত হয়, তেতিয়া তেওঁৰ ভেদাভেদ জ্ঞান একো নাথাকে। কাহ্নুপাদৰো এতিয়া তেনে অৱস্থা হৈছে।

সিদ্ধাচাৰ্য্যসকলে জনসাধাৰণৰ চিনাকি প্ৰাণী বা বস্তুক উপমা স্বৰূপে লৈ ধৰ্মৰ গূঢ়তত্ত্ব ব্যাখ্যা কৰিছিল যাতে শিষ্যই তাক সহজে হৃদয়ঙ্গম কৰিব পাৰে।[৫]

নিজৰ চিত্ত পৰিশুদ্ধ হোৱাৰ পাছত কাহ্নুৱে এতিয়া ভাৱাভাৱৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব পাৰিছে। তেওঁ এতিয়া বুজি উঠিছে যে কণীৰ পৰা উৎপন্ন হোৱা আৰু জৰায়ুৰ পৰা জন্মা সকলো প্ৰাণী

৫। হাতীক ইয়াত উপমা-স্বৰূপে অনাৰ ঐতিহাসিক তাৎপৰ্য্যটো হ'ল এইয়ে যে আগতে কামৰূপ, গাৰোপাহাৰ, গোৱালপাৰা, শিৱসাগৰ আদি অবিভক্ত অসমৰ জিলা কেইখনৰ মানুহৰ কাৰণে হাতী সামাজিক জীৱনৰ অঙ্গ স্বৰূপ আছিল ; প্ৰায়বোৰ চহকী অসমীয়া লোকে তেতিয়া গৰু-ম'হ পোহাৰ দৰে হাতীকো পুহিছিল। সেই সময়ত, আনকি কুৰি শতিকাৰো সৌ সিদিনালৈকে মৌজাদাৰসকলে আৰু সমাজৰ গণ্য-মান্য ব্যক্তিয়ে হাতীক যান-বাহনৰূপে ব্যৱহাৰ কৰিছিল। কোনো মাঙ্গলিক কাজ-কৰ্ম্মতো হাতী অনা হৈছিল। হাতী অসমীয়া লোকৰ অতি পৰিচিত জন্তু।

গুণাভিৰাম বৰুৱাই লিখিছে—'অতি পূৰ্বকালৰে পৰা কামৰূপ হস্তীৰ নিমিত্তে বিখ্যাত। মহাভাৰতত ভগদত্তৰ যি হস্তীৰ কথা লিখা আছে তাক নধৰিলেও ৰঘুবংশ কাব্যত এনে বিৱৰণ পোৱা যায় যে প্ৰাগ-জ্যোতিষপুৰ বা কামৰূপৰ ৰজাই অনেক হস্তী ৰঘুৰজাক দান কৰিছিল।' —আসাম বুৰঞ্জী, ২য় প্ৰকাশ, পৃঃ ২৫। তদুপৰি হস্তীবিদ্যাৰ্ণৱ, ঘোঁৰা-নিদান আদি পশু-চিকিৎসাবিষয়ক গ্ৰন্থবোৰ কামৰূপ-অসমতেই ৰচিত। অসমীয়া মানুহে হাতী-ঘোঁৰা নুপুহিলে এনে গ্ৰন্থ ৰচিত নহ'লহেঁতেন।

স্বভাৱতে পৰিশুদ্ধ, কাৰণ সকলোবোৰ জীৱ (ঈশ্বৰ বা) তথতাৰ পৰা সৃষ্টি হৈছে, মূলতঃ সিবিলাকৰ ভাৱাভাৱ অকণো অপবিত্ৰ নহয়। কিয়নো, জগতত যিহেতু নিজাকৈ কোনো উৎপন্ন নহয় আৰু একো ধ্বংসও নহয় সেইহেতুকে ভাৱ আৰু অভাৱৰ বিভিন্নতাও নাই ; ভিন্নতা হ'ল মনৰ ভ্ৰান্তি মাথোন ; গতিকে এইটো শুদ্ধ, সেইটো অশুদ্ধ বুলি গ্ৰাহ্য কৰা যুক্তিহীন।

জগত আৰু নিৰ্বাণৰ মাজত বিশেষ পাৰ্থক্য নাই কাৰণেই তথতা সকলোতে বিৰাজমান। বৌদ্ধধৰ্মৰ মতে এই বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলোবোৰ বস্তু অনিত্য, আৰু আটাইবোৰ অনাত্মক, কেৱল সকলোপিনে শূন্যতাই বিয়পি আছে। অনুভৱৰ অভ্যাসৰ জৰিয়তে তথতা-স্বৰূপ দশবলৰ দ্বাৰা বিদ্যাকৰী অৰ্থাৎ অবিদ্যা-হাতীক অনায়াসে দমন কৰিব পৰা যায়। অবিদ্যা দমি গলেই চিত্ত নিৰ্ব্বিকল্প হয়।

শব্দ-টোকা

'এবংকাৰ' এটি পাৰিভাষিক শব্দ, 'এ'-কাৰ আৰু 'ব'-কাৰ, চন্দ্ৰ আৰু সূৰ্য্য।' ইয়াৰ অৰ্থ হ'ল শূন্যতা-কৰুণাভিন্ন মহামুদ্ৰা। এবংকাৰ—'একাৰঃ চন্দ্ৰপ্ৰভাসং বংকাৰঃ সূৰ্য্যমুভয়ং দিবাৰাত্ৰিজ্ঞানম্' —টীকা। দিন-ৰাতিৰ জ্ঞান অৰ্থাৎ সময় বিষয়ক জ্ঞান, কাল-জ্ঞান। জন্ম, মৃত্যু, অস্তিত্বৰ ধাৰণা কালৰ প্ৰভাৱতেই জন্ম হয় ; কালেই ভৱ-বিকল্পৰ কাৰণ। এই কালৰ প্ৰভাৱ যিয়ে অতিক্ৰম কৰিব পাৰে তেৱেঁই জগতত অবিনশ্বৰ আৰু অমৰ। বাখোড়—হাতীবন্ধা খুটা। মোড্ডিউ—সং মৰ্দিতঃ > মোড্ডিউ > মোড়িউ = মুছৰি ভঙা অৰ্থত। বিবিহ বিআপক—বিবিধ আৰু ব্যাপক ভাৱৰ বান্ধোন তথা বাধা-বিঘিনি। অৰ্থাৎ অৱধূতী মাৰ্গত আগ বাঢ়োতে পোৱা বাধা বিঘিনি ; অবিদ্যাৰ প্ৰভাৱত জন্মা কামনা-বাসনা স্বৰূপ বাধা-বিঘিনি। তোড়িউ—(সং ত্ৰোটয়িত্বা—তোড়য়িত্বা > তোড়িআ/তোড়িঅ/তোড়িউ) ভাঙি, ভাঙা, ভাঙি দিয়া। বিলসঅ বিলসতি ; বিলাস কৰে। আসৱ মাতা আসৱৰূপ মদ-পানৰ পৰা জন্মা মত্ততা।

'আসৱ' শব্দই ইয়াত 'আধ্যাত্মিক জ্ঞান'ক বুজাইছে; এই জ্ঞানৰ ৰূপক হৈছে 'মদ' শব্দটো। মদ পি মদাহী যিদৰে উন্মত্ত হয়, সেইদৰে সাধকেও জ্ঞান-ৰস পিবলৈ পালে আত্মবিভোল হয়। টীকাত কৈছে—'এষাং ত্রয়াণামনুপলম্ভাসৱপানেন প্রমত্তঃ'। সহজ-নলিনীবণ—সহজীয়া পন্থামতে মহাসুখকমলবন; ইয়াত মহাসুখৰূপ কমল থকা ঠাইক বুজাইছে; সহজ-সৰল ভাষাত মহাসুখৰ আকৰ স্বৰূপ পদ্মমনি। টীকা অনুসৰি মহাসুখকমলবনম্'। পইসি—প্রৱেশ কৰি। নিবিতা—(<নিবৃ´ত্ত; নিবৃ´ত্ত > নিব্বিত>নিবিত+আ) নির্বিকল্পভাৱে বা বিকাৰশূন্য হৈ নাইবা অচিন্তুতা প্রাপ্ত হৈ। জিম জিম—যি যি ধৰণে। কৰিণা—মাখুন্দা হাতী। কৰিণিৰেঁ - কৰিণীৰে অর্থাৎ মাখুন্দী হাতীৰ সৈতে বা প্রতি। ৰিসঅ—ঈর্ষ্যা > ঈৰিষা (অর্দ্ধ তৎসম)>ৰিষা বা ৰিসা+অ=ৰিসাঅ>ৰিসঅ (আঞ্চলিক অপভ্রংশীয় ধ্বনি-প্রভাৱৰ হেতু ৰিসঅ হৈছে); প্রেম কৰে, ৰতি কৰে, ৰমণ কৰে, আসক্ত হৈ পৰে। টীকা মতে ঈর্ষ্যাৰূপ মদৰ দ্বাৰা আসক্ত হৈ পৰে: 'ঈর্ষ্যামদং বহতি'। তিম তিম—সেই সেই ধৰণে। তথতা মঅগল—তথতাৰ প্রতি মদ-স্রোত: মঅগল=মদ+গল। সং 'গল' ধাতুৰ পৰা 'গলিত' শব্দটো উদ্ভৱ হৈছে; তাৰ অর্থ হ'ল—স্রাৱিত, বৈ পৰা। বৰিসঅ—বর্ষিত হয়, বর্ষণ কৰে। ছড়গই (<ষড়+গতি)—ছয়গতি, জীৱৰ ছয়টা জাতি (নিৰয়, শ্রেষ্ঠলোক, তির্য্যকলোক, মনুস্যলোক, অসুৰলোক আৰু দেৱলোক); টীকাত কৈছে - 'অণ্ডজা জৰায়ুজা উপপাদুকা সংস্বেদজা দেৱসুৰাদি-প্রকৃতিকাঃ।' সহাৱে—স্বভাৱে, স্বভাৱৰ দ্বাৰা। সুধ—শুদ্ধ। ভাৱাভাৱ—অস্তিত্ব আৰু অস্তিত্ব হীনতা; ভাৱৰেই যেতিয়া অস্তিত্ব নাই তেতিয়া তাৰ অভাৱ বুলিবলৈ কিটো আছে? - ই অর্থহীন। বলাগ - (বেলেগ, পৃথক) কিঞ্চিৎ পৰিমাণেও, 'বালাগ্রমপি'। ন ছুধ—চ্যুত নহয়, পবিত্র নহয়। দশবল—দশদিশ। ৰঅণ—ৰত্ন। দশবল ৰঅণ—বুদ্ধৰত্ন, তথতাৰূপ ৰত্ন; তথতা-ৰত্ন দশদিক ব্যাপি আছে অর্থত। হৰিঅ - হৃৰিত (হৰণ কৰা অর্থত). বিয়পি থকা বা দশদিশ জুৰি

থকা অৰ্থত। বিদ্যা কৰি—অবিদ্যাকৰী, 'বিদ্যা' শব্দটো ইয়াত চিত্তৰ সলনি বহিছে, তাক হাতীৰ লগতো তুলনা কৰা হৈছে। কৰি বা কৰী শব্দটো ইয়াত পাৰিভাষিক শব্দ, তাৰ অৰ্থ হ'ল চিত্ত বা চিত্ত-গজেন্দ্ৰ। দমকুঁ—দমন কৰোঁ; টীকা মতে—'দমনং কুৰু'। অকিলেসেঁ—অক্লেশে, অনায়াসে।

১০

ৰাগ—দেশাখ ঃ কাহ্নুপাদানাম.

নগৰ বাহিৰি[১]ৰে ডোম্বি তোহোৰি কুড়িআ।
ছুই[২] ছোই জাই[৩] সো বাহ্ম[৪] নাড়িআ॥
আলো ডোম্বি তোএ সম কৰিবে ম সাঙ্গ।
নিঘিণ কাহ্নু কাপালি জোই লাঙ্গ[৫]॥
এক সো পদমা[৬] চৌসঠ্ঠী[৭] পাখুড়ী।
তহিঁ চড়ি নাচঅ ডোম্বী বাপুড়ী॥
হালো[৮] ডোম্বী তো পুছমি সদভাৱে।
অইসসি জাসি ডোম্বী কাহৰি নাৱেঁ॥
তান্তি বিকণঅ ডোম্বী অৱৰণা[৯] চঙ্গতা[১০]।
তোহোৰ অন্তৰে ছাড়ি নড়এড়া[১১]॥
তু লো ডোম্বী হাঁউ কপালী।
তোহোৰ অন্তৰে মোএ ঘলিলি[১২] হাড়েৰ মালী॥
সৰবৰ ভাঞ্জীঅ ডোম্বী খাঅ মোলাণ।
মাৰমি ডোম্বী লেমি পৰাণ॥

পাঠান্তৰ

১। বাহিৰি, বসু, দাশগুপ্ত, বাৰিহি, শাস্ত্ৰী, বাহিৰে, বাগচী। ছোই, বসু, দাশগুপ্ত; ছই, নীসেন, সেন.। ৩। ষাই, সেন; জাই, বাগচী, নীসেন; জাহ, শাস্ত্ৰী, বসু,। ৪। বাহ্ম, শাস্ত্ৰী, সেন, দাশগুপ্ত; বাহ্মণ, বসু। ৫। লাগ, মুখোপাধ্যায়; লাঙ্গ, শাস্ত্ৰী, সেন, বসু। ৬. পদমা, শহীদুল্লাহ, সেন; পাহুমা, বসু। চৌষঠ্ঠী, শাস্ত্ৰী, বসু: চৌষঠী, বাগচী, চউষঠী, শহীদুল্লাহ; চৌসঠী সেন। ৮। হালো, শাস্ত্ৰী, বসু, দাশগুপ্ত; আলো, সেন। ৯। অৱৰনা, বসু, অৱৰ না, শাস্ত্ৰী, বাগচী, সেন, দাশগুপ্ত; অৱৰ মো, শহীদুল্লাহ। ১০। চঙ্গতা, সেন; চাংগেড়া, শাস্ত্ৰী, বসু, দাশগুপ্ত। ১১। নড়এড়া, সেন; নড়-পেড়া, শাস্ত্ৰী; বসু। ১২। ঘলিলি, সেন; ঘালিলি, শহীদুল্লাহ; ঘেণিলি, শাস্ত্ৰী, বসু।

গূঢ়াৰ্থ

কাহ্নুপাদে এই চৰ্য্যাটিত পুৰণি অসমৰ জাতিগত বুৰঞ্জীৰ আভাস দাঙি ধৰিছে। ধৰ্ম আৰু দৈনন্দিন জীৱিকাৰ আলম্বনলৈ লক্ষ্য কৰি সমাজৰ তথাকথিত উচ্চশ্ৰেণীৰ লোকে ডোম জাতীয় লোকক অস্পৃশ্য জ্ঞান কৰিছিল। এওঁলোকে বৌদ্ধধৰ্ম মানিছিল। কাজেই হিন্দুধৰ্মী বামুণ সম্প্ৰদায়ে ডোম সম্প্ৰদায়ক হীন বুলি ভাবিছিল আৰু শৰণ নিদিছিল। গাওঁ বা নগৰৰ আওঁহতীয়া ঠাইত ডোমৰ বাস আছিল। এওঁলোকৰ ব্যৱসায় আছিল মাছ ধৰা আৰু বিক্ৰী কৰা, নাও বোৱা, চূণ প্ৰস্তুত কৰি বিক্ৰী কৰা, খেতি আৰু অন্যান্য ব্যৱসায় কৰা। বুৰঞ্জীৰ সাক্ষ্য মতে খৃষ্টীয় ত্ৰয়োদশ-চতুৰ্দশ শতিকামানলৈকে ডোম সম্প্ৰদায়ী লোক বৌদ্ধ-ধৰ্মাৱলম্বী আছিল। মহাপুৰুষ শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মই পিছলৈ এওঁলোকক সাৱটি লৈছিল।[৬]

বৌদ্ধ সিদ্ধাচাৰ্য্যসকলৰ গীতত ডোম যুৱক-যুৱতীয়ে স্থান পোৱাৰ কাৰণ হ'ল খৃষ্টীয় ৮ম-১২শ শতিকাৰ ভিতৰত এওঁলোক বৌদ্ধধৰ্মী আছিল। তাৰে আগতে কোন সময়ৰ পৰা এওঁলোকে বৌদ্ধধৰ্ম লৈছিল সেই কথা সঠিক জনা নাযায়। ডোম সম্প্ৰদায়ৰ যুৱক-যুৱতীক আধ্যাত্মিক ক্ষেত্ৰত আনি সিদ্ধাচাৰ্য্যসকলে সমাজৰ উচ্চ স্থানীয় লোকৰ প্ৰতি কটাক্ষপাতো কৰিছে। সেইকাৰণে সমাজৰ একালে অস্পৃশ্য ডোম আৰু আনফালে স্পৃশ্য বামুণৰ কথা চৰ্য্যাটিত উল্লেখ কৰা হৈছে। ধৰ্মতত্ত্ব-ব্যাখ্যাৰ সুবিধাৰ বাবে চৰ্য্যাৰচকে ইয়াত স্পৃশ্য-অস্পৃশ্য কথা দুটি ৰূপক-উপমা হিচাবে লৈছে।

মহাসুখৰূপিণী নৈৰাত্মাদেৱীক ইয়াত ডোম্বী বা ডোম যুৱতী হিচাবে লোৱা হৈছে। নৈৰাত্মা যিদৰে ইন্দ্ৰিয়গ্ৰাহ্য নহয়, ডোম যুৱতীও সেইদৰে স্পৃশ্য নহয়। 'ইন্দ্ৰিয়গ্ৰাহ্য নহয়' বোলা কথাষাৰে ইয়াকে বুজাইছে যে ইন্দ্ৰিয়জ কামনাই পৰিশুদ্ধ নৈৰাত্মাদেৱীক বা

৬। আসাম বুৰঞ্জী, পৃঃ ১৭২।

হিন্দু ধৰ্মমতে ঈশ্বৰক ঢুকি নাপায়; ইন্দ্ৰিয়ক দমন কৰিব পাৰিলেহে সেই পৰমপদক ভক্তই পাব পাৰে।

কাহ্নুপাদে কৈছে—'হে ডোম যুৱতী, নগৰৰ বাহিৰত তোমাৰ ঘৰ; মূৰ খুৰোৱা গোড়া বামুণবিলাকে তোমাক চুই চুই যায়।' অৰ্থাৎ বিষয়-বাসনাযুক্ত বস্তুজগতৰ বাহিৰত ডোম্বীৰূপিণী নৈৰাত্মা আছুতীয়া ঠাইত থাকে। বিষয়াভিলাষী বামুণৰূপী চঞ্চল চিত্তৰ যোগীসকলে নৈৰাত্মাৰ অস্তিত্ব মাত্ৰ উপলব্ধি কৰে; কিন্তু সেই সত্বাক আয়ত্বলৈ আনিব নোৱাৰে। কাৰণ একমাত্ৰ সহজীয়া পন্থীসকলেহে নিৰ্বাণৰূপ মহাসুখ লাভ কৰিবলৈ সক্ষম হয়, আনখোৰ নহয়।

কাহ্নুপাদে মহাসুখৰূপিণী ডোম্বীক কৈছে—'হে ডোম্বী, মই তোমাৰ সঙ্গ ল'ম। কাহ্নুক উলঙ্গ কাপালী যোগী বুলি ঘিণ নকৰিবা।' অৰ্থাৎ পাৰ্থিব সাজ-সজ্জা, কামনা-বাসনা, যাৱতীয় লোকাচাৰ আদি ত্যাগ কৰি কাহ্নু এতিয়া পৰিশুদ্ধ হৈছে; গতিকে তেওঁ এতিয়া নৈৰাত্মা বা নিৰ্বাণ লাভৰ অধিকাৰী হৈছে।

৬৪টা পাহিযুক্ত এটা পদুম ফুলৰ ওপৰত উঠি ডোম যুৱতীৰূপিণী নৈৰাত্মাদেৱীয়ে নাচে। অৰ্থাৎ তন্ত্ৰশাস্ত্ৰমতে শৰীৰৰ ভিতৰতে কেবাটাও চক্ৰ বা পদ্ম আছে। ৪নং চৰ্য্যাত চক্ৰসমূহৰ কথা কৈ অহা হৈছে। যোগীসকলে সাধনাৰ বলত এটা এটাকৈ শ্ৰেষ্ঠতম সহস্ৰাৰ পদ্মত অধিষ্ঠিত হব পাৰে।

ইয়াৰ পাছত কাহ্নুপাদে পৰিত্ৰভাৱে ডোম্বীক সুধিছে যে তেওঁ কাৰ নাওত উঠি অহা-যোৱা কৰে? চিত্তৰ সংবৃত্তিৰূপ নাওত অহা-যোৱা কৰে নেকি?—আচলতে এনেকুৱা নাওত ডোম্বীৰূপিণী নৈৰাত্মাই অহা-যোৱা নকৰে; কাৰণ তেওঁ ইন্দ্ৰিয়ৰ অতীত।

কাহ্নুপাদে আকৌ কৈছে—'হে তাঁত বিক্ৰীকাৰিণী ডোম্বী, তুমি নানা আৱৰণেৰে পৰিভূষিতা। তোমাৰ কাৰণে মোৰ নট-সজ্জা ত্যাগ কৰোঁ। মই এজন কাপালিক, তুমি মোক আশ্ৰয় দিয়া। তোমাৰ কাৰণে মই হাড়ৰ মালা পিন্ধিছোঁ।' অৰ্থাৎ ডোম্বীক

অবিদ্যাৰূপ তন্ত্ৰী আদি বিষয়াভাস এৰি বিকাৰশূন্য হোৱা বুলি অভিজ্ঞান কৰা হৈছে। ডোম্বীৰ ত্যাগ মাহাত্ম্যৰ অনুকৰণত কাহ্নুৱেও আত্মীয়াৰ মৰুসদৃশ সংসাৰ ত্যাগ কৰিছে, অৰ্থাৎ মায়ামুক্ত হৈছে। সম্পূৰ্ণৰূপে বিকাৰশূন্য হৈ এতিয়া ডোম্বীৰ সঙ্গসুখ লাভ কৰিবলৈ সক্ষম হোৱা বুলি কাহ্নুৰ আত্মপ্ৰত্যয় জন্মিছে।

ডোম্বীয়ে কায়াৰূপ সৰোবৰ সাতুৰি (ভাঙি) দুৰ্লভ পদুমৰ মোলাণ খায়। সেইদৰে কাহ্নুপাদেও ভাবিছে যে তেওঁ অবিদ্যা নাশ কৰি ডোম্বীৰ লগত মিলি যাব। চৰ্য্যাটিত কায়াৰূপ সৰোবৰক বাসনাময় অবিদ্যাৰ সৈতে তুলনা কৰা হৈছে। ইয়াত মোলাণ হ'ল বোধিচিত্ত, অস্পৃশ্যা ডোম্বী হ'ল দুৰ্লভ নৈৰাত্মাদেৱী যাক সকলো যোগীয়ে সহজে লাভ কৰিব নোৱাৰে।

সহজীয়া পন্থীসকলৰ চাৰিওফালে যে কাপালিক ধৰ্ম চলিছিল তাৰ আভাস চৰ্য্যাটিৰ পৰা পাব পাৰি। এওঁলোকৰ মতে যিয়ে মহাসুখক পালন কৰে সেয়ে কাপালিক।

শব্দ-টোকা

নগৰ—বস্তুজগত, ইন্দ্ৰিয়ৰ দ্বাৰা যাৰ বিষয়ে বোধ জন্মে। বাহিৰি—বাহিৰে, বাজে; অৰ্থাৎ ইন্দ্ৰিয়াতীত স্থান। ডোম্বী—পৰিশুদ্ধ অৱধূতী নৈৰাত্মাদেৱী। ইয়াত ডোম্বী এটি পাৰিভাষিক শব্দ। তোহোৰি—তোমাৰ। কুড়িআ—(<কুটিকা) কুটীৰ, পঁজা। ছুই ছোই—ছুই ছুই, স্পৰ্শ কৰি কৰি। সো—সেই। বাহ্ম—ব্ৰাহ্মণ, বামুণ। নাড়িআ—মুৰ খুৰোআ গোড়া বিধৰ, সুপণ্ডিত, নৈষ্ঠিক ব্ৰহ্মচাৰী। আলো—হে, হেৰা (সম্বোধনাৰ্থে)। ডোম্বি—সম্বোধনাৰ্থে ই-কাৰ হৈছে। তোএ সম—তোৰ বা তোমাৰ সৈতে। কৰিবে ম সাঙ্গ—মই সঙ্গ লম, সহবাস কৰিম; অৰ্থাৎ তোমাৰ লগত মিলি যাম; তোমাতে লীন হম। নিঘিণ = নিৰ্ঘৃণ > নিগ্‌ঘিণ > নিঘিণ = ঘৃণাশূন্য; ঘিণ নকৰা অৰ্থত। লাগ/লাঙ্গ—সং নগ্ন > নগ্‌গ > নাগ > লাগ (ধ্বনি-বিপৰ্য্যয় হেতু)—উলঙ্গ, নঙঠা; (কামৰূপীত লাংটা কয়)। পদমা <

পদ্ম ; পদুম ফুল। পাখুড়ী—পাপড়ি, পাহি। তহিঁ—তাতে। চড়ি—উঠি। বৰগীত আৰু অঙ্কীয়া নাটত চড়ি প্ৰয়োগ হৈছে ; যেনে—'কালিক মাথে চড়ি শ্ৰীকৃষ্ণ দুই পাৱে ফণাক মৰ্দ্দিএ আৰম্ভল' (কা. দ. যাত্ৰা)। নাচঅ<নৃত্যতি ; নাচে। বাপুড়ী—বেচেৰী ; কামৰূপী কথিত ভাষাত বৰ্ত্তমানেও স্ত্ৰীলিঙ্গ বুজাবলৈ বাপুড়ী বা ব'পুড়ী শব্দ ব্যৱহাৰ হয়। ইয়াৰ পুংলিঙ্গ ৰূপ হ'ল—ব'পুৰা বা ব'পুড়া। হালো—আলো সম্বোধনাৰ্থে ব্যৱহাৰ হয়। তো—তোক, তোমাক। পুছমি<পৃচ্ছামি (সোধো, পুছো)। সদভাৱে—শুদ্ধভাৱে, পবিত্ৰ মনে। অইসসি—আহা। জাসি—যোৱা। কাহৰি—কাৰ। নাৱেঁ—নাওত। তান্তি তন্ত্ৰী (টীকামতে) ; তাঁত সূতা, বীণা ইত্যাদি। বিকণঅ<বিক্ৰীণাতি ; বিক্ৰী কৰে বা বিক্ৰী কৰা, বেচা ; আচল অৰ্থত পৰিত্যাগ কৰা। অৱৰনা—আৱৰণ, সাজ-সজ্জা ; প্ৰকৃত অৰ্থত বিষয়-বাসনা, মায়া-মোহ, বিষয়-অভিলাস। চঙ্গতা—কামৰূপী চং বা ভাওঁ শব্দৰ পৰা উদ্ভৱ হৈছে, চং বা চঙ্গ+তা=চঙ্গতা ; মিছা অভিনয়, বাহ্যিক ৰূপ-সজ্জা, অস্থায়ী বস্তু প্ৰভৃতি অৰ্থত বহিছে। তোহোৰ অন্তৰে—(তোমাৰ অন্তৰত) তোমাৰ নিমিত্তে। ছাড়ি—এৰিলো বা পৰিত্যাগ কৰিলো অৰ্থত বহিছে। নড়এড়া—নট-সজ্জা ; সংসাৰ অৰ্থত প্ৰয়োগ হৈছে। তু লো ডোম্বী—ডোম্বী তুমি মোক লোৱা, ডোম্বী তুমি মোক আশ্ৰয় দিয়া। হাঁউ—অহম্>অহকং>হকং>হুঁউ, হাঁউ=মই। কপালী—যিয়ে মহাসুখক পালন কৰে তেৱেঁই কাপালিক বা কপালী (কং মহাসুখং পালয়তীতি কাপালিকঃ)। মোএ—মই, মোৰ দ্বাৰা। ঘলিলি—ললোঁ, গ্ৰহণ কৰিলোঁ। হাড়েৰ মালী—হাড়ৰ মালা (মৰা-শৱ নিচিনা নিৰ্বিকাৰ হোৱাৰ নিদৰ্শন স্বৰূপ হৈছে হাড়ৰ মালা)। সৰবৰ—সৰোবৰ (দেহৰূপ সৰোবৰ)। মোলাণ—বোধিচিত্তক বুজাইছে। ভাঞ্জীঅ—ভাঙি। মাৰমি—মাৰোঁ। লেমি—লওঁ। মাৰমি ডোম্বী—ডুমুনী বুলি দ্বিধাবোধ ভাঙো।

১১

ৰাগ—পটমঞ্জৰী ঃ কৃষ্ণাচাৰ্য্যপাদানাম্

নাড়ী-শক্তি দিঢ়[১] ধৰিঅ খট্টে[২] ।
অনহা ডমৰু বাজএ[৩] বীৰনাদে[৪] ॥
কাহ্নু কাপালী যোগী পইঠ অচাৰে ।
দেহ-নঅৰী বিহৰএ[৫] একাৰেঁ[৬] ॥
আলি-কালি ঘণ্টা নেউৰ চৰণে ।
ৰবি শশী কুণ্ডল কিউ আভৰণে ॥
ৰাগ দেশ মোহ লাইঅ[৭] ছাৰ ।
পৰম মোখ লৱএ মুত্তিহাৰ[৮] ॥
মাৰিঅ সাসু নণন্দ ঘৰে সালী ।
মাঅ মাৰিআ কাহ্নু ভইঅ কবালী ॥

পাঠান্তৰ

১। দিট, শাস্ত্ৰী, সেন, দিঢ়, নীসেন। ২। খট্টে, শাস্ত্ৰী; খাটে, বাগচী। ৩। বাজএ, সেন; বাজই, বসু; বাজাই, দাশগুপ্ত। ৪। বীৰনাদে, শাস্ত্ৰী, সেন, বসু, দাশগুপ্ত; বীৰনাটে, বাগচী। ৫। বিহৰএ, সেন; বিহৰই, শাস্ত্ৰী, বসু, শহীদুল্লাহ। ৬। এক'কাৰেঁ, টীকাৰ পাঠ, বসু, দাশগুপ্ত; একাৰেঁ, শাস্ত্ৰী, সেন, নীসেন। ৭। লাইঅ, শাস্ত্ৰী, সেন, দাশগুপ্ত, নীসেন, মুখোপাধ্যায়, লইআ, বসু। ৮। মুত্তিহাৰ, সেন; মুত্তাহাৰ, শাস্ত্ৰী, বসু, দাশগুপ্ত।

গূঢ়াৰ্থ

কৃষ্ণাচাৰ্য্যই এই চৰ্য্যাটিৰ মাজেৰে তান্ত্ৰিক কাপালিক ধৰ্মৰ তত্ত্ব ব্যাখ্যা কৰিছে। প্ৰসঙ্গোচিত কথা যে ইয়াত দেখুওৱা কাপালিক আদৰ্শ সেই সময়ত প্ৰচলিত কাপালিক আদৰ্শতকৈ কিছু বেলেগ। সহজীয়া ধৰ্মৰ মতবাদে ইয়াক স্বকীয়া কৰি তুলিছে।

শৰীৰত থকা ৩২ ডাল বিশিষ্ট নাড়ীৰ ভিতৰত অৱধূতিকা নাড়ী (সুষুম্না নাড়ী) হ'ল প্ৰধান।[১] ই মণিমূলৰ পৰা ওপৰৰ পিনে গতি

১ তন্ত্ৰশাস্ত্ৰমতে মানুহৰ শৰীৰত গুপ্ত আৰু ব্যক্তভাৱে চাৰে তিনি লাখ নাড়ী আছে; তাৰে ভিতৰত ১৪ ডাল নাড়ী প্ৰধান বুলি কোৱা হয়। সহজীয়া কাপালিকসকলৰ মতে ৩২ ডাল নাড়ী প্ৰধান।

কৰি প্ৰভাস্বৰ-শূন্যত অৰ্থাৎ তন্ত্ৰশাস্ত্ৰমতে আজ্ঞাচক্ৰত লগ লাগিছে। গুৰুৰ আশ্ৰয়াভিলাষী সাধকৰ এই শূন্যস্থানেই হ'ল শ্ৰেষ্ঠতম স্থান। শূন্য বা আকাশৰ গুণ হৈছে শব্দ, ধ্বনি বা নাদ। শূন্যতেই ওঙ্কাৰ-ধ্বনি বাজে। ইয়েই সাধকৰ নিৰ্বিকল্প সমাধি-স্থান। আজ্ঞাচক্ৰ দুই দলবিশিষ্ট—চন্দ্ৰৰ দৰে শুভ্ৰবৰ্ণ আৰু প্ৰভাবিশিষ্ট। দল দুটাৰ এটাত হং আৰু আনটোত ক্ষং বৰ্ণ অঁকা আছে। এই চক্ৰত বিদ্যা-বুদ্ধি, কপাল, ডম্বৰু আৰু জপমালাযুক্ত চাৰিখন হাত আৰু ছয়খন মুখেৰে হাকিনী-শক্তি (পৰাশিৰা শক্তি) বিৰাজ কৰি থাকে।

যোগৰ বলত কৃষ্ণাচাৰ্য্যই আজ্ঞাচক্ৰত উপনীত হৈছে। বিনা আঘাততে ডম্বৰু বিৰাট ধ্বনি কৰি বাজি উঠিছে। কাপালিক যোগী কৃষ্ণাচাৰ্য্যই অৱধূতিকা নাড়ীৰ সহায়ত সমস্ত দেহ-নগৰত আনন্দতে বিচৰণ কৰি ফুৰিছে। এনে অৱস্থাত আলি-কালি বা লোকজ্ঞান আৰু লোকভাসক, আকৌ ৰবি-শশী বা গ্ৰাহ্য-গ্ৰাহক ভাৱক পৰিশুদ্ধ কৰি যোগীয়ে চৰণৰ ঘণ্টা আৰু নূপুৰ আৰু কাণৰ কুণ্ডলৰূপে পৰিধান কৰিছে। মহাসুখতুল্য জুইত ৰাগ-খং, হিংসা-দ্বেষ, মায়া-মোহ আদিক পুৰি তাৰ ছাঁই তেওঁ দেহত সানি লৈছে, ডিঙিত মোক্ষৰূপ মুক্তাৰ হাৰ পিন্ধিছে আৰু শ্বাস-প্ৰশ্বাস ৰোধ কৰি ইন্দ্ৰিয়-বোৰক দমন কৰিছে বা স্বভাৱশূন্য কৰিছে। এইদৰে অবিদ্যা ৰূপ মায়াক নাশ কৰি কৃষ্ণাচাৰ্য্য মহাসিদ্ধ কাপালিক হৈছে।

আজ্ঞাচক্ৰত অধিষ্ঠিত হোৱাৰ পাছত সাধকৰ বাবে গুৰুৰ কোনো মৌখিক উপদেশৰ আৱশ্যকতা নাথাকে; সাধকে নিজে নিজেই ওপৰৰ পিনে উধাব পাৰে; পাছৰ কৰ্ত্তব্য তেওঁ আপোনা-আপুনি বুজি পোৱা হয়। কৃষ্ণাচাৰ্য্যও তেনেকুৱাই সিদ্ধ পুৰুষ হৈছে।

শব্দ-টোকা

নাড়ী-শক্তি—শৰীৰত থকা ৩২ ডাল বিশিষ্ট নাড়ীৰ ভিতৰত প্ৰধান হৈছে বিৰমানন্দৰূপা অৱধূতিকা নাড়ী। ই গ্ৰাহ্য-গ্ৰাহকভাৱ বৰ্জ্জিতা। তন্ত্ৰশাস্ত্ৰমতে ইড়া আৰু পিঙ্গলা নাড়ীৰ মাজত থকা সুষুম্না

নাড়ী ইয়াৰ অনুৰূপ। ধৰিঅ—ধৰি (<ধৃত্বা)। খট্টে—(খাট, আসন), ওপৰলৈ গতি কৰি অৱধূতিকা নাড়ী যি ঠাইত শেষ হৈছে সেই ঠাইক বুজাইছে। তন্ত্ৰশাস্ত্ৰমতে আজ্ঞাচক্ৰত ইড়া, পিঙ্গলা আৰু সুষুম্না নাড়ীৰ মিলন হৈছে, সেই মিলন-স্থানক ত্ৰিবেণী বা ত্ৰিকুট বোলা হয়। এই তিনিডাল নাড়ীয়ে মূলাধাৰ পদ্মৰ পৰা আৰম্ভ কৰি আজ্ঞাপদ্ম পৰ্য্যন্ত ছয়টা চক্ৰক চুলিৰ বেণীৰ নিচিনাকৈ সংবদ্ধ কৰি ৰাখিছে। কপালৰ নামনি ভাগত থকা ভ্ৰূ-যুগলৰ মাজ ভাগেই আজ্ঞা-পদ্মৰ স্থান, ইয়াতেই সুষুম্না বা অৱধূতিকা নাড়ী শেষ হৈছে। সহজীয়া তত্ত্বৰ শূন্যতা-স্থানো এইয়ে; এই স্থানকে 'খট্টে' শব্দই বুজাইছে। এই স্থানত দৃঢ়তাৰে ধ্যান কৰিলে সিদ্ধি-লাভ কৰিব পাৰি। অনহা ডমৰু—আঘাত নকৰা ডম্বৰু। আজ্ঞাচক্ৰত থকা হাকিনী বা পৰাশিৱা শক্তিৰ হাতত থকা ডম্বৰুটো কাৰো আঘাত নোপোৱাকৈ নিজে নিজে বাজি উঠে। গতিকে সি অনাঘাত বা অনাহত ডমৰু। বাজএ—বাজে, বাজি উঠে। বীৰনাদে—শূন্যতাৰূপ সিংহৰ নাদেৰে। 'বীৰ' শব্দই সহজীয়া পৰম শক্তি শূন্যতাক বুজাইছে। নাদ শব্দটো (=ধ্বনি বা শব্দ) জন্তুৰ মাতৰ প্ৰসঙ্গত বেছি খাপখোৱা বিধৰ। জন্তুৰ ভিতৰত মহাবলবান হৈছে সিংহ, সেই কাৰণে সিংহক 'বীৰেন্দ্ৰ কেশৰী' বুলি কোৱা হয়। চৰ্য্যাৰচকে গীতৰ তত্ত্ব সহজবোধ্য কৰাৰ মানসে শূন্যতাক সিংহৰ লগত তুলনা কৰি দেখুৱাইছে। 'বীৰনাদে' শব্দটোৰ ব্যুৎপত্তিগত তাৎপৰ্য্য এইটোৱে। পইঠ<প্ৰবিষ্ট; প্ৰবেশ কৰা হ'ল, সোমালে। অচাৰে—যোগাচাৰৰ দ্বাৰা। বিহৰএ—<বিহৰতি, বিহাৰ কৰে, বিচৰণ কৰে, আনন্দেৰে ভ্ৰমণ কৰে। একাৰেঁ—(টীকাৰ পাঠ হ'ল একাকাৰ) বিভিন্নতা নথকাকৈ, এক হৈ, একাকাৰ হৈ, সমানভাৱে সুখ যি ভোগা হয় সেই ভাৱটো। টীকাত কৈছে—'ক্লেশভক্ষণাদিনয়েন একাকাৰতয়া বিহৰতি'। আলি-কালি—লোকজ্ঞান আৰু লোকভাস, চন্দ্ৰ আৰু সূৰ্য্য। নেউৰ—নূপুৰ। ৰবি-শশী—দুয়োটা পাৰিভাষিক শব্দ। ৰবি—সূৰ্য্য, কিন্তু পাৰিভাষিক অৰ্থ হব—ৰজঃ শক্তি, পিঙ্গলা

নাড়ী। শশী—চন্দ্ৰ; কিন্তু পাৰিভাষিক অৰ্থ হ'ব ইড়া নাড়ী। এইটো চৰ্য্যাত অৰ্থ কৰিছে—দিন-ৰাতিৰ জ্ঞানৰূপ কুণ্ডল (=কাণত পিন্ধা সোণৰ অলঙ্কাৰ)। কিউ<কিঅ<প্ৰা. কিদং<সং কৃতম্। দেশ—দ্বেষ। লাইঅ—লইঅ, লয়। ছাৰ—ছাই, ভস্ম (<ক্ষাৰ)। পৰম মোখ—পৰম মোক্ষ, চৰম মুক্তি। মোখ<মোক্‌খ<মোক্ষ। লৱএ<লভ্যতে; লোৱা হয়, লয়। মুত্তিহাৰ—মুক্তিহাৰ অৰ্থাৎ মুক্তিস্বৰূপ হাৰ, অথবা মুকুতাৰ হাৰ (মুক্তাহাৰ)। মাৰিঅ—মাৰি, নিঃস্বভাৰী কৰি। সাসু—উপকৰা অৰ্থত শাহু, গূঢ় অৰ্থত শ্বাস। সমাধিস্থ অৱস্থাত যোগীৰ শ্বাস-প্ৰশ্বাস বন্ধ হয়। আজ্ঞা-চক্ৰত অধিষ্ঠান কৰিলে সাধকৰ শ্বাস-ক্ৰিয়া বন্ধ হয় আৰু তেতিয়া ইন্দ্ৰিয়বোৰো নিষ্ক্ৰিয় হৈ পৰে। ণণন্দ ঘৰে সালী—ঘৰুৱা জীৱনত বোৱেকৰ মনত ননন্দ আৰু ভিনিহিয়েকৰ মনত খুলশালী বৰ স্নেহৰ; কাৰণ ননন্দে বোৱেকক আৰু খুলশালীয়ে ভিনিহিয়েকক নানা প্ৰকাৰে নতুন নতুন আনন্দ দিয়ে। ননন্দ আৰু খুলশালীক তুলনা কৰা হৈছে চকু, কাণ, নাক প্ৰভৃতি জ্ঞানেন্দ্ৰিয়সমূহৰ লগত। মাঅ—ওপৰে ওপৰে ভাবিলে শব্দটোৰ অৰ্থ হ'ব মাক; কিন্তু প্ৰকৃততে বুজাইছে মায়া-মোহ, অবিদ্যাক। ভইঅ—হয়, হ'ল। 'ভইঅ' ক্ৰিয়াপদটি শেষৰ দুশাৰী পদৰ সমাপিকা ক্ৰিয়া। 'মাৰিঅ' আৰু 'মাৰিআ' শব্দ দুটা মাৰি বা নিঃস্বভাৰী কৰি অৰ্থত অসমাপিকা ক্ৰিয়া হিচাবে বহিছে। কবালী—কাপালিক।

১২

ৰাগ—ভৈৰবী ঃ কৃষ্ণপাদানাম্

কৰুণা পিহাড়ি খেলহুঁ নয়বল[১]।
সদ্‌গুৰু বোহেঁ জিতেল ভৱবল॥
ফীটউ[২] দুআ মাদেসি ৰে[৩] ঠাকুৰ।
উআৰি[৪] উএসেঁ কাহ্ন নিঅড় জিনউৰ॥
পহিলেঁ তোড়িআ বৰিআ মৰাড়িউ[৫]।
গঅবৰেঁ তোলিআ[৬] পাঞ্চজণা ঘোলিউ[৭]॥

মতিএঁ ঠাকুৰক পৰিনিৱিত্তা[৮] ।
অৱস কৰিআ ভৱবল জিতা ॥
ভণই কাহ্ণু আম্হে ভলি দান[৯] দেহুঁ ।
চউষঠ্‌ঠী কোঠা গুণিআ লেহুঁ ॥

পাঠান্তৰ

১। নয়বল, টীকাৰ লিপিমতে, নীসেন। ২। কীটউ, শাস্ত্ৰী, বসু, দাশগুপ্ত; কীটঊ, সেন। ৩। মাদেসি ৰে, শাস্ত্ৰী, বসু, দাশগুপ্ত; মা দেসি ৰে, সেন; মাৰেসিৰে, বাগচী। ৪। উআৰি, সেন, বসু, দাশগুপ্ত; উআৰিউএসেঁ, শাস্ত্ৰী। ৫। মৰাড়িইউ, শাস্ত্ৰী, সেন; মৰাদিইউ, নীসেন; মাৰিউ, বসু, দাশগুপ্ত। ৬। তোলিআ, শাস্ত্ৰী, সেন, দাশগুপ্ত; তোড়িআ, বসু। ৭। ঘোলিউ, শাস্ত্ৰী, সেন, ঘাল্লিউ, বসু। ৮। পৰিনিৱিত্তা, শাস্ত্ৰী; পৰিনেৱিত্তা, সেন; টীকাৰ লিপিমতে পৰীনিবিত্তা। ৯। দাহ, শাস্ত্ৰী, সেন, দান, বসু, দাশগুপ্ত, নীসেন।

গূঢ়াৰ্থ

কৃষ্ণাচাৰ্য্য সমাজৰ নানান চিত্ৰ অঙ্কণ কৰাত নিপুণ আছিল। তেওঁ কেবাটাও ঘৰুৱা চিত্ৰ-কল্পৰ দ্বাৰা সহজীয়া ধৰ্মৰ গূঢ় তত্ত্ব ব্যাখ্যা কৰিছে। এই চৰ্য্যাটিত দবা-খেলৰ জৰিয়তে তত্ত্ব ডাঙি ধৰিছে। এই উপমাটি গ্ৰহণ কৰাৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ৰ সমাজত দবা-খেলটো এটা জনপ্ৰিয় খেল আছিল। ইয়াৰ জৰিয়তে তত্ত্ব ব্যাখ্যা কৰিলে ভক্ত-যোগীয়ে সোনকালে বুজি পোৱাটো স্বাভাৱিক। গতিকে কৃষ্ণাচাৰ্য্যই সেই সুবিধাটি কামত খটুৱাইছিল।

তত্ত্বময় দবা-খেলৰ আভাসটি এই নিচিনা—'মই (কৃষ্ণাচাৰ্য্য) কৰুণাৰ ছকত (পীঠত) দবা খেল খেলোঁ, সদ্‌গুৰুৰ উপদেশৰ দ্বাৰা ভৱবল জিনি লওঁ; দুটা নষ্ট হ'ল, ঠাকুৰ বা ৰজাক নিদিবা। উপকাৰীৰ উপদেশৰ পৰা বুজিলো যে জয়-সুখৰ পুৰী ওচৰতে আছে। পহিলে কিছুমান মাৰি লওঁ, তাৰ পাছত গজবৰ তুলি পাঁচজনক নাশ কৰিম। মন্ত্ৰীৰ হতুৱাই ঠাকুৰ-ৰজাক নিষ্কৃতি দিয়াম আৰু অৱশ কৰি খেলত জিকিম বা ভৱবল জিনিম।'

কৃষ্ণাচাৰ্য্যই আৰু কৈছে যে 'মই ভাল দান দিও, এতিয়া ৬৪টা কোঠা গণি লওঁ।'

করুণারূপ চিত্তক পীঠৰূপে পৰিণত কৰি যেন চতুৰ্থানন্দ-বল ৰূপ দবা-খেল খেলা হৈছে। দবা-খেলত বুদ্ধি আৰু মনোযোগ অতি আৱশ্যক। তেতিয়াহে দবা খেলি আনন্দ পায় আৰু জয়-লাভ কৰাও যায়। সেইদৰে সাধনাত সিদ্ধিলাভ কৰিবলৈ হলে সদ্‌গুৰুৰ উপদেশ অপৰিহাৰ্য্য, কাৰণ তাৰ দ্বাৰা বিনা দুখে দুৰ্জেয় সংসাৰ-শক্তিক পৰাজয় কৰিব পাৰি।

প্ৰথমে লোকজ্ঞান আৰু লোকভাসৰূপ আভাসদ্বয়ক ৰোধ কৰিব লাগে, তাৰ পাছত অবিদ্যা-বিমোহিত চিত্তক জয় কৰিব লাগে, অৰ্থাৎ গুৰুৰ উপদেশ অনুযায় তাক স্বভাৱশূন্য কৰি লব লাগে, তেতিয়া মহানন্দময় জিনপুৰত প্ৰৱেশ কৰিব পাৰি; কাৰণ সেই মহাসুখৰ পুৰী ওচৰতেই আছে।

কৃষ্ণাচাৰ্য্যই কৈছে যে 'প্ৰথমে প্ৰকৃতিজাত নানা প্ৰকাৰ দোষযুক্ত প্ৰবৃত্তি বোৰ কঠোৰভাৱে নাশ কৰিছো, পাছত তথতা-চিত্তৰূপ হাতীৰ দ্বাৰা পাঁচবিধ বিষয়গত অহংকাৰ-মমকাৰাদিৰূপ পঞ্চস্কন্ধাত্মক পাঁচ-জন তথাগতক ঘাইল কৰিছো অৰ্থাৎ সিবিলাকক জয় কৰিছোঁ। পৰিশেষত প্ৰজ্ঞাৰূপ মন্ত্ৰীৰ দ্বাৰা চিত্তৰূপ ঠাকুৰক পৰিনিৰ্বাণত আৰোপিত কৰি কামনা-বাসনাৰে পৰিপুষ্ট ভৱ-বলক নিজৰ আয়ত্বত আনিছো, অৰ্থাৎ এতিয়া মোক জগতৰ অবিদ্যা-আবৰ্জনা, মায়া-মোহ আদিয়ে টলাব নোৱাৰে। মই ভাল দান দিওঁ আৰু নিৰ্ম্মাণ-চক্ৰৰূপ ৬৪টা কোঠাত মন নিবিষ্ট কৰি শেষত প্ৰভাস্বৰময় শূন্যতা লাভ কৰোঁ।'

শব্দ-টীকা

করুণা—ই এটি পাৰিভাষিক শব্দ; ইয়াৰ অৰ্থ হ'ল উপায়; ই কুশলধৰ্মবাদী প্ৰবৃত্তিৰ দিশ। আনহাতে শূন্যতাৰ অৰ্থ হ'ল প্ৰজ্ঞা; ই জ্ঞানবাদী নিবৃত্তিৰ দিশ। শূন্যতা আৰু করুণা অদ্বয়-ভাৱে যুক্ত হলে বোধিচিত্ত লাভ হয়। সাধাৰণতে চিত্ত অবিদ্যাৰ

প্ৰভাৱত দোষযুক্ত হৈ থাকে। অবিদ্যা নাশ হলে চিত্ত অচিত্তত লীন হয়, অৰ্থাৎ ই ধৰ্মকায়ৰ স্বৰূপত লাভ কৰে। তেতিয়াই শূন্যতা আৰু কৰুণাৰ মিলন হোৱা বুলি ধৰা হয়, আৰু তেতিয়াহে মহানন্দৰ আচল খেলা আৰম্ভ হয়। পিহাড়ি—সং পীঠ শব্দৰ পৰা উদ্ভূত; নামধাতু অসমাপিকা ক্ৰিয়াৰূপে পিহাড়ি হৈছে; ইয়াৰ অৰ্থ হৈছে পীঠ বা ছকৰূপ কৰি; আন অৰ্থ—পিহি। খেলহুঁ—খেলোঁ। নয়বল (নঅবল)—নতুন বল অৰ্থাৎ কায়-বাক্-চিত্তৰ অতীত যি আনন্দ সেই আনন্দৰ বল। টীকাত ইয়াক 'চতুথানন্দ বল' বুলি কোৱা হৈছে; ইয়াৰ প্ৰতিশব্দ হ'ল বিৰমানন্দ। সদ্‌গুৰু বোহেঁ—সদ্‌গুৰুৰ উপদেশৰ দ্বাৰা। জিতেল—জিতি ললোঁ। ভৱবল—বিষয়-বাসনা স্বৰূপ বল; 'বিষয়াভাস বলম্'—টীকা। ফীটউ—দূৰ হ'ল, গুচিল। দুআ—দুই, অবিদ্যা আৰু তাৰ বিষয়াভাস। মাদেসি—মৃত হ'ল, আন এটি অৰ্থ মদ। ঠাকুৰ—অবিদ্যাচিত্ত; অবিদ্যা-বিমোহিত চিত্তৰূপ ঠাকুৰ বা দবা-খেলৰ ৰজাজন। উআৰি—উপকাৰ-কাৰী বা গুৰুজন যিয়ে সাধনাৰ সময়ত সহায় কৰে। উএসেঁ (উএসৈঁ)—উপদেশেৰে, উপদেশৰ দ্বাৰা। ণিঅড়—ওচৰ। জিনউৰ—জিনপুৰ, মহাসুখধাম, পৰমানন্দধাম, যত বিষয়-বাসনাৰ কোনো আকৰ্ষণ নাই, য'ত কেৱল মহানন্দই বিৰাজ কৰি থাকে। পহিলেঁ—প্ৰথমতে, কামৰূপী কথিত ভাষাত বহুল ব্যৱহৃত শব্দ। তোড়িআ—ভাঙি। বড়িআ—ই এটি সন্ধ্যা শব্দ; টীকা অনুসৰি এক শ ছয়টা প্ৰকৃতি; প্ৰকৃতিজাত নানা প্ৰকাৰ দোষৰূপ অভিব্যক্তি। মৰাড়িইউ—সাং-কেতিক শব্দ বুলি নধৰিলে শব্দটোৰ পাঠ ভুল যেন অনুমান হয়। অৱশ্যে কেতিয়াবা সংগীতৰ লয় গীতিকাৰৰ মতে ঠিকে ৰাখিবলৈ আচল শব্দৰ ৰূপ লৰচৰ হয়। গীতিকাৰ শঙ্কৰদেৱেও বৰগীতৰ মূল শব্দৰ ৰূপ সলনি কৰিছে; যেনে—'কৃষ্ণৰ কিঙ্কৰ ওহি শঙ্কৰ ভাণা। বিনে হৰি ভকতি তৰণী নাহি আনা॥' —বৰগীত। এই 'ভাণা' শব্দটিৰ মূল হ'ল ভণতি। তাকে কৰবাত লিখিছে ভণই, কৰবাত লিখিছে ভণে ইত্যাদি। মৰাড়িইউ শব্দৰ ক্ষেত্ৰতো এনে

ঘটিব পাৰে। টীকাকাৰে শব্দটিৰ ব্যাখ্যা কৰিছে 'নিঃস্বভাৱীকৃত্য' অৰ্থ্যাৎ স্বভাৱশূন্য কৰি। অধ্যাপক বসু প্ৰভৃতিয়ে টীকাৰ সহায়ত শব্দটিৰ ৰূপ দিছে 'মাৰিউ', এইটিও গ্ৰহণ কৰিব পাৰি। গঅৱৰেঁ —চিত্তৰূপ গজেন্দ্ৰ। তোলিআ—তুলি, তুলি লৈ, অহঙ্কাৰ নাশ কৰি। পাঞ্চজণা—'পঞ্চস্কন্ধাত্মক-পঞ্চবিষয়স্থাহংকাৰমমকাৰাদিভূষণং' —টীকা। গতিকে পঞ্চবিষয়গত অহঙ্কাৰ আদি অৰ্থ কৰা হৈছে। ঘোলিউ—ঘালিউ = ঘাইল কৰি, আঘাত কৰি। মাধৱ কন্দলিৰ ৰামা-য়ণত একে অৰ্থত 'ঘালি' শব্দটো প্ৰয়োগ হৈছে। মতিএঁ—প্ৰজ্ঞাৰূপ মন্ত্ৰীৰ দ্বাৰা। ঠাকুৰক—সংক্লেশ আৰোপিত চিত্ত বা বাসনাযুক্ত চিত্ত: 'ঠাকুৰমিতি সংক্লেশাৰোপিতচিত্তম্'—টীকা। অৰ্থাৎ চিত্তক নিৰ্বাণত আৰোপ কৰা হ'ল; দবা-খেলৰ ৰজাক পৰাজিত কৰা হ'ল। অৱস কৰিআ—দবা-খেলৰ ৰজাক চলিব নোৱাৰা কৰি, অৱশ কৰি; অৰ্থাৎ চিত্তক অচিত্তত লীন কৰি। ভৱবল—সাংসাৰিক শক্তি, সংসাৰৰূপ বল; 'ভৱবলং ভাৱগ্ৰামবলং ৰূপাদিবিষয়ম্'— টীকা। জিতা—জয় কৰা। দাহ/দান—আৱশ্যকীয় 'দান' শব্দটো লিপিত 'দাহ' আছে। দেহুঁ—দিওঁ, দিয়া। অসমীয়া ব্ৰজাৱলীত ব্যৱহৃত -হুঁ প্ৰত্যয়ান্ত ক্ৰিয়াৰ ৰূপ ত্ৰয়োদশ শতিকাৰ গছতলৰ শিলালিপি আৰু বিশেষকৈ ষোড়শ শতিকাৰ শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীতত বিস্তৰ পোৱা যায়। চউষঠ্‌ঠি কোঠা—দবা খেলৰ ফলিত ৬৪টা ঘৰ থাকে; তত্ত্ব ব্যাখ্যাত তাকে নিৰ্মাণচক্ৰ বোলা হৈছে। গুণিআ—গণনা কৰি, লেখি। লেহুঁ—লওঁ; তুলনীয়—'হৰিপদে শৰণ লেহুঁ সব বৰজি।' —মাধৱদেৱৰ বৰগীত।

১৩

ৰাগ—কামোদ : কৃষ্ণাচাৰ্য্যপাদানাম্‌

তিশৰণ ণাৱী কিঅ অঠক মাৰী[১]।
নিঅ দেহ করুণা শূনমে হেৰী[২]॥
তৰিত্তা ভৱজলধি জিম কৰি মাঅ সুইনা।
মঝ[৩] বেণী তৰঙ্গম মুনিআ॥

পঞ্চ তথাগত কিঅ কেড়ুআল।
বাহঅ কাঅ কাহ্নিল মাআজাল॥
গন্ধপৰসৰস[4] জইসোঁ তইসোঁ।
নিন্দ বিহুনে সুইনা জইসো॥
চিঅ কন্নহাৰ[5] সুণত মাঙ্গে।
চলিল কাহ্ন মহাসুহ সাঙ্গে॥

পাঠান্তৰ

১। অঠক মাৰী, বসু; অঠকমাৰী, মুখোপাধ্যায়, সেন; অঠকুমাৰী, শাস্ত্ৰী, নীসেন। ২। শূণমে হেৰী, শাস্ত্ৰী, বসু, শূন মেহেলী, সেন। ৩। মঝ, শাস্ত্ৰী, সেন; মাঝ, বসু। ৪। পৰসৰ, সেন; পৰসৰস, বসু। ৫। কন্নহাৰ, শাস্ত্ৰী, বসু, নীসেন, মুখোপাধ্যায়; কণ্ণহাৰ, সেন।

গূঢ়ার্থ

আঠবিধ বুদ্ধ-ঐশ্বৰ্য্যাদি বিকল্পাত্মক জ্ঞান পৰিহাৰ কৰি কায়-বাক্-চিত্তৰ দ্বাৰা বিৰমানন্দ-নাও তৈয়াৰ কৰা হৈছে। নিজ দেহতে কৰুণা আৰু শূন্যতাৰ মিলন দেখা গৈছে। মায়াময় সপোন স্বৰূপ সংসাৰ-সাগৰ অতিক্ৰম কৰা হৈছে। ললনা-ৰসনাৰ মধ্যৱৰ্ত্তী অৱধূতী নাড়ীৰ যোগেদি মহাসুখৰ তৰঙ্গ সূক্ষ্মভাৱে অনুভূত হৈছে।

কৃষ্ণাচাৰ্য্যই নিজকে সম্বোধন কৰি কৈছে,—'হে কাহ্নু, বিশুদ্ধ পঞ্চতথাগতাত্মক নিজ দেহক বঠা (কেড়ুআল) স্বৰূপে লৈ বিৰমানন্দ-নাওৰ দ্বাৰা কায়ৰূপ মায়াজাল অৰ্থাৎ মায়াৰ সংসাৰ পাৰ হোৱা। গন্ধ-স্পৰ্শ-ৰস আদি বিষয়সমূহ যেনেকৈ আছে তেনেকৈয়ে থাকক; সেইবোৰ এতিয়া নিদ্ৰাবিহীন সপোনৰ দৰে অলীক বুলি প্ৰতীয়মান হৈছে।' শূন্যতাৰ পথত চিত্তৰূপ কৰ্ণধাৰৰ সহায়ত কাহ্নুৱে মহাসুখৰ সঙ্গ লাভৰ কাৰণে আগুৱাই গৈছে।

চৰ্য্যাটিত কোৱা হৈছে যে দৈহিক তথা জাগতিক মায়াজাল ছিণ্ডিবলৈ হলে সহজীয়ামতে পঞ্চতথাগতক বঠা-হিচাবে লব লাগিব; অৰ্থাৎ পঞ্চতথাগতৰ তত্ত্ব যদি নিজৰ দেহৰ ভিতৰতে সম্পূৰ্ণ উপলব্ধি

কৰা যায় তেন্তে পঞ্চস্কন্ধাত্মক দেহৰ আচল ৰূপটি চিনা যায়। এই জ্ঞান আৰু অনুভূতিৰ দ্বাৰাই দেহ পবিত্ৰ হয়, তেতিয়া সি যোগৰ উপযোগী হয়; সেই যোগ-সাধনাৰ সিদ্ধি স্বৰূপে সাধকে মহাসুখ লাভ কৰিবলৈ সক্ষম হয়।

শব্দ-টোকা

তিশৰণ নাৱী—তিশৰণৰ (ত্ৰিশৰণ) মূল অৰ্থ হ'ল—বুদ্ধ, ধৰ্ম আৰু সংঘ; আধ্যাত্মিক সাধনাৰ এই তিনি বিধ আশ্ৰয়। সহজীয়া ধৰ্মত ত্ৰিশৰণে বুজাইছে কায়-বাক্ চিত্ত। টীকা অনুসৰি তিশৰণ নাৱী বা তিনি বিধ শৰণৰ নাও হ'ল কায়-বাক্-চিত্ত লীন হোৱা মহাসুখকায় স্বৰূপ নাও। বিশুদ্ধ দেহক ইয়াত নাওৰ লগত তুলনা কৰা হৈছে। কিঅ—কৰা হয় (কৃতম্)। অঠক মাৰী[৮]—'অঠক' (অঠ+ক দ্বিতীয়া বিভক্তি যোগে) শব্দটোৱে আঠ প্ৰকাৰ বুদ্ধ-ঐশ্বৰ্য্যক বুজাইছে যেনে—অণিমা, লঘিমা, প্ৰাপ্তি, প্ৰাকাম্য, মহিমা, ঈশিতা, বশিতা, কামাবসায়িতা। শব্দটিৰ অন্তৰ্নিহিত অৰ্থ আৰু

৮। 'অঠক মাৰী' শব্দ দুটাক শাস্ত্ৰীয়ে 'অঠকুমাৰী' ৰূপে দেখুৱাইছে। সেন, মুখোপাধ্যায় প্ৰভৃতিয়ে 'অঠকমাৰী' গ্ৰহণ কৰিছে। আন কিছুমান পণ্ডিতে টীকাত 'অঠকুমাৰী' লিখা আছে বুলি কৈছে। আনকি চৰ্য্যাৰ লিপি-বিশাৰদ ড° নীলৰতন সেনেও টীকাৰ লিপিত 'অঠকুমাৰী' লিখা আছে বুলি কৈছে। কিন্তু আমি সূক্ষ্মভাবে যত্নসহকাৰে নিৰীক্ষণ কৰি দেখিলো যে টীকাৰ লিপিত 'অঠকমাৰী'হে আছে : ক-ৰ তলত হ্ৰস্ব উকাৰ নাই। টীকা-পুথিত থকা ক-আখৰটোৰ ঠিক তলতে থকা তীৰ্ন্নং শব্দটোৰ ´ ৰেফডাল পাটিৰ ওপৰত সোঁফালে হেলনীয়া কৰি দিয়া ক-আখৰটোৰ তলৰ কোণত লগ লাগি যোৱাত কু-ৰ নিচিনা দেখা গৈছে, কিন্তু প্ৰকৃততে সেইডাল উকাৰ নহয়, ৰ্ন-ৰ ওপৰত দিয়া ৰেফহে (ড° নীলৰতন সেন সম্পাদিত 'চৰ্যাগীতিকোষ'ৰ টীকা-লিপি চাওক, পৃঃ ৪১)।

আকৌ, ড° তাৰাপদ মুখোপাধ্যায়ে শব্দৰ পাছত দ্বিতীয়া বিভক্তিৰ চিন -ক/-কু যোগ দিয়া উদাহৰণ চৰ্য্যাগানত নাই বুলি কৈছে (চৰ্যাগীতি, পৃঃ ৫৮); কিন্তু 'অঠক' শব্দটোত দ্বিতীয়া বিভক্তি -ক যোগ হৈছে। মূল শব্দটো হ'ল—অষ্ট>অঠ্‌ঠ>আঠ বা অঠ+ক=অঠক। আন এটা উদাহৰণ—ঠাকুৰক পৰিনিবিত্তা (চৰ্য্যা-১২); ইয়াত 'ঠাকুৰ' শব্দটোৰ লগত -ক বিভক্তি যোগ হৈছে।

হব পাৰে, যেনে—স্কন্ধ, ধাতু, আয়তন আৰু পাঁচ ইন্দ্ৰিয়। এই আঠ বিধক মাৰিব পাৰিলে বা নাশ কৰিব পাৰিলে নিজ দেহতেই কৰুণা আৰু শূন্যতাৰ মিলন ঘটে, আৰু তেতিয়াই মহাসুখ লাভ কৰিব পাৰি। নিঅ—নিজ। শূনমে—শূন্যত, মাজত। হেৰী—দেখি, দেখা যায়। তৰিত্তা—তৰে, পাৰ হয় উত্তীৰ্ণ হয়। ভৱ-জলধি—ভৱ-সাগৰ; অৰ্থাৎ চিত্তই যেতিয়া নিজ দেহতে চতুৰ্থানন্দ বা বিৰমানন্দত লীন হয় তেতিয়া পাৰ্থিব বিষয় বাসনাৰ পৰা নিষ্কৃতি পায়। ইয়াকে 'তৰিত্তা ভৱজলধি' শব্দই অৰ্থ কৰিছে। জিম কৰি—যেনেকৈ, যিদৰে। মাঅ সুইনা—মায়াৰূপ সপোন (সপোনৰ দৰে মিছা); জগতখন অবিদ্যাৰ ছলনা মাত্ৰ, তাকেই মায়া-সপোন বুলি কৈছে। মঝ বেণী—ললনা-ৰসনাৰ মধ্যৱৰ্ত্তী অৱধূতিকা নাড়ী। তৰঙ্গ মুনিআ—'তৰঙ্গমুল্লোলসুখং ভুক্তং ময়েতি'—টীকা। অৰ্থাৎ মোৰ দ্বাৰা সুখৰ তৰঙ্গ উপভোগ কৰা হৈছে বা সুখৰ তৰঙ্গ মই উপভোগ কৰিছোঁ। পঞ্চ তথাগত—বৌদ্ধ ধৰ্ম্মৰ পাঁচজন প্ৰধান দেৱতা; ইবিলাকৰ ওপৰৰ জনক বা শ্ৰেষ্ঠতম-জনক বোলা হয় 'আদিবুদ্ধ', এৱেঁই হ'ল জগত-প্ৰপঞ্চৰ কাৰণ। আদিবুদ্ধ বা বজ্ৰসত্ত্বৰ জ্ঞানময় তনুৰ ভিতৰত পাঁচবিধ জ্ঞান আছে; এইবোৰৰ বিষয়ে আদিবুদ্ধৰ যি পৃথক পৃথক সচেতনতা তাক পঞ্চধ্যান বোলে। পঞ্চধ্যানৰ পৰাই পঞ্চস্কন্ধাত্মক বা পঞ্চভূতাত্মক জগত-প্ৰপঞ্চৰ সৃষ্টি। পঞ্চধ্যানৰ অধিকাৰী দেৱতাবোৰেই হ'ল পঞ্চধ্যানীবুদ্ধ। পঞ্চধ্যানীবুদ্ধ বা পঞ্চতথাগতৰ নাম যথাক্ৰমে বৈৰোচন, অক্ষোভ্য, ৰত্নসম্ভৱ, অমিতাভ আৰু অমোঘসিদ্ধি। বৈৰোচন ৰূপস্কন্ধৰ অধিষ্ঠাতা দেৱতা; সেইদৰে অক্ষোভ্য বিজ্ঞানৰ দেৱতা, ৰত্নসম্ভৱ বেদনাৰ, অমিতাভ সংজ্ঞাৰ আৰু অমোঘসিদ্ধি সংস্কাৰৰ দেৱতা। তান্ত্ৰিক বৌদ্ধধৰ্ম্মমতে এই পঞ্চতথাগত দেহৰ ভিতৰত থাকে; সিবিলাকৰ স্থান হ'ল—মূৰ বৈৰোচনৰ স্থান, হৃদয় অক্ষোভ্যৰ, নাভি ৰত্নসম্ভৱৰ, মুখ অমিতাভৰ আৰু ভৰি অমোঘসিদ্ধিৰ স্থান। বাহঅ—বায়, চলাই নিয়ে। কাঅ—কায়, দেহ। মাআজাল—

মায়াজাল সদৃশ পঞ্চস্কন্ধাত্মক বিষয়-বাসনাযুক্ত সংসাৰ সাগৰ। গন্ধ-পৰসৰস—গন্ধ-স্পৰ্শ ৰূপ-ৰস-শব্দ এই পঞ্চ ইন্দ্ৰিয়ৰ কথা বুজাইছে। জইসোঁ তইসোঁ—যেনেকুৱা তেনেকুৱা (যিদৰে আছে সেইদৰে থাকক)। নিন্দ বিহুনে—নিদ্ৰাবিহনে। সুইণা জইসো—সপোন যেন, সপোনৰ নিচিনা। চিঅ কণ্ণহাৰ—চিত্ত-কৰ্ণধাৰ। সুণত মাঙ্গে—শূন্যতাৰূপ নাওৰ পথত। চলিল—গ'ল; পুৰণি আৰু আধুনিক অসমীয়াত ব্যৱহৃত শব্দ। সাঙ্গে—সঙ্গত, লগত, সৈতে।

১৪

ৰাগ ধনসী ঃ ডোম্বীপাদানাম্‌

গঙ্গা জউনা মাঝেঁৰে বহই নাই।
তহিঁ চুড়িলী মাতঙ্গি পোইআ[১] লীলে পাৰ কৰেই॥
বাহতু ডোম্বী বাহ লো ডোম্বী বাটত ভইল উছাৰা।
সদ্‌গুৰু পাঅপএঁ জাইব পুণু জিণউৰা॥
পাঞ্চ কেডুআল পড়ন্তেঁ মাঙ্গে পিটত[২] কাচ্ছী বান্ধী।
গঅণ-দুখোলেঁ সিঞ্চহুঁ পাণী নপইসই সান্ধী॥
চন্দ সূজ্জ দুই চকা সিঠি সংহাৰ পুলিন্দা।
বাম দাহিণ দুই মাগ ন ৰেবই[৩] বাহতু ছন্দা॥
কবড়ী নলেই বোড়ী নলেই সুচ্ছড়ে পাৰ কৰেই।
জো ৰথে চড়িলা বাহবা ণজাই[৪] কুলেঁ কুল বুড়ই[৫]॥

পাঠান্তৰ

১। জোইআ, বসু: পোইআ, শাস্ত্ৰী, বাগচী, সেন। ২। পিটত শাস্ত্ৰী, সেন: পিঠত, বসু, দাশগুপ্ত। ৩। ৰেবই, সেন; চেবই, নীসেন, শাস্ত্ৰী, বসু। ৪। ণ জাই, শাস্ত্ৰী, ন জাবাই, সেন। ৫। বুড়ই, শাস্ত্ৰী, নীসেন, চুড়ই সেন; বুলই, বসু, দাশগুপ্ত।

গূঢ়াৰ্থ

গঙ্গা-যমুনা নৈৰ মাজত এখন নাও চলে। তাত মাতঙ্গী ৰূপিণী নৈৰাত্মাদেৱীয়ে যোগীন্দ্ৰক পাৰ কৰে। পদ-ৰচক ডোম্বীপাদে কৈছে যে 'হে ডোম্বী, সোনকালে বলা, বাটত পলম হৈছে। সদ্‌গুৰুৰ

উপদেশ লৈ পুনৰ মহাসুখৰ পুৰীলৈ যাব লাগে।' চৰ্য্যাটিত গঙ্গা-যমুনা নৈক ললনা আৰু ৰসনা নাড়ীৰ ৰূপক হিচাবে লোৱা হৈছে। আনহাতে ইয়াত গ া-যমুনা হ'ল গ্ৰাহ্য-গ্ৰাহক। ললনা-ৰসনাৰ মাজত থাকে অৱধূতিকা নাড়ী, ইয়াক এখন নাওৰ লগত তুলনা কৰা হৈছে। সেই নাওখন নৈৰাত্মাদেৱীয়ে চলায় বা বায়। নৈৰাত্মাৰ ৰূপক বা প্ৰতীক হ'ল ডোম যুৱতী। নদীৰ এটা পাৰৰ পৰা আন এটা পাৰলৈ যেনেকৈ নাও বাই ডোম যুৱতীয়ে যাত্ৰীক পাৰ কৰে, তেনেকৈ যোগীক এই সংসাৰ-সাগৰ পাৰ কৰি দিয়ে নৈৰাত্মাদেৱীয়ে। ভৱ-সাগৰ পাৰ হ'বলৈ হলে নৈৰাত্মাৰ সহায় অপৰিহাৰ্য্য; অৰ্থাৎ চিত্তৰ জাগতিক আকৰ্ষণ নাশ কৰিব নোৱাৰিলে নিৰ্বাণ-লাভৰ আশা কৰা মিছা। চৰ্য্যাত উল্লেখ কৰা নাওখন হৈছে সহজীয়া সাধন-মাৰ্গৰ ৰূপক বা প্ৰতীক। পদ-ৰচক ডোম্বীপাদ গুৰুৰ উপদেশ অনুসৰি যথাযুক্ত সাধন-পদ্ধতিৰে নিৰ্বাণ লাভ কৰিবলৈ ব্যগ্ৰ।

পাঁচপাত বঠা বিৰমানন্দ মাৰ্গত পেলোৱা হৈছে, পিঠিত কাছি বন্ধা আছে। গগনৰূপ সিচনীৰে পানী সিচি পেলাব লাগে যাতে নৈৰ পানী নাওৰ বিন্ধাৰে নোসোমায়। অৰ্থাৎ নিৰ্বাণ-মাৰ্গত আগ বাঢ়িবলৈ হলে গুৰুৰ উপদেশ অনুসৰি সাধনা কৰিব লাগিব গুৰু নোহোৱাকৈ সাধনাত আগ বাঢ়িব নোৱাৰি। পীঠ বা মণি-মূলত সহজানন্দক দৃঢ়ৰূপে ধৰিব লাগে; গতিকে জাগতিক কামনা-বাসনাৰ পৰা সাধকে নিজক মুক্ত কৰি ৰাখিব লাগে।

সাধন-মাৰ্গত নাও চলাবলৈ যি পাঁচপাত বঠাৰ কথা কোৱা হৈছে সেইয়া হ'ল পঞ্চতথাগত-শৰণ আৰু পাঁচবিধ সাধন-ক্ৰমৰ অৱলম্বন। পিঠিত কাছি বান্ধি নাও বোৱা কথাষাৰৰ অন্তৰ্নিহিত তাৎপৰ্য্য হ'ল —দেহৰ মাজত থকা প্ৰতিটো চক্ৰত একোটা পীঠ কল্পনা কৰা হৈছে, তাত দেহ-মন স্থিৰ কৰিবৰ অৰ্থে এক প্ৰকাৰ যৌগিক প্ৰক্ৰিয়া কৰা আৱশ্যক। নাওৰ পানী মানে হ'ল সমস্ত প্ৰকৃতিজাত মলি-আবৰ্জ্জনা, সেইবোৰ শূন্য-সিচনীৰে দূৰ কৰিব লাগে, অৰ্থাৎ প্ৰজ্ঞা-জ্যোতিৰে নিৰ্মল কৰিব লাগে।

সৃষ্টি-সংহাৰৰ তত্ত্বস্বৰূপ চন্দ্ৰ আৰু সূৰ্য্য হ'ল নাওৰ দুটি চকা; নাওৰ মাজভাগত আছে অদ্বয়ৰ প্ৰতীক মাস্তুল। ইয়াত চন্দ্ৰক প্ৰজ্ঞাজ্ঞানৰ লগত, সূৰ্য্যক অদ্বয়জ্ঞানৰ লগত আৰু পুলিন্দক নিৰুপাধি জ্ঞানৰ লগত বিজোৰা হৈছে। এই তিনি প্ৰকাৰৰ বিকল্প জ্ঞান সৃষ্টি-সংহাৰৰ মূল কাৰণ। যাত্ৰীৰূপ ডোম্বীপাদে নাও-চালিকাক কৈছে যে 'বাওঁ-সোঁ কোনোফালে নাচাই তুমি ইচ্ছামতে বোধিচিত্তৰূপ নাওখন বাই ব'লা।'

নৈৰাত্মা-ডোম্বীয়ে নাওৰে পাৰ কৰা বাবে পাৰিশ্ৰমিক হিচাবে কড়ি-পইচা একো নলয়, নিজ ইচ্ছাৰে খুচিমতে পাৰ কৰি দিয়ে। অৰ্থাৎ সহজযান ধৰ্মত গুৰুক কোনো প্ৰকাৰৰ ধন-বিত্ত দিব নালাগে, গুৰুৱে স্বচ্ছন্দেৰে শিষ্যক দীক্ষা দিয়ে, জ্ঞান দিয়ে; সেই জ্ঞানৰ দ্বাৰা সিদ্ধই নিৰ্বাণ লাভ কৰিব পাৰে। কিন্তু সহজীয়া পথ লৈ যিসকলে সাধনা কৰিব নাজানে তেওঁলোকৰ জীৱন নিষ্ফল; তেওঁলোক নাওত উঠিব নজনা যাত্ৰীৰ দৰে। চঞ্চল আৰু ভয়াতুৰ যাত্ৰীক লৈ নাও চলালে সেই নাও ঘাটে ঘাটে বুৰে।

শব্দ-টীকা

গঙ্গা-জউনা ইত্যাদি—গঙ্গা আৰু যমুনা নৈ; এই দুটি প্ৰতীকহে, আচলতে বুজাইছে চন্দ্ৰ-সূৰ্য্য, গ্ৰাহ্য-গ্ৰাহক আৰু ললনা-ৰসনা দুই নাড়ীৰ কাৰ্য্যক। এই দুই নাড়ীৰ মাজত অৱধূতিকা নাড়ী থাকে। ই গ্ৰাহ্য-গ্ৰাহকভাৱ বৰ্জ্জিতা। গতিকে ক্লেশনাশকাৰী অৱধূতী মাৰ্গ ই হ'ল মহাসুখ বা পৰমানন্দ লাভৰ প্ৰশস্ত পথ। গঙ্গা-যমুনাৰ মাজত চলা নাওখনেও এই অৱধূতী মাৰ্গকে নিৰ্দেশ কৰিছে। সেইখন নাও চলাওতা হ'ল ডোম্বীৰূপিণী নৈৰাত্মাদেৱী। তেৱেঁই যোগী-সাধকক সংসাৰ ৰূপ সাগৰ পাৰ কৰি দিয়ে। তঁহি চুড়িলী—তাতে থকা অৰ্থাৎ সেই নাওত উঠি থকা বা তাতে নিমজ্জিত হৈ থকা (ডোম্বী)। টীকাত আছে—'তত্ৰ স্থিত্বা সহজযান প্ৰমত্তাঙ্গী ডোম্বী। চড়িলা, চড়িলে, চুড়িলী, বুড়িলী আদি শব্দবোৰ একে

অৰ্থবাচক আৰু প্ৰায় সমৰূপক। টীকাৰ লিপিত 'চুড়িলী' শব্দটো 'বুড়িলী' যেনও লাগে ; ব-আখৰটো লিখোঁতে হাতৰ পাকত চ-হোৱা বুলি সন্দেহ হয় ; দুয়োটা আখৰৰ মাজত যৎকিঞ্চিৎহে পাৰ্থক্য দেখা যায়। মাতঙ্গি—মাখুন্দী হাতী ; কিন্তু চৰ্য্যাত বুজাইছে 'ডোম্বী' অৰ্থাৎ অৱধূতী। পোইআ—পোৱালি, পুত্ৰ-পুত্ৰী। অসমীয়াত 'পৈ' বুলি শব্দ এটা আছে, তাৰ অৰ্থ হ'ল—পতি, স্বামী। চৰ্য্যাত 'পোইআ' শব্দটোৰ দ্বাৰা 'গৰাকিনী'-শক্তিক বুজোৱা হৈছে ; 'পৈ' শব্দটোৰ সংস্কৃত মূল 'পতি' শব্দ। ইয়াৰ কামৰূপী অপভ্ৰংশ ৰূপ হয় পই বা পোই। চৰ্য্যাত স্ত্ৰীলিঙ্গবাচক মাতঙ্গি (বা মাতঙ্গী) শব্দটো আগত থকা কাৰণে তথা নাৰী-শক্তিক বুজোৱাৰ উদ্দেশ্যে লিছত 'পোইআ' শব্দটো ব্যৱহৃত হব পাৰে। দাশগুপ্ত আৰু বসুৱে শব্দ-তত্ত্বৰ জটিলতালৈ নগৈ ক্ৰমে যোইআ আৰু জোইআ শব্দ গ্ৰহণ কৰিছে। লীলে পাৰ কৰেই—লীলাৰ দ্বাৰা বা নিজ শক্তিৰ গুণত অথবা হেলাৰঙে পাৰ কৰে। বাহতু ডোম্বী বাহ লো ডোম্বী—'হে ডোম্বী, নাওখন বাই লৈ যোৱাচোন।' উছাৰা—পলম, দেৰী, বিলম্ব। পাঅপএঁ—পাদ-প্ৰসাদে, সদ্‌গুৰুৰ উপদেশেৰে। জাইব পুণু—পুনৰ যাম, আকৌ যাম। জিণউৰা জিনপুৰ, মহাসুখৰ পুৰী। পাঞ্চ কেডুআল—পঞ্চজ্ঞান, পঞ্চধ্যান, পঞ্চতথাগত, পাঁচ প্ৰকাৰ উপদেশ যাৰ দ্বাৰা অদ্বয়-তত্ত্বত প্ৰতিষ্ঠিত হব পাৰি আৰু পৰিশেষত নিৰ্বাণ পাব পাৰি। পড়ন্তে—পৰে। মাঙ্গে—শূন্যতা-মাৰ্গত। পিটত—পীঠত, সাধাৰণ অৰ্থত পিঠিত। কাচ্ছী—কাছি, মোটা ৰছী। বান্ধী—বান্ধি, বন্ধা হৈছে, বান্ধি লোৱা হৈছে। গঅণ-দুখোলেঁ—শূন্যতাৰূপ সিচিনী। সিঞ্চহুঁ—সিচা, সিচোঁ। সান্ধী—সন্ধি, বিন্ধা, ফুটা। চন্দ-সূজ্জ দুই চকা—চন্দ্ৰ-সূৰ্য্যৰূপ দুটি চকা। চন্দ্ৰৰূপ প্ৰজ্ঞাজ্ঞান, সূৰ্য্যৰূপ অদ্বয়জ্ঞান—এই দুটি জ্ঞানচক্ৰ। সিঠি—সৃষ্টি। সংহাৰ—তৎসম শব্দ। পুলিন্দা—পুলিন্দ অৰ্থাৎ নিৰুপাধিৰ, নিৰুপাধি-জ্ঞান। মাগ—মাৰ্গ। বেবই—দেখা যায়, শোভা পায় ; ন বেবই—দেখা নাযায় বা নেদেখি। 'ন বেবই' শব্দই 'নৱবা' অৰ্থও

কৰিব পাৰে। ছন্দা—স্বচ্ছন্দে, ইচ্ছামতে। কবড়ী—(<কপৰ্দ্দক) কড়ি, অৰ্থ। নলেই—নলয়। বোড়ী—পাৰিশ্ৰমিক, টকা-পইচা। সুচ্ছড়ে—স্বচ্ছন্দে। পাৰ কৰেই—পাৰ কৰে। জো—যি। ৰথে—নাওৰূপ বাহন। বাহবা ণজাই—বাবলৈ নাজানে, চলাব নাজানে। কুলেঁ কুল বুড়ই—নদী বা সাগৰৰ পাৰে পাৰে বুৰে (ডুব যায়)। কুলেঁ কুল—কূল, পাৰ, দাঁতি। ইয়াৰ কুল শব্দই নদীৰ 'ঘাট'কো অৰ্থ কৰিছে। তত্ত্ব অনুসৰি কিছুমান অজ্ঞানী যোগীয়ে শৰীৰৰ ভিতৰতে ঘূৰি ফুৰে; সাধনাৰ প্ৰকৃত পথ বা উপায় কি তাক নাজানে; গতিকে তেওঁলোকৰ সিদ্ধিলাভ নহয়।

১৫

ৰাগ—ৰামক্ৰী ঃ শান্তিপাদানাম্

সঅ-সম্বেঅণ সৰুঅ বিআৰেঁতে অলকৃখ লকৃখণ নজাই।
জে জে উজূ বাটে গেলা অনাবাটা ভইলা সোঈ॥
কুলেঁ কুল মা হোই ৰে মূঢ়া[১] উজ্ বাট সংসাৰা।
বাল তিল একু বাঙ্ক ণভূলহ ৰাজপথ কণ্ঢাৰা॥
মাআমোহা সমুদাৰে অন্ত নবুঝসি থাহা।
আগে[২] নাৱ ন ভেলা দীসঅ ভন্তি ন পুছসি নাহা॥
সুনা পান্তৰ উহ ন দিসই ভান্তি ন বাসসি জান্তে।
বাম দাহিণ দো বাটা ছাড়ী সান্তি বুলথেউ সংকেলিউ।
ঘাট ন গুমা খড়তড়ি নোহোই[৪] আখি বুজিঅ বাট জাইউ॥

পাঠান্তৰ

১। মূঢ়া, শাস্ত্ৰী, বসু, দাশগুপ্ত, নীসেন; মূঢ়া, সেন। ২। অগে, শাস্ত্ৰী, নীসেন; আগে, বসু; আগ, দাশগুপ্ত। ৩। সিঝএ, শাস্ত্ৰী, সেন; সিঝই, বসু, দাশগুপ্ত। ৪। নো হোই, শাস্ত্ৰী, সেন, বসু, দাশগুপ্ত, মুখোপাধ্যায়।

গূঢ়াৰ্থ

পাৰমাৰ্থিক তত্ত্ব ইন্দ্ৰিয়-অনুভূতিৰ দ্বাৰা বুজা নাযায়। ই অতীন্দ্ৰিয় আৰু অলক্ষ্য; লক্ষণ আদিৰ দ্বাৰা ইয়াক ব্যাখ্যা কৰিব

নোৱাৰি। যিসকল যোগী সহজ-পথেৰে গৈছে, তেওঁলোক পুনৰ ঘূৰি নাহে ; কাৰণ তেওঁলোক মহাসুখত নিমগ্ন হৈছে। গতিকে বস্তু-জগতৰ অস্তিত্ব সম্পৰ্কে থকা পূৰ্বৰ ধাৰণা এতিয়া সিবিলাকৰ অন্তৰত নাই।

শান্তিপাদে সহজীয়া অনুগামীসকলক কৈছে যে মুৰ্খৰ দৰে এই সংসাৰ-সাগৰৰ পাৰে পাৰে নুঘূৰিবা, সংসাৰখনকে সহজীয়া ধৰ্মৰ উত্তম ক্ষেত্ৰ বুলি নাভাবিবা ; সাগৰৰ মাজ তলিত যিদৰে মাণিক লুকাই থাকে, সেইদৰে সংসাৰৰ ভিতৰতে শ্ৰেষ্ঠ তীৰ্থ দেহ আছে ; তাতেই বিচাৰি চোৱা। মূৰ্খলোকে সংসাৰকে উপকূলভাৱে মহাসুখ লাভৰ সহজ-পন্থা বুলি ভাবে ; কিন্তু জ্ঞানীলোকে তেনেকৈ নাভাবে। তেওঁলোক ৰাজপথৰূপ গুৰুৰ উপদেশৰ পৰা মুঠেও বিচলিত নহয়।

অনভিজ্ঞ যোগীসকলে মায়ামোহৰূপ সংসাৰ-সাগৰৰ অন্ত আৰু গভীৰতা নুবুজে। ভৱ-সাগৰ পাৰ হবলৈ সন্মুখত যদি কোনো নাও বা ভেল দেখা নাযায়, তেন্তে এই পথৰ অভিজ্ঞ পথিক অৰ্থাৎ সহজীয়া গুৰুসকলৰ পৰা তত্ত্ব সুধি লব লাগে। গুৰুৰ উপদেশ অবিহনে ইয়াক পাৰ হোৱাৰ অন্য উপায় নাই।

শূন্য প্ৰান্তৰত যদি কোনো উপায় বা দিশ পোৱাও নাযায় তথাপি ভুল পথে চলা উচিত নহয়। মন স্থিৰ কৰি সহজ-পথত চলিলে অষ্ট মহাসিদ্ধি লাভ হয়। বাওঁ আৰু সোঁ—এই দুটা পথ এৰি সিদ্ধাচাৰ্য্য শান্তিপাদে সহজ-পথতে ক্ৰীড়া-কেলি কৰি ঘূৰি ফুৰে তেওঁ কৈছে যে 'সহজীয়া পথত বাধা-বিঘিনি, তৃণ-লতা আদি কোনো প্ৰতিবন্ধক নাই, দৃষ্টি বুজি আগবাঢ়ি যোৱা, তেতিয়া তোমাৰ সিদ্ধিলাভ হবই।'

শব্দ-টোকা

সঅ-সম্বেঅণ স্বয়ং-সংবেদন। সৰুঅ—স্বৰূপ। বিআৰৈতে—বিচাৰত। অলক্‌খ লক্‌খণ—অলক্ষ্য লক্ষণ, বুজিব নোৱাৰা বা ধৰিব নোৱাৰা লক্ষণ। পৰমাৰ্থ-তত্ত্ব হৈছে অনুভূতিৰ স্বৰূপ, ই আকৃতিযুক্ত বা লক্ষণবিশিষ্ট নহয়, ই এটি অদ্বয় শক্তি ; ভাষাৰ দ্বাৰা ইয়াক প্ৰকাশ কৰিব নোৱাৰি। উজ্‌ বাটে—(উজ্‌ = সহজ ;

বাট=পথ) সহজ পথ, সহজ মাৰ্গ। অনাবাটা—টীকা অনুসৰি 'অনাবৰ্ত্ত' অৰ্থাৎ পুনৰ ঘূৰি নহা, উভতি নহা। ঘূৰি নহাৰ কাৰণ হ'ল যিসকলে সহজ মাৰ্গত আগ বাঢ়িছে, তেওঁলোক মহানন্দত নিমগ্ন হৈছে। সাধকে সেই আনন্দ ত্যাগ কৰি ভৱ-বিকল্পাদিৰ চক্ৰত পুনৰ প্ৰৱেশ নকৰে। কিয়নো বহু সাধনাৰ বলতহে তেওঁলোকে বহু সংশয়যুক্ত চক্ৰ অতিক্ৰম কৰি মহাসুখচক্ৰত প্ৰৱেশ কৰিছে। সোঈ—সেই। কুলেঁ কুল—সাধাৰণ অৰ্থত পাৰ, দাঁতি, কাষ; কিন্তু চৰ্য্যাত অৰ্থ কৰা হৈছে 'প্ৰত্যেক শৰীৰ'; অৰ্থাৎ বস্তু-জগত। মা হোই—নহয় বা নহবা। কুলেঁ কুল মা হোই ৰে—'কুলে প্ৰত্যেক-শৰীৰে ভো মূঢ়া বালযোগিনঃ এতদবিৰমানন্দোপায়মাৰ্গং বিহায় নান্যো মাৰ্গসম্ভাৰোঽভিমুখোঽস্তি।' —টীকা। অৰ্থাৎ এনেকুৱা বিৰমানন্দমাৰ্গ পৰিত্যাগ কৰি প্ৰত্যেক শৰীৰৰূপ বস্তু-জগতৰ অন্য মাৰ্গৰ অভিমুখে নাযাবা। মূঢ়া উজ্‌বাট সংসাৰা—মূঢ় বা অজ্ঞানী-লোকৰ বাবে সংসাৰেই সহজ পথ, কাৰণ সিবিলাকে সংসাৰকেই সকলো সুখৰ ভঁৰাল বুলি ভাবে, পাৰমাৰ্থিক তত্ত্বৰ ঔচিত্য বুজি নাপায়। মূঢ় শব্দৰ সম্বোধন হিচাবে মূঢ়া হৈছে; 'উজ্‌বাট সংসাৰা' মূঢ়াৰ বিশেষণ ৰূপে বহিছে। বাল—চৰ্য্যাটিত 'বাল' পাৰিভাষিক শব্দ হিচাবে বহিছে; তাৰ অৰ্থ—'হে বালযোগী', 'হে অনভিজ্ঞ যোগী'। তিল—তিল মান, তিল সদৃশ, এই ভাৱত। একু বাঙ্ক—এক বাক্যেও, এটা কথাও। ণভুলহ—নুভুলিবা। ৰাজপথ কণ্ঢাৰা—দুই কাষে কাপোৰেৰে আগুৰা ৰাজপথ। 'বাল তিল একু বাঙ্ক' ইত্যাদি—'হে বালযোগী, ৰাজ-চক্ৰবৰ্ত্তীয়ে সোণ খটোৱা পথেৰে যেনেকৈ ক্ৰীড়া-উদ্যানত প্ৰৱেশ কৰে, তেনেকৈ সাধকেও কেলি কৰি কৰি অৱধূতী মাৰ্গেৰে মহাসুখ-কমল-উদ্যানত প্ৰৱেশ কৰে। তুমিও ভৱৰ বিকল্প বিষয়ক জ্ঞান পৰিহাৰ কৰি মহাসুখচক্ৰত প্ৰৱেশ কৰা।' মাআমোহা সমুদাৰে—মায়ামোহৰূপ সংসাৰ-সমুদ্ৰৰ। অন্ত নবুঝসি থাহা—অন্ত আৰু স্থিতি (থাহা) নুবুজা। মাআমোহা সমুদাৰে ইত্যাদি—প্ৰজ্ঞাৰ নামান্তৰ হৈছে মায়া। তাৰ সহচৰ হৈছে

মোহ। মায়ামোহ-ৰূপ সাগৰৰ সীমা আৰু তলি বালযোগীসকলে ঢুকি নাপায় বা নুবুজে। অগে—আগত, সন্মুখত। নাৱ—নাও। ভেলা—ভেল, কলগছৰ তৈয়াৰী ভেল। এই একে অৰ্থত পুৰণি অসমীয়াত, বিশেষকৈ মনসা কাব্যত ভেল, ভেলা শব্দ ব্যৱহাৰ হৈছে। ভন্তি—ভ্ৰান্তি, ভুল। পুছসি—পুছা, সোধা। নাহা—সদ্‌গুৰু, নাথ, ঈশ্বৰ। সুনা পান্তৰ—শূন্য প্ৰান্তৰ অথবা শূন্য পন্থা। উহ ন দিসই—তাক নেদেখিলে। ভান্তি ন বাসসি জান্তে—সহজ পথেৰে যাওঁতে ভুলকৈ নাভাবিবা বা ভুল নকৰিবা। ভান্তি' আৰু 'জান্তে' পুৰণি অসমীয়াত বহুল ব্যৱহৃত শব্দ। এষা—ইয়াত, এনেকুৱা। অঠ মহাসিদ্ধি আঠ বিধ মহাসিদ্ধি। সিঝএ—সিদ্ধ্যতে, লাভ হয়। জাঅন্তে—যায়, যাওঁতে। দো বাটা—দুটি বাট। ছাড়ী—এৰি, ত্যাগ কৰি। বুলথেউ সংকেলিউ—টীকা অনুসৰি বাওঁ-সোঁ আভাস দ্বয়ক পৰিহাৰ কৰাৰ পাণ্ডিত স্ফূৰ্ত্তি কৰি ভাব-বিষয়াদি সংহাৰ কৰা হয়। চৰ্য্যাৰ সঙ্গত অৰ্থ হ'ল—অৱধূতী-মাৰ্গত উপনীত হোৱাৰ আগে বাধা-বিঘিনি স্বৰূপ ভাব-বিষয়াদি ধ্বংস কৰি ক্ৰীড়া কৰিছে। ডঃ সেনৰ মতে বুলথেউ=বোলথি, কয়; সংকেলিউ=সংক্ষিপ্তভাৱে। ঘাট ন গুমা খড়তড়ি—ঘাট বা লতা-বন-ভাবৰ অথবা খাল-বিল আদি। নোহোই—নহয়, নাই, নাথাকে। আখি—অক্ষি > অক্‌খি > আখি = চকু। বুজিঅ—বুজি, জানি, চিনি। বাট—সহজ পথ। জাইউ—যোৱা হওঁক, যোৱা।

১৬

ৰাগ—ভৈৰৱী ঃ মহীধৰপাদানাম্

তিনিএঁ পাটেঁ লাগেলি ৰে অণহ কসণ ঘণ গাজই।
তা সুনি মাৰ ভয়ঙ্কৰ ৰে সঅ মণ্ডল সএল ভাজই॥
মাতেল চীঅ গঅন্দা ধাবই।
নিৰন্তৰ গঅণন্ত তুসেঁ ঘোলই॥

পাপ পুণ্য বেণ্ণি তিড়িঅ[১] সিকল মোড়িঅ খম্ভা ঠাণা।
গঅণ টাকলি লাগি ৰে[২] চিত্তা[৩] পইঠ ণিবাণা॥
মহাৰস পানে মাতেল ৰে তিহুঅণ সএল উএখী।
পঞ্চ বিষঅ ৰে[৪] নায়ক ৰে বিপখ কোৱী ন দেখী॥
খৰৰবি-কিৰণ-সন্তাপে ৰে গঅণাঙ্গণ গই পইঠা।
ভণন্তি মহিত্তা[৫] মই এথু বুড়ন্তে কিম্পি ন দিঠা॥

পাঠান্তৰ

১। তিড়িঅ, শাস্ত্রী. সেন,; তোড়িআ, বসু, দাশগুপ্ত। ২ লাগি ৰে, শাস্ত্রী, সেন, বসু, দাশগুপ্ত; লাগেলি ৰে, বাগচী। ৩। চিত্তা, শাস্ত্রী, সেন; চিত্ত, বাগচী, বসু ৪। বিষয ৰে, সেন; বিসঅ, বসু, দাশগুপ্ত ৫। মহিত্তা, সেন; মহিত্তা, শাস্ত্রী, নীসেন, বসু; মহিআ, বাগচী।

গূঢ়াৰ্থ

সহজীযাসকলে 'চিত্ত'ক বিবিধ ৰূপক-উপমাৰে ব্যঞ্জিত কৰিছে, কেতিয়াবা হাতী, কেতিয়াবা হাৰণ, কোনো কোনো ক্ষেত্ৰত গছ বা নাও ইত্যাদিৰ সহাযত চিত্তৰ গূঢ়াৰ্থ প্ৰকাশ কৰিছে। জাগতিক জ্ঞানৰ ভঁৰালেই হৈছে চিত্ত। চিত্তৰ দুটা শক্তি আছে—এটা হৈছে বহিৰ্মুখী, আনটো অন্তৰ্মুখী। প্ৰথম স্তৰত চিত্তৰ উৎকৰ্ষতা সাধন হলে বহিৰ্মুখী শক্তিটো স্বাভাৱিকতে অন্তৰ্মুখী শক্তিলৈ উন্নীত হয়। তেতিয়া ই বোধিচিত্ত নাম পায়।

মহীধৰপাদে এই চৰ্য্যাটিত চিত্তক গছৰ লগত তুলনা কৰিছে। চিত্তৰূপ গছক কাটি তিনিটা পাট তৈয়াৰ কৰা হৈছে; পাট তিনিটা হ'ল—কায়-বাক্-মন। ইহঁতে জ্ঞানমদ পান কৰি পৰস্পৰে মিলি পৰিছে। তেতিয়া ভয়ঙ্কৰ শূন্যতা-শব্দৰ ঘনঘোৰ গৰ্জন শুনা গৈছে। তাকে শুনি সংসাৰৰ দুখৰ মূল কাৰণ মাৰৰূপ স্কন্ধ-ধাতু আদি সকু সকু মণ্ডলবোৰ বিচলিত হ'ল। তাৰ পাছত চিত্তৰূপ মাতাল গজেন্দ্ৰই শূন্যতা-জ্ঞান লাভ কৰি নিৰন্তৰে গগনৰ পিনে দ্ৰুত গতিৰে আগবাঢ়ি গৈছে আৰু সকলো প্ৰকাৰ দ্বৈত ভাৱৰ খাল-বিল ঘোলা

কৰি দিছে। অৰ্থাৎ চন্দ্ৰ-সূৰ্য্য বা দিন-ৰাতিৰ জ্ঞানৰূপ জাগতিক বিকল্প ভাব নাশ কৰি চিত্ত-গজেন্দ্ৰই বিৰমানন্দৰূপ শূন্য-আকাশৰ পিনে ধাবিত হৈছে; কাৰণ তাত আনন্দ-সাগৰ অৱস্থিত; সেই জ্ঞান-সাগৰত চিত্ত-গজেন্দ্ৰই মহাসুখত গা ধেলাব পাৰিব।[১]

সংসাৰৰ পাপ-পুণ্যৰূপ শিকলি ছুডাল চিঙি অবিদ্যাৰ স্তম্ভ-ঠাই খান্দি-খুন্দি গগন-শিখৰত বা শূন্যতাৰ শেষ স্তৰত উপস্থিত হৈ চিত্তই নিৰ্বাণত প্ৰৱেশ কৰিলে। চিত্তই ত্ৰিভুবনৰ যাৱতীয় বস্তু উপেক্ষা কৰি মহাৰস পানত মত্ত হ'ল; তেওঁ এতিয়া পঞ্চ বিষয়ৰ নায়ক; তেওঁ লোভ, ক্ৰোধ, মোহ, মান আৰু ঔদ্ধত্য—এই পাঁচবিধ বান্ধোন চিঙি পেলাইছে, গতিকে এতিয়া চিত্তই মহাসুখৰ বিৰোধী ছুখ, ক্লেশ, ভয়, সন্দেহ, মৃত্যু আদি একোকে অনুভৱ নকৰা হৈছে।

মহাসুখৰ অনুভূতিৰূপ উত্তপ্ত সূৰ্য্যৰ তাপত সন্তাপিত হৈ চিত্তই গগনৰ অঙ্গনৰূপ শূন্যত অৰ্থাৎ মহাসুখৰ সৰোবৰত প্ৰৱেশ কৰিছে। গীতৰ সামৰণিত মহীধৰপাদে কৈছে যে 'মই যেতিয়া এই মহাসুখৰ সৰোবৰত ডুব যাওঁ তেতিয়া আৰু একোকে দেখা নাপাওঁ।' অৰ্থাৎ তেওঁৰ তেতিয়া কোনো প্ৰকাৰৰ ভেদ জ্ঞান নাথাকে, তেওঁ নিৰ্বিকল্প হৈ পৰে।

শব্দ-টোকা

তিনিএঁ পাটেঁ—তিনিটা পাট (বা কাঠৰ তক্তা); অৰ্থাৎ কায়-বাক্-মন। লাগেলি—লগ লাগিলে, মিলি পৰিলে। অণহ—অনাহত শূন্যতা-শব্দ। কসণ—কৃষ্ণ কলা, ভয়ানক। গাজই—গৰ্জন কৰে, গাজে, গাজনি উঠে। তা শুনি—তাকে শুনি অৰ্থাৎ সেই বিনা আঘাতত বজা শব্দ শুনি। মাৰ ভয়ঙ্কৰ—বৌদ্ধধৰ্মৰ

১। গৰমত বৰ নোৱাৰি হাতীয়ে খাল-বিলত পৰি থাকিবলৈ বৰ ভাল পায়; ঠাণ্ডা আৰু আৰাম পাবলৈ পানী খেদালি ঘোলা কৰে। হাতীৰ এনে স্পৃহা বা প্ৰবৃত্তি অসমীয়া মাত্ৰহে সঘনে দেখি থাকে। চৰ্য্যাটিত অসমীয়া সমাজৰ সাংস্কৃতিক অঙ্গ স্বৰূপ এটি জাস্তৱ দৃশ্য পৰিস্ফুট হৈছে।

'মাৰ' তত্ত্বটি হিন্দুধৰ্ম্মৰ কাম-তত্ত্বৰ লগত তুলনীয়। জীৱনৰ সকলো দুষ্প্ৰবৃত্তি, দুৰ্বুদ্ধি, দুষ্কৰ্ম, প্ৰলোভন প্ৰভৃতিৰ মূল হৈছে 'মাৰ'। 'মাৰ' এটি পাৰিভাষিক শব্দ। 'মাৰ' খৃষ্টান ধৰ্মৰ চয়তান স্বৰূপ, ই জীৱক প্ৰলোভন দেখুৱাই টানি নি দুখত পেলায়। সেইকাৰণে 'মাৰ'ক ভয়ঙ্কৰ বোলা হৈছে। 'মাৰ ভয়ঙ্কৰ' কথাষাৰে সংসাৰৰ ভয় স্বৰূপ স্কন্ধ-ধাতু আদি বিকল্পজাত দুখ-ক্লেশ প্ৰভৃতিক বুজাইছে। সঅ মণ্ডল—স্বয়ং মণ্ডল, স্বকীয় মণ্ডল, স্কন্ধ-ধাতু আদি মণ্ডল। সএল—সকলো। ভাজই—ভাজ কৰে, ভাঙে। মাতেল—মাতাল, মত্ত। চীঅ গঅন্দা—চিত্তৰূপ গজেন্দ্ৰ। ধাবই—ধাবিত হয়, দৌৰে। গঅণন্ত—গগনৰ অন্ত, আকাশৰ শেষ সীমাত অৰ্থাৎ শূন্যতাৰ পিনে। তুসেঁ ঘোলই—মহাসুখৰ তৃষ্ণাত জাগতিক ভেদ-জ্ঞান নাশ কৰে। তিড়িঅ—তোড়িঅ, চিঙি। সিকল—শিকলি। মোড়িঅ—ভাঙি-ছিঙি, খান্দি-খুন্দি। খম্ভা—অৱস্থাৰ স্তম্ভ; স্তম্ভ=শিল বা কাঠৰ খুটা; ইয়াত ভঁৰাল অৰ্থও হব পাৰে। ঠাণা—স্থান, ঠাই। 'ঠাণা' শব্দটি হুবহু ৰূপত বৰগীত আৰু অঙ্কীয়া নাটত প্ৰয়োগ হৈছে। টাকলি—টকালি মৰা শব্দ, আন অৰ্থ—শিখৰ, টুপ। চিত্তা পইঠ ণিবাণা—চিত্তই নিৰ্বাণ-সৰোবৰত প্ৰৱেশ কৰিলে। মহাৰস—মহা-সুখ স্বৰূপ ৰস তিহুঅণ—ত্ৰিভুৱন। উএখী—উপেখি, উপেক্ষা কৰি, পৰিহাৰ কৰি। পঞ্চ বিষয়—পঞ্চস্কন্ধাত্মক বিষয়; অৰ্থাৎ ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ আৰু বিজ্ঞান আদিৰ পৰা জন্মা বিষয়। হিন্দু দৰ্শনৰ পঞ্চভূত (ক্ষিতি, অপ্‌, তেজ, মৰুৎ, ব্যোম) আৰু বৌদ্ধ দৰ্শনৰ পঞ্চস্কন্ধৰ মাজত সাদৃশ্য আছে। নায়ক—অধিপতি; ইয়াত ষষ্ঠ বজ্ৰধৰক বুজাইছে। বিপখ বিপক্ষ। কোৱী—(কোই) কোনো, কাকো। বৰগীতত ই এটি বহুল ব্যৱহৃত শব্দ। কোৱী <কঃ অপি, কোহপি। লিপিকাৰৰ হাতত বানানটো 'কোৱী' হলেও, ইয়াৰ উচ্চাৰণ অনুসৰি 'কোই' হয়। ৪২ নং চৰ্য্যাত 'কোই' ৰূপতে বানন লিখা হৈছে। ন দেখী—নেদেখি, দেখা নাযায়। খৰৰবি-কিৰণ-সন্তাপে—মহাসুখৰূপ প্ৰখৰ সূৰ্য্যৰ কিৰণত সন্তাপিত

হৈ। গঅণাঙ্গণ—গগন+অঙ্গন=গগনাঙ্গন অৰ্থাৎ গগনৰ অঙ্গন স্বৰূপ শূন্যতা, ইয়াত মহাসুখ-সৰোবৰ অৰ্থ কৰা হৈছে। মহিত্তা—সিদ্ধাচাৰ্য্য মহীধৰপাদ এথু—ইয়াত, এতিয়া, এইজন্মত। বুড়ন্তে—বুৰ যাওঁতে, বুৰগৈ। কিম্পি—কাকো, একো, এই মহাসুখৰ নিচিনা। ন দিঠা—নেদেখো। অৰ্থাৎ মহাসুখত নিৰ্বিকল্পভাৱে বুৰ যোৱা কাৰণে আন একো নেদেখো, জাগতিক অনুভূতি লোপ পাইছে।

১৭

ৰাগ—পটমঞ্জৰী ঃ বীণাপাদানাম্

সুজ লাউ সসি লাগেলি তান্তী।
অণহা দাণ্ডী চাকি[১] কিঅত অৱধূতী॥
বাজই অলো সহি হেৰুঅ বীণা।
সুন তান্তি ধনি বিলসই ৰুণা॥
আলি-কালি বেণি সাৰি সুণেআ[২]।
গঅবৰ সমৰস সান্ধি গুণিআ॥
জবে কৰহা কৰহকলে পিচিউ[৩]।
বত্তিস তান্তি-ধনি সএল ব্যাপিউ[৪]॥
নাচন্তি বাজিল[৫] গান্তি[৬] দেৱী।
বুদ্ধ-নাটক বিসমা হোই॥

পাঠান্তৰ

১। বাকি, মূল; চাকি, শহীদুল্লাহ, নীসেন; একি, বসু। ২। সুণিআ, বসু, শাস্ত্ৰী; সুণেআ, নীসেন; মুণেআ, সেন। ৩। চাপিউ, বসু; পিচিউ, সেন, শাস্ত্ৰী, নীসেন। ৪। ব্যাপিউ, মূল, নীসেন, সেন; বিআপিউ, শাস্ত্ৰী, বাগচী, শহিদুল্লাহ। ৫। বাজিল, শাস্ত্ৰী, সেন, নীসেন, দাশগুপ্ত, বাজিল, বাগচী। ৬। গান্তি, শাস্ত্ৰী, সেন, দাশগুপ্ত; গাঅন্তি, বাগচী।

গূঢ়াৰ্থ

বীণাপাদে চৰ্য্যাটিত নিৰ্বাণ-তত্ত্ব ব্যাখ্যা কৰোঁতে অসমীয়াৰ সঙ্গীত-কলাৰ আংশিক চিত্ৰ এটিও দাঙি ধৰিছে। বীণা তৈয়াৰ কৰিবলৈ

হলে পানীলাউৰ বাহিৰৰ খোলাটো, সূতাৰ তাঁৰ আৰু এডাল বাঁহৰ মাৰি বা দাণ্ডীৰ দৰ্কাৰ।[১০] চৰ্য্যাটিত এইবোৰক উপমা হিচাবে লৈছে। যেনে—সূৰ্য্যটো হ'ল লাউ, চন্দ্ৰ হ'ল তাঁৰ, অৱধূতী যেন অনাহত দাণ্ডী। তিনিওটা বস্তুৰ সংযোগত এটা চক্ৰৰ নিৰ্মাণ হৈছে, আনহাতে বীণা যন্ত্ৰটোও হৈছে। সিদ্ধাচাৰ্য্য বীণাপাদে এতিয়া নৈৰাত্মাদেৱীক সম্বোধন কৰি কৈছে—'হে সখি, হেৰুক-বীণা (বজ্ৰধৰ স্বৰূপ বীণা) বাজিব লাগিছে। শূন্যতাৰূপ তন্ত্ৰী-ধ্বনিয়ে করুণা বিয়পাই দিছে। আলি-কালিৰূপ আভাসদ্বয়ক বীণাত প্ৰাথমিক সুৰ হিচাবে আয়ত্ত কৰা হৈছে।' সেই সুৰ শুনি চিত্ত-গজেন্দ্ৰৰ চঞ্চল মন স্থিৰ হৈ পৰিছে। চিত্ত নিৰ্মল হলে সাধক আনন্দত উৎফুল্লিত হয়। সেইদৰে বীণাবাদকেও সুৰ সাধনা কৰি কৰি শেষত আনন্দতে সমস্ত তাঁৰত ঝঙ্কাৰ তোলে। হাতেৰে তাঁৰবোৰ চেপি ধৰি যেতিয়া বীণা বজোৱা হয় তেতিয়া তাঁৰ-

১০। অসমত নৃত্য-গীতৰ চৰ্চ্চা অতি পুৰণি কালৰ পৰা চলি আহিছে। শিক্ষিত বা প্ৰশিক্ষণ-প্ৰাপ্ত গায়কৰ বাহিৰেও এক শ্ৰেণীৰ নিৰক্ষৰ গায়কেও গাঁৱে-ভূঁঞে ধৰ্ম্মীয় বা লৌকিক গীত-পদ গাই ফুৰিছিল। সিবিলাকে খঞ্জৰী, তাল, ৰামকৰ তাল, বেণু, বীণা, বাঁহী, খোল, ডম্বৰু আদি বিবিধ বাদ্য-যন্ত্ৰ ব্যৱহাৰ কৰিছিল। এইবোৰৰ উপৰিও অসমীয়া লোকে ব্যৱহাৰ কৰা আন কিছুমান বাদ্য-যন্ত্ৰ যেনে—মৃদঙ্গ, গোমুখ, শঙ্খ, কাহালী, মুহৰি, ভেৰী, দুন্দুভি, দামা, ঢোল আদিৰ উল্লেখ মাধৱ কন্দলিৰ ৰামায়ণত পোৱা যায়। এইবোৰে অসমীয়া মানুহ অতীজৰ পৰাই সংগীত-কলা আৰু বাদ্য-যন্ত্ৰৰ ক্ষেত্ৰত কিমান আগ বঢ়া আছিল তাৰ প্ৰমাণ দাঙি ধৰে। পৌৰাণিক যুগৰ কথা বাদ দিও কব পাৰি যে ঐতিহাসিক যুগত অসমৰ ৰজা-মহাৰজাসকলে ৰাজসভাত বিবিধ নৃত্য-গীত, যাত্ৰা-উৎসৱ কৰাইছিল। সপ্তম শতিকাত চীনা পৰিব্ৰাজক হিউৱেনচাঙে কামৰূপেশ্বৰ ভাস্কৰ বৰ্ম্মাৰ ৰাজসভাত নৃত্য-গীতৰ দ্বাৰা আপ্যায়িত হোৱাৰ কথা উল্লেখ কৰিছে। (T. Watters, On Yuan Chwang's Travels in India, vol. II, 1904, PP, 185f.); মাধৱদেৱ, আদিকাণ্ড ৰামায়ণ (কনকচন্দ্ৰ শৰ্ম্মা সম্পাদিত), পৃঃ ১৬-১৭; The History of Civilisation of the People of Assam, P, 409.

বোৱৰ মধুৰ গুঞ্জন কেওপিনে বিয়পি পৰে ; ফলত সাংগীতিক পৰিবেশ আনন্দমুখৰ হৈ উঠে। এই নিৰ্বাচনাকৈ, চিত্ত পৰিশুদ্ধ হোৱাৰ পাছত সিদ্ধাচাৰ্য্য নিৰ্বাণ-চক্ৰত প্ৰৱেশ কৰি আনন্দত মগ্ন হয়। চৰ্য্যাটিতো কোৱা হৈছে যেন বজ্ৰাচাৰ্য্য বীণাপাদে আনন্দত নাচিছে, নৈৰাত্মাদেৱীয়ে যেন গান গাইছে। এইভাৱে বুদ্ধ-নাটক বা নিৰ্বাণ-ক্ৰীড়াৰ সামৰণি বিশেষৰূপে ঘটিছে।

শব্দ-টীকা

সুজ—সূৰ্য্য। সসি—শশী, চন্দ্ৰ। লাগেলি—লগ লগালে বা লগ লাগিল (<লগ্নিত)। তান্তী—তন্ত্ৰী, তাঁৰ। দাণ্ডী—কাঠ বা বাঁহৰ মাৰি। চাকি—চক্ৰ। কিঅত কৃত, কৰা হ'ল। বাজই—বাজে। অলো—সম্বোধনাৰ্থে বহিছে, অৰ্থ—হে, হেৰ, হেৰা। এই অৰ্থত বৰগীতত 'আলো' শব্দ বহিছে। সহি—সখি। হেৰুঅ—হেৰুক, বজ্ৰযানৰ প্ৰধান উপাস্য দেৱতা বজ্ৰধৰ। ই এটি পাৰিভাষিক শব্দ। বাজই অলো সহি—পদ-ৰচকে নৈৰাত্মাক সম্বোধন কৰি কৈছে যে—"হে সখি, মোৰ বীণাত শ্ৰীহেৰুক'—এই চাৰিটি অক্ষৰ-ধ্বনি আপোনা-আপুনি বাজি উঠিছে" (টীকা দ্ৰষ্টব্য)। সুন তান্তি-ধনি—শূন্যতাৰ তন্ত্ৰী-ধ্বনি। বিলসই—বিলাস কৰে, ব্যাপ্ত হৈ পৰে। ৰুণা—ৰুণ ৰুণভাৱে, ৰুণু ৰুণু শব্দ, মধুৰ শব্দ। সাৰি—বীণাত বজা সা—প্ৰভৃতি স্বৰ, সুৰৰ লয় ধ্বনি। সুণেআ—শুনি, বিশিষ্টাৰ্থে অভ্যাস কৰি। গঅবৰ—গজবৰ, চিত্ত-গজেন্দ্ৰ। সমৰস সান্ধি—সমৰস-সন্ধি (পাৰিভাষিক শব্দ)। শূন্যতা আৰু কৰুণাৰ মিলন-অৱস্থা অৰ্থাৎ সহজাৱস্থা, সেয়েই সমৰস। সাধাৰণ অৰ্থত বীণাৰ তাঁৰৰ গাঁথি দুই দুই সুৰৰ সমতা ৰক্ষা কৰা। টীকা অনুসৰি, বাসনাময় চিত্তৰ দোষ-ছিদ্ৰবোৰ গণি গণি বা গুচাই গুচাই অথবা শুধৰাই সেই-বোৰ সাম্যাৱস্থালৈ অনা। গুণিআ- গণি, গণনা কৰি, বাচি। জবে—যেতিয়া। কৰহা<কৰভ (হাতৰ আগ গাঁথিৰ পৰা নখৰ গুৰি পৰ্য্যন্ত জুৰি থকা অঙ্গ, আঙুলি সমন্বিতে হাতৰ তলুৱা, হাতীৰ

শুৰ বা পোৱাল্লী হাতী)। কৰহকলে পিচিউ—হাতৰ আঙুলিৰে চেপি ধৰা হয় বা টিপি ধৰা হয়। গূঢ় অৰ্থত—চিত্ত নিৰ্বাণ লোকত উদ্ভাসিত হয়। বতিস তান্তি-ধনি সএল ব্যাপিউ—বত্রিশডাল তাঁৰৰ ধ্বনি সকলোপিনে বিয়পি পৰে; অৰ্থাৎ শৰীৰত থকা ৩২ ডাল নাড়ীৰ পৰা অনাহত শূন্যতা-ধ্বনি উঠি সকলোতে পৰিব্যাপ্ত হৈছে; (১১নং চৰ্য্যাৰ নাড়ী-শক্তিৰ টোকা দ্রষ্টব্য)। নাচন্তি—নাচে। বাজিল—বজ্রধৰ (বীণাপাদে বজ্রধৰ হৈ নাচিছে টীকা)। গান্তি—গায়, গাইছে। দেৱী—নৈৰাত্মাদেৱী। বুদ্ধ-নাটক নিৰ্বাণ-নাটক, নিৰ্বাণ-ক্রীড়া। বিসমা—বিষম, বিশিষ্ট ৰূপত।

১৮

ৰাগ—গউড়া ঃ কৃষ্ণবজ্রপাদানাম্

তিণি ভুঅণ মই বাহিঅ হেলেঁ।
হাউ সুতেলি মহাসুহ-লীলেঁ[১] ॥
কইসণি হালো ডোম্বী তোহোৰি ভাভৰিআলী।
অন্তে কুলিণজণ মাঝে কাবালী ॥
তঁই লো ডোম্বী সঅল বিটলিউ।
কাজ ণ[২] কাৰণ সসহৰ টালিউ ॥
কেহো কেহো তোহোৰে বিৰুআ বোলই।
বিদুজণ লোঅ তোৰেঁ কণ্ঠ ণমেলঈ ॥
কাহ্নে গাইতু[৩] কামচণ্ডালী।
ডোম্বিত[৪] আগলি[৪] ণাহি চ্ছিণালী ॥

পাঠান্তৰ

১। লীলে, বসু, লীড়েঁ, শাস্ত্রী। ২। কাজ ণ, সেন, মুখোপাধ্যায়, নীসেন; কাজণ, শাস্ত্রী, বসু। ৩। গাই তু, শাস্ত্রী, সেন, বসু, দাশগুপ্ত, নীসেন; গাইউ, মুখোপাধ্যায়। ৪-৪। ডোম্বী ত আগলি, শাস্ত্রী: ডোম্বী তআগলি, বাগচী; ডোম্বিত আগলি, মুখোপাধ্যায়, দাশগুপ্ত, নীসেন।

গূঢ়াৰ্থ

কৃষ্ণবজ্রপাদে কৈছে যে তেওঁ কায়-বাক্-চিত্তৰূপ তিনিখন ভুৱন হেলাৰঙে অতিক্রম কৰি মহাসুখ-লীলাত শুই পৰিছে; অৰ্থাৎ

সিদ্ধাচাৰ্য্যই যাৱতীয় ভৱ-বিকল্পাদি জ্ঞান দূৰ কৰি ইন্দ্ৰিয়াতীত অৱস্থাত উপনীত হৈছে। এনে অৱস্থাত তেওঁ ইন্দ্ৰিয়ৰ অগোচৰ অৱধূতী স্বৰূপ ডোম্বীৰ সঙ্গ লাভ কৰিছে; অৰ্থাৎ তেওঁ অৱধূতী সম্বন্ধে প্ৰকৃত তত্ত্ব উপলব্ধি কৰিব পাৰিছে।

বহুতো সাধকৰ মনত অদ্বয়-শক্তি সম্পৰ্কে সন্দেহ হৈ যায়; তত্ত্ব-উপলব্ধিৰ অপূৰ্ণ জ্ঞানেই হয়তো ইয়াৰ মূল কাৰণ। কৃষ্ণাচাৰ্য্যয়ো যেন ডোম্বীৰ প্ৰকৃতি ভালকৈ বুজিব পৰা নাই, এনেভাৱ দেখা গৈছে। সেই কাৰণে তেওঁ কৈছে—'হে ডোম্বী, তুমি কেনেকুৱা বিধৰ মই বুজিব পৰা নাই; কাৰণ তুমি কুলীনজনৰ বাহিৰতো থাকা আৰু আনহাতে কাপালিকৰ ভিতৰতো থাকা!' ইয়াত কুলীন' শব্দটিয়ে দুটা অৰ্থ কৰিছে—এটা হ'ল, যিয়ে সামৰ্থ্য অনুযায়ী দীক্ষা পাই সাধনাত আগ বাঢ়িছে, সেই পাণ্ডিত্যপূৰ্ণজন কুলীন বুলি বজ্ৰযানত পৰিচিত,[১১] আনজন হ'ল যিয়ে দেহ-অৱলম্বনত সাধনা কৰি দেহৰ বাহিৰ হব নোৱাৰে, মাথোন আবদ্ধ হৈ থাকে, তেওঁও এজন কুলীন।[১২] এই দুই প্ৰকাৰৰ কোনোজন কুলীনেই সহজীয়া তত্ত্বৰ সন্ধান নাপায়; সন্ধান পায় কাপালিকেহে। গতিকে দেখা গৈছে যে ডোম্বী দ্বৈত ভূমিকাত অৱতীৰ্ণ হৈছে—এটা সাংবৃত্তিক আৰু আনটো পাৰমাৰ্থিক অথবা অপৰিশুদ্ধা ডোম্বী আৰু পৰিশুদ্ধা ডোম্বী। তেওঁ অপৰিশুদ্ধা হৈ সকলো প্ৰকাৰৰ ক্লেশ-বন্ধনৰ মূল বিষয়ানন্দৰূপে দেখা দিয়ে, তেৱেঁই আকৌ পৰিশুদ্ধাৰূপে নৈৰাত্মাদেৱী হৈ কাপালিকসকলৰ অন্তৰত বাস কৰে। সেই কাৰণে কোৱা হৈছে যে এই অপৰিশুদ্ধা ডোম্বীয়েই সকলো নষ্ট কৰে, বোধিচিত্তক ভুল পথে চলায়। ফলত কোনো কোনো সাধকে সংসাৰতে নানা ৰকমৰ বিকাৰ ভুঞ্জিব লগা হয়।

ইয়াৰ পাছত কৃষ্ণাচাৰ্য্যই কৈছে যে কোনো কোনোৱে ডোম্বী সম্পৰ্কে বিৰূপ মন্তব্য কৰে, ইয়াৰ কাৰণ হ'ল যে অজ্ঞসকলে নিগূঢ়-ভাৱে নৈৰাত্মাদেৱীৰ তত্ত্ব বিচাৰিব নাজানে, গুপৰতে ভাঁহি ফুৰে।

১১। বৌদ্ধধৰ্ম ও সাহিত্য, পৃঃ ৭০
১২। বৌদ্ধধৰ্ম ও চৰ্যাগীতি, পৃঃ ১০৪।

আনহাতে বিজ্ঞ সাধকে নৈৰাত্মাক কণ্ঠৰ পৰা কেতিয়াও নেৰে। কণ্ঠ হ'ল যোগীসকলৰ সম্ভোগ-চক্ৰ, তাতেই নৈৰাত্মাৰ সৈতে সম্ভোগ হয়।

শেষত সিদ্ধাচাৰ্য্যাই কৈছে যে 'হে পৰিশুদ্ধা নৈৰাত্মাদেৱী, তুমি কৰ্মকুশলা চণ্ডালীৰূপিণী ৰহস্যময়ী শক্তি; তোমাতকৈ বেছি দুষ্ট প্ৰকৃতিৰ বিচিত্ৰ ৰমণী বোধ হয় দ্বিতীয় গৰাকী নাই।'

শব্দ-টোকা

তিণি ভুঅণ—কায়-বাক্-চিত্তৰূপ তিনিখন ভুৱন। বাহিঅ—অতিক্ৰম কৰা। হেলেঁ—হেলাৰঙে, অনায়াসে। হাঁউ—মই। সুতেলি—শুলো, শুই পৰিলোঁ। কইসণি—কেনেকুৱা বিধৰ। ডোম্বী—নৈৰাত্মাদেৱী। ভাভৰিআলী—'ভৰ্ভৰিআলিকা অসদাৰোপেণ'—টীকা। ইয়াত চতুৰালি অৰ্থ গ্ৰহণ কৰিব পাৰি। চতুৰালি সাধাৰণতে বস্তু আত্মসাৎ কৰা অৰ্থত বা ভূলপথে চলোৱা অৰ্থত অথবা অসাৰ (কৃত্ৰিম) বস্তু বুজোৱা অৰ্থত ব্যৱহাৰ কৰা দেখা যায়। কামৰূপী কৃষক সমাজে ঢিলা আলি বুজাবলৈ ভেৰভেৰি আলি (ভেভেৰি আলি) শব্দটো ব্যৱহাৰ কৰে। অন্তে—(শেষত) বাহিৰত, বস্তু জগতত। কুলীণজণ—বস্তু-জগতত লীন হৈ থকা লোক। পঞ্চ-কুলৰ (বজ্ৰ, পদ্ম, কৰ্ম, তথাগত, ৰত্ন) অধিকাৰীসকলকো কুলীন বোলা হয়। কাবালী—মহাসুখক পালন কৰা যোগী। বিটলিউ—বিচলিত কৰা অৰ্থত। কাজ ণ কাৰণ—টীকা অনুসৰি ভিন্ন সম্প্ৰদায়ৰ যোগীসকলে কাৰ্য্য-কাৰণৰ গূঢ়াৰ্থ নুবুজি ভূত-জগতৰ কল্পনা কৰি বিনিষ্ট হয়। সসহৰ—শশধৰ, সংবৃত্তিবোধিচিত্ত। টালিউ—নিক্ষিপ্ত হয়, বিচলিত হয়। কেহো কেহো—কোনো কোনোৱে। বিৰুৱা বোলই—বিৰুদ্ধ মন্তব্য কৰে। বিদুজণ—বিদ্বান, জ্ঞানী, তত্ত্বজ্ঞ। তোৰেঁ—তোক বা তোমাক। কণ্ঠ—যোগৰ বিচাৰত সম্ভোগ-চক্ৰ। ণমেলঈ—পৰিত্যাগ নকৰে, নেৰে। গাইতু—গায়; তু—প্ৰত্যয়যুক্ত ক্ৰিয়াপদ বৰগীতত অনেক ব্যৱহাৰ হৈছে। অন্যান্য উদাহৰণ—কহতু, বাহতু, ৰাখতু ইত্যাদি। কামচণ্ডালী—অস্পৃশ্যহেতু

ডোম্বীক চণ্ডালী বোলা হৈছে। বিভিন্ন কাম কুশলতাৰে কৰে বাবে ডোম্বীক কামচণ্ডালী আখ্যা দিয়া হৈছে। ডোম্বিত—ডোম্বীত বাহিৰে। আগলি—আগৰণুৱা। ছিণালী—দুষ্টা, চঞ্চলা, বিলাসিনী নাৰী; টীকা অনুসৰি 'ছিন্ননাসিকা নাগৰিকা'।

১৯

ৰাগ—ভৈৰৱী : কৃষ্ণপাদানাম্

ভব নির্ব্বাণে পড়হ মাদলা।
মণ পবণ বেণি কৰণ্ড-কসালা[1] ॥
জঅ জঅ দুন্দুহি সাদ্র উছলিআঁ[2]।
কাহ্ন ডোম্বি-বিবাহে চলিলা[3] ॥
ডোম্বি বিবাহিআ অহাৰিউ জাম।
জউতুকে কিঅ আগুতু ধাম ॥
অহণিসি[4] সুৰঅ-পসঙ্গে জাঅ।
জোইণিজালে ৰএণি পোহাঅ ॥
ডোম্বীএৰ সঙ্গে জো জোই ৰত্তো।
খণহ ণছাড়অ সহজ-উন্মত্তো ॥

পাঠান্তৰ

১। কৰণ্ডকশালা, শাস্ত্রী, বসু; দাশগুপ্ত; কৰণ্ড কশালা, বাগচী; কৰণ্ড-কসলা, সেন। ২। উচ্ছলিআঁ, সেন; উছলিলা, বাগচী। ৩। চলিআ, শাস্ত্রী, বসু; চলিলা, বাগচী, সেন, নীসেন। ৪। অহণিসি টীকা; অহিণিসি, লিপি।

গূঢ়াৰ্থ

কৃষ্ণপাদে ইয়াত বিয়াক ৰূপক হিচাবে লৈ ধৰ্মতত্ত্ব ব্যাখ্যা কৰিছে। বিয়া উপলক্ষে পটহ, মাদল, দুন্দুভি আদি বাদ্যযন্ত্র বজোৱা হয় আৰু দৰা-কইনাক অনা-নিয়া কৰাৰ বাবে দোলা অনা হয়। চৰ্য্যাটিত ভব আৰু নিৰ্বাণ হ'ল পটহ আৰু মাদল, মন আৰু পবন হ'ল কৰণ্ড আৰু কশালা ৰূপ ধৰ্মকায়ৰ মাৰি বা শলা। জয় জয় ধ্বনি তুলি দুন্দুভি বজাই মহাসমাৰোহেৰে কৃষ্ণপাদে ডোম্বীক বিয়া কৰিবলৈ গ'ল। এই ৰূপকৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে

ভৱ-নিৰ্বাণ আৰু মন-পবন আদিৰ ভেদ-জ্ঞান নাশ কৰি অবিদ্যাৰ প্ৰভাৱ গুচাব নোৱাৰিলে নিৰ্বাণ লাভ নহয়। ফলত জন্ম-মৃত্যুৰ দুখ জীৱই ভোগ কৰি থাকে; কিন্তু নিৰ্বাণ লাভ হলে পুনৰ্জন্ম নহয়; কাজেই দুখ-ভোগৰো কথা নুঠে। কৃষ্ণপাদে কৈছে যে ডোম্বীক বিয়া কৰাই জন্ম নাশ কৰা হ'ল আৰু জৌতুক স্বৰূপে অনুত্তৰধাম পোৱা গ'ল। অৰ্থাৎ ডোম্বীৰূপিণী নৈৰাত্মাদেৱীৰ সৈতে মিলিব পাৰিলে নিৰ্বাণ পাব পাৰি। তেতিয়া হলে পৰম আনন্দেৰে দিন কটাব পাৰি; আনহাতে জ্ঞান-জ্যোতিৰ প্ৰভাৱত বিষয়-ক্লেশাদিৰূপ অন্ধকাৰ শেষ হৈ ৰাতি পুৱায়। পৰিশুদ্ধা অৱধূতিকা স্বৰূপা ডোম্বীৰ লগত যি যোগী অনুৰক্ত হৈ থাকে, তেওঁ সহজানন্দক ক্ষন্তেকৰ কাৰণেও পৰিহাৰ নকৰে, বৰঞ্চ তেওঁ সেই পৰমানন্দত উন্মত্ত হৈহে পৰে। বিয়াৰ পাছত নৱ-দম্পতিৰ যি অতীৱ আকৰ্ষণ আহি পৰে, যোগী আৰু নৈৰাত্মাৰ মিলন হলেও তেনেকুৱা বৰ্ণনাতীত আকৰ্ষণ আহি পৰে; সেই মহাসুখত সাধক নিমগ্ন হয়।

শব্দ-টোকা

পড়হ—পটহ (এবিধ বাদ্য-যন্ত্ৰ)। মাদলা—মাদল। কৰণ্ড-কশালা—কৰণ্ড আৰু কশালা—দুবিধ বাদ্য-যন্ত্ৰ। কৰণ্ডক-শালা হিচাপে পদ-বিভাগ কৰিলে অৰ্থ হব দোলাৰ শলা; কিন্তু তেতিয়া এই অৰ্থটো যথাৰ্থ নহয়; গতিকে 'কৰণ্ড-কশালা' শব্দ-বিভাগেই যথোচিত হয়। জঅ জঅ—জয় জয় ধ্বনি। দুন্দুহি—দুন্দুভি (এবিধ বাদ্য)। সাদ্—শব্দ। উছলিআঁ—ওপৰলৈ উঠাই। চলিআ/চলিলা—গ'ল। বিৱাহিআ—বিয়া কৰি। অহাৰিউ—বিনষ্ট কৰিলোঁ। জাম—জন্ম >জন্ম>জাম। জউতুকে—জৌতুকে, যৌতুক, বিয়াত কন্যাৰ লগত দিয়া বস্তু। কন্দলিৰ ৰামায়ণত আছে—'অনেক যৌতুক দিলা সীতাৰ লগত॥' কিঅ—কৰা হ'ল বা কৰা হয়। আণুতু—অনুত্তৰ, শ্ৰেষ্ঠ। ধাম—ধৰ্ম>ধম্ম>ধাম। অহণিসি—অহৰ্নিশ, দিনে-ৰাতিয়ে, সদায়। সুৰঅ-পসঙ্গে জাঅ—সুৰতি প্ৰসঙ্গত অতিবাহিত হয়;

অৰ্থাৎ মহাসুখত মগ্ন থাকে। জোইণিজালে—যোগিনীৰ জ্ঞান-ৰশ্মিত। ৰএণি—ৰজনী; ক্লেশৰূপ অন্ধকাৰ। পোহাঅ—পুৱায়, ৰাতি পুৱায়। পুৰণি অসমীয়াত ব্যৱহৃত শব্দ। ৰত্তো—ৰত, অনুৰক্ত। সহজ-উন্মত্তো—সহজানন্দ বা মহাসুখত উন্মত্ত। নৈৰাত্মাৰ লগত মিলি মহাসুখত বুৰ যোৱা সাধকক ইয়াত উন্মত্ত বুলি কোৱা হৈছে।

২০

ৰাগ—পটমঞ্জৰী ঃ কুক্কুৰীপাদানাম্

ঁাউ নিৰাসী খমণ ভতাৰে।[১]
মোহোৰ বিগোআ কহণ নজাই॥
ফেটলিউ[২] গো মাএ অন্তউড়ি চাহি।
জা এথু চাহাম[৩] সো এথু নাহি॥
পহিল বিআণ মোৰ বাসনপূড়া[৪]।
নাড়ি বিআৰন্তে সেৱ বাপূড়া॥
জাণ জৌৱণ মোৰ ভইলেসি পূৰা।
মূল নখলি বাপ সংঘাৰা॥
ভণথি কুক্কুৰিপা[৫] এ ভৱ থিৰা।
জো এথু বুঝএ সো এথু বীৰা॥

পাঠান্তৰ

১। ভত্তাৰে, নীলেন, সেন : ভত্তাৰী, শাস্ত্ৰী, বসু। ২। ফেটলিউ, শাস্ত্ৰী, সেন, বসু, ফিটেল, বাগচী। ৩. বাহাম, সেন ; চাহাম, শাস্ত্ৰী, নীলেন, বসু। ৪। বাসনপূড়া, শাস্ত্ৰী, বসু, ; বাসনপূড়, নীলেন: বাসনমৃড়, সেন। টীকা-পুথিৰ লিপিত 'মৃড' আৰু 'পূড়' প্ৰায় একে হৈ পৰিছে। লিপিকাৰে 'পূড়'ৰ পাছত া-কাৰডাল ভুলতে দিয়া নাই যেন লাগে। ৫। কুক্কুৰিপা, টীকা-পুথিৰ লিপি ; কুক্কুৰীপা, শাস্ত্ৰী, সেন, নীলেন।

গূঢ়াৰ্থ

নৈৰাত্মাদেৱীয়ে যেন কৈছে যে তেওঁ নিৰাসক্তা, ভিক্ষুৰ তিৰোতা। জাগতিক বস্তুৰ প্ৰতি তেওঁৰ কোনো প্ৰকাৰৰ মোহ নাই, তেওঁ

সকলো ত্যাগ কৰিছে। তেওঁৰ মন শূন্যতাত লীন হৈ গৈছে ; অৰ্থাৎ শূন্যময় মনটোক নৈৰাত্মাৰ স্বামী বুলি ধৰা হৈছে। এনেকুৱা সম্পূৰ্ণ নিৰাসক্ত আৰু শূন্যতা-লিপ্ত মন-স্বামীৰ সঙ্গলাভ কৰি নৈৰাত্মাই বিমল আনন্দ লাভ কৰিছে, তাক ভাষাৰে বৰ্ণাব নোৱাৰি। সেই প্ৰেম-সুখ অতীন্দ্ৰিয়।

নৈৰাত্মাই পাৰ্থিৱ বিষয়সমূহৰ উৎপত্তি-তত্ত্ব বুজি লৈছে ; প্ৰকৃততে সেইবোৰ মানসিক ভুলৰ প্ৰতীক স্বৰূপ। জাগতিক বিষয়ৰ কোনো অস্তিত্ব নাই। গতিকে তেওঁ মোহ-মুক্ত হৈছে। শূন্যতাৰূপ প্ৰজ্ঞাৰ দ্বাৰা তেওঁ বুজিছে যে জগতখন অস্তিত্বহীন, ইয়াত উৎপত্তি হোৱা সকলো বিষয়-বস্তুৰেই অস্তিত্ব নাই। অবিদ্যাজনিত যিবোৰ বস্তু ইয়াত দেখা যায়, প্ৰজ্ঞা-জ্ঞানেৰে বিচাৰ কৰিলে সেইবোৰ পোৱা নাযায়।

নৈৰাত্মাদেৱীয়ে যেন কৈছে যে তেওঁৰ পহিলতে উদয় হোৱা জ্ঞানৰ লক্ষ্য আছিল কেনেকৈ সাংসাৰিক কামনা-বাসনা পূৰণ কৰিব পৰা যায় ; কিন্তু বাসনা-পূৰণৰ গুৰি বিচাৰোঁতে সেই জ্ঞান-বপুৱাই সেও মানিলে। অৰ্থাৎ জীৱনৰ ডেকা-কালত জন্মা জ্ঞান পাৰ্থিৱ বাসনা পূৰণৰ প্ৰতিহে আকৃষ্ট হয়, আধ্যাত্মিক জ্ঞান-আহৰণত সি অসমৰ্থ ; শৰীৰত থকা অসংখ্য নাড়ীৰ ভিতৰত কোনডাল নাড়ীৰ জৰিয়তে আধ্যাত্মিক সাধনাত সিদ্ধিলাভ কৰিব পাৰি সেই তত্ত্ব বিচাৰ কৰোঁতে প্ৰাথমিক জ্ঞান অক্ষম হৈ পৰে। পিছত যেতিয়া পৰিপক্ক জ্ঞান জন্মিল তেতিয়াহে নিৰ্বাণ-অভিলাষী চিত্তৰ বাঞ্ছা পূৰ হ'ল ; কাৰণ পূৰ্ণ যৌৱনসম্পন্ন বা পৰিপক্ক জ্ঞানে অস্থায়ী জাগতিক বাসনাৰ মূল-বীজ উঘালি পেলালে। জাগতিক কামনা-বাসনা নাশ কৰি চিত্ত অচিন্ত্যতাত লীন হ'ল।

সিদ্ধাচাৰ্য্য কুক্কুৰীপাদে কয় যে এই ভৱ থিৰ হৈয়ে আছে, যিসকলে এই ভৱত থাকি তত্ত্ব-সাৰ বুজে তেওঁলোকেহে ইয়াত সিদ্ধ বীৰ বুলি পৰিগণিত হয়। অৰ্থাৎ সংবৃত্তি-বোধিচিত্তই হ'ল ভৱ ; ইয়াক সংযমেৰে স্থিৰ কৰি প্ৰজ্ঞা-জ্ঞানৰ দ্বাৰা যি যি যোগীয়ে নিৰঞ্জন-তত্ত্ব বুজি পায় তেওঁলোকেই ভৱ-মণ্ডলত বিষয়-ৰিপু ধ্বংস কৰি বীৰ হয়।

শব্দ-টীকা

নিৰাসী—নিৰাসক্তা নাৰী, জাগতিক বিষয়-বাসনাত আসক্তি নথকা নাৰী। খমণ—ক্ষপণক, ভিক্ষু। ভতাৰে—পতি স্বামী। তোৰ ভতাৰে—তোৰ পতিয়ে। ভতেৰী—স্ত্রী; পুংলিঙ্গ 'ভতাৰ'। কামৰূপত (বিশেষকৈ নলবাৰীৰ গাওঁ অঞ্চলত) ভতাব আৰু ভতেৰী শব্দ দুটা বৰ্ত্তমানেও তুচ্ছ অৰ্থত প্ৰয়োগ কৰা হয়। শঙ্কৰদেৱৰ পাৰিজাত হৰণ নাটত সত্যভামাই ইন্দ্ৰ-পত্নী শচীপ্ৰভাক কৈছে—'অৰে পামৰি সছি, ও ইন্দ্ৰক দেখাই অতৰে দৰপ্প কয়লি; অৱ তোহাৰি ভটাৰক কৈছে নাহি পলাটায়া?' সংস্কৃত ভৰ্ত্তা শব্দৰ অসমীয়া তদ্ভৱৰূপ ভতাৰ। মোহোৰ—মোৰ। বিগোআ—(সাংকেতিক শব্দ) 'বিশিষ্ট সংযোগাক্ষৰসুখানুভৱ'—টীকা; সঙ্গ-সুখ, প্ৰেমসুখ। গূঢ়াৰ্থত—বিশেষ জ্ঞান-সুখ। কহণ নজাই—কোৱা নাযায়, বৰ্ণনা কৰিব নোৱাৰি। ফেটলিউ—দূৰীভূত হ'ল, নিষ্কৃতি পালে, মুক্ত হ'ল। গো—সম্বোধনাৰ্থে—হে, ওহে। বৰগীতত মাধৱদেৱে 'আগো' শব্দ ব্যৱহাৰ কৰিছে: 'আগো মাই তোহাৰি তনয় যদুমণি।' মাএ—মাই (<মাতৃ), কামৰূপী কথিত শব্দ। অন্তউড়ি—সং অন্তঃকুটী, অন্তৰ-পঁজা, অন্তৰ-কোণ। চাহি—চোৱাহি, চাই। জা—যি, যাক। এথু—ইয়াত, এই ঠাইত (অত্ৰ > অথ,থ > এথ, এথা, এথু)। অঙ্কীয়া নাটত 'এথা' বহিছে; উদাহৰণ—'অএ ভিক্ষুক তুহু কে কথা হন্তে এথা আৱলি থিক!'—ৰুক্মিণী হৰণ নাট। চাহাম—চাম? দেখো, দেখা যায়। জা এথু চাহাম—যি যি বিষয়-অৰি ইয়াত দেখো। 'যং তং বিষয়াৰিং পশ্যাম্যত্ৰ।'—টীকা। সো এথু নাহি—সেইটো ইয়াত নাই; 'স কোপি ন বিদ্যতে'—টীকা। পহিল—প্ৰথম। বিআণ—বিজ্ঞান, বিশেষ জ্ঞান। বাসন পূড়া—বিষয়-বাসনা পুৰ কৰিবৰ অৰ্থে। নাড়ি নাড়ী; শৰীৰত থকা ৩২ ডাল বিশিষ্ট নাড়ীৰ কথা কোৱা হৈছে। বিআৰন্তে—বিচাৰোঁতে, বিচাৰ কৰোঁতে। সেৱ—(সা+এৱ=সৈৱ—সেৱ।) সেইটিও, তেওঁও। বাপুড়া—ব'পুৰা, বেচেৰা (ব্যৰ্থ হোৱা অৰ্থত, ভাগৰি পৰা অৰ্থত)।

কামৰূপত বৰ্ত্তমানেও বাপুৰা বা ব'পুৰা শব্দ চলে। জাণ—জ্ঞান। টীকা অনুসৰি 'জাণ জোৱন'ৰ অৰ্থ হ'ল নৱযৌৱন। 'জাণ জোৱণ মোৰ ভইলেসি পূৰা' চৰণটিৰ অৰ্থ হব—যি বা যেতিয়া মোৰ নৱযৌৱন পূৰ হ'ল, তেতিয়া ··। কামৰূপী উপভাষাত জাণ বা জান শব্দটিয়ে জীৱনক বুজায়। যেনে 'মোৰ কথা নুশুনিলে তোৰ জান খাই দিম।' 'জাণ-জোৱণ' শব্দৰ অৰ্থ 'জীৱন-যৌৱন' বুলিও লব পাৰি। এই চল্‌তি শব্দটিৰ অৰ্থ টীকাকাৰৰ মনত হয়তো অজ্ঞাত আছিল, গতিকে তেওঁ 'জাণ' শব্দটিৰ অৰ্থ 'নৱ' কৰি দিছে; সেয়েহে তেওঁ 'নৱ-যৌৱন' বুলি লিপিবদ্ধ কৰিছে। ভইলেসি—হ'লহি। মূল নখলি—মূল উঘালি। 'মূলং সংবৃত্তিবোধিচিত্তং, তস্য নিকৃত্তিঃ মণিমূলে মণ্যন্তর্গতে ময়া নৈৰাত্মভাৱকেন কুক্কুৰিপাদেন কৃতা।'—টীকা। অৰ্থাৎ বিষয়-বাসনাৰ মূল সংবৃত্তিচিত্তক অচিত্ততাত লীন কৰিছোঁ। বাপ—(বপ্র > বপ্প > বাপ), ইয়াত সম্বোধনাৰ্থে বহিছে। সংঘাৰা < সংহাৰ;—সংহাৰ কৰা অৰ্থত। ভণথি—কয়। ভৱ = সংবৃত্তি-বোধিচিত্ত। থিৰা—স্থিৰ। জো—যিজন। বুঝএ—বুজে, হৃদয়ঙ্গম কৰে। সো—সেইজন, তেওঁ, সি। বীৰা—বীৰ, সিদ্ধ বীৰ, মহাসিদ্ধ।

২১

ৰাগ—বৰাড়ী ঃ ভুসুকুপাদানাম্

নিসিঅ অন্ধাৰী মুসা[১] চটাৰা[২]।
অমিঅ ভখঅ মুসা কৰঅ আহাৰা[৩] ॥
মাৰ ৰে জোইআ মুসা পবণা।
জেঁণ তুটঅ অৱণা-গৱণা ॥
ভৱ বিন্দাৰঅ মুসা খণঅ গাতী।
চঞ্চল মুসা কলিআঁ নাশক থাতী ॥
কলা[৪] মুষা উহ ণ[৫] বাণ।
গঅণে উঠি চৰঅ[৬] অমণ ধাণ ॥
তব সে[৭] মুষা উঞ্চল-পাঞ্চল।
সদ্‌গুৰুবোহে কৰিহ সো ণিচ্চল ॥

জবেঁ মুষাএৰ চাৰ[৮] তুটঅ ।
ভুসুকু ভণঅ তবেঁ বান্ধন ফিটঅ ॥

পাঠান্তৰ

১। মুসাৰ, সেন ; মুসঅ, শাস্ত্রী ; মুসা, বসু। ২। চাবা, শাস্ত্রী, সেন ; চটাবা, নীসেন ; আচাবা, বসু। ৩। আহাৰা, শাস্ত্রী, সেন, নীসেন, বসু ; অহাৰা, বাগচী। ৪ কলা, শাস্ত্রী, সেন ; কাল, বসু, নীসেন ; কালা, বাগচী। ৫। উহ ং, শাস্ত্রী, সেন, বসু। ৬। চৰঅ, শাস্ত্রী, সেন ; কৰঅ, বসু, দাশগুপ্ত। ৭। ৎব সে, নীসেন, বাগচী ; তাব সে, শাস্ত্রী, বসু। ৮। চাৰ, শাস্ত্রী, সেন ; (অ) চা (ৰ), নীসেন।

গূঢ়ার্থ

সিদ্ধাচার্য্য ভুসুকুপাদে এটি চঞ্চল এন্দুৰৰ লগত চিত্তক তুলনা কৰি ধৰ্ম-তত্ত্ব ব্যাখ্যা কৰিছে। আন্ধাৰ ৰাতি এন্দুৰে চঞ্চল গতিত চৰি ফুৰে। ৰাতি সি অমৃত ভক্ষণ কৰে অৰ্থাৎ তাৰ খাদ্য বস্তু খায় ; কিন্তু আন পক্ষে মানুহৰ আহাৰ নষ্ট কৰি পেলায়। সেই নিচিনাকৈ চঞ্চল চিত্তয়ো ৰূপাদি বিষয়-বস্তুক অতি আগ্ৰহেৰে গ্ৰহণ কৰে ; ফলত চিৰকাম্য ভাল বস্তুটো অলক্ষিতে ৰয় ; কাৰণ মোহান্ধকাৰে তাক ঢাকি ৰাখে। গতিকে পৱন গতিত চলা এন্দুৰসদৃশ চঞ্চল চিত্তক যোগীসকলে মাৰি পেলোৱা উচিত, যাতে তাৰ অহা-যোৱা গতি নাইকিয়া হয়।

এন্দুৰে মাটি খান্দি গাঁত কৰে। সেইদৰে চিত্তয়ো তাৰ বাসস্থান শৰীৰক বিদীৰ্ণ কৰি নানাৰকম বিন্ধা কৰে ; অৰ্থাৎ বাসনাৰ তাড়নাত শৰীৰ ক্ষত-বিক্ষত হয়। এনেকুৱা চঞ্চল চিত্তক যোগীসকলে নাশ কৰিব লাগে। এন্দুৰৰূপ চিত্তৰ কোনো স্থিৰ উদ্দেশ্য নাই আৰু তাৰ বৰ্ণও নাই। ভৱৰ যেনেকৈ অস্তিত্ব নাই, তেনেকৈ চিত্তৰ স্বভাৱগুণে জন্মা ৰূপাদি বিষয়বোৰৰো কোনো অস্তিত্ব নাই। কল্পনাৰ আকাশত উঠি চিত্তৰূপ এন্দুৰে অমন ধানত চৰে। তাৰ পাছত সেই চিত্ত-এন্দুৰে উচ-পিচ কৰি থাকে। ধাননি পথাৰত এন্দুৰৰ চঞ্চলতা স্বাভাৱিকতেই বাঢ়ে—ক'ত গাঁত খান্দিব, কনেকৈ তাত ধান ভৰাব, – এয়ে তাৰ চিন্তা। সেইদৰে জাগতিক

বিষয়-বিভূতিৰ দ্বাৰা আকৃষ্ট হৈ চিত্তও চঞ্চল হৈ পৰে। সেই অৱস্থাত ভুসুকুপাদে চঞ্চল চিত্তৰ যোগীক কৈছে যে সদগুৰুৰ উপদেশ লৈ সেই চঞ্চলতাক নিশ্চল কৰি লোৱা; অৰ্থাৎ চিত্তৰ চাঞ্চল্য দূৰ কৰা। এন্দুৰৰ বিচৰণ-গতি নাশ কৰি ধান-ধন ৰক্ষা কৰাৰ দৰে চিত্তৰ চপলতা নাশ কৰিও শূন্যতা-ধন ৰক্ষা কৰা উচিত,—এইয়া যোগীসকলৰ কৰ্ত্তব্য। তেনে কৰিলেহে জাগতিক বন্ধনৰ পৰা মুক্ত হোৱা যায়, আৰু তাৰ লগে লগে মহাসুখৰ পথো মুকলি হৈ পৰে।

যোগৰ দৃষ্টিকোণৰ পৰা চালেও দেখা যায় যে—শ্বাস-প্ৰশ্বাস বায়ু হ'ল চিত্তৰ বাহন। বায়ুৰ সংযমেই হ'ল চিত্তৰো সংযম। চিত্ত সংযম কৰিলে ভৱ-বিকল্পাদি ভাৱ গুচে। চঞ্চল চিত্ত-এন্দুৰে ভৱ-সম্বন্ধীয় অস্তিত্ব-জ্ঞান বিস্তাৰ কৰে, তেতিয়া তেনে চিত্তময় সাধকৰ পতন ঘটে। কিন্তু চিত্তক সংযত কৰি গগনমুখী বা শূন্যতাভিমুখী কৰিব পাৰিলে মহাসুখত লীন যাব পাৰি।

শব্দ-টোকা

নিশিঅ অন্ধাৰী—আন্ধাৰ ৰাতি। মূসাৰ—এন্দুৰৰ। চাৰা—চলন-ফুৰণ। অমিঅ ভখঅ—অমৃত ভক্ষণ কৰে। কৰঅ আহাৰা—আহাৰ অখাদ্য কৰে। 'কৰঅ আহাৰা' শব্দ-বিভাগ কৰা হৈছে যদিও 'আহাৰা' শব্দটোৰ আগত 'অ' আখৰ এটা দি 'অআহাৰা' কৰা হলে টীকাৰ অৰ্থৰ লগত সংগতি ৰ'ল হেঁতেন। 'কৰ অআহাৰা' কৰিলেও ভুল নহয়। মাৰ—মাৰা, নাশ কৰা। জোইআ—যোগী। মুসা পৱণা—চিত্ত-এন্দুৰসদৃশ পৱন। জেঁন—যাতে, যিকাৰণে। তুটঅ—টুটে, শেষ হয়। অৱণা-গৱণা—অহা-যোৱা, চলা-ফুৰা। বিন্দাৰঅ—বিদীৰ্ণ কৰা, খন্দা। খণঅ—খান্দে। গাতী—গাঁত। কলিআঁ—ইয়াৰ এটা অৰ্থ হ'ল—গণনা কৰি, জানি, বুজি; আনটো অৰ্থ হ'ল ব্ৰহ্মৰূপী কলীয়া কৃষ্ণ, নামান্তৰে বৌদ্ধ ধৰ্মৰ 'শূন্যতা'। চঞ্চল চিত্ত-এন্দুৰ হ'ল শূন্যতা জ্ঞান-নাশক। থাতী—থিতাপিৰ পৰা থাতী হৈছে; অৰ্থ—থাকে।

কলা—কলা বৰণ। উহ ণ বাণ—উদ্দেশ্য নাই, বৰ্ণও (বৰণো) নাই; নতুবা বৰণৰ উপলব্ধি নহয়। গঅণে উঠি—আকাশত উঠি। চৰঅ—চৰে, চৰি ফুৰে। অমণ ধাণ—মনোধৰ্মৰ অতীত অৱস্থা, যি অৱস্থাত পাৰমাৰ্থিক বোধিচিত্তই মৌ পান কৰে। তব—তবে, তেতিয়া। সে—সেই সি। উঞ্চল-পাঞ্চল—উচ-পিচ লগায়, চঞ্চল হৈ পৰে। সদ্গুৰু-বোহে—সদ্গুৰুৰ বচনেৰে, উপদেশেৰে। কৰিহ—কৰা। সো – তাক। ণিচ্চল · চলিব নোৱাৰা, অচল। জবেঁ – যেতিয়া। মুষাএৰ – এন্দুৰৰ। চাৰ – চলণ-ফুৰণ, চাল-চলন। টীকা-পুথিৰ লিপিত ‘চাৰ’ শব্দটো নাই, কেৱল ‘চা’ আছে; ড° নীলৰতন সেনে ‘(অ) চা (ৰ)’ বুলি লিখিছে। লিপিকাৰৰ হাতত এই দুয়োটা আখৰ ভুলতে বাদ পৰিবও পাৰে; ৰ-আখৰটো বাদ পৰা বুলিয়ে ধৰিব পাৰি। ভণঅ – ভণে, কয়। তবেঁ – তেতিয়া। ফিটঅ—(<স্ফটতি) ফাটে, খোল খায়, মুক্ত হয়। বান্ধন ফিটঅ সংসাৰ-বন্ধন খুলি যায়। ‘তস্মিন সময়ে সংসাৰ বন্ধনং তস্য স্ফিটমিতি।’ – টীকা।

২২

ৰাগ—গুঞ্জৰী ঃ সৰহপাদানাম্

অপণে ৰচি ৰচি ভৱ নিৰ্বাণা[১]।
মিছেঁ লোঅ বন্ধাৱএ অপণা॥
অম্ভে[২] নজাণহুঁ অচিন্ত জোই।
জাম মৰণ ভৱ কইসণ হোই॥
জইসো জাম মৰণ বি তইসো।
জীৱন্তে মঅলেঁ[৩] নাহি বিশেসো॥
জা এথু[৪] জাম মৰণে বি সঙ্কা।
সো কৰউ ৰস ৰসাণেৰে কঙ্খা॥
জে সচৰাচৰ তিঅস ভমন্তি।
তে অজৰামৰ কিম্পি নহোন্তি॥
জামে কাম কি কামে জাম।
সৰহ ভণতি[৫] অচিন্ত সো ধাম॥

পাঠান্তৰ

১। ভৱনির্বাণা, শাস্ত্রী, বসু, দাশগুপ্ত ; ভৱনিবাণা, সেন। ২। অন্তে, বসু ; অম্‌হে, সাংস্কৃত্যায়ন ; অন্তে, শাস্ত্রী, নীসেন। ৩। মথলেঁ, শাস্ত্রী, সেন, নীসেন ; মইলেঁ, বসু, সাংকৃত্যায়ন ৪। জা এথু, শাস্ত্রী, সেন, বসু, সাংস্কৃত্যায়ন। ৫। ভণতি, শাস্ত্রী, সেন, নীসেন ; ভণই, সাংস্কৃত্যায়ন।

গূঢ়াৰ্থ

সিদ্ধাচাৰ্য্য সৰহপাদে এই চৰ্য্যাটিত অদ্বয়-তত্ত্ব সম্পৰ্কে কৈছে। মানুহে বস্তুবাদী দৃষ্টি-ভঙ্গীৰে চিন্তা কৰি কৰি মনলৈ নানা প্ৰকাৰ ভেদ-ভাৱ আনে। অবিদ্যা-বিমোহনেই ইয়াৰ ঘাই কাৰণ। তেওঁ-লোকৰ দৃষ্টিত ভৱ আৰু নিৰ্বাণ স্বকীয়া তত্ত্ব। সৰহপাদে কৈছে যে মিছাতেই মানুহে এনে ভেদ-জ্ঞানৰ দ্বাৰা নিজক বান্ধি পেলায়। দৰাচলতে ভেদ-জ্ঞান ভ্ৰান্তিৰ পৰা জন্মে।

বৌদ্ধধৰ্ম্মীসকলে জগতৰ অস্তিত্ব স্বীকাৰ নকৰে। জগতৰ উৎপত্তি, স্থিতি আৰু বিনাশ নাই। এইবোৰ সম্বন্ধে সাধাৰণ মানুহৰ মনত যি ধাৰণা জন্মে সেইয়া ভ্ৰমৰ পৰিচায়ক মাত্র। আচলতে দৃশ্য-জ্ঞান প্ৰখৰ হোৱা বাবেই মানুহ সংসাৰ-বন্ধনত আৱদ্ধ হৈ থাকে। সাধাৰণ মানুহে এই তত্ত্বৰ গূঢ়তা বুজি নাপায়। কিন্তু পৰম তত্ত্বজ্ঞ যোগীসকলে ভৱৰ স্বৰূপ বুজি পায়। অচিন্ত্য যোগী সৰহপাদে কৈছে যে জন্ম, মৃত্যু আৰু ভৱ কেনেকৈ হয় সেইটো তেওঁ নাজানে, অৰ্থাৎ তেওঁৰ মতে সেই বিলাকৰ কোনো পাৰ্থক্য নাই আৰু সেইবোৰৰ স্বকীয়া তত্ত্ব-ব্যাখ্যা নিৰৰ্থক ; কাৰণ সেইবোৰ দৃষ্টিৰ ভ্ৰম মাত্ৰ, তাত বাহিৰে আন একো নহয়। জীৱন বুলিলে যিদৰে উৎফুল্লিত হব নালাগে, মৃত্যু বুলিলেও সেইদৰে ভয় খাব নালাগে। জীৱন-মৰণৰ কোনো বিশেষত্ব নাই। যিসকলে জন্ম-মৃত্যুলৈ শঙ্কা কৰে, তেওঁলোকে জীৱন অমৰ কৰিবৰ কাৰণে বা মৃত্যুক ঔষধ-পাতিৰে ৰোধ কৰিবলৈ চেষ্টা কৰে ; জ্ঞানী যোগীয়ে এই বিষয়ে চিন্তা কৰা অনুচিত। সচৰাচৰ যাগ-যজ্ঞ, তন্ত্ৰ-মন্ত্ৰ আদিৰ বলত যিসকলে স্বৰ্গলৈ যাব বিচাৰে তেওঁলোকে কেতিয়াও অমৰত্ব লাভ

কৰিব নোৱাৰে। কাৰণ, যাগ-যজ্ঞ, দেৱালয়-দৰ্শন প্ৰভৃতি মানসিক দুৰ্বলতা বা সান্ত্বনাৰ পৰিচায়ক মাত্ৰ। প্ৰকৃততে তেনে অভিলাষী লোকৰ অমৰত্ব লাভ নহয়। বৰঞ্চ প্ৰজ্ঞা-জ্ঞান লাভ হলেই অমৰত্ব পাব পাৰি। জন্মৰ পৰাই কৰ্মৰ উৎপত্তি নে কৰ্মৰ গুণতেই জন্ম পোৱা যায়—সেই তত্ত্ব বুজা সহজ নহয়, সি চিন্তাৰ অতীত। সৰহপাদে ইয়াক 'অচিন্ত্য ধৰ্ম' অৰ্থাৎ অতি গূঢ় ধৰ্ম বুলি কৈছে। আচলতে পৰম তত্ত্বজ্ঞসকলে সেই গূঢ় তত্ত্ব হৃদয়ঙ্গম কৰিয়ে নিৰ্বাণ লাভ কৰে। দাৰ্শনিক দৃষ্টিত সেয়ে অমৰত্ব বা জন্ম-মৃত্যুহীন অৱস্থা।

শব্দ-টোকা

অপণে—নিজে। ৰচি ৰচি—চিন্তা কৰি কৰি। ভৱ নিৰ্বাণা—ভৱ আৰু নিৰ্বাণ। মিছেঁ—মিছাতে। বন্ধাৱএ—বান্ধে, বান্ধ খায়। অপণা—নিজকে। অম্হে (অম্ভে)—আমি। নজাণহুঁ—নাজানো। অচিন্ত জোই—নিগূঢ় ধৰ্মতত্ত্বজ্ঞ যোগী। জাম—জন্ম>জম্ম>জাম। জাম মৰণ ভৱ—জন্ম, মৰণ, স্থিতি (ভৱ)। কইসণ—কিদৰে, কেনেকৈ। মৰণ বি তইসো—মৰণো তেনেকুৱা। বি=ও। জীৱন্তে—জীৱনত, জীৱিত অৱস্থাত। মঅলেঁ—মৰণত, মৃত্যু হওঁতে। নাহি বিশেসো—বিশেষত্ব নাই। সঙ্কা—আশঙ্কা, ভয়। সো—তেওঁ। কৰউ—কৰক। ৰস ৰসাণেৰে কঙ্খা—ঔষধ-পাতিৰ আকাঙ্খা বা ব্যৱস্থা। জে—যি। তিঅস ভমন্তি—মন্ত্ৰ, যাগ-যজ্ঞ আদিৰ বলত স্বৰ্গ লৈ গতি কৰে। 'মন্ত্ৰৌষধ্যাদিশক্ত্যা ত্ৰিদশং দোৱালয়ং গচ্ছতি'—টীকা। তে—তেওঁ। কিম্পি নহোন্তি—কোনোমতেই নহয়, মুঠেও নহয়। জামে—জন্মৰ দ্বাৰা, জন্মৰ পৰা, জন্মৰ পাছত। কাম—কৰ্ম>কম্ম>কাম। কি=নে। কামে—কামৰ দ্বাৰা, কামৰ পৰা, কামৰ পাছত। জামে কাম কি কামে জাম—জন্মৰ পৰা কৰ্ম হয় নে কৰ্মৰ পৰা জন্ম হয়। ভণতি—কয়। অচিন্ত—অচিন্ত্য, চিন্তাৰ অতীত। সো ধাম—সেই ধৰ্ম। অচিন্ত সো ধাম—কাৰ্য্য-কাৰণৰ সম্বন্ধ নথকা সেই নিগূঢ় ধৰ্ম। ধাম=ধৰ্ম>ধম্ম>ধাম।

৩২

ৰাগ—বড়াৰী ঃ ভুসুকুপাদানাম্

জই তুম্হে ভুসুকু অহেৰি[1] জাইবেঁ মাৰিহ সে পঞ্চজণা।
নলণীবন[2] পইসন্তে হোহিসি একুমণা॥
জীৱন্তে ভেলা বিহণি মএল ণঅণি।[3]
হণ বিণু মাঁসে ভুসুকু পদ্মবণ পইসহি ণি॥
মাআজাল পসৰিউ ৰে[4] বাধেলি মাআহৰিণী।
সদ্‌গুরু-বোহেঁ বুঝি ৰে কাসু কদিনি॥

পাঠান্তৰ

১. অহেৰি, শাস্ত্রী, বাগচী, সেন; অহেই, নীসেন। ২। নলণীবন, শাস্ত্রী, সেন, নলিনীবন, বসু। ৩। ণঅণি, নীসেন, সেন; ৰঅণি, বাগচী, শহীদুল্লাহ, বসু। ৪। পসৰি উৰে, শাস্ত্রী, পসৰিউ ৰে, বাগচী, সেন, নীসেন।

গূঢ়াৰ্থ

চৰ্য্যা-ৰচকসকলৰ বহুতেই নিজক সম্বোধন কৰি ৰূপক-উপমাৰ ছলেৰে ধৰ্মতত্ত্ব ব্যাখ্যা কৰিছে। ইয়াতো ভুসুকুপাদে নিজক সম্বোধন কৰি কৈছে যে 'ভুসুকু, যদি তুমি চিকাৰলৈ যোৱা তেন্তে পঞ্চ-স্কন্ধাত্মক পাঁচজনকে মাৰিবা; অৰ্থাৎ পঞ্চধ্যানীবুদ্ধক নিজৰ অধীনলৈ আনিবা। কাৰণ ইবিলাকৰ পৰাই পঞ্চস্কন্ধৰ উৎপত্তি।' পঞ্চস্কন্ধ হ'ল—ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ আৰু বিজ্ঞান। ইবিলাকৰ প্ৰভাৱত ভৱ-বিকল্পাদিৰ সৃষ্টি হয়। কাজেই পঞ্চস্কন্ধাত্মক জ্ঞান ধ্বংস কৰিব নোৱাৰিলে সিবিলাকৰ ওপৰত থকা চৰম সত্য 'বজ্ৰ' বা শূন্যতা-জ্ঞান লাভ নহয়, গতিকে নিৰ্বাণো লাভ নহয়। চিত্তক অচিত্ত-তাত লীন নিয়াব পাৰিলেহে সহজ-নলিনীবনত প্ৰৱেশ কৰিব পাৰি। জীৱনক যিদৰে ৰাতিপুৱা আৰু মৃত্যুক ৰাতি বুলি ধৰা হয়, সেইদৰে চিত্তত প্ৰজ্ঞাৰ উদয় হলেও তাক ৰাতিপুৱা আৰু উদয় নহলে তাক আন্ধাৰ-নিশা বুলি ধৰা হয়। গতিকে 'হে ভুসুকু যোগী, তুমি সেই পাঁচজনৰ মাংস নোলোৱাকৈ বা পাঁচজনক নাশ নকৰাকৈ পদ্মবনত

প্ৰৱেশ কৰিলা নেকি?' অৰ্থাৎ 'হে ভুসুকুপাদ. তুমি সেই পাঁচ-জনক নাশ নকৰাকৈ পদ্মবনত প্ৰৱেশ নকৰিবা।'

মায়াজাল বহলকৈ পাতি দিয়া হ'ল, তাতে মায়া-হৰিণী বান্ধ খাই পৰিল। সদ্‌গুৰুৰ জ্ঞান-উপদেশৰ দ্বাৰা বুজা যায়—এইটো কাৰ কাহিনী। গুৰুৰ উপদেশ বিনে এই তত্ত্ব বুজা নাযায়।

শব্দ-টোকা

তুম্‌হে—তুমি। জাইবেঁ—যাবা। মাৰিহ—মাৰিবা। সে পঞ্চজনা—সেই পঞ্চস্কন্ধাত্মক পাঁচজন ধ্যানীবুদ্ধ (১২ আৰু ১৬ নং চৰ্য্যাৰ শব্দ-টোকা দ্ৰষ্টব্য), নতুবা পঞ্চজ্ঞানেন্দ্ৰিয়। লিপিত 'সে' শব্দটোৰ ে-কাৰ স্পষ্ট: স-টো দেৱনাগৰী আখৰৰ দৰে দেখা যায়। নলণীবন—সহজ-নলিনীবন, মহাসুখ-কমলবন। পইসন্তে—প্ৰৱেশ কৰোঁতে। হোহিসি—(হোহি + সি) হবাই; জোৰ বুজোৱা অৰ্থত -সি স্বাৰ্থিক প্ৰত্যয় হিচাবে বহিছে। এই -সি প্ৰত্যয়টো পুৰণি অসমীয়াত -সে ৰূপে ব্যৱহাৰ হৈছিল; যেনে—'গৈলেসে জানিয় পথ নিয়ৰ কি দূৰ। খাইলেসে জানিয় পথ্য তিত কি মধুৰ॥' (বভ্ৰুবাহনৰ যুদ্ধ)। একুমণা—এক মনা, এক চিত্তৰ। জীৱন্তে—জীৱনতে, জীয়াই থাকোঁতে। ভেলা—ভৈলা, হ'ল। বিহণি বিহান, ৰাতিপুৱা। মএল—মৰা বা মৃত অৱস্থা। ণআণি—ৰজনী, ৰাতি। হণ বিণু—হনন কৰা অবিহনে, নাহানাকৈ, বধ নকৰাকৈ। হণ বিণু মাঁসে (মাংসে)—মাংস ননাকৈ অৰ্থাৎ আকাঙ্খিত প্ৰাণীক (তথা সত্ত্বাক) বধ নকৰাকৈ। পদ্মবণ—মহাসুখ-কমলবন। পইসহি ণি=প্ৰৱেশ কৰিলা নে? সোমাইছা নে? সোমালা নে? ইয়াত-ণি-টো প্ৰশ্ন-বোধক অব্যয় হিচাবে বহিছে। 'হণ বিণু মাঁসে ভুসুকু পদ্মবণ পইসহি ণি'—চিকাৰ্য্য জীৱ (মাংস) বধ নকৰাকৈ ভুসুকুপাদে পদ্ম-বনত প্ৰৱেশ কৰিলে নে? অৰ্থাৎ চৰ্য্যাটিত উল্লেখিত সেই পঞ্চ-জনাক নাশ নকৰাকৈ সিদ্ধাচাৰ্য্য ভুসুকুপাদে মহাসুখ-কমলবনত প্ৰৱেশ কৰিলে নেকি? পসৰিউ ৰে—প্ৰসাৰিত হ'ল, বহলকৈ মেলি দিয়া

হ'ল বা বহলকৈ—থ্‌তা হ'ল। ইয়াত -ৰে সাংগীতিক ধ্বনি-প্ৰতীক হিচাবে প্ৰয়োগ হৈছে। বাধেলি—বন্ধা হ'ল। মাআ-হৰিণী—অবিদ্যাৰূপিণী হৰিণী। বুঝি ৰে—বুজা যায়, বুজি পায়। কাস্থ—কাৰ (<কস্য)। কদিনি—কাহিনী, বৃত্তান্ত।[১৩]

২৬

ৰাগ—শৱৰী ঃ শান্তিপাদানাম্‌

তুলা ধুণি ধুণি আঁসুৰে আঁসু।
আঁসু ধুণি ধুণি ণিৰৱৰ সেসু॥
তউ সে হেৰুঅ ণপাবিঅই।
সান্তি ভণই কিণ[১] স ভাবিঅই[১]॥
তুলা ধুণি ধুণি সুনে অহাৰিউ।
পুণ লইআঁ অপণা চটাৰিউ॥
বহল বট[২] দুই মাৰ নদিশঅ।
সান্তি ভণই বালাগ নপইসঅ॥
কাজ ন কাৰণ জ এহু জুঅতি[৩]।
সঁএ সংবেঅণ বোলথি সান্তি॥

পাঠান্তৰ

১—১। কিণ স ভাবিঅই, শাস্ত্ৰী, সেন, বসু, নীসেন; কিণ সো ভাবিঅই, শহীদুল্লাহ। ২। বাট, সেন; বট, শাস্ত্ৰী, বসু; বঢ, বাগচী। ৩। জুঅতি, সেন, নীসেন; জুগতি, বসু; জঅতি, মুখোপাধ্যায়।

গূঢ়াৰ্থ

চৰ্য্যাটিত তুলা মানে চিত্তৰূপ তুলা। তুলাত যেনেকৈ অনেক আঁহ থাকে, তেনেকৈ চিত্ততো বহু ধৰণৰ কোষ থাকে বুলি ধাৰণা কৰা হৈছে। ধনুকৰে তুলা ধুনি ধুনি তাৰ জোলাবোৰ ধনুৰে ফালি ফালি গুটি বা গাঁথি আদি আঁতৰাই ভাল তুলাখিনিৰে গাৰু, তচক প্ৰভৃতি তৈয়াৰ কৰে। এনেকুৱা বহা বহা তুলাৰে

১৩। ২৪ আৰু ২৫ নং চৰ্য্যা উদ্ধাৰ হোৱা নাই।

তৈয়াৰী গাৰু বা তছক আদিত শুলে আৰাম পোৱা যায়।

ধনুকৰে তুলাৰ আঁহবোৰ ধুনি ধুনি তাৰ আগৰ অৱস্থা বা অৱয়ব নোহোৱা কৰে। সেইদৰে যোগীয়েও তেওঁৰ চিত্তৰ বিভিন্ন কোষত থকা বেয়া চিন্তা-বস্তুবোৰ দূৰ কৰে। তেনে কৰোঁতে কৰোঁতে চিত্তৰ আগৰ অৱস্থা নাইকিয়া হৈ যায়; তথাপি হেৰুকক বা শূন্যতাক পোৱা নাযায়। তেনে প্ৰসঙ্গত শান্তিপাদে নিজে নিজে প্ৰশ্ন কৰিছে যে—'মানুহৰ চিত্তইনো কি কথা ভাবে?'

সাধকৰ কৰ্ত্তব্য হ'ল চিত্তক স্বভাৱ-শূন্য কৰা। বিচাৰ-বিশ্লেষণ, ত্যাগ-সংযম আদিৰ দ্বাৰা চিত্তক বিশুদ্ধ কৰি শূন্যত বিলীন কৰি দিব লাগে। তেনে কৰিলে তাৰ ভৱ-বিকল্পাদি ভাৱ নাথাকে; সি নিৰ্বাণ অৱস্থা-প্ৰাপ্ত হয়।

এই সংসাৰখন এটা বহল বাটৰ সদৃশ; তাৰ দুই মূৰ বা দুই দাঁতি দেখা নাযায়। অৰ্থাৎ সহজীয়া ধৰ্ম পালন কৰিবলৈ লওঁতে দুই প্ৰকাৰৰ পথ বা মাৰ্গ সাধকৰ দৃষ্টিত বিদ্যমান—এটা পাপৰ পথ আনটো পুণ্যৰ পথ। পাপৰ পথেৰে গলে পাৰ্থিৱ বিষয়-বাসনাৰ দ্বাৰা চিত্ত আকৃষ্ট হয়, গতিকে চিত্তই নিৰ্বাণ লাভ কৰিবলৈ অক্ষম হৈ পৰে। ক'ত, কেতিয়া, কেনেকৈ চিত্তই এই পথেৰে গতি কৰিবলৈ লয় তাক তৰ্কিবই নোৱাৰে। প্ৰথম পদস্খলনৰ পাছত হোৱা স্খলনবোৰ আগৰবোৰৰ পুনৰাবৃত্তি মাথোন। গতিকে চিত্তই নিজে নিজেই পাপ-চক্ৰত পৰি যায়। আনহাতে পুণ্যৰ পথেৰে গলে চিত্তই প্ৰতি খোজতে অতি সাৱধানে আগ বাঢ়িব লগীয়া হয়। ত্যাগ আৰু সংযমৰ বলত চিত্তই অনায়াসে শূন্যতাৰ পথত আগ বাঢ়িব পাৰে। এই দুটা পথ প্ৰথমে দেখা নাযায়। শান্তিপাদে কৈছে যে অস্থিৰ আৰু অজ্ঞলোকে এই ধৰ্মত প্ৰৱেশ কৰিব নোৱাৰে। কাৰণ এই ধৰ্মৰ পথ বৰ দীঘলীয়া।

'ভৱ-সংসাৰৰ উৎপত্তিত কাৰ্য্যও নাই, কাৰণো নাই'—এই যে যুক্তি, ইয়াক স্বয়ং-সংবেদনৰ দ্বাৰাহে বা আত্মোপলব্ধিৰ দ্বাৰাহে

বুজিব পাৰি ;—এই তত্ত্ব-কথা শান্তিপাদে কয়। তেওঁ প্রজ্ঞা-জ্ঞানৰ দ্বাৰা ইয়াক হৃদয়ঙ্গম কৰিব পৰিছে।

শব্দ-টোকা

তুলা ধুণি ধুণি—তুলাৰূপ চিত্তক ফঁহিয়াই চাই চাই। আঁসুৰে আঁসু—তুলাৰ অকণ অকণ আঁহ। নিৰৱৰ—নিঃ+অৱয়ব, অৱয়ব-হীন। সেসু—শেষ। তউ যে—তথাপি সেই। হেরুঅ—হেৰুক। পাবিঅই—পাবি ; ণপাবিঅই—নাপাবি। তউ যে হেরুঅ ণপাবিঅই --তথাপি সেই শূন্যতাক নাপাবি ; অৰ্থাৎ শূন্যতাক পোৱা সহজ কথা নহয়। সান্তি—শান্তিপাদে। কিণ—কিয়, কি কাৰণে। ভাবিঅই—ভবা হয়, (কি কাৰণে) ভাবে। টীকা অনুসৰি, ভাৱৰ উপলব্ধি যিহেতু লোপ পাইছে, তেনেস্থলত ভাৱৰ প্ৰয়োজন কি? সুনে—শূন্যতাত। অহাৰিউ—সোমালোঁ, প্ৰৱেশ কৰিলোঁ। তুলা ধুণি ধুণি সুনে অহাৰিউ—বিচাৰ-বিশ্লেষণৰ দ্বাৰা চিত্তক শুদ্ধ কৰি শূন্যতাত প্ৰৱেশ কৰিলোঁ। টীকা—'প্রভাস্বৰে চিত্তং প্ৰৱেশিতং ময়া।' পুণ লইআঁ—পুণ্য লৈ, পুণ্য অৰ্জ্জন কৰি (নাইবা, প্ৰভাৱৰ-শূন্যতাক অৱলম্বন কৰি)। চটাৰিউ--বধ কৰিলোঁ, নাশ কৰিলোঁ, নিঃশেষ কৰিলোঁ। বধ কৰা অৰ্থত চট্ ধাতু প্ৰয়োগ হৈছে। টীকাত একে অৰ্থবাচক বাধ্ ধাতু প্ৰয়োগ কৰা হৈছে—'বাধিতমিতি'। অপণা চটাৰিউ—গ্ৰাহ্য-গ্ৰাহক ভাৱ ৰূপ নিজৰ অস্তিত্ব নাশ কৰিলোঁ। বহল বট—বিৰাট সংসাৰখনক বহল বাটৰ লগত তুলনা কৰা হৈছে। দুই মাৰ—বাটৰ দুটা দাঁতি বা বাটৰ দুটা মূৰ অৰ্থত বহিছে। তত্ত্বমতে, ধৰ্মৰ দুটা মাৰ্গ বুজোৱা হৈছে। বালাগ নপইসঅ—বালকৰ নিচিনা অনভিজ্ঞ লোকে ধৰ্মত প্ৰৱেশ কৰিব নোৱাৰে। 'বালোহজ্ঞস্মিন্ ধৰ্মে ন প্ৰৱিশতি'—টীকা। আকৌ, ধৰ্মত প্ৰৱেশ কৰিব নোৱাৰাৰ যুক্তিও টীকাকাৰে দিছে—'সুদূৰ এব'। অৰ্থাৎ ধৰ্মৰ পথ বৰ দীঘলীয়া। বালাগ—(বাল+অগ্ৰ=বালাগ্ৰ > বালাগ্‌গ > বালাগ) বালসুলভ চঞ্চলতাহেতু অৰ্থত প্ৰয়োগ হৈছে। কাজ ন কাৰণ—কাৰ্য্যও নহয়, কাৰণো নাই। জ—যে, যি।

জুঅতি—যুগুতি, যুক্তি। সঁএঁ সংবেঅণ—স্বয়ং সংবেদন, আত্ম উপলব্ধি। বোলথি—কয় (অৰ্থাৎ শান্তিপাদে এই অনুত্তৰ ধৰ্মৰ তত্ত্ব-কথা কয়)।

২৭

ৰাগ—কামোদ : ভুসুকুপাদানাম্

অধৰাতি ভৰ কমল বিকসউ।
বতিস যোইণী তসু অঙ্গ উহ্লসিউ[১] ॥
চালিউঅ ষষহৰ মাগে অৱধূই।
ৰঅণহু[২] যহজে কহেই ॥
চালিঅ ষঅহৰ গউ ণিবাণেঁ।
কমলিনি কমল বহই পণালেঁ ॥
বিৰমানন্দ বিলক্খণ সুধ।
জো এথু বুঝই সো এথু বুধ ॥
ভুসুকু ভণই মই বুঝিঅ মেলেঁ।
সহজানন্দ মহাসুহ লীলেঁ[৩] ॥

পাঠান্তৰ

১। উহ্নসিউ, শাস্ত্ৰী, সেন, উল্লসিউ, শহীদুল্লাহ। উহ্লসিউ, নীসেন। ২। ৰঅণহু, শাস্ত্ৰী, ৰঅণহু, সেন। ৩। লীলেঁ, শাস্ত্ৰী, বসু, লোলেঁ, সেন।

গূঢ়াৰ্থ

বহু প্ৰসঙ্গৰ পৰা জনা যায় যে আধাৰাতি বা মাজ নিশাৰ সময়খিনি গভীৰ চেতনাবোধৰ সময়। এই সময়ছোৱা তান্ত্ৰিক সাধকৰ পক্ষে অতি আকাঙ্খিত; কাৰণ, তেনে সময়তে তেওঁলোকৰ প্ৰজ্ঞা-জ্ঞান লাভ হয় বুলি বিশ্বাস। টীকাত মাজ ৰাতিক 'চতুৰ্থী সন্ধ্যা' বুলি কোৱা হৈছে। সেই সময়তে শূন্যতাৰূপ সূৰ্য্যৰ কিৰণত সাধকৰ চিত্ত-কমল বিকশিত হৈ উঠে। তেতিয়া সাধকৰ শৰীৰত থকা ললনা, ৰসনা, অৱধূতিকা প্ৰভৃতি ৩২ ডাল সূক্ষ্ম নাড়ী সহস্ৰাৰ পদ্মত মিলি মহানন্দত অধীৰ হৈ পৰে। সিবিলাকৰ

দ্বাৰা পৰিব্যাপ্ত সমস্ত অঙ্গ উল্লসিত হয়। তেনে অৱস্থাত পৰিশুদ্ধ চিত্তই অৱধূতিকা নাড়ীৰ সহায়ত মূৰত থকা মহাসুখ-চক্ৰত প্ৰৱেশ কৰে। এই প্ৰৱেশ-লাভৰ মূলতেই হৈছে সদ্‌গুৰুৰ বচন। চৰ্য্যাটিত গুৰুৰ বচনক ৰত্নৰ লগত তুলনা কৰা হৈছে।

গুৰুৰ আশীৰ্বাদ-বচনৰ দ্বাৰা চালিত হৈ সাধকৰ চিত্ত-চন্দ্ৰই নিৰ্বাণ-চক্ৰত প্ৰৱেশ কৰে। অৱধূতিকা নৈৰাত্মাই কমল-ৰসৰ দ্বাৰা নিজ দেহ তিয়াই প্ৰকৃত পথেৰে অৰ্থাৎ অৱধূতী-মাৰ্গেৰে মহাসুখ-চক্ৰৰ উদ্দেশ্যে গতি কৰে। ইয়াত 'কমলিনি' শব্দই অৱধূতিকা নাড়ীৰ অধিকাৰিণী নৈৰাত্মাদেৱীক বুজাইছে। 'কমল' শব্দই কমল-ৰস তুল্য মহাসুখ-ৰস অৰ্থ কৰিছে। 'পণালেঁ' শব্দৰ সাধাৰণ অৰ্থ হৈছে প্ৰকৃত নাল বা মৃণাল; ইয়াৰ তাত্ত্বিক অৰ্থটো হ'ল আচল পথ অৰ্থাৎ অৱধূতী মাৰ্গ।

মহাসুখ-চক্ৰত যি অপাৰ আনন্দ পোৱা যায় সেই আনন্দৰ কোনো লক্ষণ নিৰ্ণয় কৰিব নোৱাৰি; গতিকে সি বিলক্ষণ আৰু পৰিশুদ্ধ। যি সাধকে এই তত্ত্ব বুজিব পাৰে তেওঁই প্ৰকৃত বুদ্ধ অৰ্থাৎ আচল জ্ঞানী ব্যক্তি। ভুসুকুপাদে কৈছে যে তেওঁ প্ৰজ্ঞা আৰু উপায়ৰ অৰ্থাৎ পুৰুষ আৰু প্ৰকৃতিৰ মিলনজাত সুখ উপলব্ধি কৰিব পাৰিছে। গূঢ়াৰ্থত প্ৰজ্ঞা আৰু উপায়ৰ মিলনক চিত্ত আৰু শূন্যতাৰ মিলন বুজোৱা হৈছে। এই দুটিৰ মিলনেই হ'ল মহাসুখৰ লীলা। এই লীলাৰ দ্বাৰা তুৰীয় আনন্দ অৰ্থাৎ চৰম আনন্দ লাভ হয়। ভুসুকুপাদে গুৰুৰ প্ৰসাদ পাই সহজানন্দ-সুখ লাভ কৰিছে।

শব্দ-টোকা

অধৰাতি—অৰ্দ্ধৰাত্ৰ, মাজৰাতি, দোভাগ ৰাতি। সহজীয়ামতে 'অধৰাতি' শব্দই চতুৰ্থীসন্ধ্যা বা প্ৰজ্ঞাজ্ঞান-লাভৰ সময়ক বুজাইছে। 'ভৰ' শব্দটি জুৰি থকা অৰ্থত বহিছে। অন্যান্য উদাহৰণ সৈন্যবোৰে দিনভৰ যুঁজি যুঁজি ভাগৰি পৰিছে। প্ৰকৃত শিল্পীয়ে জীৱনভৰ শিল্প সাধন কৰে। আনহাতে 'ভৰ' শব্দটিয়ে 'পূৰ্ণতা' অৰ্থও কৰে।

তেতিয়া হলে ই বিকশিত হোৱাৰ লৈতে জড়িত। কমল—পদ্ম। বিকসউ—বিকশিত হয়। কমল বিকসউ—বজ্ৰ বা শূন্যতাৰূপ সূৰ্য্যৰ কিৰণত (মোৰ) উষ্ণীষকমল বিকশিত হৈছে। বত্তিস—বত্রিশ। যোইণী—যোগিনী; ইয়াত নাড়ী বুজাইছে। বত্তিস যোইণী—সহজীয়ামতে ললনা, ৰসনা, অৱধূতী প্রভৃতি দেহত থকা ৩২ ডাল প্রধান সূক্ষ্ম নাড়ীৰ কথা কোৱা হৈছে। তসু—সিবিলাকৰ। উহ্লসিউ—উল্লসিত হয় (উল্লসিত হৈছে)। অঙ্গ উহ্লসিউ—আনন্দতে শৰীৰৰ অঙ্গ-প্রত্যঙ্গ উল্লসিত হৈছে। চালিউঅ—চালিত হয়, চলে। ষষহৰ—শশহৰ (শশ = কলঙ্ক; হৰ - হৰণ কৰে) কলঙ্ক-মোচন-কাৰী; অর্থাৎ ধর্মকায়ৰ পৰা উৎপত্তি হোৱা বোধিচিত্ত। মাগে অৱধূই—অৱধূতী-মার্গত। ৰঅণহু—(ৰঅণ + হু; ৰত্নই = ৰত্নৰ প্রভাৱতেই) সদ্‌গুৰুৰ বচনসদৃশ ৰত্ন, আৰু সেই ৰত্নৰ প্রভাৱতেই। ৰঅণহু ষহজে কহেই—সদ্‌গুৰুৰ বচনৰূপ ৰত্নৰ প্রভাৱতেই সহজীয়া সাধকে ব্যাখ্যা কৰে। গউ—গমন কৰে। ণিবাণেঁ—নির্বাণ মার্গত। কমলিনি—কমলৰূপ মহাসুখযুক্ত নৈৰাত্মাদেৱী; ‘কমলৰসং মহা-সুখৰসমস্যাস্তীতি কমলিনী।’ —টীকা। কমল বহই পণালেঁ—স্বাভাৱিকতে বোধিচিত্তত থকা মহাসুখৰূপ কমল-ৰসৰ দ্বাৰাই নিজৰ দেহ তিয়াই (নৈৰাত্মাই) মহাসুখ-চক্রৰ পিনে প্রৱাহিত হয়। টীকা অনুসৰি—‘কমলৰসং তমেব বোধিচিত্তমহাসুখৰসেন কায়বজ্রং প্রীণয়িত্বা মহাসুখ-চক্রোদ্দেশং বহতীতি।’ বহই—বয়, প্রৱাহিত হয়। পণালেঁ—প্রণাল (প্র = প্রকৃত; ণাল = নল = পথ বা বাট), প্রকৃত পথেৰে অর্থাৎ অৱধূতী মার্গেৰে। বিৰমানন্দ—পৰমানন্দ, তুৰীয় আনন্দ; সহজীয়ামতে চতুর্থ আনন্দ; এই আনন্দ চতুর্থীসন্ধ্যাতহে পোৱা যায়। বিলকৃখণ—লক্ষণ নথকা; অর্থাৎ চতুর্থ আনন্দৰ লক্ষণ নির্ণয় কৰা নাযায়। সুধ—শুদ্ধ। জো এথু বুঝই—যিজনে এই তত্ত্ব বুজে। সো এথু বুধ—তেৱেঁই এনেকুৱা (অর্থাৎ প্রকৃত) বুদ্ধ বা জ্ঞানী পুৰুষ। মই বুঝিঅ মেলেঁ—মই (ভুসুকুপাদে) প্রজ্ঞা আৰু উপায়ৰ মিলনজাত মহাসুখ উপলব্ধি কৰিব পাৰিছো। ইয়াত

প্ৰজ্ঞা আৰু উপায়ৰ নতুবা পুৰুষ আৰু প্ৰকৃতিৰ অথবা চিত্ত আৰু শূন্যতাৰ মিলনজনিত যি মহাসুখ উদ্ভৱ হয় তাকে বুজোৱা হৈছে। মেলেঁ—মিলন, মিলনৰ দ্বাৰা। লীলেঁ—লীলাৰ দ্বাৰা, অনায়াসে। শেষৰ দুটা শাৰীৰ অৰ্থ টীকাত কোৱা হৈছে—'ভুসুকুপাদোহি বদতি। ময়া ভুসুকুপাদেন প্ৰজ্ঞোপায়মেলকে সহজানন্দং মহাসুখং সদ্‌গুৰু-প্ৰসাদাৎ লীলয়া অৱগতম্।' 'সদ্‌গুৰুপ্ৰসাদ' কথাষাৰ চৰ্য্যাসমূহত প্ৰায়েই উল্লি আছে; কিন্তু ব্যাখ্যা কৰোঁতে সেই কথাষাৰত গুৰুত্ব আৰোপ কৰা হৈছে।

২৮

ৰাগ—বলাড্ডী : শবৰপাদানাম্

উঞ্চা উঞ্চা[১] পাবত তঁহি বসই সবৰী বালী।
মোৰঙ্গি পীচ্ছ পৰহিণ সবৰী গিবত গুঞ্জৰী মালী॥
উমত সবৰো পাগল শবৰো মা কৰ গুলী গুহাৰা তোহৌৰী[২]।
নিঅ ঘৰিণী নামে সহজ সুন্দাৰী॥
ণাণা তৰুবৰ মৌলিল ৰে গঅণত লাগেলি ডালী।
একেলী সবৰী এ বণ হিণ্ডই কর্ণ কুণ্ডল বজ্ৰধাৰী॥
তিঅ ধাউ খাট পড়িলা[৩] সবৰো মহাসুহে সেজি ছাইলী।
সবৰো ভুজঙ্গ ণইৰামণি দাৰী পেহ্ম[৪] ৰাতি পোহাইলী॥
হিঅ তাঁবোলা মহাসুহে কাপুৰ খাই।
সুন নিৰামণি কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই॥
গুৰুবাক পুঞ্চআ[৫] বিন্ধ নিঅ মণে বাণেঁ।
একে সৰসন্ধাণেঁ বিন্ধহ বিন্ধহ পৰম নিবাণেঁ॥
উমত সবৰো গৰুআ ৰোষে।
গিৰিবৰ সিহৰ সন্ধি পইসন্তে সবৰো লোড়িব কইসেঁ॥

পাঠান্তৰ

১। উঞ্চা উঞ্চা, লিপিমতে, সেন, নীসেন; উচা উচা, শাস্ত্ৰী, বাগচী। ২। তোহৌৰী, লিপিমতে, নীসেন; তোহোৰি, শাস্ত্ৰী, সেন; তোহোৰি, বসু, দাশগুপ্ত। ৩। পড়িলা, লিপিমতে, সেন, নীসেন; পাড়িলা, শাস্ত্ৰী, বসু। ৪। পেহ্ম, শাস্ত্ৰী, নীসেন; পেম্হ, সেন। ৫। পুঞ্চআ, শাস্ত্ৰী, সেন, নীসেন, পুঙ্খিআ, দাশগুপ্ত, ধনুআ, শহীদুল্লাহ, পুচ্ছিআ, বাগচী।

গূঢ়াৰ্থ

সুউচ্চ পৰ্বতত বাস কৰা শবৰ-শবৰীৰ প্ৰেম-লীলাৰ বৰ্ণনাৰ যোগেদি এই চৰ্য্যাগীতটিৰ তত্ত্ব ব্যাখ্যা কৰা হৈছে।

অতি ওখ পৰ্বত, তাতে শবৰ বালিকাই বাস কৰে। তাই খোপাত ময়ূৰৰ পাখি গুজি লৈছে; ডিঙিত গুঞ্জৰী মালা পিন্ধিছে। তাইৰ ৰূপ দেখি শবৰ ডেকা প্ৰায় পাগল হৈ পৰিছে। তেতিয়া শবৰীয়ে কৈছে—'হে উন্মত্ত শবৰ, তুমি ভুল নকৰিবা, তোমাক কাকুতি কৰিছো; মই তোমাৰেই গৃহিণী, নাম মোৰ সহজ-সুন্দৰী।' নানাবিধ তৰুৰাজি মুকুলিত হ'ল; সিবিলাকৰ ডাল-পাতে আকাশ চুলে। শবৰীয়ে অকলশৰে এই বনত ঘূৰি ফুৰে। কাণত কুণ্ডল আৰু কণ্ঠত বজ্ৰ ধাৰণ কৰিছে। শবৰে তিনি ধাতুৰ খাট পাৰিলে, তাতে মহাসুখৰ শয্যা তৈয়াৰ কৰিলে। সেই শয্যাৰ ওপৰত শবৰ যেন ভুজঙ্গ আৰু শবৰীৰূপিণী নৈৰাত্মাদেৱী যেন তেওঁৰ স্ত্ৰী,—উভয়ে প্ৰেম-লীলা খেলি ৰাতি পুৱাই দিলে। হৃদয়ৰূপ তামোল, মহাসুখৰূপ কৰ্পূৰ খাই শূন্য নৈৰাত্মাক কণ্ঠত লৈ পৰম তৃপ্তিত দুয়ো ৰাতি কটালে। গুৰুৰ বাক্যৰূপ ধনুত শৰ জুৰি নিজৰ মনকে বিন্ধিলে। একেপাট শৰ মাৰি পৰম নিৰ্বাণ লাভ কৰিলে। উন্মত্ত শবৰে গুৰুৰ ৰোষত পৰ্বতৰ শিখৰ সন্ধিত প্ৰৱেশ কৰিছে; এতিয়া শবৰে কেনেকৈ ঘূৰি যাব? আগৰ অৱস্থাত শবৰক এতিয়া পোৱা নাযায়।

এইয়া হ'ল চৰ্য্যাটিৰ উপৰুৱা ৰূপ-চিত্ৰ। ইয়াৰ মাজেৰে সিদ্ধাচাৰ্য শবৰপাদে তত্ত্ব ব্যাখ্যা কৰিছে। চৰ্য্যাত দেহক সুমেৰু পৰ্বত আৰু মূৰক তাৰ শৃঙ্গ হিচাবে অভিজ্ঞান কৰা হৈছে। তান্ত্ৰিকমতে সেই শৃঙ্গতেই সহস্ৰাৰ পদ্ম থাকে।[১৪] সহজীয়া সাধকে এই সহস্ৰাৰ পদ্মক মহাসুখচক্ৰ হিচাবে ধৰি লৈছে। ইয়াত শবৰৰূপী বোধিচিত্তক বজ্ৰধৰ বোলা হৈছে; সেইদৰে শবৰী বালিকা-ৰূপিণী প্ৰকৃতি হৈছে নৈৰাত্মাদেৱী। ধৰ্মকায় বা তথতাৰ পৰা

১৪। ৪নং চৰ্য্যাৰ পাদ-টীকাত পদ্মসমূহৰ স্থান সংক্ষেপে দেখুওৱা হৈছে।

উৎপত্তি হয় বুলি বোধিচিত্ত বিষয়-বাসনাৰ পৰা মুক্ত নহয়; এইকথা আগতেও কৈ অহা হৈছে। আনহাতে বোধিচিত্ত আৰু নৈৰাত্মাৰ মিলন নহলে সাধনা সিদ্ধ নহয়। অৱশেষে একান্ত আগ্ৰহশীল সাধকক ইষ্টদেৱতাই সিদ্ধিৰ সন্ধান দিয়ে। ইয়াতো নৈৰাত্মা-শবৰীয়ে বাসনাভিলাষী চিত্ত-শবৰক কৈছে যে অবিদ্যাৰূপ নানা সাজ সজ্জাই দেহৰ সৌন্দৰ্য্য বঢ়াই মানুহক আকৰ্ষণ কৰাৰ দৰে পাৰ্থিৱ বিষয়-বাসনাই চিত্তক ভ্ৰমত পেলায়। কিন্তু নৈৰাত্মাদেৱী সকলোৰে উৰ্দ্ধত; অথচ তেওঁ দেহ-পৰ্বততেই বা এই পৃথিবীতেই শূন্যতাক অৱলম্বন কৰি ঘূৰি থাকে। গতিকে নৈৰাত্মাই চিত্তক সঁকিয়াই দিছে যে তেওঁ ভ্ৰমত পৰিব নালাগে, অবিদ্যা-প্ৰপঞ্চৰ ভিতৰত থাকিয়ে আৰাধ্যা দেৱীক পাব পাৰে।

এই ইঙ্গিত পাই শবৰে কায়-বাক্-চিত্তৰূপ তিনি ধাতুৰ তৈয়াৰী খাটত মহাসুখৰূপ বিছনা পাৰি নৈৰাত্মাদেৱীৰ প্ৰেমত ৰাতিটো কটালে, অৰ্থাৎ শবৰে অবিদ্যা-প্ৰপঞ্চ দূৰ কৰিলে। তাৰ পাছত তেওঁ তামোলৰ লগত কৰ্পূৰ খাই অৰ্থাৎ চিত্তক বিশুদ্ধ কৰি তাক অচিত্তত লীন নিয়ালে। এতিয়া স্বভাৱশূন্য চিত্তই নৈৰাত্মাদেৱীক লাভ কৰিবলৈ সক্ষম হ'ল। এনে অৱস্থা পাবলৈ হলে সাধকে গুৰুৰ উপদেশ সম্পূৰ্ণৰূপে বুজি উঠি তাক আখৰে আখৰে পালন কৰিব লাগে চৰ্য্যাটিত গুৰুৰ উপদেশক ধনু আৰু সাধকৰ মনক শৰৰ লগত তুলনা কৰা হৈছে। ধনু-শৰৰ মিলন আৰু সুপ্ৰয়োগত যেনেকৈ চিকাৰ বিদ্ধ হয় তেনেকৈ গুৰুৰ উপদেশ আৰু সাধকৰ মন সম্পূৰ্ণ সংযোজিত হলেহে সাধনা সিদ্ধ হয়। সাধনা-সিদ্ধিৰ নামান্তৰেই হ'ল নিৰ্বাণ-প্ৰাপ্তি। আমাৰ আলোচিত চৰ্য্যাৰ শবৰৰ চিত্তয়ো সহজানন্দ পান কৰি মহাসুখচক্ৰত প্ৰৱেশ কৰিলে; অৰ্থাৎ নৈৰাত্মাদেৱীৰ লগত শবৰৰ চিত্ত মিলি গ'ল, আগৰ সেই পাৰ্থিৱ স্বভাৱৰ শবৰ এতিয়া নাইকিয়া হ'ল; নিৰ্বিকল্প সাধনাৰ বলত শবৰে পৰম নিৰ্বাণ লাভ কৰিলে।

শব্দ-টোকা

উঁচা উঁচা পাবত—ওখ ওখ পৰ্বত; দেহৰূপ সুমেৰু পৰ্বত, তাৰে শিখৰত অৰ্থাৎ মূৰত অৱস্থিত মহাসুখচক্ৰ (তান্ত্ৰিকমতে সহস্ৰাৰ পদ্ম)। বসই সবৰী বালী—শবৰী বালিকাই বাস কৰে অৰ্থাৎ বজ্ৰধৰ শবৰৰ গৃহিণী জ্ঞানৰূপা নৈৰাত্মাদেৱী বাস কৰে। মোৰঙ্গি পীচ্ছ পৰহিণ—ময়ূৰৰ দীঘল পাখিযুক্ত পিছভাগ বা ফিচা পৰিহিত, অৰ্থাৎ ভাৱ-বিকল্পৰূপ ময়ূৰৰ নানা ৰং-চঙীয়া ফিচাৰে নিজৰ স্বৰূপ অলঙ্কৃত কৰি ৰাখিছে। গীৱত—গ্ৰীৱাত, ডিঙিত। গীৱত গুঞ্জৰী মালী—ডিঙিত তথা সম্ভোগচক্ৰত গুহ্যমন্ত্ৰৰূপ গুঞ্জাৰ মালা পিন্ধি; 'গ্ৰীৱায়াং সম্ভোগচক্ৰে গুহ্যমন্ত্ৰমাবিকেপি বিধৃতা'—টীকা। উমত সবৰো—উন্মত্ত শবৰ; বিষয়-বাসনাৰ হেতু বিহ্বল হোৱা শবৰ। মা কৰ গুলী—বৈষয়িক আনন্দত মত্ত হৈ ভুল নকৰিবা: 'আনন্দাদিবিকল্পং মা কৰু'—টীকা। গুহাড়া—গোহাৰি, নিবেদন, বিনয় কৰি জনোৱা কথা, অনুৰোধ। গুহাড়া তোহৌৰী—তোমাক বিনয় কৰি কৈছো। নিঅ ঘৰিণী—নিজৰ গৃহিণী। নামে সহজ সুন্দাৰী—সহজ-সুন্দৰী নামেৰে। মৌলিল—মুকুলিত হ'ল। গঅণত লাগেলি ডালী—(তৰুবৰৰ) ডাল-পাতে আকাশ চুইছে; অৰ্থাৎ পঞ্চস্কন্ধাত্মক বিষয়-বাসনাই মন আগুৰি ধৰিছে। একেলী সবৰী—অকলশৰীয়া শবৰী অৰ্থাৎ নৈৰাত্মাদেৱী। এ বণ হিণ্ডই—এই বনত ঘূৰি ফুৰে; 'বন' শব্দই কায়-পৰ্বত-বন অৰ্থাৎ জীৱ-জগতক বুজাইছে। হিণ্ডই—হিণ্ডতি, ঘূৰি ফুৰে। কর্ণ কুণ্ডল বজ্ৰধাৰী—কাণত কুণ্ডল, কণ্ঠত বজ্ৰ ধাৰণকাৰিণী (শবৰী)। কুণ্ডল শব্দই পঞ্চমুদ্ৰা আদি বিবিধ ভঙ্গী বা বিষয়ক বুজাইছে। বজ্ৰ শব্দই উপায় আৰু জ্ঞান বুজাইছে। তিঅ ধাউ খাট পড়িলা—কায়-বাক্-চিত্তৰূপ তিনি বিধ ধাতুৰ খাট পাৰিলে (বা সাজিলে)। সবৰো মহাসুহে সেজি ছাইলী—শবৰে পৰম আনন্দেৰে শয্যা ঠিক-ঠাক কৰিলে। তিঅ—তিনি। ধাউ—ধাতু। সেজি—শয্যা, বিছনা। ছাইলী—ছাওৱা বা ছিওৱা হ'ল (<ছাদিত-), সাজি তোলা হ'ল

ৰা তৈয়াৰ কৰিছে। সৱৰো ভুজঙ্গ—শবৰৰ চিত্তক ভুজঙ্গ বোলা হৈছে। সাপে যিদৰে দৃঢ়ভাৱে মেৰাই ধৰে শৱৰৰ চিত্তয়ো নৈৰাত্মা-দেৱীক আকোৱালি লৈছে। ণইৰামণি দাৰী—ক্লেশ-নাশকাৰিণী নৈৰাত্মাদেৱী। পেন্ধ—প্ৰেম, প্ৰেমেৰে, পৰম তৃপ্তিৰে। ৰাতি পোহাইলী—ৰাতি পুৱালে। হিঅ তাঁবোলা—হিয়াৰূপ তামোল। মহাসুহে কাপুৰ খাই[১৫]—কৰ্পূৰৰূপ শূন্যতাক গ্ৰহণ কৰি, অৰ্থাৎ চিত্তক অচিত্তত লীন কৰি। সুন নিৰামণি—সৰ্বশূন্য নৈৰাত্মাদেৱী। কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই—কণ্ঠত অৰ্থাৎ সম্ভোগচক্ৰত নৈৰাত্মাৰ সৈতে মহাসুখেৰে ৰাতি পুৱায়। ৰাতি বুলিলে আন্ধাৰ নিশাক বুজায়; ইয়াত আন্ধাৰক ক্লেশ আদিৰ লগত তুলনা কৰা হৈছে। 'ৰাতি পোহাই' শব্দৰ দ্বাৰা ক্লেশ গুচাই পোহৰ লাভ কৰা অৰ্থ বুজাইছে। গুৰুবাক্ পুঞ্চআ—গুৰুৰ উপদেশ ৰূপ ধনু। বিন্ধ নিঅ মণে বাণেঁ—নিজৰ মনৰূপ বাণ (শৰ) ধনুত সংযোজিত কৰি। একে সৰসন্ধাণেঁ বিন্ধহ ইত্যাদি—একেপাট শৰেৰে শৱৰে চিকাৰতুল্য নিৰ্বাণক বিন্ধি পেলালে; অৰ্থাৎ অবিদ্যাৰূপ বাসনা-দোষ নাশ কৰি শৱৰে নিৰ্বাণ লাভ কৰিলে। উমত সৱৰো গৰুআ ৰোষে—সহজানন্দ পান কৰি শৱৰৰ চিত্ত উন্মত্ত হৈ উঠে; জ্ঞানা-নন্দৰ আবেগত তেওঁ অধীৰ হৈ পৰে। গিৰিবৰ-সিহৰ সন্ধি পইসন্তে—পৰ্বতৰ শৃঙ্গৰ মাজত প্ৰৱেশ কৰিলে; তত্ত্বমতে, মহা-সুখচক্ৰৰ পিনে গতি কৰিলে। সিহৰ—শিখৰ, শৃঙ্গ। পইসন্তে—(প্ৰৱেশ কৰোঁতে), প্ৰৱেশ কৰিলে, অৰ্থাৎ লীন গল। লোড়িব কইসেঁ—কেনেকৈ বিচাৰি পোৱা যাব?—'তএ নিমগ্নে সতি ময়া সিদ্ধাচাৰ্য্যেণ কথং অন্বেষয়িতব্যঃ'—টীকা।

১৫। অসমীয়া সমাজত তামোলৰ লগত কৰ্পূৰ খোৱা ৰুচি বা ৰীতি অতি পুৰণি কালৰ পৰাই আছিল। মাধৱদেৱে 'অৰ্জুন ভঞ্জন নাটত লিখিছে—'(যশোদাই) কৰ্পূৰ তাম্বুল ভুঞ্জিয়ে জৈছন দধি মথিতে লাগল তাহে দেখহ সুনহ।'

২৯

ৰাগ—পটমঞ্জৰী ঃ লুইপাদানাম্

ভাব নহোই অভাব ণজাই।
আইস[১] সংবোহেঁ কো পতিআই ॥
লুই ভণই বট[২] দুলৰ্কখ বিণাণা।
তিঅ ধাএ বিলসই উহ ণা ঠাণা[৩] ॥
জাহেৰ বান চিহ্ন ৰূব ণজাণী।
সো কইসে আগম বেএঁ বখাণী ॥
কাহেৰে কিষ ভণি মই দিবি পিৰিচ্ছা।
উদক-চান্দ জিম সাচ ন মিচ্ছা[৪] ॥
লুই ভণই [মই][৫] ভাইব কীষ।
জা লই অচ্ছম তাহেৰ উহ ণ দিস ॥

পাঠান্তৰ

১। আইস, শাস্ত্ৰী, সেন ; অইস, বসু, শহীদুল্লাহ। ২। বঢ, বাগচী, শহীদুল্লাহ। ৩। উহ লাগে ণা, শাস্ত্ৰী ; উহ ন জানা, বসু ; উহ ন ঠাণা, সেন ; উহ ণা ঠাণা, নীসেন। ৪। মিচ্ছা, শাস্ত্ৰী, সেন, বাগচী, শহীদুল্লাহ। মিছা, নীসেন, লিপি অস্পষ্ট। ৫। টীকাত 'ময়া' শব্দটো আছে, ছন্দ অনুসাৰেও 'মই' শব্দটো আৱশ্যক ; শাস্ত্ৰী, বাগচী, শহীদুল্লাহ, সেন, বসুৱে 'মই' শব্দটো ৰাখিছে।

গূঢ়াৰ্থ

লুইপাদে এই চৰ্য্যাটিত অনুভূতি আৰু বিজ্ঞানৰ পাৰ্থক্য সম্বন্ধে এটি সুন্দৰ বৰ্ণনা দিছে।

বৌদ্ধধৰ্মমতে জগতৰ কোনো অস্তিত্ব নাই, কাৰণ, ই অনিত্য জীৱ আৰু জগত প্ৰতিভাস মাত্ৰ, এইবোৰ কল্পলোকৰ অস্থায়ী ৰচনা, কিছুমান 'ধৰ্ম' আৰু 'সংস্কাৰ'ৰ[১৬] প্ৰৱাহ বা স্ফূৰ্তি।

১৬। ধৰ্ম আৰু সংস্কাৰ শব্দ দুটি ইয়াত বিশেষ অৰ্থত গ্ৰহণ কৰা হৈছে। মানুহৰ পাঁচ ইন্দ্ৰিয়ৰ লৈতে বহিৰ্জ্জগতৰ যি অহৰহ সংযোগ, সেই সংযোগৰ প্ৰভাৱতেই বহিৰ্জ্জগত সম্বন্ধে আমাৰ জ্ঞান জন্মে ; অথচ সংযোগ বাদ দিলে বহিৰ্জ্জগতৰ কোনো অস্তিত্বই নাথাকে। সংযোগ অনিত্য আৰু প্ৰতিমুহূৰ্ত্ততে পৰিবৰ্ত্তনশীল। প্ৰতিমুহূৰ্ত্তত ইন্দ্ৰিয়ৰ এই গ্ৰহণ কৰা কাৰ্য্যকে ধৰ্ম বোলা হৈছে। এই ধৰ্ম অনিত্য আৰু বিনাশশীল। প্ৰথম মুহূৰ্ত্তত যি ধৰ্মৰ সৃষ্টি হৈছে, পিছ মুহূৰ্ত্তত তাৰ বিনাশ ঘটি নতুন ধৰ্মৰ উৎপত্তি হৈছে। এইদৰে নানা মুহূৰ্ত্তত ধৰ্মৰ সমীকৰণ ঘটি যি কল্পলোকৰ সৃষ্টি হৈছে সেয়ে হ'ল সংস্কাৰ। গতিকে এই নিৰত পৰিবৰ্ত্তনশীল ধৰ্ম আৰু সংস্কাৰৰ প্ৰৱাহতেই বহিৰ্জ্জগতৰ অস্তিত্ব বিদ্যমান। —বৌদ্ধধৰ্ম ও সাহিত্য।

নদীৰ সোঁত বিচ্ছিন্ন হলে যেনেকৈ নদীৰ অস্তিত্ব নাথাকে, সেই-দৰে ধৰ্ম আৰু সংস্কাৰৰ প্ৰৱাহ বা সংযোগ ছিডি গলেও জীৱ আৰু জগতৰ অস্তিত্ব নাথাকে।

অনিত্য আৰু বিনাশশীল জীৱ-জগত সম্বন্ধীয় ভাৱনাৰ কোনো স্থায়িত্ব নাই, ই অসাৰ। তত্ত্ব-বিশ্লেষণত সকলো ভাৱেই বিকল্পাত্মক, ইয়াৰ সম্যক উপলব্ধি নহয়। আনহাতে সেই সম্বন্ধে নাভাবিলেও একো ক্ষতি নহয়, অথচ নভবাকৈও থাকিব নোৱাৰি, ভাৱ আহেই। কিন্তু ভাৱৰেই যদি অস্তিত্ব নাই তেন্তে নভবাকৈ থকাৰ পৰাও একো লোকচান নহয়। অৱশ্যে এনেকুৱা যুক্তিৰ দ্বাৰা সহজানন্দ সম্বন্ধে প্ৰত্যক্ষ আৰু গভীৰ অনুভূতি নজন্মে। কাৰণ সহজানন্দ হৈছে ইন্দ্ৰিয়াতীত; সি দুৰ্লক্ষ্য বিজ্ঞান। কায়-বাক্-চিত্ত—এই তিনি ধাতুৰ সহায়ত সহজানন্দৰ স্বৰূপ ব্যাখ্যা কৰি উলিয়াব নোৱাৰি। অনুভূতিৰ বস্তুক যুক্তি-তৰ্কই ঢুকি নাপায়। ইন্দ্ৰিয়ৰ সহায়ত তাক যুক্তিৰে বাহিৰ কৰিব খোজাটো মূৰ্খামি মাত্ৰ।

যি তত্ত্বৰ বৰ্ণ-চিহ্ন-ৰূপ আদি একোৱে জনা নাযায় তাক বেদ-আগম আদি শাস্ত্ৰই কেনেকৈ ব্যাখ্যা কৰিব? ই ভাষাৰ মাধ্যমত ব্যাখ্যা কৰি বুজাব পৰা তত্ত্ব নহয়; গতিকে কাক কি কৈ এই প্ৰশ্নৰ সমাধান দিম? পানীত প্ৰতিবিম্বিত হোৱা চন্দ্ৰটো যেনেকৈ সঁচাও নহয়, মিছাও নহয়, যোগীৰ মনত প্ৰতিভাত হোৱা সহজানন্দৰ তত্ত্বও তেনেকুৱা। যি যোগীয়ে চিত্তক অচিত্তত লীন নিয়াব পাৰে, তেওঁহে ইয়াৰ স্বৰূপত্ব বুজে। সিদ্ধাচাৰ্য্য লুইপাদো তেনেকুৱা এজন উত্তম যোগী; গতিকে তেওঁৰ কি ভাবিবলগীয়া আছে? সহজানন্দত বুৰ গৈ থাকি তেওঁ তাৰ উৱাদিহ নোপোৱা হৈছে।

শব্দ-টোকা

ভাৱ নহোই—ভাৱ নজন্মে। তত্ত্বমতে, ভাৱৰ অস্তিত্ব নাই; কাৰণ, জীৱ আৰু জগতৰেই অস্তিত্ব নাই, গতিকে সেই বিষয়ে কৰা ভাৱনাৰো অস্তিত্ব নাই। ভাৱ শব্দটো ভৱ হিচাবে ধৰিলেও সেই

একে অৰ্থ হ'ব। অভাৱ ণজাই—ভাৱবেই যিহেতু অস্তিত্ব নাই, গতিকে তাক মনলৈ অনা বা ননাও একে কথা, 'অভাৱোহপি ন ভৱতি অসদ্ৰূপত্বাৎ'—টীকা। আইস সংবোহেঁ—এনেকুৱা সংবোধৰ দ্বাৰা। আইস—এনেকুৱা (<ঈদৃশ)। কো পতিআই কোনে পতিয়ায়, কোন প্ৰত্যয় যায়। বট—বৰ (<বঢ়)। ডঃ সেনে 'বট' শব্দৰ অৰ্থ কৰিছে 'মূৰ্খ'; অধ্যাপক বসুৱে অৰ্থ কৰিছে—'প্ৰকৃতপক্ষে' (<বটে)। কিন্তু দুয়োটা অৰ্থই অস্বাভাৱিক আৰু জোৰপূৰ্বক। আতহাতে বেছি বুজোৱা 'বৰ' অৰ্থ-টোহে ইয়াত প্ৰযোজ্য আৰু সঙ্গতিপূৰ্ণ। দুলক্‌খ<দুৰ্লক্ষ্য—লক্ষ্যৰ অতীত, দেখা নাযায়, বুজা নাযায়। তত্ত্বমতে, সহজানন্দ উপলব্ধি কৰা সহজসাধ্য নহয়। বিণাণা—বিজ্ঞান, তত্ত্ব-কথা। ধাএ—ধাতু। বিলসই—বিলাস কৰে, খেলা কৰে। উহ ণা ঠাণা—সেই তত্ত্ব জনা নাযায়; অৰ্থাৎ কায়-বাক্-চিত্তৰ দ্বাৰা সহজীয়া তত্ত্ব বুজিব নোৱাৰি, কাৰণ সি ইন্দ্ৰিয়ৰ অতীত। জাহেৰ—যাৰ। বৰগীত আৰু অঙ্কীয়া নাটত 'জাহেৰ' শব্দ বহুবাৰ ব্যৱহৃত হৈছে। বান চিহ্ন ৰূৱ—বৰ্ণ-চিহ্ন-ৰূপ আদি, অৰ্থাৎ যাৰ কোনো লক্ষণেই জনা নাযায়। ণজাণী—নাজানি, জনা নাযায়। সো কইসে—সেইটোৱে কেনেকৈ, সি কেনেকৈ। আগম বেএঁ বখাণী—বিনয়, আগম, বেদ আদি শাস্ত্ৰই কেনেকৈ ব্যাখ্যা কৰিব? অৰ্থাৎ সহজানন্দ তত্ত্বৰ ব্যাখ্যা কোনো শাস্ত্ৰই কৰিব নোৱাৰে (কাৰণ, সি গভীৰ অনুভূতিৰ বস্তু; শাস্ত্ৰৰ বিশ্লেষণে তাক ঢুকি নাপায়)। কাহেৰে—কাক। শঙ্কৰদেৱে 'কাহেৰি' শব্দ প্ৰয়োগ কৰিছে; যেনে কৰবু কাহেৰি সাৰ (বৰগীত)। কিষ—কিদৰে, কিয়, কি কাৰণে, কি। ভণি কৈ। কাহেৰে কিষ ভণি মই দিবি পিৰিচ্ছা—কাক কি বুলি কৈ মই সন্ধান (সমাধান, সমিধান) দিম? দিবি-দিম। পিৰিচ্ছা-অৰ্দ্ধতৎসম শব্দ; সং পৃচ্ছা> পিৰিচ্ছা; অৰ্থ-সন্ধান, উত্তৰ, সমাধান, সমিধান। উদক-চান্দ ইত্যাদি-পানীত প্ৰতিফলিত হোৱা চন্দ্ৰটো যেনেকৈ সঁচাও নহয় মিছাও নহয়, সেই নিচিনাকৈ যোগীৰ মনত সহজীয়া তত্ত্ব সম্পৰ্কে

ভাৱৰাশি উদয় হয়, কিন্তু ইয়াক ভাষাৰে বুজাব নোৱাৰি, তাক কেৱল অনুভৱহে কৰিব পাৰি। উদক—পানী। চান্দ - চন্দ্ৰ। জিম—যিদৰে, যেনেকৈ। সাচ সং সত্য>সচ্চ>সাচ (সঁচা)। মিচ্ছা - সং মিথ্যা > মিচ্ছা > মিছা। মই ভাইব কীষ—মই কি কাৰণে ভাবিম, মই কি ভাবিম? অৰ্থাৎ মোৰ (লুইপাদৰ) ভাবিব লগীয়া একো নাই, মই সহজানন্দত ডুবি আছো। জা লই অচ্ছম ইত্যাদি—যাক লৈ মই আছো সেই তত্ত্বৰ উদ্দিশ পোৱা নাযায়; অৰ্থাৎ ইন্দ্ৰিয়াতীত অৱস্থাত উপনীত হৈ সহজানন্দত বুৰ গৈ থাকিলে কোনো প্ৰকাৰৰ জাগতিক ভাৱ নাথাকে। সিদ্ধাচাৰ্য্য লুইপাদৰ অৱস্থাও তেনেকুৱা হৈছে। তাহেৰ—তাৰ। মাধৱদেৱে 'তাহেৰ' শব্দটি হুবহু ব্যৱহাৰ কৰিছে; যেনে—তাহেৰ নিমিত্তে কৃষ্ণক অঁতয়ে সাতি কয়লী।—অৰ্জ্জুন ভঞ্জন নাট।

৩০

ৰাগ—মল্লাৰী : ভুসুকুপাদানাম্

কৰুণ মেহ নিৰন্তৰ ফৰিআ।
ভাৱাভাৱ দ্বন্দল দলিআ॥
উইত্তা গঅণ মাঝেঁ অদভুআ।
পেখৰে ভুসুকু সহজ সৰুআ॥
জাসু সুণন্তে[১] তুট্টই ইন্দিআল।
নিহুৰে[২] নিঅমন ণ দে উলাস[৩]॥
বিসঅ বিশুদ্ধিঁ মই বুঝিঅ আনন্দে।
গঅণহ জিম উজোলি চান্দে॥
এ তৈলোএ[৪] এত বিষাৰা[৫]।
জোই ভুসুকু ফেড়ই[৬] অন্ধকাৰা॥

পাঠান্তৰ

১। সুণন্তে, বাগচী; সুনন্তে, শাস্ত্ৰী, বসু; মুণন্তে, সেন, নীসেন। ২। নিহুৰে, শাস্ত্ৰী, সেন, বসু: নিহুএ, বাগচী, শহীদুল্লাহ। ৩। উলাস, শাস্ত্ৰী, সেন, নীসেন; উলাল, বাগচী, শহীদুল্লাহ। ৪। তৈলোএ, শাস্ত্ৰী, বসু, সেন; তিলোএ, বাগচী। ৫। এত বিষাৰা, শাস্ত্ৰী; এত বি সাৰা, বাগচী; এতবি ষাৰা, সেন। ৬। ফেড়ই, বাগচী, বসু: ফেড্ডই, সেন; হেত্তই, শাস্ত্ৰী; ফেটই, শহীদুল্লাহ; হেত্ ভই, নীসেন, লিপি অস্পষ্ট।

গূঢ়াৰ্থ

করুণারূপ মেঘ আকাশত অবিৰতভাৱে ভাহি ফুৰিছে। ভাৱাভাৱ বা গ্ৰাহ্য-গ্ৰাহক আদি বিকল্পাত্মক ভাৱ দলিয়াই পেলাই আকাশত অদ্ভুত ৰকমে এটা জ্যোতি (চন্দ্ৰ) প্ৰতিভাত হৈছে। অৰ্থাৎ যোগীৰ চিত্তই যেতিয়া গ্ৰাহ্য-গ্ৰাহকভাৱ ত্যাগ কৰি অচিন্ততাত লীন যায়, তেতিয়া তেওঁৰ হৃদয় সহজ-শূন্যতাৰে পৰিপূৰ্ণ হৈ উঠে। সেই সময়ত সহজানন্দ আৰু যোগীৰ চিত্তৰ মাজত পাৰ্থক্য নাইকিয়া হয়; চিত্তই সহজানন্দ স্বৰূপ হৈ পৰে ভূসুকুপাদে সেই অৱস্থাত উপনীত হৈ যেন শিষ্য-সাধকক কৈছে—'চোৱা, ভুসুকু কিদৰে সহজ-স্বৰূপ হৈছে।' অৰ্থাৎ সহজীয়া তত্ত্ব সাগৰত বুৰ গৈ পৰম আনন্দত উৎফুল্লিত হৈ পৰিছে। এই কথাত সহজীয়াপন্থী যোগীৰ প্ৰতি প্ৰেৰণাদায়ক ইঙ্গিত এটি আছে, অৰ্থাৎ যোগীয়ে সাধনাত সিদ্ধি-লাভ কৰিব পাৰিলে ভুসুকুপাদৰ দৰেই মহাসুখ পাব, তেওঁক সাংসাৰিক দুখ কষ্টই পীড়া কৰিব নোৱাৰিব। কাৰণ সহজানন্দৰ অনুভূতি জন্মিলে অবিদ্যাজাত ভাৱ-বিকল্পাত্মক ইন্দ্ৰিয়-জাল দূৰ হব, আৰু তেতিয়া নিৰ্বিকল্প ভাৱত নিজৰ মন মহানন্দত উল্লসিত হৈ থাকিব। বিষয়-বিশুদ্ধি হেতু সকলো প্ৰকাৰ দুখৰ কাৰণ এই জগতখনৰ প্ৰতি থকা মোহ আঁতৰি যায়। জাগতিক মোহ গুচিলেই দুখৰ নিবৃত্তি হয়। মেঘাচ্ছন্ন আকাশত চন্দ্ৰ উদয় হৈ যেনেকৈ অন্ধকাৰ আকাশখন পোহৰ কৰি তোলে, তেনেকৈ দুখ-বেদনাৰে ভৰা মানুহৰ মনতো সাধনা সিদ্ধিৰ অন্তত সহজানন্দই জেউতি বিৰাজ কৰে। ভুসুকুপাদে বিষয়-মুক্ত হৈ এই আনন্দ-তত্ত্ব বুজি পাইছে। তেও কৈছে যে তিনিও লোকতে এই বিমল আনন্দ বিয়পি আছে। যোগীন্দ্ৰ ভুসুকুপাদে পাৰ্থিৱ মোহৰূপ অন্ধকাৰ আঁতৰাব পাৰিছে, গতিকে তেওঁ পৰমানন্দ ভোগ কৰিবলৈ সক্ষম হৈছে।

শব্দ-টোকা

মেহ—মেঘ। করুণ মেহ—ইয়াত করুণাক মেঘৰ লগত তুলনা কৰা হৈছে। নিৰন্তৰ—একে লেঠাৰিয়ে, সদায়, অবিৰতভাৱে;

ফৰিআ—(<স্ফুৰিআ), পূৰ্ণ বিকশিত হৈ। ভাৱাভাৱ—গ্ৰাহ্য-গ্ৰাহক আদি বিকল্পাত্মক ভাৱ। দুন্দল দুটাৰ মাজৰ সমস্যা। দলিআ—দলিয়াই, আঁতৰাই, স্বভাৱশূন্য কৰি। উইত্তা—(<উ'দিতঃ), উঠে। অদভুআ—(অদভুঅ = অদভুত + আ, বিশিষ্ট অৰ্থত) আচৰিত। পেখৰে –(পেখ + ৰে) চোৱা। অন্তীয়া নাট আৰু ব্ৰজবুলিত পেখ, পেখৰ, পেখু, পেখো শব্দ প্ৰচুৰ পৰিমাণে ব্যৱহৃত হৈছে। সহজ সৰুআ সহজানন্দ স্বৰূপ। জাসু সুণন্তে – যাৰ তত্ত্ব শুনোতে, যাৰ তত্ত্ব শুনি, যি সহজানন্দৰ তত্ত্ব শুনি। তুট্টই (ত্ৰুট্যতি), তুটই, টুটে, কমে, নাশ হয়। ইন্দিআল ইন্দ্ৰিয় জাল মায়াৰ বান্ধোন। নিহুৰে নিভৃতে, নিৰ্বিকল্পভাৱে। নিঅমন—নিজ মন। দে উলাস – সহজানন্দৰ প্ৰতি মনত উল্লাস দিয়ে। ণ দে উলাস – সহজানন্দৰ প্ৰতি মনত নতুন উল্লাস দিয়ে। ইয়াত ণ-আখৰটো নিষেধাৰ্থক অৰ্থত বহা নাই; ই এটা স্বকীয় শব্দৰূপে বহিছে আৰু ইয়াৰ অৰ্থ হৈছে—'নতুন' বা 'নতুনকৈ'। পুথিৰ লিপিত আছে – 'নিহুৰে নিঅমন ণ দে উলাস।' শাস্ত্ৰী আৰু সেনে মূল পাঠকেই ৰাখিছে; কিন্তু ড° নীলৰতন সেন আৰু বহুতেই ণ-একাক্ষৰিক শব্দটো বাদ দিছে। তেওঁলোকে সম্ভৱ সংস্কৃত টীকা অনুসৰণ কৰি ণ-টোৰ আৱশ্যক নাই বুলি ভাবিছে; কাৰণ টীকাত আছে – 'নিভৃতেন নিৰ্বিকল্পাকাৰেণ নিজমনঃ বোধিচিত্তং বজ্ৰগুৰোঃ প্ৰসাদাৎ সহজোল্লাসং দদাতীতি।' পিছে, আমাৰ বোধেৰে ণ একাক্ষৰিক শব্দটো 'দে' ক্ৰিয়াপদটিৰ বিশেষণৰূপে বহিছে, আৰু ইয়াৰ প্ৰয়োজনীয়তাও আছে। বিসঅ বিশুদ্ধিঁ—বিষয়সমূহৰ বিশুদ্ধিহেতু: অৰ্থাৎ বিষয়-বাসনাৰ অনিত্যতা সম্বন্ধীয় জ্ঞান জন্মা হেতু। মই বুঝিঅ আনন্দে—বিষয়-আসক্তিৰ পৰা মুক্ত হোৱাত আৰু লগতে জাগতিক দুখৰ সমাপ্তি ঘটাত মই পৰম আনন্দ লাভ কৰিছোঁ। গঅণহ জিম উজোলি চান্দে মেঘাচ্ছন্ন আকাশত চন্দ্ৰ ওলালে যিদৰে আকাশ আৰু পৃথিৱী উজ্জ্বল হৈ উঠে তেনেকৈ মোহান্ধকাৰ ছিয়াতো সহজানন্দ অনুভূত হলে হৃদয়-দেহ উজ্জ্বল হৈ উঠে। এ তৈলোএ –

এই ত্ৰৈলোক্যত। এত বিন্নাৰা—ইমানখিনি বিস্তাৰিত হৈ পৰে। হেড্‌ডই—এই শব্দটো লিপিত হেন্তুই' বুলিও পঢ়া যায়। শাস্ত্ৰীয়ে পোনতে এই বানানকে ৰাখিছিল। টীকাৰ শব্দ আৰু অৰ্থ অনুসৰণ কৰি কোনোৱে ফেটই, আন কোনোৱে ফেড্‌ডই আৰু দুই-একে ফেড়ই বুলি লিখিছে। মুঠতে শব্দটোৰ অৰ্থ হ'ল—দূৰ কৰা, আঁতৰ কৰা। অন্ধকাৰা—অন্ধকাৰ, জাগতিক মোহ, বিষয়-বাসনা।

৩১

ৰাগ—পটমঞ্জৰী ঃ আৰ্য্যদেৱপাদানাম্

জহি মণ ইন্দিঅ পবণ[১] হো ণঠা।
ণ জানমি অপা কঁহি গই পইঠা॥
অকট করুণা-ডমরুলি বাজঅ।
আজদেৱ নিৰালে[২] ৰাজই[৩]॥
চান্দৰে চান্দকান্তি জিম পতিভাসঅ।
চিঅ বিকৰণে তহি টলি পইসই[৪]॥
ছাড়িঅ ভয় ঘিণ লোআচাৰ।
চাহন্তে চাহন্তে সুণ বিআৰ॥
আজদেৱেঁ সঅল বিহৰিউ।
ভয় ঘিণ দুৰ-নিবাৰিউ॥

পাঠান্তৰ

১। টীকা অনুসাৰে হব লাগে ইন্দ্ৰিঅ-পবন; কিন্তু লিপিত আছে 'ইন্দি-অবণ'। ২। নিৰালে, লিপি; ণিৰাসে, শাস্ত্ৰী, বসু, মুখোপাধ্যায়; ণিৰালে, সেন। ৩। ৰাজই শাস্ত্ৰী, সেন, বসু; ৰাজঅ, বাগচী। ৪। পইসই, লিপি, শাস্ত্ৰী, সেন, নীসেন; পইসঅ, বাগচী।

গূঢ়াৰ্থ

যেতিয়া মন-ইন্দ্ৰিয়-পবন নষ্ট হয়, তেতিয়া আত্মাই ক'ত গৈ প্ৰৱেশ কৰে জনা নাযায়। আচৰিত ধৰণৰ করুণারূপ ডম্বরুটি বিনা আঘাতত বাজি উঠে। সিদ্ধাচাৰ্য্য আৰ্য্যদেৱে নিৰালম্বভাৱে যথাস্থানত বিৰাজ কৰিছে। জোনৰ পোহৰে যেনেকৈ প্ৰতিবিম্ব

পেলাই আন্ধাৰ দূৰ কৰে তেনেকৈ ইন্দ্ৰিয়জনিত চাঞ্চল্যহীন চিত্তয়ো সহজানন্দৰ প্ৰভাৱত জেউতি বিকিৰণ কৰি পাৰ্থিৱ মোহ গুচায়। আৰ্য্যদেৱে কৈছে যে ভয়, ঘৃণা, লোকাচাৰ ত্যাগ কৰিব লাগে, তন্ন-তন্নকৈ শূন্যতত্ব বিচাৰি লব লাগে। আৰ্য্যদেৱে সকলো জাগতিক দুখ-ক্লেশ নাশ কৰিছে; ভয়-সংকোচ ঘৃণা-যুগুপ্সা আদিও দূৰ কৰিছে, এইবোৰৰ সলনি এক নিৰ্বিকল্প শান্ত-সমাহিত অৱস্থাত তেওঁ উপনীত হৈছে।

যোগৰ দ্বাৰা সাধকে চিত্তৰ জাগতিক প্ৰবৃত্তি নাশ কৰে আৰু চিত্তক অচিত্ততাত লীন নিয়ায়। তেতিয়া তেওঁৰ মন-ইন্দ্ৰিয় আদিও নষ্ট হয়। গতিকে সেই সময়ত আত্মা ক'ত সোমায় তাক কব নোৱাৰি। এনে নিৰাময় অৱস্থাত কৰুণাৰূপ ডম্বৰু আপোনা-আপুনি বাজি উঠে। কৃষ্ণাচাৰ্য্যৰ ১১নং চৰ্য্যাৰ অনাহত ডম্বৰুৰ লগত ই তুলনীয়। যোগীয়ে সাধনাৰ বলত শূন্যময় স্থানত উপনীত হৈ অৱধূতিকা নাড়ীৰ সহায়ত গোটেই দেহ-নগৰীতে বিৰাজ কৰে; তেতিয়া যোগীৰ মনত বিবিধ ধৰ্মৰ বোধ আৰু গ্ৰাহ্য-গ্ৰাহকভাৱ একো নাথাকে। চন্দ্ৰৰ কিৰণে সমগ্ৰ পৃথিৱী পোহৰ কৰাৰ দৰে সহজানন্দত নিমগ্ন চিত্তয়ো দেহ-মন উজ্জ্বল কৰে। পোহৰে আন্ধাৰ দূৰ কৰাৰ দৰে সহজানন্দয়ো জাগতিক মোহান্ধকাৰ নাশ কৰে। পূৰ্বৰ ভয়, ঘৃণা আদি ভাৱ লোপ পায়, কেৱল শূন্যতাত যোগীৰ চিত্ত নিমজ্জিত হয়; কাজেই সাংসাৰিক দুখ-যন্ত্ৰণাই তেওঁক চুব নোৱাৰে। সিদ্ধাচাৰ্য্য আৰ্য্যদেৱ তেনে এক নিৰালম্ব অৱস্থাত উপনীত হৈছে।

শব্দ-টীকা

জহি—য'ত (যি তত্বলোকত)। ইন্দিঅ—ইন্দ্ৰিয়। হো ণঠা—নষ্ট হৈছে। ণ জানমি—নাজানো (জনা নাযায়)। অপা—আত্মা। কঁহি—ক'ত। অকট—আচৰিত। করুণা-ডমরুলি—করুণারূপ ডম্বৰু, অনাহত ডম্বৰু। আজদেৱ—সিদ্ধাচাৰ্য্য আৰ্য্যদেৱ। নিৰালে—নিৰালম্বভাৱে, মুক্তচিত্তে। ৰাজই—বিৰাজ কৰে, শোভা কৰে। চান্দৰে—চন্দ্ৰৰ। চান্দকান্তি—চন্দ্ৰৰ জেউতি। পতিভাসঅ—প্ৰতিভা-

সত্তি, দীপ্তিমান হৈ উঠে। চান্দৰে চান্দকান্তি জিম পতিভাসঅ—চন্দ্ৰৰ কিৰণে যেনেকৈ ৰাতিৰ আন্ধাৰ দূৰ কৰে। চিঅ বিকৰণে তহি টলি পইসই—চিত্ত-চন্দ্ৰৰ কিৰণেও তেনেকৈ হৃদয়-দেহত প্ৰৱেশ কৰি জাগতিক মোহৰূপ অন্ধকাৰ দূৰ কৰে। বিকৰণে—কিৰণে, জেউতিয়ে। তহি—তাত, সেনেকৈ। টলি—(অসমাপিকা ক্ৰিয়া) ঢিলা কৰি, অস্থিৰ কৰি, দূৰ কৰি, খেচাই। পইসই—প্ৰৱেশ কৰে, ভেদ কৰে, সোমায়। ছাড়িঅ—ছাৰি, ত্যাগ কৰি, এৰি। লোআচাৰ—লোকাচাৰ। চাহন্তে চাহন্তে—চাই চাই, বিচাৰি বিচাৰি; অৰ্থাৎ গুৰুৱে দেখুওৱা পথত দৃষ্টি ৰাখি ৰাখি। সুণ বিআৰ—শূন্যতত্ত্ব বিচাৰ। আজদেৱেঁ সঅল বিহৰিউ—আৰ্য্যদেৱে সকলো সংসাৰ-দোষ নাশ কৰিছে। ভয় ঘিণ দুৰ নিবাৰিউ—ভয় ঘৃণা আদি দূৰ কৰিছে। নিবাৰিউ—নিবাৰণ কৰিছে, দূৰ কৰিছে, আঁতৰাইছে।

৩২

ৰাগ—দেশাখ ঃ সৰহপাদানাম্

নাদ ন বিন্দু ন ৰবি ন সসি মণ্ডল।
চিঅৰাঅ সহাৱে মুকল॥
উজু ৰে উজু[১] ছাড়ি মা লেহুৰে বঙ্ক।
নিঅড়্হি[২] বোহি মা জাহুৰে লাঙ্ক॥
হাথেৰে কাঙ্কাণ মা লোউ[৩] দাপণ।
অপণে অপা বুঝতু নিঅমণ॥
পাৰ উআৰেঁ সোই গজিই[৪]।
দুজ্জন সাঙ্গে অৱসৰি জাই॥
বাম দাহিণ জো খাল বিখলা।
সৰহ ভণই বপা উজু বাট[৫] ভাইলা[৬]॥

পাঠান্তৰ

১। উজ্জুৰে উজ্জ, পুথিৰ লিপি; উজু ৰে উজু, শাস্ত্ৰী, বাগচী, শহীদুল্লাহ, নীসেন; ডুজুৰে উজ্জ, সেন। ২। নিঅহি, শাস্ত্ৰী, সাংকৃত্যায়ন; নিঅড্হি, সেন, নীসেন, নিঅড়ি, শহীদুল্লাহ, বসু। ৩। লোউ, শাস্ত্ৰী, লেউ, বাগচী, বসু; লোড়, সেন; লেহ, সাংকৃত্যায়ন। ৪। গজিই, শাস্ত্ৰী, সেন; গাজই, সাংকৃত্যায়ন; মজিই, বাগচী। ৫। উজুবাট, শাস্ত্ৰী, সেন, দাশগুপ্ত; উজবাট, সাংকৃত্যায়ন। ৬। ভাইলা, শাস্ত্ৰী, সেন, সাংকৃত্যায়ন; ভইলা, বাগচী।

গূঢ়াৰ্থ

নাদ নাই, বিন্দু নাই, ৰবি-শশীমণ্ডলো নাই, আছে কেৱল সৰ্বমুক্ত চিত্তৰাজ ; অৰ্থাৎ গ্ৰাহ্য-গ্ৰাহক আদি বিকল্পভাৱ পৰিত্যাগ কৰা জ্ঞানী লোকৰ চিত্ত স্বাভাৱিকতে সকলো বন্ধনৰ পৰা মুক্ত। চিত্তৰ এই মুক্ত অৱস্থাই হ'ল সহজ-স্বৰূপ অৱস্থা। এনে অৱস্থাত উপনীত হবলৈ সাধকে বাহ্যিক উপকৰণ লোৱা বা দূৰলৈ যোৱা নিষ্প্ৰয়োজন। সাধনাৰ আচল সামগ্ৰী আৰু প্ৰকৃত শক্তি যোগীৰ দেহতেই আছে। সেই কাৰণে সিদ্ধাচাৰ্য্য সৰহপাদে কৈছে যে নিৰ্বাণ লাভৰ বাবে তেনেই উজু পথ এৰি বেঁকা পথেৰে যাব নালাগে ; কিয়নো বোধি ওচৰতেই আছে, তেনেস্থলত লঙ্কাৰ নিচিনা দূৰ দেশলৈ যোৱা নিৰৰ্থক ; অৰ্থাৎ আত্ম-তত্ত্ব হৃদয়ঙ্গম কৰিব জানিলে বোধিক নিজ দেহতেই পোৱা যায়। তাৰ কাৰণে নানাবিধ তপ-জপ, যাগ-যজ্ঞ, পূজা-পাৰ্বন আদি পালন কৰাৰ প্ৰয়োজন নাই। হাতত থকা কঙ্কণ চাবলৈ বেলেগকৈ দাপোণ লোৱা অনাৱশ্যক ; কাৰণ নিজ চকুৰে প্ৰত্যক্ষ ভাৱে আৰু সোনকালেই চাব পাৰি। সেইদৰে নিৰ্জ্জৰ আত্মাক বুজিবলৈ আনৰ পাণ্ডিত্য বা জ্ঞানে বিশেষ সহায় নকৰে। নিজৰ আত্মাক বুজিবলৈ চিত্ত-শুদ্ধিৰ দ্বাৰা উপযুক্ত জ্ঞান লাভ কৰা বাঞ্ছনীয়। যিজনে পৰমাৰ্থ তত্ত্ব বুজি জাগতিক মোহ বিসৰ্জ্জন দিব পাৰে তেৱেঁই ভৱ-সমুদ্ৰ পাৰ হৈ নিৰ্বাণ লাভ কৰিব পাৰে ; কিন্তু মায়া-মোহৰূপ দুৰ্জ্জনৰ সঙ্গত পৰিলে তেওঁ অধোগতি যায়। সৰহপাদে কৈছে যে 'মহাসুখৰ পুৰীলৈ গতি কৰোঁতে যোগী বৰ সাৱধান হব লাগে ; কাৰণ বাটৰ বাওঁ আৰু সোঁফালে কামনা-বাসনাৰূপ খাল-বিল অনেক আছে, সিবোৰত পৰি ধ্বংস হোৱাৰ সম্ভাৱনা অধিক। গতিকে হে সাধক বোপা, তুমি উজু পথেৰেহে লক্ষ্য স্থানলৈ আগ বাঢ়িবা।' অৰ্থাৎ সহজীয়া পন্থা লোভ-মোহ, বাধা-বিঘিনিৰে আবৃত। সেইবোৰ দূৰ কৰি আগুৱাবলৈ হলে ধৈৰ্য্য, ত্যাগ, সংযম আৰু সাধনাৰ একান্ত প্ৰয়োজন। মধ্যম পথহে আচল পথ : এই পথেৰেই যোগীসকল আগ বঢ়া উচিত।

শব্দ-টোকা

নাদ—শব্দ। বিন্দু—পাৰিভাষিক শব্দ। নাদ-বিন্দু—গ্ৰাহ্য-গ্ৰাহকাদি বিকল্পাত্মক ভাৱৰাশি ; অনৰ্থক মন্ত্ৰ-পাঠ আদি। চিঅৰাঅ—চিত্তৰাজ, পৰিশুদ্ধ চিত্ত। সহাৱে—স্বভাৱে, স্বভাৱতে। মুকল—মুকলি, মুক্ত। উজ্জু বা উজ্জ নাইবা উজু—সহজ-সৰল, চিধা। মা লেহুৰে—নলবা। বঙ্ক—বেঁকা, জটিল। নিঅড়্হি—ওচৰ। মা জাহুৰে—নাযাবা। লাঙ্ক—লঙ্কা, দূৰ ঠাই বুজোৱা অৰ্থত। হাথেৰে কাঙ্কাণ—হাতৰ কঙ্কণ (চুড়ি, খাৰু)। মা লোউ দাপণ—দাপোণ নলবা, আৰ্চী লোৱা নিষ্প্ৰয়োজন। অপা—আত্মা, স্বয়ং। বুঝতু—বুজা, বুজি লোৱা। অঙ্কীয়া নাটত শব্দটোৰ হুবহু প্ৰয়োগ হোৱা দেখা যায়। অসমীয়া ব্ৰজাৱলীত -ত, -তু প্ৰত্যয়যুক্ত ক্ৰিয়াপদ অনেক আছে। যেনে—বুঝত, দিৱত, পুছত, বোলত, আনত ; কৰতু, কহতু, ৰাখতু, সেৱতু ইত্যাদি। পাৰ উআৰেঁ—ইপাৰৰ পৰা সিপাৰলৈ। সোই—তেৱঁই। গজিই (অনুগম্যতে) গমন কৰে, যায়। দুজ্জন—দুৰ্জ্জন, দুষ্ট। সাঙ্গে—সঙ্গে সৈতে। অৱসৰি জাই—অধোগতি যায়, নাশ হয়। খাল বিখলা—খাল-বিল, মোহ-আৱৰ্জ্জনা। বপা—কামৰূপী কথিত শব্দ। উজু বাট—সহজীয়া মধ্যম পথ, ঋজু পথ। ভাইলা—সাংকেতিক অৰ্থত 'ভাল' আৰু ব্যাকৰণগত অৰ্থত 'হোৱা' বুজাইছে।

৩৩

ৰাগ—পটমঞ্জৰী : ঢেণ্ঢণপাদানাম্

টালত মোৰ ঘৰ নাহি পড়ৱেষী[১]।
হাড়ীত ভাত নাঁহি নিতি আৱেশী॥
বেগ সংসাৰ বড়্হিল জাঅ।
দুহিল দুধু কি বেণ্টে ষামাঅ[২]॥
বলদ বিআএল[৩] গৱিআ বাঝেঁ।
পিটা দুহিএ এ তিনা সাঁঝে॥
জো সো বুধী সোধ নিবুধী[৪]।
জো যো চৌৰ[৫] সোই ষাধী[৬]॥
নিতে নিতে ষিআলা ষিহে ষম জুঝঅ।
ঢেণ্ঢণপাএৰ গীত বিৰলেঁ[৭] বুঝঅ॥

পাঠান্তৰ

১। পড়বেৰী, শাস্ত্ৰী, সেন, নীসেন ; পড়বেশী, বাগ্‌চী। ২। ৰাআৰ, নীসেন ; ষাষায়, শাস্ত্ৰী, সেন ; সমাজ বাগচী ; সামাই, শহীদুল্লাহ্। ৩। খিআএল, শাস্ত্ৰী, সেন, নীসেন ; বিআঅল, বসু। ৪। সোধ নিবুধী, শাস্ত্ৰী, বাগচী ; সো ধনি বুধী, সেন। ৫। চৌৰ, শাস্ত্ৰী, সেন, নীসেন ; চোৰ, বাগচী, শহীদুল্লাহ্, বসু। ৬। দোই ষাধী, লিপিমতে ; সোই সাধী, শাস্ত্ৰী, বাগচী। সো ভুষাধী সেন, নীসেন। ৭। বিৰলেঁ, সেন, শহীদুল্লাহ্, নীসেন ; বিৰলে, বাগচী, বসু ; বিচৰিলে, শাস্ত্ৰী, পুথিৰ লিপিত 'বিচৰিলে' আছে।

গূঢ়াৰ্থ

এই চৰ্য্যাটিৰ সাধাৰণ অৰ্থ এনে ধৰণৰ : ওখ টিলাৰ ওপৰত মোৰ ঘৰ, তাত প্ৰবেশ কৰোঁতা নাই। চৰুত ভাত নাই, কিন্তু নিতৌ আলহী আহি থাকে। বেগৱতী সংসাৰথন বাঢ়ি গৈ আছে। খীৰোৱা গাখীৰ জানো পুনৰ বাঁটত সোমায় ? বলধ গৰুৱে পোৱালী দিয়ে, আনহাতে গাইজনী বাঁজী। গৰুৰ পিঠিখনকে দোহন কৰি তিনি সাজ বা তিনি সন্ধ্যা খায়। যিজন বুধিয়ক তেৱেঁই নিৰ্বোধ ; আকৌ যিজন চোৰ সিয়েই সাধু পুৰুষ। (এই ৰাজ্যত) দিনে দিনে শিয়ালে সিংহৰ লগত যুজ কৰে। ঢেণ্টণপাদৰ এই গীতৰ মৰ্ম্মাৰ্থ খুব কম লোকেহে বুজি পায়।

ঢেণ্টণপাদৰ ৰহস্যময় সহজীয়া গীতটিৰ অন্তৰালত গূঢ় তত্ত্ব নিহিত আছে। চৰ্য্যা-ৰচকে কৈছে যে কায়-বাক্-চিত্তৰ সকলো প্ৰকাৰৰ প্ৰকৃতি-দোষ মহাসুখ-চক্ৰত ধ্বংস হয় ; সেই মহাসুখ-চক্ৰই সিদ্ধাচাৰ্য্যৰ ঘৰ ; তাত চন্দ্ৰ-সূৰ্য্য ৰূপ প্ৰতিবেশী অৰ্থাৎ গ্ৰাহ্য-গ্ৰাহক ভাৱ তথা দ্বৈত জ্ঞানৰ অস্তিত্ব নাই ; কাৰণ সাধকে ইতিমধ্যেই সেই দ্বৈত ভাৱ নাশ কৰিছে।

হাড়ীৰূপ দেহত ভাতৰ তুল্য কামনা-বাসনা অৰ্থাৎ জাগতিক মোহজ্ঞান নাইকিয়া হৈছে। প্ৰভাস্বৰ-শূন্যতাই চিত্তৰ ঠাই নিতৌ অধিকাৰ কৰিছে। 'সংসাৰথন শূন্যতাৰে পৰিপূৰ্ণ'—এই ধাৰণা সিদ্ধাচাৰ্য্য ঢেণ্টণপাদৰ বাঢ়ি গৈছে, কাজেই তেওঁ পাৰমাৰ্থিক তত্ত্ব হৃদয়ঙ্গম কৰিব পাৰিছে। দুগ্ধ গাখীৰ যেনেকৈ গাইৰ বাঁটত

পুনৰাই নোসোমায়, তেনেকৈ তেওঁৰ বোধিচিত্তয়ো মহাসুখ-চক্ৰত প্ৰৱেশ কৰি পুনৰ জাগতিক মায়া-জালত বন্দী হবলৈ ঘূৰি নাহে।[১৭]

চৰ্য্যাটিত বোধিচিত্তক বলধ গৰুৰ লগত তুলনা কৰা হৈছে। 'বলধে প্ৰসব কৰে' (বলদ বিআএল) কথাষাৰৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে সক্ৰিয় মন বা বোধিচিত্তৰ পৰাই ৰূপ-জগতৰ উৎপত্তি হয়; সেয়েহে বোধিচিত্ত বলধৰ তুল্য; ই কায়-বাক্-চিত্তৰ প্ৰতিভাসৰ দ্বাৰা গঠিত। এই বোধিচিত্তই জগত প্ৰসব কৰে বা সৃষ্টি কৰে। আনহাতে নৈৰাত্মাক বাঁজী গাইৰ সৈতে ৰিজোৱা হৈছে। বোধিচিত্তই যেতিয়া সৰ্ব প্ৰকাৰ জাগতিক মোহ ত্যাগ কৰি পৰিশুদ্ধ হৈ নৈৰাত্মাক লাভ কৰে তেতিয়া তাৰ দৃশ্য-দৰ্শনৰ শক্তি স্বাভাৱিকতেই নাইকিয়া হৈ পৰে। এনে প্ৰসঙ্গত নৈৰাত্মাক বন্ধ্যা গাই বুলি কোৱা হৈছে। কাৰণ বাঁজী গাইয়ে পোৱালী জন্ম দিব নোৱাৰাৰ দৰে নৈৰাত্মায়ো পৰিশুদ্ধ চিত্তক জাগতিক দৃশ্য-দৰ্শনৰ বাবে শক্তি দিব নোৱাৰা হয়। চিত্ত-পীঠ আভাষ-দোষেৰে গঠিত; তাক তিনি সন্ধ্যা অৰ্থাৎ সদায় সাধন-ক্ৰিয়াৰ দ্বাৰা নিঃস্বভাৱী কৰা হয়, অৰ্থাৎ যাবতীয় দোষ নাশ কৰা হয়। বালযোগী বা নবীন যোগীসকলৰ বিকল্পাত্মক জ্ঞান পাৰমাৰ্থিক তত্ত্বজ্ঞসকলে উপলব্ধি নকৰে, কাৰণ তেওঁলোকে ইতিমধ্যেই নিৰ্বিকল্প জ্ঞান লাভ কৰিছে। শূন্যতাত অধিষ্ঠিত তত্ত্বজ্ঞসকলৰ বিচাৰত কোনো ভেদাভেদ-জ্ঞান নাথাকে। উপৰুৱা অৰ্থত এওঁলোককে নিৰ্বোধ বোলা হৈছে। আনহাতে নবীন যোগীসকলে বৈকল্পিক জ্ঞানৰ দ্বাৰাই নিজকে বুদ্ধিমান বুলি বিবেচনা কৰে। 'যিজন চোৰ তেৱেঁই সাধু' কথাষাৰৰ গূঢ়াৰ্থ হ'ল—যি চিত্তই বিকল্পাত্মক জ্ঞানৰ দ্বাৰা বিষয়-সুখ আহৰণ কৰে সেই চিত্ত চোৰৰ তুল্য। কাৰণ, নিৰ্বাণ-তত্ত্ব অনুসৰি চিত্তৰ কাম হৈছে নিজকে পৰিশোধন কৰি জাগতিক বিষয়-সুখ বিসৰ্জ্জন

১৭ 'দুহিল দুধু কি বেণ্টে ষামায়' কথাখিনিৰ ব্যাখ্যা টীকাত অলপ বেলেগ ধৰণে আছে: 'কৰ্ষমুদ্ৰা প্ৰসন্নাৰম্ভাগাৰাদাগতং যদ্বোধিচিত্তম্ যোগীন্দ্ৰস্য বেণ্টমিতি মূলং মহাসুখচক্ৰং গচ্ছতি, কিমদ্ভুতমিতি'।

দিয়া। প্ৰসঙ্গক্ৰমে আন এটা উদাহৰণ দিব পাৰি—সাধুলোকৰ পৰিচয় ফুটি উঠে সদায় সৎ চিন্তা কৰাত; যদি কেতিয়াবা অসৎ চিন্তা কৰে তেন্তে তেওঁ অসাধু বুলি পৰিগণিত হয়। এই অৰ্থতে চিত্তক চোৰ বোলা হৈছে। যেতিয়া চিত্তই নিৰ্বিকল্প জ্ঞান লাভ কৰিব, তেতিয়া সি সাধু অৰ্থাৎ পৰিশুদ্ধ চিত্ত নাম পাব, অনিত্য জাগতিক সুখৰ প্ৰতি তাৰ কোনো আসক্তি নাথাকিব।

মৰণ আদিৰ ভয়ত আতুৰ হোৱা সংসাৰ-চিত্তক শিয়ালৰ লগত তুলনা কৰা হৈছে। বিপদ-বিঘিনিৰ বাবা বেছি ভয়াতুৰ হোৱা কাৰণেই শিয়ালে হাবিৰ পৰা দিনত নোলায়। কিন্তু সিংহৰ মনত বাধা-বিঘিনি, দিন-ৰাতি একো নাই, তাৰ বল-শক্তিও বেছি; সেই কাৰণে সিংহক 'পশুৰাজ' বোলে। চৰ্য্যাটিত সহজানন্দক সিংহৰ লগত তুলনা কৰা হৈছে। সংসাৰ-চিত্তই পৰিশুদ্ধ হৈ সহজানন্দৰূপ সিংহক আয়ত্ত কৰিবলৈ যুজ কৰি থাকে। শিয়াল-সিংহৰ যুজ লগা কথাৰ চলেৰে চৰ্য্যা-ৰচকে ইয়াকে বুজাইছে। সিদ্ধাচাৰ্য্য ঢেণ্ঢণপাদৰ গীতৰ গূঢ়তত্ত্ব সকলোৱে নুবুজে, অতি কম সংখ্যক তত্ত্ব-দৰ্শীয়েহে ইয়াক বুজিব পাৰে।

শব্দ-টীকা

টালত—ওখ টিলাত বা সৰু-চাপৰ পাহাৰত; তত্ত্বমতে মহাসুখ-চক্ৰত। পড়বেষী—প্ৰৱেশী, প্ৰৱেশ কৰোঁতা, সোমাওতা; মহাসুখচক্ৰত অধিষ্ঠিত সাধকৰ মনত 'গ্ৰাহ্য-গ্ৰাহক' বোলা দ্বৈত ভাৱ নোসোমায়; সেই অৰ্থতে প্ৰৱেশী বুলি কোৱা হৈছে। হাড়ীত—চৰুত, কেৰাহীত; তত্ত্ব অনুসৰি দেহৰূপ হাড়ীত। ভাত—সাধাৰণ অৰ্থত চাউলৰ ভাতক বুজাইছে; কিন্তু গূঢ়াৰ্থত জাগতিক জ্ঞান, বৈষয়িক সুখ, বিষয়-বাসনা আদিক বুজাইছে। আৱেশী—আহোঁতা অৰ্থাৎ নৈৰাত্মা স্বৰূপ যোগীন্দ্ৰ। বেগ—টীকা-পুথিৰ লিপিত 'বেগ' বাননটো স্পষ্ট আছে। ইয়াৰ অৰ্থ হল—বেগী, গতিশীল। কিন্তু টীকাৰ ব্যাখ্যা অনুসৰি এই শব্দটো হ'ল—বেঙ্গ; তাৰ অৰ্থ হ'ল—যাৰ অঙ্গ নাই সেয়ে বেঙ্গ, অৰ্থাৎ প্ৰভাস্বৰ শূন্যতা বা পাৰমাৰ্থিক জ্ঞান। বে (নোহোৱা)+

অঙ্গ=বেঙ্গ। টীকা—'বিগতাঙ্গ যস্ত স বাঙ্গঃ। অঙ্গশূন্যত্বেন তং প্রভাস্বৰং বোধব্যং। অঙ্গস্ত বড়ঙ্গতো সয়ত্তি গচ্ছতীতি সয়ঃ। তদেব। বায়ুৰূপং তেন ব্যঙ্গেন প্রভাস্বৰেণ বিজ্ঞানপৰঃ শ্চোদিতঃ।' বড়হিল—(লিপিত ড্‌+হ্‌+ই যুক্তাক্ষৰ হিচাপে আছে) বৰ্দ্ধিত হ'ল, বাঢ়িল। দুহিল—দোহন কৰা হ'ল; 'খীৰোৱা' অৰ্থত এই শব্দটো 'দুধৰ আগত বিশেষণ হিচাবে বহিছে। দুধু—দুগ্ধ, গাখীৰ, তত্ত্বানুসাৰে বোধিচিত্ত। দুহিল দুধু—খীৰোৱা গাখীৰ, দুৱা গাখীৰ। কি—জানো (প্রশ্নবোধক অব্যয়)। বেণ্টে—গাইৰ বাঁট, তত্ত্ব অনুসাৰে মহাসুখৰ চক্র। যামাঅ—সোমায়। বলদ—বলধ গৰু, আচল অৰ্থত বোধিচিত্ত। বিআএল—প্রসৱ কৰা অৰ্থত: বোধিচিত্তই ৰূপ-জগত সৃষ্টি কৰে, তাকেই প্রসৱ কৰা বুলি কোৱা হৈছে; প্রকৃততে বলধ গৰুৱে প্রসৱ নকৰে। গৱিআ—গাই গৰু; তত্ত্ব মতে নৈৰাত্মা দেৱী। 'গাবীতি যোগীন্দ্রস্য গৃহিণী বন্ধ্যা নৈৰাত্মা'—টীকা। বাঁঝে—বন্ধ্যা, বাঁজী। নৈৰাত্মা জাগতিক মোহৰ পৰা অতি দূৰত; তেওঁ বোধি-চিত্তক সাংসাৰিক দৃশ্য-দৰ্শনৰ ক্ষমতা দিবলৈ অক্ষম, সেয়ে নৈৰাত্মাক বাজী বুলি 'গৱিআ বাঁঝে' শব্দৰ যোগেদি বুজোৱা হৈছে। পিটা—পীঠ আভাস-দোষসমূহৰ সমষ্টি। দুহিএ—দোহন কৰা অৰ্থত, যাবতীয় দোষ নাশ কৰা অৰ্থত প্রয়োগ হৈছে। এ তিনা সাঝে—এই তিনি সন্ধ্যাত বা সদায়। জো সো বুধী সৌধ নিবুধী—বালযোগী-সকলৰ বিকল্পাত্মক জ্ঞানৰূপ বুদ্ধি পৰমাৰ্থ-তত্ত্বজ্ঞসকলে নুবুজে. কিয়নো তেওঁলোকে নিৰ্বিকল্প জ্ঞান লাভ কৰিছে। আন অৰ্থত, নবীন যোগীসকলে সবিকল্প জ্ঞান লাভ কৰি নিজক বুদ্ধিমান বুলি বিবেচনা কৰে অথচ পৰমাৰ্থ-তত্ত্বজ্ঞসকলৰ তুলনাত বালযোগীসকল নিৰ্বোধ। জো বো চৌৰ সৌই সাধী সহজীয়ামতে যি চিত্তই প্রকৃত কৰ্ত্তব্যক নেওচা দি সবিকল্প জ্ঞানৰ দ্বাৰা বিষয়-সুখ ভোগ কৰে সেই চিত্ত চোৰৰ তুল্য; আকৌ সেই চিত্তই নিৰ্বিকল্প জ্ঞান লাভ কৰিব পাৰিলে সাধু হয়। বুধী—বুদ্ধিমান, জ্ঞানী। সৌই সাধী—সেয়েঁই সাধু। নিতে নিতে—নিতৌ, সদায়। ষিআলা—শিয়াল (সংসাৰ-চিত্ত)।

ষিহে—সিংহে (সহজানন্দৰূপ সিংহ)। ষম—সৈতে। জুঝঅ—যুজে। বুঝঅ—বুজে। বিৰলেঁ বুঝঅ—অতি কম সংখ্যক জ্ঞানীহে বুজে।

৩৪

ৰাগ—বৰাড়ী ॥ দাৰিকপাদানাম্

সুন কৰুণৰি অভিনচাৰেঁ[1] কাঅবাক্চিঅ[2]।
বিলসই দাৰিক গঅণত পাৰিম কুলেঁ॥
অলক্খ লখ[3] চিত্তা মহাসুহেঁ (।)
বিলসই দাৰিক গঅণত পাৰিম কুলেঁ॥
কিন্তো মন্তে কিন্তো তন্তে কিন্তো ৰে ঝাণবখানে।
অপইঠান মহাসুহলীলেঁ[4] দুলখ পৰম নিবাণেঁ॥
দুঃখেঁ সুখেঁ একু কৰিআ ভুঞ্জই ইন্দী জানী।
স্বপৰাপৰ ন চেবই দাৰিক সঅলানুত্তৰ মাণী॥
ৰাআ ৰাআ ৰাআ ৰে অৱৰ ৰাঅ মোহেৰা বাধা।
লুইপাঅপএ দাৰিক দ্বাদশ ভুঅণেঁ লধা॥

পাঠান্তৰ

১। অভিনচাৰেঁ, শাস্ত্ৰী, বসু, বাগচী; অভিন চাৰেঁ, শহীদুল্লাহ। ২। কাঅ-বাক্চিএ, শাস্ত্ৰী, বসু; কাঅবাকচিঅ, লিপি, নীসেন। ৩। অলক্খলক্খণ চিত্তা, শাস্ত্ৰী, বসু, অলক্খলখচিত্তা, সেন; অলক্খ-লক্খ চিআ, বাগচী। ৪। মহাসুহলীলে, শাস্ত্ৰী, বাগচী, শহীদুল্লাহ, বসু; মহাসুহলীণে, সেন, নীসেন।

গূঢ়াৰ্থ

কায়-বাক্-চিত্তৰ পৰিশুদ্ধ অৱস্থাত শূন্যতা আৰু কৰুণাৰ অভিন্ন-ৰূপে মিলন হৈছে। তেনে অৱস্থাত সিদ্ধাচাৰ্য্য দাৰিকপাদে গগন-মণ্ডলৰ সিপাৰত বিলাস কৰিছে; অৰ্থাৎ প্ৰভাস্বৰ-শূন্যতাৰ শেষ সীমাত উপনীত হৈ মহাসুখ উপভোগ কৰিছে। চিত্ত অচিত্তত লীন হলেহে যোগীয়ে পৰমানন্দ উপভোগ কৰিবলৈ সক্ষম হয়। দাৰিকপাদেও তেনে অৱস্থাপ্ৰাপ্ত হৈ মহাসুখ লাভ কৰিছে। তেওঁৰ মতে পৰ-পাৰলৈ যাবৰ কাৰণে তন্ত্ৰ-মন্ত্ৰ, যাগ-যজ্ঞ পতাৰ বা ধ্যান-তপস্যা কৰাৰ কোনো প্ৰয়োজন নাই। সহজীয়া ধৰ্মত একান্ত চিত্তে

ব্ৰত্তী হ'ব নোৱাৰিলে মহাসুখ-চক্ৰত প্ৰৱেশ কৰিব নোৱাৰি, কাজেই পৰম নিৰ্ব্বাণ লাভৰ আশা কৰাটো নিৰৰ্থক। তত্ত্বতঃ সুখ-দুখ, বিষয়-ইন্দ্ৰিয় আদি সকলোকে একে জ্ঞান কৰি চলে। শ্ৰেষ্ঠ যোগীৰ দৃষ্টিত সুখ যি দুখো সেই একে; বিষয়-ইন্দ্ৰিয় আদিও তেওঁলোকৰ মতে বেলেগ নহয়; গুৰুৰ উপদেশ অনুযায়ী নিৰ্বিকল্প যোগীয়ে দুখ-কষ্টকো মহাসুখত পৰিণত কৰি অৰ্থাৎ নিষ্কাম ভাৱত লৈ বিষয়েন্দ্ৰিয় ভোগ কৰিব পাৰে। সাধনাত চৰম সিদ্ধি লাভ কৰাজনৰ পক্ষেহে এনে ত্যাগ-সংযম আৰু নিস্পৃহ-নিষ্কাম ভাৱ জন্মা সম্ভৱ। আচাৰ্য্য দাৰিকপাদ এই গুণৰ অধিকাৰী হৈ আপোন-পৰৰ ভেদ-জ্ঞান নাশ কৰিছে। কায়-বাক্-চিত্তৰ বশৱৰ্ত্তী লোক আৰু আনকি অন্যান্য দেৱতাও মায়া-মোহত বান্ধ খাই থাকে, কিন্তু সিদ্ধগুৰু লুইপাদৰ প্ৰসাদত যোগী-শিষ্য দাৰিকপাদে দ্বাদশ ভুৱন জয় কৰিব পাৰিছে; অৰ্থাৎ সকলো প্ৰকাৰ জাগতিক আকৰ্ষণ নাইকিয়া কৰি নিৰ্বাণ-প্ৰাপ্ত হৈছে, এই কথাটিকে দ্বাদশ ভুৱন লাভ কৰা বা জয় কৰা কথাষাৰৰ যোগেদি চৰ্য্যাৰচকে বুজাইছে। হিন্দু ধৰ্মত 'চৈধ্য ভুৱন' শব্দৰ দ্বাৰা বিশ্বব্ৰহ্মাণ্ডক বুজোৱাৰ দৰে বৌদ্ধধৰ্মতো 'দ্বাদশ ভুৱন' উক্তিৰ দ্বাৰা নিখিল ব্ৰহ্মাণ্ডক বুজোৱা হয়।

শব্দ-টোকা

সুন কৰুণৰি—শূন্য আৰু কৰুণা, পাৰমাৰ্থিক সত্য আৰু সাংবৃত্তিক সত্য। অভিনচাৰেঁ—অভিন+আচাৰেঁ (অভিন্ন+আচৰেণ; টীকা—অভেদোপচাৰেণ); অভিন্ন বা অভেদ আচৰণৰ দ্বাৰা, কোনো ভেদ নোহোৱাকৈ, একেটা যেন হৈ। কাঅবাক্‌চিঅ—কায়-বাক্-চিত্ত সম্পূৰ্ণৰূপে শুদ্ধ হলেহে শূন্য আৰু কৰুণাৰ মিলন ঘটাটো সম্ভৱ। পাৰিম কুলেঁ—পৰম পুৰত, প্ৰভাস্বৰ-শূন্যত, সাধাৰণ ধাৰণামতে স্বৰ্গত। অলক্খ লখ চিত্তা…পাৰিম কুলেঁ- অলক্ষ্যণীয় লক্ষণযুক্ত চিত্ত অৰ্থাৎ অচিন্তভাত লীন হোৱা চিত্তৰ যোগী দাৰিকপাদে মহাসুখেৰে আকাশৰ সিপাৰত বা শূন্যপুৰত বিলাস কৰিছে অথবা দাৰিকপাদ নিৰ্বাণ-পুৰত মহাসুখত নিমজ্জিত হৈছে। লিপিত ক আৰু খ আখৰ

দুটা যুগ্ম হৈ বহিছে ; ক্ষ-বৰ্ণটো স্পষ্ট নহয়। 'কিন্তো মন্তে ঝাণবখানে' :—মন্ত্র জপ কৰা, তন্ত্র-শাস্ত্র পাঠ কৰা, ধ্যান-উপাসনা কৰা আদি বাহ্যিক প্রক্রিয়াসমূহৰ দ্বাৰা মহাসুখ তথা নিৰ্বাণ-সুখ লাভ কৰিব নোৱাৰি। কিন্তো মন্তে—কি মন্ত্র। কিন্তো তন্তে—কি তন্ত্র। কিন্তো ৰে ঝাণ-বখানে—কি ধ্যান-ব্যাখ্যা। টীকা পুথিত 'কিন্তো ।কমন্তে' আছে যদিও '।ক' লিপিকাৰৰ ভুলবশতঃ বহিছে ; ইয়াক টীকায়ো সমৰ্থন কৰা নাই। 'অপইঠান...... পৰম নিৰ্বাণেঁ' :—অপ্রতিষ্ঠিত মহাসুখ-লীলাৰ দ্বাৰা পৰম নিৰ্বাণ লাভ কৰাটো দুঃসাধ্য ; অৰ্থাৎ চিত্তক অচিত্ততাত লীন কৰি মহাসুখ-লীলাত প্রতিষ্ঠিত হব নোৱাৰিলে নিৰ্বাণ লাভ কৰা অসম্ভব। 'দুঃখেঁ-সুখেঁ...ইন্দী জানী :—দুখকেই মহাসুখত পৰিণত কৰি গুৰুৰ উপদেশমতে বিষয়-ইন্দ্রিয় আদি উপভোগ কৰে। দু.খেঁ-সুখেঁ একু কৰিআ—দুঃখ-সুখক সমজ্ঞান কৰি। ভুঞ্জই—ভুঞ্জে, উপভোগ কৰে। ইন্দী—ইন্দ্রিয়গ্রাহ্য বিষয়-সমূহ, বিষয়েন্দ্রিয়। জানী—জানি, বুজি ; অৰ্থাৎ গুৰুৰ উপদেশ বুজি, গুৰুৰ উপদেশ উপলব্ধি কৰি। পাঠান্তৰ হিচাবে, ইন্দীজানী = ইন্দ্রিয়াণি (ইন্দ্রিয়গ্রাহ্য বিষয়সমূহ)। 'স্বপৰাপৰ...মাণী' :—ওপৰত কোৱাৰ নিচিনা অভ্যাসৰ দ্বাৰা বিষয়সমূহৰ চৰমতত্ত্ব বুজি সিদ্ধাচাৰ্য্য দাৰিকপাদেও সংসাৰত আপোন-পৰৰ ভেদ নেদেখা হৈছে। 'এতদুপায়েন সকলানুত্তৰং গত্বা দাৰিকোহি সংসাৰে স্বপৰাপৰং বিভাগং ভেদং ন পশ্যতীতি' - টীকা। স্বপৰাপৰ—(স্ব + পৰ + অপৰ) আপোন-পৰ ভাব। চেবই - বুজিব পাৰে (<চেতয়তি)। ন চেবই—বুজিব নোৱাৰে। মাণী—মানয়িত্বা>মাণইআ, মাণইঅ>মাণিঅ>মাণী = মানি, বুজি, পালন কৰি। 'ৰাআ ৰাআ ৰাআ ৰে - বাধা' :—কায়-বাক্-চিত্তৰূপ ঐশ্বৰ্য্যসম্পন্ন ব্যক্তি আৰু আনকি নাগেন্দ্রাদি দেৱতাসকলো বিষয়-মোহত আৱদ্ধ। তিনিবাৰ 'ৰাআ' শব্দৰ উক্তিয়ে কায়-বাক্-চিত্তৰূপ ঐশ্বৰ্য্যক বুজাইছে। 'অৱৰ ৰাঅ' শব্দই নাগেন্দ্রাদি অন্যান্য দেৱতাক বুজাইছে। ৰাআ—ৰজা। অৱৰ—অপৰ, অন্য। ৰাঅ—ৰাজ, ৰজা। মোহেৰা—মোহেৰে,

মোহৰ দ্বাৰা। বাধা—ব্যদ্ধ (কামৰূপী শব্দ), আবদ্ধ। লুইপাঅপএ,—লুইপাদ-প্ৰসাদেৰে, লুইপাদৰ উপদেশ-আশীৰ্বাদত। দ্বাদশ ভুঅণে—দ্বাদশ ভুবনত অৰ্থাৎ বিশ্ব-ব্ৰহ্মাণ্ডত। হিন্দুধৰ্মত 'চৈধ্য ভুবন' উক্তিৰ দ্বাৰা সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডক বুজোৱাৰ দৰে বৌদ্ধ সহজীয়া ধৰ্মত নিখিল ব্ৰহ্মাণ্ডক বুজাইছে। লধা—লব্ধ, লাভ বা জয় কৰা অৰ্থত বহিছে। লব্ধ > লদ্ধ > লধ + আ = লধা।

৩৫

ৰাগ—মল্লাৰী ঃ ভাদেপাদানাম্

এতকাল হাঁউ অচ্ছিলেঁ[১] স্বমোহেঁ।
এবেঁ মই বুঝিল সদগুৰু বোহেঁ॥
এবেঁ চিঅৰাঅ মকুঁ ণঠা।
গঅণসমুদে[২] টলিআ পইঠা॥
পেখমি দহদিহ সৰ্ব্বই শূন।
চিঅ বিহুন্নে পাপ ন পুন্ন॥
বাঝুলেঁ[৩] দিল মোহকখু[৪] ভণিআ।
মই অহাৰিল গঅণত পণিআঁ[৫]॥
ভাদে[৬] ভণই অভাগে লইআ।
চিঅৰাঅ মই অহাৰ কএলা॥[১৮]

পাঠান্তৰ

১। অচ্ছিলে, লিপি : অচ্ছিল, বাগচী ; আচ্ছিলেঁা, শাস্ত্ৰী, বসু। ২। গঅণসমুদে, বসু, নীসেন, দাশগুপ্ত : গণসমুদে, সেন। ৩ বাঝুলে, লিপি অস্পষ্ট ; বাজুলেঁ, শাস্ত্ৰী ; বাবুলে সেন, নীসেন। ৪। মোহকখু, শাস্ত্ৰী, নীসেন, মোহ কখু, সেন ; মো লকখু, বাগচী। ৫। পণিআঁ, সেন ; পণিআ, শাস্ত্ৰী। ৬। ভাদে, টীকা মতে, শাস্ত্ৰী, বাগচী, শহীদুল্লাহ ; ভাবে, লিপিমতে, সেন।

১৮। নকলকাৰকে এই ৩৫ নং চৰ্য্যাটিত কেবাটাও বানন ভুল কৰিছে। প্ৰথমে তেওঁ হাঁউ লিখি ইয়াৰ অ-টো কাটি দিছে। 'অচ্ছিলে' শব্দটো 'অচ্ছিল' বা 'অচ্ছিলেঁা' হব লাগিছিল। 'গঅণ সমুদে'ৰ ঠাইত 'গণসমুদে' লিখিছে, ইয়াৰ অ-টো যুক্তিহীন ভাবে বাদ পৰিছে। 'বাঝুলে' শব্দটোৰ ৰূপ আৰু √ এপৰা-উপুৰিকৈ অস্পষ্টভাৱে ৰূপ লাগিছে। সেইদৰে 'মোহকখু'→

গূঢ়াৰ্থ

ইমান দিনে মই বিষয়-মুখত মোহাভিভূত হৈ আছিলোঁ, এতিয়াহে মই সদ্‌গুৰুৰ পৰা উপদেশ-জ্ঞান লাভ কৰি সকলো তত্ত্ব-কথা বুজিব পাৰিছোঁ, অৰ্থাৎ চিত্তৰ স্বৰূপৰ সম্বন্ধে এতিয়াহে মোৰ আচল বোধ জন্মিছে। আচলতে চিত্তই জগত-সৃষ্টিৰ কাৰণ; চিত্ত লয় পালে জগতৰ অস্তিত্বও নাথাকে। এতিয়া অবিদ্যাৰে পৰিপুষ্ট মোৰ চিত্তৰাজ নষ্ট হৈছে আৰু সি গগন-সমুদ্ৰত সোমাই পৰিছে। জগত সম্বন্ধীয় অস্তিত্ব-শূন্য-জ্ঞান লাভ হোৱাৰ পাছত অথবা চিত্ত অচিন্ত্যতাত লীন হোৱাৰ পাছত ই স্বভাৱতে প্ৰভাস্বৰ-শূন্যতাত প্ৰৱেশ কৰিছে। গতিকে মই সকলোপিনে কেৱল শূন্য শূন্য দেখিছোঁ; জগতৰ অস্তিত্ব সম্বন্ধীয় জ্ঞান মোৰ লোপ পাইছে, চিত্ত অবিহনে পাপো নাই, পুণ্যও নাই। বজ্ৰগুৰুৱে মোক লক্ষ্যস্থানত উপনীত হোৱাৰ সন্ধান দিছে, অৰ্থাৎ অতীন্দ্ৰিয় সহজানন্দ কেনেকৈ পাব পাৰি তাৰে পথ বজ্ৰ গুৰুৱে মোক দেখুৱাই দিছে; গতিকে এতিয়া মই গগনত প্ৰৱেশ কৰি প্ৰকৃত আহাৰ ভোগ কৰিছো অৰ্থাৎ মহাসুখত নিমজ্জিত হৈছো। সিদ্ধাচাৰ্য্য ভাদ্ৰপাদে কৈছে যে 'মই অদ্বয় সত্যক লৈ চিত্তৰাজক ভক্ষণ কৰিছোঁ।' অৰ্থাৎ তেওঁ চিত্তক স্বভাৱশূন্য কৰি অচিন্ত্যতাত লীন নিয়াইছে।

শব্দ-টীকা

এতকাল—ইমান দিনে। হাঁউ—মই (<অহং)। অচ্ছিলেঁ—(অচ্ছিলোঁ) আছিলোঁ। স্বমোহেঁ—নিজকে লৈ মোহাৱিষ্ট হৈ। এবেঁ—এতিয়া; উদাহৰণ—'এৱে কি কৰিবো লৱ-কুশে নেই ধৰি' (লৱ-কুশৰ যুদ্ধ, ১৯৫৪, পৃঃ ১০৫)। বুঝিল—বুজিলোঁ। সদ্‌গুৰু বোহেঁ—সদ্‌গুৰুৰ বোধেৰে, সদ্‌গুৰুৱে দিয়া জ্ঞানেৰে। চিঅৰাঅ—চিত্তৰাজ, চিত্তৰাজ্য। মকুঁ—মোৰ পক্ষে। ণঠা—নষ্ট (নষ্ট>

শব্দ 'মো লক খু' হোৱাই যুক্তিসংগত আছিল। আকৌ, 'তাহে' নাহকৈ 'তাৰে' বুলি লিখোঁতে নকলকাৰকৰ অন্যমনস্কতা ফুটি উঠিছে। ওপৰৰ ভুল বাননৰ শব্দবোৰক পাৰিভাষিক শব্দ বা ব্যাখ্যা বুলি কৈ ৰাখিব এৰাব নোৱাৰি।

নঠি - নঠ + আ)। গঅণ সমুদে—গগন-সমুদ্রত, প্রভাস্বৰ-শূন্যতাত, পৰম প্রজ্ঞা-সাগৰত। টলিআ বিচলিত হৈ, টলি। পেখমি—দেখিছোঁ। দহদিহ - দশদিশ, সকলোপিনে। সববই শূন - সকলো-বোৰেই শূন্য, কেৱল শূন্য। বিহুনে—বিহনে, অবিহনে। পাপ ন পুন—পাপো নাই পুণ্যও নাই। উদ্ধৃতজ্ঞান অঙ্কত 'পুন্ন' শব্দটো আছে; যেনে—'পুন্ন ঘট প্রদিপ প্রকাসে হাটিআৰি।' বাঝুলে—বাজুল, ই এটি পাৰিভাষিক শব্দ; শব্দটোৰ লিপি অস্পষ্ট। টীকাৰ অৰ্থ অনুসৰি বাঝুলে বা বাজুলে হয়। ইয়াৰ অৰ্থ হ'ল বজ্রগুৰু। বাঝুলে দিল—বজ্রগুৰুৱে দিলে। মোহকখু—(মো + লকখু ; ল-ৰ সলনি হ বহিছে, ই লিপিকাৰৰ ভুল); মো—মোক বা মোৰ; লকখু/লকখ—লক্ষ্য, লক্ষ্যস্থান, লক্ষ্যস্থানৰ সন্ধান। ভণিআ—কৈ, দেখুৱাই। 'বাঝুলে···ভণিআ'—বজ্রগুৰুৱে মোক লক্ষ্যস্থানত উপনীত হোৱাৰ সন্ধান কৈ দিলে, অৰ্থাৎ সহজানন্দ (চতুৰ্থানন্দ) লাভৰ উপায় কৈ দিছে বা দেখুৱাই দিছে; 'বজ্রকুলেনেতি বজ্রগুৰুণা লক্ষ্যমিতি ভাব্যমুক্তং মহ্যং চতুৰ্থানন্দোপায়ং প্রদত্তম্'—টীকা। 'মই অহাৰিল গঅণত পণিআঁ'—মই গগনত প্রৱেশ কৰি আহাৰ (ভক্ষণ) কৰিলোঁ নাইবা মই গগনত প্রৱেশ কৰি পানী খালোঁ; অৰ্থাৎ সহজ-গগনত প্রৱেশ কৰি চিত্তক অচিত্ততাত লীন কৰিলোঁ। অভাগে লইআ—অদ্বয় সত্যক লৈ নাইবা জগতখন যে জন্ম-মৃত্যু হীন এনে ভাব লৈ। চিঅৰাঅ মই অহাৰ কএলা—চিত্তৰাজক মই অচিত্তত লীন কৰিলোঁ; ফলত তাৰ সৰ্বধৰ্মৰ উপলব্ধি নাইকিয়া হ'ল।

৩৬

ৰাগ—পটমঞ্জৰী : কৃষ্ণাচাৰ্য্যপাদানাম্

শুণ বাহ তথতা পহাৰী।
মোহ ভণ্ডাৰ লই[১] সঅলা অহাৰী॥
ঘুমই ণ চেবই সপৰ বিভাগা।
সহজ নিদালু কাহ্নিলা লাঙ্গা॥

চেঅণ ণ বেঅণ ভৰ নিদ গেলা।
সঅল সুফল[২] কৰি সুহে সুতেলা॥
স্বপণে মই দেখিল তিহুৱণ সুণ।
ঘোৰিঅ[৩] অৱণা গমণ বিহুন[৪]॥
শাখি[৫] কৰিব জালন্ধৰি-পাএ।
পাখি[৬] ন ৰাহঅ[৭] মোৰি পাণ্ডিআচাদে[৮]॥

পাঠান্তৰ

১। লই, নীসেন, বসু, দাশগুপ্ত: লুই, শাস্ত্রী, সেন। ২। মুকল. বাগচী, শহীদুল্লাহ; সুফল, নীসেন, শাস্ত্রী, সেন, বসু, দাশগুপ্ত। ৩। ঘোৰিঅ, শাস্ত্রী, সেন, বসু: ঘোলিআ, বাগচী। ৪। বিহুন, সেন, বসু, দাশগুপ্ত; বিহল, শাস্ত্রী। ৫। শাখি, সেন, বসু: শাখি, শাস্ত্রী, বাগচী। ৬। পাখি, শাস্ত্রী, বাগচী, নীসেন; পাশি, বসু; পাৰি, সেন। ৭। ৰাহঅ, শাস্ত্রী. সেন; চাহই, বাগচী, বসু। ৮। পাণ্ডিআচাদে, শাস্ত্রী, সেন, পাণ্ডিআচাএ, বাগচী।

গূঢ়াৰ্থ

চিত্তৰূপ বাসনা-ঘৰ এতিয়া শূন্যময় হৈছে। কাৰণ, তথতাতুল্য খড়্গাৰ দ্বাৰা সেই ঘৰত থকা মায়া-মোহৰ ভাণ্ডাৰকে মুখ্য কৰি সকলোবোৰ বস্তু নিঃশেষ কৰা হৈছে। এনে অৱস্থাত চৰ্য্যাৰচক কৃষ্ণাচাৰ্য্যই নিজৰ বিষয়ে কৈছে যে তেওঁ এতিয়া ঘুমটি যোৱা নাই, অথচ জাগিও থকা নাই. তেওঁৰ মনৰ পৰা আত্ম-পৰ ভেদ-জ্ঞান লোপ পাইছে। কাহ্নু এতিয়া নঙঠা যোগীৰূপে সহজ-শয্যাত নিদ্রালু অৱস্থাত আছে। চিত্তৰ পৰা ৰাসনা-দোষ আদি নাইকিয়া হোৱাত সি প্ৰজ্ঞা-জ্যোতিৰে উদ্ভাসিত হৈছে, নাইবা তথতাতুল্য খড়্গাৰ দ্বাৰা চিত্তত থকা সমস্ত কামনা-বাসনা, মায়া-মোহ বিনাশ হোৱাত শূন্যতাৰূপ প্ৰজ্ঞা-জ্যোতিয়ে তাত বিৰাজ কৰিছে। 'নঙঠা যোগী' শব্দৰ দ্বাৰা সাধকৰ বন্ধন-মুক্ত অৱস্থাক বুজোৱা হৈছে। কাহ্নুৰ এতিয়া চেতনা বা বেদনা একোৱে নাই, তেওঁৰ চিত্তজাত বিকল্পাত্মক ভাৱ লোপ পাইছে, গতিকে তেওঁ এতিয়া নিৰ্বিকল্পভাৱে ভৰ টোপনিত পৰিছে, সকলো প্ৰকাৰ বান্ধোনৰ পৰা নিজকে মুকলি কৰি তেওঁ মহাসুখত শুইছে অৰ্থাৎ জ্ঞান-সমুদ্ৰত বুৰ গৈছে। তেনে অৱস্থাত তেওঁ

সপোনতে ত্ৰিভুৱন শূন্য শূন্য যেন দেখিছে। তেওঁৰ বোধ হৈছে যে সপোনৰ দৰেই ত্ৰিভুৱনো অলীক। তদুপৰি অহা-যোৱা, ঘূৰা-ঘূৰি অৰ্থাৎ জন্ম-মৃত্যুৰ সঘন গতিৰ পৰাও তেওঁ মুক্ত হ'ল। সাধনাত সিদ্ধিলাভ কৰি যে তেওঁ এনেকুৱা অৱস্থা পাইছে তাৰে সাক্ষ্যদান কৰিব জালন্ধৰীপাদে। যিসকলে কেৱল পুথি পঢ়িয়ে পণ্ডিতাচাৰ্য্য হোৱা বুলি ভাৱে, মই তেওঁলোকৰ পক্ষত নাথাকো; কাৰণ তেওঁলোক সাধনাৰ দ্বাৰা প্ৰকৃত তত্ত্ববেত্তা হোৱা নাই।

শব্দ-টোকা

সুণ বাহ—শূন্য ঘৰ; চিত্তৰূপ বাসগৃহ বা বাসনাগাৰ শূন্য। তথতা—নিৰ্বাণ, কায়-বাক্-চিত্তৰ অতীত অৱস্থা। পহাৰী—প্ৰহাৰ কৰি, আঘাত কৰি। মোহ-ভণ্ডাৰ—মায়া-মোহ, কামনা-বাসনাৰ ভঁৰাল অৰ্থাৎ চিত্ত। লই—লৈ, ধৰি। সঅলা অহাৰী—সকলোকে নিঃস্বভাৱী কৰা হৈছে, অৰ্থাৎ কামনা-বাসনা, লোভ-মোহ নাশ কৰা হৈছে। ঘুমই ণ চেবই—ঘুমটিও নাযায়, জাগিও নাথাকে। সপৰ বিভাগা—আত্ম-পৰ ভেদ ভাৱ। চৰ্য্যাৰ তৃতীয় শাৰীটোত থকা 'ণ' নিষেধাৰ্থক চিনটোৱে তিনিওটা মূল শব্দৰ 'নোহোৱা' অৰ্থ কৰিছে। সহজ নিদালু—সহজানন্দ ৰূপ শয্যাত নিদ্ৰামগ্ন হৈছে। কাহ্নিলা লাঙ্গা—সিদ্ধযোগী কাহ্নুপাদ নঙঠা হৈছে, অৰ্থাৎ জাগতিক বিষয়-সুখ বন্ধনৰ পৰা মুক্ত হৈছে। চেঅণ ণ বেঅণ—চেতনাও নাই বেদনাও নাই, অৰ্থাৎ চিত্তৰ বিকল্পাত্মক ভাৱ নাই। ভৰ নিদ গেলা ভৰ টোপান গ'ল। সঅল—সকলো, অৰ্থাৎ তিনিও জগত। সুফল—ফলপ্ৰদ, পাৰশোধত। সুহে সুতেলা—মহাসুখৰূপ শয্যাত শুই পৰিল অথবা পৰম সুখেৰে শুলে। সুতেলা—সুপ্ত + ইল . আ (গীতি মাধুৰ্য্যৰ হেতু)। তুলনীয়—'পঞ্চামৃত ভুঞ্জাৱল, তদনন্তৰ বিপ্ৰ সুৱৰ্ণ খাতত সুতল' (ৰুক্মিণী হৰণ নাট)। স্বপনে—সপোনত। মই দেখিল—মই দেখিলোঁ। তিহুৱণ—ত্ৰিভুৱন। ঘোৰিঅ—ঘূৰ্ণিত, ঘূৰা-পকা। অৱণা গমণ—অহা-যোৱা। বিহুন—বিহীন। শাখি—সাক্ষী। জালন্ধৰিপাএ—সিদ্ধগুৰু জালন্ধৰীপাদক;

জালন্ধৰীপা নামান্তৰে হাড়িপা কাহ্নুপাদৰ গুৰু। পাখি—পক্ষ, পক্ষ-পাতিত্ব। ন ৰাহঅ—নৰয়। তুলনীয়—'হৃদয় চেতন তনু জীৱন নাৰহে' (বৰগীত), 'সৰ্পক বন্ধনে পড়ি ৰহল' (কালিদমন যাত্ৰা)। মোৰি —মোৰ। পাণ্ডিআচাদে—পণ্ডিতাচাৰ্য্য, পুথিগত বিদ্যা আয়ত্ত কৰি হোৱা পণ্ডিত-আচাৰ্য্য। 'যে যে পুস্তকদৃষ্টিগজাঃ পণ্ডিতাচাৰ্য্যাঃ— টীকা।—যিসকলে কেৱল পুথি পঢ়িয়ে বৰ পণ্ডিত হোৱা বুলি ভাৱে অথচ সাধনাৰ দ্বাৰা প্ৰকৃত জ্ঞান-লাভৰ কথা নাভাৱে, তেনে পণ্ডিত।

৩৭

ৰাগ—কামোদ ঃ তাড়কপাদানাম্

অপণে নাহিঁ মো কাহেৰি সঙ্কা।
তা মহামুদেৰি টুটি গেলি কংখা॥
অনুভৱ সহজ মা ভোলৰে জোঈ।
চৌকোড্হি[১] বিমুকা জইসো তইসো হোই॥
জইসনে অছিলেস[২] তইসনে অচ্ছ[৩]।
সহজ পিথক[৪] জোই ভান্তি মা হো[৫] বাস॥
বাণ্ডকুরুণ্ড[৬] সন্তাৰে জাণী।
বাক্‌পথাতীত কাঁহি বখাণী॥
ভণই তাডক এথু নাহি অৱকাশ।
জো বুঝই তা গলেঁ গলপাস॥

পাঠান্তৰ

১। চৌকোড্‌হি, নীসেন; চৌকোটি, শাস্ত্ৰী, চৌকোড্ডি, সেন। ২। অছিলেস, সেন, নীসেন; অছিলে স, শাস্ত্ৰী; ৩। অচ্ছ, শাস্ত্ৰী, সেন, নীসেন; আছ, বসু। ৪ পিথক, শাস্ত্ৰী, সেন, নীসেন; পথক, বাগচী ৫। মাহো, শাস্ত্ৰী, সেন, নীসেন; বাহি, বাগচী, মা, বসু। ৬। বাণ্ডকুরুণ্ড, শাস্ত্ৰী, বাগচী, সেন, নীসেন, বাণ্ডকুরু, বসু; লিপিযন্তে।

গূঢ়াৰ্থ

সহজানন্দত নিমজ্জিত হলে উত্তম সাধকৰ মানসিক অৱস্থা কেনেকুৱা হয় তাকেই এই চৰ্য্যাটিত দাঙি ধৰা হৈছে।

সিদ্ধাচাৰ্য্য তাড়কপাদে কৈছে যে যিহেতু জগতখনেই অনিত্য আৰু তেওঁবো কোনো অস্তিত্ব নাই, গতিকে মিছাতেই জন্ম মৃত্যুৰ কাৰণে তেওঁ কিয় আশঙ্কা কৰিব? জন্ম-মৃত্যুৰ ধাৰণা বৈকল্পিক ভ্ৰান্তি মাথোন। জগতৰ অনিত্যতা সম্বন্ধে পূৰ্ণ জ্ঞান হোৱাৰ পাছত তেওঁৰ নিৰ্বাণ-প্ৰাপ্তিৰ প্ৰতি আকাঙ্খাও কমি গৈছে।[১৯]

'সহজানন্দ'ক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি, ই অনুভৱৰহে বস্তু এই কথা যোগীসকলে পাহৰিব নালাগে। সৎ, অসৎ, সদসৎ আৰু সৎও নহয় অসৎও নহয়—এই চাৰিবিধ বিকল্প ভাৱৰ পৰা মুক্ত হৈ তাড়কপাদে বুজি পাইছে যে আগতে তেওঁ জন্মৰ সময়ত যি অনিৰ্বচনীয় আনন্দ পাইছিল এতিয়া সিদ্ধিলাভৰ পাছতো সেই একে আনন্দকে পাইছে; গতিকে আগতে তেওঁ যেনেকুৱা আছিল এতিয়াও তেওঁ তেনেকুৱাই হৈ আছে; বৰ্ত্তমানৰ সহজানন্দৰ অনুভূতিক নতুন বুলি ভাবি সিদ্ধযোগীসকলে ভুল কৰা অনুচিত। অৱশ্যে জীৱনৰ মাজ ভাগত জাগতিক মায়া-মোহৰ টনা-টনিত নানা দুখ-কষ্ট ভোগ কৰিব লগীয়া হয়; কিন্তু সেইবোৰ ক্ষন্তেকীয়া মাথোন।

নদীৰ ঘাট পাৰ কৰাৰ সময়ত কিছুমান ঘাটুৱৈয়ে যাত্ৰীৰ কাপোৰ আৰু পইচাৰ মোনা প্ৰভৃতি অনুসন্ধান কৰি বুজি লয় যে তেওঁৰ সিপাৰলৈ যোৱাৰ সম্বল আছে নে নাই। কিন্তু সহজীয়া ধৰ্ম্মৰ যোগেদি নিৰ্বাণ-পাৰলৈ যাওঁতে যোগীৰ কাপোৰ বা পইচাৰ মোনাৰ

১৯। আগতে আলোচনা কৰি অহা ৩৪ নং চৰ্য্যাত আমি পাই আহিছো যে যোগী সকলে নিৰ্বাণ-লাভৰ কাৰণেই সাধনাৰ ওপৰত আৰু লগতে গুৰুৰ উপদেশ-পালনৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে, কিন্তু তাড়কপাদে এই চৰ্য্যাটিত যোগীৰ চিৰ আকাঙ্খিত নিৰ্বাণ-লাভৰ প্ৰতি অনাসক্তি দেখুৱাইছে। সাধনাৰ শ্ৰেষ্ঠত্ব-বিচাৰত তাড়কপাদৰ সাধনা নিশ্চয় উচ্চ স্তৰৰ হব। উল্লেখযোগ্য কথা যে তাড়কপাদৰ নিৰ্বাণ-নিস্পৃহ ভাৱটো মাধৱদেৱৰ বিখ্যাত পদ ফাকিৰ গূঢ়তত্ত্বৰ লগত মিলে, যেনে:—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত-মস্তক-মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।" [নাম-ঘোষা]

নিচিনা বাহ্যিক বস্তুবোৰ পৰীক্ষা কৰা নহয়; কাৰণ সহজীয়া তত্ত্ব পৰীক্ষণীয় বস্তু নহয়, সি উপলব্ধিৰহে বস্তু; যুক্তি-তৰ্ক বা ভাষাৰ মাধ্যমত তাক প্ৰকাশ কৰিব নোৱাৰি, সি কায়-বাক্-চিত্তৰ অতীত বস্তু।

সিদ্ধাচাৰ্য্য তাডকপাদে কৈছে যে বাল-যোগীয়ে অৰ্থাৎ অনভিজ্ঞ-লোকে এই সহজীয়া ধৰ্মত প্ৰৱেশ কৰাৰ অৱকাশ নাই; তেওঁলোকে ওপৰে ওপৰেহে ইয়াৰ তত্ত্ব ব্যাখ্যা কৰিব বিচাৰে। তেওঁলোকে নালাগে, আনকি যিসকল অভিজ্ঞ লোক, যিসকলে ইয়াৰ গূঢ় তত্ত্ব বুজিছে সেই তত্ত্বজ্ঞসকলেও ইয়াক ভাষাৰ মাধ্যমত প্ৰকাশ কৰিব নোৱাৰে; ভাষাৰ মাজেৰে সহজীয়া তত্ত্ব ব্যাখ্যা কৰিব গলেই ডিঙিত ফাঁচ লগোৱাৰ নিচিনা অৱস্থা হৈ পৰে।

শব্দ-টীকা

অপণে নাহিঁ মো:—নিজৰ সম্বন্ধে বিচাৰ কৰি পাইছো যে আত্মীয়সম্বন্ধৰ লেশমাত্ৰও মোৰ নাই। 'স্বকায় বিচাৰণাত্মীয় সম্বন্ধ-লেশোপি ময়ি নাস্তি'—টীকা। অৰ্থাৎ যিহেতু জগতখনেই অনিত্য, গতিকে সেই জগতত বাসকৰা মোৰো কোনো অস্তিত্ব নাই। কাহেৰি সঙ্কা—শঙ্কা কৰিবলগীয়া কি যুক্তি আছে? কিয়নো মোৰ যিহেতু কোনো অস্তিত্বই নাই, কাজেই মোৰ জন্ম-মৃত্যু ক্লেশ আদিৰ প্ৰতিও ভয় কৰিবলগীয়া একো নাই। 'অতএব আগন্তুক-স্কন্ধ-ক্লেশ-মৃত্যুমাৰাদীনাং শঙ্কাভয়ং চ মে ন বিদ্যতে'—টীকা। তা মহামুদেৰি টুটি গেলি কংখা:—তদুপৰি মহামুদ্ৰা লাভৰ আকাঙ্খাও মোৰ টুটি গৈছে। 'মহা-মুদ্ৰাসিদ্ধিবাঞ্ছা দূৰং পলায়িতা চ'—টীকা। তা—তেতিয়া, তদুপৰি। মহামুদেৰি—মহামুদ্ৰা (নিৰ্বাণ)। টুটি গেলি—টুটি গ'ল কমি গ'ল। অনুভৱ সহজ মা ভোলৰে জোই:—চৰ্য্যাৰচকে নিজক সম্বোধন কৰি কৈছে—'হে যোগী (তাড়কপাদ), সহজীয়া তত্ত্ব যে কথাৰে প্ৰকাশ কৰিব নোৱাৰি, সেই কথা পাহৰি নাযাবা; কাৰণ, ভাষাৰ দ্বাৰা ইয়াৰ তত্ত্ব ব্যাখ্যা কৰা অসম্ভৱ; গভীৰ অনুভূতিৰ দ্বাৰাহে ইয়াক উপলব্ধি কৰিব পাৰি'। 'আত্মানং সম্বোধ্য

বদন্তি, ভো ভাড়ক, অনুত্তৰার্থং কথং বক্তুং শক্যতে? তস্মাৎ অনুত্তৰং সহজমিতি কৃত্বা কথং বদসি? উত ভাৱনাসংবৃত্যনুবোধেন পৰং ভণ্যতে। ন তু স্বৰূপত'—টীকা। চৌকোড্‌হি বিমুকা—সৎ, অসৎ, সদসৎ, ন সৎ ন অসৎ, এইবোৰ বিকল্পাদি ৰূপ। 'চতুষ্কোটি-বিনির্মুক্তভাবাৎ'—টীকা। জইসো তইসো হোই—যেনেকুৱা আছিলো, এতিয়াও তেনেকুৱাই হৈ আছোঁ। 'জইসনে অছিলেস তইসনে অচ্ছ'—জন্মৰ সময়ত যেনেকুৱা আনন্দত আছিলোঁ, এতিয়া জাগতিক মায়া-মোহৰ পৰা বিমুক্ত হৈ তেনেকুৱা নিৰ্মল আনন্দতে আছোঁ। 'উৎপাদকালে পৰিবাৰ নৈৰাত্ম্যাভিষঙ্গাৎ মহাসুখময়োৎপন্নোহহং মহাবজ্ৰধৰঃ। পুনৰপি বজ্ৰগুৰুণা তস্মিন্নেবাৰ্থে দৃঢ়ীকৃতোহস্মীতি।'—টীকা। জইসনে—যেনেকুৱা, যিদৰে। অছিলেস—আছিলোঁ; জোৰ বুজোৱা হেতু 'স' স্বাৰ্থিক প্ৰত্যয হিচাবে ব্যৱহাৰ হৈছে। তইসনে—তেনেকুৱা, সেইদৰে। অচ্ছ—আছোঁ। সহজ পিথক—সহজানন্দ নতুন বা পৃথক (নহয়)। জোই ভান্তি মা হো বাস—হে যোগী, (সহজানন্দক পৃথক বস্তু বুলি ভাবি) ভুলৰ মাজত বাস নকৰিবা। বাণ্ডকুৰুণ্ড—পুৰুষাঙ্গ-অণ্ডকোষ. টকা পইচা ৰখা মোনা অৰ্থত ব্যৱহৃত হৈছে। সন্তাৰে—নদী পাৰ কৰা কাৰ্য্যত (ড. সেন), সম্যকৰূপে উত্তীৰ্ণ হোৱাত অধ্যা. বসু)। বাক্‌পথাতীত কাঁহি বখাণী—সহজানন্দ বাক্য-পথৰ অতীত, তাক ভাষাৰে ব্যাখ্যা কৰিব নোৱাৰি. অৰ্থাৎ সহজীয়া তত্ত্ব স্বীয় অনুভূতিসাপেক্ষ, ই বাহ্যিক অভিজ্ঞান বা যুক্তি তৰ্কৰ উৰ্দ্ধত; গতিকে ভাষিক ব্যাখ্যাৰ দ্বাৰা ইয়াক কিদৰে বুজাবা? এথু—ইয়াৰ। এথু নাহি অৱকাশ- এই সহজীয়া ধৰ্মত অজ্ঞ লোকৰ প্ৰৱেশ কৰাৰ অৱকাশ নাই। জো বুঝই ইত্যাদি:—যিয়ে সহজীয়া তত্ত্ব বুজে তেওঁও কথাৰ দ্বাৰা প্ৰকাশ কৰিবলৈ অক্ষম, ডিঙিত (গলত) কাঁচ লগোৱাৰ নিচিনা তেওঁৰ অৱস্থা হৈ পৰে।

৩৮

ৰাগ—ভৈৰৱী : সৰহপাদানাম্

কাঅ ণাৱড্হি খাণ্টি[১] মণ কেড়ুআল।
সদ্গুৰু ৰঅণে ধৰ পতৱাল ॥
চীঅ থিৰ কৰি ধৰহুৰে[২] নাহী।
অন উপায়েঁ পাৰ ণজাই ॥
নৌবাহী নৌকা টাণঅ[৩] গুণে।
মেলি মেল[৪] সহজে জাউ ণ আণেঁ ॥
বাটত[৫] ভঅ[৫] খাণ্ট বি বলআ।
ভৱ উলোলেঁ ষঅ[৬] বি বোলিআ ॥
কুললই খৰে সোন্তে উজাঅ।
সৰহ ভণই গঅণেঁ[৭] পমাএঁ[৮] ॥

পাঠান্তৰ

১। খাণ্টি, শাস্ত্রী, বাগচী, শহীদুল্লাহ; থাণ্টি, লিপি, সেন। ২। ধৰহুৰে, সেন, শাস্ত্রী, বসু, বাগচী, ধহুৰে, লিপি। ৩। টাণঅ, বাগচী, সাংকৃত্যায়ন, দাশগুপ্ত; টাগুঅ, লিপি। ৪। মেলি মেল, শাস্ত্রী, সেন, সাংকৃত্যায়ন, বসু; মেলি মেলি, বাগচী, নীসেন। ৫-৫। বাটত ভঅ, সাংকৃত্যায়ন, বাগচী, শহীদুল্লাহ, দাশগুপ্ত; বাট অভঅ, শাস্ত্রী, সেন। ৬। সব, বসু, সাংকৃত্যায়ন, দাশগুপ্ত; ষঅ, নীসেন। ৭। গঅণেঁ, শাস্ত্রী, সেন, সাংকৃত্যায়ন, নীসেন; গণেঁ, লিপি। ৮। সমাঅ, বাগচী, বসু, সাংকৃত্যায়ন; পমাএঁ, সেন, নীসেন।

গূঢ়াৰ্থ

সিদ্ধাচাৰ্য্য সৰহপাদে প্ৰতীকৰ সহায়ত বৌদ্ধ সহজীয়া তত্ত্ব ব্যাখ্যা কৰিছে। ইয়াত কায়া বা দেহক নাৱৰ লগত আৰু দৃঢ় মনটোক গুৰি-বঠাৰ লগত তুলনা কৰা হৈছে। নদীত নাও চলাবলৈ হলে গুৰি-বঠা আৰু কিছুমান পাত-বঠাৰ আৱশ্যক। গন্তব্য স্থানলৈ ঠিকে ঠিকে নাও যাবলৈ আৰু গতি ক্ষিপ্ৰ কৰিবলৈ গুৰি-বঠা আৰু পাত-বঠা নহলে নহয়। এই সঁজুলিবোৰৰ অবিহনে নাওবীয়াই যথা সময়ত লক্ষ্যস্থানত উপনীত হব নোৱাৰে। এই নিচিনাকৈ যোগীৰ চিত্তও সহজীয়া ধৰ্মৰূপ নদীত লক্ষ্যস্থানৰূপ নিৰ্বাণ অভিমুখে

আগ বাঢ়োঁতে মনটো দৃঢ় কৰি লব লাগিব আৰু সদ্‌গুৰুৰ উপদেশ আখৰে আখৰে পালন কৰিব লাগিব, নহলে যোগীয়ে কেতিয়াও নিৰ্বাণ লাভ কৰিব নোৱাৰে। সৰহপাদে কৈছে—'হে নাওৰূপ যোগী, তোমাৰ চিত্ত স্থিৰ কৰি ধৰ্ম-নদীত তত্ত্ব-নাও চলোৱা; কাৰণ ইয়াৰ বাহিৰে ভৱ-নদী পাৰ হোৱাৰ আন উপায় নাই। হে নাওৰীয়া, নাৱৰ ৰছীত টানি ধৰা আৰু সহজপথেৰে গৈ থাকা, আন পথেদি নাযাবা।' অৰ্থাৎ জাগতিক লোভ-মোহ, বিষয়-বাসনা সমস্ত পৰিত্যাগ কৰি বজ্ৰগুৰুৰ উপদেশ লৈ সহজীয়া তত্ত্ব বুজি যোগীয়ে নিষ্ঠাৰে আগবাঢ়িব লাগে; জপ-মন্ত্ৰ, ধ্যান-তপস্যা, যাগ-যজ্ঞ আদি বিভিন্ন পথেৰে চলিব নালাগে। এই প্ৰসঙ্গত সিদ্ধাচাৰ্য্য সৰহপাদে যোগীক সোঁৱৰাই দিছে যে সহজীয়া পথো একেবাৰে সুগম নহয়, ইয়াতো ভয়ৰ কাৰণ আছে। কিয়নো, বিষয়-বাসনাৰ প্ৰতি সাধক যদি আকৰ্ষিত হয়, তেনেহলে চন্দ্ৰ-সূৰ্য্য বা গ্ৰাহ্য-গ্ৰাহক ভাৱৰূপ দুটা বলৱান শক্তিয়ে তেওঁৰ মনত সাংসাৰিক সুখৰ ভাৱ প্ৰৱলৰূপে জগাই তুলি লক্ষ্যভ্ৰষ্ট কৰিব। আচলতে জাগতিক আকৰ্ষণেই সাধকৰ মানসিক উৎকৰ্ষতাৰ প্ৰধান বাধা। অৱশ্যে এই বাধাকো অতিক্ৰম কৰাৰ উপায় আছে। সৰহপাদে কৈছে যে সাধনাৰ ক্ষেত্ৰত কঠোৰভাৱে চিত্ত সংযম আৰু দৃঢ় কৰি বৈষয়িক অৱস্থাৰ বিপৰীতে সহজানন্দৰ অভিমুখে দ্ৰুত গতিৰে আগ বাঢ়িব লাগে। তেনে কৰিলে সহজ-শূন্যতাত লীন যাব পাৰি। শূন্যতাত মিলিব পাৰিলেই মহাসুখ পোৱা যায়।

শব্দ-টোকা

কাঅ নাৱড্‌হি—দেহৰূপ নাও। নাৱড্‌হি বা নাৱড়ি—সৰু নাও। 'খান্টি' বা খাণ্টি শব্দটোৰ তিনিটা অৰ্থ হব পাৰে; এটা অৰ্থ হব—সৰু. ক্ষুদ্ৰ, খণ্ড (< খণ্ডিকা)। নাৱড্‌হি খাণ্টি বা 'নাৱড়ি-খান্টি' হিচাবে ললে ইয়াত 'খান্টি' শব্দটোৱে নাৱৰ ক্ষুদ্ৰত্ব নিশ্চয় কৰিব। আনহাতে ইয়াক নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয় হিচাবেও ধৰিব পাৰি, তেতিয়া খানি বা খনি অৰ্থ কৰিব; যেনে:—সৰু নাওখানি।

শব্দটোৰ আন এটা অৰ্থ হব পাৰে—খাটি অৰ্থাৎ শুদ্ধ, দৃঢ়। তেতিয়া ই 'মন' শব্দটোৰ বিশেষণ পদ বুলি বিবেচিত হব, আৰু তাৰ অৰ্থ হব খাটি মন, নিৰ্ভেজাল মন, পবিত্ৰ মন, দৃঢ় মন ইত্যাদি। চৰ্য্যাটিত এই তিনিওটা অৰ্থই সিদ্ধ। পতৱাল—সং পত্ৰৱাল পত্তআল>পতৱাল=পাত-বঠা, সৰু বঠা। লিপিত 'পতৱাল' শব্দৰ ল-টো -ত-যেন লগা হৈছে। ধৰন্ত/ধৰন্তৰে—ধৰা। নাহী—নাৱৰ মাজভাগ (<নাভি), মধ্যম পন্থাও হব পাৰে। অন উপাযেঁ—আন উপায়েৰে। পাৰ ণজাই—পাৰ পোৱা (বা হোৱা) নাযায়। নৌবাহী—নাও বাওঁতা। টাণঅ—টানা। গুণে—গুণত, ৰছীত। মেলি মেল—মেলি দিয়া, চলাই দিয়া। সহজেঁ—সহজীয়া পথত। জাউ ণ আণেঁ—আনপিনে নাযাবা। বাটত ভঅ—বাটত ভয় আছে অৰ্থাৎ বিষয়ৰ প্ৰতি আসক্তি জন্মি লক্ষ্যৰ পৰা পিছলি পৰাৰ ভয় আছে। খাণ্ট—দুষ্ট, ধূৰ্ত্ত। বি বলআ—চন্দ্ৰ-সূৰ্য্য দুয়ো বলৱান হৈ পৰে। 'চন্দ্ৰসূৰ্য্যৌ দ্বৌ বলৱন্তৌ ভৱতঃ'—টীকা। ভৱ উলোলেঁ—ভৱ-সাগৰ উথলি উঠে। 'ভৱসমুদ্ৰ-বিষয়োল্লোলেন'—টীকা। তুলনীয়—'সাগৰ উল্লোল ভৈল।'—(ডঃ সত্যেন্দ্ৰনাথ শৰ্মা, কথা-ৰামায়ণ, পৃ ১০৭)। ষঅ বি বোলিআ—সকলো প্ৰকাৰে ধ্বংস হৈ যায়। 'সৰ্বপ্ৰকাৰেণ বোলিতমিতি'—টীকা। কুললই—কূললৈ, পাৰলৈ, লক্ষ্যস্থানলৈ; অৰ্থাৎ প্ৰকৃতি-পৰিশুদ্ধা অৱধূতিকাৰ ওচৰলৈ। 'সা প্ৰকৃতি-পৰিশুদ্ধা অৱধূতিকা কুলশব্দেন বোদ্ধব্যা'—টীকা। খৰে সোন্তেঁ—খৰ সোঁতত, তীব্ৰ গতিৰে। উজাঅ—উজায়, সন্মুখলৈ আগ বাঢ়ে, ওপৰলৈ উধায়। তুলনীয়—'কাকতী ফৰিঙ্গ যেন খৰ সোঁতে উজাই'। 'আকাশ চানিয়া যেন ফৰিঙ্গা উজাই' (ৰামসৰস্বতীৰ মহাভাৰত)। গঅণে পমাএঁ—গগনত পমি যায়, শূন্যত প্ৰৱেশ কৰি লীন হৈ যায়। টীকাত আছে—'বৈমল্যচক্ৰ দ্বীপে অন্তৰ্ভবতি'।[২০]

২০। লিপিত 'পমাএঁ' শব্দটো স্পষ্ট হৈ আছে; ডঃ সেন আৰু ডঃ নীলেনে ঠিকেই পাঠ গ্ৰহণ কৰিছে। শব্দটোৰ অৰ্থ হ'ল—পমি যোৱা গলি যোৱা, লীন হৈ যোৱা, মিলি যোৱা।

৩৯

রাগ—মালশী ঃ সরহপাদানাম্

সুইণাহ[১] অবিদার অরে[২]
নিঅ মণ তোহোরেঁ দোসেঁ।
গুরু বঅণ বিহারেঁ রে
থাকিব তই ঘুণ্ড কইসেঁ॥
অকট হুঁ-ভব গঅণা[৩]।
বঙ্গে জায়া নিলেসি পরে
ভাগেল তোহোর বিণাণা॥
অদভুঅ[৪] ভব মোহা রে
দিসই পর অপ্যণা[৫]।
এ জগ জলবিম্বকারে
সহজেঁ সুণ অপণা॥
অমিআ আচ্ছন্তেঁ বিস গিলেসি রে
চিঅ পর বস[৬] অপা।
ঘারেঁ পারেঁ কা বুজ্ঝিলে মরে
খাইব মই দুঠ[৭] কুণ্ডুরাঁ॥
সরহ ভণন্তি বর সুণ গোহালী
কি মো দুঠ্য বলন্দেঁ[৮]।
একেঁলে জগ নাসিঅ রে
বিহরুঁই চ্ছন্দেঁ[৯]॥

পাঠান্তর

১। সুইণাহ, লিপি, শাস্ত্রী, সেন ; সুইণেঁ হো, বাগচী, সাংকৃত্যায়ন ; সুইন হথ, নীসেন। ২। অবিদারঅ রে, সেন : অবিদার অরে, শাস্ত্রী ; বিদারম রে, নীসেন। ৩। গঅণা, শাস্ত্রী, সেন ; ইঅণা, লিপি। ৪। অদঅভুঅ, লিপি, নীসেন ; অদভুঅ, শাস্ত্রী, বাগচী, শহীদুল্লাহ, সেন। ৫। অপ্যণা, লিপি, সেন, নীসেন ; অপ্পণা, শাস্ত্রী, বাগচী। ৬। পসর বস, সেন ; পরবস, শাস্ত্রী, বাগচী, নীসেন। ৭। দুঠ, লিপি, সেন, নীসেন। ৮। বলন্দেঁ, শাস্ত্রী, বসু ; বল:দে, সেন, নীসেন। ৯। বিরহুঁ ই চ্ছ:ন্দেঁ, শাস্ত্রী ; বিরহু ঊইন্দ্রেঁ লিপি, সেন, বিহরহুঁ সুচ্ছন্দে, বাগচী, সাংকৃত্যায়ন।

গূঢ়াৰ্থ

প্ৰাচীন কামৰূপত সৰহপাদ নামেৰে এজন কবি, সঙ্গীতজ্ঞ, তত্বজ্ঞ আৰু সহজযান ধৰ্মৰ বিশিষ্ট সিদ্ধাচাৰ্য্য আছিল। তেওঁ এই ধৰ্মৰ জৰিয়তে ভাৰতীয় ধৰ্ম-জগতত খৃষ্টীয় ৮ম-৯ম শতিকামানত এক নতুন যুগৰ সূচনা কৰিছিল।[২১] তেওঁ গুৰুৰ উপদেশৰ ওপৰত গুৰুত্ব আৰু শিষ্যৰ কৰ্ত্তব্য পালনৰ ওপৰত বিশেষ জোৰ দিছিল। চৰ্য্যাটিত সৰহপাদৰ আধ্যাত্মিক উৎকৰ্ষতাৰ আভাস পোৱা যায়।

সিদ্ধাচাৰ্য্য সৰহপাদে চিত্তক সম্বোধন কৰি কৈছে—'হে মন, তুমি সপোনত অবিদ্যাৰূপ বিষয়-বস্তুৰ প্ৰতি আকৃষ্ট হোৱাৰ দৰে জাগতিক আশা-আকাঙ্খাত মজি আছা; এইয়া তোমাৰ নিজৰহে দোষ। তুমি অজ্ঞান-অবিদ্যা এতিয়াও দূৰ কৰিব পৰা নাই। অথচ এইবোৰ সপোনত দেখা বস্তুৰ দৰেই মিছা। কিন্তু সাধনাত সিদ্ধি লাভ কৰিবলৈ হলে মিছা বাসনাবোৰ পৰিত্যাগ কৰি সদ্‌গুৰুৰ উপদেশ নিষ্ঠাৰে পালন কৰা, পথহাৰা পথিকৰ দৰে অবাৱতে ঘূৰি নুফুৰিবা। তেনে কৰিলে তুমি গুৰুৰ বচনৰূপ বিহাৰত (বৌদ্ধ-মন্দিৰত) কেনেকৈ থাকিবা?'

'গুৰুৰ কৃপাত মই নিগূঢ় তত্ব বুজিব পাৰিছো। হুঙ্কাৰ-বীজৰ পৰা উদ্ভৱ হোৱা মোৰ চিত্ত শূন্যতা-গগনত সোমাই পৰিছে; ফলত মোৰ অবিদ্যাজনিত সকলো দোষ লয় পাইছে। অৰ্থাৎ অদ্বয়-তত্ব সম্পূৰ্ণ বুজি উঠাত মোৰ সকলো ধৰণৰ বৈকল্পিক ভাৱ নাইকিয়া হৈছে।'

ভৱ-মোহ বৰ অদ্ভূত ধৰণৰ; ইয়েই আপোন-পৰৰ ভেদ জ্ঞান সৃষ্টি কৰে। কিন্তু চিত্ত সহজানন্দত বুৰ গলে তাৰ অস্তিত্ব পানীত প্ৰতিফলিত হোৱা চন্দ্ৰৰ নিচিনা হয়; অৰ্থাৎ পানীত প্ৰতিবিম্বিত হোৱা চন্দ্ৰটো যিদৰে আচল চন্দ্ৰ নহয়, সেইদৰে চিত্তই দেখা জগতখনো অস্তিত্বপূৰ্ণ নহয়। এইবোৰ দৃষ্টিভ্ৰম মাত্ৰ।

জাগতিক বিষয়-বাসনাৰ বশ হৈ থকা চিত্তক সম্বোধন কৰি

২১। দোহাকোশ, ভূমিকা, পৃঃ ১

সৰহপাদে কৈছে—"হে চিত্ত, সহজানন্দৰূপ অমৃত থাকোঁতে বিষ পান কৰাৰ প্ৰয়োজন কি? ঘৰ বা পৰ নাইবা বাহিৰ বা ভিতৰ বোলা কথাযাৰৰ দ্বাৰা কি বুজিলি? তোৰ ভিতৰতেই দুষ্ট কুটুমে বাস কৰিছে, সিহঁতক মই খাম অৰ্থাৎ নাশ কৰিম।" ইয়াৰ দ্বাৰা সৰহপাদে মনৰ ভিতৰত থকা ৰাগ-দ্বেষ, কপট-কূৰ্চ্চ্‌ট, মায়া-মোহ আদিক দূৰ কৰাৰ কথা কৈছে। এইবোৰ ধ্বংস হলে নিজৰ দেহৰ ভিতৰতে নৈৰাত্মাক লাভ কৰাৰ ইঙ্গিত দিয়া হৈছে।

চৰ্য্যাটিৰ সামৰণিত সিদ্ধাচাৰ্য্য সৰহপাদে কৈছে যে দুষ্ট বলধ থকাতকৈ গোহালী শূন্য হৈ থকাই ভাল, কাৰণ, দুৰ্দান্ত বলধ থাকিলে সি অকলেই গোহালী ভাঙি—ছিঙি পেলাব পাৰে। গতিকে তাকো নাৰাখিলে গৃহস্থই নিশ্চিন্ত মনে আনন্দতে থাকিব পাৰে। তত্ত্বমতে লোভ, মোহ, কাম, ক্ৰোধ, মদ (অহঙ্কাৰ), মাৎসৰ্য্য প্ৰভৃতি ৰিপুবোৰক দুষ্ট বলধৰ লগত তুলনা কৰা হৈছে। ইহঁত বৰ শক্তিশালী; ইহঁতৰ যিকোনো এটাই অকলেই মানুহক ধ্বংস কৰিব পাৰে; গতিকে ইহঁতক নাশ কৰা সাধু পুৰুষৰ কৰ্ত্তব্য। সহজীয়া তত্ত্বমতে, সকলো প্ৰকাৰ জাগতিক আকৰ্ষণ বাদ দি সহজানন্দত স্বচ্ছন্দে বিহাৰ কৰা বা বিচৰণ কৰা বিধেয়, কাৰণ তাৰ সমান সুখ দ্বিতীয় বিধ নাই।

শব্দ-টীকা

সুইণাহ—সপোনতো, 'স্বপ্নে'পি'—টীকা; অবিদাৰ—অবিদ্যা-ৰূপ দ্ৰব্যাদিৰ প্ৰতি থকা অভিলাষ, বিষয়-বাসনাৰ প্ৰতি থকা মোহ। লিপিত 'অবিদাৰ মৰে' আছে; কিন্তু ম-আখৰটো অ হোৱাই যুক্তি-যুক্ত আছিল। অৰে—সম্বোধনাৰ্থে। তুলনীয়—"শুন অৰে তপসীয়া মন্দবুধি কুবুধিয়া হে, মোক চলে বৰাইলি বৈৰি।'—(দুৰ্গাবৰী গীতি-ৰামায়ণ, বিষয়চন্দ্ৰ বিশ্বাসী সম্পাদিত, ২৭ মাঘ, ১৮৩৭ শক, পৃঃ ১৬)। নিঅ মণ—নিজ মন। অৰে নিঅ মণ—হে চিত্তৰাজ। 'ভো নিজমন-চিত্তৰাজ'—টীকা। তোহোৰেঁ দোসেঁ—তোমাৰ অবিদ্যাৰূপ দোষত। গুৰু বঅণ বিহাৰেঁ ৰে—গুৰুৰ বচনৰূপ চন্দ্ৰৰ জেউতিৰে উদ্ভাসিত

ত্ৰৈলোক্যত বিহাৰ কৰা (হে চিত্তৰাজ)। বিহাৰেঁ—বিচৰণ কৰা, ফুৰা। ঘুণ্ড- ঘূৰন্ত লোক, ঘূৰি-ফুৰা মানুহ, পৰ্য্যটক। হুঁ-ভৱ— হুঙ্কাৰ বীজৰ পৰা উদ্ভৱ হোৱা চিত্তৰাজ, বিশ্ববজ্ৰ। গঅণা—আকাশ, শূন্যতা। বঙ্গে জায়া নিলেসি—প্ৰভাস্বৰ-শূন্যতাত প্ৰৱেশ কৰা হ'ল। 'বঙ্গে' শব্দৰ দ্বাৰা অদ্বয়তত্ত্ব বা নৈৰাত্মাক বুজোৱা হৈছে; এই নৈৰাত্মাক জায়াৰূপে কল্পনা কৰা হৈছে। 'জায়া' শব্দটি মাধৱ কন্দলিৰ ৰামায়ণত আছে, যেনে:– 'স্বপনৰ কথা যত কহিলাহা প্ৰাণ-জায়া, জানিবা সকলে আল-জাল।'—(কিষ্কিন্ধ্যা কাণ্ড, ৩৫৮৭)। নিলেসি— নিলে, ললে। পৰে ভাগেল তোহোৰ বিণাণা—পাছত তোমাৰ (বা তোৰ) অবিদ্যাজনিত বিষয়-বিজ্ঞান নষ্ট হ'ল। ভাগেল—ভগ্ন হ'ল, ভাঙিল, নষ্ট হ'ল। পৰ অপ্যণা—পৰ-আপোন। এ জগ—এই জগত। জলবিম্বকাৰে—পানীত প্ৰতিফলিত হোৱা চন্দ্ৰৰ নিচিনা। সহজেঁ স্থণ অপণা—সহজানন্দত বুৰ গলে আত্মাৰ শূন্যতা উপলব্ধি হয়। অমিআ—অমৃত। তুলনীয়—'অধৰ অমিয়া দিয়া ৰাখহি মধাই'— উদ্ধৱজান নাট। আচ্ছন্তেঁ– থাকোঁতে। তুলনীয়—'ভৃত্য আছন্তে স্বামী বিদূৰ গমন'—(মাধৱ কন্দলিৰ ৰামায়ণ, সুন্দৰাকাণ্ড)। বিস— বিষ। গিলেসি—গিলেছি। পৰবস—পৰবশ, বশৱৰ্ত্তী। অপা— আত্ম। ঘাৰেঁ পাৰে—ঘৰে-পৰে, বাহিৰে-ভিতৰে। কা—কি। বুজ্‌ঝিলে—বুজিলি। খাইব মই দুঠ কুণ্ডুৰাঁ– মই দুষ্ট কুটুম সদৃশ ৰাগ-দ্বেষ, হিংসা-কপট আদি ৰিপুবোৰক নাশ কৰিম (খাম)। দুঠ - দুষ্ট > দুট্‌ঠ > দুঠ। কুণ্ডুৰাঁ– কুটুম্ব। বৰ স্থণ গোহালী– শূন্য গোহালী ভাল। বৰ—(বাৰু), ভাল। কি মো দুঠ্য বলন্দেঁ– দুষ্ট বলধে মোক কি কৰি দিব? অৰ্থাৎ দুষ্ট বলধে মোৰ একো উপকাৰ নকৰে। দুঠ্য দুষ্ট। বলন্দেঁ – বলধে। একেঁলে - অকলে। জগ নাশিঅ –জগত নাশ কৰে; দুষ্ট বলধৰূপ চিত্তই অকলেই সকলো নাশ কৰে। বিহৰঁই চ্ছন্দ্ৰেঁ– আনন্দত বিহাৰ কৰে (বা বিচৰণ কৰে)। চ্ছন্দ্ৰেঁ/চ্ছন্দে/সুচ্ছন্দে – স্বচ্ছন্দে, আনন্দেৰে। টীকামতে 'সুচ্ছন্দে' হয়।

৪০

ৰাগ—মালসীগবুড়া ঃ কাহ্নুপাদানাম্

জো মণগোএৰ[১] আলাজালা।
আগম পোথী ইষ্টামালা[২] ॥
ভণ কইসেঁ সহজ বোলৱা জাঅ।
কাঅ বাক চিঅ জসু ণ সমাঅ ॥
আলে গুৰু উএসই সীস।
বাকপথাতীত কাহিব[৩] কীস ॥
জেতই বোলী তেত বিটাল।
গুৰু বোব[৪] সে সীস কাল ॥
ভণই কাহ্নু জিণ ৰঅণ বি কইসা[৫]
কালেঁ বোব সংবোহিঅ জইসা ॥

পাঠান্তৰ

১। মণগোঅৰ, বসু, নীসেন ; মণগোএৰ, শাস্ত্ৰী, সেন,। ২। ইষ্টাম:লা, শাস্ত্ৰী, নীসেন, বসু ; টন্টামালা, সেন। ৩। কহিব, বসু ; কাহিব, শাস্ত্ৰী, সেন, নীসেন। ৪। বোব, বাগচী, শহীদুল্লাহ, বসু ; বোধ শাস্ত্ৰী, সেন। ৫। কইসা, সেন, নীসেন, বসু, শহীদুল্লাহ।

গূঢ়াৰ্থ

সহজযান পন্থাৰ বিশেষত্ব হ'ল সাধানাৰ দ্বাৰা চৰম তত্ত্ব সাক্ষাৎ কৰা। এক অনিৰ্বচনীয় সূক্ষ্ম অনুভূতিৰ দ্বাৰাহে সেই তত্ত্ব উপলব্ধি কৰিব পাৰি। সিদ্ধাচাৰ্য্য কাহ্নুপাদে কৈছে যে যিটো মনৰ গোচৰীভূত কথা সেইয়া আল-জাল ভাৱৰ নিচিনা অস্পষ্ট কথা। অস্পষ্টতাই হ'ল বিকল্পাত্মক ভাৱ। আগম-শাস্ত্ৰ আৰু জপ-মন্ত্ৰ প্ৰভৃতিও সাধনাৰ বাহ্যিক আড়ম্বৰ মাত্ৰ। এইবোৰৰ দ্বাৰা সহজীয়া তত্ত্বৰ উচ্চত্ব হৃদয়ঙ্গম কৰা নাযায় ; কাৰণ, কায়-বাক্-চিত্তয়ো ইয়াক ঢুকি নাপায়, ই ইন্দ্ৰিয়গ্ৰাহ্য তত্ত্ব নহয়। অতীন্দ্ৰিয় অনুভূতিৰ যোগেদিহে সাধকে ইয়াৰ সাৰ-তত্ত্ব বুজে। পণ্ডিতমন্য গুৰুৱে মিছাতেই শিষ্যক পণ্ডীয় উপদেশ দিয়ে, কিন্তু ভাষাৰ দ্বাৰা যাক প্ৰকাশ কৰিব নোৱাৰি

তাক তেওঁ কিদৰে শিষ্যক বুজাই কব? যিজনে ভাষাৰ মাধ্যমত সহজীয়া তত্ত্ব ব্যাখ্যা কৰিব বিচাৰে, তেওঁ ভুল ব্যাখ্যাহে কৰে; এইয়া বোবা গুৰুৱে কলা শিষ্যক বাক্‌ভঙ্গীৰে উপদেশ দিয়াৰ নিচিনা কথা। তেনেহলে সহজীয়া তত্ত্ব কেনেকৈ বুজোৱা যাব?—তাৰ উপায় হ'ল এই যে—আকাৰে-ইঙ্গিতে বোবা মানুহে কাণ-কলা মানুহক যিদৰে কথা বুজায়, সেইদৰে গুৰুৱো শিষ্যক বক্তব্যৰ আভাস মাত্ৰ দি অতীন্দ্ৰিয় সহজানন্দৰ তত্ত্ব বুজায়। এই বুজনি উপলব্ধিৰ গভীৰতাৰ ওপৰত নিৰ্ভৰশীল।

শব্দ-টোকা

জো মণগোএৰ—যি মন-ইন্দ্ৰিয়ৰ গোচৰীভূত হয়। আলাজালা—আল-জাল (যেনে, টোপনিৰ আল-জাল ভঙা নাই); তত্ত্বমতে, মননেন্দ্ৰিয়ৰ গ্ৰাহ্য সকলো কথাই বিকল্পাত্মক, এইটোও শুদ্ধ সেইটোও শুদ্ধ যেন লাগে। তুলনীয় 'স্বপনৰ কথা যত কহিলাহা প্ৰাণজায়া, জানিবা সকলে আলজাল'—(মাধৱ কন্দলিৰ ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড)। আগম পোথী—আগম-শাস্ত্ৰ। ইষ্টামালা—ইষ্টমালা, জপমালা। ভণ কইসেঁ—কেনেকৈ কোৱা। সহজ বোলৱা জাঅ—সহজীয়া তত্ত্ব ব্যাখ্যা কৰা যায়। বোলৱা—বুজোৱা, ব্যাখ্যা কৰা। কাঅ বাক চিঅ জস্মু ণ সমাঅ—কায়-বাক্-চিত্ত যাৰ ভিতৰত নোসোমায়; অৰ্থাৎ কায়-বাক্-চিত্ত ইন্দ্ৰিয়ৰ দ্বাৰা সেই গূঢ়তত্ত্ব উপলব্ধি কৰা নাযায়। জস্মু—যাৰ। সমাঅ—সোমায়। আলে—নিস্ফল, বৃথা। উএসই—উপদেশ দিয়ে। সীস—শিষ্য। কাহিব—কব, ব্যাখ্যা কৰিব। জেতই বোলী তেত বি টাল - সহজানন্দ সম্পৰ্কে যিহকে কোৱা হয় সেই সকলো-বিলাক নিস্ফল (যিহকে তুমি কোৱা সেই সকলোবোৰ চঞ্চলতা সুলভ প্ৰকাশ মাথোন)। জেতই—যিহকে-তিহকে। বোলী—বোলা হয়, কোৱা হয়। তেত বি টাল—সেই সকলোবিলাক চাঞ্চল্যজনিত অসৎ ৰূপাদি। বোব—বোবা। সে সীস কাল—সেই শিষ্যজন কলা। কাল—কলা, কাণেৰে নুশুনা। ৰঅণ—অতীন্দ্ৰিয় সহজ-সুখৰূপ বস্তু। ইয়াক চতুৰ্থানন্দও বোলে। কইসা—কেনেকুৱা, কেনেকৈ। অৰ্থৰ

কাজৰ পৰা 'কইসা' শব্দটিৰ সলনি 'তইসা' শব্দটি থাকিলে অধিক সঙ্গতিপূৰ্ণ হ'ল হেঁতেন। তুলনীয়—'পেখু সুঅণে অদশ জইসা। অন্তৰালে মোহ তইসা॥'—(চৰ্য্যা ৪৬)। কালেঁ বোব সংবোহিঅ জইসা—কলা মানুহে বোবাক যিদৰে সংকেতেৰে বুজাই কয় তেনেকৈ)। কালেঁ—কলা। সংবোহিঅ—সংবোধিত, বুজাই দিয়ে, জনায়। জইসা—যেনেকৈ, যি ধৰণে।

৪১

ৰাগ—কহ্নগুঞ্জৰী ঃ ভুসুকুপাদানাম্

আইএ অণুঅনা এ জগ ৰে ভান্তিএঁ[১] সো পড়িহাই।
ৰাজসাপ দেখি জো চমকিই যাবে[২] কিঙ্ক[৩] বোড়ো খাই॥
অকট জোইআ ৰে মা কৰ হথা লোন্হা[৪]।
আইস সহাৱেঁ জই জগ বুঝিষি তুট বাষণা তোৰা॥
মৰুমৰীচি গন্ধ(ব) নইৰী[৫] দাপতিবিম্বু[৬] জইসা।
বাতাবত্তেঁ সো দিঢ় ভইআ অপেঁ পাথৰ জইষা॥
বান্ধিসুআ[৭] জিম কেলি কৰই খেলই বহুবিহ খেড়া।
বালুআ-তেলেঁ সসৰ-সিংগে আকাশ[৮] ফুলিলা॥
ৰাউতু ভণই কট ভুসুকু ভণই কট সঅলা অইস সহাৱ।
জই তো মূঢ়া অচ্ছসি ভান্তী পুচ্ছতু সদ্গুৰু-পাৱ॥

পাঠান্তৰ

১। ভান্তিএঁ, লিপি; ভাংতিএঁ, শাস্ত্ৰী, শহীদুল্লাহ, সেন, নীসেন। ২। যাবে, লিপি; সাচে, বাগচী, শহীদুল্লাহ। ৩। কিঙ্ক, লিপি; কি কুঁ, সেন; কি তঁ, বাগচী; কিং তং, শাস্ত্ৰী; কিং কং, নীসেন। ৪। লোন্হা, সেন, (পুথিত 'ন—হা' যুক্তবৰ্ণ হিচাবে আছে); লোহ্না, বাগচী, শাস্ত্ৰী। ৫। গন্ধ (ব) নইৰী, সেন; গন্ধনইৰী, শাস্ত্ৰী; গন্ধৱ নঅৰী, বাগচী; গন্ধৱনঅৰী, শহীদুল্লাহ ৬। দাপতিবিম্বু, লিপি, বাগচী, শাস্ত্ৰী; ৭। বাঁধিসুআ, নীসেন; বাংধি-সুআ, সেন। ৮। আকাশ, শাস্ত্ৰী, বাগচী, মুখোপাধ্যায়; আকাশে, সেন, নীসেন।২২

২২ লিপিত 'জইসা' শব্দৰ 'জ'-আখৰটোৰ ঠিক তলতে 'আকাশ' শব্দৰ 'শ'-আখৰটো লিখা হৈছে; লিখোতে 'জ' আৰু 'শ' আখৰ দুটা উৰ্দ্ধকমাৰ নিচিনা পাতল বেঁকা আঁচ এডালে লগ লগোৱা যেন লাগে, প্ৰকৃততে সেইডাল জ-ৰহে বৰ্দ্ধিতাংশ আঁচ, শ-ৰ ওপৰত দিয়া এ-একাৰ নহয়; তদুপৰি সমস্ত গীতটোত দেৱনাগৰী এ-একাৰ কতো নাই, তেনেস্থলত অকল শ-টোৰ ওপৰত দেৱনাগৰী লিপিৰ এ-কাৰ কি শব্দটো লিখা বুলি মনে নধৰে।

গূঢ়াৰ্থ

পাৰমাৰ্থিক তত্ত্বজ্ঞসকলে জানে যে এই জগত আদিতে উৎপন্ন হোৱা নাই; অবিদ্যা-ভ্ৰান্তিৰ বশৱৰ্ত্তী লোকসকলেহে ভাবে যে জগতৰ অস্তিত্ব আছে। এইয়া জৰী এডালকে অকস্মাৎ দেখি সাপ বুলি হোৱা ভ্ৰমৰ নিচিনা। কিন্তু জৰী এডাল জানো বাইৰথ সাপ হব পাৰে? ৰজ্জু-সাপে জানো খাব পাৰে? —কেতিয়াও নোৱাৰে। সেইয়া মাথোন মানসিক ভ্ৰম, তাত বাহিৰে আন একো নহয়। জগতৰ অস্তিত্ব সম্বন্ধেও তেনেকুৱা ভ্ৰম হয়। ভুসুকুপাদে কৈছে—'হে মূঢ় যোগী, নিজৰ হাত নিজে কোঙা নকৰিবা অৰ্থাৎ এই জগতৰ অস্তিত্ব থকা বুলি ভাবি মিছাতেই নিজৰ শক্তি ক্ষয় নকৰিবা। বৰঞ্চ জগতখন অনিত্য আৰু অস্তিত্বহীন বিষয়ক প্ৰজ্ঞা-জ্ঞান যদি লাভ কৰিব পাৰা, তেনেহলে তোমাৰ ভৱ-বিকল্পজাত সকলো প্ৰকাৰ বাসনা-দোষ টুটি যাব। আচলতে এই সংসাৰখন মৰুভূমিৰ মৰীচিকা, কল্পনাৰ গন্ধৰ্ব নগৰ; আইনাৰ প্ৰতিবিম্ব যেনেকুৱা মিছা, এই সংসাৰখনো তেনেকুৱা অসাৰ। বতাহৰ আৱৰ্ত্তনৰ ফলত সাগৰৰ মাজত উঠা পানীগছাক যেনেকৈ সুদৃঢ় শিলাস্তম্ভ বুলি বোধ জন্মে, অথচ সি স্থায়ী নহয়, তেনেকৈ ক্ষন্তেকীয়া বৈকল্পিক ভাৱৰ প্ৰভাৱতো জগতৰ অস্তিত্ব মানুহৰ মনত প্ৰতিভাত হয়। বাঁজী তিৰোতাৰ সন্তান জন্মি নানাবিধ খেলা কৰা যেনে অসম্ভৱ, বালিৰ তেল, শহাপহুৰ শিং আৰু ফুলৰ দৰে ফুলি উঠা আকাশ কথাকেইটাও তেনে অবাস্তৱ।' অৰ্থাৎ এইবিলাকৰ নিচিনা জগতৰ অস্তিত্বও অলীক কল্পনাৰ পৰিচায়ক। সিদ্ধ ৰাউতু তথা ভুসুকুপাদে সনিৰ্বন্ধে কয় যে, 'জগতৰ সকলোৰে এনেকুৱাই স্বভাৱ। যদি তুমি মূঢ় হৈ আছা, তেন্তে বৈকল্পিক ভ্ৰম দূৰ কৰিবলৈ সদ্‌গুৰুৰ চৰণত সুধি লোৱা।'

শব্দ-টোকা

আইএ—আদিতে। অণুজনা—অনুৎপন্ন। ভান্তিএঁ—ভ্ৰান্তিত, ভুলত। পড়িহাই—প্ৰতিভাত হয় (<প্ৰতিভাসতে)। ৰাজসাপ—

ৰজ্জু সৰ্প, ৰছীক সাপ বুলি কৰা ভ্ৰম। চমকিই—চমকিত হয়, চমক খায়। যাৰে—(<সত্যেন), সাঁচে, সঁচা, সঁচা বুলি। কিঙ্ক-কাক। বোড়ো—বাইৰথ সাপ। খাই-খায়, কামোৰে। অকট—মূৰ্খ, মূঢ়। মা কৰ—নকৰিবা। হথা (<হাথ)—হাত। লোন্হা—ক্ষয়গ্ৰস্ত, কোঙা। আইস সহাৱেঁ—এনেকুৱা স্বভাৱেৰে, এই প্ৰকৃতিৰে। জই জগ বুঝিথি—যদি জগতৰ স্বৰূপ বুজিব পাৰা। 'যদি জগত স্বৰূপাবগমং কৰোষি'—টীকা। তুট বাষণা তোৰা—তোমাৰ জাগতিক বাসনা কমি যাব (নাইকিয়া হ'ব)। মৰুমৰীচি—মৰুভূমিৰ মৰীচিকা। গন্ধবনইৰী—গন্ধৰ্ব নগৰী, কল্পনাৰ নগৰ। দাপতিবিম্বু / দাপণ-পতিবিম্বু—আইনাৰ প্ৰতিবিম্ব, বিকল্পজাত ভাৱ। বাতাবত্তেঁ—বতাহৰ আৱৰ্ত্তনত। সো দিঢ় ভইআ—সি দৃঢ় হৈ। অপেঁ—পানীৰ পৰাই। পাথৰ-শিল, শিলাস্তম্ভ (পানীগছা অৰ্থত)। বান্ধি সুআ—ৰন্ধ্যা বা বাঁজী তিৰোতাৰ সুত (সন্তান, পুত্ৰ)। কৰই—কৰে। খেলই—খেলে। বহুবিহ—বহুবিধ। খেড়া—খেলা। বালুআ-তেলেঁ—বালিৰ তেল, অৰ্থাৎ অসম্ভৱ কাৰ্য্য বুজোৱা অৰ্থত 'বালিৰ তেল' বুলি কোৱা হয়। সসৰ-সিংগে—শহাপহুৰ শিং। শহাৰ শিং নাই, তথাপি অবাস্তৱ কথা বুজাবলৈ ইয়াৰ উদাহৰণ দিয়া হয়। আকাশ ফুলিলা—আকাশ-কুসুম সদৃশ। ৰাউতু—ভুম্বুকুৰ আন এটি নাম। কট—নিশ্চিতভাৱে। সঅলা অইস সহাৱ—সকলোবোৰেই এনেকুৱা স্বভাৱৰ। জই তো মূঢ়া অচ্ছসি—যদি তুমি অজ্ঞ হৈ আছা। ভান্তী—ভ্ৰান্তি, ভুল। সদ্গুৰুপাৱ—সদ্গুৰুৰ চৰণ। পুচ্ছতু সদ্গুৰু-পাৱ—সদ্গুৰুৰ চৰণ চুই তেওঁৰ উপদেশ প্ৰাৰ্থনা কৰা।

৪২

ৰাগ—কামোদ ঃ কাহ্নুপাদানাম্‌

চিঅ সহজে শূণ সংপুন্না।
কান্ধবিয়োএ মা হোহি বিসন্না॥
ভণ কইসে কাহ্নু নাহি।
কৰই অনুদিনঁ তৈলোএ পমাই[১]॥

মূঢ়া দিঠ নাঠ দেখি কাঅৰ।
ভাগ[২] তৰঙ্গ কি সোষই সাঅৰ[৩]
মূঢ়া অচ্ছন্তে লোঅ ণ পেখই।
দুধ মাঝেঁ লড় ণ চ্ছন্তেঁ[৪] দেখই॥
ভৱ জাই ণ আৱই এথু কোই।
অইস[৫] ভাৱে বিলসই কাহ্নিল জোই॥

পাঠান্তৰ

১। পমাই, লিপি; সমাই, বাগচী, শহীদুল্লাহ। ২। ভাগ, লিপি; ভাঙ্গ, বাগচী,। ৩। সাৰঅৰ, লিপি; সাঅৰ, শাস্ত্ৰী, বাগচী, শহীদুল্লাহ, সেন, নীসেন। ৪। নড়ণ চ্ছন্তেঁ, সেন; লড়ণচ্ছংতে, শাস্ত্ৰী; লড় ণচ্ছন্তে, নীসেন। ৫। আইস, লিপি, সেন; অইস, বাগচী, শহীদুল্লাহ, নীসেন।

গূঢ়াৰ্থ

সহজানন্দত বুৰ গলে চিত্তৰ অস্তিত্ব নাথাকে, সি সম্পূৰ্ণ শূন্যতাৰে ভৰি থাকে। সিদ্ধাচাৰ্য্য কাহ্নুপাদে তেনেকুৱা অৱস্থাত থাকি শিষ্যক কৈছে যে—'স্কন্ধ-বিয়োগত বিষণ্ণ নহবা।' কাৰণ সিদ্ধযোগীৰ জন্ম বা মৃত্যু নাই। গতিকে কাহ্নু নাই বুলি কব নোৱাৰি। সহজানন্দত বুৰ গৈ তেওঁ ত্ৰৈলোক্যত বিৰাজ কৰি থাকে। মূঢ়লোকে চকুৰ আগত সদায় দেখি থকা বস্তু নষ্ট হোৱা দেখিলে কাতৰ হৈ পৰে; কিন্তু সেইয়া নিৰৰ্থক বেদনা। সহজাৱস্থাত লীন হৈ থকা কাহ্নুক নেদেখি শিষ্যবৰ্গ ই অস্থিৰ হোৱাটোও অমূলক কথা। কিয়নো, সাগৰত ঢৌ উঠি আকৌ মাৰ যায়, সেইবুলি সাগৰ শুকাই নাযায়। মূঢ় হলে অৰ্থাৎ অবিদ্যাৰূপ বিকল্প ভাৱ দূৰ নহলে মহাসিদ্ধ লোকক দেখা নাযায়, এইয়া যেন গাখীৰৰ মাজত ননী থকা সত্বেও দেখা নোপোৱাৰ নিচিনা কথা। সংসাৰলৈ আহে আৰু ইয়াৰ পৰা গুচি যায়—এনেকুৱা কোনো বস্তু নাই। জন্ম আৰু মৃত্যু অথবা সৃষ্টি আৰু বিনাশ—এইবোৰ বৈকল্পিক চিন্তাত বাহিৰে আন একো নহয়। মূঠতে জগতৰ স্বৰূপত্ব বুজি আৰু জন্ম-মৃত্যুৰ জ্ঞান-ৰহিত হৈ সিদ্ধাচাৰ্য্য কাহ্নুপাদে আনন্দতে বিচৰণ কৰিছে।

চৰ্য্যাটিত বেদান্ত দৰ্শনৰ 'ব্ৰহ্মাস্মি সোঽহম্' ভাৱ পৰিস্ফুট হৈছে। ইয়াত কোৱা হৈছে যে পঞ্চস্কন্ধাত্মক স্থূল দেহৰ অৱসানতো আনন্দময় সহজ-স্বৰূপ থাকে, ই এক সৰ্বব্যাপ্ত সদানন্দ শাশ্বত অস্তিত্ব; ইয়াক ইন্দ্ৰিয়গ্ৰাহ্য দৃষ্টিৰে দেখা নাপায়, ই হ'ল ইন্দ্ৰিয়াতীত চৰম উপলব্ধি।

শব্দ-টীকা

চিঅ সহজে শূণ সংপুন্না—চিত্ত শূন্যতাৰে পৰিপূৰ্ণ হৈ আছে; অৰ্থাৎ চিত্ত অচিন্ত্যত লীন হৈছে। সংপুন্না—সম্পূৰ্ণ। কান্ধবিয়োএ—স্কন্ধৰ বিয়োগত, অৰ্থাৎ পঞ্চস্কন্ধাত্মক দেহৰ অৱসান ঘটাত। মা হোহি বিসন্না—বিষণ্ণ নহবা; দুখ নকৰিবা। ভণ কইসে কাহ্নু নাহি—মূঢ় যোগীক সম্বোধন কৰি চৰ্য্যাৰচক কাহ্নুৱে কৈছে যে সহজাৱস্থাত লীন হোৱা হেতুকে কাহ্নুপাদ নাই বুলি কিদৰে কবা? ফৰই—প্ৰকাশিত হয়, আনন্দতে ফুৰে (<স্ফুৰতি)। অনুদিনঁ—দিনে দিনে, সদায়। তৈলোএ পমাই—ত্ৰৈলোক্যত পৰিব্যাপ্ত হৈ; ত্ৰৈলোক্যত পমি গৈ; অৰ্থাৎ ক্ষুদ্ৰ সত্তা বিৰাট সত্তাৰ সৈতে মিলি পৰি। দিঠ—দৃষ্ট>দিট্‌ঠ>দিঠ; দৃষ্টিত পৰা, দেখা। নাঠ—নষ্ট (নষ্ট>নট্‌ঠ>নাঠ)। কাঅৰ—কাতৰ, আতুৰ। ভাগ—ভাঙি যোৱা (ভঙ্গ>ভগ্‌গ>ভাগ)। সোষই—শুহি যায়, শুকাই যায় (<শোষয়তি)। সাঅৰ—সাগৰ। অচ্ছন্তে—থাকিলে, থাকোঁতে। মূঢ়া অচ্ছন্তে—মূৰ্খ হৈ থাকিলে। লোঅ ণ পেখই—সিদ্ধ লোকক দেখা নাযায়। দুধ মাঝেঁ লড় ণ চ্ছন্তেঁ দেখই'—এই শাৰীটো হব লাগিছিল—'দুধ মাঝেঁ লড় চ্ছন্তেঁ ণ দেখই'। কিন্তু ণ আখৰটো 'দেখই' শব্দৰ আগত নবহি চ্ছন্তেঁ' শব্দৰ আগত বহাত খেলিমেলি লাগিল। সেইকাৰণে ড° সেনে লিখিছে — দুধ মাঝেঁ নড়ণ চ্ছন্তেঁ [ন] দেখই'। লিপিত কিন্তু 'দেখই' শব্দৰ আগত 'ন' নাই। আনহাতে বসু আৰু দাশগুপ্তই পাঠ গ্ৰহণ কৰিছে—'দুধ মাঝেঁ লড় অচ্ছন্তে ন দেখই'। মূঠতে শাৰীটো লিখোতে নকলকাৰকে ভুল কৰা যেন লাগিছে। মন কৰিবলগীয়া কথা যে পদ কাঁকিৰ অৰ্থ কিন্তু সকলো সম্পাদকে একে ধৰণে কৰিছে। কথাখিনিৰ অৰ্থ হ'ল—'এটা গাখীৰৰ মাজত

যে ননী থাকে তাক্ অজ্ঞলোকে নেদেখে।' নড়—ননী। অছন্তে—থাকোঁতে। ভৱ জাই ণ আৱই এস্থ কোই—সংসাৰলৈ আহে নে ইয়াৰ পৰা গুচি যায়—এনেকুৱা কোন বস্তু আছে? আন অৰ্থ—ভৱ নাযায় আৰু নাহে, ইয়াকেহে কোৱা যায়। এস্থ কোই—এনেকুৱা কোন? কোই—কোন। তুলনীয়—'তা বিনা পণ্ডিত তাৰক নাহি কোই' (মাধৱদেৱৰ বৰগীত)। অইস ভাৱে—এই নিচিনা ধাৰণা লৈ। কাহ্নিল জোই—কাহ্নু যোগী।

৪৩

ৰাগ—বঙ্গাল ঃ ভুসুকুপাদানাম্

সহজ-মহাতৰু ফৰিঅ এ তৈলোএ।
খসম সভাৱে ৰে বা ণ মুকা[১] কোএ॥
জিম জলে পাণিআ টলিআ ভেউ[২] নজাঅ।
তিম মণ-ৰঅণা ৰে[৩] সমৰসে গঅণ সমাঅ॥
জাসু[৪] ণাহি[৪] অপ্পা[৫] তাসু[৬] পৰেলা কাহি।
আই অণুঅণা ৰে জাম মৰণ ভৱ নাহি॥
ভুসুকু ভণই কট ৰাউতু ভণই কট সঅলা এহ সহাৱ।
জাই ণ আৱয়ি ৰে ণ তঁহি ভাৱাভাৱ॥

পাঠান্তৰ

১। বা ণ মুকা; বাণত মুকা, বাগচী, নীসেন; বাণভকা, শাস্ত্রী; বাণভকা,[২৩] সেন। ২। ভেউ, বাগচী, শহীদুল্লাহ, নীসেন; ভেড়, শাস্ত্রী, বসু; ভেদ, সেন। ৩। মণ-ৰঅণাৰে, শহীদুল্লাহ, সেন, নীসেন; 'মৰণঅঅণাৰে, লিপি। ৪। 'জৎপুণাহি' লিপি; 'জাসু ণাহি', টীকা, সেন, নীসেন। ৫। অপ্পা, বাগচী, শহীদুল্লাহ, সেন; অধ্যা, লিপি, নীসেন। ৬। তাসু, বাগচী, শহীদুল্লাহ, সেন, নীসেন।

সহজ-অৱস্থাত অৱতীৰ্ণ হলে যোগীৰ চিত্ত অচিত্তত পৰিণত হয়। তেতিয়া তেওঁৰ জাগতিক অস্তিত্ব বা নাস্তিত্ব-জ্ঞান নাথাকে।

২৩। লিপিত আছে—'বাণভকা', ইয়াৰ ভ-আখৰটো ম-ৰ সলনি ভুলতে বহা যেন লাগিছে; ভ আৰু ম-ৰ মাজৰ পাৰ্থক্য বৰ ক্ষীণ; ভ-ৰ সোঁফালে তলে-ওপৰে লগ লাগিলে ম যেন হয়; তেনেদৰে লগ লাগিলেও শব্দটো হ'ব-লৈছেতেন 'মকা'।

সৃষ্টি আৰু বিনাশ তেওঁৰ মনত একেটাই কথা। চৰ্য্যাটিত সহজ-তুল্য চিত্তক মহাতৰুৰ সৈতে তুলনা কৰা হৈছে। যোগীৰ চিত্ত-মহাতৰু তিনিও লোকতে বিয়পি পৰিছে। মহাসুখময় শূন্যতা-স্বভাৱত চিত্ত বিলীন হলে সাংসাৰিক বন্ধনৰ পৰা সকলো মুক্ত হয়। কাৰণ তেতিয়া বোধিচিত্তৰূপ ৰত্ন (মনোৰত্ন) সমৰসীভূত হৈ শূন্যত মিলি যায়। এইয়া যেন পানীৰ লগত পানী মিহলি কৰাৰ নিচিনা কথা। মিশ্ৰিত পানীৰ মাজত যেনেকৈ কোনো পাৰ্থক্য নাথাকে, মহৎ সত্বাৰ লগত ক্ষুদ্ৰ সত্বা একীভূত হলেও তেনেকৈ দুয়োটাৰ মাজত ভেদাভেদৰ চিন নাইকিয়া হয়। এনেকুৱা অৱস্থাত আপোন-পৰ ভাৱ সম্পূৰ্ণ লোপ পায়। সিদ্ধপুৰুষসকলে বুজে যে যদি মূল বস্তুটোৱে উৎপন্ন নহয় তেন্তে তাৰ জন্ম, স্থিতি আৰু বিনাশ থাকিব কেনেকৈ? এই প্ৰসঙ্গত সিদ্ধাচাৰ্য্য ভুসুকুপাদে সনিৰ্বন্ধে কৈছে যে—জগত প্ৰমুখ্যে সকলোৰে এনেকুৱাই স্বভাৱ,—কোনো নাযায় আৰু কোনো নাহেও: তাত ভাৱ বা অভাৱ বুলিবৰ একো নাই। বিকল্পাত্মক ভাৱৰ কাৰণেই মানুহে জন্ম-মৃত্যু, অহা-যোৱা, দৃশ্যাদিৰ উৎপত্তি-ধ্বংস দেখে; কিন্তু শ্ৰেষ্ঠ যোগীসকলে এই কথা স্বীকাৰ নকৰে।

শব্দ-টোকা

সহজ-মহাতৰু—সহজানন্দৰূপ মহাতৰু (বৃহৎ গছ)। ফৰিঅ—পৰিব্যাপ্ত (পৰিস্ফুৰিত)। এ তৈলোএ—এই ত্ৰৈলোক্যত। 'সহজ ···তৈলোএ'—পৰম সুখত মজি থকা যোগীৰ সহজ-চিত্ত তিনিও লোকতে পৰিব্যাপ্ত হৈছে। খসম সভাৱে—শূন্যময় সুখ-স্বভাৱত। 'খসমোপম-সুখস্বভাৱেন'—টীকা। খসম—আকাশ, শূন্যতা (পাৰি-ভাষিক শব্দ)। বা ণ মুকা কোএ—কোন বা মুক্ত নহয়। ত্ৰৈলোক্যত বাৰু কোন বিদ্বানলোকে মুক্ত হব নোখোজে? 'ত্ৰৈলোক্যে ন কো বিদ্বান্ মুক্তো বেত্তি'—টীকা। মুকা—মুক্ত (মুক্ত > মুক্ক > মুকা)। কোএ—কোনে। 'জিম জলে··· জঅ'—পানীত পানী পৰিলে যিদৰে মিলি যায় আৰু তাৰ বিভেদ দেখা নাযায় (সেইদৰে······)।

'যথা বাহ্য-নীৰান্তৰ-প্ৰভেদো ন জ্ঞায়তে বুধৈঃ'—টীকা। জিম—যিদৰে। পাণিআ—পানী। টলিআ—পৰা, মিলি যোৱা। ভেউ—ভেদ, পাৰ্থক্য। নজাঅ—জনা নাযায় (ন জ্ঞায়তে)। 'তিমি·· সমাঅ'—সেইদৰে বোধিচিত্তৰূপ বস্তু সমৰসীভূত হয়। 'তথা মনোবোধি-চিত্তবস্তু-যোগীন্দ্ৰ-সমৰসীভূতম্'—টীকা। তিম—সেইদৰে। মণ-ৰঅণা—চিত্তবস্তু। সমৰসে গঅণ সমাঅ—চিত্ত সমৰসীভূত হৈ শূন্যত প্ৰৱেশ কৰে। 'জাসু···কাহি'—যাৰ চিত্ত অচিত্তত লীন হয়, তাৰ আপোন-পৰ সম্বন্ধে ভেদ-জ্ঞান থাকিব কেনেকৈ? অৰ্থাৎ সিদ্ধযোগীৰ চিত্ত শূন্যতাত মিলি গলে তেওঁৰ সকলো প্ৰকাৰৰ ভেদ-ভাৱ লোপ পায়। 'যস্য যোগীন্দ্ৰস্য আত্মীয় সম্বন্ধো ন স্যাৎ তস্য পৰসম্বন্ধঃ স ইতৰেতৰ এৱ'—টীকা। অপ্পা—আত্মা। তাসু—তাৰ, তেওঁৰ; পৰেলা—পৰসম্বন্ধীয়। কাহি—কিয়, কেনেকৈ। 'আই-অণুঅণা····নাহি'—যি আদিতে উৎপন্ন হোৱা নাই তাৰ জন্ম-মৃত্যু-স্থিতি নাই; যি বস্তু উৎপন্ন নহয় তাৰ জন্ম, স্থিতি, বিনাশ সিদ্ধপুৰুষসকলে নেদেখে; কাৰণ তেওঁলোকৰ দৃষ্টিত সকলোপিনে শূন্যতাহে প্ৰতীয়মান হয়। 'যস্মাদনুৎপন্না যে ভাবাঃ তেষামুৎপাদস্থিতি ভঙ্গা ন দৃশ্যন্তে সিদ্ধপুৰুষৈঃ'—টীকা। আই-অণুঅণা—আদিতে অনুৎপন্না। ভৱ—স্থিতি অৰ্থত। সঅলা এহ সহাৱ—সকলো বস্তু বা কথাৰেই এনেকুৱা স্বভাৱ (প্ৰকৃতি)। 'সকলভাৱানামেষঃ স্বৰূপঃ'—টীকা। 'জাই ণ আৱয়ি ভাৱাভাৱ'—নাযায় আৰু নাহে, অৰ্থাৎ সংসাৰ-কাৰাগাৰলৈ কোনেও অহা-যোৱা নকৰে। সহজানন্দৰ তত্ত্ব যিসকল যোগীয়ে সম্পূৰ্ণ উপলব্ধি কৰে তেওঁলোকে স্বাভাৱিকতেই বিকল্পতাৰ পৰিহাৰ কৰে, গতিকে তেওঁলোকে সংসাৰত উৎপন্ন-ধ্বংস, জন্ম-মৃত্যু আদি একো নেদেখে। ণ আৱয়ি—নাহে। ভাৱাভাৱ—বিকল্প ভাৱ।

৪৪

ৰাগ—মল্লাৰী ঃ কঙ্কণপাদানাম্

সুনে সুন মিলিআ[১] জবেঁ।
সঅল ধাম উইআ তবেঁ॥
আচ্ছহুঁ চউখণ সংবোহী।
মাঝ নিৰোহেঁ[২] অণুঅৰ[৩] বোহী॥

বিহ্লাদ ণ ছিএঁ পইঠা
অণ চাহন্তে আণ বিণঠা ॥
জথাঁ আইলেসি তথা জান।
মাসঁ[৪] থাকী সঅল বিহুণ ॥
ভণই কঙ্কণ কলএল সাদেঁ।
সর্ব্ব বিচুৰিল[৫] তথতা নাদেঁ ॥

পাঠান্তৰ

১। মিলিআ, শাস্ত্রী; মিলিত্তা, সেন, লিপিত 'আ' বা 'ত্তা' অস্পষ্ট। ২। নিৰোহে, বাগচী, শহীদুল্লাহ, সেন, নীসেন। ৩। অনুঅৰ, শাস্ত্রী, সেন, নীসেন; অনুত্তৰ, শহীদুল্লাহ। ৪। মার্সঁ, সেন, নীসেন; মাসং, শাস্ত্রী; মাঝে, বাগচী, শহীদুল্লাহ। ৫। বিচুৰিল, সেন, নীসেন, শাস্ত্রী।

গূঢ়ার্থ

সহজীয়া তত্ত্বমতে চাৰি পৰ্য্যায়ৰ শূন্য আছে; সেইয়া হৈছে—শূন্য, অতিশূন্য, মহাশূন্য আৰু প্ৰভাস্বৰ-শূন্য। তৃতীয় বিধ শূন্য হ'ল স্বাধিষ্ঠান-শূন্য; ইয়াৰ লগত প্ৰভাস্বৰ-শূন্য মিলিত হলে বস্তু-জগতৰ অনিত্যতা সম্বন্ধে প্ৰকৃত জ্ঞানৰ উদয় হয়। পূৰ্ণ শূন্যতাৰ জ্ঞানেই হ'ল মহাসুখৰ উৎস। প্ৰজ্ঞা-জ্ঞান লাভ হলে যোগীৰ চিত্তই সদায় তুৰীয় আনন্দহে উপভোগ কৰি থাকে। পৰিদৃশ্যমান জগতৰ অস্তিত্ব সম্বন্ধীয় জ্ঞান নিৰোধ কৰিব পাৰিলে অনুত্তৰ বোধি বা চৰম-তত্ত্বৰ সন্ধান পোৱা যায়। তেতিয়া নাদ-বিন্দু বা গ্ৰাহ্য-গ্ৰাহক ভাৱ লয় পায়; ফলত চিত্তই জাগতিক অনুভৱ-শক্তি হেৰুৱায় আৰু দৃশ্যাদিৰ স্বৰূপতা উপলব্ধি কৰিব নোৱাৰা হয়। ইয়াৰ পাছত সিদ্ধাচাৰ্য্য কঙ্কণপাদে নিজৰ চিত্তকে কোৱাৰ দৰে কৈছে যে, 'তথতাৰ পৰা যে তোমাৰ উৎপত্তি হৈছে সেই কথা ভালদৰে বুজি লোৱা আৰু সকলো প্ৰকাৰ বিকল্প-ভাৱ এৰি চতুৰ্থানন্দ উপভোগ কৰা।' তেওঁ আকৌ কৈছে যে বালযোগীসকলৰ সাকাৰ-নিৰাকাৰ আদি মতবাদ তথতা বা শূন্য-ধৰ্ম্মৰ ঘোষণাত খণ্ড-বিখণ্ড

হৈছে। মূঠতে কঙ্কণপাদে চৰ্য্যাটিৰ যোগেদি অদ্বয়তত্ত্ব তত্ত্বতাৰ শ্ৰেষ্ঠতা আৰু চৰমানন্দৰ পৰিণতি দাঙি ধৰিবলৈ চেষ্টা কৰিছে।

শব্দ-টোকা

'শুনে সুন মিলিআ জবেঁ'—শূন্যই শূন্যত মিলিত হয় যেতিয়া। টীকা অনুসৰি—যেতিয়া তৃতীয়-স্বাধিষ্ঠান-শূন্যই বজ্ৰগুৰু চতুৰ্থ শূন্যত বা প্ৰভাস্বৰ-শূন্যত মিলে। 'মিলিআ' শব্দটো গঠন অনুসৰি অসমাপিকা ক্ৰিয়াপদ হৈছে। লিপিত আ-টো হাতেলিখা, আধুনিক আখৰ ত্তা-ৰ নিচিনা হৈছে; কিন্তু এনেকুৱা গঢ়ৰ আখৰ গীতটোত কতো নাই। লিপিকাৰে হয়তো 'আ' লিখোতে ত্তা-ৰ দৰে হ'ল। সঅল ধাম—সকলো ধৰ্ম অৰ্থাৎ যাৱতীয় বস্তু-জগত। 'আচ্ছহুঁ চউখণ সংবোহী'—মই সদায় চতুৰ্থানন্দ উপভোগ কৰি আছোঁ। চউখণ—(<চতুঃক্ষণ), সদায়। সংবোহী—সংবোধি (পাৰিভাষিক শব্দ)। 'মাঝ নিৰোহেঁ অণুঅৰ বোহী'—মাজৰ নিৰোধৰ দ্বাৰা অসমাধি-মলবোৰৰ ধ্বংসৰ কথা কোৱা হৈছে। জগতখন আদিতে উৎপন্ন হোৱা নাই, কাজেই ইয়াৰ ধ্বংসও নাই; ইয়াৰ মাজ ভাগত বিকল্প ভাৱৰ হেতু দৃশ্যাদি সম্বন্ধে অস্তিত্ব-জ্ঞান প্ৰবল হৈ উঠে। সেই অস্তিত্ব-জ্ঞান নিৰোধ কৰিব পাৰিলে চৰম-তত্ত্বৰ সন্ধান পাব পাৰি। 'বিন্দুণাদ ণ হিএঁ পইঠা'—পূৰ্ণ সমাধিস্থ অৱস্থাত সিদ্ধৰ গ্ৰাহ্য-গ্ৰাহক ভাৱ নাইকিয়া হয় (বা সিদ্ধৰ পৰিশুদ্ধ চিত্তত গ্ৰাহ্য-গ্ৰাহকভাৱে প্ৰৱেশ নকৰে)। বিন্দুণাদ=বিন্দু+নাদ। 'বিন্দু' মানে গ্ৰাহক-জ্ঞান-বিকল্প; 'নাদ' মানে গ্ৰাহ্য-জ্ঞান-বিকল্প। 'নাদ-বিন্দু' বুলিছে শব্দ দুটাৰ স্থান নিৰ্দ্দেশিত হয়। ণ হিএঁ পইঠা—হৃদয়ত প্ৰৱেশ নকৰে। 'অণ চাহন্তে আণ বিণঠা'—এটা চাওঁতে আন এটা বিনষ্ট হয়; পৰিশুদ্ধ চিত্ত লাভ কৰোঁতে জাগতিক চিত্ত নষ্ট হয়; অৰ্থাৎ চিত্তৰ জাগতিক অনুভৱ-শক্তি লোপ পায়। 'সৰ্ব্বধৰ্ম্ম স্থূলজগৎ শশুন্ চিত্তবোধনঃ প্ৰনষ্টং মম'—টীকা। যাৱতীয় বস্তু-জগতৰ উপলব্ধি-শক্তি লোপ পাইছে আৰু মোৰ চিত্তৰ আত্মভূতিৰ ক্ষমতা নোহোৱা হৈছে।

অণ—অন্য, আন। চাহন্তে—চাওঁতে, বিচাৰোঁতে। বিণঠা—বিনষ্ট>বিণট্ ঠ>বিণঠা (ধ্বংস হোৱা অৰ্থত)। 'জথা আইলেসি তথা জান'—যি পৰমাৰ্থ-বোধিচিত্তৰ পৰা তোমাৰ জন্ম হৈছে সেই তত্ত্ব তুমি বুজি লোৱা। 'মাঝঁ থাকী সঅল বিহণ'—সৃষ্টি-স্থিতি-বিনাশ বুলি কল্পিত সুঁতিটোৰ মধ্যভাগ স্বৰূপ 'সংসাৰখন' অস্তিত্বহীন। গতিকে জাগতিক বিকল্প ভাৱ এৰি মহাসুখ ভোগ কৰা। কলএল সাদেঁ—কলকল শব্দেৰে। 'সৰ্ব্ব বিচুৰিল তথতা নাদেঁ'—সাকাৰ-নিৰাকাৰাদি ভিন্ন মতবাদ তথতাৰ ধৰ্ম-ঘোষণাত ধ্বংস হ'ল। বিচুৰিল—বিচূৰ্ণ হ'ল, বিচ্ছুৰিত হ'ল। পিম্পৰা গুচুম্না ঝুমুৰাত শব্দটি 'বিচুৰল' ৰূপত ব্যৱহৃত হৈছে। তথতা নাদেঁ—তথতা-ধৰ্মৰ ঘোষণা-ধ্বনিত।

৪৫

ৰাগ—মল্লাৰী ঃ কাহ্নুপাদানাম্

মণ তৰু পাঞ্চ ইন্দি তসু সাহা।
আসা বহল পাতহ বাহা[১]॥
বৰগুৰু বঅণে কুঠাৰেঁ ছিজঅ।
কাহ্ন ভণই তৰু পুণ ন উইজঅ[২]॥
বাঢ়ই[৩] সো তৰু সুভাসুভ পাণী।
ছেবই বিদুজন গুৰু পৰিমাণী॥
জো তৰু ছেব ভেৱউ নজাণই[৪]।
সড়ি পড়িআঁ ৰে মূঢ় তা ভৱ মাণই॥
সুন তৰুবৰ[৫] গঅণ কুঠাৰ।
ছেবহ সো তৰু মূল ন ডাল॥

পাঠান্তৰ

১। পাতহ বাহা, লিপি, সেন, নীসেন; পাত ফল বাহা, বাগচী, শহীদুল্লাহ; পাত ফলবাহা, শাস্ত্রী, বসু। ২। উইজঅ, বাগচী, সেন, নীসেন; উইজগ, লিপি। ৩। বাড়ই, বসু, নীসেন; বাটই, শাস্ত্রী, সেন। ৪। ন জাণই, শাস্ত্রী, বাগচী, শহীদুল্লাহ, সেন; 'জাইণ' লিপি-ভ্রম। ৫। শুন্তরু, লিপি, শুণ তরুবর, শাস্ত্রী, বাগচী; সুন তরুবর, সেন, নীসেন।

গূঢ়াৰ্থ

চৰ্য্যাগীতি সাহিত্যৰ ক্ষেত্ৰত সুকবি হিচাবে কাহ্নুপাদৰ যেনেকৈ এখন বিশিষ্ট আসন আছে, ধৰ্মীয় তত্ত্ব-জিজ্ঞাসাৰ প্ৰসঙ্গতো তেওঁৰ তেনেকৈ এখন উচ্চ আসন আছে। উপমা আৰু ৰূপক অলঙ্কাৰৰ মধুৰ প্ৰয়োগৰ হেতুকে তেওঁৰ গীতৰ গূঢ় তত্ত্বসমূহো বোধগম্য হৈ পৰিছে। এই চৰ্য্যাটিত তেওঁ মনক তৰুৰ লগত, পঞ্চ ইন্দ্ৰিয়ক তাৰ ঠাল-ঠেঙুলিৰ লগত আৰু আশা-আকাঙ্ক্ষাক পাত আদিৰ লগত তুলনা কৰিছে। এই গছডাল যেন ক্ৰমবৰ্দ্ধমান গতিত বাঢ়ি থাকে। কাহ্নুপাদে কৈছে যে বজ্ৰগুৰুৰ বচনৰূপ কুঠাৰৰ দ্বাৰা এই গছডাল এনেকৈ কাটিব লাগে যাতে সি পুনৰ উপজিব নোৱাৰে। গুৰিত সদায় পানী দি থাকিলে গছ যিদৰে ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰে, সেই নিচিনাকৈ কামনা-বাসনাৰ দৈনন্দিন প্ৰভাৱৰ ফলতো মন উল্লসিত হৈ উঠে। যোগীয়ে গুৰুৰ উপদেশ লৈ প্ৰজ্ঞাৰূপ কুঠাৰেৰে এই মন-তৰুডালক কাটি পেলায়, অৰ্থাৎ চিত্তৰ পুঞ্জীভূত কামনা-বাসনা, লোভ-মোহ প্ৰভৃতি ৰিপুবোৰ ধ্বংস কৰি পেলায়; তেতিয়াহে তেওঁ সাধনাত সিদ্ধিলাভ কৰিবলৈ সক্ষম হয়। কিন্তু যিজন অনভিজ্ঞ যোগীয়ে মন-তৰুক খণ্ড-বিখণ্ড কৰিব নাজানে অৰ্থাৎ চিত্তক নিঃস্ব-ভাৱী কৰিব নাজানে তেওঁ দুখময় সংসাৰ-সাগৰত পিছলি পৰে, আৰু জগতকে শেষ স্থান বুলি মানি লয়। এই প্ৰসঙ্গত সিদ্ধাচাৰ্য্য কাহ্নুপাদে শিষ্যক উপদেশ দিছে যে—'অবিদ্যাৰূপ শূন্য গছডালক প্ৰজ্ঞাৰূপ কুঠাৰেৰে কাটি পেলোৱা; এনে ভাবে কাটা যাতে তাৰ ডাল-পাত, মূল একো বাকী নাথাকে।' অৰ্থাৎ চিত্তক জাগতিক বীজশূন্য কৰিবলৈ কোৱা হৈছে।

শব্দ-টীকা

মণ তৰু—মন ৰূপ তৰু। পাঞ্চ ইন্দি—পঞ্চ ইন্দ্ৰিয় বা পঞ্চেন্দ্ৰিয়; ইয়াৰ দুটা ভাগ, যেনে—পঞ্চ জ্ঞানেন্দ্ৰিয় (অৰ্থাৎ চকু, কাণ, নাক, জিভা আৰু ছাল) আৰু পঞ্চ কৰ্মেন্দ্ৰিয় (অৰ্থাৎ বাক, পাণি, পাদ,

মলদ্বাৰ আৰু মূত্ৰদ্বাৰ)। সাহা—শাখা বা ঠাল-ঠেঙুলি। বহল পাতহ—ডাঙৰ পাতবোৰ। বাহা—(বাহ্ + আ, ইয়াত আ স্বৰ ধ্বনিটো সাহা শব্দৰ অন্ত্য স্বৰৰ লগত সঙ্গতি ৰখাৰ হেতু প্ৰয়োগ হৈছে) বাহ, পুঞ্জ, বোৰ। আসা বহল পাতহ বাহা—তাৰ আশা-বিলাক বহল-ডাঙৰ পাত-ফল সদৃশ ; 'আশা তস্য পত্ৰবহলফলঞ্চেতি'—টীকা। 'মন তৰু…বাহা' :—তৰু সদৃশ মনৰ পঞ্চেন্দ্ৰিয় ঠাল-ঠেঙুলি স্বৰূপ, আৰু বিবিধ আশা-আকাঙ্ক্ষা বহল পাতজোপাৰ দৰে। বৰগুৰু বঅণে কুঠাৰেঁ—বজ্ৰগুৰুৰ বচনৰূপ কুঠাৰেৰে। চিজঅ—ছেদন কৰা (<ছিদ্যতে), কাটা। পুণ ন উইজঅ—পুনৰ উৎপন্ন বা উৰ্দ্ধমুখী নহয়, পুনৰ ওপৰলৈ নুঠে। উইজঅ—সং উৎপদ্যতে> উইজ্জই>উইজই, উইজঅ (উৎপন্ন হয়)। 'বাঢ়ই সো তৰু সুভাসুভ পাণী'—ভাল বা বেয়া পানী হলেও গুৰিত পৰিলে সেই গছো বাঢ়িবলৈ ধৰে। সেইদৰে মানুহৰ চিত্তও জাগতিক আশা-আকাঙ্ক্ষা, লোভ-মোহ আদিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ সংসাৰ-সুখৰ প্ৰতি তাৰ স্পৃহা প্ৰবল হবলৈ ধৰে। সো তৰু—সেই গছডাল। সুভাসুভ—শুভ + অশুভ (ভাল আৰু বেয়া)। পৰিমাণী—পৰিমাণ কৰি, গুৰুৰ তত্ত্ব-উপদেশ বুজি। 'জো তৰু·······নজাণই' :—যিজন যোগীয়ে এই মন-তৰু খণ্ড-বিখণ্ড কৰিব নাজানে ; 'যেহপি বালযোগিনঃ চিত্তবৃক্ষস্য ছেদমিতি নিঃস্বভাবীকৰণং ন জানন্তি'—টীকা। ছেব-ভেৱউ—ছেদ ভেদ কৰা, খণ্ড-বিখণ্ড কৰা। ছেব - ছিয়াব, কাটিব। ভেৱউ—ভেদ কৰা। নজাণই—নাজানে। 'সড়ি পড়িআ…মাণই' :—সেই মূঢ়জনে নিৰ্বাণ-পথৰ পৰা পিছলি পৰি সংসাৰখনকে শেষ স্থান বুলি মানি লয়। 'তেহপি সংসাৰ-দুঃখবাৰিধৌ ষটিত্বা পতন্তি। পুনস্তত্ৰৈব ভৱগ্ৰহং কুৰ্ব্বন্তি'—টীকা। সড়ি পড়িআঁ—সৰি পৰি। তা ভৱ মাণই—সেই ভৱকে মানি লয়। সুন তৰুবৰ—অৱিদ্যাৰূপ শূন্য তৰু। গঅণ কুঠাৰ—শূন্যতাৰূপ কুঠাৰ, প্ৰজ্ঞাৰূপ কুঠাৰ। ছেবহ সো তৰু—সেই তৰুক ছেদন কৰা। তত্ত্বমতে, বাসনাযুক্ত চিত্তক খণ্ডন কৰা। মূল ন ডাল—সকলো ডাল-পাতেই নহয়, তাৰ

মূল পৰ্য্যন্ত, শিপা পৰ্য্যন্ত। 'ছেবহ ডাল' :—এনেভাৱে ডালে-মূলে কাটা যাতে সি পুনৰ নজন্মে। 'যেন পুনৰিন্দ্ৰিয়স্যাধীনং ন ভৱতীতি'—টীকা। অৰ্থাৎ স্বভাৱী চিত্তক এনেভাৱে নাশ কৰা যাতে সি পুনৰ ইন্দ্ৰিয়ৰ অধীন নহয়'।

৪৬

ৰাগ—শৱৰী : জয়নন্দীপাদানাম্

পেখু সুঅণে অদশ জইসা।
অন্তৰালে মোহ তইসা॥
মোহ বিমুক্কা জই মণা[১]।
তবেঁ টুটই অৱণা-গমণা॥
নৌ দাটই[২] নৌ[৩] তিমই ন চ্ছিজ্জই।
পেখ মাআ[৪] মোহে বলি বলি বাঝই[৫]॥
ছাঅ মাআ কাঅ সমাণা।
বেণি পাখেঁ সোই বিণাণা[৬]॥
চিঅ তথতা-স্বভাৱে ষোহিঅ[৭]।
ভণই জঅনন্দি ফুড় অণ ণহোই॥

পাঠান্তৰ

১। মণা, বাগচী, শহীদুল্লাহ, মাণা, লিপি, সেন। ২। দাঢ়ই, বাগচী, শহীদুল্লাহ, নীসেন ; দাটই, সেন। ৩ নউ, শহীদুল্লাহ ; ণৌ, লিপি। ৪। মাআ, বাগচী, শহীদুল্লাহ ; মোঅ, সেন। ৫। বাজ্‌ঝই, সেন ; বাঝই, লিপি। ৬। বিণাণা, শাস্ত্ৰী, বসু, বিণা সেন ; বি ণাণা, বাগচী, নীসেন। ৭। ষোহিঅ, বাগচী, সেন, নীসেন ; সোহই, দাশগুপ্ত।

গূঢ়াৰ্থ

সিদ্ধাচাৰ্য্য জয়নন্দীপাদে এই চৰ্য্যাটিত মোহাচ্ছন্ন চিত্ত আৰু মোহমুক্ত চিত্তৰ পাৰ্থক্য আৰু তাৎপৰ্য্য দাঙি ধৰিছে। শিষ্যক উদ্দেশ্য কৰি কৈছে যে—'চোৱা, দাপোণত দেখা প্ৰতিবিম্ব আৰু সপোনত দেখা দৃশ্য যেনেকুৱা, মানুহৰ মনৰ ভিতৰত থকা মোহাকৰ্ষণো তেনেকুৱা।' আইনাৰ প্ৰতিবিম্ব বা সপোনৰ দৃশ্য

যিদৰে সঁচা নহয়, মনৰ মোহে সৃষ্টি কৰা জগতখনো সেইদৰে সঁচা নহয়। মোহগ্ৰস্ত মনটোৱেই হ'ল অপবিশুদ্ধ চিত্ত যাৰ ভ্ৰান্তিবশতঃ নানা বৈকল্পিক ভাৱৰ সৃষ্টি হয়। যদি এই চিত্ত মোহবিমুক্ত হয়, অৰ্থাৎ সদ্‌গুৰুৰ উপদেশৰ দ্বাৰা পৰিশুদ্ধ হৈ জন্ম-মৃত্যু-স্থিতি আদি বিকল্প ধাৰণাসমূহ ত্যাগ কৰে, তেন্তে সেই চিত্তৰ সংসাৰলৈ অহা-যোৱা কৰা দুখময় গতি বন্ধ হয়। তেনেকুৱা চিত্তক জুইয়ে নোপোৰে, পানীয়ে তিয়াব নোৱাৰে আৰু অস্ত্ৰয়ো তাক নাকাটে। মন কৰিবলগীয়া কথা এই যে অজ্ঞ লোকবিলাকে ইয়াৰ গূঢ় তত্ত্ব আৰু পৰোপকাৰ সুবুদ্ধি নিজে নিজেই সাংসাৰিক মায়াজালত দৃঢ়ভাৱে আবদ্ধ হৈ পৰে। কিন্তু পৰম তত্ত্বজ্ঞসকলে মানসিক উৎকৰ্ষতাৰ হেতু ছায়া-মায়া একে সমান বুলি গ্ৰাহ্য কৰে। তেওঁলোকৰ মতে পক্ষ-অপক্ষ বুলি কোনো বিকল্পাত্মক দ্বিধা ভাৱ নাই; অদ্বয়-জ্ঞানেই হ'ল বিজ্ঞান বা প্ৰজ্ঞা, ইয়াৰ বলতহে নিৰ্বাণ লাভ কৰিব পাৰি। জয়নন্দীপাদে স্পষ্টভাৱেই কৈছে যে তথতা-স্বভাৱে চিত্তক সুশোভিত কৰে; নিৰ্বাণ-প্ৰাপ্তিৰ বাবে চিত্তৰ পূৰ্ণশুদ্ধিয়েই আচল কথা—তাত বাহিৰে আন একো নহয়।

শব্দ-টোকা

পেখু—চোৱা, দেখা (<প্ৰেক্ষ)। উদাহৰণ :—'আহে লোকাই, পেখু পেখু, হৰি-গুণ-নাম শ্ৰৱণ-কীৰ্ত্তন বিনে কলিত গতি নাহি'—(কেলিগোপাল নাট)। সুঅণে—সপোনত (<স্বপ্নে)। অদশ—অদৃষ্ট, দেখা নোপোৱা অৰ্থাৎ সপোনৰ ঘটনা বাস্তৱত দেখা নোপোৱাৰ দৰে মিছা। অন্তৰালে—আঁৰালত, ব্যৱধানত। বিমুক্কা—বিমুক্ত। মণা—মন। টুটই—টুটে, কমে। অৱণা-গমণা—অহা-যোৱা। মাধৱ-দেৱৰ বৰগীতত আছে—'পুনু পুনু আয়ন-গমন এৰায়ো।' নৌ দাঢ়ই—জুইয়ে নোপোৰে। দ্‌আ+হ্‌য়্‌অ=দাহ্য>দাহঅ>দাহই>দাঢ়ই। টীকা—'অগ্নিনা ন দগ্ধং ভৱতি।' নৌ তিমই—নিতিতে, নিতিজে (<ন তিম্যতি)। ন ছিজ্জই—ছেদ্ নকৰে, নাকাটে (<ন ছিদ্যতে)। 'নৌ দাঢ়ই···ন ছিজ্জই' :—পৰিশুদ্ধ চিত্ত এনেকুৱা এটা বস্তু যাক

জুইয়ে নোপোৰে, পানীয়ে তিয়াব নোৱাৰে, আৰু অস্ত্ৰেৰেও কাটিব নোৱাৰি। এই অদ্বয় সত্তাটি অদাহ্য, অক্লেদ্য, অচ্ছেদ্য, অশোষ্য; ই নিত্য, সৰ্ব ব্যাপ্ত, স্থিৰ, অচল, সনাতন, অব্যক্ত, অচিন্ত্য, অবিকাৰ্য্য। গীতাত কোৱা হৈছে—'অচ্ছেদ্যোঽয়মদাহ্যোঽয়মক্লেদ্যোঽশোষ্য এব চ। নিত্যঃ সৰ্ব্বগতঃ স্থাণুৰচলোঽয়ং সনাতনঃ॥' – (শ্ৰীমদ্ভগৱদ্‌ গীতা, দ্বিতীয় অধ্যায়)। মোহে – মায়া-মোহত, মায়াজালত। বলি বলি – দৃঢ়ভাৱে, সজোৰে। বাঝই – বদ্ধ হয়, বজে। 'পেখ ··· বাঝই' :– চোৱা, অজ্ঞলোকবিলাক মায়াজালত বৰ টানকৈ বজে বা আবদ্ধ হয়। 'ছাঅ মাআ কাঅ সমাণা' :—ছায়া-মায়া-কায়া সমান; এইবোৰক একে বুলি গণ্য কৰে। মোহ গুচাই তত্ত্বজ্ঞসকলে অনিত্য জগতৰ অন্যান্য দৃশ্যৰ নিচিনা নিজকে ছায়া-মায়াৰ তুল্য বুলি অভিজ্ঞান কৰে। বেণি পাখেঁ—দুই পক্ষ; পক্ষ-অপক্ষ, ভৱ-নিৰ্বাণ আদি বিকল্প ভাৱ। সোই বিণাণা—সিয়েই বিজ্ঞান, সেয়ে প্ৰজ্ঞা। অৰ্থাৎ যি জ্ঞানে বিকল্পাত্মক ভাৱ গুচায়, সেই জ্ঞানহে বিশেষ জ্ঞান বা বিজ্ঞান। 'চিঅ তথতা-স্বভাৱে ষোহিঅ'—পৰিশুদ্ধ চিত্তক তথতাৰ স্বভাৱ বা গুণে শোভিত কৰে। তথতাৰ স্বভাৱ মানে শূন্যতাৰূপ প্ৰকৃতি, সকলো দোষ-বৰ্জ্জিত গুণ। ষোহিঅ—শোভিত কৰে। ফুড়—স্ফুট, স্পষ্ট। অণ ণহোই—অন্য নহয়, আন একো নহয়।

৪৭

ৰাগ – গুঞ্জৰী ঃ ধামপাদানাম্

কমল কুলিশ মাঝেঁ ভইঅ[১] মিঅলী[২]।
সমতা-জোঁএ জলিঅ[৩] চণ্ডালী॥
ডাহ ডোম্বী ঘৰে লাগেলি আগি।
সসহৰ[৪] লই সিঞ্চহুঁ পাণী॥
নউ খৰ জালা ধূম ণ দিশই।
মেৰু শিখৰ লই গঅণ পইসই॥
দাঢ়ই[৫] হৰিহৰ বান্ধ[৬] ভড়া[৭]।
ফীটা দুই ণৱগুণ শাসন পড়া॥

ভণই ধাম ফুড় লেহুৰে জাণী।
পঞ্চ নালেঁ উঠি গেল পাণী॥

পাঠান্তৰ

১—১। ভইম মিঅলী, সেন; ভইঅ মিঅলী, বসু, নীসেন। ২। জলিঅ, শাস্ত্রী, বসু, সেন; জলিল, বাগচী। ৩। সসহৰ, সেন, বসু; সহৰলি, লিপি। ৪। ফাড়ই, বসু, নীসেন, টীকা; ফাটই, সেন; ৫—৫। বান্ধ ভডা, শাস্ত্রী, সেন, বসু। ৬। লেহুৰে, লিপি; লেহ ৰে, বাগচী, শহীদুল্লাহ; লেহুঁ ৰে, সেন।

গূঢ়াৰ্থ

'প্রজ্ঞা আৰু উপায়ৰূপ কমল আৰু কুলিশৰ মিলন হ'ল; সিবিলাকৰ লগত মইও (ধামপাদ) মিলি গলোঁ। এই মিলনৰ দ্বাৰা সহজানন্দ অনুভূত হৈছে। সকলো বিষয়তে সমতাৰূপ প্রজ্ঞা-বায়ুৰ দ্বাৰা চণ্ডালীৰূপিণী মোৰ প্রকৃতি জ্বলি উঠিছে। পৰিশুদ্ধ অৱধূতী ডোম্বীৰ ঘৰত এই জুই লাগিছে।' ইয়াত ডোম্বী শব্দই নৈৰাত্মাক বুজাইছে। সেই জুইয়ে বিষয়-বাসনাৰ আশ্রয়-স্থল চিত্তক পুৰি পেলাইছে; অৰ্থাৎ চিত্তক অচিত্ততাত লীন নিয়াইছে। এনেকুৱা পৰিশুদ্ধ চিত্তক লৈ এতিয়া ডোম্বীৰ ঘৰত লগা মহাসুখসদৃশ জুইকুৰাক নুমাব লাগিব, অৰ্থাৎ বহুতৰ কাম্য মহাসুখৰ অনুভূতিকো নাশ কৰি পৰম নিৰ্বাণ লাভ কৰিব লাগিব।

আমাৰ দৈনন্দিন ব্যৱহাৰত লগা জুইৰ প্রখৰ তাপ অনুভূত হয়, তাৰ ধোঁৱাও দেখা যায়; কিন্তু জ্ঞানৰূপ জুইৰ তীক্ষ্ণ তাপ বা ধোঁৱা একো নাই। এই জ্ঞানাগ্নিয়ে বিকল্পাত্মক ভাৱাভাৱ পুৰি গগনৰূপ মহাসুখ-চক্রত সাধকক প্রৱেশ কৰায়; তেতিয়া হৰি-হৰ-ব্ৰহ্মা প্রভৃতি দ্বৈতজ্ঞান আৰু ন প্রকাৰ বায়ুৰ লগতে ইন্দ্রিয় আদিৰ দ্বাৰা উপভোগ্য বিষয়সমূহো পুৰি শেষ কৰা হয়। ফল স্বৰূপে চিত্তৰ সুখানুভূতি লোপ হৈ মহানিৰ্ব্বাণত সোমাই পৰে। চৰ্য্যাৰ সামৰণিত ধামপাদে স্পষ্টভাৱে কৈছে যে 'হে সাধক, নিৰ্ব্বাণৰ গূঢ় তত্ত্ব তুমি ভালকৈ জানি লোৱা। গুৰুৰ কৃপাত মোৰ পাঁচোটা নলীৰে নিৰ্ব্বাণমুখী পানী ওপৰলৈ উঠি গৈছে। অৰ্থাৎ মই নিৰ্ব্বাণ লাভ কৰিছোঁ।'

শব্দ-টোকা

কমল কুলিশ মাঝেঁ—কমল আৰু কুলিশৰ মিলনত, অৰ্থাৎ প্ৰজ্ঞা আৰু উপায়ৰ মিলনত। 'মাঝেঁ' শব্দই ইয়াত 'মিলন' অৰ্থ কৰিছে। ভইঅ মিঅলী—মিহলি হ'ল, চিত্ত আৰু বজ্ৰৰ মিলনত মিলি পৰিলোঁ। সমতা জোএঁ—সমতাযোগে; ইয়াৰ তত্বগত অৰ্থ হ'ল ৰবি আৰু শশী অৰ্থাৎ প্ৰজ্ঞা আৰু উপায়ৰ মিলন। জলিঅ চণ্ডালী—চণ্ডালীৰূপিণী মোৰ প্ৰকৃতি পুৰি গ'ল। জলিঅ—জ্বলি গ'ল। চণ্ডালী—চণ্ডালৰ তিৰোতা; তান্ত্ৰিক অৰ্থত তেজঃস্বৰূপ অধিষ্ঠাত্ৰী যোগিনী। 'ডাহ ··· আগি' :—ডোম্বীৰ ঘৰত দাহন কাৰ্য্য চলিছে, জুই লাগিছে। বিষয়-বাসনাৰ আশ্ৰয়-স্থল চিত্ত দগ্ধ হৈছে, অৰ্থাৎ চিত্ত অচিত্ততাত লীন গৈছে। লাগেলি আগি—জুই লাগিল। আগি—জুই (<অগ্নি>অগ্‌গি>আগি)। সসহৰ লই—শশধৰক লৈ। ইয়াত পৰিশুদ্ধ বোধিচিত্তক শশধৰ বোলা হৈছে। বিঞ্চহুঁ পাণী—পানী সিচোঁ। নউ—নতুবা, অন্যথা। খৰ জালা—তীব্ৰ তাপ, চোকা জুই। ধূম—ধোঁৱা। ণ দিশই—দেখা নাযায় (ন পশ্যতে)। মেৰু শিখৰ লই—সুমেৰু শিখৰলৈ, সুমেৰুৰ শিখৰত। গঅণ পইসই—গগনৰূপ মহাসুখ-চক্ৰত প্ৰৱেশ কৰে, শূন্যতাত লীন হয়। 'দাঢ়ই হৰিহৰ বাহ্ম ভৰা' :—হৰি, হৰ, ব্ৰহ্মা প্ৰভৃতি প্ৰধান দেৱতা সম্বন্ধীয় জ্ঞান পোৰা গ'ল। তন্ত্ৰানুসাৰে—বিটনাড়ী (ব্ৰহ্মা), মূত্ৰনাড়ী (হৰি), শুক্ৰনাড়ী (হৰ), আৰু ললনা-ৰসনা আদি নাড়ীক পুৰি। 'ফীটা···পড়া' :—ওপৰত উল্লেখিত সকলোবিলাক দগ্ধ হোৱাৰ লগতে ন বিধ প্ৰাণবায়ু আৰু ইন্দ্ৰিয়াধীন বিষয়সমূহো পোৰা গ'ল। ফীটা হই—পোৰা গৈ, দগ্ধ হৈ বা হ'ল। ণৱগুণ—ন বিধ প্ৰাণবায়ু। 'শাসন' শব্দই ইন্দ্ৰিয়ৰ অধীন বিষয়-বাসনা-সমূহক বুজাইছে। পড়া—পৰিল, ধ্বংস হ'ল। জেহুৰে জাণী—জানি লোৱা অৰ্থাৎ নিৰ্ব্বাণ তত্বৰ বিষয়ে বুজি লোৱা। 'পঞ্চ নালেঁ··· পাণী' :—পাঁচটা নলীৰে নিৰ্ব্বাণ অভিমুখে পানী ওপৰলৈ উঠি গৈছে। পঞ্চ নালেঁ—পাঁচটা নলীৰে। এই পাঁচটা নলী হ'ল—বিটনাড়ী, মূত্ৰনাড়ী, শুক্ৰনাড়ী,

ললনা-নাড়ী আৰু ৰসনা-নাড়ী। ইহঁত ৩২ ডাল প্ৰধান নাড়ীৰ অন্তৰ্গত। উঠি গেল পাণী—পানী ওপৰৰ পিনে উঠি গ'ল। অৰ্থাৎ পৰিশুদ্ধ চিত্তৰূপ পানী মহাৰাগ-অগ্নিৰ স্ফুৰাৰলৈ ওপৰলৈ উঠি গ'ল অথবা অচিন্ত্যতাত লীন হৈ মহানিৰ্বাণত পৰ্য্যবসিত হ'ল।

৪৯

ৰাগ—মল্লাৰী ঃ ভুসুকুপাদানাম্

বাজ[১] ণাৱ পাড়ী পঁউআ খালেঁ বাহিউ।
অদঅ বঙ্গালে[২] দেশ লুড়িউ॥
আজি ভুসুকু[৩] বঙ্গালী ভইলী।
ণিঅ ঘৰিণী চণ্ডালী লেলী॥
ডহি জো পঞ্চ পাটণ[৪] ইন্দি বিসআ[৫] ণঠা।
ণ জানমি চিঅ মোৰ কহিঁ গই পইঠা॥
সোণ ত ৰুঅ[৬] মোৰ কিম্পি ণথাকিউ।
নিঅ পৰিবাৰে মহাসুহে[৭] থাকিউ॥
চউকোড়ি ভণ্ডাৰ মোৰ লইআ সেস।
জীৱন্তে মইলেঁ নাহি বিশেষ॥

পাঠান্তৰ

১। বাজ, শাস্ত্ৰী, সেন, বসু ; বাজ, বাগচী। ২। বঙ্গালে, শাস্ত্ৰী, বসু, নীসেন ; দঙ্গালে, সেন। ৩। ভুসুকু, সেন ; ভুসু, লিপি। ৪। পঞ্চ পাটণ, বসু, টীকা ; পঞ্চ ধাটণ, লিপি। ৫। ইন্দি বিসআ, বাগচী, সেন ; ইংদি বিসআ, নীসেন। ৬। সোণ ত ৰুঅ, বাগচী ; সোণ ৰুঅ, শাস্ত্ৰী, সেন। ৭। মহানেহে, সেন, নীসেন ; মহাসুহে, শাস্ত্ৰী, বাগচী, শহীদুল্লাহ।

গূঢ়াৰ্থ

সিদ্ধাচাৰ্য্য ভুসুকুপাদে কৈছে—'বজ্ৰ নামৰ নাওখন পদ্ম-পুখুৰীত বালোঁ। দয়াহীন বঙ্গালে বা নিৰ্দ্দয় বিদেশীয়ে দেশ লুটি নিয়াৰ দৰে অদ্বয়-সুখ স্বৰূপ অদ্বয়-জ্ঞান সদৃশ বঙ্গালে দেহৰ অবিদ্যাজাত দুখ-ক্লেশবোৰ নাইকিয়া কৰিলে। আজি ভুসুকু বঙ্গালী হ'ল। চণ্ডালীক নিজৰ তিৰোতা কৰি ললে।' অৰ্থাৎ পদ্ম-পুখুৰীৰূপ শূন্যতা আৰু

বজ্ৰ নাও তুল্য চিত্তৰ মিলন হ'ল। তেতিয়া অদ্বয়জ্ঞান স্বৰূপ বঙ্গালে যেন ভুসুকুৰ অবিদ্যাজাত দুখ-ক্লেশ সকলো নাইকিয়া কৰিলে। গতিকে ভুসুকুপাদে প্ৰজ্ঞা-জ্যোতিৰ দ্বাৰা অদ্বয়জ্ঞানৰূপ বঙ্গালী হৈ পৰিল। আনহাতে তেওঁ মোহাবিষ্ট চিত্তক পৰিশুদ্ধ কৰি চণ্ডালী অৰ্থাৎ প্ৰভাস্বৰ প্ৰকৃতিৰে উদ্গীত কৰি ললে আৰু মহাসুখত বুৰ গ'ল। সেই মহাসুখৰূপ অনলে পঞ্চস্কন্ধ আশ্ৰিত বিষয়-বেদনা, অহঙ্কাৰ আৰু পঞ্চপ্ৰকাৰ আদি ভোগ তথা যাৱতীয় ইন্দ্ৰিয়াসক্তি পুৰি নষ্ট কৰিলে। ফলত সাধকৰ চিত্তত নিৰ্বিকল্প-জ্ঞানৰ উদয় হ'ল আৰু তেনে অৱস্থাত আগৰ স্বভাৱী চিত্ত ক'ত গৈ সোমাল তাক বুজা নগল। চিত্ত অচিন্ত্যতাত লীন হোৱাৰ ফলত ভৱ আৰু নিৰ্বাণ বিষয়ক ভেদ-জ্ঞানো তিৰোহিত হ'ল। তেতিয়া ভুসুকুপাদে কৈছে যে তেওঁ এইদৰে সিদ্ধি লাভ কৰি শূন্যমণ্ডলত মহাসুখেৰে আছে। তেওঁৰ সৎ, অসৎ, সদসৎ আৰু সৎও নহয় অসৎও নহয় —এই চাৰিবিধ বিচাৰ-ভঁৰাল অদ্বয়জ্ঞানৰূপ বঙ্গালে শেষ কৰি পেলাইছে; গতিকে এতিয়া তেওঁ জীৱন-মৰণ সম্পৰ্কে কোনো বিশেষত্ব নেদেখে; অৰ্থাৎ জীৱন-মৰণ আদি বিকল্পাত্মক ভাৱ তেওঁৰ এতিয়া লোপ পাইছে।

শব্দ-টোকা

বাজ—বজ্ৰ, বজ্ৰগুৰুৰ উপদেশ। নাৱ—নাও। পাড়ী—পেলাইদি; পানীত নাও পাৰি দিয়া অৰ্থত। পঁউআ খালেঁ—পদ্মা-খালত, পদুম পুখুৰীত। তন্ত্ৰমতে, শূন্যতাৰূপ খালত, প্ৰজ্ঞাৰূপ পুখুৰীত। বাহিউ—বাওঁ, বালোঁ, চলালোঁ। অদঅ দঙ্গালে[24] বা অদঅ বঙ্গালে—অদ্বয়জ্ঞান স্বৰূপ বঙ্গালে। ইয়াত 'বঙ্গালে' এটি পাৰিভাষিক শব্দ।

২৪। লিপি অনুসৰি ড° সেনে দঙ্গালে শব্দটো প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে দেখুৱাইছে যে অক্ষয়কুমাৰ দত্তৰ ভাৰতবৰ্ষীয় উপাসক সম্প্ৰদায় গ্ৰন্থত দঙ্গালীয়া যোগীৰ উল্লেখ আছে। নেপালৰ কাঠমাণ্ডুৰ পশ্চিম কাষে 'দাগালী' বা 'দাগ' নামে এক শ্ৰেণীৰ ব্ৰাহ্মণ আছে (—চৰ্যাগীতি পদাবলী, পৃঃ ১৭২)। কিন্তু পাৰিভাষিক শব্দ হিচাবে 'বঙ্গালে' শব্দটোহে গ্ৰহণযোগ্য। পুৰণি অসম বুৰঞ্জীত 'বঙ্গাল' শব্দৰ দ্বাৰা বিদেশীক বুজোৱা হৈছে।

লেশ, পাঠান্তৰে ক্লেশ লুড়িউ—দুখ-ক্লেশ আদি লুটি নিলে। কামৰূপী উপ ভাষাত লুটি নিয়া অৰ্থত 'লুড়ি' শব্দ ব্যৱহাৰ হয়। 'আজি ··· ভইলী' :—চৰ্য্যাৰচকে নিজকে সম্বোধন কৰি কৈছে যে 'হে ভুসুকু, আজি তই বঙ্গালী হ'লি।' অৰ্থাৎ জাগতিক চিত্তক পৰিশুদ্ধ কৰি অদ্বয়জ্ঞানেৰে জ্ঞানী হ'লি। ভইলী—হ'লি, হ'লা। 'ণিঅ ঘৰিণী চণ্ডালী লেলী' :—অপৰিশুদ্ধ চিত্ত ৰূপিণী ঘৈণীয়েকক সিদ্ধ ভুসুকুপাদে পৰিশুদ্ধ কৰি চণ্ডালীৰ তুল্য অৰ্থাৎ প্ৰভাস্বৰ-প্ৰকৃতি স্বৰূপা কৰি ললে। লেলী ললে, কৰি ললে। ডহি—দগ্ধ কৰি, পুৰি। পঞ্চপাটণ—পঞ্চস্কন্ধ (ক্ষিতি, তপ, তেজ, মৰুৎ, বোম—এই পঞ্চভূতৰ সূক্ষ্ম অৱস্থা)। পঞ্চস্কন্ধ আশ্ৰিত অহঙ্কাৰ, মদ, মগুহ, মাছ, মুদ্ৰা (ভজা বস্তু), মৈথুন (ৰতি-ক্ৰিয়া) প্ৰভৃতি বিষয়-ভাৱ। 'পঞ্চপাটনমিতি পঞ্চস্কন্ধাশ্ৰিতাহংকাৰাদিকং'—টীকা। ইন্দি বিসআ—ইন্দ্ৰিয়জাত বিষয় আদি। 'ণ জানমি চিঅ মোৰ কহিঁ গই পইঠা' :—মোৰ চিত্ত যে ক'ত গৈ সোমাল তাক মই নাজানো; অৰ্থাৎ মোৰ মনৰ পৰা যাৱতীয় বিকল্প-ভাৱ গুচাত চিত্ত কেনি গৈ প্ৰৱেশ কৰিলে সেই তত্ত্ব মই নাজানো। কহিঁ গই পইঠা—ক'ত গৈ প্ৰৱেশ কৰিলে। সোণ ত ৰুঅ—সোণ নতুবা ৰূপ; নিৰ্বাণ আৰু ৰূপাদি বিষয়ৰ আশ্ৰয়-স্থল ভৱ। মোৰ কিম্পি ণথাকিউ—মোৰ একোৱেই নাই। 'সোণ ত ৰুঅ ণথাকিউ' :—বৰ্ত্তমান মোৰ ভৱ-নিৰ্বাণ বিষয়ক ভেদ- জ্ঞান তিলমাত্ৰও নাই। ণথাকিউ—নাথাকে, নাই। 'নিঅ পৰিবাৰে মহাসুহে থাকিউ' :—মোৰ নিজ পৰিবাৰতুল্য শূন্যতাৰ সৈতে মহাসুখত মগ্ন আছোঁ; অৰ্থাৎ মোৰ সকলো প্ৰকাৰ বিকল্পাত্মক ভাৱ দূৰ হোৱাত এতিয়া শূন্যতাৰ লগত মিলি পৰি পৰম সুখত বুৰ গৈ আছোঁ। চউকোড়ি—চাৰিবিধ বিকল্পাত্মক প্ৰকৃতি, যেনে—সৎ, অসৎ, সদসৎ, সৎও নহয় অসৎও নহয়। ভণ্ডাৰ—ভঁৰাল। তুলনীয়—পাপৰ ভণ্ডাৰ পোৰা বোলা ৰাম ৰাম' -(কন্দলি ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড)। লইআ সেস—লৈ শেষ কৰিলে। 'জীৱন্তে মইলেঁ নাহি বিশেষ':—জীৱন আৰু মৰণত কোনো বিশেষত্ব নাই; জীৱন আৰু মৰণ বিষয়ক বিকল্প ভাৱ নাই।

৫০

ৰাগ—ৰামক্ৰী : শবৰপাদানাম্

গঅণত গঅণত তইলা বাড়ী[১] হেঞ্চে কুৰাড়ী।
কণ্ঠে নৈৰামণি বালি জাগন্তে উপাড়ী॥
ছাড়ু ছাড় মাআ মোহা বিষমো দুন্দোলী।
মহাসুহে বিলসন্তি শবৰো লইআ সুণ মেহেলী॥
হেৰি যে মেৰি তইলা বাড়ী খসমে[২] সমতুলা।
ষুকড়এ[৩] সে ৰে[৩] কপাসু ফুটিলা॥
তইলা বাড়িৰ পাসেঁৰ জোহ্না বাড়ি উএলা[৪]।
ফিটেলি অন্ধাৰী ৰে অকাশ ফুলিআ॥
কঙ্গুচিনা[৫] পাকেলা ৰে শবৰা-শবৰী মাতেলা।
অণুদিণ সৱৰো কিংপি ন চেবই মহাসুহেঁ ভেলা।
চাৰি বাসে[৬] গড়িলা ৰেঁ[৭] দিআঁ চঞ্চালী।
তঁহি তোলি শবৰো ডাহ কএলা কান্দশ সগুণ শিআলী॥
মাৰিল ভৱমত্তা ৰে দহদিহে দিধলি[৮] বলী[৮]।
হেৰ[৯] সে[৯] শবৰো নিৰেবণ ভইলা ফিটিলি ষৱৰালী॥

পাঠান্তৰ

১। বাডী, টীকা, বাগচী, শহীদুল্লাহ; বাড্হী, সেন; লিপিত 'ড্+হী' যুক্তাক্ষৰ। ২। খঃসমে, লিপি, সেন; খসমে, শাস্ত্ৰী, বাগচী, শহীদুল্লাহ। ৩—৩। সুকডএ সে ৰে, বসু; সুকড় এ সে ৰে, বাগচী। ৪। উএলা, বাগচী, শহীদুল্লাহ, নীসেন: তাএলা, সেন। ৫। কঙ্গুচিনা, শহীদুল্লাহ, সেন, বসু; কঙ্গুৰিনা, নীসেন, লিপি। ৬। বাসে, লিপি, শাস্ত্ৰী, সেন; বাসেঁ, বাগচী। ৭। গড়িলাৰে, শহীদুল্লাহ, বসু; ভাইলাৰে, বাগচী; গড়িল ৰেঁ, সেন; ভা ভলা ৰেঁ, লিপি। ৮—৮। দিধলি বলী, বাগচী, শহীদুল্লাহ, সেন, মুখোপাধ্যায়। ৯—৯। হেৰ সে, লিপি, সেন, বসু।

মূলাৰ্থ

চিন্তা-কল্প আৰু ৰূপ-শিল্পৰ মধুৰ সমন্বয়ত চৰ্য্যাটিৰ আধ্যাত্মিক আৰু কাব্যিক সৌন্দৰ্য্য পৰিস্ফুট হৈছে। প্ৰাকৃতিক সৌন্দৰ্য্যৰ চিত্ৰণ আৰু ব্যক্তি-প্ৰেমৰ নিদৰ্শন এই চৰ্য্যাটিৰ তত্ত্ব-ব্যাখ্যাৰ যাই অৱলম্বন।

সিদ্ধাচাৰ্য্য শবৰপাদে সহজীয়া তত্ত্বৰ মাজেদি চাৰিবিধ শূন্য-তত্ত্বৰ ভিতৰত চতুৰ্থ শূন্যৰ গূঢ়ত্ব আৰু ঔচিত্য দেখুৱাই কৈছে যে সাধাৰণ শূন্যৰ ওপৰত অতিশূন্য থাকে, তাৰে সৈতে থাকে তৃতীয় বিধ মহাশূন্য। নিবিড় হৃদয় হ'ল চতুৰ্থ শূন্য বা প্ৰভাস্বৰ-শূন্যৰ স্থান। প্ৰভাস্বৰ-শূন্যতাক কুঠাৰৰ লগত তুলনা কৰা হৈছে। প্ৰভাস্বৰ-শূন্যৰ লগত বৌদ্ধশাস্ত্ৰৰ মহানিৰ্বাণ তুলনীয়। মহানিৰ্বাণেই হ'ল শ্ৰেষ্ঠ বা শেষ মুক্তি। ইয়াক একমাত্ৰ বুদ্ধসকলেহে লাভ কৰিব পাৰে। সেইদৰে সহজীয়া ধৰ্মৰ শীৰ্ষস্থানীয় সিদ্ধযোগীসকলেহে প্ৰভাস্বৰ-শূন্যতাৰ অধিকাৰী হৈ নিৰ্বাণ পাব পাৰে। শূন্য-তত্ত্বৰ প্ৰথম তিনিটা স্তৰৰ দোষ প্ৰভাস্বৰ-শূন্যতা ৰূপ কুঠাৰেৰে কাটি-ছিঙি নাশ কৰি যোগীয়ে নৈৰাত্মাক কণ্ঠত ধাৰণ কৰি জাগি থাকে। কায়-বাক্-চিত্তক তেওঁ আয়ত্তাধীন কৰে।

সিদ্ধাচাৰ্য্য শবৰপাদে যোগীক উদ্দেশ্য কৰি কৈছে—'হে যোগী, সাংসাৰিক মায়া-মোহ পৰিহাৰ কৰা; কাৰণ এইবোৰে বিষম জঞ্জালৰ সৃষ্টি কৰে। আদৰ্শ স্বৰূপে শবৰক চোৱা, তেওঁ শূন্য-নৈৰাত্মাক লৈ পৰম সুখত বিলাস কৰিছে। আকৌ নিৰীক্ষণ কৰা, সেইয়া মহাশূন্যত অৱস্থিত মোৰ ঘৰ, গুৰুৰ কৃপাত সি প্ৰভাস্বৰ-শূন্যৰ সমতুল্য হৈ উঠিছে। তাত এতিয়া সুন্দৰভাৱে কপাহ-ফুল ফুলিছে, সেইবোৰ ভৱিষ্যতেও নষ্ট নহয়।' অৰ্থাৎ কপাহ-ফুলৰ নিচিনা শুভ্ৰ-শুদ্ধ প্ৰভাস্বৰ শূন্যতাই তাত বিৰাজ কৰিছে, সি নিত্য আৰু অবিনাশী জ্যোতি। তৃতীয় ঘৰখনৰ কাষতে থকা চতুৰ্থ ঘৰখন অৰ্থাৎ প্ৰভাস্বৰ-শূন্যৰূপ ঘৰখন জোনাকেৰে উপচি পৰিছে। ফলত, আকাশ ছানি থকা ক্লেশৰূপ অন্ধকাৰ দূৰ হ'ল।

কঙ্গুচিনা ফল পকিছে। ইয়াৰ ৰস পান কৰি শবৰ-শবৰী আনন্দতে মতলীয়া হৈ উঠিল। দিনৰ পিছত দিন ধৰি শবৰে চেতনাহীন হৈ মহাসুখত নিমগ্ন হ'ল; অৰ্থাৎ শূন্যতাৰ চৰম তত্ত্ব বুজি উঠি শবৰ-শবৰী যেন মহানন্দত উৰাউল হৈ পৰিল। গুৰুৰ কৃপাত ইন্দ্ৰিয়াতীত অৱস্থাপ্ৰাপ্ত হৈ অহৰহ বিপুলানন্দত বিভোৰ হৈ

পবিত্র। শবৰৰ এতিয়া জাগতিক জ্ঞান অকণমানো নাই, তেওঁ এতিয়া সম্পূৰ্ণ নিৰ্বিকল্প।

চাৰিডাল বাঁহৰ খামত টেঁচালি পাৰি দি মৰ-শয্যা তৈয়াৰ কৰিলে। তাতে তুলি শবৰক দাহ কৰিলে। মৰা-শ খাবলৈ নাপাই শিয়াল-শগুণে কান্দিছে। অৰ্থাৎ শবৰপাদে চতুৰ্থ ধ্যানস্থান সযতনে সাজি তাত ইন্দ্ৰিয়জাত বিষয়সমূহ ধ্বংস কৰিলে। তেতিয়া শগুণ-শিয়ালৰূপ ইন্দ্ৰিয়বোৰ সিহঁতৰ আশ্ৰয়-স্থল যোগীৰ দেহ লয় পোৱাৰ আশঙ্কাত মৰ্মাহত হৈছে।

এইদৰে ভ্ৰমমত্ততাক নাশ কৰা হ'ল। বিশ্বৰ সকলো পিনে জুৰি থকা দ্বিধাভাৱক বলি দিয়া হ'ল। যোগী শবৰপাদে নিৰ্বাণ লাভ কৰিলে, তেওঁৰ আগৰ শবৰত্ব বা পাৰ্থিব স্বভাৱ লোপ পালে।

শব্দ-টীকা

গঅণত গঅণত—শূন্যে শূন্যে। দ্বিৰুক্তিৰ দ্বাৰা বহুবচন আৰু জোৰ বুজোৱা হৈছে। সহজীয়া তত্ত্বৰ চাৰিবিধ শূন্যৰ ভিতৰত সাধাৰণ শূন্য আৰু অতিশূন্য বুজাইছে। 'গগনেত্যুক্তিদ্বয়েন শূন্যাতিশূন্যং বোদ্ধব্যম্'—টীকা। তইলা বাড়ী—তৃতীয় ঘৰখন অথবা তাত লাগি থকা ঘৰখন। 'তল্লগ্নবাটিকা সন্ধ্যায়া তৃতীয়ং মহাশূন্যং চ'—টীকা। হেঞ্চে কুৰাড়ী—হৃদয় কোঠা হ'ল চতুৰ্থ শূন্য অৰ্থাৎ প্ৰভাস্বৰ-শূন্যৰ স্থান। হেঞ্চে—হিঅ', হিয়াত। কুৰাড়ী—কুঠাৰিকা। হেঞ্চে কুৰাড়ীৰ অৰ্থ 'হিয়াৰূপ কুঠাৰেৰে'ও সিদ্ধ হয়। প্ৰভাস্বৰ-শূন্যক হৃদয়-কুঠাৰৰ লগত ৰিজোৱা হৈছে। টীকাত কৈছে যে হৃদয়-কুঠাৰৰূপ প্ৰভাস্বৰ-শূন্যই বাকী তিনি শূন্যৰ দোষ ছেদন কৰিব লাগে। কণ্ঠে নৈৰামণি বালি—কণ্ঠত বা সম্ভোগ-চক্ৰত নৈৰাত্মধৰ্ম, ইয়াক বালিকাৰ সৈতে তুলনা কৰা হৈছে। জাগন্তে উপাড়ী—ত্ৰৈলোক্যক অৰ্থাৎ কায়-বাক্-চিত্তক দমন কৰি জাগি থাকে। ছাড়ু ছাড়—ছাড়ি ছাড়, এড়ি এড় অৰ্থাৎ পৰিত্যাগ কৰা। এইবোৰ বুৰীয়া শব্দ। মাআ মোহা—মায়া-মোহ। বিষমো দুন্দোলী—বিষম ধৰণৰ সমস্যা, বিষম দোদুল্যমান অৱস্থা। 'ছাড়ু

ছাড় ··ছুন্দোলী' : মায়া-মোহ ত্যাগ কৰি মহামুদ্ৰাক লাভ কৰা, দৌহুল্যমান ভাৱত থাকিলে কথা বিষম হৈ পৰে। 'মহাসুহে বিলসন্তি শবৰো লইআ সুণ মেহেলী' : শবৰেও শূন্য-নৈৰাত্মাক লৈ মহাসুখেৰে বিলাস কৰে সুণ মেহেলী—শূন্য-মহিলা, নৈৰাত্মা-জ্ঞানমুদ্ৰা। খসমে সমতুলা—প্ৰভাস্বৰ-শূন্যতাৰ সমতুল্য হ'ল। ষুকড়এ —সুন্দৰ ৰূপে, চমৎকাৰভাৱে। কপাসু ফুটিলা—কপাহ-ফুল ফুলিল ; প্ৰভাস্বৰ-শূন্যক শুভ্ৰ-শুদ্ধ কপাহৰ লগত তুলনা কৰা হৈছে। 'তইলা বাড়িৰ বাড়ি উএলা' : তৃতীয় ঘৰৰ কাষৰ চতুৰ্থ ঘৰখন জ্ঞানৰূপ চন্দ্ৰৰ কিৰণৰ দ্বাৰা উদ্ভাসিত হ'ল ; অৰ্থাৎ প্ৰভাস্বৰ শূন্যৰ উদয় হ'ল। জোনাকৰ কিৰণেৰে সমুজ্জ্বল কাৰণে চতুৰ্থ 'জোহ্না বাড়ি' আখ্যা দিয়া হৈছে। উএলা—উঠিল, উদয় হ'ল। ফিটেলি অন্ধাৰী —দুখ-ক্লেশৰূপ অন্ধকাৰ দূৰ হ'ল। অকাশ ফুলিআ—আকাশলৈকে ফুলি থকা, আকাশ ছানি থকা (অৰ্থাৎ অন্ধকাৰ)। কঙ্গুচিনা—এবিধ ফল, ই শবৰবিলাকৰ প্ৰিয় খাদ্য। পাকেলা—পকিল। 'কঙ্গুচিনা···মাতেলা' —কঙ্গুচিনা ফল পকিল। তাৰ ৰস পান কৰি শবৰ-শবৰী আনন্দত মতলীয়া হ'ল। অৰ্থাৎ শন্যতা সম্বন্ধে চৰম জ্ঞান লাভ কৰি শবৰ আৰু শবৰী পৰম আনন্দত উন্মত্ত প্ৰায় হৈ উঠিল। 'অনুদিণ সবৰো · ভেলা'—দিনৰ পিছত দিন ধৰি শবৰে অকণো চেতনা নাৰাখি চৰম সুখত বিভোৰ হৈ পৰিল। অণুদিণ —প্ৰতিদিন, অহৰহ। 'চাৰি বাসে···চঞ্চালী'—চাৰিডাল বাঁহৰ ধামত চেঁচালি পাৰি দি শয্যা তৈয়াৰ কৰিলে। তত্ত্বমতে, স্বভাৱতে চঞ্চল ইন্দ্ৰিয়সমূহক দূৰ কৰি দি চতুৰ্থ শূন্যৰ বাস-ঘৰ গঢ়িলে। চাৰি বাসে—চতুৰ্থ বাসস্থানত প্ৰভাস্বৰ-শন্যৰ স্থানত। 'চতুৰ্থ-সন্ধ্যয়া চতুৰানন্দা বোদ্ধব্যা'—টীকা। গঢ়িলা—গঢ়িলা, গঢ়িলে। দিআঁ —দি (অসমাপিকা ক্ৰিয়া)। চঞ্চালী—চেঁচালি বা চেঁচেলি (কামৰূপী শব্দ), দা বা কুঠাৰেৰে গোটা বাঁহ থুকুচি ফালি বেৰ বা চাং তৈয়াৰ কৰা বস্তু বিশেষ ; ই বাঁহৰ চাৰিৰ নিচিনা, কিন্তু দৈ তুলি ৰৰ নালাগে, এক খলপীয়া মোটা বিধৰ। ঠাই বিশেষে ইয়াক চঞ্চালি,

চেঞ্চেলি, চেঁচ্‌লি বুলিও কয়। 'তঁহি তোলি···শিআলী'—তাতে তুলি শৱৰে (বা শৱৰক) দাহ কৰিলে। তাকে দেখি শগুণ-শিয়ালে কান্দিছে। কাৰণ, পুৰি পেলোৱা হেতুকে সিহঁতে শ-টো খাবলৈ নোপালে। অৰ্থাৎ শিয়াল-শগুণ সদৃশ বিষয়-ইন্দ্ৰিয়বোৰে সমাধিস্থ শৱৰৰ দেহ নাশ হোৱা দেখি দুখতে যেন কান্দিছে। তোলি—তুলি। কএলা—কৰিলে বা কৰা হ'ল। ভৱমত্তা—ভৱমত্ততা, জাগতিক বিকল্প-জ্ঞানত হোৱা মত্ততা, অবিদ্যা-অহঙ্কাৰ। দিধলি বলী—দ্বিধা ভাৱক বলি দিয়া হ'ল, দ্বিধা-জ্ঞান বা দ্বৈতজ্ঞান নাশ কৰা হ'ল। দিধলি—দ্বিধাভাৱ, বিকল্প-জ্ঞান। বলী—বলি দিয়া হ'ল। হেৰ—চোৱা। সে শৱৰো—সেইজন শৱৰপাদ। নিৰেৰণ ভইলা—নিৰ্বাণপ্ৰাপ্ত হ'ল। ফিটিলি—পলাল, দূৰ হ'ল(<স্ফোটিতম্)। ষৱৰালী—(শৱৰ + আলি)=শৱৰালি, শৱৰত্ব, শৱৰৰ জাগতিক স্বভাৱ। 'হেৰ সে শৱৰো···ষৱৰালী' :- চৰ্য্যাৰচকে কৈছে—'চোৱা, সেইজন শৱৰে নিৰ্বাণ লাভ কৰিলে, তেওঁৰ আগৰ ইন্দ্ৰিয়জনিত প্ৰকৃতি লোপ পালে।'

পৰিশিষ্ট

[ক]

পাৰিভাষিক শব্দ আৰু টোকা

চৰ্য্যাপদ সমূহত কেতবোৰ দ্ব্যৰ্থক সাংকেতিক শব্দ ব্যৱহাৰ কৰা হৈছে। বিষয়-বস্তুৰ অন্তৰ্নিহিত গূঢ়াৰ্থ বহন কৰা আৰু বিশেষ প্ৰসঙ্গত প্ৰয়োগ হোৱা শব্দবোৰকেই সাধাৰণতে পাৰিভাষিক শব্দ বোলা হয়। তলত তেনে শব্দ কিছুমানৰ টোকা দিয়া হ'ল।

অনহা—অনাহত, শূন্যতা-শব্দ।

অবিদ্যা—অন্তৰৰ আৰু বাহিৰৰ অজ্ঞানতা। জগতখন দুখময়, দুখৰ কাৰণ, দুখ-মোচনৰ উপায় সম্বন্ধীয় অজ্ঞানতাই হৈছে অবিদ্যা।

অৱধূতী—পৰিশুদ্ধ নৈৰাত্মাদেৱী, মহামুদ্ৰা, যোগিনী, সুষুম্না।

অৱধূতিকা নাড়ি—সহজীয়া তত্ত্বমতে ললনা আৰু ৰসনা নাড়ীৰ মাজত অৱধূতী বা অৱধূতিকা নামক এডাল নাড়ী আছে। হিন্দু-তন্ত্ৰত ইয়াক সুষুম্না নাড়ী বোলে। এই নাড়ীয়েই হ'ল অদ্বয় বোধিচিত্ত বা সহজানন্দ লাভৰ বাবে মধ্যম মাৰ্গ। সহজীয়া যোগীসকলে ইয়াৰ সহায়ত সাধনাত আগ বাঢ়ে আৰু সিদ্ধি লাভ কৰে। সৰস্বতী, মহাসুখাধাৰ প্ৰভৃতি ইয়াৰ অন্যান্য নাম।

আকাশ—অনাবৃতি, শূন্যতা। যি ৰূপ বা বস্তুৰ দ্বাৰা আবৃত নহয় আৰু ৰূপ বা বস্তুক আবৃত নকৰে সেয়ে আকাশ।

আৰ্য্যসত্য—বৌদ্ধ ধৰ্মৰ মূল ভেটি হ'ল আৰ্য্যসত্য ; ই চাৰিবিধ - (১) দুখ, (২) দুখ-সমুদয়, (৩) দুখ-নিৰোধ, (৪) দুখ নিৰোধৰ উপায়।

আলি-কালি, আলিএঁ-কালিএঁ—লোকজ্ঞান আৰু লোকভাস, চন্দ্ৰ আৰু সূৰ্য্য, শ্বাস-গ্ৰহণ আৰু শ্বাস-ত্যাগ।

এবংকাৰ—শূন্যতা-কৰুণাভিন্ন মহামুদ্ৰা।

ওড়িআন—উৰ্দ্ধস্থান, মহাসুখ-চক্ৰ।

কৰি (কৰী), কৰিণ—চিত্ত বা চিত্ত-গজেন্দ্ৰ।

কৰিণি (কৰিণী) – নৈৰাত্মা।

কৰুণা – দয়া, উপায়। ই কুশলধৰ্মবাদী প্ৰবৃত্তিৰ দিশ।

কান্ধ – দেহ। ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ, বিজ্ঞান – এই পঞ্চস্কন্ধৰ ধাৰক।

কাপুৰ – কৰ্পূৰ, শুক্ৰ, শূন্যতা।

কুন্দুৰু – মৈথুন যোগ। দ্বি ইন্দ্ৰিয়সমাপত্তি।

কুম্ভীৰ—কুম্ভক যোগ।

কুলিশ—বজ্ৰ, শূন্যতা বা চৰম তত্ত্ব।

কুলীন—পঞ্চস্কন্ধাত্মক শক্তিয়েই কৈছে 'কুল'। ইয়াৰ সহায়ত সাধক আগবাঢ়ে। পঞ্চকুলৰ নাম – বজ্ৰ, পদ্ম, কৰ্ম, তথাগত, ৰত্ন। পঞ্চকুলে পৰিণতি লাভ কৰি পঞ্চবুদ্ধৰ শক্তি আয়ত্ত কৰে। পঞ্চবুদ্ধ বা পঞ্চতথাগত হ'ল – বৈৰোচন, অক্ষোভ্য, ৰত্নসম্ভৱ, অমিতাভ আৰু অমোঘসিদ্ধি। যি সাধকে দীক্ষা লৈ সাধনাৰ দ্বাৰা এই কুল লাভ কৰে তেওঁক কুলীন বোলে।

খসম—আকাশ, শূন্যতা।

গঅণ—শূন্যতা, প্ৰজ্ঞা।

গঅবৰ—গজবৰ, পৰিশুদ্ধ চিত্ত।

গঙ্গা—অৱধূতী, চন্দ্ৰ, ললনা, গ্ৰাহ্য।

গঙ্গা-জউনা—গ্ৰাহ্য-গ্ৰাহক, চন্দ্ৰ-সূৰ্য্য, ললনা-ৰসনা নাড়ী।

গৱিআ—নৈৰাত্মাদেৱী।

গিৰি—পৰ্বত, নিতম্ব।

গৃহিণী/ঘৰিণী—পত্নী, মহামুদ্ৰা, দিব্যমুদ্ৰা, জ্ঞানমুদ্ৰা।

চউকোড়ি—চাৰিবিধ বিকল্পাত্মক প্ৰকৃতি; যেনে—সৎ, অসৎ, সদসৎ, সৎও নহয় অসৎও নহয়।

চতুঃশূন্য—শূন্যতাৰূপ প্ৰজ্ঞাৰ চাৰিটা স্তৰ; যেনে – শূন্য, অতিশূন্য, মহাশূন্য আৰু প্ৰভাস্বৰ-শূন্য। সাধাৰণ শূন্যস্তৰত চিত্ত প্ৰজ্ঞামুখী যদিও চিত্তৰ অশুদ্ধিৰ কাৰণস্বৰূপ শোক, ভয়, ক্ষোভ, পিয়াহ, বেদনা, সমবেদনা, প্ৰত্যবেক্ষা (অনুসন্ধান, ঔৎসুক্য), কাৰুণ্য

প্ৰভৃতি তেত্ৰিশ প্ৰকাৰৰ প্ৰকৃতিদোষ ইয়াৰ সৈতে যুক্ত থাকে। অতিশূন্য সাধাৰণ শূন্যাৰ পৰা উন্নত হোৱা কিছু উন্নত স্তৰ। ইয়াৰ লগত কাম, সম্ভোগ, সুখ বিস্ময়, ধৈৰ্য্য, গৰ্ব আদি চল্লিশটা প্ৰকৃতিদোষ জড়িত থাকে। মহাশূন্য আগৰ দুটা শূন্য স্তৰৰ তুলনাত বিশুদ্ধ। তথাপি ইয়াৰ লগতো বিস্মৃতি, ভ্ৰান্তি, আলস্য প্ৰভৃতি সাতটা প্ৰকৃতিদোষ থাকে। এইবোৰ আমাৰ শ্বাস-প্ৰশ্বাসৰ লগত দিন-ৰাতি প্ৰৱাহিত হৈ থাকে। শেষ স্তৰ প্ৰভাস্বৰ শূন্যাই হ'ল সৰ্বশূন্য; ই সকলো প্ৰকাৰ প্ৰকৃতিদোষৰ পৰা মুক্ত। ই পৰিশুদ্ধ, পৰম বিজ্ঞান আৰু চৰম সত্য। ই আদি-অনাদি, মধ্য-অমধ্য, অন্ত-অনন্ত, অস্তি-নাস্তি, পাপ-পুণ্য আদি সকলো সীমাৰ ওপৰত। ১২, ৩৩, ৩৬, ৪৯ আৰু ৫০ নং চৰ্য্যাত চাৰি-শূন্যাৰ তত্ত্ব ব্যাখ্যা কৰা হৈছে।

চণ্ডালী—চণ্ডালৰ তিৰোতা, তেজঃস্কন্ধৰ অধিষ্ঠাত্ৰী যোগিনী।

চান্দ—চন্দ্ৰ, অৱধূতী।

চাৰিচক্ৰ—সহজীয়াসকলে শৰীৰৰ ভিতৰতে চাৰিটা প্ৰধান চক্ৰ বা পদ্মৰ কল্পনা কৰিছে; সেইবোৰ হ'ল—নিৰ্মাণ-চক্ৰ (নাভিত), ধৰ্ম-চক্ৰ (হৃদয়ত), সম্ভোগ-চক্ৰ (কণ্ঠত) আৰু সহজ-চক্ৰ বা মহাসুখ-চক্ৰ অথবা উষ্ণীষ-চক্ৰ (মূৰত)।

জিনউৰ—জিনপুৰ, মহাসুখৰ পুৰী।

জিন-ৰঅণ—জিন-ৰত্ন, নিৰ্বাণ।

টালত—টিলাত, মহাসুখ-চক্ৰত।

ডোম্বী—পৰিশুদ্ধা অৱধূতী, সহজানন্দৰূপিণী নৈৰাত্মাদেৱী। বায়ু-স্কন্ধৰ অধিষ্ঠাত্ৰী যোগিনী। নৈৰাত্মাৰ মাহাত্ম্য কোনো কোনো ক্ষেত্ৰত চণ্ডালী, মাতঙ্গী, শবৰী, হৰিণী প্ৰভৃতি প্ৰতীকৰ মাজেৰে বুজোৱা হৈছে।

নৈৰামণি—নৈৰাত্মা যোগিনী; বিজ্ঞান-স্কন্ধৰ অধিষ্ঠাত্ৰী দেৱী।

তথতা—পাৰমাৰ্থিক সত্য; ইয়াক লৌকিক ভাষাত প্ৰকাশ কৰিব নোৱাৰি।

তথাগত—বুদ্ধ বা মহাজ্ঞানী সিদ্ধসকলক তথাগত বোলা হয়।

তিনিএঁ পাটেঁ—তিনিটা পাট অৰ্থাৎ কায়-বাক্-চিত্ত।

ত্ৰিশৰণ—বুদ্ধ, ধৰ্ম, সংঘ—এই তিনি বিধ শৰণ-স্থান।

ত্ৰৈলোক্য – কায়-বাক্-চিত্ত।

দশবৰ—বুদ্ধ ৰত্ন, তথতাৰূপ ৰত্ন।

দুলি – মহাসুখ-কমল।

নণন্দ – উপকৰা অৰ্থত স্বামীৰ ভনীয়েক। তত্ত্বমতে, বিষয়-আনন্দ দিওঁতা ইন্দ্ৰিয়াদি।

নলিনীবন—মহাসুখ-কমল বন।

নাঈ—শুক্ৰনাড়ী।

নাদ—শব্দ গ্ৰাহ্যভাৱ।

নামৰূপ—বেদনা, সংজ্ঞা, সংস্কাৰ আৰু বিজ্ঞানৰ সমষ্টিক 'নাম' আৰু চাৰি মহাভূত আৰু চাৰি মহাভূতাত্মক বস্তুক 'ৰূপ' আখ্যা দিয়া হৈছে। এই নামৰূপ উৎপন্ন হলেই জীৱৰ চকু, কাণ, জিভা, নাক, কায় আৰু মনৰ আভ্যন্তৰীণ শক্তিৰ বিকাশ হয়, তেতিয়া বাহিৰৰ জগতৰ লগত সিহঁতৰ সংযোগ ঘটে। ইয়াৰ ফলত জীৱৰ নানা দুখ-বেদনা সম্বন্ধে অনুভূতি জন্মে।

নিৰ্বাণ—দুখ-মোচনৰ উপায় হৈছে নিৰ্বাণ, ই সুখময় আৰু স্বভাৱশূন্য।

পউআ খালেঁ—পদ্ম-খালত, শূন্যতা বা প্ৰজ্ঞাৰূপ খালত।

পড়ৱেষী—প্ৰৱেশী, চন্দ্ৰ-সূৰ্য্য, ললনা-ৰসনা দুই নাড়ী, অৰ্থাৎ দ্বৈতাভাস।

পঞ্চজনা—পাঁচ ইন্দ্ৰিয় (পঞ্চজ্ঞানেন্দ্ৰিয় আৰু পঞ্চকৰ্মেন্দ্ৰিয়)।

পঞ্চ কেডুআল—পাঁচ পাট বঠা, পাঁচটা সাধন প্ৰণালী, পঞ্চ তথাগত।

পঞ্চনালে– পাঁচটা নালেৰে। অৰ্থাৎ বিটনাড়ী, মূত্ৰ নাড়ী, শুক্ৰ নাড়ী, ললনা নাড়ী আৰু ৰসনা নাড়ী।

পঞ্চ পাটন—পঞ্চস্কন্ধ। অৰ্থাৎ ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ আৰু বিজ্ঞানকে পঞ্চস্কন্ধ বোলে। এইবোৰেই সংসাৰৰ বীজস্বৰূপ।

পঞ্চবুদ্ধ বা পঞ্চধ্যানীবুদ্ধ—পঞ্চস্কন্ধৰ পাঁচজন অধিষ্ঠাতা দেৱতা। এওঁলোক হ'ল—বৈৰোচন (ৰূপস্কন্ধৰ দেৱতা), ৰত্নসম্ভৱ (বেদনাৰ দেৱতা), অমিতাভ (সংজ্ঞাৰ দেৱতা), অমোঘসিদ্ধি (সংস্কাৰৰ দেৱতা) আৰু অক্ষোভ্য (বিজ্ঞানৰ দেৱতা)। পঞ্চধ্যানীবুদ্ধকেই পঞ্চতথাগতও বোলে।

পঞ্চ প্ৰতিবন্ধক - কাম, দ্বেষ, তন্দ্ৰা গৰ্ব্ব আৰু মোহ। ইহঁতে চিত্তৰ প্ৰকৃত প্ৰসন্নতা নষ্ট কৰে।

প্ৰজ্ঞা - পৰম জ্ঞান। ই অবিদ্যাজাত সকলো ভাৱ-চিন্তা দূৰ কৰি জ্ঞানলোক দৰ্শন কৰায় আৰু আৰ্য্যসত্য সম্বন্ধীয় জ্ঞান গাঢ় কৰি তোলে। প্ৰজ্ঞাৰ বলত যোগীয়ে নিত্য-অনিত্য, দুখ-সুখ, অনাত্ম-শূন্যতা আদিৰ পাৰ্থক্য, গুৰুত্ব তথা মাহাত্ম্য বুজি পায়।

পাৰমিতা - পূৰ্ণতাপ্ৰাপ্ত।

পুলিন্দা পুলিন্দ নপুংসক, মাণ্ডল, অদ্বয়তত্ত্ব, নিৰুপাধিত্ব।

বঙ্গালে — বিদেশী, অদ্বয়-জ্ঞান।

বঙ্গে — অদ্বয়তত্ত্ব, নৈৰাত্মা।

বজ্ৰ — দৃঢ়, সাৰ, অচ্ছিদ্ৰ, অচ্ছেদ্য, অভেদ্য, অদাহ্য আৰু অবিনাশী। এই কাৰণে শূন্যতাকে বজ্ৰ বোলা হয়।

বজ্ৰধৰ কঠোৰ সাধনাৰ দ্বাৰা বোধিচিত্ত স্থিৰ-স্বভাৱী হলে সি বজ্ৰৰ দৰে কঠিন, অভেদ্য আৰু অবিচলিত হয়। এনে অৱস্থাত উপনীত হৈ বুদ্ধত্ব লাভ কৰা সিদ্ধপুৰুষসকলক বজ্ৰধৰ বোলে।

বজ্ৰসত্ত্ব — শূন্যতা-সত্ত্ব। বজ্ৰই যি সত্ত্ব সেয়ে বজ্ৰসত্ত্ব অৰ্থাৎ আদিবুদ্ধ। তেৱেঁই জগত-প্ৰপঞ্চৰ আদি কাৰণ। অৱশ্যে তেওঁ নিজে স্ৰষ্টা নহলেও শুদ্ধ জ্ঞানময় তনু। জ্ঞান-বীজ আকাৰত নিখিল ব্ৰহ্মাণ্ড তেওঁৰ ভিতৰতে সম্ভাৱনাৰূপে নিহিত আছে।

বজ্ৰাসন—যি আসনত বহি বজ্ৰধৰসকলে সিদ্ধিলাভ কৰে তাকে বজ্ৰাসন বোলে।

বড়িআ — ই এটি সন্ধ্যা শব্দ। টীকা অনুসৰি একশ ছয়টা প্ৰকৃতি। প্ৰকৃতিজাত নানা প্ৰকাৰ দোষৰূপ অভিব্যক্তিক বড়িআ শব্দৰ দ্বাৰা বুজোৱা হয়।

বলদ – প্ৰকৃতি-দোষ আশ্ৰিত অবিদ্যা-চিত্ত।

বঙ্ক – বিটনাড়ী।

বহুড়ী – অৱধূতী, অৱধূতিকা নাড়ী।

বাজিল/বাজুল/বাঝুল - বজ্ৰধৰ, বজ্ৰাচাৰ্য্য।

বাৰুণী সংবৃত্তিবোধিচিত্ত।

বোধিচিত্ত - শুক্ৰ, বোধিমন। ··· বুদ্ধত্ব বা প্ৰজ্ঞা-জ্ঞান লাভ কৰিব পৰা অৱস্থাপ্ৰাপ্ত চিত্ত।

ভৱ – ভৱ মানে সংসাৰ। কামতৃষ্ণা, ৰূপতৃষ্ণা আৰু অৰূপতৃষ্ণা নামক তিনিবিধ তৃষ্ণাৰ পৰা গ্ৰহণ কৰাৰ আকাঙ্ক্ষা জন্মে। এই আকাঙ্ক্ষাই হৈছে ভৱ বা জন্ম-গ্ৰহণ কৰিবৰ আকাঙ্ক্ষাৰ কাৰণ।

ভৱমত্তা – অবিদ্যা-অহঙ্কাৰ।

ভাত – সংবৃত্তি বোধিচিত্ত।

ভাৱ-অভাৱ অস্তিত্ব আৰু নাস্তিত্ব সম্বন্ধীয় জ্ঞান।

মণ-ৰঅণা - মনোৰত্ন পৰিশুদ্ধ চিত্ত বা বোধিচিত্ত।

মহামুদেৰী – মহামুদ্ৰা, নিৰ্বাণ।

মহাসুহ – মহাসুখ, চৰম সুখ।

মাৰ – জীৱৰ সকলো প্ৰকাৰ দুষ্প্ৰবৃত্তি, দুৰ্বুদ্ধি, দুষ্কৰ্ম, প্ৰলোভন আদিৰ মূল।

মূষক -- চিত্ত-পবন।

মোলাণ – বোধিচিত্ত।

ৰবি-শশী – সূৰ্য্য-চন্দ্ৰ, ৰজঃ-শুক্ৰ, পিঙ্গলা-ইড়া, গ্ৰাহক-গ্ৰাহ্য, ৰসনা-ললনা।

ৰূপ - ৰূপ এঘাৰ বিধ, পঞ্চেন্দ্ৰিয় + পঞ্চতন্মাত্ৰ + অবিজ্ঞপ্তি ধৰ্ম্ম।

ললনা-ৰসনা বোধিচিত্তৰ ধাৰা দুটিক এই দুই নাড়ীৰ দ্বাৰা দেখুওৱা হৈছে। বাওঁ নাকৰ বিন্ধাৰে প্ৰৱাহিত নাড়ীডাল হ'ল ললনা, আৰু সোঁ নাকেৰে প্ৰৱাহিত নাড়ীডাল হ'ল ৰসনা। প্ৰসঙ্গ-বিশেষে ইহঁত দুডালৰ বেলেগ বেলেগ প্ৰতীকী নাম হ'ল – শূন্যতা-কৰুণা, প্ৰজ্ঞা-উপায়, নিবৃত্তি-প্ৰবৃত্তি, বিন্দু-নাদ, গ্ৰাহক-গ্ৰাহ্য,

চমন-ধমন, ভৱ-নিৰ্বাণ ইত্যাদি। হিন্দুতন্ত্ৰ মতে ইহঁতৰ নাম ইড়া আৰু পিঙ্গলা।

শশহৰ (ষষহৰ)—চন্দ্ৰ, শুক্ৰ, বোধিচিত্ত।

শবৰ—বজ্ৰধৰ ভগৱান হেৰুক।

শবৰী (শবৰি)—জ্ঞানমুদ্ৰা, নৈৰাত্মাদেৱী।

শাসু—শ্বাস-ক্ৰিয়া।

শুণ্ডিণী—অৱধূতী, নৈৰাত্মা।

শূণ (সুন)—শূন্যতা।

ষিআল—শিয়াল, অপৰিশুদ্ধ চিত্ত।

ষিহে—সিংহ, প্ৰভাস্বৰ-চিত্ত।

সমৰস—চিত্ত-নিৰোধ, মৈথুন। শূন্যতা আৰু কৰুণা উভয়ে মিলি সমৰস উৎপন্ন কৰে।

সহজ—মায়াময় জগতৰ জ্ঞান সম্পূৰ্ণ নষ্ট কৰি সাধকে যি চৰম অৱস্থা পায় বা চৰম তত্ত্ব লাভ কৰে তাকেই ‘সহজ’ আখ্যা দিয়া হৈছে। সহজ-জ্ঞানত বুৰ গলে সাধকে সকলো ভেদাভেদ, ভৱ-মোহ পাহৰি তুৰীয় আনন্দত উদ্বাউল হৈ থাকে। এনে অৱস্থাকে অদ্বয়-অৱস্থা বোলে। সেই অৱস্থাত কাল-জ্ঞান, আদি-অন্তৰ বোধ একো নাথাকে, সকলো একাকাৰ হৈ পৰে। সেইয়া উপনিষদৰ ‘সোহহং ভাৱ’ৰ অনুৰূপ অৱস্থা।

সহজানন্দ—সহজযান ধৰ্মত প্ৰথমানন্দ, পৰমানন্দ, বিৰমানন্দ আৰু সহজানন্দ বুলি চাৰি প্ৰকাৰ আনন্দ নিৰ্দেশিত হৈছে। সাধকৰ অনুভূতিৰ চাৰিটা স্তৰ আছে, প্ৰতি স্তৰতে বিশেষ আনন্দ অনুভূত হয়। চতুৰ্থ স্তৰেই সহজানন্দ।

সাসু—শাসু। তত্ত্বমতে, শ্বাস। সুসুৰা—শসুৰ। তত্ত্বমতে, শ্বাস।

হৰিণ, হৰিণা—চিত্ত।

হৰিণী—জ্ঞানমুদ্ৰা, নৈৰাত্মা, প্ৰভাস্বৰ-শূন্যতা।

হুঙ্কাৰ—বজ্ৰধৰ।

হেৰুঅ শ্ৰীহেৰুক। বজ্ৰযানৰ প্ৰধান উপাস্য দেৱতা।

[খ]

চৰ্য্যাপদৰ সাদৃশ্যযুক্ত উলটা-পুৰাণৰ গীত

(১)

দিহা — অ' মোৰ গুৰুদেউ ই কথা পৈতায় ক্ষুনে,
লাউ তল গৈলা শিল উপভিলা
চামৰ নাও গৈলা তলে। মোৰ গুৰুদেউ

পদ - অ' হৰি এ, পৰ্ব্বতৰ উপাৰে কমালা ফুলিছে
কমালাৰ উপাৰে গাছ।
অ' গাছৰে উপাৰে কুকুৱাৰে বাহা
কুকুৱাৰ উপাৰে মাছ॥ মোৰ গুৰুদেউ ···
অ' হৰি এ, ৰৌৰে মূৰতে কুকুৱাৰে বাহা
কুকুৱা কিমতে জীয়ে।
অ' বেজীৰে কাণতে ৰান্ধা-বাঢা কৰে
উধানে কাঁথাখান সিয়ে॥ মোৰ গুৰুদেউ ···
অ' হৰি এ, বাঘৰে ছাগৰে হালখানি জুৰিলু
কাণশালা সাপৰে ল'ক।
অ' ভালুক বাপুৰাই আলিৰ পাহ কাটি যায়
বান্দাৰে চাৰি যায় গ'ক॥ মোৰ গুৰুদেউ ···
অ' হৰি এ, সাগৰৰ মাজতে ধঁৰাৰ খটৈখটি
নগৰৰ মাজতে নাও।
অ' এই গীত কৰিছে কবীৰা ফকিৰাই
কি বুইজ বা ভকতিৰ ভাৱঁ॥ মোৰ গুৰুদেউ ··· *

---

* ১নং গীতটি নলবাৰী মহকুমাৰ অন্তৰ্গত হাজোবাগাৰা গাঁওৰ সুগায়ক ৺বিশেশ্বৰ হাজৰিকাৰ মুখত শুনি ১৯৪৮ চনত লিখি ৰখা হৈছিল। অঞ্চলভেদে গীতটিৰ ৰূপ বেলেগ বেলেগ পোৱা যায়।

(২)

দিহা—অ' মোৰ বান্ধ কিমতে কহিব কথা,
খাটি কথা কলে বামটাকান তুলে
কুবাইয়ে ভাঙিব মাথা মোৰ বান্ধ···

পদ—গাছৰে উপাৰে মোৰ সৰু ঘৰটি
থাকোতা কুনো যে নাই।
চকুত নাই ভাত গুবৰে নাই খাট
সহস্ৰ অতিথি খায়॥ মোৰ বান্ধ···
কলিৰ সংসাৰ বাঢ়ে দিনে দিনে
দুৱা দুধ ভিতাৰে যায়।
বলাধে ছানা দেই বাজী গাই থাকে চাই,
ষাড়ৰ দুধ তিন্ সাজে খায়॥ মোৰ বান্ধ···
ভৈলা জ্ঞানীজন অতিকে বুদ্ধিহীন
চোৰে কয় সাধুৰে বাণী।
গেৰেলা শিয়ালে যুজে সিংহসমে
হৰিণাই মাংস খায় টানি। মোৰ বান্ধ··· *

---

* দৰং [illegible] মহকুমাৰ অন্তৰ্গত চাজাবাপাৰা গাঁৱৰ [illegible] [illegible] [illegible] মুখত শুনি ১৯৫০ চনত লিখি লোৱা হৈছিল। এনে ধৰণৰ গীত আৰু আছে।